মহাপুৰুষ

শঙ্কৰদেৱ-মাধৱদেৱৰ

# অঙ্কীয়া নাট আৰু ঝুমুৰা

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ


সম্পাদনা

ড০ প্ৰদীপ হাজৰিকা

ড০ ইন্দিৰা শইকীয়া বৰা



শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

হলধৰ ভূঞা পথ, কলংপাৰ

নগাঁও-৭৮২০০১, অসম

**MAHAPURUS SANKARDEV-MADHAVDEVAR ANKIYA NAT ARU JHUMURA** : A Collection of Ankiya Nats and Jhumuras of Mahapurusa Sankaradeva and Madhavadeva critically edited by Dr. Pradip Hazarika and Dr. Indira Saikia Bora on behalf of Sahitya Sakha Samittee and Sahitya Gabesana Parisad and Published by Sri Hariprasad Hazarika, Pradhan Sampadak, Srimanta Sankaradeva Sangha, Kalongpar, Nowgaon, Assam.
First Edition : February, 2013. Price: Rs 250.00

---

প্ৰথম প্ৰকাশ ঃ 25 মাঘ, 564 শঙ্কৰাব্দ
৮ ফেব্ৰুৱাৰী, 2013

□ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
মুখ্য কাৰ্যালয় ঃ হলধৰ ভূঞা পথ
কলংপাৰ, নগাঁও-782001

**প্ৰকাশক ঃ** শ্ৰীহৰি প্ৰসাদ হাজৰিকা, প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সভাপতি ঃ** শ্ৰীজীৱকান্ত নাথ
সাহিত্য শাখা সমিতি আৰু সাহিত্য গৱেষণা পৰিষদ
**সম্পাদক ঃ** ড0 জগত চন্দ্ৰ কলিতা
সাহিত্য শাখা সমিতি আৰু সাহিত্য গৱেষণা পৰিষদ

**সম্পাদকদ্বয় ঃ** ড0 প্ৰদীপ হাজৰিকা
ড0 ইন্দিৰা শইকীয়া বৰা

**ছপা সংখ্যা ঃ** 1000 [এহেজাৰ)

**অৰিহণা ঃ** 250.00 টকা

**অক্ষৰ বিন্যাস ঃ** সুবিনয় বিশ্বাস

**মুদ্ৰণ ঃ** শৰাইঘাট অফ্‌ছেট প্ৰেছ
বামুণীমৈদাম, গুৱাহাটী- 21

# প্ৰকাশকৰ একেষাৰ

জয় গুৰু শঙ্কৰ ঃ

দুজনা মহাপুৰুষৰ ৰচিত অঙ্কীয়া নাট আৰু ঝুমুৰাসমূহ অসমীয়া নাট্যসাহিত্যৰ শ্ৰেষ্ঠ সম্পদ। শ্ৰীমন্ত শঙ্কৰদেৱে পোনপ্ৰথমে তাৰাৰ লীলাভূমি বৰদোৱাত প্ৰদৰ্শন কৰা 'চিহ্নযাত্ৰা' নাটকক প্ৰথম অঙ্কীয়া নাট বুলি কোৱা হয়। অৱশ্যে এইভাগি নাটকৰ লিখিতৰূপ বৰ্তমানো উদ্ধাৰ নহ'ল। পৰৱৰ্তী কালত গুৰুজনাই ছয়খন নাটক ৰচনা কৰে। ইয়াৰ পাঁচখন কৃষ্ণভক্তিপ্ৰধান আৰু এখন ৰামভক্তিমূলক। 'পত্নী-প্ৰসাদ', 'পাৰিজাত-হৰণ', 'কালিয়-দমন', 'কেলিগোপাল', 'ৰুক্মিণী-হৰণ' আৰু জীৱনৰ সৰ্বশেষ ৰচনা 'শ্ৰীৰামবিজয়' নাটক।

শঙ্কৰদেৱ বিৰচিত নাটকসমূহক নাট্যকাৰে নিজে যাত্ৰা, নাট, নাটক আদি অভিধাৰে ব্যক্ত কৰি থৈ গৈছে। চৰিতকাৰসকলে 'অঙ্ক' অভিধা ব্যৱহাৰ কৰিছে। পৰৱৰ্তী কালত বিভিন্নজন সমালোচক পণ্ডিতে 'অঙ্কীয়া-নাট' অভিধাৰে নাটসমূহ প্ৰচলন কৰা দেখা গৈছে। যি কি নহওক এই শৈলীৰ নাট্য-সাহিত্যই শ্ৰীমন্ত শঙ্কৰদেৱক জগত সভাত অসমীয়া গদ্য-সাহিত্যৰ পথ-প্ৰদৰ্শক হিচাপে নহয় বৰং পৃথিৱীৰ প্ৰথম নাট্য-সাহিত্য আৰু মুকলি-মঞ্চৰ উদ্ভাৱক হিচাপে প্ৰতিষ্ঠা কৰিছে। এই তথ্য আৱিষ্কাৰ নোহোৱালৈকে শতবৰ্ষৰ ব্যৱধানত পৰৱৰ্তী সময়ত জন্ম হোৱা ইংৰাজী নাট্য-সাহিত্য আৰু মঞ্চজগতৰ পুৰোধা শ্বেইক্সপিয়েৰক পৃথিৱীৰ প্ৰথম মুকলি-মঞ্চৰ উদ্ভাৱক বুলি প্ৰতিষ্ঠা কৰা হৈছিল। দৰাচলতে এই কথা শুদ্ধ আৰু সত্য আধাৰিত নহয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ অভিন্ন আত্মা শ্ৰীশ্ৰীমাধৱদেৱেও নাট্য-সাহিত্য সৃষ্টিত এক অবিস্মৰণীয় আৰু অপূৰ্ব নিদৰ্শন ৰাখি থৈ গৈছে। মাধৱদেৱে ৰচনা কৰা নাটকসমূহকো নাট-ঝুমুৰা, যাত্ৰা আদি নামেৰে প্ৰচলিত হৈ থকা দেখা যায়। কিন্তু পৰিৱেশ্য কলা হিচাপে ইয়াৰ মৰ্যাদা অঙ্কীয়া নাটৰ দৰেই একেই আৰ্হি-আদৰ্শৰে ব্যঞ্জিত। শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰেৰণাৰেই শ্ৰীশ্ৰীমাধৱদেৱে নাটসমূহ ৰচনা কৰিছে যদিও দুয়োজনা মহাপুৰুষৰ নাটকীয় কলা-কৌশল পৃথক। শ্ৰীশ্ৰীমাধৱদেৱে ৰচনা কৰা নাট-ঝুমুৰাসমূহ শিশু কৃষ্ণৰ

চৰিত্ৰ-কেন্দ্ৰিক আৰু শিশুকালৰ বালসুলভ ক্ৰীড়া-কলাপেৰে ৰঞ্জিত আৰু ব্যঞ্জিত। পণ্ডিতসকলৰ মতে বৰ্তমান প্ৰচলিত মাধৱদেৱৰ নখন নাট-ঝুমুৰাৰ সকলো কেইখন তাৰাৰ নিজা সৃষ্টি নহয়। ব্ৰহ্মামোহন, ৰাস-ঝুমুৰা, ভূষণ-হৰণ, কোটোৰা-খেলা এই কেইখনৰ ৰচনাৰীতি বাকীকেইখনৰ লগত পৃথক হোৱা বাবে সমালোচকসকলে এনেধৰণেৰে মন্তব্য কৰা দেখা যায়। নৃসিংহ-যাত্ৰা, গোবৰ্দ্ধন-যাত্ৰা, ৰামভাওনা আদি ঝুমুৰাসমূহো অদ্যাবধি আৱিষ্কাৰ নহ'ল যদিও চৰিত পুথিত এইসমূহ নাটঝুমুৰা শ্ৰীশ্ৰীমাধৱদেৱৰ বুলি কোৱা হৈছে। এই চাৰিখনৰ ভিতৰত ভূষণ-হৰণ মাধৱদেৱৰ ৰচনাৰ অধিক ওচৰ চপা।

যি কি নহওক দুজনা মহাপুৰুষৰ এই যুগজয়ী অৱদানে অসমীয়া সাহিত্য জগতত চিৰকালৰ বাবে সঞ্জীৱিত কৰি থৈ গ'ল। জাতীয় জীৱনৰ সম্পদ হিচাপে পৰৱৰ্তী প্ৰজন্মৰ চৰ্চা-গৱেষণাৰ বাবে সঙ্ঘৰ সাহিত্য শাখাই এই নাট্য সাহিত্যৰ ভঁড়ালটি সুৰক্ষিত কৰিবলৈ এটি একত্ৰ-সংকলন কৰাৰ পৰিকল্পনা বাস্তৱায়িত কৰিলে। সম্পাদনাৰ দায়িত্ব ড° প্ৰদীপ হাজৰিকা আৰু ড° ইন্দিৰা শইকীয়া বৰাই অতি ক্ষিপ্ৰতাৰে বহন কৰিলে। সঙ্ঘৰ গৱেষক শ্ৰীকৈলাস দাসে 'অঙ্কীয়া-নাট' শীৰ্ষক এটি সুদীৰ্ঘ-সুলিখিত পাতনিৰে গ্ৰন্থভাগি অলঙ্কৃত কৰিলে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পুঁজিৰে এই অমূল্য গ্ৰন্থভাগি ছপা কৰি দক্ষিণ-পশ্চিম কামৰূপৰ বামুণীগাঁৱত অনুষ্ঠিত সঙ্ঘৰ ৮২ সংখ্যক অধিৱেশনত গুৰুসেৱকসকলৰ হাতত অৰ্পণ কৰা হ'ল। সম্পাদক মণ্ডলী, পাতনি লেখক তথা সাহিত্য-শাখা-সমিতিৰ প্ৰতি কৃতজ্ঞতা জনোৱা হ'ল। মূল কাৰ্যনিৰ্বাহক সভাৰ গৃহীত সিদ্ধান্ত কাৰ্যকৰী কৰা হ'ল— ইতি।

সেৱাৰে;

**(হৰিপ্ৰসাদ হাজৰিকা)**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

নগাঁও মূল কাৰ্যালয়
২৫-০১-২০১৩

# অঙ্কীয়া নাট

**কৈলাস দাস**

## ১। অৱতৰণিকা

শ্ৰীমদ্ভাগৱতত কৃষ্ণদেৱে উদ্ধৱক কৈছে ঃ

উপগায়ন্ গৃণন্ নৃত্যন্ কৰ্ম্মান্যভিনয়ন্ মম।
মৎকথাঃ শ্ৰাৱয়ন্ শৃন্বন্ মুহূৰ্ত্তং ক্ষণিকো ভৱেৎ।।

(১১/২৭/৪৪)

অৰ্থ— 'মোৰ লীলা-কথা গাব, ক' ব, নৃত্যেৰে প্ৰকাশ কৰিব, অভিনয় কৰিব, মোৰ কথা নিজে শুনিব আৰু আনকো শুনাব; কিছু সময়ৰ বাবে সংসাৰ পাহৰি মোতে তন্ময় হ'ব।'

অঙ্কীয়া নাট-ভাওনাৰ প্ৰেৰণা কৃষ্ণদেৱৰ এই উপদেশতে আছে, কাৰণ—

যাহেৰ যাইতে ইচ্ছা বৈকুণ্ঠক বাট।
শুনা সাৱধানকয়ো কৃষ্ণক নাট। (ৰুক্মিণীহৰণ নাট)

### ১.১। নব্যভাৰতীয় আৰ্যভাষাৰ পূৰ্ণাঙ্গ নাটৰ উদ্‌গম ঃ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ (১৪৪৯-১৫৬৮ খ্ৰী.) অসমীয়া নাট্য সাহিত্যৰ জন্মদাতা। নব্য ভাৰতীয় আৰ্য ভাষাৰ ক্ষেত্ৰতো শঙ্কৰদেৱেই প্ৰথম নাট্যকাৰ যিয়ে নাটকীয়া কথা-বচনত আধুনিক ভাৰতীয় ভাষা ব্যৱহাৰ কৰিছে। মৈথিলী কবি "বিদ্যাপতি ঠাকুৰৰ (১৩৬০-১৪৪৮ খ্ৰী.) 'গোৰক্ষ-বিজয় নাটক'ৰ (১৪১২-১৪২৯ খ্ৰী.) বচনবোৰ সংস্কৃত আৰু গীতবোৰ মাত্ৰ মৈথিল ভাষাত ৰচিত। উমাপতি উপাধ্যায় আদি মৈথিল নাট্যকাৰে

সেই ভাষা-বিভাগকে অৱলম্বন কৰিছিল।... কিন্তু শঙ্কৰদেৱৰ আগতে কোনো নাট্যকাৰেই নাটকীয় কথা-বচনত আধুনিক ভাৰতীয় ভাষা প্ৰয়োগ কৰিবলৈ সাহ কৰা দেখা নাযায়।" (শ্ৰীশ্ৰীশঙ্কৰদেৱ, মহেশ্বৰ নেওগ ৰচনাৱলী, প্ৰথম খণ্ড, ১৯৮৬, পৃঃ ১৩২) শঙ্কৰদেৱে অঙ্কীয়া নাটত ব্যৱহাৰ কৰা ভাষাটো ব্ৰজাৱলী বা ব্ৰজবুলি। নাটত থকা সংস্কৃত শ্লোকসমূহ নুবুজিলেও নাটৰ কথা-বস্তু বুজাত ব্যাঘাত নজন্মে। গতিকে নব্যভাৰতীয় আৰ্য ভাষাত ৰচিত পূৰ্ণাঙ্গ নাটৰ ক্ষেত্ৰলৈ শঙ্কৰদেৱৰ 'অঙ্কীয়া নাট' এক বিশিষ্ট অৱদান।

## ১.২। অঙ্কীয়া নাট ৰচনাৰ উদ্দেশ্যঃ

ভক্তিধৰ্ম প্ৰচাৰ কৰাই আছিল শঙ্কৰদেৱৰ অঙ্কীয়া নাট ৰচনাৰ মুখ্য উদ্দেশ্য। তেখেতে জানিছিল যে বিশেষকৈ নিৰক্ষৰ হোজা জনসাধাৰণৰ ক্ষেত্ৰত এই দৃশ্য-শ্ৰব্য মাধ্যমটো অধিক ফলপ্ৰসূ। এই প্ৰসঙ্গত ড° বাণীকান্ত কাকতিৰ কথাচেৰেক উদ্ধৃতি-যোগ্য— "প্ৰায় সকলো দেশতেই ভাওনাই নৱধৰ্ম-প্ৰচলনৰ বাহন স্বৰূপে কাম কৰি আহিছে। পুৰণি গ্ৰীচ দেশত নাট্যসাহিত্যৰ ভিতৰেদি জাতীয় আৰু আধ্যাত্মিক আদৰ্শ ব্যক্ত কৰা হৈছিল। খ্ৰীষ্টধৰ্ম প্ৰথমে চলিবলৈ ধৰাত, নাট্য-সাহিত্যই ইয়াৰ বিস্তাৰত সহায় কৰিছিল। ...পুৰণি বৈষ্ণৱ সাহিত্যত ভাওনাৰ ঠাই লোক-ৰঞ্জন, লোক-সংগ্ৰহ, লোক-স্থিতিত; আকৌ ভাওনাৰে যিমান সোনকালে কোনো এটা বিষয় মানুহৰ মনত সুমুৱাই দিব পাৰি, আন একোৰে নোৱাৰি। 'তৈলবিন্দুৱৎ' পানীত তেলৰ টোপালৰ দৰে নাটৰ প্ৰতিপাদ্য বিষয় বিৰাট জনসঙঘত বিয়পি পৰে। অসমীয়া নাটৰ নিৰ্মাণ কৌশলো ইয়াৰ উদ্দেশ্যৰ অনুৰূপ।" (অঙ্কীয়া ভাওনা, বাণীকান্ত ৰচনাৱলী, ১৯৯১, পৃঃ ৬৪)

অঙ্কীয়া নাটৰ নিৰ্মাণ কৌশল যে ইয়াৰ উদ্দেশ্যৰ অনুৰূপ, তাৰ সাক্ষ্য চৰিত-পুথিত আছেঃ

সপ্তৰসে নাটকক ৰচনা কৰয়।
শুনিয়োক সপ্তবিধ ৰসৰ অন্বয়।।
গায়ন-বায়নসৱে সভা জয় কৰে।
সূত্ৰনাট্যগণে ৰসিকৰ মন হৰে।।
পণ্ডিতে বুজিবে শ্লোক কৰিল ৰচন।

গীত অৰ্থ বুজিবেক বিজ্ঞ সভ্যগণ।।
ব্ৰজাৱলী ভাষাক বুজিবে গাম্য লোক।
ছোঁ-মুখা দেখিবেক অজ্ঞ মূঢ়লোক।।
শুদ্ধ বা অশুদ্ধ তথাপিতো কৃষ্ণনাম।
এই সপ্তৰস নাটকত অনুপাম।।

(সন্তাৱলী ঃ ৫৮৯-৫৯১)

## ১.৩। **শঙ্কৰদেৱৰ নাটৰ লেখ আৰু ৰচনাক্ৰম ঃ**

শঙ্কৰদেৱে পূৰ্ণাঙ্গ নাট ৰচনা কৰাৰ আগতে 'চিহ্নযাত্ৰা' নামে এখন নাট ৰচি তাৰ ভাওনা কৰাইছিল বৰদোৱাত। "এই চিহ্নযাত্ৰাই অসমীয়া সঙ্গীত আৰু নাট্যকলাৰ এক অভূতপূৰ্ব অভিনৱ অধ্যায় আৰু ভাৰতীয় সঙ্গীত আৰু নাট্যসাহিত্যৰ বুৰঞ্জীৰ এটি নতুন পাত মুকলি কৰি দিয়ে।" (শ্ৰীশ্ৰীশঙ্কৰদেৱ, মহেশ্বৰ নেওগ ৰচনাৱলী, প্ৰথম খণ্ড, ১৯৮৬, পৃঃ৫০)

ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিত, গুৰু-চৰিত-কথা, বৰদোৱা-চৰিত, দ্বাৰিকা দ্বিজৰ সন্তাৱলী আদি চৰিতত চিহ্নযাত্ৰাৰ বৰ্ণনা আছে; কিন্তু দৈত্যাৰি, ৰামানন্দ আৰু ভূষণৰ চৰিতত নাই। ৰামচৰণৰ মতে শঙ্কৰদেৱে ১৯ বছৰ বয়সত চিহ্নযাত্ৰা প্ৰদৰ্শন কৰে; কথাচৰিত আৰু সন্তাৱলীৰ মতে প্ৰথম তীৰ্থযাত্ৰাৰ পাছতহে গুৰুজনে চিহ্নযাত্ৰা প্ৰদৰ্শন কৰে। ড° মহেশ্বৰ নেওগ (Sankaradeva and His Times, p-107) আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ (অসমীয়া নাট্য সাহিত্য, পৃঃ৭) মতে, শঙ্কৰদেৱে প্ৰথম তীৰ্থযাত্ৰাৰ পিচত চিহ্নযাত্ৰা প্ৰদৰ্শন কৰাটো অধিক সম্ভৱপৰ। আনহাতে ভকত-বৈষ্ণৱসকলে, ডিম্বেশ্বৰ নেওগ আদি সাহিত্যিক-পণ্ডিতসকলে ৰামচৰণৰ মতটোকে মানে।

চৰিতৰ বিৱৰণমতে, শঙ্কৰদেৱে কপিলীমুখৰ কুমাৰৰ হতুৱাই খোল গঢ়ালে, বিভিন্ন প্ৰকাৰৰ তাল গঢ়ালে, ছোঁ-মুখা তৈয়াৰ কৰালে, সূত্ৰধাৰ-নটুৱা-গায়ন-বায়ন শিকালে, ভাওনাৰ ৰভা আৰু ছোঁ-ঘৰ সজালে আৰু তুলাপাতত সাত বৈকুণ্ঠৰ পট আঁকিলে। অভিনয়ৰ বাবে ধেমালিৰ ঘোষা, শ্লোক, সূত্ৰকথা, ভটিমা আৰু গীত ৰচনা কৰিলে। ৰামচৰণে 'অঙ্ক' ৰচনা কৰাৰ কথা লেখিলেও, সি সংলাপবিহীন আছিল যেন লাগে। সন্তাৱলীৰ মতে, চিহ্নযাত্ৰাৰ বিষয় আছিল কৃষ্ণৰ জন্মৰ পৰা প্ৰয়াণলৈকে ঘটনাসমূহ।

সাতখন বৈকুণ্ঠৰ অন্যতম পঙ্কজবিলাসত শঙ্কৰদেৱে বিষ্ণুৰূপে পাৰিষদসহ প্ৰৱেশ কৰে। বাকী ছখন বৈকুণ্ঠত ৰামৰাম গুৰুকে আদি কৰি ছজনে বিষ্ণুৰূপে লক্ষ্মী আৰু পাৰিষদসহ প্ৰৱেশ কৰে। পঙ্কজবিলাসত লক্ষ্মীৰ অনুপস্থিতিয়ে শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্মৰ শুদ্ধ একেশ্বৰবাদৰ পূৰ্বাভাস দিয়ে। অনুমান হয়, বৈকুণ্ঠসমূহৰ দৰ্শন দ্ৰুত অনুক্ৰমত হৈছিল। সেয়ে ভাওনাভাগক চিহ্নযাত্ৰা বোলা হৈছিল।

চিহ্নযাত্ৰা ভাওনা কৰিবৰ দিনা শঙ্কৰদেৱে 'মেলা কীৰ্ত্তন' কৰে। নৰোত্তম গুৰুৱে দেৱী পূজিবলৈ ওলোৱাত শঙ্কৰদেৱে বাধা দি কয়, "ভাৱনা কৰিলে কৃষ্ণ পূজিতে লাগয়।" (ৰামচৰণ ঃ ১৪৭৬) কথাযাৰ বৰ তাৎপৰ্যপূৰ্ণ। চিহ্নযাত্ৰা ভাওনা সাতদিন সাতৰাতি চলিছিল। সাধাৰণজনৰ পৰা পণ্ডিত-ৰসিক জনলৈকে সকলো বিস্ময়-বিমুগ্ধ হৈছিল আৰু শঙ্কৰদেৱক ঈশ্বৰৰ অৱতাৰবোধে গুৰু মানিছিল। চিহ্নযাত্ৰা ভাওনাই শঙ্কৰদেৱক গুৰু শঙ্কৰদেৱলৈ ৰূপান্তৰিত কৰিছিল।

ড° নৱেন কলিতাৰ 'নগাঁৱৰ নাট-ভাওনা' শীৰ্ষক এটি প্ৰবন্ধৰ (উদ্ধৃত, গোলাপ মহন্ত, শঙ্কৰী সঙ্গীতৰ আধাৰ গ্ৰন্থ, পৃ.২৪) পৰা জানিব পাৰি যে, শঙ্কৰদেৱে 'পটুৱা শৈলী' নামৰ এটি থলুৱা নাট্য-শৈলীকে সংস্কাৰ সাধন কৰি চিহ্নযাত্ৰাত প্ৰয়োগ কৰিছিল। মধ্যযুগৰ ভাৰতবৰ্ষৰ ভিন ভিন ঠাইত থকাৰ দৰে এসময়ত অসমতো চিত্ৰপট আঁকি লোকসঙ্গীতৰ মাধ্যমেৰে পটৰ বিষয়বস্তু বুজাই পটুৱা শিল্পীয়ে জনমনোৰঞ্জন কৰিছিল। চিহ্নযাত্ৰাত ব্যৱহাৰ কৰা সপ্ত বৈকুণ্ঠৰ পটসমূহ একে ঐতিহ্যৰে বস্তু। পটসমূহত অভিনেয় বিষয়বস্তু চিত্ৰৰ মাধ্যমেৰে অঙ্কন কৰি থোৱা আছিল। শঙ্কৰদেৱে চিহ্নযাত্ৰাত প্ৰয়োগ কৰিবৰ বাবে লোকশিল্প ৰীতিটোৰ যিখিনি সংস্কাৰ সাধন কৰিছিল সিখিনি আছিল লোকসঙ্গীতৰ পৰিবৰ্তে মাৰ্গ সঙ্গীত, চৰিত্ৰ-চিত্ৰণ আৰু ছোঁ-মুখাৰ বিনিয়োগ।"

পৰৱৰ্ত্তী নাট-ৰচনাৰ বাবে গুৰুজনে চিহ্নযাত্ৰাত ব্যৱহৃত পট-অঙ্কন-ৰীতি এৰিলেও, গায়ন-বায়ন অনুষ্ঠান আৰু সূত্ৰধাৰ চৰিত্ৰটো ধৰি ৰাখে।

শঙ্কৰদেৱ-বিৰচিত নাট ছখন পোৱা গৈছে— পত্নীপ্ৰসাদ, পাৰিজাত-হৰণ, কালিয়-দমন, কেলি-গোপাল, ৰুক্মিণী-হৰণ আৰু শ্ৰীৰাম-বিজয়। শ্ৰীৰাম-বিজয়ৰ ৰচনা-কাল নাটখনিৰ উপসংহাৰ-শ্লোকত উল্লেখ

কৰা হৈছে ঃ 'বিন্দুৰন্ধ্ৰেদচন্দ্ৰশাকে' বুলি। অৰ্থাৎ ১৪৯০ শক বা ১৫৬৮ খ্ৰী.ত নাটখন ৰচনা কৰা হৈছিল। কালিৰাম মেধিৰ মতে, শঙ্কৰদেৱৰ প্ৰথম নাট হ'ল কালিয়-দমন। ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা আদিৰ মতে প্ৰথম নাট পত্নী-প্ৰসাদ। কাৰণ— শঙ্কৰদেৱৰ নাটৰ প্ৰযোজক জগতানন্দ ওৰফে ৰামৰায়ৰ নাম পত্নী-প্ৰসাদত নাই, কিন্তু কালিয়-দমনত ৰামৰায়ৰ উল্লেখ আছে। শঙ্কৰদেৱে ভূঞাসকলেৰে সৈতে ধুঁৱাহাটা-বেলগুৰিত থাকোঁতে আহোম ৰজাই জগতানন্দক ৰামৰায় উপাধি দিছিল তেওঁৰ কৰ্মদক্ষতাৰ বাবে। দ্বিতীয়তে আঙ্গিক আৰু কলাৰ ফালৰ পৰাও পত্নী-প্ৰসাদ পূৰ্ণাঙ্গ নহয়। ড° নেওগৰ মতে পত্নী-প্ৰসাদ ৰচিত হৈছিল ধুঁৱাহাটা-বেলগুৰিত আৰু বাকী পাঁচখন কামৰূপ-বেহাৰত। ড° সত্যেন্দ্ৰনাথ শৰ্মায়ো এই মতত হয়ভৰ দিছে।

পত্নীপ্ৰসাদ আৰু ৰামবিজয়ৰ মাজৰ নাটকেইখনৰ ৰচনাক্ৰম ড° নেওগ আৰু ড° শৰ্মাৰ মতে এনেধৰণৰ— কালিয়-দমন, কেলি-গোপাল, ৰুক্মিণী-হৰণ, পাৰিজাত-হৰণ। অধ্যাপক বদন চন্দ্ৰ শইকীয়াই 'শঙ্কৰদেৱৰ নাট আৰু নাট্যক্ৰম' (কৈলাস দাস আৰু ড° ৰজিতা কলিতা মৰল (সম্পা.), অসমীয়া ভক্তি-সাহিত্য, পৃ. ২০১-২২০) নামৰ প্ৰবন্ধত নাট্যক্ৰমৰ আলোচনা কৰিছে চাৰিটা দৃষ্টিকোণৰ পৰা— চৰিতপুথিৰ উল্লেখ, আঙ্গিক, নাটৰ উদ্যোক্তাৰ নাম আৰু অন্যান্য অন্তৰঙ্গ প্ৰমাণ। এইমতে তেওঁ পাৰিজাত-হৰণক পত্নী-প্ৰসাদৰ পিচতে আৰু ৰুক্মিণী-হৰণক শ্ৰীৰাম-বিজয়ৰ ঠিক আগত স্থান দিছে। শইকীয়াদেৱে মন্তব্য কৰিছে যে "সকলো দৃষ্টিকোণৰ পৰা ৰুক্মিণী-হৰণ শঙ্কৰদেৱৰ শ্ৰেষ্ঠ নাট্য-কৃতি, পণ্ডিতসকলে নিৰ্ণয় কৰাৰ দৰে পাৰিজাত-হৰণ নহয়।" এই উক্তিৰ সমৰ্থনত তেওঁ উক্ত প্ৰবন্ধত যুক্তিও আগবঢ়াইছে। ড° নেওগ আৰু ড° শৰ্মাৰ আলোচনাৰ পোহৰত অধ্যাপক শইকীয়াই শঙ্কৰদেৱৰ নাট্যক্ৰম এনেদৰে নিৰ্দিষ্ট কৰিব খুজিছেঃ পত্নী-প্ৰসাদ (১৫৪০ খ্ৰী.), পাৰিজাত-হৰণ (১৫৪৪ খ্ৰী.), কালিয়-দমন (১৫৫০ খ্ৰী.), কেলি-গোপাল (১৫৫১ খ্ৰী.), ৰুক্মিণী-হৰণ (১৫৬৪/৬৫ খ্ৰী.) আৰু শ্ৰীৰাম-বিজয় (১৫৬৮ খ্ৰী.)।

## ১.৪। মাধৱদেৱৰ নাটৰ লেখ আৰু ৰচনাক্ৰম ঃ

শঙ্কৰদেৱৰ অনুকৰণত আৰু স্বকীয়ভাৱেও মাধৱদেৱে অঙ্কীয়া

নাট ৰচনা কৰে। সত্ৰসমাজ আৰু ভক্তসকলৰ মাজত ‘বাৰ ছোৰা নাট’ বুলি কথা এযাৰ চলি আহিছে। ইয়াৰে ছখন শঙ্কৰদেৱৰ আৰু ছখন মাধৱদেৱৰ। কিন্তু মাধৱদেৱৰ নামত ১২ খন নাট প্ৰচলিত আছে। ইয়াৰে ৫ খন সন্দেহমুক্ত নাট— অৰ্জুন-ভঞ্জন, চোৰ-ধৰা, পিম্পৰা-গুচোৱা, ভূমি-লেটোৱা আৰু ভোজন-বেহাৰ। চাৰিখন সন্দেহযুক্ত নাট— ভূষণ-হৰণ, কোটোৰা-খেলা, ৰাস-ঝুমুৰা আৰু ব্ৰহ্মামোহন। তিনিখন চৰিত-পুথিত উল্লেখিত কিন্তু লুপ্ত নাট— গোৱৰ্দ্ধন-যাত্ৰা, নৃসিংহ-যাত্ৰা আৰু ৰাম-যাত্ৰা।

মাধৱদেৱৰ ছখন নাটৰ থূল পূৰাবলৈ পণ্ডিতসকলে ভূষণ-হৰণকে সন্দেহমুক্ত পাঁচখন নাটৰ লগত যোগ দিব খোজে। কাৰণ, ইয়াৰ বিষয়বস্তু, ৰচনা-ৰীতি আৰু ভাষা মাধৱদেৱৰ ৰচনাৰ ওচৰচপা।

অৰ্জুন-ভঞ্জনক নাটক বা যাত্ৰা আখ্যা দিয়া হৈছে শঙ্কৰদেৱৰ নাটকেইখনৰ দৰে, কিন্তু মাধৱদেৱৰ বাকী নাটকেইখনক ঝুমুৰা আখ্যা দিয়া হৈছে। নাটকৰ তুলনাত, ঝুমুৰাত থাকে খণ্ড-ক্ষুদ্ৰ ঘটনা, নায়ক হিচাপে শিশু কৃষ্ণ, নাৰী-চৰিত্ৰৰ আৰু নৃত্য-গীতৰ প্ৰাধান্য। ‘ঝুমুৰা’ নামটোৰ উৎপত্তি সম্পৰ্কে ড° সত্যেন্দ্ৰনাথ শৰ্মাই বিভিন্ন উৎসলৈ আঙুলিয়াইছে (অসমীয়া নাট্য সাহিত্য, পৃ.৬৫)। ড° শৰ্মাই চৰিত-পুথিৰ ওপৰত নিৰ্ভৰ কৰি মাধৱদেৱৰ নাটৰ ৰচনা-ক্ৰম এনেদৰে দিব খুজিছে— অৰ্জুন-ভঞ্জন (গণককুছি, ১৫৫০ খ্ৰী.ৰ পাছত) , চোৰধৰা, পিম্পৰা-গুচোৱা (সুন্দৰীদিয়া, ১৫৭০-৮০ খ্ৰী.), ভোজন-বেহাৰ (বৰপেটা, ১৫৮০-৯০ খ্ৰী.), ভূমি-লেটোৱা আৰু ভূষণ-হৰণ (অসমীয়া নাট্য সাহিত্য, পৃ.৬৪)।

## ১.৪। শঙ্কৰদেৱ-মাধৱদেৱৰ নাটৰ নামকৰণ ঃ

শঙ্কৰদেৱে নিজৰ নাট্য-ৰচনাক নাটক, নাট, যাত্ৰা আদি আখ্যা দিছে। ‘নাটক’ আখ্যা সৰ্বাধিকভাৱে ব্যৱহাৰ কৰিছে। মাধৱদেৱে অৰ্জুন-ভঞ্জনক নাট আৰু যাত্ৰা আখ্যা দিছে। তেখেতৰ বাকী নাটকেইখন ‘ঝুমুৰা’ নামে জনা যায়। কিন্তু নাটৰ পাঠত শব্দটো নাই, শিৰোনাম বা সামৰণিতহে আছে। ঝুমুৰাৰ ক্ষেত্ৰতো যাত্ৰা, নাট, অঙ্ক আদি ব্যৱহৃত হ’লেও, সেয়া নাটৰ পাঠৰ ভিতৰুৱা নহয়।

দৈত্যাৰি, ৰামানন্দ, ৰামচৰণ আদি চৰিতকাৰসকলে

নাট/নাটক/যাত্ৰাক বুজাবলৈ 'অঙ্ক' শব্দ ব্যৱহাৰ কৰিছে। ইয়াৰ সন্তোষজনক উত্তৰ এতিয়ালৈকে পোৱা হোৱা নাই। পণ্ডিতসকলে বিভিন্ন সম্ভাৱনালৈ আঙুলিয়াইছে। হয়তো শঙ্কৰদেৱৰ নাটত অঙ্ক-বিভাজন নথকা বা এটা মাত্ৰ অঙ্ক থকা বাবে চৰিতকাৰসকলে 'অঙ্ক' নাম দিছিল। পৰবৰ্ত্তী চৰিতকাৰ দ্বাৰিকানাথ দ্বিজই চিহ্নযাত্ৰাক অঙ্কীয়া আখ্যা দিছেঃ "অঙ্কিত কৰিলা দেখি অঙ্কীয়া যে নাম।" (সন্তাৱলী ঃ ৫৮৩) ইয়াত অঙ্কিত কৰা মানে চিত্ৰপট অঁকা, অভিনেতাসকলৰ গাত ৰং-বৰণ সনা আৰু ছোঁ-মুখাত ৰং দিয়া। গতিকে 'অঙ্ক' ব্যৱহাৰৰ উৎস চিহ্নযাত্ৰা নাটো হ'ব পাৰে।

অৰ্বাচীনভাৱে 'অঙ্কীয়া নাট' আখ্যাৰ চলতি হৈছে। অঙ্ক মানে যদি নাট, তেন্তে তাক অঙ্কীয়া নাট কৰাৰ প্ৰয়োজন কি? দৰাচলতে অন্য নাটৰ পৰা বিশেষ মৰ্যাদাসম্পন্ন 'অঙ্ক'ৰ পাৰ্থক্য বজাই ৰাখিবৰ কাৰণেই, 'অঙ্কীয়া নাট', 'অঙ্কীয়া ভাওনা' আদি আখ্যাৰ প্ৰয়োজন হৈছিল।

## ২। অঙ্কীয়া নাটৰ উৎস ঃ

অঙ্কীয়া নাটৰ উৎস সম্পৰ্কে বিশিষ্ট পণ্ডিতসকলে আগবঢ়োৱা মতসমূহ এনেধৰণৰ ঃ

**কালিৰাম মেধি ঃ**

"It (অঙ্ক) was almost entirely a native growth and although its framework was borrowed from the classical Sanskrit drama, its integral parts were made up entirely of indigenous materials... the ultimate source of the Assamese drama, divested of the outward form, is most probably the choral performance of the Assamese Oja-pali. Mahapurusa Sankaradeva appears to have improved this kind of the performance and to have given birth to the Assamese drama." (পাতনি, অঙ্কাৱলী)

**ড° বিৰিঞ্চি কুমাৰ বৰুৱা ঃ**

* "It may therefore be reasonably presumed that the recital of the Kavyas, Ojapali choral singing and spectacular shows of other parts of India might have

* ভূমিকা, অঙ্কীয়া নাট- ১৯৪০

contributed to the rise of the fully developed drama in Assamese."

**ড° মহেশ্বৰ নেওগ ঃ**

"গন্ধৰ্ব-সাক্ষাত কুসুমৰ পুত্ৰ চিত্ৰ-নৃত্য-গীত-বিশাৰদ শঙ্কৰ ভূঞাই পুৰণিকলীয়া ওজা-পালি আৰু প্ৰাচীন সঙ্গীতৰ লগত সংস্কৃত নাট্যপদ্ধতিৰ সংমিশ্ৰণ কৰি নতুন এক শ্ৰেণী নাট আৰু অভিনয়ৰ সৃষ্টি কৰিলে। ...কিন্তু তেওঁ তেনে (সংস্কৃত) ৰূপকৰ সংজ্ঞাৰে 'অঙ্ক'ক সীমাবদ্ধ নকৰি, বৰঞ্চ আৱশ্যকবোধ অনুযায়ী সিবিলাকৰ বৈশিষ্ট্যবোৰ চালি-জাৰি লৈ নাট ৰচনা কৰিছিল।" (শ্ৰীশ্ৰীশঙ্কৰদেৱ, মহেশ্বৰ নেওগ ৰচনাৱলী, ১ম খণ্ড, পৃ.৫০, ৫১) শঙ্কৰদেৱে হ্ৰাযোন্মুখী সংস্কৃত নাট প্ৰবোধ-চন্দ্ৰোদয় আৰু হনুমান্নাটকৰ পৰাও প্ৰেৰণা পাইছিল বুলি ড° নেওগে ক'ব খোজে। (Sankaradeva And His Times, 1965, p. 247-251)

**ড° সত্যেন্দ্ৰ নাথ শৰ্মা ঃ**

"ওজাপালিক সংস্কৃত নাটৰ আৰ্হিত কিছু পৰিবৰ্ত্তন বা সংস্কাৰ সাধন কৰি মহাপুৰুষ শঙ্কৰদেৱে অঙ্কীয়া নাটত পৰিণত কৰে। সংস্কৃত নাটৰ সূত্ৰধাৰ আৰু ওজা মিলি অঙ্কীয়া নাটৰ সূত্ৰধাৰ হয়। ওজা-পালিৰ গীতৰ ধুৰা অংশ দোহৰা পালিকেইজন অঙ্কীয়া নাটত নাট মেলোতাকে আদি কৰি নাটৰ গীতাংশ দোহৰাকেইজনত পৰিণত হয়। শঙ্কৰদেৱে এই পৰিবৰ্ত্তনৰ উপৰিও চৰিত্ৰসমূহ, সংলাপ আৰু সাজসজ্জা সংযোগ কৰি পূৰ্ণাঙ্গ নাট আৰু অভিনয় সৃষ্টি কৰে। মহাপুৰুষে নাট্যশাস্ত্ৰৰ লগত কিছু সম্বন্ধ ৰাখি সাজ-পোছাক, গতি-চলন, ৰং-ৰূপৰ পৰিকল্পনা কৰিছিল। তেখেতৰ মৌলিক প্ৰতিভাৰ ই চানেকি।" (অসমীয়া নাট্য সাহিত্য, পৃ.৭)

ড° শৰ্মাই ভাৰতৰ বিভিন্ন প্ৰান্তৰ মধ্যযুগীয় লোকনাট্যানুষ্ঠানবোৰ পৰ্যালোচনা কৰি কেতবোৰ সাধাৰণ লক্ষণ দেখা পায়— (i) নৃত্য-গীতৰ প্ৰাধান্য (ii) উপস্থাপন ৰীতিৰ সৰলতা (iii) সংলাপৰ মাত্ৰাল্পতা (iv) সূত্ৰধাৰ বা নিৰ্দেশকৰ প্ৰাধান্য (v) স্থান-বিশেষে মুখাৰ ব্যৱহাৰ (vi) পাত্ৰ-পাত্ৰীৰ লীলায়িত গতিত প্ৰৱেশ-নিষ্ক্ৰান্তি (vii) আৰম্ভ আৰু শেষত মাঙ্গলিক অনুষ্ঠান (নান্দী, মুক্তিমঙ্গল, ভৰতবাক্য) (viii) পৌৰাণিক কাহিনী আৰু ধৰ্মৰ প্ৰভাৱ। কিন্তু এই "সাদৃশ্য পাৰস্পৰিক ঋণৰ ভেটিত হোৱা যেন

অনুমান নহয়। বৰং মূল উৎস সংস্কৃত নাট্যশাস্ত্ৰ ভেটিত দেশ-কালৰ উপযোগী পৰিবৰ্ত্তন আৰু সৰলীকৰণৰ ফলত এই বিভিন্ন প্ৰান্তৰ অনুষ্ঠানবোৰ গঢ়ি উঠিছে যেন লাগে।" (অসমীয়া নাট্য-সাহিত্য, পৃ. ৩৪)

পণ্ডিতসকলৰ মতসমূহ পৰ্যালোচনা কৰিলে ওলাই পৰে যে শঙ্কৰদেৱে সংস্কৃত নাটককে জুমুঠি হিচাপে লৈ অঙ্কীয়া নাট সৃষ্টি কৰিছিল। অঙ্কীয়া নাট ভক্তিধৰ্ম প্ৰচাৰৰ বাহন আৰু বিদগ্ধজনৰ পৰা নিৰক্ষৰ-হোজাজনৰো বোধগম্য হ'ব লাগিব— এই দায়বদ্ধতাৰে লক্ষ্য ৰাখি গুৰুজনে সংস্কৃত নাটকৰ উপাদানবোৰৰ আৰু বিধি-নিষেধবোৰৰ সংস্কাৰ সাধন কৰিছিল। বিশেষকৈ সূত্ৰধাৰৰ চৰিত্ৰত এক বৈপ্লৱিক পৰিবৰ্ত্তন ঘটাইছিল। এই ক্ষেত্ৰত অসমৰ ওজাপালি অনুষ্ঠানে তেখেতক সহায় কৰিছিল।

## ৩। অঙ্কীয়া নাট আৰু সংস্কৃত ৰূপকৰ তুলনা ঃ

### ৩.১। উদ্দেশ্য ঃ

ৰজা-মহাৰজাৰ অনুপ্ৰেৰণা আৰু পৃষ্ঠপোষকতাত ৰচিত আৰু অভিনীত সংস্কৃত ৰূপকৰ উদ্দেশ্য আছিল কাব্যৰস সৃষ্টিৰে তেওঁলোকৰ মনোৰঞ্জন সাধন কৰা। আনহাতে অঙ্কীয়া নাটৰ উদ্দেশ্য হ'ল— পৰম উপাস্য দেৱতা কৃষ্ণদেৱৰ প্ৰতি ভক্তি জাগৰিত কৰি জনসাধাৰণক কৃষ্ণমুখী কৰা। সংস্কৃত নাট জাগতিক ভাৱাপন্ন, কিন্তু অঙ্কীয়া নাট পাৰলৌকিক ভাৱাপন্ন, 'বৈকুণ্ঠক বাট'। ড° বাণীকান্ত কাকতিৰ মতে অঙ্কীয় ভাওনাৰ উদ্দেশ্য হ'ল "লোক-ৰঞ্জন, লোক-সংগ্ৰহ আৰু লোক-স্থিতি।"

### ৩.২। অঙ্ক ঃ

সংস্কৃত নাটকত অঙ্ক আৰু গৰ্ভাঙ্ক থাকে। মঞ্চলৈ চৰিত্ৰৰ প্ৰৱেশ আৰু মঞ্চৰ পৰা প্ৰস্থানৰ দ্বাৰা অঙ্ক-গৰ্ভাঙ্ক দেখুওৱা হয়। অৱশ্যে এটা অঙ্ক থকা ৰূপক আৰু উপৰূপকো আছে।

অসমীয়া নাটৰ 'অঙ্ক' শব্দটো সংস্কৃতৰ পৰা অনা। ইয়াত অঙ্ক-বিভাজন নাথাকে। সূত্ৰধাৰৰ নিৰ্দেশমৰ্মে প্ৰৱেশৰ পাছত চৰিত্ৰবোৰ মঞ্চতে একাষৰীয়াকৈ ৰৈ যায় আৰু মঞ্চৰ মাজলৈ আহি অভিনয়কৰে।

### ৩.৩। নান্দী ঃ

সংস্কৃত নাটক আৰম্ভ কৰা হয় নান্দী শ্লোকেৰে। সূত্ৰধাৰে নান্দী

গায়। নান্দীত সভাসদৰ মঙ্গল কামনাৰে দেৱদ্বিজনৃপক স্তুতি কৰা হয়। লগতে নান্দীত নাটকৰ মুখ্য কথাবস্তুৰ আভাস দিয়া হয়।

অঙ্কীয়া নাটতো সাধাৰণতে দুটাকৈ নান্দী থাকে। প্ৰথমটোত উপাস্য দেৱতা বিষ্ণু-কৃষ্ণৰ বন্দনা আৰু দ্বিতীয়টোত নাটকীয় বিষয়-বস্তুৰ আভাস থাকে। সূত্ৰধাৰে নান্দী গায়।

**৩.৪। সূত্ৰধাৰ ঃ**

'সূত্ৰধাৰ' শব্দ সংস্কৃত নাট্যসাহিত্যৰ পৰা অনা। সংস্কৃত নাটৰ সূত্ৰধাৰৰ দৰে অঙ্কীয়া নাটৰ সূত্ৰধাৰেও নান্দী, প্ৰৰোচনা আৰু প্ৰস্তাৱনা উত্থাপন কৰে। এইখিনি কৰি সংস্কৃত নাটৰ সূত্ৰধাৰে মঞ্চ ত্যাগ কৰে। আনহাতে অঙ্কীয়া নাটৰ সূত্ৰধাৰে মঞ্চত আদ্যন্ত উপস্থিত থাকে। তেওঁৰ ভূমিকা ৪.১ ছেদত বহলভাৱে বৰ্ণোৱা হৈছে।

**৩.৫। প্ৰৰোচনা ঃ**

সংস্কৃত নাটকৰ প্ৰৰোচনাত সূত্ৰধাৰে বা স্থাপকে নট বা নটীৰ লগত বাৰ্ত্তালাপ কৰি নাটৰ বিষয়বস্তুৰ আভাস দিয়ে আৰু নাটৰ প্ৰশংসাৰে দৰ্শকক অভিনয়ৰ প্ৰতি প্ৰৰোচিত কৰে।

অঙ্কীয়া নাটতো সূত্ৰধাৰে শ্ৰোতাদৰ্শকক সম্ভ্ৰমেৰে সম্বোধন কৰি যেতিয়া জনায় যে মুক্তিদায়ী নাটকৰ অভিনয় হ'ব, তেতিয়া তেওঁলোক অভিনয়ৰ প্ৰতি প্ৰৰোচিত হয়।

**৩.৬। আমুখ/প্ৰস্তাৱনা/ত্ৰিগত ঃ**

সংস্কৃত নাটত সূত্ৰধাৰে পাৰিপাৰ্শ্বিক, নটী বা বিদূষকৰ লগত কথা-বতৰাৰ ছলেৰে গীত-গুঞ্জন, কোকিল-কুজন, বংশীধ্বনি আদিৰ দ্বাৰা কোনো প্ৰধান পাত্ৰ-পাত্ৰীৰ প্ৰৱেশৰ পূৰ্বাভাস দিয়ে।

অঙ্কীয়া নাটতো সূত্ৰধাৰে সঙ্গীৰ লগত বাৰ্ত্তালাপ কৰি, মুখ্য চৰিত্ৰৰ প্ৰৱেশৰ পূৰ্বাভাস দিয়ে। সূত্ৰধাৰে সঙ্গীক সোধে— "আহে সঙ্গি! কি বাদ্য শুনিয়ে।" সঙ্গী— "আসে দেৱ দুন্দুভি বাজত।" সূত্ৰধাৰ— "আঃ সে পৰম ঈশ্বৰ শ্ৰীকৃষ্ণ মিলল।"

**৩.৭। মুক্তিমঙ্গল ঃ**

সংস্কৃত নাটৰ শেহত ভৰত-বাক্য বুলি এটি শ্লোক থাকে। নাটৰ প্ৰধান চৰিত্ৰই জগতৰ আৰু সভাসদৰ ঐহিক সুখশান্তি কামনা কৰি ভৰত

বাক্য গায়।

অঙ্কীয়া নাটতো অনুৰূপভাৱে থাকে মুক্তিমঙ্গল ভটিমা। সূত্ৰধাৰে শ্ৰোতা-দৰ্শকৰ মঙ্গল আৰু মুক্তি কামনা কৰি এই ভটিমা গায়।

**৩.৮। শ্লোক ঃ**

সংস্কৃত নাটত শ্লোক অপৰিহাৰ্য অঙ্গ। শ্লোকবোৰ চৰিত্ৰৰ সংলাপৰ ভিতৰুৱা, প্ৰায়েই ব্যঞ্জনা-শ্লেষাত্মক। অৱশ্যে বহুক্ষেত্ৰত শ্লোকত পৰিস্থিতি-চিত্ৰনো দেখা যায়।

অঙ্কীয়া নাটত যথেষ্ট সংখ্যক শ্লোক থাকিলেও, সেইবোৰ অপৰিহাৰ্য অঙ্গ নহয়। কাৰণ শ্লোকৰ কথাখিনি গীত, কথা-সূত্ৰ আৰু ভাৱৰীয়াৰ বচনৰ মাজেৰে পুনৰাবৃত্ত কৰা হয়। শ্লোকবোৰ সৰল আৰু বৰ্ণনাত্মক।

**৩.৯। সন্ধি ঃ**

সংস্কৃত ৰূপকৰ ভিতৰত নাটক আৰু প্ৰকৰণত কম-বেছি পাঁচটা অঙ্ক থাকে বাবে তাত নাটকীয় পঞ্চাৱস্থা (আৰম্ভ, প্ৰযত্ন, প্ৰাপ্ত্যাশা, নিয়তাপ্তি, ফলাগম) আৰু পঞ্চসন্ধি (মুখ, প্ৰতিমুখ, গৰ্ভ, অৱমৰ্শ, নিৰ্বহন) চিহ্নিত কৰিব পাৰি।

অঙ্কীয়া নাট অঙ্কহীন হ'লেও, পূৰ্ণাঙ্গ কাহিনীযুক্ত নাট কেইখনত (পাৰিজাত-হৰণ, কেলি-গোপাল, ৰুক্মিণী-হৰণ আৰু শ্ৰীৰাম-বিজয়ত) পঞ্চাৱস্থা আৰু পঞ্চসন্ধি অনুমান কৰি ল'ব পাৰি। ড° সত্যেন্দ্ৰনাথ শৰ্মাই ৰুক্মিণী-হৰণ নাটৰ ক্ষেত্ৰত পঞ্চাৱস্থা আৰু পঞ্চসন্ধি চিহ্নিত কৰি দেখুৱাইছে। (অসমীয়া নাট্য সাহিত্য, পৃঃ ২৪, ২৫)

**৩.১০। ভাষা ঃ**

সংস্কৃত নাটত উচ্চ শ্ৰেণীৰ পাত্ৰৰ মুখত সংস্কৃত আৰু নিম্নশ্ৰেণীৰ পাত্ৰৰ মুখত প্ৰাকৃত ভাষাৰ বচন দিয়া হয়। গীতবোৰৰ ভাষা সাধাৰণতে প্ৰাকৃত।

অঙ্কীয়া নাটত ভাৱৰীয়াসকলৰ ভাষা একেটাই— ব্ৰজাৱলী। কথা-সূত্ৰ আৰু গীতৰ ভাষাও ব্ৰজাৱলী। কেৱল সূত্ৰধাৰৰ মুখত ব্ৰজাৱলীৰ উপৰি সংস্কৃত ভাষাও দিয়া হৈছে। সূত্ৰধাৰে সংস্কৃত শ্লোক গায়, নাটকীয় নিৰ্দেশ আৰু সূত্ৰকথাতো সংস্কৃত ব্যৱহাৰ কৰা দেখা যায়। কেতিয়াবা

নাটৰ বিষয়বস্তু (ৰুক্মিণীৰ প্ৰেমপত্ৰৰ আৰম্ভণি) আৰু চৰিত্ৰৰ বচনত (নাৰদৰ উক্তি) সংস্কৃত ব্যৱহাৰ কৰা হৈছে।

### ৩.১১। নাটকীয় ঔচিত্য ঃ

নাট্যশাস্ত্ৰৰ বিধানমতে ৰঙ্গমঞ্চত যুদ্ধ, হত্যা, বিৱাহাদি ধৰ্মোৎসৱ, ভোজন, স্নান আদি দেখুওৱা নিষেধ। কিন্তু অঙ্কীয়া ভাওনাত এই নিষেধবোৰ উলঙঘা কৰিছে গুৰুজনে। ইয়াৰ মূলতে আছিল অঙ্কীয়া নাটৰ দায়বদ্ধতা। সংস্কৃত নাটৰ শ্ৰোতা-দৰ্শক আছিল বিদ্যাৱন্ত নাগৰিক সমাজ আৰু অঙ্কীয়া ভাওনাৰ শ্ৰোতা-দৰ্শক আছিল নিৰক্ষৰ, গাঁৱলীয়া সমাজ। সংস্কৃত নাটৰ উদ্দেশ্য আছিল কাব্যিক ৰস সৃষ্টি আৰু ভাওনাৰ উদ্দেশ্য আছিল কৃষ্ণ-ভক্তি-প্ৰচাৰ। গতিকে গুৰুজনে প্ৰয়োজনবোধে নাট্যশাস্ত্ৰৰ নিষেধ আওকাণ কৰিছিল।

### ৩.১২। বিদূষক ঃ

সৰহভাগ সংস্কৃত নাটকত বিদূষক চৰিত্ৰ দেখা যায়। তেওঁ জাতিত ব্ৰাহ্মণ, বহু ক্ষেত্ৰত মূৰ্খ, পৰিহাসপ্ৰিয় আৰু নায়কৰ বিশ্বাসৰ পাত্ৰ। অঙ্কীয়া নাটত বিদূষক নাই। তাৰ মুখ্য কাৰণ হ'ল, মূল নায়ক ভগৱান শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ লগত সংস্কৃত নাটৰ বিদূষক চৰিত্ৰ খাপ নেখায়। অৱশ্যে বিদূষক-চৰিত্ৰই যোগান ধৰা হাস্যৰসৰ অভাৱ পাৰিজাত-হৰণৰ নাৰদ আৰু ৰুক্মিণী-হৰণৰ বেদনিধি চৰিত্ৰই কিছু পৰিমাণে পূৰণ কৰিছে। আকৌ পাৰিজাত-হৰণত নাৰদৰ লগত 'বাসুৱা' বুলি আৰু শ্ৰীৰাম-বিজয় নাটত বিশ্বামিত্ৰ বা কৌশিক ঋষিৰ লগত এজন শিষ্য (গাল্লৱ) বসুৱা বা বহুৱা হিচাপে ওলায়। নাটৰ অন্তৰঙ্গ চৰিত্ৰ নহৈও বহুৱাই স্থূল-সূক্ষ্ম হাস্যৰস যোগান ধৰি আহিছে।

### ৩.১৩। গীত ঃ

সংস্কৃত নাটকত চৰিত্ৰই বা নেপথ্য গায়কে গীতবোৰ গায়। কিন্তু ভাওনাত গায়ন-বায়নে আটাইবোৰ গীত গায়।

### ৩.১৪। অভিনয়ৰ চতুৰঙ্গ ঃ

নাট্যশাস্ত্ৰমতে অভিনয় চাৰি প্ৰকাৰৰ— "আঙ্গিক (ভাৱপ্ৰকাশক প্ৰতীকাত্মক মুদ্ৰা আৰু বাস্তৱানুকৃতিসূচক অঙ্গ-বিক্ষেপণ), বাচিক (সংলাপ), সাত্ত্বিক (ভাৱানুভূতি প্ৰকাশক অশ্ৰু হাস্য আদি) আৰু আহাৰ্য (সাজ-সজ্জা)। অঙ্কীয়া ভাওনাত এই চাৰিটাৰ প্ৰয়োগ আছে যদিও ভাৱ বা

অৱস্থা-প্ৰকাশক সাংকেতিক মুদ্ৰাৰ ব্যৱহাৰ নাই; বাস্তৱানুকৃতিমূলক অঙ্গ-বিক্ষেপণহে আছে। (অসমীয়া নাট্য সাহিত্য, পৃ.২৬) আহাৰ্যৰ ভিতৰত পুস্ত (ছোঁ-মুখা), অলঙ্কাৰ (বেশ-ভূষা, মালা), অঙ্গৰচনা (দেহৰ মুক্ত অংশত ৰংসনা) আৰু সঞ্জীৱ (কৃত্ৰিম পশু-পক্ষী)— এই চাৰিবিধৰ প্ৰয়োগ ভাওনাত আছে।

**৩.১৫। পূৰ্বৰঙ্গ ঃ**

সংস্কৃত নাটৰ অভিনয়ৰ পূৰ্বে ভাৰৱীয়াসকলে ৰঙ্গ বা অভিনয়ৰ বিঘিনি দূৰ কৰিবলৈ যি অনুষ্ঠান কৰে, সেয়ে পূৰ্বৰঙ্গ। ইয়াৰ দুটা ভাগ— বহিৰ্যৱনিকা (দৰ্শকে দেখে) আৰু অন্তৰ্যৱনিকা (দৰ্শকে নেদেখে)। ভৰতৰ মতে বহিৰ্যৱনিকাত ১০ টা অঙ্গ আৰু অন্তৰ্যৱনিকাত ৯টা অঙ্গ থাকে।

অঙ্কীয়া ভাওনাত পূৰ্বৰঙ্গৰ অনুৰূপ অনুষ্ঠানটোক ধেমালি বা ধৈমালি বোলে। ভাওনাৰ পূৰ্বে গায়ন-বায়নৰ যোৰাই ধেমালি পৰিবেশন কৰে। ইয়াত গীততকৈ বায়নসকলৰ শাৰীৰিক গতি আৰু নৃত্য-ভঙ্গিমাৰ— বিশেষকৈ পদচালনাৰ— প্ৰাধান্য থকা বাবে অনুষ্ঠানটোৰ নাম ধেমালি হৈছে। ধেমালি কেইবা প্ৰকাৰৰ— সৰু-ধেমালি, বৰ-ধেমালি, ন-ধেমালি, ছোঁ-ধেমালি, নাট/নট-ধেমালি, দেৱ-ধেমালি, ৰাগ-ধেমালি, ঘোষা-ধেমালি, বৰপেটীয়া ধেমালি আদি। কোনো কোনো ক্ষেত্ৰত আৰম্ভণিত চাহিনী বা উঠা চাহিনী আৰু অন্তত গুৰুঘাত বজোৱা হয়। “ধেমালি এৰিলে প্ৰৱেশৰ বেলা হয়।”

সংস্কৃত পূৰ্বৰঙ্গৰ আৰ্হিত প্ৰস্তুত কৰা হ’লেও, ধেমালি ভাওনাৰ মঙ্গলাচৰণস্বৰূপ আৰু গুৰুজনাৰ মতাদৰ্শ আৰু লক্ষ্য-উদ্দেশ্যৰ লগত খাপ খোৱা।

**৩.১৬। ৰস ঃ**

সংস্কৃত নাটত নৱবিধ কাব্যৰস সঞ্চাৰ হোৱা দেখা যায়। কিন্তু অঙ্কীয়া নাটত তেনে নহয়। অঙ্কীয়া নাটত অঙ্গীৰস হ’ল ভক্তি। কিন্তু শৃঙ্গাৰাদি নটা ৰসৰ দৰে ভক্তিও এবিধ ৰসনে? শঙ্কৰদেৱে কাব্যৰসৰ কথা কৈ গ’লেও, ভক্তিৰস বুলি এবিধ কাব্যৰস স্বীকাৰ কৰিছিল নে নাই, কোৱা টান।

বোপদেৱ (১২৬০-১৩০০ খ্ৰী.), ৰূপ গোস্বামী (১৪৭০-১৫৫৪

খ্ৰী.), কবি কৰ্ণপুৰ (১৬শ শতিকা) আদি কৃষ্ণ ভক্তসকলে ভক্তিক ৰস বুলি স্বীকৃতি দি গৈছে। পণ্ডিতৰাজ জগন্নাথে (১৬২০-১৬৬৫ খ্ৰী.) ভক্তিৰ ৰসবত্তা স্বীকাৰ কৰিয়ো, ভক্তিক ৰস হিচাপে নহয়, ভাৱ হিচাপেহে স্বীকৃতি দিয়ে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই অঙ্কীয়া নাটৰ ৰসবিচাৰ কৰিবলৈ গৈ গৌড়ীয় বৈষ্ণৱ আলঙ্কাৰিকসকলৰ মতানুসাৰে 'ভক্তিৰস' স্বীকাৰ কৰি লৈছে। তেওঁ কৈছে, "শ্ৰৱণ-কীৰ্ত্তন-স্মৰণ ইত্যাদিৰ দ্বাৰা ভক্তহৃদয়ত উদ্ৰেক হোৱা স্থায়ী ভাৱ 'কৃষ্ণৰতি'ক বিভাৱ-অনুভাৱ-ব্যভিচাৰী (সঞ্চাৰী) ভাৱৰ যোগেদি আস্বাদনীয় অৱস্থালৈ আনিলেই সি ভক্তিৰসত পৰিণত হয়।" (অসমীয়া নাট্য সাহিত্য, পৃ.৩৯)

অঙ্কীয়া ভাওনাত অঙ্গীৰস হ'ল ভক্তিৰস আৰু শৃঙ্গাৰ, বীৰ, হাস্য, কৰুণ আদি ৰস হ'ল ভক্তিৰসৰে পৰিপোষক।

## ৪। অঙ্কীয়া নাটৰ বৈশিষ্ট্যসূচক লক্ষণ ঃ

### ৪.১। সূত্ৰধাৰৰ প্ৰাধান্য ঃ

সংস্কৃত নাটকৰ সূত্ৰধাৰে নান্দী, প্ৰৰোচনা আৰু প্ৰস্তাৱনা সমাপন কৰি মঞ্চ ত্যাগ কৰে। কিন্তু অঙ্কীয়া নাটৰ সূত্ৰধাৰে অভিনয়ৰ আৰম্ভণিৰ পৰা শেষলৈ মঞ্চত উপস্থিত থাকে। সূত্ৰধাৰ অঙ্কীয়া নাটৰ অবিচ্ছেদ্য অঙ্গই নহয়, কেন্দ্ৰীয় চালিকা শক্তিও। সূত্ৰধাৰৰ কাৰ্যাৱলী ঃ

(i) ধেমালিৰ অন্তত সূত্ৰধাৰে মঞ্চত প্ৰৱেশ কৰি নৃত্য কৰে, নৃত্যসহ নান্দীশ্লোক পাঠ কৰে আৰু নান্দী গীত গায়।

(ii) সভাসদক সম্বোধন কৰি নাটৰ নাম আৰু ভাওনা চোৱাৰ ফল ঘোষণা কৰে।

(iii) প্ৰাৰম্ভিক ভটিমা আবৃত্তি কৰে।

(iv) সঙ্গীৰ লগত বাৰ্ত্তালাপ কৰি মুখ্য চৰিত্ৰসমূহক কথা আৰু গীতেৰে প্ৰৱেশ কৰায়।

(v) শ্লোক-গীত-পয়াৰ আৰু কথাৰ দ্বাৰা নাটকীয় ঘটনাক্ৰম আৰু পৰিস্থিতিসমূহ দাঙি ধৰে। অৱশ্যে চৰিত্ৰ বিশেষৰ ব্যক্তিগত সুখ-দুখ-জ্ঞাপক গীত নাগায়।

(vi) ভাৱৰীয়াসকলৰ আৰু গায়ন-বায়ন যোৱাৰ কাৰ্যাৱলী নিয়ন্ত্ৰণ কৰে।

(vii) মঞ্চত দেখুৱাব নোৱৰা ঘটনাৰ বা দৃশ্যৰ বৰ্ণনা দিয়ে।

(viii) মুক্তিমঙ্গল ভটিমা গাই নাট সামৰে।

(ix) 'আহে সামাজিক লোক' বুলি সকলো দৰ্শক-শ্ৰোতাৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। সূত্ৰধাৰৰ কথামতেই তেওঁলোকে ভাওনা মনোযোগেৰে চাব-শুনিব লাগে, ঘটনাৱলীৰ তাৎপৰ্য গ্ৰহণ কৰিব লাগে আৰু নিৰন্তৰে হৰিনাম উচ্চাৰণ কৰি থাকিব লাগে।

মুঠতে সূত্ৰধাৰজন যেনিবা গুৰুজনাৰে প্ৰতিনিধি। সেইকাৰণে সূত্ৰধাৰৰ ভাও লোৱাজনো বহুগুণ সম্পন্ন ব্যক্তি হ'ব লাগে।

## ৪.২। ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ ঃ

শঙ্কৰদেৱে অঙ্ক আৰু গীতত প্ৰয়োগ কৰা ভাষাটোক অসমীয়া বৈষ্ণৱ সমাজত ব্ৰজাৱলী বোলা হয়। পণ্ডিতসকলে ব্ৰজবুলি বোলে। 'ব্ৰজ' শব্দত 'যুক্ত' অৰ্থসূচক বিশেষণ-প্ৰত্যয় 'আৱলী' যোগ দি ব্ৰজাৱলী শব্দটো সিদ্ধ কৰা হৈছে। গুৰুজনে একেধৰণে চন্দ্ৰাৱলী (কীৰ্ত্তন, ৰাসক্ৰীড়া ঃ ১০০৮) শব্দটো সিদ্ধ কৰিছিল। গতিকে ব্ৰজাৱলী ভাষা মানে কৃষ্ণৰ লীলাধাম ব্ৰজৰ লগত সম্পৰ্কিত ভাষা। সেইবুলি ব্ৰজধামত কথিত ভাষা ই নহয়। এই ভাষাত ৰচিত গীত-নাটৰ যোগেদি প্ৰধানভাৱে কৃষ্ণৰ ব্ৰজধামৰ লীলা-কৰ্ম প্ৰকাশিত হোৱা বাবে সম্ভৱতঃ ভাষাটোৰ নাম ব্ৰজাৱলী হ'ল।

ব্ৰজাৱলীৰ উৎপত্তি সম্পৰ্কে দুটা মত আছে। প্ৰথমটো মত ভাষাবিদ গ্ৰিয়াৰ্ছন, ড° সুকুমাৰ সেন আদিৰ দ্বাৰা প্ৰচাৰিত হয় আৰু অসমৰ পণ্ডিতসকল তাৰ দ্বাৰা প্ৰভাৱিত হয়। এই মতে, মৈথিলী কবি বিদ্যাপতি ঠাকুৰে (১৩৬০-১৪৪৮ খ্ৰী.) প্ৰাচীন মৈথিলী ভাষাত ৰচা 'পদাৱলী'-এ উত্তৰ ভাৰতত প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰিছিল। পদাৱলীৰ ভাষাকে ভেটি কৰি তাৰ লগত স্থানীয় ভাষা মিশ্ৰণ দি বৈষ্ণৱ কবিসকলে ব্ৰজবুলি ভাষা জন্ম দিছিল। এইদৰে অসমীয়া, বঙালী আৰু উৰীয়া ব্ৰজবুলিৰ সৃষ্টি হৈছিল। অসমৰ ব্ৰজবুলি বা ব্ৰজাৱলী সম্পৰ্কে দুটি অভিমত দাঙি ধৰা হ'ল ঃ

(i) "মৈথিলী ভাষাই ব্ৰজবুলিৰ ভেটি। তাৰ ওপৰতে অসমীয়া বৈয়াকৰণিক আৰু আভিধানিক ৰূপৰ লগতে পশ্চিমা হিন্দীৰ ভগা-ছিগা টুকুৰা গোটাই আমাৰ 'অসমীয়া ব্ৰজবুলিৰ ঘৰটো সজা হৈছে।" (শ্ৰীশ্ৰীশঙ্কৰদেৱ, মহেশ্বৰ নেওগ ৰচনাৱলী, প্ৰথম খণ্ড, পৃ.১২৪)

(ii) "ব্ৰজাৱলী বৈষ্ণৱসকলে সৃষ্টি কৰা এটি কৃত্ৰিম সাহিত্যিক ভাষা; ই মৈথিলী ভাষাৰ লগত অসমীয়াৰ সংমিশ্ৰণ।" (ড° সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া ভাষাৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ.১৪৭)

ড° সুকুমাৰ সেনে পৰৱৰ্তী সময়ত তেওঁৰ ব্ৰজবুলি সম্পৰ্কীয় মতটো সলাই দ্বিতীয় এটি মত আগবঢ়ায়। অসমৰ ড° উপেন্দ্ৰনাথ গোস্বামী আদিয়ে এই মতত সমৰ্থন জনায়। এইমতে প্ৰাচীন মৈথিলী ভাষাৰ মূল হ'ল শৌৰসেনী অপভ্ৰংশৰে পৰিপুষ্ট অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ। খ্ৰীষ্টীয় ৯ম শতিকাৰ পৰা ১৫শ শতিকাৰ প্ৰাৰম্ভলৈকে সমগ্ৰ আৰ্যাৱৰ্ত্তত লোকসাহিত্যৰ বাহন আছিল অৱহট্‌ঠ। সহযজানী বৌদ্ধ আৰু শৈৱ তান্ত্ৰিক যোগীসকলে তেওঁলোকৰ গীত-মাতত অৱহট্‌ঠ ব্যৱহাৰ কৰিছিল। ড° সুকুমাৰ সেনৰ মতে, অৱহট্‌ঠ কণিষ্ঠতম সৰ্বভাৰতীয় সাধু আৰ্যভাষা। অৰ্বাচীন অৱহট্‌ঠৰ পৰাই খ্ৰীষ্টীয় ১৪শ-১৫শ শতিকাত বিকশিত হয় প্ৰাচীন মৈথিলী (বিদ্যাপতিৰ পদাৱলীৰ ভাষা) আৰু অসম-বঙ্গ-উৰিষ্যাৰ ব্ৰজবুলি ভাষা। গতিকে অসমৰ ব্ৰজাৱলীৰ ভিত্তি অৰ্বাচীন অৱহট্‌ঠহে, বিদ্যাপতিৰ পদাৱলীৰ ভাষা নহয়। অৰ্থাৎ ই এটা কৃত্ৰিম ভাষা নহয়। ড° উপেন্দ্ৰনাথ গোস্বামীৰ মতটো এই প্ৰসঙ্গত উল্লেখযোগ্য ঃ "দৰাচলতে অসমৰ ব্ৰজাৱলী (ব্ৰজবুলি) মিথিলাৰ পৰা আহি অসমত প্ৰতিষ্ঠা লাভ কৰা ভাষা নহয়। ই অৱহট্‌ঠ অধ্যুষিত বৃহত্তৰ ভূ-খণ্ডত অৱস্থিত অসমৰ বুকুত থলুৱা সৌষ্ঠৱেৰে আত্মপ্ৰকাশ লাভ কৰা ভাষা" (A Study on Kamrupi, A Dialect of Assamese, p.254)। [ব্ৰজাৱলীৰ উৎপত্তিৰ দ্বিতীয়টো মত সম্পৰ্কীয় কথাখিনিৰ বাবে ড° নাৰায়ণ দাসৰ এটি প্ৰবন্ধৰ ওপৰত নিৰ্ভৰ কৰা হৈছে ঃ 'মহাপুৰুষ অঙ্কৰ ভাষাৰ উৎস' (প্ৰবন্ধ), চন্দ্ৰ হাজৰিকা সম্পাদিত 'অঙ্কীয়া নাট ঃ ৰূপ, ৰস আৰু তত্ত্ব, ২০১১, পৃ.৯৪-১০১)]

**৪.৩। লয়যুক্ত গদ্যৰ ব্যৱহাৰ ঃ**

শঙ্কৰদেৱে নাটকত ব্যৱহাৰ কৰা গদ্যই অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন। অৱশ্যে ই অসমীয়া ব্ৰজাৱলী। এই গদ্য লয়যুক্ত বা বৃত্তগন্ধী। সূত্ৰধাৰ বা ভাৱৰীয়া সকলে তেওঁলোকৰ ব্ৰজাৱলীৰ বচন সুৰীয়াকৈ মতা দেখা যায়। বাক্যবোৰত অন্ত্যমিল-অনুপ্ৰাসৰ প্ৰয়োগ দেখা যায়— "কত তপসাইলো ঃ তোক পুত্ৰ পাইলো ঃ হাততে হৰাইলো ঃ ...ব্ৰজেৰ জীৱন ঃ কমল নয়ন ঃ গৃহ সুহায়ন এ ঃ (কালিয় দমন)। এনে প্ৰয়োগে বাক্যক

লয়যুক্ত কৰিছে। লয়যুক্ত গদ্যৰ প্ৰয়োগে অঙ্কীয়া ভাওনাক এক পাৰলৌকিক পৰিৱেশ দান কৰাৰ ফলত শ্ৰোতা-দৰ্শক সহজে ঈশ্বৰমুখী হয়।

### ৪.৪। গীত-নৃত্যৰ প্ৰাধান্য ঃ

অঙ্কীয়া নাটত গীত-নৃত্যক প্ৰাধান্য দি নাটকীয় কাহিনী, চৰিত্ৰ সংলাপ আদিক গৌণ স্থান দিয়া হয়। ইয়াৰ কাৰণ হ'ল গীত-নৃত্যই সহজে হৃদয়স্থ প্ৰেম-ভক্তি জাগৰিত কৰি শ্ৰোতা-দৰ্শকক কৃষ্ণমুখী কৰি তোলে।

ভটিমা আৰু পয়াৰৰ আবৃত্তি আৰু ৰাগ-তাল-যুক্ত গীতৰ পৰিবেশনে অঙ্কীয়া নাটক গীতিধৰ্মিতা দান কৰে। ভটিমা তিনি প্ৰকাৰৰ-- প্ৰাৰম্ভিক ভটিমা, মধ্য ভটিমা আৰু মুক্তি মঙ্গল ভটিমা। ৰাগ-তালযুক্ত গীতবোৰ পাঁচ প্ৰকাৰৰ— প্ৰাৱেশিকী, নৈষ্ক্ৰামিকী, আক্ষেপিকী, প্ৰাসাদিকী আৰু আন্তৰিকী। কেৱল মধ্য ভটিমা, গীত আৰু পয়াৰৰ যোগেদি নাটকীয় কথা-বস্তু অনুধাৱন কৰিব পাৰি। পয়াৰৰ মাজেদি সাধাৰণতে বিলাপ প্ৰকাশ কৰা হয়। সাংগীতিক মূল্যৰ উপৰি গীতসমূহৰ আৰু ভটিমাসমূহৰ কাব্যিক মূল্যও যথেষ্ট।

অঙ্কীয়া নাটত গীততকৈও নৃত্যৰ প্ৰাধান্য পৰিলক্ষিত হয়।

## ৫। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটৰ তুলনা ঃ

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ অৱদান বহু ক্ষেত্ৰত পৰস্পৰ পৰিপূৰক। মাধৱদেৱে গুৰুজনাৰ অনুকৰণত নাট ৰচনা কৰিছিল যদিও, সেই অনুকৰণ অৰ্জুন-ভঞ্জনতে আৰম্ভ আৰু শেষ হয়। গুৰুজনাৰ প্ৰয়াণৰ পাছত মাধৱদেৱে ঝুমুৰা নামে একশ্ৰেণী নাটৰ জন্ম দি স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ যায়। দুয়োজনাৰ নাট তুলনা কৰিলে পাৰ্থক্যসমূহ বেছিকৈ চকুত পৰে ঃ

(i) শঙ্কৰদেৱৰ নাটসমূহৰ পূৰ্ণাঙ্গ কাহিনী পোৱা যায়। মাধৱদেৱৰ অৰ্জুন-ভঞ্জনত বাদে ঝুমুৰা কেইখনত পূৰ্ণাঙ্গ কাহিনী নাই, বিশেষ পৰিস্থিতিৰ ৰূপায়ণহে আছে।

(ii) শঙ্কৰদেৱে নাটৰ বিষয়বস্তু লৈছে ভাগৱত পুৰাণ, হৰিবংশ, বিষ্ণুপুৰাণ, ৰামায়ণ আদিৰ পৰা। আনহাতে মাধৱদেৱে অৰ্জুন-ভঞ্জন আৰু ভোজন-বেহাৰৰ বিষয়বস্তু লৈছে ভাগৱতৰ পৰা, কিন্তু ঝুমুৰা কেইখনৰ বিষয়বস্তু লৈছে বিল্‌ৱমঙ্গল বা লীলাশুকৰ কৃষ্ণ-কৰ্ণামৃত গ্ৰন্থৰ পৰা।

(iii) নাট্যশৈলীৰ ক্ষেত্ৰত, মাধৱদেৱৰ অৰ্জুন-ভঞ্জন শঙ্কৰদেৱৰ নাটসমূহৰ ওচৰ চপা। কিন্তু ঝুমুৰাবোৰ স্বকীয় বৈশিষ্ট্যৰে ভৰা। ঝুমুৰাত নান্দীশ্লোক নাই, নান্দী গীত নাই। ভোজন-বেহাৰৰ আৰম্ভণিৰ ভটিমাটিত বাদে কোনো নাটতে ভটিমা নাই। সূত্ৰধাৰৰ সঙ্গীৰ কোনো ব্যৱস্থা মাধৱদেৱে ৰখা নাই।

(iv) শঙ্কৰদেৱৰ নাটৰ শ্লোক স্বৰচিত (এটাত বাদে)। আনহাতে মাধৱদেৱে শ্লোকবোৰ আহৰণ কৰিছে কৃষ্ণকৰ্ণামৃত গ্ৰন্থ বা হৰিবংশৰ পৰা। মাধৱদেৱৰ নাটৰ ব্ৰজাৱলী কথিত অসমীয়াৰ অধিক ওচৰ চপা।

(v) শঙ্কৰদেৱৰ নাটৰ তুলনাত ঝুমুৰাবোৰ অধিক গীতি-নৃত্য-প্ৰধান।

(vi) শঙ্কৰদেৱৰ নাটৰ নায়ক কৃষ্ণ বা ৰাম যুৱক। মাধৱদেৱৰ নাটৰ নায়ক বালক কৃষ্ণ।

(vii) শঙ্কৰদেৱৰ নাটৰ তুলনাত মাধৱদেৱৰ নাট স্ত্ৰী-চৰিত্ৰ-প্ৰধান।

(viii) শঙ্কৰদেৱৰ নাটৰ প্ৰধান ৰস ভক্তি হ'লেও, শৃঙ্গাৰ, হাস্য, বীৰ, কৰুণ, অদ্ভুত আদি ৰসৰ সমাৱেশ হয়। কিন্তু মাধৱদেৱৰ ক্ষেত্ৰত প্ৰধান ৰস হৈছে বাৎসল্য ভক্তি, যদিও হাস্য, অদ্ভুত আদি ৰসৰ সমাৱেশ ঘটে।

*******************************************

**উপসংহাৰ ঃ**

মহাপুৰুষ দুজনাৰ পাছত তেখেতসকলৰ প্ৰভাৱ-প্ৰেৰণাত অঙ্কীয়া-নাট ৰচনাৰ এটা প্ৰবল ধাৰা পৰৱৰ্তী কাললৈ প্ৰৱাহিত হয়। এইক্ষেত্ৰত উল্লেখযোগ্য নাট্যকাৰসকল হ'ল— ভৱানীপুৰীয়া গোপালআতা, ৰামচৰণ ঠাকুৰ, দৈতাৰি ঠাকুৰ আদি। সপ্তদশ-অষ্টাদশ শতিকাত এনে নাটৰ ৰচনা আৰু ভাওনাৰ পয়োভৰ দেখা যায়— সত্ৰ-সমাজত আৰু গাঁৱলীয়া নামঘৰকেন্দ্ৰিক সমাজত। কিন্তু পৰৱৰ্তী নাটসমূহত অঙ্কীয়া-নাটৰ শৈলী কিছু সলনি হয়, সংস্কৃত শ্লোকৰ ব্যৱহাৰ কমি আহে আৰু ব্ৰজাৱলী ভাষা কথিত অসমীয়াৰ কাষ চাপে।

অঙ্কীয়া নাট-ভাওনা অসমীয়া সংস্কৃতিৰ এক অমূল্য সম্পদ। ইয়াৰ চৰ্চা ধৰ্মীয় আৰু বিদ্যায়াতনিক ক্ষেত্ৰত অব্যাহতভাৱে চলি আছে। পৰিৱেশ্য কলা হিচাপে ই আজিও জনসাধাৰণক ভক্তিৰস পান কৰাই আছে। এয়া নিশ্চয়কৈ এক শুভ লক্ষণ।

## সম্পাদকীয়

পুণ্যভূমি অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ আৰু অসমৰ জনজীৱনলৈ আগবঢ়োৱা অৱদান অসমৰ জাতীয় জীৱনৰ বাবে এক স্মৰণীয় অধ্যায়। সেই অধ্যায় স্বৰ্ণমণ্ডিত হৈ উঠিছিল, গুৰুজনাই সৃষ্টি কৰা নাট্যকলাত। শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰপন্ন শিষ্য শ্ৰীশ্ৰীমাধৱদেৱেও গুৰুৰ পদাঙ্ক অনুসৰণ কৰি অসমীয়া নাট্য সাহিত্যৰ ভেটি সুদৃঢ় কৰাই নহয়, বৈচিত্ৰ্যময় কৰি তুলিছিল। গুৰু আৰু শিষ্যই সৃষ্টি কৰি যোৱা অঙ্কীয়া নাটককেইখনৰ গভীৰ প্ৰভাৱ অসমীয়া জাতীয় জীৱনত আজিও শিৰাই উপশিৰাই বিদ্যমান। মহাপুৰুষ দুজনাৰ দৰে কেইবাজনো বৈষ্ণৱ কবিয়ে পৰৱৰ্তীকালত অঙ্কীয়া নাটক ৰচনা কৰাৰ পৰম্পৰা সৃষ্টি হোৱাৰ ফলতেই অসমৰ জনজীৱনত নাট্যভিনয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। সাম্প্ৰতিক কালতো অসমৰ সত্ৰ আৰু নামঘৰ সমূহত ইয়াৰ গভীৰ অনুশীলন আৰু ব্যাপক চৰ্চাৰ ফলতেই নাট্য সাহিত্য বৰ্ণময় হৈ উঠাটো এক গুৰুত্বপূৰ্ণ বিষয়। বৰ্ত্তমান অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা অঙ্কীয়া নাট সমাৰোহ আৰু ভাওনা প্ৰতিযোগিতাসমূহেও অনুষ্ঠানটিক পল্লৱিত কৰাত গভীৰভাৱে ইন্ধন যোগাইছে। অৱশ্যে মহাপুৰুষ দুজনাৰ লগতে বৈষ্ণৱ সাহিত্যিক কেইজনৰ পাছত ব্ৰজাৱলী ভাষাত ৰচনা কৰা নাটসমূহৰ চৰ্চা পৰৱৰ্তীকালত স্তিমিত হৈ পৰে আৰু অসমীয়া ভাষা অৰ্থাৎ 'মাতৃভাষা'তহে নাটক ৰচনাত সাহিত্যিকসকল প্ৰবৃত্ত হয়।

শ্ৰীমন্ত শঙ্কৰদেৱে 1468 খ্ৰীষ্টাব্দত 'চিহ্নযাত্ৰা' অভিনয়ৰ সূচনা কৰি দৰ্শকক বিপুলভাৱে আকৃষ্ট কৰাৰ পাছত গুৰুজনে নাট্যকলাৰ প্ৰতি গভীৰভাৱে মনোযোগ দিছিল, যাৰ ফলস্বৰূপে ছয়খন নাটক তাৰাৰ কাপৰ পৰা নিঃসৃত হৈছিল। ড০ কালিৰাম মেধিয়ে 'কালিয়দমন'ক গুৰুজনাৰ প্ৰথম নাটক বুলি অভিহিত কৰিলেও নাটকখনৰ বিষয়বস্তু আৰু আঙ্গিকৰ প্ৰতি লক্ষ্য ৰাখি 'পত্নীপ্ৰসাদ'কহে প্ৰথম নাটক বুলি ড০ মহেশ্বৰ নেওগ আৰু ড০ সত্যেন্দ্ৰনাথ শৰ্মাই মত পোষণ কৰিছে। উল্লিখিত নাটক দুখনৰ পাছত শ্ৰীমন্ত শঙ্কৰদেৱে

'শ্ৰীমদ্ভাগৱত'ৰ বিষয়বস্তুৰ আধাৰত ৰচনা কৰে- 'কেলি-গোপাল', 'পাৰিজাত-হৰণ' আৰু 'ৰুক্মিণীহৰণ' নাট। 'কথা গুৰু চৰিত'ৰ মতে জীৱনৰ অন্তিম বয়সত পাটবাউসীত থকাৰ সময়ছোৱাত ৰামৰায়ৰ অনুৰোধত 'ৰুক্মিণীহৰণ' নাট ৰচনা কৰে। হৰিবংশ আৰু বিষ্ণুপুৰাণত ৰুক্মিণীৰ বিষয়ে উল্লেখ থাকিলেও গুৰুজনাই ভাগৱতপুৰাণৰ বিষয়বস্তুকহে গ্ৰহণ কৰি নাটখনৰ বিন্যাস ঘটাইছে। অন্যহাতে ৰামায়ণৰ বিষয়বস্তুক লৈ ৰচনা কৰা 'শ্ৰীৰামবিজয়' শ্ৰীমন্ত শঙ্কৰদেৱৰ একমাত্ৰ নাট আৰু তাৰাৰ জীৱনৰ শেষ বয়সৰ ৰচনা।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰপন্ন শিষ্য শ্ৰীশ্ৰীমাধৱদেৱেও গুৰুক অনুসৰণ কৰি নাটক ৰচনাত প্ৰবৃত্ত হয় আৰু অসমীয়া নাট্য-সাহিত্যক বিশিষ্ট মাত্ৰা প্ৰদান কৰে। এইক্ষেত্ৰত মাধৱদেৱৰ স্বকীয় প্ৰতিভা আৰু ৰীতিৰ সততে প্ৰত্যক্ষ কৰা যায়। বিশেষকৈ শঙ্কৰদেৱৰ নাটক কেইখন স্বল্পঅৱয়বৰ ৰূপটিহে পৰিলক্ষিত হয়। বহুক্ষেত্ৰত আধুনিক একাঙ্ক নাটকৰ লগতহে তাৰাৰ নাটকসমূহ তুলনা কৰিব পাৰি। নাটক কেইখনৰ বিষয়বস্তু অত্যন্ত চুটি হোৱাৰ উপৰিও নাৰী চৰিত্ৰৰ পয়োভৰ, নৃত্য গীতৰ প্ৰাধান্য আৰু শিশু কৃষ্ণৰ উপস্থিতিয়ে শঙ্কৰদেৱৰ নাটৰ পৰা মাধৱদেৱৰ নাটকক পৃথক কৰি ৰাখিছে। তদুপৰি শঙ্কৰদেৱে নিজৰ নাট কেইখনক 'যাত্ৰা' বা 'নাট' অথবা 'নাটক' বুলি অভিহিত কৰাৰ বিপৰীতে মাধৱদেৱে 'অৰ্জুন-ভঞ্জন'ত বাদে বাকী কেইখনক ঝুমুৰা বুলি অভিহিত কৰিছে। সাধাৰণতে ঝুমুৰাসমূহত এটি পূৰ্ণ বিষয়বস্তু অথবা আখ্যানৰ বিপৰীতে ঘটনা বিশেষৰ আংশিক ছবিহে নাট্য-ৰূপায়ণ হয়। মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন'তহে এটি পূৰ্ণ আখ্যানৰ নাট্য-ৰূপায়ণ ঘটিছে।

'অৰ্জুন-ভঞ্জন' মাধৱদেৱৰ কাপৰ পৰা নিঃসৃত প্ৰথম নাট। শঙ্কৰদেৱৰ জীৱন কালতে মাধৱদেৱ গণককুছিত থকাৰ সময়ত এই নাট ৰচনা কৰিছিল। উল্লিখিত নাটখনৰ উপৰিও মাধৱদেৱৰ নামত আঠখন ঝুমুৰা পোৱা যায়। ইয়াৰে চাৰিখন মাধৱদেৱৰ ৰচনা হয়নে নহয়, সেই সম্পৰ্কে নিশ্চিত হ'ব পৰা নাই। সেই সূত্ৰে মহাপুৰুষ মাধৱদেৱৰ নাট বা ঝুমুৰাসমূহক সন্দেহবিহীন আৰু সন্দেহজনক- এই দুটা ভাগত সমালোচকসকলে ভাগ কৰিছে। সন্দেহবিহীন নাট কেইখন হ'ল ঃ (1) অৰ্জুন-ভঞ্জন (2) চোৰধৰা (3) পিম্পৰা গুচোৱা (4) ভূমি লেটোৱা (5) ভোজন বিহাৰ (ব্যৱহাৰ)। অন্যহাতে সন্দেহজনক নাট কেইখন হ'লঃ (1) ভূষণ হৰণ (2) ৰাস ঝুমুৰা (3) কোটোৱা খেলা (4) ব্ৰহ্মামোহন।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ অসমৰ জাতীয় জীৱনৰ এটি বৃহৎ অনুষ্ঠান। সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্য আগত

ৰাখি 1930 চনত, গুৰুজনাৰ জন্মস্থান নগাওঁ জিলাৰ পলাশনি গাৱঁত "শঙ্কৰ সঙ্ঘ" নামেৰে জন্ম লাভ কৰা এই অনুষ্ঠানে আজি সাংগঠনিক বিশালতা তথা কাৰ্যক্ষেত্ৰৰ বহুলতাৰ বাবে ৰাষ্ট্ৰীয় অনুষ্ঠানত পৰিণত হ'বলৈ সমৰ্থ হৈছে। এই মহান অনুষ্ঠানটিয়ে প্ৰতিষ্ঠাৰ দিন ধৰি মহাপুৰুষ দুজনাৰ প্ৰৱৰ্ত্তিত একশৰণ হৰিনাম ধৰ্মৰ আদৰ্শ তথা শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন-গৱেষণাৰ যোগে সিবোৰক বিশুদ্ধ ৰূপত প্ৰকাশ, প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰি আহিছে। উল্লেখনীয় যে, শঙ্কৰী সাহিত্য সংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ পথপ্ৰদৰ্শক। এই ক্ষেত্ৰত সফলতা লভিবৰ বাবে শঙ্কৰদেৱ-মাধৱদেৱৰ বিৰচিত ভক্তি সাহিত্যৰাজি বিশুদ্ধৰূপত প্ৰকাশ আৰু প্ৰচাৰত যত্নপৰ হৈছে।

মহাপুৰুষ শঙ্কৰদেৱ যেনেদৰে সৰ্বগুণৰ আকৰ, মাধৱদেৱো আছিল গুৰুজনাৰ দৰেই সৰ্বগুণৰ অধিকাৰী এজন মহান প্ৰতিভাধৰ মহাপুৰুষ। অসমৰ জাতীয় জীৱন তথা অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ-প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেতিয়াৰ অসম-কামৰূপ-বেহাৰ তিনিৰাজ্য জুৰি নৱ-বৈষ্ণৱ ভক্তিধাৰাৰ প্ৰৱৰ্ত্তন তথা সহজ-সৰল-সুগম একশৰণ হৰিনাম ধৰ্মৰ প্ৰকাশ-প্ৰতিষ্ঠা-প্ৰচাৰ-প্ৰসাৰ কৰি এক নতুন যুগৰ সূচনা কৰিলে। গুৰুজনাৰ এই প্ৰচেষ্টাত প্ৰধান সহায়ক হ'ল— তাৰাৰ প্ৰপন্ন শিষ্য তথা অভিন্ন হৃদয়ৰ মহাপুৰুষ মাধৱদেৱ। দুয়োজন মহাপুৰুযেই অনেক গীত, পদ, কাব্য-নাটক আদি শাস্ত্ৰ ৰচনা কৰি অসমীয়া ভক্তি-সাহিত্যৰ সৌধ গঢ়িলে। মহাপুৰুষ দুজনাৰ সৃষ্ট অমৰ সাহিত্যৰাজি তথা তাৰাসৱৰ অনুপ্ৰেৰণাৰে পদানুসৰণ কৰি ৰচনা কৰা পৰৱৰ্তীকালৰ বৈষ্ণৱ ভক্ত কবিসকলৰ ৰচনাই অসমীয়া ভাষা-সাহিত্যক মহিমামণ্ডিত কৰিলে। অৱশ্যে 'পূৰ্ব কবি অপ্ৰমাদী' মাধৱকন্দলি আদি শঙ্কৰদেৱৰ পূৰ্বৰ বৈষ্ণৱ কবিসকলৰ সাহিত্য কৃতিসমূহে ভক্তি-সাহিত্যৰ ভৰাঁল টনকিয়াল কৰিছিল।

দুয়োজনা মহাপুৰুযে মহান প্ৰতিভাৰে একশৰণ হৰিনামধৰ্ম প্ৰচাৰৰ বাবে কালজয়ী সাহিত্য পৰম্পৰাৰ সৌধ নিৰ্মাণ কৰি গ'ল। কিন্তু দুয়োজনা মহাপুৰুষৰ স্বহস্ত লিপিৰে প্ৰণীত শাস্ত্ৰৰ কোনো নিদৰ্শন সংৰক্ষিত হোৱা বুলি জনা নাযায়। তাৰাসৱৰ দ্বাৰা ৰচিত শাস্ত্ৰবোৰৰ নিদৰ্শন বহন কৰিছে পৰৱৰ্তীকালত সাঁচিপাত বা অন্যান্য মাধ্যমত সংৰক্ষিত লিপিকাৰসকলৰ হস্তাক্ষৰযুক্ত প্ৰতিলিপিয়েহে এনেদৰে লিপিকাৰৰ হাত বাগৰি আহোঁতে শাস্ত্ৰবোৰৰ ভাষা-শৈলী, শব্দচয়ন আৰু বানান পদ্ধতিত নানা প্ৰকাৰৰ বিসঙ্গতি ঘটিছে। বিশেষকৈ, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে প্ৰকাশ কৰা মহাপুৰুষ দুজনাৰ সাহিত্য কৃতিসমূহত বিভিন্ন গ্ৰন্থৰ পাঠৰ মিল নথকাটো এক স্মৰণীয় বিষয়।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মহান উদ্দেশ্য হৈছে —মহাপুৰুষ দুজনাৰ

যুগজয়ী ৰচনাৰাজি শুদ্ধৰূপত প্ৰকাশ কৰা আৰু সঙ্ঘৰ বাপ-আইসকলৰ বাবে সিবোৰ সুলভ আৰু সহজলভ্য কৰি তোলা। এই উদ্দেশ্য লৈয়ে সম্পাদনা কৰাৰ দায়িত্ব সঙ্ঘৰ সাহিত্য শাখা সমিতিৰ ওপৰত ন্যস্ত কৰা হয়। সাহিত্য শাখাই সঙ্ঘৰ 82 সংখ্যক অধিৱেশনখনিত গাৰোৰ-গোৱিন্দ আতা সমন্বয় ক্ষেত্ৰ, বামুণীগাৱঁত উন্মোচন কৰিবৰ বাবে মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত অঙ্কীয়া নাট আৰু মহাপুৰুষ মাধৱদেৱৰ নাট আৰু ঝুমুৰাসমূহ একত্ৰ সঙ্কলনৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয়, নগাৱঁত বিগত বৰ্ষৰ 11 মাৰ্চ তাৰিখত পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীযুত ৰজনীকান্ত দত্ত বাপ, প্ৰধান সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপ, সঙ্ঘৰ গৱেষক শ্ৰীযুত কৈলাস দাস বাপ, সভাপতি শ্ৰীযুত জীৱকান্ত নাথ বাপ, সম্পাদক ড° জগত চন্দ্ৰ কলিতা বাপ আৰু সদস্য-সদস্যাসকলৰ উপস্থিতিত সিদ্ধান্ত লোৱা হয়। সভাত গ্ৰন্থখন সম্পাদনাৰ বাবে ড° প্ৰদীপ হাজৰিকা আৰু ড° ইন্দিৰা শইকীয়া বৰাক দায়িত্ব ন্যস্ত কৰে। মূল নাটসমূহৰ শুদ্ধপাঠ আৰু বিভিন্ন অনুষ্ঠানে প্ৰকাশ কৰা মহাপুৰুষ দুজনাৰ নাটৰ পাঠ মিলোৱাৰ দায়িত্ব ড° প্ৰদীপ হাজৰিকাক দিয়া হয়। নাটসমূহৰ অন্তৰ্গত শ্লোকসমূহৰ সৰল অসমীয়ালৈ ভাঙনিৰ উপৰিও প্ৰাচীন অসমীয়া আৰু ব্ৰজবুলি শব্দসমূহৰ অৰ্থ উলিওৱাৰ দায়িত্বৰ লগতে মহাপুৰুষ মাধৱদেৱৰ জীৱনৰ চমু আভাস আৰু নাটঝুমুৰা সমূহৰ সংজ্ঞা, সংক্ষেপ কাহিনী, ঝুমুৰাৰ বৈশিষ্ট্য লেখাৰ বাবে ড° ইন্দিৰা শইকীয়া বৰাক দায়িত্ব অৰ্পণ কৰা হয়। গ্ৰন্থখনৰ সকলো দিশ সামৰি পাতনি লিখি উলিয়াই শ্ৰীযুত কৈলাস দাস বাপে।

মহাপুৰুষ দুজনাৰ ৰচনাৰ একত্ৰ সঙ্কলন ইতিপূৰ্বে ভালেমান প্ৰকাশ হৈছে যদিও সঙ্ঘই নাটসমূহৰ সুকীয়াকৈ একত্ৰ সঙ্কলন প্ৰকাশৰ সিদ্ধান্ত লয়। সেই উদ্দেশ্য আগত লৈ এই কামখিনি সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰা হৈছে, তাৰবাবে বিভিন্ন গ্ৰন্থৰো সহায় লোৱা হৈছে। সেই গ্ৰন্থসমূহ হৈছে —সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাদেৱৰ দ্বাৰা সম্পাদিত ‘শঙ্কৰ বাক্যামৃত’, ড° কালিৰাম মেধিদেৱৰ দ্বাৰা সম্পাদিত ‘অঙ্কাৱলী’, শ্ৰীযুত মহিম বৰাদেৱৰ সম্পাদিত ‘শঙ্কৰদেৱৰ নাট’, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা প্ৰকাশিত ‘মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত’ আৰু ‘মহাপুৰুষ মাধৱদেৱ বাক্যামৃত’, ড° কৰবী ডেকা হাজৰিকাৰ — ‘মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন’, ড° ৰামচন্দ্ৰ ডেকাৰ ‘মাধৱদেৱ জীৱন আৰু কৃতি’, জীৱকান্ত নাথৰ ‘মহাপুৰুষ মাধৱদেৱ অধ্যয়ন’, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত ‘কথা গুৰু চৰিত’, ড° বাণীকান্ত কাকতিৰ— ‘পুৰণি অসমীয়া সাহিত্য’ আৰু সম্পাদিত গ্ৰন্থ '□□□□□□□ □□ □□□□□ □□□□□□□□ □□□□□□□□□□', ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ ‘অসমীয়া নাট্য সাহিত্য’,

গঙ্গা দাসৰ 'ছন্দোমঞ্জৰী', ড০ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ 'অঙ্কীয়া নাটকাৱলী' আদি গ্ৰন্থৰ সহায় লোৱা হৈছে। গ্ৰন্থভাগৰ কাম প্ৰথম অৱস্থাত বিভিন্ন অসুবিধাৰ বাবে হৈ উঠা নাছিল যদিও পিছত খৰখেদাকৈ সম্পন্ন কৰি উলিয়াবলৈ প্ৰযত্ন কৰা হৈছে, লগতে সংস্কৃত শ্লোকসমূহৰ শব্দাৰ্থও সংযোগ কৰি সৰল অসমীয়া ভাঙনি কৰা হৈছে। সংস্কৃত নাটকত শ্লোকৰ প্ৰাধান্য অনস্বীকাৰ্য। সংলাপৰ মাজে মাজে ছন্দোৱদ্ধৰূপত পাত্ৰজনৰ গভীৰ উপলব্ধিক প্ৰকাশ কৰা হয়। শ্লোকসমূহে এখন নাটকৰ গৌৰৱ বহন কৰাৰ উপৰিও নাট্যকাৰজনৰ পাণ্ডিত্যৰ পৰিচয় দিয়ে। মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা ৰচিত অঙ্কীয়া নাটকেইখনত তাৰাই নান্দী শ্লোকৰ উপৰিও লয়যুক্ত গদ্যৰ মাজে মাজে সংস্কৃত শ্লোকৰ সংযোজন কৰিছে। একোখন নাটত সংস্কৃত শ্লোকেৰে নাট্য কাহিনীৰ জঁকা নিৰ্মাণ কৰি গীত, পদ আৰু সংলাপেৰে তাক প্ৰসাৰিত কৰা হৈছে।

অসমীয়া জাতীয় সাহিত্য-সংস্কৃতিৰ শ্ৰেষ্ঠ বাহক এই অঙ্কীয়া নাটসমূহে ভাৰতীয় নাট্য সাহিত্যত এক স্বকীয় মৰ্যাদা লাভ কৰিবলৈ সমৰ্থ হৈছে। সংস্কৃত নাট্যশাস্ত্ৰৰ সমূহ নীতি-নিৰ্দেশনা আগত ৰাখি পূৰ্বৰঙ্গ, নান্দী শ্লোক আদি প্ৰয়োগ কৰি অঙ্কীয়া নাটসমূহত যি বৈশিষ্ট্য প্ৰদান কৰা হৈছে, সেয়া অনন্য প্ৰতিভাসম্পন্ন মহাপুৰুষ শঙ্কৰদেৱৰ বাবেহে সম্ভৱ হৈছে বুলি স্বীকাৰ কৰিব লাগিব। মহাপুৰুষজনাই এফালে ছন্দোৱদ্ধৰূপত সংস্কৃত ভাষাত শ্লোক (পদ্য) ৰচনা কৰি নাটকৰ সংলাপ মাজে মাজে সংযোজন কৰিছে, আৰু আনফালে নৃত্য আৰু গীতৰ বহুল প্ৰয়োগ কৰি নাটকীয় পৰিক্ৰমাৰ সৌষ্ঠৱ বঢ়াইছে। নৃত্য আৰু গীতৰ অবিচ্ছেদ্য অঙ্গ, বাদ্যৰ প্ৰয়োগেও নাট্যকাৰজনৰ কলা-কুশলতাৰ পৰিচয় বহন কৰিছে। নৃত্য, গীত, বাদ্যক একেলগে নাট্যত 'তৌৰ্যত্ৰিক' বোলা হয়। (নাট্যশাস্ত্ৰ / 1ম খণ্ড, পৃ. 2]

তদুপৰি অঙ্কীয়া নাটসমূহৰ আন এক বিশিষ্ট অঙ্গ হৈছে- সূত্ৰধাৰৰ চৰিত্ৰ। অঙ্কীয়া নাটসমূহৰ সূত্ৰধাৰৰ সৰ্বাত্মক ভূমিকা শঙ্কৰদেৱৰ একক সৃষ্টি। অঙ্কীয়া নাটসমূহৰ ৰীতি-নীতি অনুকৰণ কৰি শঙ্কৰোত্তৰ যুগত ৰচিত সংস্কৃত নাটকত সূত্ৰধাৰৰ উল্লেখনীয় উপস্থাপন দেখা যায়। স্বৰ্গদেউ শিৱসিংহৰ দিনত ৰচিত কবিচন্দ্ৰ দ্বিজৰ 'কামকুমাৰ হৰণ', ৰাজেশ্বৰ সিংহৰ দিনত ৰচিত কবিসূৰ্য গৌৰীকান্ত দ্বিজৰ 'বিঘ্নেশজন্মোদয়', দীনদ্বিজৰ 'শঙ্খচূড়বধ', বিদ্যা পঞ্চাননৰ 'শ্ৰীকৃষ্ণ প্ৰয়াণ' আৰু ধৰ্মদেৱ গোস্বামীৰ 'ধৰ্মোদয়' আদি সংস্কৃত নাটকসমূহ ইয়াৰ মনোৰম উদাহৰণ। সংস্কৃত নাটকৰ ৰচনাশৈলী আৰু লোকনাট্য শৈলীৰ সমন্বয়ত শঙ্কৰদেৱে নাটক ৰচনা কৰা বুলি পণ্ডিতসকলে মতপোষণ কৰিলেও নাটক কেইখনত শঙ্কৰদেৱৰ স্বকীয় সৃষ্টি বিৰাজমান।

মহাপুৰুষ শঙ্কৰদেৱে অঙ্কীয়া নাট ৰচনা কৰাৰ উদ্দেশ্য আছিল— জনসাধাৰণৰ মাজত আধ্যাত্মিক চেতনা জাগ্রত কৰা আৰু ৰাম-কৃষ্ণৰ গুণানু-কীৰ্ত্তনেৰে জনসাধাৰণৰ মন ভক্তিধৰ্মত নিমজ্জিত কৰোৱা। নাট্যাভিনয়ৰ মাধ্যমেৰে জনসাধাৰণৰ হৃদয় জয় কৰা যে সহজ, সেই কথা শঙ্কৰদেৱে উপলব্ধি কৰিব পাৰিছিল। সেই কাৰণেই তাৰাই সহজে আকৰ্ষিত হ'ব পৰা অভিনয়যোগ্য সাহিত্য ৰচনাত মনোনিবেশ কৰিছিল। সংস্কৃত আলঙ্কাৰিকসকলেও সৃষ্টিধৰ্মী ৰচনাসমূহৰ ভিতৰত শ্ৰব্যকাব্যতকৈ দৃশ্যকাব্যকেই শ্ৰেষ্ঠ আসন দি আহিছে। ভাৰতীয় নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰত মুনিয়েও দৃশ্যকাব্যকেই প্ৰাধান্য দি নাট্যৰীতি প্ৰৱৰ্তন কৰে। ভৰতমুনিৰ মতে দৃশ্যকাব্যত মানৱ জীৱনৰ সকলোদিশ প্ৰতিফলিত হয় বাবেই সৰ্বসাধাৰণৰ বাবে দৃশ্যকাব্য অতিকৈ মনোগ্ৰাহী ঃ

দুঃখাৰ্তানাং শ্ৰমাৰ্তানাং শোকাৰ্তানাং তপস্বিনাম্।
ৱিশ্ৰাম্যজননং লোকে নাট্যমেতদ্ ভৱিষ্যতি।।
ধৰ্মং যশস্যময়ুষ্যং হিতং বুদ্ধি বিৱৰ্দ্ধনম্।
লোকোপদেশজননং নাট্যমেতদ্ ভৱিষ্যতি।।

— (নাট্যশাস্ত্ৰ / 1 / 114-115)

অৰ্থাৎ— 'নাটকেই সংসাৰৰ দুঃখিত-শোকাভিভূতসকলৰ, শ্ৰমকাতৰসকলৰ আৰু দৰিদ্ৰসকলৰ জিৰণিৰ থল হ'ব আৰু ধৰ্মসন্মত, যশোবৰ্ধক, আয়ুবৰ্ধক, সুবুদ্ধিবৰ্ধক আৰু মানৱৰ আদৰ্শস্বৰূপ হৈ ৰ'ব।।'

তদুপৰি কোৱা হৈছে যে — 'এনে কোনো জ্ঞান, শিল্প, বিদ্যা, কলা, যোগ বা কৰ্ম নোলাব, যি দৃশ্যকাব্যত পোৱা নাযাব।'

ন তজ্জ্ঞানং ন তচ্ছিল্পং ন সা বিদ্যা ন সা কলা।
ন স যোগো ন তৎকৰ্ম নাট্যেঽস্মিন্, যন্ন দৃশ্যতে।।

— (নাট্যশাস্ত্ৰ / 1 / 116)

মহাপুৰুষ শঙ্কৰদেৱে অঙ্কীয়া নাট ৰচনা কৰাৰ সময়ত নিশ্চয় দুটা পৰস্পৰ বিৰোধী কথাৰ সন্মুখীন হ'বলগীয়া হৈছিল। এফালে সংস্কৃত নাটকৰ আৰ্হিৰে নাটকীয় সৌষ্ঠৱ-বৃদ্ধি কৰাৰ চিন্তা আৰু আনহাতে নিৰক্ষৰ লোকসকলৰ বোধগম্যতাৰ চিন্তা। এই দুয়োটা কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই হয়তো শঙ্কৰদেৱে একেখন নাটকতে সংস্কৃত শ্লোক আৰু ব্ৰজাৱলী ভাষাত গদ্যৰ সমাৱেশ ঘটাইছিল। নিৰক্ষৰ সৰ্বসাধাৰণ লোকৰ বাবে ছোঁ-মুখা, পঢ়া-শুনা জনা মধ্যমশ্ৰেণীৰ লোকৰ বাবে ব্ৰজাৱলী ভাষাৰ গদ্য সংলাপ আৰু পণ্ডিতৰ বাবে সংস্কৃত শ্লোক ৰচনা কৰিছিল। মুঠতে, শঙ্কৰদেৱৰ দ্বাৰা ৰচিত অঙ্কীয়া নাটসমূহত শ্লোক, গীত, কথাসূত্ৰ আৰু চৰিত্ৰৰ সংলাপ তথা ছোঁ-মুখা, আহাৰ্য আদি এইকেইটা উপাদানৰ সমষ্টি।

মানসিকভাৱে প্ৰেৰণ কৰে। অন্যহাতে শ্লোক মাতি নাটকীয় ঘটনাৰ বিৱৰণৰ লগতে তাৰ অন্তৰ্নিহিত অৰ্থ মাজে মাজে বিশ্লেষণ কৰি আৰম্ভণিৰ পৰা নাট সামৰালৈকে মঞ্চত উপস্থিত থাকি বিষয়বস্তুক পৰিণতিৰ ফালে লৈ যায়।

সূত্ৰধাৰজনেই ভটিমা আৰু নাটৰ গীত পৰিৱেশন কৰে। প্ৰকৃতাৰ্থত, সূত্ৰধাৰজন একাধাৰে নৃত্যপটু, সঙ্গীতজ্ঞ আৰু শাস্ত্ৰজ্ঞ ব্যক্তি। মহাপুৰুষ শঙ্কৰদেৱে সূত্ৰধাৰজনক এনেধৰণে সৃষ্টি কৰিছে যেন সূত্ৰধাৰজন তেওঁৰেই দ্বিতীয়ৰূপ। চৰিতপুথিৰ মতে মহাপুৰুষৰ প্ৰথম নাট 'চিহ্নযাত্ৰা' ৰচনা কৰোঁতে নাট্যকাৰেই সূত্ৰধাৰৰ ৰূপত অৱতীৰ্ণ হৈছিল। মহাপুৰুষৰ জীৱনকালত মঞ্চস্থ হোৱা আন আন-নাটতো হেনো নাট্যকাৰেই সূত্ৰধাৰৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। মধ্যযুগীয় লোকনাট্যানুষ্ঠানতো সূত্ৰধাৰ নাইবা সমজাতীয় চৰিত্ৰই অভিনয়ৰ প্ৰথমৰে পৰা শেষলৈকে মঞ্চত থাকি অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ দৰে সকলো কৰ্ম সম্পাদন কৰে। কিন্তু লিখিত নাটত অভিনয় পটু এগৰাকী স্থায়ী সূত্ৰধাৰৰ প্ৰয়োগ অঙ্কীয়া নাটতে প্ৰথমে পোৱা যায়।

অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ গুণসমূহ বিশ্লেষণ কৰিলে- মাতৃগুপ্ত নামৰ সংস্কৃত আলঙ্কাৰিক এজনে উল্লেখ কৰা সূত্ৰধাৰৰ বৈশিষ্ট্যখিনিৰ লগতহে শঙ্কৰদেৱৰ সূত্ৰধাৰৰ মিল দেখা যায়। মাতৃগুপ্তই দিয়া সূত্ৰধাৰৰ বৈশিষ্ট্য সমূহ হৈছে—

> চতুৰহহতোদ্য নিষ্ণাতোহনেক ভাষা-সমাবৃত্তঃ।
> নানা-ভাষণ-তত্ত্বজ্ঞো নীতিশাস্ত্ৰাৰ্থ-তত্ত্ববিত্।।
> বেশ্যোপচাৰ-চতুৰঃ পৌৰুষেণ বিচক্ষণঃ।
> নানা-গতি প্ৰচাৰজ্ঞো ৰস-ভাৱ-বিশাৰদঃ।।
> নাট্যা-প্ৰয়োগ-নিপুণো নানা-শিল্পকলান্বিতঃ।
> ছন্দো-বিধান তত্ত্বজ্ঞঃ সৰ্বশাস্ত্ৰ বিচক্ষণঃ।
> তত্তদগীতানুগ-লয়-কলা-তালাবধাৰণঃ।।
> অবধান-প্ৰযোক্তা চ যোক্তৃনামুপদেশকঃ।
> এবং গুণ গুণোপেতঃ সূত্ৰধাৰোহভিধীয়তে।।

— (উক্তগ্ৰন্থ-পৃ. 11)

মাতৃগুপ্তৰ মতে সূত্ৰধাৰজন অত্যন্ত কলাকুশলী হোৱা বাঞ্ছনীয়। লগতে তেওঁ বাদ্যবিশাৰদ, সুন্দৰ পোছাক পৰিহিত, ভাষাবিদ, নীতিশাস্ত্ৰজ্ঞ, নাটকীয় ভঙ্গীমাৰ জ্ঞান থকা, দৰ্শকক ৰসত নিমজ্জিত কৰোৱাত পাকৈত ব্যক্তি। তদুপৰি তাল-মান-লয়ৰ জ্ঞান থকা, নাটকীয় কৌশলত নৈপুণ্য গুণেৰে তেওঁ বিভূষিত হোৱা উচিত। মহাপুৰুষ শঙ্কৰদেৱেও উক্ত সকলো জ্ঞানেৰে পুষ্ট সূত্ৰধাৰজনক

সৃষ্টি কৰি সৰ্বময় কৰ্তৃত্বৰ ভূমিকাত অৱতীৰ্ণ কৰোৱাইছে।

শঙ্কৰদেৱৰ নাটসূমহ বিশ্লেষণ কৰিলে পাঁচটা লক্ষণ চকুত পৰে। যেনে ঃ (1) গীত (2) শ্লোক (3) ভটিমা (4) কথা-সূত্ৰ আৰু (5) নৃত্য।

(1) **গীত** ঃ শঙ্কৰদেৱৰ নাটসমূহত গীতৰ দুটা ভাগ দেখা যায়। (ক) ৰাগভিত্তিক (খ) সাধাৰণ পয়াৰ।

(ক) প্ৰৱেশ গীত আৰু বিভিন্ন চৰিত্ৰৰ মনৰ ভাৱ-অনুভূতি প্ৰকাশক আৰু চৰিত্ৰবোৰৰ চাল-চলন বুজোৱা গীতবোৰ খোল-তালেৰে ৰাগত গোৱা হয়।

(খ) আনহাতে পয়াৰসমূহ কৰুণ ৰসযুক্ত আৰু বিলাপৰ আকাৰতেই গোৱা হয়।

(2) **শ্লোক** ঃ শ্লোক বিলাককো পাঁচটা ভাগত ভগোৱা হয়, যেনে (ক) নান্দী শ্লোক (খ) প্ৰৰোচনা শ্লোক (গ) কাহিনীমূলক শ্লোক (ঘ) প্ৰৱেশ শ্লোক আৰু (ঙ) মোখনি বা শেষ শ্লোক।

তলত প্ৰতিভাগৰে আলোচনা কৰা হ'ল—

(ক) **নান্দী শ্লোক** ঃ মহাপুৰুষ শঙ্কৰদেৱে সংস্কৃত নাটকৰ আৰ্হিৰে প্ৰতিখন নাটকতে নান্দী শ্লোক সংযোজন কৰিছে। নান্দী-নাটকৰ পূৰ্বৰঙ্গৰ অঙ্গ বিশেষ। নাট্যশাস্ত্ৰৰ বিধান অনুসৰি মহাপুৰুষেও নাট আৰম্ভৰ আগেয়ে কৰিবলগীয়া পূৰ্বৰঙ্গৰ বিধান কৰি গৈছে আৰু সেইবোৰ এতিয়াও পৰম্পৰাগতভাৱে চলি আহিছে। পূৰ্বৰঙ্গ সাধাৰণতে ৰঙ্গমঞ্চৰ অমঙ্গল দূৰ কৰাৰ উদ্দেশ্যে সম্পাদন কৰা হয়। সূত্ৰধাৰ আৰু কুশীলৱ নামৰ নাটকীয় সঙ্গীতকাৰসকলে ইয়াৰ বিধান কৰে। বিশ্বনাথ কবিৰাজে 'সাহিত্যদৰ্পণ' গ্ৰন্থৰ ষষ্ঠ পৰিচ্ছেদত ইয়াৰ লক্ষণ এনেদৰে দিছে—

যন্নাট্য বস্তুনঃ পূৰ্বৰঙ্গ বিঘ্নোপশান্তয়ে।
কুশীলৱাঃ প্ৰকুৰ্ব্বন্তি পূৰ্বৰঙ্গঃ চ উচ্যতে।।

নান্দীত নট বা ভাৱৰীয়াসকলে আশিস বচনযুক্ত বাৰটা বা আঠটা পদযুক্ত শ্লোক পাঠ কৰিব লাগে।

আশীৰ্বচনসংযুক্তা স্তুতিৰ্যস্মাত্ প্ৰযুজ্যতে।
দেৱদ্বিজনৃপাদীনাং তস্মান্নান্দীতি সংজ্ঞিতা।।
মঙ্গল্য শঙ্খচন্দ্ৰাব্জ কোককৈৰৱসংসিনী।
পদৈৰ্যুক্তা দ্বাদশভিৰষ্টাভিৰ্বা পদৈৰুত।।

— (সাহিত্যদৰ্পণ -6ষ্ঠ পৰিচ্ছেদ)

শঙ্কৰদেৱৰ ছয়খন নাটৰ ভিতৰত 'পত্নীপ্ৰসাদ'ত চতুষ্পদী নান্দী আৰু বাকী পাঁচখনত অষ্টপদী নান্দীৰ প্ৰয়োগ কৰিছে। এইফালৰ পৰা 'পত্নীপ্ৰসাদ' ব্যতিক্ৰম। নাটখনিৰ নান্দী, মুক্তিমঙ্গল ভটিমা আদি চৰিত্ৰ চিত্ৰনৰ ফালৰ পৰা

পূৰ্ণাঙ্গ নোহোৱা যেন লাগে বুলি ড০ মহেশ্বৰ নেওগদেৱে মন্তব্য কৰিছে। বাকী নাটকেইখনৰ অষ্টপদী নান্দীৰ দুটা শ্লোকৰ প্ৰথমটোত (শ্ৰীৰামবিজয় নাটৰ বাহিৰে) পৰম ব্ৰহ্মৰূপী শ্ৰীকৃষ্ণৰ স্তুতি কৰা হৈছে। দ্বিতীয়টোত, স্তুতিৰ চলেৰে নাটকীয় বিষয় বস্তুৰ ইঙ্গিত দিয়া হৈছে। অৱশ্যে 'পত্নীপ্ৰসাদ'ত এটা নান্দী শ্লোক থাকিলেও তাৰ মাজেৰে নাটকীয় কথাবস্তু, যেনে— 'পৰমাকেনামৃতং দেহি ভোঃ'(পত্নীপ্ৰসাদ, পৃ. 1013) এই শ্লোকাংশৰ দ্বাৰা সূচিত কৰিছে। এই শ্লোকটি শাৰ্দূলবিক্ৰীড়িত ছন্দত ৰচনা কৰিছে আৰু ইয়াত ব্যতিৰেক অলঙ্কাৰ প্ৰয়োগ হৈছে।

'ৰুক্মিণী-হৰণ' নাটৰ প্ৰথম নান্দী শ্লোকেৰে কলিকালৰ পাপবিনাশক শ্ৰীকৃষ্ণৰ নামৰ মহিমা স্তুতি কৰিছে— 'যৎ কীৰ্ত্তনাৎ কলিমলং মনুজাস্ত্যজন্তি কৃষ্ণস্য তস্য চৰণং শৰণং ব্ৰজেমঃ।। (ৰুক্মিণীহৰণ, পৃ. 1021)। দ্বিতীয়টি নান্দী শ্লোকেৰে নাটৰ কথাবস্তু পৰমাত্মা স্বৰূপ শ্ৰীকৃষ্ণই চেদিৰাজ শিশুপালক যুদ্ধত পৰাজয় কৰি ৰুক্মিণীক অতিসহজে কেনেকৈ হৰণ কৰিলে তাৰ সূচনা কৰা হৈছে।

'চৈদ্যাদীন্নৃপতীন্ বিজিত্য তৰসা যেনাহৃতা ৰুক্মিণী
যেনাজৌ বিনিৰ্জ্জত্য দুৰ্জ্জয়াৰিপুঃ ৰুক্মী বিৰূপীকৃতঃ।।'

— (ৰুক্মিণীহৰণ, পৃ. 1021)

'কালিয়দমন' নাটৰ নান্দী শ্লোক দুটি অষ্টপদী নান্দী। দুয়োটা নান্দী শ্লোকেই শাৰ্দূলবিক্ৰীড়িত ছন্দত ৰচনা কৰা হৈছে। প্ৰথম শ্লোকেৰে মঙ্গল সূচনা কৰি শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনা কৰিছে। দ্বিতীয়টোৰে 'মহাহিদৰ্পদলনং ক্ৰীড়া হ্ৰদিন্যজলেযেনাভাজি ভূজঙ্গ ভোগনিখিলং পদ্ভ্যাংমুদা মৰ্দিতম্।'(কালিয়দমন, পৃ. 1046) শ্লোকৰ দ্বাৰা শিশু কৃষ্ণই মহা অংহকাৰী বিষাক্তসৰ্প কালিয়ক দমন কৰি কালিহ্ৰদৰ পানী চিৰকালৰ বাবে বিষমুক্ত কৰাৰ ইঙ্গিত দিছে।

'কেলি-গোপাল' নাটৰ নান্দী শ্লোক দুটিৰ প্ৰথমটো উপেন্দ্ৰবজ্ৰা আৰু দ্বিতীয়টো বসন্ততিলকা ছন্দত ৰচিত হৈছে। দুয়োটা শ্লোকতে শৰত, শশাঙ্ক ইন্দু (কেলি-গোপাল / পৃ. 1061) আদি মাঙ্গলিক শব্দ প্ৰয়োগৰ দ্বাৰা মঙ্গল সূচনা কৰাৰ লগতে নাটকীয় কথা বস্তুৰো ইঙ্গিত দিয়া হৈছে।

'পাৰিজাত-হৰণ' নাটৰ প্ৰথম নান্দী শ্লোকত বিশ্বৰাস অচ্যুত অনন্ত শক্তিধাৰী পদ্মলোচন ব্ৰহ্মমূৰ্তি ৰামৰ স্তুতি কৰা হৈছে।

'নমঃ কৃষ্ণ বিষ্ণোঽচ্যুতানন্ত শক্তে
নমো ৰাম ৰাজীৱনেত্ৰ প্ৰভো তে।
নমো ব্ৰহ্মমূৰ্তে মুৰাৰে পৰেশ
নমো বিশ্বৰাস প্ৰসীদ প্ৰসীদ।।'

— (পাৰিজাতহৰণ, পৃ. 1080)

নাটকখনৰ দ্বিতীয় শ্লোকেৰে দৈৱকীনন্দন শ্ৰীকৃষ্ণই প্ৰিয় পত্নীৰ প্ৰিয় পুষ্প পাৰিজাত আনিবলৈ গৰুড়ৰ পিঠিত আৰোহণ কৰি শত্ৰু নৰকাসুৰকো নাশ কৰা আৰু পাৰিজাতো হৰণ কৰাৰ কথা বৰ্ণনা কৰা হৈছে। দুয়োটা শ্লোকেই ভূজঙ্গ প্ৰয়াত ছন্দত ৰচিত হৈছে। প্ৰথমটোত উপমা আৰু দ্বিতীয়টোত অনুপ্ৰাস অলঙ্কাৰ বিৰাজমান।

'শ্ৰীৰামবিজয়' নাটৰ প্ৰথম নান্দী শ্লোকেৰে ৰাম নামৰ মহিমা কীৰ্ত্তনেৰে শ্ৰীৰামৰ বন্দনা কৰিছে।

'যন্নামখিল লোকশোকশমনং যন্নাম প্ৰেমাস্পদম্

.. তং শ্ৰীৰামমহং মহেশবৰদং বন্দে সদা সাদৰম্।'

- (শ্ৰীৰামবিজয়- পৃ. 1101)

নাটকখনৰ দ্বিতীয় শ্লোকত কথাবস্তুৰ সূচনা কৰি শ্ৰীৰামচন্দ্ৰক পৰমপুৰুষৰ ৰূপত বন্দনা কৰিছে। দুয়োটা শ্লোকেই শাৰ্দূলবিক্ৰীড়িত ছন্দত ৰচিত হৈছে। ছন্দ প্ৰয়োগৰ ফালৰ পৰা মহাপুৰুষ জনাই বৈচিত্ৰ্য ৰক্ষাৰ বাবেহে বিভিন্ন ছন্দৰ প্ৰয়োগ কৰিছে।

মহাপুৰুষ শঙ্কৰদেৱে সহৰসংখ্যক নান্দী শ্লোকত (6টাত) শাৰ্দূলবিক্ৰীড়িত ছন্দৰ প্ৰয়োগে নাট্যকাৰৰ এই ছন্দৰ প্ৰতি থকা দুৰ্বলতাকে সূচাইছে। শাৰ্দূলবিক্ৰীড়িত ছন্দৰ লক্ষণ ছন্দোমঞ্জৰীৰ মতে — 'সূৰ্যাশ্বৈৰ্দি মঃ সজৌ সততগাঃ শাৰ্দূলবিক্ৰীড়িতম্'। —(ছন্দোমঞ্জৰী, পৃ. 111) আলঙ্কাৰিক ক্ষেমেন্দ্ৰই তেওঁৰ 'সুবৃত্ততিলক'ত এই ছন্দ সূৰ্যাস্তৱ আৰু ৰজাৰ স্তুতিৰ বাবে অতি উপযোগী বুলি মন্তব্য কৰিছে — 'সূৰ্যাস্তৱে নৃপাদীনাং শাৰ্দূলবিক্ৰীড়িতম্।' শঙ্কৰদেৱেও প্ৰকৃততে কৃষ্ণ-সূৰ্যস্তুতিতেই এই ছন্দ প্ৰয়োগ কৰাত সাৰ্থক হৈছে।

(খ) **প্ৰৰোচনা শ্লোক** ঃ নান্দীৰ পিছত প্ৰস্তাৱিত অভিনয়ত প্ৰশংসাৰ দ্বাৰা অভিনয় দৰ্শনৰ প্ৰতি সামাজিকৰ মন আকৰ্ষণ কৰাই প্ৰৰোচনা। অৰ্থাৎ দৰ্শক মণ্ডলীক সম্বোধন কৰি এটি শ্লোকেৰে নাটকৰ নাম উল্লেখ কৰে আৰু তাক মনোযোগেৰে অনুধাৱন কৰিবলৈ অনুৰোধ জনায়। 'প্ৰস্তুতাভিনয়েযু প্ৰশংসাতঃ শ্ৰোতৃণাং প্ৰবৃত্ত্যউন্মুখীকৰণং প্ৰৰোচনা।' (সাহিত্যদৰ্পণ - পৃ. 395) 'পত্নীপ্ৰসাদ'ত প্ৰৰোচনা শ্লোক নিদি ব্ৰজাৱলী ভাষাতহে প্ৰতিপাদ্য বিষয় বৰ্ণনা কৰিছে। কিন্তু বাকী নাটসমূহত প্ৰৰোচনা শ্লোক উপস্থাপন কৰিছে।

(গ) **কাহিনীমূলক শ্লোক** ঃ সংস্কৃত নাটকত দেখা যায় যে, নান্দী শ্লোকৰ পিছতে প্ৰস্তাৱনা শ্লোকত নাট্যকাৰে কাহিনীৰ বিষয়বস্তু সংক্ষেপে বৰ্ণনা কৰিছে। মহাপুৰুষ শঙ্কৰদেৱেও 'পত্নীপ্ৰসাদ'ৰ বাহিৰে আন নাটসমূহৰ কাহিনীভাগ শ্লোকত বৰ্ণনা

কৰিছে। ‘পাৰিজাত-হৰণ’ত সৰহভাগ শ্লোকত অনুষ্টুপ ছন্দৰ প্ৰয়োগ কৰিছে। অনুষ্টুপৰ বাহিৰেও এটা মালিনী আৰু এটা উপজাতি ছন্দত ৰচনা কৰা হৈছে। সেইদৰে ‘কালিয়দমন’ত আটাইকেইটাই অনুষ্টুপ ছন্দত ৰচিত হৈছে। ‘কেলি-গোপাল’ত দুটা উপজাতি আৰু বাকীবোৰ অনুষ্টুপ্ ছন্দত ৰচিত। ‘ৰুক্মিণী-হৰণ’ৰো কাহিনী সূত্ৰক শ্লোকখিনি অনুষ্টুপ ছন্দত ৰচিত। ‘শ্ৰীৰামবিজয়’ৰ এটা শ্লোক মালিনী আৰু বাকীবোৰত অনুষ্টুপ ছন্দ।

কাহিনী সূত্ৰক শ্লোকখিনি বেছিভাগেই অনুষ্টুপ ছন্দত ৰচিত হৈছে। এই ছন্দ মহৰ্ষি বাল্মীকিয়ে ৰামায়ণত প্ৰয়োগ কৰিছে। কিয়নো, এই ছন্দ পৌৰাণিক কাহিনী আৰু উপদেশমূলক ৰচনাৰ বাবে অতি উপযোগী। নাটকত সংলাপৰ মাজে মাজে ঘটনাৰ ক্ৰম ৰখাৰ বাবেই এই ছন্দ প্ৰয়োগ কৰা হয়। ভাগৱতপুৰাণৰ কাহিনীৰ মাধ্যমেৰে পৰমপুৰুষ কৃষ্ণত ভকতি বঢ়োৱাৰ উদ্দেশ্যেৰে ৰচিত নাটকসমূহত অনুষ্টুপৰ পয়োভৰ আদৰণীয়। অলঙ্কাৰবৰ্জিত হোৱা হেতু এই ছন্দ সহজে বোধগম্য হয়। পণ্ডিতসমাজৰ মনোৰঞ্জনৰ বাবে অঙ্কীয়া নাটত শ্লোক সন্নিৱিষ্ট হ’লেও বেছিভাগ শ্লোকেই অনুষ্টুপ্ ছন্দত ৰচিত হোৱা বাবে সংস্কৃতৰ সামান্য জ্ঞান থকা লোকেও সহজে এইবোৰৰ অৰ্থ অনুধাৱন কৰিব পাৰিব। মধ্যযুগীয় অসমীয়া সমাজত সংস্কৃতৰ আদৰ আছিল আৰু অধ্যয়ন অধ্যাপনাও হৈছিল। সেয়ে হয়তো নাটসমূহৰ ব্ৰজাৱলী অংশত সংস্কৃত শব্দৰ প্ৰাচুৰ্য দেখা যায়। অদ্যাৱধি ব্ৰজাৱলী জ্ঞাত প্ৰথম কবি জনাই হ’ল শ্ৰীমন্ত শঙ্কৰদেৱ।

(ঘ) **প্ৰৱেশ শ্লোক** ঃ সাধাৰণতে প্ৰৰোচনাৰ পিছতে পৰিৱেশন কৰা ভটিমাৰ শেষত নাটকৰ মুখ্য চৰিত্ৰৰ প্ৰৱেশ কৰোৱা হয়। প্ৰৱেশ কাৰ্যও এটি বা দুটি শ্লোকেৰে কৰোৱা হয়। উদাহৰণস্বৰূপে- ‘ৰুক্মিণীহৰণ নাট’ত প্ৰথমটোৰে শ্ৰীকৃষ্ণক আৰু দ্বিতীয়টোৰে ৰুক্মিণীক সখীসকলৰ লগত প্ৰৱেশ কৰোৱাইছে।

‘কালিয়দমন’ত প্ৰৱেশ শ্লোকটিত ভগৱান কৃষ্ণই গো-বৎসসমূহক সন্মুখত লৈ গোপবালকসকলৰ সৈতে বংশী বজাই প্ৰৱেশ কৰা দেখুৱাইছে।

‘গোবৎসান্ পুৰতঃ কৃত্বা গোপালঃ পালকাঃ সতাম্।
প্ৰৱেশমকৰোৎ গোপৈঃ সহ ৱেনুং নিনাদয়ন্।।

— (কালিয়দমন - পৃ. 1047)

‘কেলি-গোপাল’ নাটকৰো প্ৰৱেশ শ্লোক এটা। ইয়াত কৃষ্ণই বাঁহী বজাই গোপস্ত্ৰীসকলৰ লগত সকৌতুকেৰে অৰ্থাৎ আনন্দৰে প্ৰৱেশ কৰিছে। ‘পাৰিজাত-হৰণ’ নাটত প্ৰৱেশৰ শ্লোক দুটা। ইয়াৰ চতুৰ্থ শ্লোকত- ৰুক্মিণী সত্যভামাসহ শ্ৰীকৃষ্ণৰ মঞ্চত প্ৰৱেশ আৰু পঞ্চম শ্লোকত নাৰদসহ পুৰন্দৰৰ (ইন্দ্ৰৰ) প্ৰৱেশৰ

সূচনা দাঙি ধৰিছে। 'শ্ৰীৰামবিজয়' নাটকৰ প্ৰৱেশ শ্লোক দুটা। চতুৰ্থ শ্লোকত হাতত ধনুশৰ লৈ জগতৰ ভিতৰতে অপ্ৰতিম সৌন্দৰ্যৰ গৰাকী ৰামচন্দ্ৰক প্ৰৱেশ কৰোৱা দেখুৱাইছে। পঞ্চম শ্লোকত ৰামচন্দ্ৰৰ কথা ভাবি ভাবি সখীসকলৰ সৈতে সীতাৰ প্ৰৱেশ দেখুৱাইছে।

চকাৰ জানকী কামং প্ৰৱেশং সখীসঙ্গতা।
চিন্তয়ন্তী ৰামচন্দ্ৰ চৰণৌ ৰুচিৰাননা।।

— (শ্ৰীৰামবিজয়- পৃ. 1103)

(ঙ) **মোখনি বা শেষ শ্লোক** ঃ মহাপুৰুষ শঙ্কৰদেৱে যিদৰে নান্দী, প্ৰৰোচনা, কাহিনী আৰু প্ৰৱেশৰ শ্লোক সন্নিৱিষ্ট কৰিছে, সেইদৰে নাটৰ শেষতো মোখনি শ্লোক অন্তৰ্ভূক্ত কৰিছে। মোখনি শ্লোকত সাধাৰণতে নাট্যকাৰজনৰ নাম, গ্ৰন্থৰ নাম, চন, তাৰিখ আদিৰ উল্লেখ থাকে। ইয়াৰ দ্বাৰা পৰৱৰ্তীকালত পাঠক তথা সাহিত্য-বুৰঞ্জী লেখকৰ বাবেও সুগম হয়।

গুৰুজনাৰ লিপিবদ্ধ নাটকৰ ভিতৰত 'পত্নীপ্ৰসাদ' প্ৰথম বাবেই হয়তো এই বিষয়ত ধ্যান নিদিলে। আন নাটসমূহত যেনে - 'ৰুক্মিণীহৰণ'ত এটা, 'কালিয়দমন'ত দুটা, 'শ্ৰীৰামবিজয়'ত দুটা শ্লোক সন্নিৱিষ্ট হৈছে। 'কেলি-গোপাল'ত মোখনিৰ শ্লোক নাথাকিলেও নাট্যকাৰ তথা পৃষ্ঠপোষকৰ (□□□□□□) নাম মুক্তিমঙ্গল ভটিমাতে উল্লেখ কৰা হৈছে—

শ্ৰীৰামৰায়াঃ হৰিকো পৰমাঃ ভকতি ৰসিক সুজান।
কেলি-গোপালঃ কৰাৱট নাটকঃ কৃষ্ণ কিঙ্কৰ ওহি ভাণ।।
শুনহ বুধজনঃ নাহি নিন্দবঃ মোহি নোহি দোষ বখান।
যোহি সোহি বাণীঃ হৰি গুণ মিশ্ৰিতঃ মুকুতি মিলাৱত জান।।

— (কেলি-গোপাল- পৃ. 1079)

অৰ্থাৎ শ্ৰীৰামৰায়ৰ পৃষ্ঠপোষকতাত নাটখনি ৰচনা কৰা হৈছে। কিন্তু 'শ্ৰীৰামবিজয়' নাটৰ সামৰণিৰ শ্লোক দুটাৰে শুক্লধ্বজ নৃপতিৰ পৃষ্ঠপোষকতাত ৰচিত আৰু নাট সমাপ্তিৰ চনটোৰ উল্লেখ কৰিছে।

শ্ৰীশুক্লধ্বজো নৃপশ্ৰেষ্ঠঃ কাৰয়ামাস নাটকম্।
বিন্দুৰন্ধ্ৰ বেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞকে।।
শ্ৰীৰামবিজয়ং নাম নাটকং ৱিদধেহধুনা।
ৰাম বিজয় নাম নাটোহয়ং সম্পূৰ্ণম্ শ্ৰীকৃষ্ণপাদপ্ৰসাদতঃ।।

— (শ্ৰীৰামবিজয়- পৃ. 1119)

ইয়াত উল্লেখ কৰা দ্বিতীয়াৰ্ধৰ- 'বিন্দুৰন্ধ্ৰ বেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞকে'ৰ অংশই

1490 শকত নাটখন ৰচনা কৰাৰ সঙ্কেত দিছে।

'ৰুক্মিণীহৰণ' নাটখনো শ্ৰীৰামৰায়ৰ পৃষ্ঠপোষকতাত ৰচিত হোৱাৰ কথা মোখনি শ্লোকত উল্লেখ নকৰি মোখনি শ্লোকৰ ঠিক আগতে মুক্তিমঙ্গল ভটিমাত উল্লেখ কৰা হৈছে ঃ

শ্ৰীৰামৰায়া ভকতি সুজান।
কৰাৰত কৃষ্ণ নাট নিৰমান।।
ৰুক্মিণীহৰণ নাম পৰধান।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ ভাণ।।

— (ৰুক্মিণীহৰণ- পৃ. 1045)

ড0 কালিৰাম মেধি ডাঙৰীয়াৰ দ্বাৰা সম্পাদিত 'অঙ্কাৱলী'ত সন্নিৱিষ্ট মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত নাটকেইখনৰ শ্লোক এশ আশীটা বুলি কোৱা হৈছে। তাৰে এটা ভাগৱতৰ আৰু বাকীকেইটা গুৰুজনাৰ দ্বাৰা ৰচিত। কিন্তু 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত'ৰ (শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ দ্বাৰা প্ৰকাশিত) মতে মুঠ শ্লোক এশ ঊনাশীটাহে। তদুপৰি এঠাইত দেখুওৱা ছন্দৰ তালিকাত 'ৰুক্মিণীহৰণ'ৰ দ্বাদশ শ্লোকটোৰ ছন্দ 'পুষ্পিতাগ্ৰা' বুলি ধৰা হৈছে। ইয়াত এটা পদত 12ৰ পৰা 14টা আখৰযুক্ত পুষ্পিতাগ্ৰা ছন্দ নিৰ্ণয় কৰিব পৰা নহ'ল। আনহাতে অষ্টাক্ষৰাযুক্ত অনুষ্টুপ্ ছন্দহে সুন্দৰভাৱে পৰিস্ফুট হৈছে। অনুষ্টুপ্ ছন্দৰ লক্ষণ ছন্দোমঞ্জৰীৰ মতে— 'শ্লোকে ষষ্ঠং গুৰুৰ্জ্ঞেয়ং সৰ্বত্ৰ লঘুপঞ্চমম্।

দ্বিচতুঃ পাদয়োৰ্হ্ৰস্বং সপ্তমং দীৰ্ঘমনয়োঃ।।

শ্লোকৰ প্ৰতিপাদত পঞ্চম বৰ্ণ হ্ৰস্ব আৰু ষষ্ঠ বৰ্ণ দীৰ্ঘ। সপ্তম বৰ্ণ দ্বিতীয় আৰু চতুৰ্থপাদত লঘু আৰু বাকী দুটাত গুৰু আৰু বাকীবোৰত কোনো ধৰাবন্ধা নিয়ম নাই। এই ছন্দৰ উপযোগিতাৰ বিষয়ে ক্ষেমেন্দ্ৰই 'সুবৃত্ততিলক'ত কৈছে—

পুৰাণ প্ৰতিবিম্বেষু প্ৰসন্নোপায়ৰৰ্ত্মসু।
উপদেশ প্ৰধানেষু কুৰ্যাৎ সৰ্বেষ্বনুষ্টুভম্।।

— (সুবৃত্ততিলক- 3 / 9)

এই ছন্দত কৰা ৰচনাৰীতিক সুন্দৰ বুলি মন্তব্য কৰা হৈছে। কিন্তু কেলি-গোপাল নাটত অনুষ্টুপৰ লক্ষণ প্ৰতিফলিত হোৱা নাই। নাইবা দ্বিতীয় আৰু চতুৰ্থপাদৰ লঘু হোৱা নাই। অনুষ্টুপ্ ছন্দত ৰচিত শ্লোকবোৰ সৰল আৰু শুৱলা হয়। সুবৃত্ততিলকৰ মতে অনুষ্টুপৰ বহুতো ভাগ থাকে। গতিকে কোনো কোনো শ্লোকত নিমিলাটো একো আচৰিত কথা নহয়।

অসঙ্খ্যো ভেদসংসৰ্গাদনুষ্টুপছন্দসাং গণঃ।

তত্ৰ লক্ষণানুসাৰেণ শ্ৰব্যতায়াঃ প্ৰধানতা।।

— (সুবৃত্ততিলক- 1 / 15)

শঙ্কৰদেৱৰ নাটকেইখনত সন্নিৱিষ্ট সংস্কৃত শ্লোকসমূহৰ ছন্দ বিশ্লেষণৰ পৰা এইটো প্ৰতীয়মান হয় যে, কাব্যবেত্তালোকৰ বাবে উপযুক্ত স্থানত উপযুক্ত ছন্দ প্ৰয়োগ একো আচৰিত কথা নহয়। শঙ্কৰদেৱৰ ছন্দশাস্ত্ৰৰ জ্ঞান যে গভীৰ আছিল, তাক প্ৰতিপন্ন কৰিছে শাৰ্দূলবিক্ৰীড়িত, বসন্ততিলক, মন্দাক্ৰান্তা, উপেন্দ্ৰাবজ্ৰা, উপজাতি, মালিনী তথা অনুষ্টুপ ছন্দৰ প্ৰয়োগে।

মুঠতে শঙ্কৰদেৱৰ নাট ৰচনা কৰাৰ উদ্দেশ্য আছিল মহান আৰু সংস্কৃত আদি অন্যভাষাৰ নাট ৰচনাৰ উদ্দেশ্যতকৈ ভিন্ন। মহান শিল্পী গুৰুজনাই উপলব্ধি কৰিছিল যে, একশৰণ হৰিনাম তথা মহাপুৰুষীয়া ধৰ্মপ্ৰচাৰ কৰিবৰ অৰ্থে তাৰাই ৰচনা কৰা কীৰ্ত্তন-ঘোষা আদি ভক্তিশাস্ত্ৰৰ তত্ত্ব সকলোশ্ৰেণীৰ লোকে সহজে সমানে উপলব্ধি কৰিব নোৱাৰে। সেইবাবেই তাৰাই লোককল্যাণ সাধনৰ অৰ্থে লোকৰঞ্জনক প্ৰাথমিক আৰু মুখ্যতম প্ৰয়োজন হিচাপে গ্ৰহণ কৰি অভিনয়ৰ ব্যৱস্থা কৰিছিল। এইদৰেই দেখা যায় যে, কৃষ্ণলীলাৰ অপূৰ্বললিত ৰসকথা, কৃষ্ণ মাহাত্ম্য বৰ্ণনা আৰু এইসমূহৰ অভিনয়যোগে লোকদৰ্শন কৰাই একশৰণ ভক্তি মাহাত্ম্য ঘোষণাই তাৰাৰ নাট ৰচনাৰ ঘাই উদ্দেশ্য। দৰ্শকসকলক ভগৱৎ তত্ত্ব আৰু পাৰমাৰ্থিক জ্ঞান দানযোগে সকলোৰে অন্তৰত অবিকাৰী আনন্দৰ ভাৱ জগোৱাটো অঙ্কীয়া নাটৰ মূল লক্ষ্য। এই নাটসমূহ মূলতঃ ভক্তিৰসসিক্ত কাহিনীৰ বৰ্ণনাত প্ৰকাশ পোৱা সাহিত্যৰ আন আন ৰসৰ সংযোগ ঘটিলেও সকলোবোৰ এই মূল ভক্তিৰসৰ পৰিপূৰকহে।

মহাপুৰুষ মাধৱদেৱেও তাৰাৰ অঙ্কীয়া নাট আৰু ঝুমুৰাসমূহত শ্লোকৰ ব্যৱহাৰ কৰিছে। ‘অৰ্জুন-ভঞ্জন’ত 7টা, ‘চোৰধৰা’ত 4টা, ‘পিম্পৰা গুচোৱা’ত 2টা, ‘ভূমি লেটোৱা’ত 2টা, ‘ভোজনবিহাৰ’ত 5টা, ‘কোটোৰা খেলা’ত 2টা শ্লোক পোৱা যায়। মুঠ শ্লোকৰ সংখ্যা বাইশটা। মাধৱদেৱেও শঙ্কৰদেৱৰ দৰে কাহিনী শ্লোক ৰচনা কৰিছে যদিও কেইটামান শ্লোক বিল্বমঙ্গলৰ পৰা উদ্ধৃত কৰিছে। এই নাটকেইখনৰ ব্ৰজবুলি আৰু প্ৰাচীন অসমীয়া শব্দবোৰৰো যিমান পাৰি অৰ্থ দিবলৈ যত্ন কৰা হৈছে। যদি কোনো আসোঁৱাহ ৰৈ গৈছে তাৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা বিচাৰিছো।

**কৃতজ্ঞতা প্ৰকাশ ঃ**

‘মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা’ গ্ৰন্থখনি

প্ৰকাশ আৰু সম্পাদনা কৰ্মত অনুপ্ৰেৰণা আৰু উপদেশ দি সহায়-সহযোগিতা আগবঢ়োৱা সঙ্ঘৰ সাহিত্য শাখা গৱেষণা পৰিষদলৈ আমাৰ ভক্তি ভৰা সেৱা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গ্ৰন্থখনিৰ ডি. টি. পি. কৰি দিয়া সুবিনয় বিশ্বাস আৰু কুমুদ কলিতাৰ প্ৰতিও কৃতজ্ঞতা নিবেদিলো। গ্ৰন্থখনৰ ছপাকৰ্মত সহায় কৰা শৰাইঘাট অফ্‌ছেট প্ৰেছৰ কৰ্মচাৰীবৃন্দ আৰু স্বত্বাধিকাৰী শ্ৰীনৃপেন শৰ্ম্মাদেৱলৈ আমাৰ শলাগ থাকিল। অৱশেষত সকলো ভুল-ত্ৰুটিৰ বাবে সমস্তজনলৈকে ক্ষমা বিচাৰিলো।

সম্পাদকদ্বয়

গুৱাহাটী,
21 জানুৱাৰী,2013

**প্ৰদীপ হাজৰিকা**
**ইন্দিৰা শইকীয়া বৰা**

# সূচীপত্ৰ


**প্ৰকাশকৰ একেষাৰ**

**অঙ্কীয়া নাট**

**সম্পাদকীয়**

- **শঙ্কৰদেৱৰ নাট**
  - পত্নীপ্ৰসাদ 43
  - ৰুক্মিণীহৰণ 61
  - কালিয়দমন যাত্ৰা 115
  - কেলি-গোপাল 147
  - পাৰিজাত-হৰণ 189
  - শ্ৰীৰামবিজয় 237
  - শব্দাৰ্থ 280
  - শ্লোকাৰ্থ 340
  - ছন্দ 373
  - গীত 376
- **মাধৱদেৱৰ নাট-**
  - মাধৱদেৱৰ চমু পৰিচয় আৰু নাট-ঝুমুৰা সমূহ 381
  - অৰ্জুন-ভঞ্জন 419
  - চোৰধৰা 443
  - পিম্পৰা গুচোৱা 453
  - ভূমি লেটোৱা 460
  - ভোজন বিহাৰ 467
  - ব্ৰহ্মামোহন 475
  - ৰাস-ঝুমুৰা 481
  - ভূষণ হৰণ 486
  - কোটোৱা খেলা 494
  - শব্দাৰ্থ 501
  - শ্লোকাৰ্থ 510
  - ছন্দ 516
  - গীত 517

# মহাপুৰুষ শংকৰদেৱৰ

# অংকীয়া নাট

# পত্নী-প্ৰসাদ

## চৰিত্ৰ

**পুৰুষ**

সূত্ৰধাৰ
শ্ৰীকৃষ্ণ
বলোৰাম
গোপবালক সকল
ব্ৰাহ্মণ সকল
মিশ্ৰ
কন্দলি } ব্ৰাহ্মণ পণ্ডিত
আচাৰ্য

**স্ত্ৰী**

ব্ৰাহ্মণ পত্নী সকল

# ।। পত্নী প্ৰসাদ।।

## ।। শ্ৰীকৃষ্ণায় নমোনমঃ।।

**নান্দী।।**

লক্ষ্ম্যা ওক নতো নতস্তৱ পদে ভৱভৱাঞ্জকে[1]
ৱন্দে নন্দনিৱাসৱাস দনুজশ্ৰীকচ্ছিদা-গৰ্ব্বিত।
পদ্মামোদন সুন্দৰেন্দু-দলিত-প্ৰায় প্ৰকাশ প্ৰভো
ভোগৱ্যালৱলাৱলেপ পৰমাকেনামৃতং[2] দেহি ভোঃ।।*।।[3]

**অথ ভটিমা।।**[4]

জয় জয় যাদৱ দৈত্যপৰাভৱকাৰি মাধৱ
ভকত জন যো মুকুতি সাধৱ।।

---

1⁄4 পাঠান্তৰ-- "ভক্তস্য ভীভঞ্জকে"।

2⁄4 পা. ৱিষমেনোন্না'মৃতং

3⁄4 শ্ৰীকৃষ্ণ কৃষ্ণ সখাৱাৰ্ষ্ণেয় ভাৱানাসু অগ্ৰজৱংশ দহনাৎপৰগৱীৰ্য্য।
গোৱিন্দ গো-দ্বিজ-সুৰাৰ্ত্তিহৰায়ভাৰ যোগেশ্বৰাখিল গুৰু ভগৱন্ নমস্তে।।
[নতুন কমলাবাৰী সত্ৰৰ নাটত এই নান্দী শ্লোক আছে। সত্ৰৰ বুঢ়াভকত শ্ৰীদেৱেন্দ্ৰনাথ বায়ন আতাৰ যোগেদি পোৱা হৈছে বুলি শ্ৰীমহিম বৰাদেৱে 'শঙ্কৰদেৱৰ নাট' শীৰ্ষক সম্পাদিত পুথিত উল্লেখ কৰিছে।]

4⁄4 এই ভটিমাজনা অসম চৰকাৰৰ ইতিহাস আৰু পুৰাতত্ত্ববিভাগত সংৰক্ষিত পুথিত আছে আৰু হৰিনাৰায়ণ দত্তবৰুৱাৰ দ্বাৰা সম্পাদিত 'শ্ৰীশঙ্কৰ বাক্যামৃত'ত সন্নিৱিষ্ট 'পত্নীপ্ৰসাদ নাট'ত পোৱা হৈছে। স্বৰ্গীয় কালিৰাম মেধিদেৱৰ দ্বাৰা সম্পাদিত 'অঙ্কাৱলী' আৰু কেইবাখনো সাঁচিপতীয়া পুথিত 'কালিয়দমন নাট'ৰ ভটিমাকে দিয়া হৈছে। ৰামচৰণ ঠাকুৰ বিৰচিত 'কংসবধ' নাটতো এই ভটিমাজনা সন্নিৱিষ্ট হৈছে।

জগত নিধান পুতানাক প্ৰাণ কয় নিৰজান
নিজ জন তাৰণ পুৰুষ পুৰাণ।।
জয় অজহংস যে নিজ অংশ হুয়া যদুবংশ
সংহাৰু অঘ বক কেশী কংস।।
জয় বনমালী বিমৰ্দ্দিয়ে কালি বহুবলশালী
খেদল হ্ৰদ মহ তাহে নিকালি।।
হুয়া অৱতাৰ ভূমিকো ভাৰ সৱ সংহাৰ
যো কৰু বিৰিন্দা বিপিন বিহাৰি।।
ধৰু গোৱৰ্দ্ধন বাৰণ বৰিখন তাৰল ব্ৰজজন
মদ ইন্দ্ৰক দূৰ কয় নাৰায়ণ।।
গোপিনীক সঙ্গ বঢ়াৱত ঢঙ্গ হেৰি ভ্ৰূভঙ্গ
ৰমণীক মনোৰথ পূৰল অনঙ্গ।।
জয় গোপাল ৰজকবিলাস তচুকৰুকাল
ঋজু কুবুজী যো কৰত গোপাল।।
জয় শ্ৰীৰাম ভকত সুদাম তনিকৰ থান
গয় বৰদানে পূৰল কাম।।
পৰম প্ৰতাপ যো কৰু দান ভাঙ্গল চাপ
শুনি কংসক মনে মিলল সন্তাপ।।
প্ৰমত্ত মাতঙ্গ নিপাতল অঙ্গ কৰি ভ্ৰূভঙ্গ
দশন উৎপাৰি প্ৰৱেশল ৰঙ্গ।।
পৰম দন্দুৰ মল্ল চাণূৰ কয় মষিমূৰ
নিজ জন ভকতক ভয় ভেল দূৰ।।
যত মল মন্দ নিপাতল কন্ধ মিলল আনন্দ
চোৰল পাচু পিতাকেৰি বন্ধ।।
শুন সৱলোই বচনেক মোই হৰি বিনে কোই
ওই সংসাৰে সুহৃদ নাহি হোই।।
কৃষ্ণক নাট পাপ উতপাত

শুন যাকেৰি ইচ্ছা বৈকুণ্ঠক বাট।।
হৰিক বিহাৰ জগত আধাৰ নিগম কুসাৰ
শুনিতে ভণিতে ভৱ পাই উতাৰ।।
বিৰয় বিলাস ওহি যমপাশ তেযুতথি আশ
কৰু হৰি নামে সুদৃঢ় বিশ্বাস।।
হৰিগুণ নাম আতি অনুপাম লেহু অৰিৰাম
কহ শঙ্কৰ সৱ বোলহু ৰাম ৰাম।।

**সূত্ৰ।।**

আহে সামাজিক লোক ঃ যোহি জগতক পৰম গুৰু ঃ পুৰুষোত্তম ঃ সোহি নন্দনন্দনৰূপে কহোঁ ঃ অন্ন প্ৰাৰ্থনা চলে ঃ বিপ্ৰসৱক কৰ্ম্ম গৰ্ব্ব দূৰ কয়ল ঃ পত্নীসৱক পৰম প্ৰসাদ দেলহ ঃ বালকসৱক ষড়ৰস অন্ন ভোজন কৰাৱল ঃ সোহি পত্নীপ্ৰসাদ নাম নাট ঃ ওহি সভামধ্যে কৌতুকে কৰব ঃ তাহে দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি ।।

প্ৰথমে বিপ্ৰসৱ যৈচে প্ৰৱেশ কয়ল ঃ তা দেখহ।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্ৰুং।।**

আৱত দ্বিজসৱ কউ[5] পৰৱেশ।
তপ উপবাসে শৰীৰ ভেল ক্লেশ।।

**পদ।।**

হাতে গলে শিৰে ৰুদ্ৰাক্ষৰ ঝোণ্টাঝোট[6]
ভোৰকাৰ দাড়ি-গোফ[7] চৰাচৰ[8] ফোট।।
উচ্চাৰত বেদমন্ত্ৰ অল্প কৰি হাস।
চান্দক জ্যোতি[9] দশন পৰকাশ।।
বিনে হৰি ভকতি বিফল স্বৰ্গকাম।
হৰিকো হৃদয়ে ধৰি বোলা ৰাম ৰাম।।[10]

---

5। পা. কয় কয়ো 6। জোটাঝোট 7। নখ 8। ছৰছৰ 9। জৌতি পৰিতাল
10। পা. শ্যমল অঙ্গে পিছোৰা।নৱ ঘন হৈছে বিজুৰি উজোৰা।।

**সূত্ৰ।।**

ঐচন প্ৰৱেস কয়ে বিপ্ৰসৱ যজ্ঞ কৰিতে লাগল। তদনন্তৰে ৰামকৃষ্ণ গোপগণ সহিতে যৈচে প্ৰৱেশ কয়ল ঃ তা দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**গীত।। ৰাগ আশোৱাৰি।। একতাল**

**ধ্ৰুং।।**

অৱত কানু বেণু বজাই।
চললি সঙ্গে গোপ গুণ গাই।।

**পদ।।**

শ্যাম মুৰুতি দিপিত পিতবাস।
কণ্ঠে কদম্বমালা কয়ো লয়লাস।
হাৰ মুকুট মণি কুণ্ডল ডোল।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ বোল।।[11]

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ ঐচন প্ৰৱেশ কয় কহোঁ ঃ বলোভদ্ৰ সহিত ঃ অশোক মূলে ৰহল। তদনন্তৰ বালকসৱ গোবৎসসৱক জলপান কৰাৱল। আপুনু জলপান কয়ল। পৰম ক্ষুধাতুৰ হুয়া ঃ ৰামত কৃষ্ণত যৈচে গোচৰ কয়ল ঃ তাহে দেখহ ঃ শুনহ।।

**কথা।। বালকসৱ বোল।।**

হে ৰাম ঃ হে কৃষ্ণঃ তোহো হামাৰ পৰম জীৱনঙ্গ আজু পৰভাতে ভোজন কৰয়ে নাহি ঃ হামু দধি অন্ন সঙ্গে নাহি আনলো ঃ ক্ষুধাএ পৰম পিড়িত হৈয়া আছি ঃ ইহা জানি ক্ষুধা নিবাৰণ উপায় চিন্তহ।

**সূত্ৰ।।**

বালকসৱক বচন শুনিয়ে শ্ৰীকৃষ্ণ বিহসি বোলল।।

---

11। কৃষ্ণক কিঙ্কৰ শঙ্কৰ বোল

**কথা।।**

শ্ৰীকৃষ্ণবোল।। আহে সখিসৱ ঃ আঃ ভল্ল কহল ঃ হামো যে বোলোঁ তা শুনহ। ওহি আশ্ৰমক মধ্যে বিপ্ৰসৱ স্বৰ্গকামে যজ্ঞ কৰসিয়া[12]। বেদত শাস্ত্ৰত পাৰ্গত পৰম সম্পন্ন। তাৰাস্ৰক আগে দাদাৰ হামাৰ নামধৰি অন্ন প্ৰাৰ্থনা কৰ গিয়া।।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণ মৌনে ৰহল ঃ বালকসৱ শ্ৰীকৃষ্ণক আজ্ঞা শিৰে ধৰি কহোঁ ঃ যজ্ঞশালা প্ৰৱেশ ভেল ঃ বিপ্ৰসৱক দেখিয়ে ঃ নমস্কাৰ কৰিয়ে কৰ যোৰি যে বোলয়ে লাগল ঃ তা শুনহ।[13]

**কথা।। বালকসৱ বোল।।**

আহে গুৰুসৱ ঃ তোৰাসৱ পৰম পণ্ডিত ঃ যজ্ঞ-দান ব্ৰতে পৰম নিৰ্মল হুয়াছ ঃ[14] ওহি অশোক মূলে ঃ গোপগণ সহিতে ৰাম কৃষ্ণ ঃ পৰম ক্ষুধাতুৰ হুয়া ঃ অন্ন প্ৰাৰ্থি পঠাৱল ঃ জেৱে শ্ৰদ্ধা আচয় ঃ[15] অন্ন ব্যঞ্জন প্ৰচুৰ দেৱহ ঃ অন্নদানে জেন পুন্য ঃ আপুনে জানহ ঃ অজ্ঞানক শিক্ষাৱহ ঃ তোৰাসৱক আগে হামু কি কহব।।

**সূত্ৰ।।**

ওহি বোলি বাৰম্বাৰ ঃ গোপসৱে অন্ন প্ৰাৰ্থনা কয়ল। গুৰুসৱে শুনয়ে নাহি ঃ ও শুনিও গনগন্ন কৰয়ে নাহি।। সোহি সময়ে এক চন্দ্ৰভাৰতী[16] ব্ৰাহ্মণে পৰম ক্ৰোধে জে বোলল ঃ তাহে শুনহ।।

**কথা।। ব্ৰাহ্মণ বোল।।**

আহে গোৱালসব ঃ হামু ৱেদত শাস্ত্ৰত পৰম পাৰ্গত ঃ যজ্ঞ ব্ৰত দানে পৰম পৱিত্ৰ ঃ ও হামোসৱ ভূদেৱতা ঃ হামাক সৰ্বলোকে পূজয় ঃ নন্দসূত কৃষ্ণ ঃ হামাক আগে কোন হয়।

---

12। কৰিতেছে।

13। পা. দেখহ শুনহ 14। হুয়াথিক 15। থাকয় 16। চণ্ডভাৰতী

**সূত্ৰ।।**

ওহি বুলি ব্ৰাহ্মণ মৌনে ৰহল। তদনন্তৰ শিশুসৱে অন্যো অন্যে খেদ কৰিতে লাগল।

**বালকসৱ বোল।।**

আহে সখিসৱ ঃ ওহি বিপ্ৰসৱ ঃ সকলে যজ্ঞমূৰ্তি দেৱক দেৱতা কৃষ্ণক জানয়ে নাহি ঃ আৰাসৱ পৰম মূৰুখ।

**সূত্ৰ।।**

ওহি বুলি শিশুসৱ গৈয়া কহোঁ ঃ কৃষ্ণক আগু যে বোলল ঃ তা দেখহ শুনহ।।

**কথা।। শিশুসৱ বোল।।**

হে কৃষ্ণঃ তোহো হামাক কদৰ্থনা কয়ল[17] ঃ হেন অবৈষ্ণৱ থানে পঠাৱল ঃ আৰা কৰ্ম্মগৰ্ব্বে পৰম দাম্ভিক ঃ তোহ্মাৰ কথা গন্নয়ে নাহি।

**সূত্ৰ।।**

ওহি বুলি শিশুসৱ মৌনে ৰহল ঃ তদনন্তৰ শ্ৰীকৃষ্ণ শিশুসৱক[18] যে বোলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**পয়াৰ।। ৰাগশ্ৰী।। পৰিতাল**

শুনিয়া সিদ্ধান্ত পাছে দিলন্ত মাধৱ।[19]
কোননো প্ৰাৰ্থকো নাহি পাৰে পৰাভৱ।।[20]
তথাপি প্ৰাৰ্থনা নেৰৈ শুনা সখিগণ।
বিপ্ৰপত্নী সৱত মাগিয়ো গৈয়া অন্ন।।[21]
সিটো স্ত্ৰীসৱ মোৰ ভক্ত বিপৰীত।
দেহা মাত্ৰ গৃহত মোতেসে প্ৰাণ চিত্ত।।[22]
তাসম্বাত কৈবা আমি আসিবাৰ কথা।
লাগে মানে পাইবা অন্ন ব্যঞ্জন সৰ্ব্বথা।

---

17। পা. কৃষ্ণ তোহাক কদৰ্থনা কয়ল 18। শিশুসৱক 19। মাধৱে 20। নাহি পৰাভৱ পাৰে/নতু পাৰে পৰাভৱ 21। পা. প্ৰাৰ্থিয়ো গৈয়া অন্ন 22। মাত্ৰ চিত্ত।

হেন শুনি লৰি গৈলা গোপগণ পাছে।
দেখিলেক গৈয়া দ্বিজ ভাৰ্য্যা যৈত আছে।।
সৱে সালঙ্কৃতা সুচৰিতা বৰনাৰি।
বুলিবে লাগিলা গোপচয় জানু পাৰি।।

**সূত্ৰ।।**

ব্ৰাহ্মণিসৱক দেখিয়ে ঃ কৰযোৰি ঃ নমস্কাৰ কয় ঃ শিশুসৱ জে বোলল ঃ তা দেখহ শুনহ।।

**কথা।। শিশুসৱ বোল।।**

হে মাতাসৱ ঃ ওহি ৰাম কৃষ্ণঃ বালকসৱ সহিতে ঃ ওহি অশোকমূলে থিক ঃ পৰম ক্ষুধাতুৰ হুয়া ঃ তোৰাসৱত অন্ন প্ৰাৰ্থি পঠাৱল।

**সূত্ৰ।।**

ওহি শুনি ব্ৰাহ্মণিসৱ পৰম হৰিষে উল্লাসি উঠিল। আগবাঢ়ি পৰম সাদৰে পুচয়ে লাগিল।।

**কথা।। ব্ৰাহ্মণিসৱ বোল।।**

হে বালকসৱ ঃ সোহি নন্দনন্দন কৃষ্ণক ঃ হামু ওহি চক্ষুৱে দেখব।।[23]

**বালকসব বোল।।**

হে মাতাসৱ ঃ আঃ দেখব।

**সূত্ৰ।।**

ওহি শুনি ব্ৰাহ্মণিসৱ ঃ পৰম হৰসিত মনে ঃ শ্ৰীকৃষ্ণক প্ৰতি ঃ পৰম সুগন্ধি অন্ন বেঞ্জন ঃ পিঠাপনা ঃ পৰমান্ন ঃ পনস ঃ শুক্ল চেনি ঃ বহুবিধ ষড়ৰস ঃ বিচিত্ৰ পাত্ৰত ভৰি লয়া কহোঁ ঃ জৈচে চলল ঃ তা দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**গীত।। ৰাগ ধনশ্ৰী ।। একতাল**

ধ্ৰুং।।

হাসি হাসি চলে মাই ঃ হৰি দৰশন লাই।
প্ৰেমে পুলক কায় ঃ নয়ন ঝুৰাইতে জাই।।

23। হে বালকসৱ ... দেখব

**পদ।।**

যাহে নাম শুনি সতি ঃ নচাৰে ভকতি ৰতি ৰে
পেখবোঁ কমলাপতি ঃ নাচে জৈচন সতি।।
চলে সব সখিগণ ঃ আনন্দে মগন মন ৰে।
কৃষ্ণ কিঙ্কৰ ভাণ ঃ গতি মেৰি নাৰায়ণ।

**সূত্ৰ।।**

ঐচন প্ৰকাৰে ব্ৰাহ্মণিসব ঃ শ্ৰীকৃষ্ণক দেখিতে চলল ঃ সোহি সময়ে ব্ৰাহ্মণসৱে জৈচে নিষেধল ঃ তা দেখহ।

**সূত্ৰ।। ব্ৰাহ্মণসৱ বোল।।**

আহে ব্ৰাহ্মণিসৱ ঃ তোৰাসৱে কি দেখল কি শুনল ঃ যজ্ঞকাৰ্য্য পৰিহৰি গোৱালক পাচু পাচু ঃ কতিহো যাৱ ঃ হা হা তোৰাসৱ ভ্ৰষ্টা ভেলি।[24]

**সূত্ৰ।।**

ঐচন প্ৰকাৰে ব্ৰাহ্মণসৱে ঃ বহুবিধ বাধা কয়ল ঃ পিতৃ পুত্ৰ ভ্ৰাতৃ সৱে নিষেধ বোলয়। হৰি ভক্তি ৰসে আকুল হুয়াঃ তাৰাসৱে শুনয়ে নাহি। সেহি সময়ে এক ব্ৰাহ্মণ ঃ ব্ৰাহ্মণিক গৃহ মধ্যে আছিতে জানি দ্বাৰ বন্ধ কয় ৰাখল। তদনন্তৰ ঃ কৃষ্ণ দৰশন আশা ভঙ্গে ঃ ব্ৰাহ্মণি কৃষ্ণচৰণ হৃদয়ে ধৰিয়ে ঃ জৈচে প্ৰাণ তেজল ঃ তাহে দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ বেলোৱাৰ।। ৰূপক তাল**

**ধ্ৰুং।।**

হৰি পদ পেখৱে না পাৱলি মাই।
ফোকাৰয় ঘনে ঘন নয়ন ঝুৰায়।।

**পদ।।**

বন্ধু বিজোগ আগি প্ৰাণ ফুটি যাই।
অৰুণ চৰণ মনে ৰহলি ধিয়াই।।

---

24। হা হা তোৰাসৱ নষ্ট ভেলি।

চোড়ি পৰল প্ৰাণ ধৰি হৰি পাৰে।
পাৰলি গতি সতি শঙ্কৰে গাৰে।।

**সূত্ৰ।।**

ঐচন প্ৰকাৰে ব্ৰাহ্মণি প্ৰাণ তেজল ঃ তদনন্তৰ ঃ ব্ৰাহ্মণে দেখিয়ে ঃ হা হা বুলি হৃদয়ে মুঠি হানি ঃ ব্ৰাহ্মণিক গলে বান্ধিয়ে ঃ জৈচে কান্দিতে লাগল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

ই কথা ৰহোক ঃ তদনন্তৰ ঃ যে ব্ৰাহ্মণিসৱ কৃষ্ণ দৰশন আসে চলৈছে ঃ তাৰাসৱক বহুবিধ বাধা কয় ঃ ৰাখিতে নাহি পাৰল ঃ হৰিভকতৰ জৈচে বিঘিনি লঙঘয়ে নাহি ঃ তাৰাসৱ পৰম হৰিযে কৃষ্ণক সমিপ পাৰল।।

**অথ ভটিমা।।**

অশোক বন মহ ৰহল মুৰাৰি।
দেখল গৈয়া সবে দ্বিজ কুমাৰি।।
শ্যাম শৰিৰ বসন তথি পীত।
নৱঘন জৈচে চমকে তড়িত[25]।।
নিন্দি ইন্দু কৌটি বয়ন বিকাশ।
বন্দুলি অধিক অধৰ পৰকাশ।।
নাসা উন্নত তিলফুল ভ্ৰান্তি।[26]
উটিম মোতিম দশনক পান্তি।।
অৰুণ নয়ন দুহুঁ পঙ্কজ পাতা।
ৰুচিকৰ কৰ দুহোঁ উতপল ৰাতা।।
মাথে ময়ুৰ পুচ্ছ অলক কপোল।
কৰ্ণে নৱ দুহোঁ উতপল ডোল।।
লম্বিত বাহু দুহোঁ ৰতন মোলান।
বহল হৃদয়ে গেৰু কৰু পৰিধান।।
কৰ কঙ্কণ কেউৰ জাতিস্কাৰ[27]।
গলে বনমালা ৰতনময় হাৰ।।

---

25। পা. জড়িত 26। ভান্তি 27। ঝনকাৰ

ৰতনক মেখলা সোহে কটিত।
মাটি লোটি পাট ধুতি পিত।।
অৰুণ চৰণ দুহোঁ পঙ্কজ কোষ।
ৰতন মঞ্জিৰ কৰয় তথি ঘোষ।।
মানিক উঝাই[28] আঙ্গুলিক পান্তি।
নখচয় চান্দ কৰয় তথি কান্তি।।
পদতল আৰকত পেখি মন মোহে।
জৱ-পঙ্কজ-ধ্বজ-অঙ্কুশ শোহে।।
তৃভুৱন মোহন নটবৰ বেশ।
চৌভিতি বেড়ি ৰহ গোপ নিঃশেষ।।
নিল[29] পদ্ম ফুৰাৱত হাত।
পেখল দ্বিজ বধু সৱ সাক্ষাত।।
কৌটি মদন আগে নুহি থিয়।
পেখি জুড়াৱত তনু মন জিৱ।।
অমৃত পানে জৈচে মিলল আ!াদ।
পাৱল দ্বিজ বধু পৰম প্ৰসাদ।।
কয়লি আগু দণ্ড পৰণাম।
পুৰল সৱহি আপুন মনকাম।।
কৃষ্ণকিঙ্কৰ কহু ধৰ্ম্ম উপাম।
ডাকি সৱহি বোলহু ৰামৰাম।।

**শ্লোক।।**

শ্যামং হিৰণ্যপৰিধিং নৱমাল্যৱৰ্হ-
ধাতু প্ৰৱাল নটৱেষমনুব্ৰতাংসে।

---

28। উঝই, জৌতি 29। নিল

ৱিন্যস্তহস্তমিতৰেণ ধুনানমজ্জং।
কৰ্ণোৎপলালককপোলামুকাব্জহাসম্[30]।

**কথা।।**

ঐচন ৰূপ পেখিএ ঃ ব্ৰাহ্মণিসৱ ষড়ৰস অন্ন ঃ কৃষ্ণক আগে নিৱেদন কয়ল ঃ দণ্ডৱতে পড়ি নমস্কাৰ কয়ল ঃ উঠি কহুঁ আনন্দ মুৰ্ত্তিক নয়নে নিৰেখিয়ে ঃ হৃদয়ে আলিঙ্গন কয় কহোঁ ঃ পৰম প্ৰেমত মৌনে ৰহল। তদনন্তৰ তাৰাসৱৰ প্ৰেম ভকতি পেখিয়ে ঃ শ্ৰীকৃষ্ণ যে বোলল ঃ তাহে শুনহ।।

**শ্ৰীকৃষ্ণ বোল।।**

আহে ব্ৰাহ্মণিসৱ কুশলে আৱল[31] ঃ তোহোঁসৱ পৰম ভাগ্যৱতি। হামো তোহাৰ কোন কাৰ্য্য[32] সাধো ঃ তাহেক সত্বৰে কহ। পতি পুত্ৰ সুহৃদ সৱৰ বাধা নগণি কহোঁ ঃ হামাক দেখিতে আৱল ঃ অ ঃ তুমি সৱ ভকতৰ হেনয় লক্ষণ ঃ পৰম চতুৰ
মহাবিৱেকি জাৰাসৱ ঃ হামাক বশ্য কয়ল। ইদানিক তুমিসৱ ঃ ব্ৰাহ্মণসৱৰ যজ্ঞস্থানে যাৱ। হামাৰ ওহি সন্মত।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণ মৌনে ৰহল ঃ তদনন্তৰ ব্ৰাহ্মণিসৱ ঃ নৈৰাস বচন শুনি ঃ শ্ৰীকৃষ্ণক যে বোলল ঃ তাহে দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ আশোৱাৰী।। মান একতালি**

**ধ্ৰুং।।**

তোহাৰি চৰণে মন মজাইলো মধুসূদন।
কতিনা বোলসি নাথ কঠিন বচন ঘন।।

---

30। শ্যামং হিৰণ্যপৰিধিং বনমাল্য বৰ্হধাতু প্ৰৱল নটৱেশং অনুবৃতা ৰাসে ৱিন্যস্ত হস্তমিতৰেণ ধুনানমজ্জং। কৰ্ণোৎপললকককপোল মুখাব্জহাসম।। (মূল শ্লোক ভাগৱতৰ লগত মিলে)

31। পা. কুশলে অৱল কোনো পুথিত নাই 32। কৰ্ম

**পদ।।**

গৃহপতি সূতধন ঃ সুহৃদ সোদৰজন।
পেখি বিষসম[33] মন ঃ তেজলোহোঁ নাৰায়ণ।।
তোহাৰি কিঙ্কৰিজন ঃ পুনু নকৰিয়ো ছন।
কৃষ্ণকিঙ্কৰ ভাণ গতি মেৰি নাৰায়ণ।।

**কথা।। ব্ৰাহ্মণিসৱ বোল।।**

হে শ্ৰীকৃষ্ণঃ তোহো ভকত বৎসল ঃ শাস্ত্ৰত হামু শুনৈছি ঃ ভকতৰ নষ্ট নাহি ঃ সোহি বচন সাফল কৰহ ঃ হামাক তেজবি নাহি ঃ সোহি পতি পুত্ৰ সৱে ঃ হামাক থান নাহি দেৱব ঃ হামু গৃহে কমনে বঞ্চব ঃ তোহাৰি চৰণ ঃ নিৰ্ম্মাল্য তুলসী ঃ তাহেক শিৰে ধৰি কহোঁ ঃ দাসী হুয়া ৰহোঁ[34]।

**সূত্ৰ।।**

ওহি বুলি ব্ৰাহ্মণিসৱ ঃ শ্ৰীকৃষ্ণক আগে ঃ বহুবিধ কাতৰ কয় মৌনে ৰহল ঃ তদনন্তৰে শ্ৰীকৃষ্ণ ঃ তাৰাসৱক জে বোলল ঃ তাহে দেখহ ঃ শুনহ।

**কথা।। কৃষ্ণ বোল।।**

হে ব্ৰাহ্মণিসৱ ঃ তোৰাসৱক পতিপুত্ৰে অসূয়া কৰব নাহি ঃ হামু হৃদয়ে থাকি অনুমতি দেঞঁ ঃ জৱে প্ৰত্যয়ে নাহি জাৱ ঃ তৱ দেৱতাসৱক বাক্যে প্ৰমাণ লৱ।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণঃ দেৱতাসৱক ঃ আনিয়ে ঃ প্ৰত্যক্ষে জৈচে দেখাৱল ঃ তাহে দেখহ ঃ শুনহ।

**দেৱতাসৱ বোল।।**

আহে মাতাসৱ[35] ঃ তোৰাসৱক কাহুএ[36] অসূয়া কৰব নাহি ঃ হামু দেৱতাসৱে জানো।

**সূত্ৰ।।**

ওহি বুলি দেৱতাসৱ অন্তৰ্দ্ধান ভেল ঃ ব্ৰাহ্মণিসৱ দেৱক বচনে

33। পা. বিখসমমন 34। বহোঁ 35। ব্ৰাহ্মণীসৱ 36। কাহুৱে।

ঃ কৃষ্ণক চাড়য়ে নাহি ঃ পুনঃ  শ্ৰীকৃষ্ণ বিহসি বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে ব্ৰাহ্মণিসৱ ঃ বিদুৰে থাকিয়ে ঃ শ্ৰৱণ কীৰ্ত্তন ভক্তিয়ে ঃ হামাক জৈচে বশ্য কৰয়ে ঃ নিকটে থাকিতে ঃ সিমতে ভকতি কৰিতে নাহি পাৰয়ে ঃ জৈচে অমৃত পান কৰিতে কৰিতে ঃ মুখে ৰুচয়ে নাহি। ইহা জানি তোৰাসৱ শীঘ্ৰে চলহ।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণ মৌনে ৰহল ঃ ব্ৰাহ্মণিসৱ কৃষ্ণক বচন বাধিতে নাহি পাৰি ঃ প্ৰেমে ক্ৰন্দন কয় জৈচে গৃহে চলল ঃ তাহে দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ গৌৰী।। জৌতি মান**

**ধ্ৰুং।।**

মোহে মাধৱ কয়লি বঞ্চিত
দহে দেহা সৱ আগিয়া।
লহু লহু ধায়ি নয়ন ঝুৰাই
নচলে চিত্ত গৃহ লাগিয়া।।

**পদ।।**

কৃষ্ণচৰণ ঃ তেজি যাইতে ঃ জৈচন জিৱ য়ায়।
বহুৰি নয়ন ঃ চান্দবয়ন ঃ পুনু পুনু চাহে মাই।।
কঞ্জলোচন ঃ দুখমোচন ঃ কতিহো চৰণ চলাই।
হা হৰি হা হৰি ঃ বুলি ৰহলি ঃ কৃষ্ণকিঙ্কৰ গাই।।

**সূত্ৰ।।**

ঐচন প্ৰকাৰে ব্ৰাহ্মণিসৱ ঃ গৃহে গয়া কহোঁ ঃ কৃষ্ণক হৃদয়ে ধৰি ঃ অন্যো ঃ কৃষ্ণগুণ শ্ৰৱণ কীৰ্তন কৰিয়ে ৰহল ঃ তদনন্তৰে ব্ৰাহ্মণসৱ ঃ পত্নীসৱৰ পৰম প্ৰেমভাৱ ভকতি পেখিএ ঃ জৈছে আপুনাক ধিক্কাৰ কয়ল[37], তা

37। আপোনাক ধিক্কাৰবোলয়/ধিক্কাৰকয়ল

দেখহ ঃ শুনহ।

**কথা।। বিপ্রসৰ বোল।।**

হে মিশ্র ঃ হে কন্দলি ঃ হে আচাৰ্য[38] ঃ হে ভাৰতী ঃ ওহি ব্রাহ্মণিসৰ শৌচাচাৰ হিন[39] বেদ-শাস্ত্র জানয়ে নাহি ঃ গুৰুসেৱা পৰম ধৰ্ম্মবৰ্জ্জিত, ঃ আৱাসৰৰ শ্রীকৃষ্ণত পৰম প্রেম-ভকতি[40] ভেল ঃ আঃ হামু সৰ স্ত্রীতো অধম ভেলোঁ ঃ কৰ্ম্মগৰ্ব্বে অন্ধ হুয়া ঃ কৃষ্ণক জানিতে নাহি পাৰলো ঃ যে কৃষ্ণ সৰ্ব্ব যজ্ঞমূৰ্তি ঃ বেদৰো উদ্ভৱ ভূমি ঃ লক্ষ্মী যাহেৰ চৰণ কিঙ্কৰী ঃ আপুনো নিজানন্দে পূৰ্ন্ন ঃ সেহি কৃষ্ণে হামাত অন্ন মাগি পঠাৱল ঃ

হামু সৰ তাহেৰ প্রাৰ্থনা ভঙ্গ কয়লোঁ ঃ হামুসৰ ব্রহ্মচৰ্য ব্রত ধৰি ঃ গুৰুক শুশ্রূষা কৰিএ যে বেদসৰ পঢ়লো ঃ ইহাক ধিক্কাৰ ৰহোক ঃ আ ঃ নিজকৰ্ম্মে[41] বুদ্ধিহত ভেলো। পৰ উপদেসও পণ্ডিত বোলাইছি ঃ ইহাক ধিক্কাৰ আসোক[42] ঃ আঃ হামুসৰ ব্রজক যাএ ঃ কৃষ্ণক দেখব ঃ পাৱে ধৰিয়ে ঃ কাতৰ কৰিএ মিনতি কৰব[43] সোহি ভকত বৎসল দেৱ ঃ হামাৰ অপৰাধ চাৰব।।[44]

**সূত্র।।**

ওহি বুলি ঃ ব্রাহ্মণ সৰ চলিতে নিশ্চয় কয়ল। সেহি সময়ে ঃ এক বৃদ্ধ ব্রাহ্মণ ঃ লাঠিত ভিৰ দিয়ে ঃ গৃহহন্তে বাঝহুয়া ঃ যৈচে নিষেধ বোলল ঃ তা দেখহ।

**কথা।। ব্রাহ্মণ বোল।।**

হে ব্রাহ্মণসৰ ঃ তোৰাসৰ গোকুলে যাইতে চাৰ ঃ তোৰাসৰ নষ্ট ভৈলা ঃ ৰাজা কংসে ইহাক জানি সহব নাহি ঃ তোৰাসৰক নিগ্রহি সৰ্বস্ব আগ্রহ কৰি লৰব ঃ জাতি কুল সৰ ভ্রষ্টকৰব।

---

38। হে আচাৰ্য 39। পা. নাহি 40। পৰম ভকতি 41। পা. নিজ কাৰ্যে 42। ধিক্কাৰ ৰহোক 43। পা.পাৱে ধৰি কহোঁ ভকতি মিনতি কৰব 44। হামাৰ অপৰাধ চাৰব।

**সূত্ৰ।।**

ওহি শুনি ব্ৰাহ্মণসৱ ভিতি হয়া যাইতে নাহি পাৰল ঃ কৃষ্ণৰ চৰণে শৰণ লৈয়া কৰ্ম্ম-গৰ্ব্ব সৱ চাৰি ঃ শ্ৰৱণ-কীৰ্ত্তন কৰিয়ে ঃ গৃহে ৰহল। তদনন্তৰে শ্ৰীকৃষ্ণ বালকসৱক ঃ ভোজন কয়ল। তদনন্তৰ ঃ পৰম কৌতুকে গোপগণ সহিতে ঃ জৈচে গোকুল চলল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ শ্যাম।। পৰিতাল**

**ধ্ৰুং।।**

গোপাল চলে গোকুল লাই।
বাৰে গোপ বেণু ধেনু চলাই।।

পদ।।

শ্যামল অঙ্গ পিত পিচোৰা।
নৱ ঘন জিনি জৈচে বিজুৰি উজুৰা।।[45]
মাথেহি খণ্ড সিখণ্ডক লুলে।
হেৰিতে হাসি ভুৱন তিনি[46] ভুলে।।
গলে গুঞ্জাৰ হাৰ তৃভঙ্গ ভাৰে।
অধৰ মধুৰ বেণু বজাইতে জাৰে।।
চৰণ পঙ্কজ মণি মঞ্জিৰ ৰোল।
তাহে মজোক মন শঙ্কৰে বোল।।

**সূত্ৰ।।**

আহে সামাজিক লোক ঃ ঐচন প্ৰকাৰে শ্ৰীকৃষ্ণঃ অন্ন প্ৰাৰ্থনা চলে ঃ বিপ্ৰসৱক কৰ্ম্ম-গৰ্ব্ব দূৰ কয়ল ঃ পতিসৱক প্ৰসাদ দেলহ ঃ ওহি পত্নি প্ৰসাদ নাম নাট সম্পুৰ্ণ ভেল। ইহাক যে সৱ লোকে ঃ ভক্তি ভাৱে

---

45। পা.শ্যামল অঙ্গ পীত পিচোৰা। ৰৱঘন জিনি যৈচে বিজুৰি উজোৰা।
46। ভূৱন তিনি।

গাৱে ঃ যে ভাৱনা কৰয় ঃ তাৰা সবৰ কৃষ্ণচৰণে ঃ পৰম ভকতি বাঢ়য় ঃ ইহা জানি কৃষ্ণচৰণে শৰণ সাৰ কয় কহোঁ ঃ নিৰন্তৰে হৰি বোল হৰি।।[47]

## ।। ইতি পত্নীপ্ৰসাদ নাটকং সমাপ্তম্।।

47। পা. (ক) 'আহে সমাজিক লোক, ঐচন পৰকাৰে শ্ৰীকৃষ্ণ অন্ন প্ৰাৰ্থনা ছলে বিপ্ৰসৱক কৰ্ম গৰ্ব দূৰকয়ল, বিপ্ৰপত্নীসৱক প্ৰসাদ দেলহ। ওহি প্ৰসাদক যে ইচ্ছা কৰয় যে কৃষ্ণচৰণে এক শৰণ হুয়া হৰিগুণ শ্ৰৱণ কীৰ্তন কয় কহু প্ৰসাদ পাৱে, অন্যথা নাপাৱে। ইহা জানি নিৰন্তৰে হৰি বোল হৰি।। (খ) সামাৰণিৰ সূত্ৰধাৰৰ কথা নতুন কমলাবাৰী সত্ৰৰ নাটত নাই।

# ৰুক্মিণীহৰণ

## চৰিত্ৰ

| পুৰুষ | | স্ত্ৰী |
|---|---|---|
| সূত্ৰধাৰ | | ৰুক্মিণী |
| শ্ৰীকৃষ্ণ | | লীলাৱতী } ৰুক্মিণীৰ সখী |
| ব্ৰহ্মা | | মদনমঞ্জৰী } ৰুক্মিণীৰ সখী |
| নাৰদ | | দেৱকী (শ্ৰীকৃষ্ণৰ মাতৃ, অন্যান্য স্ত্ৰী সকল) |
| সুৰভি (দ্বাৰকাৰ ভাট) | | শশীপ্ৰভা (ৰাণী, ৰুক্মিণীৰ মাতৃ, আত্মীয় সকল) |
| হৰিদাস (কুণ্ডিনৰ ভাট) | | |
| উদ্ধৱ (শ্ৰীকৃষ্ণৰ বন্ধু) | | |
| ভীষ্মক | | |
| ৰুক্ম | (ভীষ্মকৰ জ্যেষ্ঠ পুত্ৰ, ৰুক্মিণীৰ জ্যেষ্ঠ ভ্ৰাতা) | |
| শিশুপাল | (চেদী ৰাজ্যৰ ৰজা, ৰুক্মবীৰে ৰুক্মিণীক বিয়াদিবলৈ নিমন্ত্ৰণ কৰি অনা পাত্ৰ) | |
| | জৰাসন্ধ আৰু অন্যান্য ৰজা সকল | |

# ।। ৰুক্মিণীহৰণ নাট।।

## ।। শ্ৰীকৃষ্ণায় নমোনমঃ।।

**শ্লোক।।**

যৎপাদপঙ্কজৰজঃ শিৰসা সুৰেশাঃ
শৰ্ব্বাদয়োদিৱিষদোহতি-মুদুদ্বহন্তি।
যৎ কীৰ্ত্তনাৎ কলিমলং মনুজাস্ত্যজন্তি
কৃষ্ণস্য তস্য চৰণং শৰণং ব্ৰজমেঃ।।

**অপি চ।।**

চৈদ্যাদীন্নৃপতীন্ ৱিজিত্য তৰসা যেনাহৃতাৰুক্মিণী
যেনাজৌ ৱিনিৰ্জ্জীত্যি দুৰ্জ্জয়াৰিপুঃ ৰুক্মী ৱিৰূপীকৃতঃ।
ৱৈদৰ্ভ্যাং ৱিধিৱদ্বিৱাহমকৰোদ্ যো দ্বাৰাৱত্যাং মুদা
তস্মৈ শ্ৰীপৰমাত্মনে ভগৱতে কৃষ্ণায় কুৰ্ম্মো নমঃ।।

**নান্দী গীত।। ৰাগ সুহাই।। মান একতালি**

**ধ্ৰুং।।**

জয় জগজীৱন মুৰাৰু।
পাৰে পৰণাম হামাৰু।।

**পদ।।**

পঞ্চমুখে যাহে তুতি বুলি।
শিৰে হৰ ধৰ পদধূলি।।
যাহে সুৰাসুৰ কৰু সেৱা।
সোহি মোহি গতি দেৱ দেৱা।।
ৰিপু নৃপসৱ যোহি জিনি।
হৰল হৰষে ৰুকমিণি।
কৰল বিবিধ বিলাস।।

কহতু শঙ্কৰ হৰি দাস।।
নান্দ্যন্তে সূত্ৰধাৰ।
অলমতি ৱিস্তৰেণ।।

প্ৰথমং মাধৱো মাধৱো ইত্যুক্ত্বা নত্বা নাৰায়ণং সভাসদঃ সম্বোধ্যাহ।।

**শ্লোক।।**

ভো ভোঃ সভাসদঃ যুয়ং[1] শৃণুধ্বং শ্ৰদ্ধয়াধুনা।
ৰুক্মিণীহৰণং নাম নাটকং মুক্তি সাধকম্।।
মৰ্দ্দিএ বিষধৰ কালি।
যমুনা হ্রদ নিকালি।।
কুবুজা কাম মনোৰথ পূৰল
বৰদ বৰদ বনমালী।।
যাকেৰি এ গুণ নাম।
জগজন পূৰল কাম।।
পাপী পাপ পৰাভৱ ভঞ্জৈ
যো মুহে লেহি অৱিৰাম।।
সোহি কৃষ্ণক নাটক।
পাপ মূল উতপাতক।।
শুন সাধুজন যাকেৰি ইচ্ছা
যাহিতে বৈকুণ্ঠ বাটক।।
কৃষ্ণ চৰিত্ৰ অতি সাৰ।
ৰুকমিণী হৰণ বিহাৰ।।
তাহে শুনিতে ভণিতে পাৰত
পাপ পয়োনিধি পাৰ।।
ভো ভো সাধু সভাসদ।
আৰে মৰণ মহা আপদ।।

---

1। পা. সাধু।

জানহ কৃষ্ণ চৰিত্ৰ মৃত্যু তাৰক
কাৰক মুকুতি সম্পদ ।।
ধৰমক ৰাজা নাম।
জানি নকৰা বিৰাম।।
কৃষ্ণ কিঙ্কৰ শঙ্কৰ কহই
ডাকি বোলহু ৰাম ৰাম।।

**সূত্ৰ।।**

ভো ভো সভাপদ ঃ সাধুজন ঃ যে জগতক পৰম গুৰু নাৰায়ণ ঃ যাহেৰি অংশ অৱতৰি ঃ বাৰম্বাৰ ভূমিক ভাৰ হৰয় ঃ সোহি ভগৱন্ত শ্ৰীকৃষ্ণ ঃ সাক্ষাতে আপুনে অৱতৰি ঃ ওহি সভামধ্যে ৰুক্মিণীহৰণ বিহাৰ নৃত্য পৰম কৌতুকে কৰব ঃ তাহে সাৱধানে দেখহ শুনহ। প্ৰথম উদ্ধৱ সহিত শ্ৰীকৃষ্ণ প্ৰৱেশ ঃ তদনন্তৰ ঃ সখিসৱ সহিত ঃ ৰুকমিণীক প্ৰৱেশ ঃ ইতি জ্ঞাত্বা সৰ্ব্বে সাৱধানে স্থিয়তাম্।।

**পুনঃ সূত্ৰধাৰ।।**

আকাশে কৰ্ণং দত্বা সঙ্গীক বোল।।
আহে সঙ্গিঃ কি বাদ্য শুনিয়ে।।

**সঙ্গী বোল।।**

সখি ঃ দেৱদুন্দুভি বাজত ঃ আহে দেৱ দুন্দুভি বাজত।

**সূত্ৰ।।**

আঃ সে পৰম ঈশ্বৰ শ্ৰীকৃষ্ণ মিলল মিলল।।

**শ্লোক।।**

প্ৰৱেশমকৰোৎ কৃষ্ণঃ স্বকান্ত্যা কামকৌটিজিৎ।
জগতাং জনকো ধাতা সোদ্ধৱঃ সাধুৱান্ধৱঃ।।

**সূত্ৰ।।**

আহে সভাসদ লোক ঃ হামু যাকৰ কথা কহৈছি ঃ সোহি শ্ৰীকৃষ্ণ উদ্ধৱ সহিত আৱত এ আৱত। ইতি সঙ্গী নিষ্ক্ৰান্তঃ।।[3]

2। ৰাস-বিলাস। 3। পা. ইতি সূত্ৰ নিষ্ক্ৰান্তঃ

**গীত।। ৰাগ সিন্ধুৰা।। একতালি**

**ধ্ৰুং।।**

আৰে জগতগুৰু কয় পৰৱেশ।
জিনিয়ে কামকৌটি নটবৰ বেশ।।

**পদ।।**

শ্যামল তনু পীত অম্বৰু লাসা।
বদন ইন্দু ৰুচি ঈষত হাসা।।
নয়ন পঙ্কজ ভূজ লম্বিত জানু।
কণ্ঠে কৌস্তুভ নৱ শোভিত ভানু।।
হাৰ মুকুত মণি কুণ্ডল দোলে।
চৰণ পঙ্কজ মহ মঞ্জিৰ ৰোলে।।
শশধৰ কোটি কান্তি পৰকাশা।
শঙ্কৰ কহ ওহি কেশৰ দাসা।।

**সূত্ৰ।।**

ওহি প্ৰকাৰে ঃ শ্ৰীকৃষ্ণ প্ৰৱেশ কয়কহো ঃ সভাত এক পাশ হুয়া ৰহল। তদনন্তৰ ৰুক্মিণীক প্ৰৱেশ শুনহ। [সঙ্গী প্ৰৱেশ][4] আহে সঙ্গি ঃ কি বাদ্য বাজয়।।

**সঙ্গী বোল।।**

আঃ দেৱ বাদ্য বাজত।

**সূত্ৰ।।**

আঃ সে গোসানী ৰুকমিণী মিলল মিললঃ অএ লোক দেখহ[5]।

**শ্লোক।।**

ৰুক্মিণীং কাৰয়ামাস প্ৰৱেশং সখী সংযুতাম্।
মোহয়ন্ হৰ্ষয়ন্ চাৰু ৰূপ লাৱণ্যকান্তিভিঃ।।

---

4। কোনো কোনো পুথিত নাই।
5। পা.'অয়ে লোক দেখহ'- কোনো কোনো পুথিত নাই।

**সূত্ৰ।।**

সখীসৱ সহিতঃ সে ৰুকমিণী যৈচে প্ৰৱেশ কয়লঃ তা দেখহ শুনহঃ নিৰন্তৰে হৰি বোল হৰি।

**গীত।। ৰাগ সুহাই ।। মান একতালি**

**ধ্ৰুং।।**

আৱত ৰুকমিণী কয় পৰসাৰ[6]।
সখীসৱ সঙ্গে ৰঙ্গে কৰত বিহাৰ।।

**পদ।।**

ঈষত হাসিত মুখ চান্দ উজোৰ।
দশন মোতিম যৈচ নয়ন চকোৰ।।
মাণিক মুকুত কুণ্ডল গণ্ড ডোল।
কনক পুতলী তনু নীল নিচোল।।
কৰ কঙ্কণ কেয়ুৰ[7] ঝনকাৰ।
মাণিক কাঞ্চি ৰচিত হেমহাৰ।।
চলাইতে চৰণ মঞ্জিৰ কৰু ৰোল।
ৰূপে ভুৱন ভুলে শঙ্কৰ বোল।।

**সূত্ৰ।।**

আহে লোকাই ঃ সে গোসানী দেৱী ৰুকমিণী ঃ ঐচন প্ৰৱেশ কয় কহুঁ ঃ নৃত্য কয়ে ঃ এক পাশ হুয়া ৰহল। তদনন্তৰ ঃ প্ৰস্তুত কথা শুনহ ঃ সুৰভি নাম এক ভিক্ষুক ভাট ঃ কুণ্ডিন নগৰী হন্তে ঃ দ্বাৰকাপুৰ প্ৰৱেশ কয় কহু[8] ঃ কৃষ্ণক ভেট পাৱল। তাহে দেখি শ্ৰীকৃষ্ণ বাত পুচত।

**শ্ৰীকৃষ্ণ বোল।।**

অএ ভিক্ষুক ঃ তোহো কোথা হন্তে এথা আৱলি থিক ঃ

---

6। পা. কয়ো পয়সাৰ 7। কেজুৰ 8। 'দ্বাৰকাপুৰ প্ৰৱেশকয় কহু'- কোনো কোনো পুথিত নাই।

**শ্লোক।।**

কস্তং কস্মাদিহায়াতঃ পৃষ্টঃ কৃষ্ণেন ভিক্ষুকঃ।
প্ৰাহাহং কুণ্ডিনান্নাথ ত্বাং দিদৃক্ষুৰিহাগতঃ।।

**ভিক্ষুক বোল।।**

হামু সুৰভি নাম ভাটঃ কুণ্ডিন হন্তে তোহাক দৰশন নিমিত্তে ঃ হেথা আৱল থিক ঃ আঃ তোহাক অপৰূপ ৰূপ সম্পত্তিক মহিমা কি কহব ঃ হে স্বামি কৃষ্ণ ঃ হামাৰ ৰাজনন্দিনী ৰুকমিণী যৱ তোহাৰ গৃহিনী হয় ঃ তেৱে তৱ গৃহবাস সফল হয় ঃ সে ৰুকমিণীক ৰূপগুণ কিছো কহব ঃ তা শুনহ।

**ভটিমা।।**

পৰি পুনু ভাট চপয় কহ বাণী।
কৃষ্ণক আগু ৰূপ বখানি।।
জয় যদুনন্দন দেৱকু দেৱা।
তোহাৰি চৰণে কৰহু বহু সেৱা।।
তোহি মহিমা কহতু নাহি অন্ত।
পূৰল পৰমা কীৰিতি দিগন্ত।।
তুহু সম পুৰুষ কতিহু নাহি পাই।
শুন অৱ বচনেক বোলোহোঁ গোসাঁই।।
হামাকু কুণ্ডিণ নগৰী অনুপাম।
আছে কন্যা এক ৰুকমিণী নাম।।
ভীষ্মক ৰাজ নন্দিনী বৰ বালা।
বাঢ়য় জিনি নৱ চান্দক কলা।।
কি কহব ৰমণীক ৰূপ পৰচুৰ।
বয়নক পেখি চান্দ ভেলি দূৰ।।
নয়নক পেখি পায় বৰ লাজ।
কয়ল ঝম্প কমল জলমাজ।।
বন্দুলি অধিক অধৰ কৰু কান্তি।
ওতিম মোতিম দশনকু পান্তি।।

সুবলিত ভুজ যুগ ৰতন মোলান।
উৰু কৰিকৰ কটি উমৰুক ঠান।।
নৱ পল্লৱ ৰুচি পদযুগ শোহে।
পেখিত সুৰ নৰ শুনি মন মোহে।।
বাণী অমিয়া ৰস গুণে নোহে হীন।
ৰাজকুমাৰীক বয়স নৱীন।।
কতনো যতনে বিধি কয়ো নিৰমাণ।
সোহি কন্যা হোৱে প্ৰভু তোহাৰি সমান।।
কহলু স্বৰূপ অৱ বচন বিচাৰি।
হোৱয় গৃহিণী যৱ ৰুকমিণী নাৰী।।
তৱ গৃহ বাস সফল হয় নাথ।
কহল ভাট উপৰ তুলি হাত।।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ বোল।
কৰু অৱ নৰ সৱ হৰি হৰি বোল।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰুক্মিণীক ৰূপ-গুণ শুনিএকহো ঃ শ্ৰীকৃষ্ণ হেঠ মাথ কয় ঃ নিশ্বাস ফোকাৰি ঃ ঘন ঘন ৰুক্মিণীক মাত্ৰ ধ্যান কয় ৰহল।। শ্ৰীকৃষ্ণ উদ্ধৱক বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে সখি ঃ ওহো ভল্ল ভাট ঃ উনিকৰ মন পূৰিয়ে ঃ বহুত পৰসাদ দেহ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণক আদেশে ঃ উদ্ধৱে বহুত ধন ঃ ভাটক দেলহ। কৃষ্ণক পৰসাদ পায়া ঃ চিৰঞ্জীৱ গোসাঞি বুলি ঃ সুৰভি সন্তোষে দেশে গেল।

**শ্লোক।।**

শ্ৰুত্বা ভিক্ষুমুখাৎ কৃষ্ণো ৰুক্মীণ্যা ঃ ৰূপমদ্ভুতম্।
ত্বামেৱ সততং ধ্যায়ান্ তস্থৌ ব্যাকুলমানস ঃ।।

**সূত্র।।**

ভিক্ষুক মুখে ৰুকমিণীক ৰূপ-গুণ শুনিএ ঃ শ্ৰীকৃষ্ণ আন চিন্তা সব ছোড়িএ ৰাত্রি দিৱসে ঃ ৰুকমিণীক মাত্র ধ্যান কয় ৰহল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ ধনশ্ৰী।। একতালি**

**ধ্রুং।।**

প্ৰিয়াকেৰি কাহিনী ঃ শুনিএ মুৰাৰি।
বিৰহে দহনু চিত্ত আকুল কিঞ্চিত
মানস মদন বিগাৰি।।

**পদ।।**

জগত নিবাস শ্বাস ঘন ফোকাৰয়ে
চিন্তিতে ৰুকমিণী নাৰী।
কমন উপায়ে পাই পুনু পৰশন
দৰশন ৰাজকুমাৰী।।
গুণিতে কামিণী যামিণী যাই[9]
নয়নে নিন্দ নাহি আৰে।
দিৱস ৰজনী হৰি ৰহলি ধিয়াই
কৃষ্ণ কিঙ্কৰ ৰস গাৰে।।

**সূত্র।।**

ওহি পৰকাৰে শ্ৰীকৃষ্ণ ঃ প্ৰিয়াক বিৰহানলে ঃ আকুল হুয়া ঃহা ৰুক্মিণী হা ৰুক্মিণী ঃ মাত্র বাত[10] ফোকাৰি কহু ঃ ৰুক্মিণীময় মাত্র দেখিএ ঃ সৰ্বথা ৰহল। কৃষ্ণক দুখ কি কহব ঃ আহে লোক ঃ তদন্তৰ ঃ ৰুক্মিণীক বৃতান্ত শুনহ। দ্বাৰকাহন্তে হৰিদাস নাম ঃ এক ভিক্ষুক ভাট কুণ্ডিণ গৈয়া ঃ ৰাজনন্দিনীক দৰশন ভেল ঃ তাহে দেখিএ বাত পুচত।।

**ৰুক্মিণী বোল।।**

অয়ে ভিক্ষুক ঃ তুহু কে ঃ কোথাহন্তে এথাৱলি থিক?

9।পা. যায় 10।বাক্য।

**শ্লোক।।**

কো ভৱানিহ সম্প্ৰাপ্তঃ পৃষ্টো ভিক্ষুৰভাষত।
দ্বাৰকানগৰাৎ প্ৰাপ্তঃ প্ৰাৰ্থকোহহং নৃপাত্মজে।।

**ভিক্ষুক বোল।।**

অ ঃহামু দ্বাৰিকা নিৱাসী ঃ হৰিদাস নাম ভিক্ষুক ভাট ঃ হামাৰ সু দিৱস ঃ তোহাক দৰশন ভেলু ঃ আঃ তোহাক অপৰূপ সম্পত্তিক মহিমা কি কহব ঃ হামাৰ দ্বাৰিকানাথ শ্ৰীকৃষ্ণঃ সে যেৱে তোহাক স্বামী হয় ঃ তেৱে এৰূপ যৌৱন ঃ সাফল হএ। হা হা ৰাজনন্দিনী ঃ সে শ্ৰীকৃষ্ণক ৰূপ-গুণ কিছু কহোঁ ঃ তা শুনহ।।

**ভটিমা।।**

শুন শুন ৰুকমিণী মাই। হৰি গুণ কহন নযাই।।
মুখ ইন্দু কৌটি পৰকাশ। দশন মোতিম মন্দহাস।।
নয়ন পঙ্কজ নৱ পাতা। কৰতল উতপল ৰাতা।।
মদনক ধনু ভ্ৰৱভঙ্গ। ভূজ যুগ বলিত ভুজঙ্গ।।
বহল বক্ষ সিংহবন্ধ। ত্ৰিবলি বলিত কটি কন্ধ।।
উৰু কৰি কৰ অৱভাস। মৃদু পদ পঙ্কজ বিকাশ।।
নখচয় চান্দক পান্তি। পদতল আৰকত ভান্তি।।
ধ্বজ বজ্ৰ অঙ্কুশ[11] শোহে। পেখিয়ে ত্ৰিভুৱন মোহে।।
অভিনৱ তৰুণ মূৰুতি। কি কহব ৰূপক বিভূতি।।
গতি গম্ভীৰ মৃগৰাজ। কৌটি মদন হেৰি লাজ।।
তুহুঁ নৱ তৰুণী প্ৰধান[12]। সো হৰি নৱীন যুৱান[13]।।
দুহুঁ এক বয়স সমান। কয়লি বিধি নিৰমাণ।।
ভুৱন নিৰুপম ৰূপ। শুন ধনি বচন স্বৰূপ।।
যৱ তুৱা পতি সোহি হোই। সাফল জনম তৱ তোই।।
কহলু ভিক্ষুক সৱ জানি। কৃষ্ণকিঙ্কৰ বোল বাণী।।
তেজু সামাজিক কাম। ডাকি বোলহুঁ ৰাম ৰাম।।

---

11। ধ্বজ যৱ পঙ্কজ শোহে। 12।প্ৰধান। 13। জুৱানা।

**সূত্ৰ।।**

তদনন্তৰ ঃ ভিক্ষুক মুখে ঃ কৃষ্ণক ৰূপগুণ শুনিএ ঃ ৰুক্মিণীক মনে পৰম আনন্দ মিলল। অতি হৰিষে সখীক সম্বোধি বোলল।।

**ৰুক্মিণী বোল।।**

হে সখি মদন মঞ্জৰীঃ ওহি ভল্ল ভাট ঃ উনিকৰ মন পূৰিয়ে বহুবিধ প্ৰসাদ দেহ।।

**সূত্ৰ।।**

দেৱীক আদেশ শুনি কহোঁ ঃ মদন মঞ্জৰী বহুতৰ ৰজত সুৱৰ্ণ আনি ঃ ভাটক দেলহ। চিৰঞ্জীৱ চিৰঞ্জীৱ মাই বোলি ঃ উৎসুকে ভিক্ষুক ভাট ঃ নিজ দেশে গেল। তদনন্তৰ ঃ ৰুক্মিণী ভিক্ষুক মুখে কথা শুনিএ মোহিত হয়া ঃ শ্ৰীকৃষ্ণক স্বামীভাৱে বৰল। কৃষ্ণগ্ৰাহ হৃদয়ে ধৰল ঃ কৃষ্ণক চৰণ চিন্তিএ ঃ মাত্ৰ সৰ্বথা ৰহল।। আন চিন্তা সৱ ছাড়ল।।

**শ্লোক।।**

কৃষ্ণস্য ৰূপলাৱণ্যশ্ৰৱণেন ৱিমোহিতা।
দধৌ তচ্চৰণাম্ভোজং ভজনীয়ংসতাং সতী।।

**সূত্ৰ।।**

সে ৰাজকুমাৰী ৰুকমিণীঃ কৃষ্ণক ৰূপ-লাৱণ্য শুনিএ ঃ মোহিত হয়া ঃ যৈচে কৃষ্ণক চৰণ চিন্তিএ ৰহল ঃ আহে লোক ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ আশোৱাৰী।। জৌতিমান**

**ধ্ৰুং।।**

কৈচন কেশৱ দৰশন হোই।
হৰ বিনে বিফলি জনম অৱ মোই।।

**পদ।।**

বসতি দিগন্তৰ নাত হামাৰু।
ভেট কমনে হোই স্বামী মুৰাৰু।।

হামু কিঙ্কৰী হৰি নাথ হামাৰ।
কহ শঙ্কৰ ৰুকুণীক বেৱহাৰ।।

**সূত্ৰ।।**

আহে লোক ঃ দেখু দেখু ঃ ৰুক্মিণী ঐচন কৃষ্ণচৰণ চিন্তিএ ৰহল। তদন্তৰ ঃ ৰুক্মিণীক পিতা ঃ বৃদ্ধ ৰাজা ভীষ্মক ঃ পাত্ৰমন্ত্ৰী জ্ঞাতিসৱক আনি কহু ঃ যে বোলল ঃ তা শুনহ।।

**ভীষ্মক বোল।।**

আহে পাত্ৰমন্ত্ৰী জ্ঞাতি সৱ ঃ হামাৰ দুহিতা ৰুকমিণী বিৱাহক যোগ্যা ভেল ঃ কন্যাক সদৃশ বৰ কোন থাকে থিক। সৱহি বিমৰিষ কয়ে বোলে হামু জানু ঃ এক দৈৱকীনন্দন বিনে ঃ কন্যাক সমান বৰ নাহি ঃ যব সৱহি ভল্ল দেখহ ঃ তৱে স্বহস্তে কৃষ্ণক কন্যা দান কৰোহোঁ।।

**জ্ঞাতিসৱ বোল।।**

ধন্য ধন্য ৰাজা ঃ অ ঃ তোহাক উত্তম মতি থিক ঃ অপেক্ষা নাহি কৰহ ঃ পৰম পুৰুষ শ্ৰীকৃষ্ণক কন্যা দান কৰহ ঃ পুৰুষ উদ্ধাৰ হৌক।

**সূত্ৰ।।**

যে ৰাজমহিষী শশীপ্ৰভাঃ তাহু স্বামীক বোলল।

**শশীপ্ৰভা বোল।।**

পৰম ঈশ্বৰ শ্ৰীকৃষ্ণক কথা শুনিএ ঃ হামাৰো ওহি সন্মত।
সে যদুনন্দনক আনিএ সত্বৰে কন্যাদান কৰহ।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণক বিবাহ দিতে ঃ সৱহি নিশ্চয় কয়ল।।

**শ্লোক।।**

শ্ৰুত্বা সখীমুখাৎ সাক্ষাদ্বাৰ্ত্তামানন্দিতা সতী।
ৰুক্মিণী ক্ৰীড়য়ামাস স্মৃত্বা[14] হৰিপদং হৃদি।।

**সূত্ৰ।।**

সমস্ত বৃতান্ত শুনি কহু ঃ সখী লীলাৱতী ঃ ৰুকমিণীত কহল।

14। পা.স্পৃষ্ট্ৱা

**লীলাৱতী বোল।।**

হে সখি ঃ তোহোৰ মনোৰথ সাফল ভেল ঃ শ্ৰীকৃষ্ণক বিৱাহ দিতে নিশ্চয় কয়ল ঃ স্বৰূপ জানলো।।

**সূত্ৰ।।**

তাহে শুনি ৰুক্মিণী ঃ আনন্দে যৈচে নাচয়ে লাগল ঃ আহে লোক ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ শ্ৰীগান্ধাৰ।। পৰিতাল**[15]

**ধ্ৰুং।।**

এ সখি সুদিন ভয়ো ৰি[16]।
নাচে যৈচন সখী সঙ্গে ৰঙ্গে গৌৰী।।

**পদ।।**

পৰম পুৰুষ পিউ ভেলি মুৰাৰু।
জনম সাফল সখি অৱহু হামাৰু।।
নাহি মোহি সম সৌভাগিনী শুন সই।
ৰুকুণীক ৰঙ্গ কৃষ্ণকিঙ্কৰে কহই।।

**ৰুক্মিণী বোল।।**

অঃ ঈশ্বৰ শ্ৰীকৃষ্ণক স্বামী পাৰলু ঃ সখী ঃ হামাক সম সৌভাগিনী কোন থিক।।

**সূত্ৰ।।**

ওহি বুলি ৰুকমিণী পৰম উৎসুকে ঃ যৈচে নাচয়ে ৰহল থিক[17]।।

**শ্লোক।।**

ততো ৰুক্মী সভাং গত্বা গৰ্হয়িত্বাথ মাধৱম।
গৰ্ব্বেণ খৰ্ব্বৱাক্যেন কন্যাং দাতুং ন্যৱাৰয়ৎ।।

**সূত্ৰ।।**

তদন্তৰ ঃ সে সভামধ্যে আসি কহু ঃ ৰুক্মিণীক জ্যেষ্ঠ ভ্ৰাতা ঃ ৰুক্মী নাম মন্দমতি ঃ সে পাপী পৰম দৰ্প্প কয়ে বোলল।।

---

15। জৌতি পৰিতাল 16। ভয়ো ৰে। 17। পৰম উৎসুক মনে ৰহল থিক

**ৰুক্মী বোল।।**

অঃ হামাৰ ভগিনী ৰুকমিণীক ঃ কাহাক শকতি কৃষ্ণক বিৱাহ দেৱব। সে যাদৱ অনাচাৰ ঃ গোবধ ঃ স্ত্রীবধ ঃ মাতুলবধ ঃ কত পাপ কয় থিক। সে হামাৰ সম্বন্ধকঃ যোগ্য হোৱে নাহি।। অএ বৃদ্ধ ৰাজাঃ তুহো কিছু বুঝয়ে নাহি ঃ যে মহাৰাজাসিংহ শিশুপাল[18] ঃ সেৰুক্মিণীক যোগ্য বৰ হয় ঃ নিষ্টে তাহাক বিৱাহ দেৱব ঃ হামু অঙ্গীকাৰ কয়ে বোললু।।

**সূত্র।।**

তনিকৰ বোল বাধয়ে নাহি পাৰি ঃ ভীষ্মক যে বোলল।।

**ভীষ্ম বোল।।**

অয়ে পুতাঃ বিৱাহক নিমিত্তে শিশুপালক সত্বৰে আনহ।।

**সূত্র।।**

ৰুক্মী তাহে শুনিয়ে ঃ কৌতুকে দূত পাঞ্চিকহোঁ ঃ শিশুপাল প্রমুখ্যে ৰাজাসৱক অনাৱল। তা দেখহ শুনহ।।

**শ্লোক।।**

নিশম্য ৰুক্মিণ্যুদ্বাহং শিশুপালদয়ো নৃপাঃ।
গৃহীত্বা ছশৰংচাপমায়যুঃ কুণ্ডিনং প্রতি।।

**সূত্র।।**

ৰুক্মিণীক বিৱাহ কৰয়ে লাগি ঃ ৰাজাসৱ সহিতে ঃ যৈচে শিশুপাল আৱল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্রুং।।**

আৰে ৰাজ সিংহ শিশুপাল।
হাতে তীৰ ধনু বীৰ বিশাল।।

**পদ।।**

কয়ে আড়ম্বৰ বাজনা বাজে।
চলে সঙ্গে সাজি ৰাজ সামাজে।।

18। পা. মহাৰাজা শিশুপাল।

শিৰে কিৰীটি কুণ্ডল পৰকাশ[19]।
কহতু শঙ্কৰ কৃষ্ণকু দাস।।

**সূত্ৰ।।**

সে ৰাজাসৱক ঃ ভীষ্মকে সন্মান কয় কহোঁ ঃ বাসাঘৰ দিয়ে ৰাখল। তদনন্তৰ ঃ ৰুকমিণীক সখী ঃ মদনমঞ্জৰী ঃ এসব বৃতান্ত জানি কহোঁ ঃ আতি সত্বৰে ৰুকমিণীক সমীপে গয়া কহু ঃ জনাৱল[20]।।

**মদনমঞ্জৰী বোল।।**

আহে প্ৰাণ সখি ঃ বিষম বিপাক মিলল ঃ তা শুনহ। তোহাৰি জ্যেষ্ঠ ভ্ৰাতা ৰুক্মী কুমাৰ ঃ সে পাপী তোহাক ঃ শ্ৰীকৃষ্ণত বিৱাহ দিতে নিষেধল ঃ তোহাৰ নিমিত্তে শিশুপাল নৃপতিক বৰ অনাৱল ঃ ইহাক নিষ্টে জানি হামু জনাৱলু। সখি ঃ যে যোগ্য তা কৰহ। হাঁ হাঁ বিধিক বিড়ম্বন কি ভেলি।।

**শ্লোক।।**

নিশম্য ৱিপ্ৰিয়ং ৱালা ভীতা ভূমৌ পপাত সা।
ৰুৰোদ হৃদয়ে ধ্যায়ন্ শ্ৰীকৃষ্ণস্য চৰণং চিৰম্।।

**সূত্ৰ।।**

তদন্তৰ পৰম বিপ্ৰিয় বাণী শুনিয়ে ঃ ৰাজনন্দিনীক মাথে যৈচে কলস ভাঙ্গল ঃ শ্ৰীকৃষ্ণক নৈৰাশা শুনিএ ঃ দিশ দশ আন্ধিয়াৰি দেখিএ ঃ মূৰ্চ্ছিত হৈয়া তত্তকালে পৰল ঃ ৰুকমিণীক যৈচে কদলিক বাতে উপাড়ল। শ্ৰীকৃষ্ণক বিৰহ তাপে ঃ ৰুকমিণী
যৈচে অৱস্থা মিলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ গৌৰী।। জৌতিমান**

**ধ্ৰুং।।**

হৰি বিনে ৰমণী ঃ দেখত আন্ধিৰাৰি।
ৰহয়ানা দেহা বিৰহ কৰু নাৰী।।

---

19। পা. কৰত কিৰীটি কুণ্ডল পৰকাশ 20। জনাৱল।

**পদ।।**

ঘন ঘন মূৰুচি পৰ এ বৰনাৰী।
ফোকাৰয় শ্বাস নয়নে ঝুৰে বাৰি।।
কৃষ্ণক চৰণ চিন্তিয়ে চিত্ত লাই।
ঘন যদুনাথ জম্পয়ে পুনু মাই।।
হৰিক নৈৰাশে হ্রাস ভেলি দেহা।
শঙ্কৰ কহ ৰমণীক নৱ নেহা।।

**সূত্র।।**

তদনন্তৰ ঃ কৃষ্ণক বিৰহ তাপে ঃ তাপিত হুয়া ঃ ৰুকমিণী ঘন ঘন কৃষ্ণগুণ জম্পএ ঃ দিশ দশ আন্ধাৰি দেখিএ ঃ মূৰ্ছিত হয়া পৰল। তা দেখিয়েঃ সখী মদনমঞ্জৰী ঃ সখী লীলাৱতী ঃ হাহাকাৰ কএ ঃ আতি সত্বৰে ঃ বাহু মেলি ধৰল ঃ শিৰে জল সিঞ্চল ঃ আঞ্চোৰে বিঞ্চি কহু ঃ আশ্বাস বোলল।।

**মদনমঞ্জৰী লীলাৱতী বোল।।**

হে প্ৰাণসখি ঃ সে পাপী শিশুপাল ঃ তোহাক নাহি পাৰে ঃ কি নিমিত্ত আকুল ভেলি ঃ সে ভকত বান্ধৱ মাধৱ ঃ তোহাক অৱশ্যে ৰক্ষা কৰব ঃ ইহা জানি প্ৰাণ সখি ঃ স্বস্থ হৱ ঃ স্বস্থ হৱ।।

**শ্লোক।।**

লপন্তী কৃষ্ণ কৃষ্ণেতি হৰেৰ্ব্বিৰহ কাতৰা।
ৰুৰোদ ৰাজদুহিতা সখীভিঃ সহিতা সতী।।

**সূত্র।।**

তদনন্তৰ ঃ ৰাজনন্দিনী ঃ চেতন লভিয়ে ঃ হা কৃষ্ণ হা কৃষ্ণ বুলি ঃ দীৰ্ঘ নিশ্বাস ফোকাৰি ঃ ৰুক্মীক গাৰি দেই।।

**ৰুক্মিণী।।**

ঐয়ে পাপী সোদৰ ঃ তুহুঁ সাত শত্ৰুতো অধিক ভেলি ঃ প্ৰাণ কৃষ্ণ সহিত কৈচে হামাক বঞ্চিত কয়লি ঃ তুহুঁ জনমি কি নিমিত্তি নাহি মৰলি।

**সূত্র।।**

ওহি বুলি ৰুকমিণী ঃ সখী দুহুঁ সহিত যৈচে ঃ শ্ৰীকৃষ্ণক বিলাপ কয়লি ঃ তা শুনহ।।

**গীত।। ৰাগ শ্ৰীগান্ধাৰ।। জৌতিমান**

**ধ্ৰুং।।**

হৰি হৰি হামাৰ কৰম কিনা ভেলি।
প্ৰাণ পিউ আশ কৈচন দূৰ গেলি।।

**পদ।।**

পাপী সোদৰ তুহুঁ নাহি ভেলি নাশ।
দুৰ্ল্লভ বল্লভ কৃষ্ণ কয়লি নৈৰাশ।।
জগজন তাৰণ চৰণ যাহাৰু।
বঞ্চল কৈচন কৃষ্ণবল্লভ হামাৰু।।
কৃষ্ণৰ চৰণ চিৰ যোহি কয়ো কাম।
দূৰ গেল মোহি মোহি বিধি ভেল বাম।।
নাহি নাহি ধৰবহু হৰি বিনে প্ৰাণ।
বিকলী ৰুক্মিণী কৃষ্ণ কিঙ্কৰ ভাণ।।

**সূত্ৰ।।**

ঐচন বিলাপ কয় ঃ ৰাজকুমাৰী মূৰ্চ্ছিত হয়া পৰল ঃ সখীসৱে বোধ দিতে ঃ স্বস্থ হয় ঃ আঞ্চোৰে আখি মুখ মুচি কহো ঃ নিশ্বাস ফোকাৰি বোলয়ে লাগল।।

**ৰুক্মিণী বোল।।**

অএ পাপী শিশুপাল ঃ তুহু হামাক বিৱাহ কৰিতে আৱল ঃ হা হা যৈচে সিংহক ভাৰ্য্যাক ঃ শৃগাল অভিলাষ কয় থিক। হা হা কৃষ্ণ বিনে ঃ হামু প্ৰাণ ৰাখব ঃ তৱে হামাৰ জীৱন ধিক ধিক। হে প্ৰাণ স্বামি, হে শ্ৰীকৃষ্ণঃ তোহো ইসৱ বৃতান্ত নাহি জানব ঃ তোহাক সমীপে কাহাক পঠাএো।।

**সূত্ৰ।।**

ওহি বুলি বালা হেঠ মাথা কএ চিন্তিতে ঃ এক মিত্ৰ ব্ৰাহ্মণক মনে পাৱল ঃ সোৎসাহে সখী লীলাৱতীক বোলল।।

**ৰুক্মিণী বোল।।**

হে সখি লীলাৱতী ঃ তোহো সত্বৰে যাৱ ঃ হামাক মহামিত্র বেদনিধিক আন গিয়া।

**সূত্র।।**

শুনি লীলাৱতী ঃ তত্তকালে চলি যাই ঃ কুমাৰীক কথা ব্রাহ্মণক জনাৱল।

**শ্লোক।।**

নিশম্য ত্বৰিতংপ্রাগাদ্বাক্যং দেৱ্যাঃ দ্বিজোত্তমঃ।
নাম্না ৱেদনিধিঃ খ্যাতো ৰুক্মিণ্যাঃ প্রিয়কৃতদা।।

**সূত্র।।**

ৰাজনন্দিনীক বাণী শুনি কহু ঃ যৈচে বেদনিধি আৱল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্রুং।।**

আৱত বেদনিধি দ্বিজৰাজ।
সাধিতে ৰাজকুমাৰীক কাজ।।

**পদ।।**

ৰঞ্জে তিলক কপালক ছানি।
ধৌতবাস কুশ শোভিত পাণি।।
চান্দক পান্তি দশন পৰকাশ।
শঙ্কৰ কহ ওহি কেশৱ দাস।।

**সূত্র।।**

তদনন্তৰ ঃ সে ৰাজকুমাৰী ঃ হেঠমাথে ক্রন্দন কয়ে থিক ঃ নয়নক নীৰ ধাৰে বহি যায়।। তাহে দেখিএ ব্রাহ্মণ বোলল।।

**বেদনিধি বোল।।**

হে মাই ৰাজনন্দিনী ঃ কি অপমান মিলল ঃ কোন নিমিত্ত ক্রন্দন কএ থিক ঃ হাঁ হাঁ হামাক শপত যৱ সত্বৰ নাহি কহ। হামো থাকিতে তোহাক কি মন দুখ থিক ঃ হে মাতা ঃ তাপ ছাড়হ।।

**শ্লোক।।**

নিশম্য তদ্বচো ৱালা ৱিনিঃশ্বস্য পুনঃ পুনঃ।
ৱিপ্রস্য চৰণৌ শির্ষা[21] স্পৃষ্ট্বা শোকাকুলাব্রৱীৎ।।

**সূত্র।।**

তদন্তৰ ঃ ৰুক্মিণী আঞ্চোৰে আখি মুখ মুচি ঃ বিপ্রক জানুপাৰি ঃপ্রণাম কয়ে কহুঁ ঃ বোলয়ে লাগল।।

**ৰুক্মিণী বোল।।**

হে গুৰো ঃ হামু মৰি যাঞো ঃ হামাত কি বাত পুছহ ঃ যে শ্রীকৃষ্ণ স্বামীত চিৰকাল আশা কয় থিক ঃ হাঁ হাঁ তাহেক হামাৰ পাপী সোদৰে দূৰ কয়ল ঃ হামাক দিতে শিশুপাল বৰ অনাৱল ঃ সে পাপীক দেখিতে জীউ য়ায় ঃ হে গুৰুবাপ ঃ কি কহব ঃ তুহুঁ যৱ দ্বাৰকাপুৰ গৌয়া ঃ কৃষ্ণক আনিতে পাৰহ ঃ তবে হামাক প্রাণদান দেৱব।

**শ্লোক।।**

নিশম্য তদ্বচো ৱিপ্রো ৱিহস্যোৱাচ ৰুক্মিণীম্।
কুমাৰী কুৰু মা শোকং কা চিন্তাতে স্থিতে ময়ি।।

**সূত্র।।**

তাহে শুনি বেদনিধি ঃ বিহসি বোলল।।

**বেদনিধি বোল।।**

আঃ হে মাই ৰুকমিণী ঃ কৃষ্ণক আনিতে কোন চিন্তা থিক ঃ তপক মহিমায়ে ঃ আকাশক চন্দ্র আনিতে পাৰোঁ ঃ হামু দ্বাৰকা এ চলল ঃ যে বাত থিক তা কহ।।

**সূত্র।।**

তা শুনিয়ে কুমাৰী ঃ কিছো স্বস্থ হুৱা বোলল।।

**ৰুক্মিণী বোল।।**

হে গুৰো ঃ শ্রীকৃষ্ণ স্বামীক চৰণে ঃ প্রথমে হামাৰ প্রণাম কহবি ঃ তদন্তৰ ঃ হামাৰ দুখ নিবেদব ঃ তোহাৰি কিঙ্কৰী ৰুকমিণী ঃ ঐচন বোলল। হে

21। পা. মুৰ্দ্ধনা।

স্বামি কৃষ্ণঃ ভিক্ষুক মুখে তোহাক ৰূপ-গুণ শুনিএ ঃ হামু কায়বাক্যমনে ঃ তোহাক পতিভাৱে বৰয়িছি ঃ তথি শিশুপাল পাপী ঃ হামাক নিতে চাহে ঃ জানি প্ৰাণনাথ ঃ সত্বৰে আসি ঃ হামাক ৰক্ষা কৰহ ঃ তোহোক ছাড়ি হামাৰ গতি নাহি ঃ গতি নাহি।।

**গীত।। ৰাগ অহিৰ।। জৌতিমান**

**ধ্ৰুং।।**

কেশৱ হে হামাকেৰি ৰাখহু প্ৰাণ।
নিজ কিঙ্কৰীক জীৱন দেহু দান।।

**পদ।।**

তুৱা পদ-পঙ্কজ জীৱন জগৱাস।
কয়লো কমল নয়ন চিৰ আশ।।
বিপদ পয়োনিধি পয়লো মুৰাৰু।
দীন বান্ধৱ দেহা উদ্ধাৰ হামাৰু।
পাপী শিশুপাল কাল ভেলো মেৰি।
তোহাৰি চৰণে শৰণ লেলো হৰি।।
গতি গোৱিন্দ বিনে নাহি নাহি আন।
ৰুক্মিণী কৰুণা কৰু শঙ্কৰ ভাণ।।

**ৰুক্মিণী বোল।।**

হে স্বামী কৃষ্ণঃ শিশুপাল পাপীত হন্তে ঃ নিজ দাসীক ৰক্ষা কৰি নিৱ আসিয়া। বিপ্ৰক বোল-- হে গুৰো ঃ হামাক এক গাছি খেড় ঃ কৃষ্ণক আগু দিয়া ঃ কাতৰ কএ সত্বৰে আনহ ঃ যৱ বিলম্ব হয় ঃ এক পতিয়া লেখি দেঞুঃ তাহেক নিয়া যাৱ। যৱ ৰিস্তৰ বিলম্ব হয়ে ঃ হামু মৰব।

**সূত্ৰ।।**

ওহি বুলি ৰুকমিণী ঃ স্বহস্তে পত্ৰ লেখি ঃ ব্ৰাহ্মণক হাতে দেলহ। বেদনিধি হাত পাতি লেলহ ঃ ৰাজকুমাৰীক প্ৰবোধ বুলিয়ে বিপ্ৰ চলল।।

**বেদনিধি বোল।।**

হে ৰাজনন্দিনী ঃ কিছু চিন্তা নাহি কৰবি ঃ হামু একুতিলে কৃষ্ণক আনবু।

তোহো সুখে ৰহ।

**সূত্ৰ।।**

ওহি বুলি বিপ্ৰ দ্বাৰকা চলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগশ্ৰী।। পৰিতাল**[22]

**ধ্ৰুং।।**

কুমাৰীক আশ্বাস বুলিএ বচন।
দ্বিজ দ্বাৰকাক লাগি কয়ল গমন।।

**পদ।।**

ছাড়ল নগৰগিৰি অৰণ্য অশেষ।
ভেল দ্বাৰাৱতী পুৰি বিপ্ৰ পৰবেশ।।
মনোহৰ নগৰ সাগৰ মহ থিক।
কৰ পৰকাশ সুৰ পুৰীক অধিক।।
জগত বিভূতি তথি ভেলি একুথান।
হৰি পুৰী দেখল কণক নিৰমাণ।।
দ্বাৰী দ্বাৰপালক বোলক পাই লাগ।
কুণ্ডিনক দ্বিজ হামু কহ কৃষ্ণ আগ।।
কৃষ্ণত হামাৰ থিক গোপ্য প্ৰয়োজন।
ৰাম ৰাম বোলহু হৰিয়ে সৰ্বজন।।

**সূত্ৰ।।**

তদন্তৰ ঃ দ্বাৰপাল গৈয়া ঃ কৃষ্ণক প্ৰণাম কয় বোলল।।

**দ্বাৰপাল বোল।।**

হে স্বামী ঃ কুণ্ডিন হন্তে ঃ এক বিশিষ্ট বিপ্ৰ ঃ হামাৰ দ্বাৰে ৰহয়ে থিক ঃ কি আদেশ হয় নাথ।।

**সূত্ৰ।।**

ওহি শুনি শ্ৰীকৃষ্ণ তত্তকালে উঠি কহু ঃ গৌৰৱে গৈয়া ব্ৰাহ্মণক প্ৰণামি

22। পা. ৰাগ শ্ৰীপয়াৰ

ঃ আলিঙ্গি ধৰিএ ঃ অভ্যন্তৰ পৰৱেশ কৰাৱল ঃ স্বহস্তে পাৱ পখালিএ ঃ পঞ্চামৃত ভুঞ্জাৱল ঃ তদন্তৰ বিপ্ৰ সুৱৰ্ণ খাটত শুতল ঃ শ্ৰীকৃষ্ণ নিজ হস্তে পাৱ মৰ্দ্দিএ শ্ৰম দূৰ কয় কহুঁ ঃ বাত পুচত।

**শ্লোক।।**

কুশলং তৱ ৱিপ্ৰেন্দ্ৰ কিমৰ্থমিহাগত[23]।
পৰিত্ৰিকৃতং চাস্মাকং[24] তৎপাদৰজসা গৃহম্।।

**কৃষ্ণ বোল।।**

হে গুৰো ঃ তোহো কুশলে আৱল ঃ তোহাৰি পদ ৰেণুৱে গৃহ সৱ পৱিত্ৰ ভেল ঃ তোহাৰি ভীষ্মক ৰাজা ঃ কুশল থিক ঃ স্বধৰ্মে কি প্ৰজা পালয় ঃ হামু কোন প্ৰয়োজন সাধো ঃ তা আজ্ঞা কৰহ।

**শ্লোক।।**

এৱং সভাজিতো ৱিপ্ৰো নিশম্যেশ্বৰভাষিতম্[25]।
প্ৰীত্যা প্ৰত্যাহ প্ৰহসন্ মাধৱং সাধুৱান্ধৱম্[26]।।

**বেদনিধি বোল।।**

হে স্বামী শ্ৰীকৃষ্ণ ঃ তুহু জগতক পৰম ঈশ্বৰ ঃ তোহাক এ আখিএ দেখলু ঃ আঃ অতঃ পৰ হামাৰ কমন কুশল থিক ঃ তোহো দৈৱকী পুত্ৰ ঃ নহি নহি ঃ ব্ৰহ্মা মহেশ সেৱিত ঃ শ্ৰীনাৰায়ণ ঃ সে তুহুঁ ভূমিক ভাৰ হৰণ নিমিত্ত ঃ অৱতাৰ ভেলি থিক ঃ আঃ তোহোক মহিমা কি কহব ঃ হামু যদৰ্থে আৱলোঁ ঃ তা শুনহ ঃ হামাৰ বিদৰ্ভৰাজনন্দিনী ৰুকমিণী ঃ ভিক্ষুক মুখে তোহাৰি ৰূপগুণ শুনিএ ঃ মনে স্বামী ভাৱে বৰল ঃ সে কন্যাক বিৱাহ কৰিতে ঃ পাপী শিশুপাল আৱল ঃ তাহে দেখিএ ৰাজকুমাৰী মৰৈচে ঃ আঃ হামু কি কহব ঃ পতিয়া এক লেখি পঠাৱল থিক ঃ তাহেক দেখহ।

**সূত্ৰ।।**

ওহি বুলি ৰুক্মিণীক পত্ৰ ঃ কৃষ্ণক হাতে দেলহ। শ্ৰীকৃষ্ণ সাদৰে ধৰিয়ে

23। কমৰ্থমিহামাগত 24। পৱিত্ৰং কৃতমস্মাকং 25। নিশম্য সুৰভাষিতম্।
26। পা. প্ৰহসংস্তং সপ্ৰাত্যাহ মাধৱং সাধুবান্ধৱম্ ।

ঃ মুদ ভাঙ্গল। সে বিপ্রক বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে গুৰো ঃ তোহোঁ পাঠ কৰহ ঃ হামু শুনিয়ে ৰহোঁ।

**সূত্ৰ।।**

বিপ্র পত্ৰ লৈয়া পঢ়য়ে লাগল। শ্ৰীকৃষ্ণ এক চিত্তে শুনিয়ে থিক। আহে লোক ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।

**বেদনিধি (পাঠ)।।**

স্বস্তি শ্ৰীপৰমেশ্বৰ ঃ সকল সুৰাসুৰ বন্দিত পাদপদ্ম ঃ প্ৰপন্নজন তাৰণ নাৰায়ণ ঃ শ্ৰীশ্ৰীকৃষ্ণচৰণসৰোৰুহেযু। ৰুক্মিণ্যা ঃ সহস্ৰ প্ৰণাম লিখনম্। কাৰ্য্যঞ্চ[27] ঃ শিৰমিহ নিৱদনঞ্চ।।

হে স্বামিঙ্গ ভিক্ষুকমুখে তৱ গুণ-ৰূপ শুনিএ ঃ কায়-বাক্য মনে তোহাক পতি ভাৱে বৰইছি[28]। তথি পাপী শিশুপাল ঃ হামাক বিৱাহ কৰিতে আৱল থিক ঃ যৈচে সিংহক ভাৰ্য্যা নিতে ঃ শৃগাল আসয় থিক। তাহে দেখিয়ে ঃ ভয়ে দণ্ডে যুগ যাই ঃ জানি হামু নিজ দাসীক - সত্বৰে নেৱ আসিয়া ঃ স্বামি। যৱ বোল তোহো অন্তেষপুৰে ৰহ ঃ কোন পৰকাৰে ভেট পাৱব ঃ তথি উপায় কহোঁ[29] ঃ হে নাথ তা শুনহ ঃ বিৱাহক পূৰ্ব্ব দিৱসে ঃ ভবানীক মঠে চলব ঃ সে সময় হামাক হৰি নিয়া যাৱ। যৱ তোহো হেলা কৰি হামাক নাহি নেৱব ঃ তৱ তোহাত বধ দিয়ে ঃ হামু প্ৰাণ ছাড়ব। পাপী শিশুপালক ঃ ছায়াক হামো কবহুঁ পাৱে পাহি পৰশো। ওহি জানি নিজ দাসীক ঃ হে নাথ ঃ উদ্ধৰ উদ্ধৰ। তৱ চৰণ সৰোৰুহে কিং বহু লেখ্যমিতি পত্ৰমিদম্।

**শ্লোক।।**

নিৰীক্ষ্য কৰুণং পত্ৰং পত্ন্যাঃ পৰমপুৰুষঃ।
প্ৰেমাশ্ৰুলোচনস্তস্থৌ ম্লাননম্ৰমুখাম্বুজঃ[30]।

---

27।পা. 'কাৰ্য্যঞ্চ' কোনো কোনো পুথিত নাই। 28¼ কৰৈছি 29¼ Âততোচিত উপায় 30¼ ম্লাননেত্ৰমুখাম্বুজঃ

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰুক্মিণীক সকৰুণ পত্ৰ দেখিয়ে ঃ শ্ৰীকৃষ্ণক হৃদয়ে তাপ উপজল ঃ কমল নয়নক নীৰ ঝুৰয়ে লাগল ঃ যৈচন বিলাপ কয়ল ঃ তা দেখহ শুনহঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

**গীত।। ৰাগ গৌৰী।। ৰূপক তাল**

**ধ্ৰুং।।**

হৰি হৰি কিনা ভেলি ৰাজকুমাৰী।
কমল নয়ন পূৰি বাৰি ঝুৰাৱত
ঘন ঘন ফোকাৰে মুৰাৰি।।

**পদ।।**

কৰত কতনু তেৰি নাৰী নিকাৰু
মোহি বিৰহ লাগি আগি।
তোহো যৰ জীৱন বালা ছোড়হ
হঞু তৱ তুৱা বধ ভাগী।।
তেৱা দৰশন কৈচন হোই
সুমৰিতে তনু মন তাৱে।।
মিলল অধিকহু হৰিকো আকুল
কৃষ্ণ কিঙ্কৰ ৰস গাৱে।।

**কৃষ্ণ বোল।।**

হে বেদনিধি ঃ তুহু কহিবাৰ পাত্ৰ ঃ যো দিৱসে সে প্ৰিয়াক গুণ-ৰূপ শুনল ঃ সেহন্তে ৰুকমিণীক ঃ মাত্ৰ ধ্যানকয় হামো ৰয়ল থিক ঃ সে প্ৰাণপ্ৰিয়াক অৱস্থা কথা শুনিএ ঃ কৈচে জীৱন ধৰু অয়ে দাৰুক ঃ সত্বৰে ৰথ আনহ ঃ কুণ্ডিনক চলি কহু এতিক্ষণে যাঞো। সে প্ৰিয়াক দুখ শুনিয়ে ঃ প্ৰাণ ৰহয়ে নাহি।।

**শ্লোক।।**

অথ ৰথমধিৰুহ্য কেশবোহসৌ
সপদি সাৰথিমোদ্ধৱেন যুক্তঃ।

কৰকৃত ধনুৰীশ্বৰঃ প্ৰিয়ায়া
প্ৰেমাকুলঃ কুণ্ডিলমোজস্বান্[31]যযৌ।।

**সূত্ৰ।।**

তাহে শুনি ঃ দাৰুকে তত্তকালে ৰথ যোগাৱল ঃ পেখি শ্ৰীকৃষ্ণ ব্ৰাহ্মণক হাতে ধৰিএ ঃ ৰথ উপৰে তুলি ঃ হাতে শৰ-চাপ ধৰিকহুঃ উদ্ধৱ সহিতে তথি চড়ল ঃ দাৰুক মহাবেগে ৰথ ডকাৱল ঃ শ্ৰীকৃষ্ণ যৈচে চলল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ মাহুৰ[32]।। পৰিতাল**

**ধ্ৰুং।।**

কুণ্ডিনকু আৱত মোহন মুৰাৰু।
কৌটি ইন্দু নিন্দি বদন বিৰাজু
কৰ শাৰঙ্গশৰ ধাৰু।।

**পদ।।**

শ্যাম মূৰুতি পীত অম্বৰ অম্বুদ
তড়িত জড়িত যৈচে শোহে।।
ৰতন মুকুত মণি কুণ্ডল ডোলিত
হাসি জগতজন মোহে।।
ভূজ যুগ কেয়ুৰ কঙ্কন আঙ্গুলী
অঙ্গুৰি ৰতন বিকাশ।।
মঞ্জিৰ ৰঞ্জিত চৰণ সৰোৰুহ
শঙ্কৰ কহ হৰি দাস।।

**সূত্ৰ।।**

ওহি পৰকাৰে ঃ কৃষ্ণক ৰথ ঃ বায়ু বেগে চলে। তথি আলোল্যব্ৰাহ্মণ ঃ বেদনিধি ৰথবেগে শ্ৰুতি ভঙ্গ হুয়া পৰল ঃ হাত পাৱ থিৰ ভেল ঃ পেট উফন্দল ঃ নাসাত নিশ্বাস নিঃসৰে ঃ যৈচে মৃতক তদ্বৎ অচেতন ভেল। তাহে পেখিএ শ্ৰীকৃষ্ণ ঃ হা হা বুলি শিৰে জল সিঞ্চিএ ঃ ফুঙ্কি ধাতু

31¼পা. কুণ্ডিনমোজসা 32¼ মাহুৰ ধনশ্ৰী

আনল।।

**কৃষ্ণ বোল।।**

হে বেদনিধি ঃ স্বস্থ হৱ, স্বস্থ হৱ।।

**সূত্র।।**

কৃষ্ণক আশ্বাস শুনিএ ঃ কিছো চেতন পাই ঃ বিপ্র বোল।।

**বেদনিধি বোল।।**

হে বাপু ঃ তোহো কে ঃ হামু বা কোন[33] ঃ কি নিমিত্ত এথা আৱলু থিক।।

**শ্ৰীকৃষ্ণ (বিহসি বোল)।।**

হামু দ্বাৰকাৰ কৃষ্ণ ঃ তুহু বেদনিধি ঃ ৰুকমিণী পঠাৱল ঃ তন্নিমিত্ত তুহু হামু কুণ্ডিনে চলৈছি।

**সূত্র।।**

তাহে শুনিএ ঃ বিপ্র বাহু মেলি কৃষ্ণক ধৰল।

**ৱিপ্র বোল।।**

হা হা বাপ বৰ্ত্তলু ঃ বৰ্ত্তলু ঃ হামু ক্ষণেকে মৰি যাঞো[34]ঃ তোহাক নিমিত্তে পুনু উপজলোঁ।

**সূত্র।।**

ব্ৰাহ্মণ কম্পয় দেখি ঃ শ্ৰীকৃষ্ণ আশ্বাস বুলি স্বস্থ কয়ল।

**শ্লোক।।**

ততো ৱিপ্রং প্রতি প্রাহ[35] গচ্ছ ত্বং সত্বৰং গুৰো।
মদাগমনমাখ্যামি প্রিয়ায়াঃ প্রীতিমাৱহন্[36]।।

**সূত্র।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ কুণ্ডিন সমীপ পাই ঃ বিপ্রক বোল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে গুৰো ঃ তোহো আগু হুয়া চলহ ঃ সে প্রাণ প্রিয়া নৈৰাশা দেখিয়ে

---

33¼ Âপা. তুহুঁ বা কে ঃ হামু কোন ঃ 34¼ হামুবিচেষ্টা ভেলোঁ ঃ ক্ষণেকে মৰি যাঞোঁ ঃ 35। ততো ৱিপ্রং প্রভূ প্রাহ 36। পা. ....প্রিয়ামঃ প্রীতিৱৰ্দ্ধনম্

ঃ প্ৰাণ ছাড়ব ঃ হামাৰ আগমন ৰুক্মিণীত কহ গিয়া।।

**সূত্ৰ।।**

বিপ্র শুনিয়ে কৃষ্ণক আশীৰ্বাদ কয়কহো ঃ আগু হুয়া চলল। ই কথা ৰহোক ঃ ৰুক্মিণীক বৃতান্ত শুনহ।।

**শ্লোক।।**

ৱিলম্বং ৱীক্ষ্য ৱিপ্রস্য ৰুক্মিণী ৰাজনন্দিনী।
চিন্তাং দুৰন্তামাসাদ্য ৰুৰোদ সখীসন্নিধৌ।।

**সূত্ৰ।।**

তদন্তৰ ঃ বিপ্ৰক বিলম্ব দেখি ঃ ৰুক্মিণীক মনে মহা চিন্তা মিলিল ঃ মদনমঞ্জৰীক বোলল।।

**ৰুক্মিণী বোল।।**

হে সখী ঃ হামাৰ পৰম অনৰ্থ ভেল ঃ আজু অধিবাস ঃ কালি বিৱাহক দিৱস ঃ সে বেদনিধি ঃ কৃষ্ণক আনএ নাহি পাৰি ঃ লজ্জায়ে নাৱল ঃ হা হা অৱ কৃষ্ণ[37] স্বামীক আশা ছেদ ভেল।।

**সূত্ৰ।।**

ওহি বুলি কুমাৰী ঃ যৈচে ক্ৰন্দন কয়ল ঃ তাহে দেখহ শুনহঃ নিৰন্তৰে হৰি হৰি বোল।

**গীত।। ৰাগ গৌৰী। বিষম তাল**

**ধ্ৰুং।।**

মাই মাধৱ অৱ কয়ল মেৰি নৈৰাশ।
পন্থ নেহাৰি ঃ ৰাজকুমাৰী ঃ ফোকাৰে ঘন নিশ্বাস।।

**পদ।।**

পৰম পুৰুষ ঃ কেশৱ বিনে ঃ বিফল জনম মোই।
মিলল মৰণ ঃ কৃষ্ণচৰণ ঃ দৰশন নাহি হোই।।
হামু অভাগী ঃ লাগি জানলু ঃ জীৱন নাথ নাৱে।
মুৰুচি পড়ল ঃ চেতন হৰল ঃ ৰমণী শঙ্কৰে গাৱে।।

---

37। কোনো কোনো পুথিত নাই 'কৃষ্ণ' পদ লোপ।

**সূত্ৰ।।**

ঐচন ক্ৰন্দন কএ বালা ঃ মূৰ্চ্ছিত হুয়া পৰল ঃ সখীসৱ দেখিয়ে ঃ হাঁ হাঁ বুলি বাহু মেলি ধৰি কহোঁ ঃ প্ৰবোধ বোলল।।

**মদনমঞ্জৰী বোল।।**

হে সখি স্বস্থ হৱ ঃ স্বস্থ হৱ ঃ সে শ্ৰীকৃষ্ণঃ তোহাক নিমিত্তঃ অৱশ্যে আৱব ঃ যাকেৰি নাম মাত্ৰে ঃ মহা মহা পাপী সৱো সংসাৰ নিস্তৰে ঃ সে ভকতক বান্ধৱ মাধৱ ঃ তোহাক নাহি ৰক্ষা কৰব ঃ প্ৰাণসখি ঃ ওহি শঙ্কা ছাড়হ ঃ হামাক শপত উঠহ উঠহ।।

**শ্লোক।।**

ততঃ উত্থায় সা ৱালা ৱিনিঃশ্বস্য পুনঃ পুনঃ।
ৰুৰোদ কৰুণং ৱালা স্মৃত্বা কৃষ্ণপদাম্বুজম্।।

**সূত্ৰ।।**

কুমাৰী চেতন লভিকহুঃ নিশ্বাস ফোকাৰি ঃ হাতে বদন চড়াই বৈঠল ঃ সখীসৱক বোল।।

**ৰুক্মিণী বোল।।**

হে মদনমঞ্জৰী ঃ হে সখি লীলাৱতী ঃ হামাৰ বিহি বঙ্ক ভেল ঃ বেদনিধি গৈয়াকহো বাহুৰি নাৱল ঃ প্ৰাণ কৃষ্ণক বাত্ৰা[38] কিছুৱে নাহি পাৱল ঃ হা হা ওহি জনমে সে স্বামীক চৰণ ঃ দৰশন দুৰ্ল্লভ ভেল।।

**সূত্ৰ।।**

ওহি বুলি পুনু যৈচে ক্ৰন্দন কয়ল বালা ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল, হৰি বোল।।

**গীত।। ৰাগ গৌৰী।। জৌতিমান[39]**

**ধ্ৰুং।।**

মাধৱ মেৰি বিচুৰি অৱ নাৱল
হৰি বিৰহানল চেতন গড়ি।।

---

38। পা. বাত 39। যতিমান

নাৱল অৱহু বাহুৰি দ্বিজনন্দন
কহ কৈচন সখি জীৱন ধৰি।।

**পদ।।**

ওহি শিশুপাল কাল ভেলি মেৰি
হেৰি হৰত চেতন তনু ক্ষীণ।।
হামু অভাগী বিহি বঙ্কিম হামাৰি
প্ৰাণ-পিউ কৈচন কয়লি বিহীন।।
কৰবি কমন উপায় পুনু মাই[40]
অৱহি বিৱাহ ৰয় মহ থিক।।
হেৰৱ আৱৰি হৰিকো নাহি চৰণ
কহ শঙ্কৰ ঝুৰে ৰমণী অধিক।।

**সূত্ৰ।।**

ঐচন বিলাপ কয়ে বালা ঃ হৰিক বিৰহে মূৰ্চ্ছিত হয়া পৰল ঃ দেখি সখীসৱ হা হা বোলি ঃ শিৰে জল সিঞ্চিয়ে ঃ আঞ্চোৰে বিঞ্চয় ঃ কাহু আঙ্কোৱালি তুলি বৈঠাই ঃ মধুৰ বাণী বোলল।।

**সখীসৱ বোল।।**

হে প্ৰাণ সখি ঃ আজু দিৱস নাহি যাই ঃ অতয়ে তাপ কৈচন কৰসি ঃ হে কৃপাময় মাধৱ ঃ তোহাক মনোৰথ নিশ্চয় পূৰব ঃ দুৰন্ত চিন্তা ছোড়স।।

**সূত্ৰ।।**

তাহে শুনিএ ঃ কুমাৰী হেঠমাথে ৰহল থিক। সেহি সময়ে ৰুকমিণীক ঃ বাম উৰু কৰ আখি ফন্দি গেল ঃ তাহে দেখিএ হৰিষে বোলল।।

**ৰুক্মিণী বোল।।**

আহে সখিসৱ ঃ হামাৰ বাম অঙ্গ ফন্দে ঃ কোন শুভ বাত কহে ঃ ইহা নাহি জানু।।

---

40। পাই।

**সূত্ৰ।।**

ওহি বুলি কুমাৰী ৰহল থিক।।

**শ্লোক।।**

সাধিতার্থো দ্বিজং প্রাগাৎ প্রীত্যুৎফুল্লৱিলোচনঃ
নাপতৎ চৰণৌ তস্য ধৰণ্যাং হৰ্ষৱেগতঃ।।

**সূত্ৰ।।**

তদনন্তৰঃ দেৱী দেখল ঃ আতি আনন্দে বেদনিধি ঃ হৰিষ বেগে আৱল ঃ মাটিত পাৱ পৰয়ে নাহি ঃ বিপ্ৰমুখ পেখি জানল ঃ আঃ হামাক প্ৰাণ-পিউ আৱল আৱল ঃ ভৰি পাঞ্চ সাত আনন্দে আগ বাঢ়ি গিয়া ঃ বিপ্ৰক প্ৰণাম কয়ল।।

**বেদনিধি বোল।।**

হে ৰাজনন্দিনী ঃ তুহুঁ চিৰঞ্জীৱ ঃ তোহাক প্ৰয়োজন সব সাধলোঁ ঃ সে যদুনন্দন তোহাক নিমিত্তে ঃ অন্ন পান সৱ ছাড়ল ঃ নিশি নিদ্ৰা কৰত নাহি ঃ হে মাতা ঃ কৃষ্ণক দুখ কি কহব ঃ কেৱল তোহাক মাত্ৰ ধ্যান কয় ৰহ ঃ অৱ ওহি নগৰ পৰৱেশ কয়ল ঃ তোহো সত্বৰে দৃঢ় হুয়া ৰহ। সৱ মনোৰথ আজু শ্ৰীকৃষ্ণ পূৰব।

**সূত্ৰ।।**

ওহি শুনি দেৱীক আনন্দে লোতক ঝুৰে ঃ বিপ্ৰক প্ৰণাম কয় বোলল।।

**ৰুক্মিণী বোল।।**

হে পিতা ঃ বাপে উপজল মাত্ৰ ঃ তোহো প্ৰাণ দান দেলি ঃ তোহাক গুণ সুজয়ে নাহি পাৰোঁ ঃ কি পৰসাদ দেঞোঁ।

**বেদনিধি বোল।।**

হে মাতা ঃ হামাৰ আশীৰ্ব্বাদে ঃ শ্ৰীকৃষ্ণ সহিত ঃ তোহাক সুবসতি হোক ঃ তৱ হামাৰ সকল পৰসাদ ভেল।।

**সূত্ৰ।।**

ওহি বুলি বিপ্ৰ নিজ বাড়ী চলল। তদনন্তৰ ঃ ৰুকমিণীক জ্যেষ্ঠ ভ্ৰাতা ঃ ৰুক্মীকুমাৰ ঃ সে আসিকহো বোলল।।

**ৰুক্মী বোল।।**

অয়ে ভগিনী ঃ তোহোঁ সত্বৰে ভূষিত হুয়া ঃ সখীসৱ সহিতঃ ভৱানীক মঠ চলহ ঃ আজু অধিবাস ঃ কালি বিৱাহক দিৱস ঃ
দেৱীক পূজা কৰগিয়া অতি সত্বৰে চলহ ঃ ঐ চলহ।।

**শ্লোক।।**

নিশম্য ৱচনং ভ্ৰাতুৰ্ভূষয়িত্বাথ ভূষণৈঃ।
জগাম সখিভিঃ সাকমাত্মানমাম্বিকালয়ম্।।

**সূত্ৰ।।**

ভ্ৰাতাক বাক্য শুনিকহো ঃ কুমাৰী সখীসৱ সহিত ঃ ভূষিত হুয়া যৈচে চলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ মাহুৰ[41]।। পৰিতাল**

**ধ্ৰুং।।**

ৰঙ্গিনী সখি সঙ্গিনী বালা।
চললি যৈচে চান্দকেৰি কলা।।

**পদ।।**

পহিএ পট্টাম্বৰ লহু লহু ধাই।
মত্ত গজগামিনী কামিনী মাই।।
ওতিম মোতিম মালা লুলে।
হেৰিতে হাসি ভুৱন মন ভুলে।।
হৰিকহো চৰণ চিন্তিয়ে চলি যাই।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ গাই।।

**সূত্ৰ।।**

তদনন্তৰ ঃ সে ৰাজকুমাৰী ঃ সখিসৱ সহিত ভৱানীক পাৱ পখালিএ ঃ নানা বিধ নৈবেদ্য দিএ ঃ দেৱীক পূজা কয়ল ঃ তুতি নতি কৰিএ ঃ বৰ সাধল ঃ দেৱীক আগু পৰিএ বোলল।।

---

41। ৰাগ মাউৰ

**ৰুক্মিণী বোল।।**

হে মাতা ভৱানি ঃ স্বামি শ্ৰীকৃষ্ণ হামাক ঃ অবিঘিনিএ নেহন্তোক ঃ তোহাক চৰণে অতয়ে সাধো।।

**সূত্ৰ।।**

ওহি বৰ প্ৰাৰ্থিএ ঃ কুমাৰী তথি ৰহল থিক।।

**শ্লোক।।**

কৃষ্ণঃ কুণ্ডিনমাগত্য ৱিপ্ৰং প্ৰস্থাপ্য সাদৰম্।
দাৰুকোদ্ধৱ সংযুক্তঃ প্ৰৱিৱেশ ৱিভুঃ সভাম্।।

**সূত্ৰ।।**

তদন্তৰ ঃ শ্ৰীকৃষ্ণ বিপ্ৰক আগুকয় পঠাই কহোঁ ঃ দাৰুক উদ্ধৱ সহিতে ঃ যৈচন সভামধ্যে প্ৰৱেশ কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ গৌৰী।। একতালি**

**ধ্ৰুং।।**

মধাই আৱত আনন্দ মনে।
পেখি ভুলল ৰূপ পৌৰজনে।।

**পদ।।**

পঙ্কজ বয়ন নয়নে কৰু পান।
হেৰি হৃদয়ে মনে মিলল ধিয়ান।।
শ্যাম ৰুচিৰ তনু পীত পিচোৰা।
নৱীন নীৰদ যচ বিজুৰি উজোৰা।।
চৰণ ৰঞ্জিত মণি নূপুৰ বিকাশ।
কহ শঙ্কৰ হৰি দাসকু দাস।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ ঐচন প্ৰৱেশ কয় ঃ ৰাজমণ্ডলি মধ্যে বৈঠল ঃ যৈচন নক্ষত্ৰ মাজে পূৰ্ণিমাক চান্দ পৰকাশ কয়ে থিক। শ্ৰীকৃষ্ণক ৰূপ সম্পত্তি পেখিএ ঃ সব লোক ভুলল ঃ মুখ পঙ্কজক যৈচে নয়নে পান কৰত বিপক্ষ নৃপসৱ

ঃ ত্ৰৈলোক্য চমৎকাৰ ঃ বীৰ প্ৰতাপ দেখিএ[42] ঃ পৰম ভয় ভেল ঃ অন্যো অন্যে কৰ্ণ্ণে কৰ্ণ্ণে কহে।

**নৃপসৰ বোল।।**

ওহি কৃষ্ণক যুদ্ধ কৰিতে ঃ শিশুপাল আশা কএ থিক ঃ অ ঃ উনিকৰ সঙ্গে সৱহি মৰব ঃ অএ ভাইসৱ ঃ উঠহ উঠহ ঃ যাৱত যুদ্ধ নাহি হয় ঃ আগু দেশে যাঞুঁ।

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰাজা জৰাসন্ধে দেখল ঃ ৰাজাসৱ কৃষ্ণক ভয়ে কম্পিত ভেল ঃ হাত নিশানে নিষেধি বোলল।।

**জৰাসন্ধ বোল।।**

অঃ হামু বিদ্যামান থাকিতে ঃ কাহেক ভয় থিক ঃ হে ৰাজাসৱ ঃ ওহি ক্ষত্ৰিয়ৰ ব্যৱহাৰ নোহে ঃ নিৰ্ভয়ে ৰহ ঃ নিৰ্ভয়ে ৰহ।

**সূত্ৰ।।**

তনিকৰ গৰিহা শুনিএ ঃ নৃপসৱ অন্তৰ্গত ভয়ে ঃ হেঠ মাথে ৰহল। ই কথা ৰহোক ঃ ৰুকমিণীক বৃতান্ত শুনহ।।

**শ্লোক।।**

সখীভিঃ সহ বৈদৰ্ভী কৃষ্ণদৰ্শন লালসা।
ললিতা লীলয়া গত্যা জগামাথাম্বিকালয়াৎ[43]।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰাজনন্দিনী ৰুকমিণী ঃ সখীসৱ সহিতে ঃ কৰ্পূৰ তাম্বুল ভোজন কয় ঃ এক সখীক হাতে ধৰিকহুঁ ঃ কৃষ্ণ দৰশন নিমিত্তে ঃ পৰম আকুল চিত্তে ঃ লীলা গতি কৰিএ ঃ ৰাজসভা সমীপ চলল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

---

42। পা. নিৰখিয়ে 43। জগাম চাম্বিকালয়াৎ

## গীত।। ৰাগ মাহুৰ ধনশ্ৰী।।
## দোমানি জৌতিতাল[44]

**ধ্ৰুং।।**

চাণ্ডমুখী পেখিত মধাই।
চললি লীলাগতি ভূৱন ভুলাই।।

**পদ।।**

কনক কিঙ্কিনি ধ্বনি ঝলকে মঞ্জীৰ মণি
দোলে হৃদয়ে হেমমালা।
চঞ্চল লোচন মন হেৰয় ৰমণী ঘন
হৰি বয়ন বৰবালা।।
সখীসৱ সঙ্গে খেলে যৈচন নক্ষত্ৰ মেলে
সুচান্দ চান্দক কলা শোহে।
ৰূপ ৰুকমিণী কেৰি ৰাজ সমাজে হেৰি
পৰল সৱহি মন মোহে।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰুক্মিণীক নৱীন ৰূপ যৌৱনে পেখিএ ঃ যত ৰাজাসৱ কামবাণে মূৰ্ছিত হুয়া ঃ আসন হন্তে ঢলি ঢলি পৰল। বিহ্বল ভাৱে কাহু কৰযোৰি বোলল।।

**ৰাজাসৱ বোল।।**

হে প্ৰাণেশ্বৰী ঃ কাম সাগৰে নিস্তাৰ কৰহ।

**সূত্ৰ।।**

কাহু আঙুলি মুখে লৈয়া বোলল।।

**ৰাজাসৱ বোল।।**

হে প্ৰাণ প্ৰিয়ে ঃ মদনে মন মৰ্দয় ঃ হামাক হাস্য নিৰীক্ষণ কৰহ।

**সূত্ৰ।।**

কাহু দান্তে তৃণ কামুৰিএ বোলল।।

---

44। পা. দোমনি পৰিজৌতিতাল, পৰিতাল জৌতি জাতিতাল।

**ৰাজাসৱ বোল।।**

হে ৰাজকুমাৰী ঃ তোহাক নিমিত্তে ঃ কামবাণে ফুটি প্ৰাণ ছুটি যায় ঃ চৰণক দাস ভেলো ঃ হাতে পৰশি হামাক জীয়াউ ঃ সৱ মহাদৈক দাসী কৰি দেঞুঁ।।

**সূত্ৰ।।**

কামে মত্ত হুয়া ঃ ইত্যাদি নান বিভৎস ভাৱনা কয়ল ৰাজাসৱ ঃ পেখি ৰুকমিণীক সখি সৱে কাহুক ঠেঙ্গিনা দেই ঃ কাহুক গোৰে মাৰি ভৰ্চয় ঃ তথাপি ৰাজাসৱ ঃ কামাতুৰ হুয়া ঃ কুমাৰীক কাতৰ কয় থিক। আহে লোক ঃ হৰি ভকতিবিহীন ঃ কামাতুৰক দুখ দেখহ। ইহা জানি হৰিক চৰণ চিন্তিয়ে হৰি বোল হৰি।।

**শ্লোক।।**

কৃষ্ণোহপি ক্ষোভিতং চিত্তং স্থিৰকৃত্বা জহাৰ তাম্।
ইক্ষতাং দ্বিষতাং মধ্যামৃগাণাং কেশৰী যথা।।

**সূত্ৰ।।**

তদনন্তৰঃ শ্ৰীকৃষ্ণ ৰুকমিণীক ঃ ৰূপ লাৱণ্য দেখিএ ঃ মোহিত হুয়া কথংকথমপি চিত্ত শান্ত কয়ল। ৰুক্মিণী সখীসৱ সহিতে ঃ লীলাগতি চলিতে ঃ কৃষ্ণক দেখল ঃ ভাটক মুখে যৈচন গুণ-ৰূপ শুনল ঃ তাহাতো অধিক সাক্ষাতে দেখল ঃ ওঁহি কৃষ্ণ-স্বামী বুলি মনে প্ৰণাম কয়ল ঃ লজ্জা হাস্য কৰিএ ঃ অধোমুখী হুয়া ৰহল। শ্ৰীকৃষ্ণ তত্তকালে উঠিকহু ঃ ৰাজ সভামধ্য হন্তে ঃ ৰুক্মিণীক হৰি লয়া ঃ আপুন সমীপ কয়ল। যৈচন মৃগ যুথ মধ্য হন্তে ঃ সিংহে আপুন ভাগ লৈয়া যাই ঃ তদ্বৎ ঃ কুমাৰীক হাতে ধৰিএ ঃ আপুন ৰথে তুলি কহুঃ ৰুক্মিণী সহিত ঃ শ্ৰীকৃষ্ণ যৈচে লীলাএ চলল ঃ অয়ে লোক ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ মাহুৰ[45] ধনশ্ৰী।। একতালি**

**ধ্ৰুং।।**

লহু লহু গতি ধাই ঃ প্ৰিয়া সঙ্গে ৰঙ্গে যাই।
হৰি হাসি হাসি চাই ঃ যৈচে মত্ত সিংহৰাই।।

---

45। পা. মাউৰ

**পদ।।**

ৰূপে ভূৱন জিনি ঃ সখী সমে ৰুকমিণী।
চলে বামা মধ্য ক্ষীণি ঃ ঝনকে মঞ্জিৰ মণি।।
পিউ মুখ বেৰি বেৰি ঃ লজ্জিত নয়নে হেৰি।
কহ শঙ্কৰ কেৰি ঃ গতি গোৱিন্দ মেৰি।।

**সূত্ৰ।।**

তদন্তৰ ঃ শ্ৰীকৃষ্ণ ৰুকমিণীক হাতে ধৰিএ ঃ হাসি হাসি প্ৰিয়াক মুখ নিৰেখিএ ঃ লীলাগতি চলি যায় ঃ যৈচে মত্ত সিংহ চলইছে। সে ৰাজনন্দিনী ঃ শ্ৰীকৃষ্ণক স্বামী লভিএ ঃ লজ্জিত নয়নে ঃ ঘন ঘন স্বামী মুখ নিৰেখিয়ে ঃ পৰম আনন্দে চলি যায়। তদন্তৰ ঃ শিশুপাল প্ৰভৃতি যত বিপক্ষ ৰাজাসৱ ঃ চেতন লভিকহু দেখল ঃ শ্ৰীকৃষ্ণ ৰুকমিণী কন্যাক ঃ হৰি নিয়া যাই।।

**শিশুপাল বোল।।**

অঃ হামাৰ জীৱন ধিক ধিক ঃ হামু বিদ্যমান থাকিতে ঃ হামাৰ বিৱাহক কন্যা ঃ কথাক যাদৱে নিয়া যাই।।

**সূত্ৰ।।**

ওহি বুলি পৰম দৰপ কৰিকহু ঃ হাতে শৰ ধনু ধৰিএ ঃ শ্ৰীকৃষ্ণক পাছু পাছু যৈচে খেদি যাই ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

**গীত।। কানাড়া।। পৰিতাল[46]**

**ধ্ৰুং।।**

কোপে নৃপসৱ কামোৰে বাহু।
চান্দক যচ খেদি যায় ৰাহু।।

**পদ।।**

হাতে শৰ ধনু ধৰি সৱ ধাৱে।
কম্পিত মেদিনী এ পদ ঘাৱে।।

46। পা. পায়ৰ পৰিতাল।

বাহু দৰ্প্পিয়ে কৰয় টঙ্কাৰ।
বোলয় ডাকি ডাকি অহঙ্কাৰ।।
ৰে ৰে যাদৱ পাৰয় গাড়ি।
ছোড় ছোড় অৱ ৰুকমিণী নাৰী।।
আৰ কতি যাস পাৰলো লাগ।
কোপে গৰজয় যৈচন বাঘ।।
ৰহ ৰহ বুলি পাৰে ঘনে ৰাৰ।
শঙ্কৰ কহ গতি গোৱিন্দ পাৰ।।

**শ্লোক।।**

ৰাজ্ঞামাটোপ টঙ্কাৰ কল্লোলং[47] ৰুক্মিণী সতী।
নিশম্য বেপিতা ভীতা মনস্যেৱমচিন্তয়ৎ[48]।।

**সূত্ৰ।।**

ৰাজা সৱক আটোপ টঙ্কাৰ ঃ দেখিয়ে শুনিএ ঃ মহাভয়ে দেৱী ৰুকমিণীক হৃদয় কম্প মিলল ঃ মুখ মলিন ভৈল ঃ স্বামী কৃষ্ণক নিমিত্ত চিন্তিত হুয়া ঃ নয়নে নীৰ নিগড়ে ঃ নিশ্বাস ফোকাৰি মৌনে বোলল।

**ৰুক্মিণী বোল।।**

হা হা দৈৱ ঃ অভাগী ৰুক্মিণীক কপাল কি ভেল ঃ বিঘিনিক উপৰি বিঘিনি মিলল ঃ ওহি পাপী ৰাজাসৱ বহুত ঃ স্বামীক সঙ্গে সহায় কেহোঁ নাহি ঃ হামাক কোন গতি হয় ঃ ইহা নাহি জানি। হা হা সোণাৰ পুতলি ঃ শ্ৰীকৃষ্ণ স্বামীক ঃ হামু পাপিনী কৈচে অনাৰলুঁ ঃ যোনো কাচক চাহিতে মাণিক হৰায়।

**সূত্ৰ।।**

ওহি বুলি ৰুকমিণী যৈচে বিলাপ কয়ল ঃ আহে লোক ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

---

47। ৰাজ্ঞাসাটোপটঙ্কাৰ কল্লোলং 48। মনসৈৱমচিন্তয়ৎ

**গীত।। ৰাগ শ্ৰীগান্ধাৰ। জৌতিতাল**

**ধ্ৰুং।।**

হৰি হৰি কিনো বিধি লিখিলি ললাট।
অৱহু মিলল মেৰি মৰণক বাট।।

**পদ।।**

পাৱল বহু বহু পুণ্যে হামু ৰঙ্ক।
হাতে হৰল নিধি বিধি ভেল বঙ্ক।।
আৱল কৈচন নাথ অভাগীক লাই।
কাচক চাহিতে যোনো মাণিক হৰাই।।
বিহিক বিৰম্বন কিনু মেৰি ভেল।
প্ৰাণ পিউ পৰশ আশ দূৰ গেল।।
হেঠ বয়নে নয়নে জুৰে লোৰ।
শঙ্কৰ কহ গতি গোৱিন্দ মোৰ।।

**শ্লোক।।**

ভয়[49] ৰেপিতচিত্তয়া ৰুক্মিণ্যাং ৰোদনং দ্ৰুতম্।
নিৰীক্ষ্য দৃঢ়মালিঙ্গ্য সান্ত্বয়ামাস কেশৱঃ[50]।।

**সূত্ৰ।।**

তদনন্তৰ ঃ কৃষ্ণক নিমিত্তে বিলাপ কৰিতে ঃ ৰুকমিণী ঃ ঘন ঘন নিশ্বাস ফোকাৰে ঃ নয়নক নীৰ বহি যাই ঃ তাহে দেখি ভকতবান্ধৱ মাধৱ ঃ অতি সত্বৰে বাহু মেলি ঃ আলিঙ্গিকহো ঃ আশ্বাস বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

আহে প্ৰাণ প্ৰিয়ে ঃ কি নিমিত্তে ক্ৰন্দন কৰৈছ ঃ হামু বিদ্যমান থাকিতে ঃ তোহাক কোন চিন্তা ঃ কাহেক ভয় থিক।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণ ঃ ৰুকমিণীক যৈচে প্ৰবোধ কয়ল ঃ হে লোক ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

---

49। পা. ভীত 50। মাধৱ।

**গীত।। ৰাগ বেলোৱাৰ।। পৰিতাল**

**ধ্ৰুং।।**

কৰবি নাহি আকুল প্ৰিয়ে।
ধৰি কামিনীক কানু বোধ দিয়ে।।

**পদ।।**

কি কৰব সিংহক শূকৰসৱ আয়া।
হামাকু শপত তাপ তেজহু জায়া।।
মোছল মুখ প্ৰিয়াক পীতবাসে।
কহ শঙ্কৰ ৰস কেশৱ দাসে।।

**শ্ৰীকৃষ্ণ বোল।।**

আহে প্ৰাণ প্ৰিয়ে ঃ হামাক আগু ঃ ওহি ৰাজাসৱ কোন পতঙ্গ ঃ যৈচে সিংহক আগে ক্ষুদ্ৰ হৰিণ ঃ ইহা জানি ভয় শোক ছাড়হ ঃ দেখহ পাপী ৰাজাসৱক ঃ যৈচে শৃগালক ঃ এই ক্ষণে খেদাৱব।।

**সূত্ৰ।।**

ওহি বোলি ৰুকমিণীক সন্তাপ দূৰ কৰিয়ে ঃ স্বহস্তে তাম্বুল ভোজন কৰাৱল ঃ অন্যো অন্যে কৌতুক নিৰীক্ষণ কৰিএ বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে প্ৰিয়ে ঃ তুহু নিৰ্ভয়ে ৰহ ঃ হামো দুষ্ট ৰাজাসৱক ঃ যুদ্ধ কৰিএ খেদাওঁ ঃ ৰঙ্গ দেখহ[51]।।

**সূত্ৰ।।**

ওহি বুলি শাৰঙ্গ ধনকু ধৰিএ ঃ টঙ্কাৰ কয়ল।।

**শ্লোক।।**

ততঃ শাৰ্ঙ্গধনুৰ্দ্ধৃতা টঙ্কাৰমকৰোদ্ধৰিঃ।
শ্ৰুত্বা তচ্ছব্দমতুলং ৰাজানশ্চ চকম্পিৰে।।

51। পা. ইয়াৰ পাছত কোনো কোনো পুথিত ওপৰঞ্চি ভাৱে বলোৰামৰ নেতৃত্বত এটা যাদৱ বাহিনী কৃষ্ণৰ অনুসৰণ কৰি কুণ্ডিললৈ অহাৰ কথা আছে। (দ্ৰষ্টব্য ঃ ড০ বিৰিঞ্চি কুমাৰ বৰুৱা, সম্পা. 'অঙ্কীয়া নাট')

**সূত্ৰ।।**

শাৰঙ্গ ধনুক টঙ্কাৰ শুনিএ ঃ ৰাজাসৱক হৃদয় কম্পিত ভেল ঃ তাহে দেখি শ্ৰীকৃষ্ণ হাসি হাসি বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

অয়ে দুষ্ট ৰাজাসৱ ঃ হামাক খেদি আৱল ঃ যত শকতি থিক ঃ অৱ যুদ্ধ কৰহ।।

**সূত্ৰ।।**

তাহে শুনিয়ে ৰাজাসৱ ঃ শৰ বৰষিয়ে বোলল।।

**ৰাজাসৱ বোল।।**

অয়ে যাদৱ অনাচাৰ ঃ হামাৰ বিৱাহক কন্যা ৰুক্মিণীক যদি নাহি ছোড়ব তৱ যত শকতি থিক ঃ হামাক যুদ্ধ দেহ।।

**সূত্ৰ।।**

ৰাজাসৱক দৰ্প্প শুনিএ ঃ শ্ৰীকৃষ্ণ যৈচে সমৰ কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। নাট মল্লাৰ।। পৰিতাল**

**ধ্ৰুং।।**

যুদ্ধ দেহু যাদৱ ৰে যদুৰায়া
গৰজে ৰাজাসৱ আয়া ৰে।।
হৰি ধৰি শাৰঙ্গ বৰিষল বাণ
নৃপসৱ ভেদল কায়া ৰে।।

**পদ।।**

বাৰি বাৰিষা যচ অম্বুদ বৰিখল
হৰি কৰু শৰ সন্ধান ৰে।
কাহুক বাহু কাহু উৰু কৰ কাটি
হৃদয় বিদাৰল বাণ ৰে।।
বীৰ শিশুপালক কাটল কিৰীটি
পালটি পলাৱল পাপী ৰে।

সব বৈৰী জিনিয়ে বিজয়ী যাদৱ
শঙ্কৰ কহ ভৱতাপী ৰে।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণক শৰে ৰাজাসৱক উৰু ঃ কৰ ঃ কটি ঃ হৃদয় ঃ ভেদল শিশুপালক কিৰীটি কাটল ঃ দেখি মহাভয়ে ৰাজাসৱ ঃ ভঙ্গ দিয়ে মৃতকল্প হুয়া পলাৱল ঃ ত্ৰাসে পাছু চাহয় নাহি ঃ যৈচন সিংহক ভয়ে ঃ শৃগাল লৰড়ে তদ্বৎ। শ্ৰীকৃষ্ণ কৌতুকে কতি দূৰে খেদিএ ঃ পালটি ৰহল। তদনন্তৰ ঃ ৰুকমিণী স্বামীক বিজয় বিক্ৰম দেখিএ পৰম আনন্দে প্ৰদক্ষিণে ঃ পাৱে প্ৰণাম কয়ল ঃ সাধু সাধু বুলি শিৰে পুষ্প বৰষিল ঃ আঞ্চোলে শ্ৰম জল মুচলঃ তাম্বুল ভোজন কৰাই ঃ সখীসৱ সহিতে আঞ্চোলে বিঞ্চিএ ৰহল প্ৰথম বয়স লজ্জাৱতী ঃ স্বামীক মুখ কটাক্ষে ঘন ঘন নিৰেখি ঃ হেঠ মাথা কএ থিক। শ্ৰীকৃষ্ণ প্ৰিয়াক মধুৰ আলাপে ঃ আনন্দে কৰাৱল।।

**শ্লোক।।**

ততোহতিকৌতুকং দৃষ্ট্ৱা[52] প্ৰিয়ায়াঃ পৰমেশ্বৰঃ।
সানন্দ লীলাগতিভিৰ্ব্ৰজন্ কেলিমকাৰয়ৎ।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ শিশুপালক কিৰীটি কাটিএ ঃ ৰাজাসৱক কাটি দূৰ খেদাই ঃ পৰম কৌতুকে যুগুত হুয়া ঃ প্ৰিয়া ৰুকমিণী সহিতে ঃ দ্বাৰকাপুৰ চলিতে ঃ যৈচন লীলাগতি কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ সুহাই।। চুটকলামন**[53]

**ধ্ৰুং।।**

জগজীউ উৎসুকে চলিল মধাই ঃ
প্ৰিয়া সঙ্গে ৰঙ্গে লীলাই।।

**পদ।।**

হৰি কৰ ধৰল কামিনী কণ্ঠ মেলি
কেলি কৰতহি যাই।

---

52। পা. ততো'তি কৌতুকং দৃষ্ট্ৱা 53। চুটিকলামান।

নৱ ৰমণী পিউ পৰশে বিহসি
চল লোচন মুদি মাই।।
পৰমানন্দ মগন মন ৰামা
দৰশিএ হাস বিলাসা।
সখী সমে স্বামী সেৱি কৌতুক কৰ
কহ শঙ্কৰ হৰিদাসা।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ পৰম আনন্দে চলিতে ঃ প্ৰিয়া কণ্ঠে হাত মেলি ধৰল ঃ সে নৱ তৰুণী ঃ প্ৰথম পিউক পৰশে ঃ লজ্জিত হুয়া ঃ অল্প হাস্য কৰিএ ঃ ঘন ঘন আখি মুদি ৰহল। সখীসৱ সহিত ঃ হাস বিলাস দৰশিএ ঃ কৌতুকে স্বামীক সেৱা কৰিতে চললি ঃ শ্ৰীকৃষ্ণ যৈচে হস্তিনীসৱ সহিত ঃ মত্ত মাতঙ্গ চললি তদ্বৎ। ই কথা ৰহোক। তদনন্তৰ ঃ ৰুকমিণীক জ্যেষ্ঠ ভ্ৰাতা ঃ ৰুক্মী নামে মন্দমতি ঃ ৰাজাসৱক ভঙ্গ শুনিএ ঃ সে পাপী কোপে পৰম আটোপে সাজিএ ঃ কৃষ্ণক খেদি আৱল। ৰুক্মী ডাকি বোল।।

**ৰুক্মী বোল।।**

অয়ে যাদৱ ঃ হামাৰ ভগিনীক ছোড়হ ছোড়হ ঃ তোহাক নাহি মাৰি ঃ ৰুকমিণীক নাহি ছোড়াই ঃ কুণ্ডিনে প্ৰৱেশ হামু নাহি কৰব ঃ যৱ ভগিনীক চোড়বি নাহি ঃ তৱ যত শকতি থিক ঃ হামাক যুদ্ধ দেহু।।

**শ্লোক।।**

শ্ৰুত্বা কৃষ্ণো ৱিহস্যাহ শৃণুৰে কুলকণ্টক।
ত্বামদ্য নিশিতৈৰ্ব্বাণৈৰ্নয়ামি যমমন্দিৰম্।।

**শ্ৰীকৃষ্ণ বিহসি বোল।।**

অয়ে কুলকণ্টক ৰুক্মী ঃ তুহু হামাক গাৰি দেসি ঃ ওহি বাণে যমপুৰ দেখাৱব ঃ খানিক ৰহ।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণ ঃ ৰুক্মী সহিত যৈচে যুদ্ধ কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

### গীত।। ৰাগ কানাড়া।। পৰিতাল (তালচুটা)

**ধ্ৰুং।।**

কৃষ্ণ বাক্য শুনি ৰুক্মবীৰ।
হানল বাণ কোপে কাম্পে শিৰ।।

**পদ।।**

কাটল বাণ কৃষ্ণে শৰ মাৰি।
গৰজে ৰুক্মী পুনু শৰ প্ৰহাৰি।।
ৰুক্মী অস্ত্ৰ যহি যহি হানে।
তাহে চেদল পুৰুষ প্ৰধানে।।
বহুতৰ বাণে তাহে হৃদি ভেদি।
হাতক ধনু পেহলাৱল ছেদি।।
হাতে মুঠি ধৰি ৰুক্মী কুমাৰ।
কৃষ্ণক হৃদয়ে কয়লি প্ৰহাৰ।।
তাহে প্ৰহাৰে হাসি যদুনাথে।
ধৰল কেশে কেশৱ বামহাতে।।
ঘণ্টা লাড়ি ঘাৰ কৰয় মোড়।
ৰুক্মী হৃদয়ে মাৰল গোড়।।
পাই চোত বৰ মূৰুচিতবীৰ।
কৃষ্ণ ধৰল খাণ্ডা ছেদিতে শিৰ।।
হাহাকাৰ কৰ ৰুকমিণী মাই।
স্বামীক হাতে সোদৰ বধ যাই।।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ গাই।
বোলহু ৰাম হৰি সৱহি লোকাই।।

**সূত্ৰ।।**

সে পাপী ৰুক্মী অস্ত্ৰে নাহি পাৰি ঃ কৃষ্ণক হৃদয়ে মুষ্ঠি মাৰল। শ্ৰীকৃষ্ণ তনিকৰ কেশে ধৰিয়ে ঃ হিয়ে লাঠি মাৰিয়ে ঃ কাটিতে নন্দক খড়গ ধৰল।।

**শ্লোক।।**

দৃষ্ট্বা ভ্ৰাতৃবধোদ্যোগং গোৱিন্দস্য সুদুঃখিতা।
কৰাভ্যাং গৃহ্য চৰণৌ চকাৰ কাতৰংসতী।।

**সূত্ৰ।।**

তদনন্তৰ ঃ দেৱী ৰুকমিণী ঃ তাহে দেখিয়ে ঃ ভাতৃ মৰয় বুলি ঃ শ্ৰীকৃষ্ণক চৰণপঙ্কজ ধৰি ঃ কাতৰ কয় বোলল।।

**ৰুক্মিণী বোল।।**

হে স্বামি ঃ তোহাক চৰণে লাগু ঃ ভৈয়াইক প্ৰাণদান দেহুঁ ঃ তুহুঁ পৰম ঈশ্বৰ ঃ ওহি পাপী তোহাক মহিমা নাহি জানল ঃ যৈচে পতঙ্গ অগনিত জাস কয়ল ঃ হামাক দেখিতে ওহি দোষ মৰষ স্বামি।।

**সূত্ৰ।।**

ওহি বুলি কুমাৰী ঃ নয়নক নীৰ ঝুৰাই ঃ যৈচে ক্ৰন্দন কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ শ্ৰীগান্ধাৰ।। জৌতিমান**

**ধ্ৰুং।।**

সুন্দৰী ধৰি হৰি চৰণ বিনাৰে।
কৰহু কৰুণা নাথ মাথে ধৰোহোঁ তৃণ
বুলিতে নয়ন ঝুৰাৰে।।

**পদ।।**

ভায়াকেৰি দুখ দেখিয়ে জীউ যায়
ৰাখহু পাপীক প্ৰাণ।
চৰণকু আগুঃ আঞ্চোল পাতি মাণ্ড
দেহু মেৰি সোদৰ দান।।
যৱহু সোদৰ দেৱ নকৰসি ৰক্ষণ
আগহি লেহু জীউ মোই।
হৰিক পাৱে পৰি বৰবালা বিলপতি
কহ শঙ্কৰ ৰস ওই।।

**সূত্ৰ।।**

ঐচন ক্রন্দন কএ ঃ ৰুক্মিণী হাতে তৃণ ধৰিএ বোলল।।

**ৰুক্মিণী বোল।।**

হে স্বামি ঃ যৰ ভ্ৰাতৃক ৰক্ষা নাহি কৰবি ঃ তৰ আগু হামাক জীৱ লেহু।।[54]

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ তথাপি ৰুক্মীক ছোড়হ নাহি দেখিয়ে পুনু কুমাৰী নিশ্বাস ফোকাৰি বোলল।।

**ৰুক্মিণী বোল।।**

হে স্বামি ঃ যৰ ভাতৃক ৰক্ষা নাহি কৰবি ঃ তৰ আগু হামাক জীৱ লেহু।।

**সূত্ৰ।।**

ওহি বোলিতে লোতকে কণ্ঠ বেঢ়ল ঃ হা ভৈয়াই বুলি মাটি লুটি ঃ যৈচে ক্রন্দন কয় লাগল বালা।।

**শ্লোক।।**

প্ৰীতঃ প্ৰিয়ায়াঃ সংপ্ৰেক্ষ্য ৱিলাপ্যং পৰমেশ্বৰঃ।
ৰক্ষিত্বা ৰুক্মিণঃ প্ৰাণান্ কাৰয়ামাস মুণ্ডনম্।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ ৰুক্মিণীক বিলাপ দেখিয়ে ঃ পৰম কৰুণা উপজল ঃ হৰি বিহসি বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

আহে প্ৰিয়ে ঃ বিলাপ ছোড়হ ঃ তোহাক নিমিত্ত এ পাপীক প্ৰাণ ৰাখব ঃ কিন্তু ইহাক এক শাস্তি কৰব ঃ তাহেক নিষেধ নাহি কৰবি।।

**সূত্ৰ।।**

ওহি বোলি শ্ৰীকৃষ্ণ সে ৰাজকুমাৰক ঃ গলে বস্ত্ৰ বান্ধিএ ধৰল ঃ খড়গ ধৰিয়ে সৰ কেশ মুণ্ডাৰল ঃ গাৰি গোঁফ্ ছক্ষুভ্ৰু সৰাকো উপাড়ল ঃ

---

54। Âপা. হে স্বামিঃ ভায়াক দুখ দেখিএঃ প্ৰাণ ফুটি যাইঃ ওহি অধমক জীউ ৰক্ষা কৰহঃ চৰণক আগুঃ আঞ্চোল পাতি মাগু। হে নাথঃ হামাক সৌদঃ দান দেহু।।

মুখে কালি চূণ ঘসিএ ঢঙ্কা মাৰি পেলাৱল ঃ যৈচে মৃতক শৱ সদৃশ ৰুক্মী ঃ মাটিতে পৰিয়া ৰহল।। আহে লোক ঃ দেখু দেখু ঃ যে হৰিক দ্ৰোহ কৰয় ঃ হৰি গুণনাম লৈতে নিন্দা কৰয় ঃ সোহি পাপীক ঃ ওহি অৱস্থা দেখ্হ। জানি হৰি ভকতক নিন্দা ছোড়ি ঃ হৰি বোল হৰি বোল।।

**শ্লোক।।**

শান্ত্বয়িত্বা প্ৰিয়াং পশ্চাত্তয়া সহ মহাহৰিঃ।
দ্বাৰিকাপুৰমাৱিশ্য তাং প্ৰিয়াং সমৰিবমৎ।।

**সূত্ৰ।।**

তদনন্তৰঃ শ্ৰীকৃষ্ণ প্ৰিয়াক আখি মুখ পীতবস্ত্ৰে মুচি ঃ শান্ত কৰিএ ঃ পৰম কৌতুকে ঃ দ্বাৰিকাপুৰ প্ৰৱেশ কৰিতে ঃ শ্ৰীকৃষ্ণ ৰুক্মিণী সহিতে ঃ যৈচে কয়লঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ তুড় ভটিয়ালী।। জৌতিমান**

**ধ্ৰুং।।**

মিলল কৌতুক কমল লোচনী
চলিল স্বামীক সঙ্গিয়া।
নীল নিৰদ যচ উজৰ বিজুৰি
ভুৱন ভুলে ভ্ৰুৱ ভঙ্গিয়া।।

**পদ।।**

মত্ত মাতঙ্গ সঙ্গ অঙ্গ ভঙ্গ
কৰিণী কৰ লাসবেশয়া।
কয়ল মঙ্গল ৰঙ্গ কোলাহল
দ্বাৰকা পুৰ পৰবেশয়া।।
দেৱী দৈৱকী আসিয়ে কৌতুকী
ধৰল বৰ বধু হাতয়া।
জয় জয় ৰৱ মিলল উৎসৱ
কহতু শঙ্কৰ বাতয়া।।

**সূত্ৰ।।**

তদনন্তৰ ঃ দেৱী দৈৱকী পৰম মঙ্গল বাদ্য ভাণ্ডে আসি কহো ঃ বৰ কন্যাক হাত এক ঠাম কৰিকহো ঃ বহুতৰ উৎসৱে গৃহ পৰৱেশ কৰাৱল ঃ অনেক সুন্দৰী স্ত্ৰী ঃ আয়তীসৱ সহিতে ঃ শ্ৰীকৃষ্ণ ৰুকমিণীক মাথে দুৰ্বাক্ষত সিঞ্চিএ ঃ তথি পৰম উৎসৱ মিলাৱল। তদনন্তৰ ঃ শ্ৰীকৃষ্ণক বিৱাহ প্ৰকাৰ শুনহ। প্ৰস্তুতমাহ ঃ হৰিক বিৱাহ কথা জানিএ ঃ জগতক যতলোক ঃ কৌতুকে দ্বাৰকাপুৰ ভৰল আসিয়া। ৰাজা ভীষ্মক স্বহস্তে কৃষ্ণক কন্যাদান কৰিতে আৱল। তদনন্তৰ ঃ জগতক গুৰু নাৰায়ণ ঃ মনুষ্য লীলা দৰশিএ ঃ বিৱাহ কৰিতে ঃ প্ৰিয়া সমে আসনে বৈঠল।।

**শ্লোক।।**

আজগাম ততো ব্ৰহ্মা কৃষ্ণস্যোদ্বাহকাৰণাৎ।
সনাৰদো মুদাযুক্তঃ স্ৰুৱহস্তোহতি কৌতুকী।।

**সূত্ৰ।।**

সেহি সময়ে ব্ৰহ্মাঃ নাৰদপুত্ৰ সহিতে ঃ বিৱাহক হোম কৰিতে ঃ যৈচে মিলল ঃ আহে লোক ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**।। গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্ৰুং।।**

আৱত ধাতা হাতে স্ৰুৱ ধৰি।
চতুৰ বয়নে ঘন ৱেদ উচ্চৰি।।

**পদ।।**

গৌৰাঙ্গ অঙ্গ ৰঙ্গ বিপৰীত।
সঙ্গহি নাৰদ আনন্দ চিত।।
বাম হাতে কুশ কৰত হাস।
শঙ্কৰ কহ ওহি কেশৱ দাস।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ পেখি প্ৰিয়া সহিত ঃ তত্তকালে উঠি কহো ঃ প্ৰণাম কয়ল ঃ ব্ৰহ্মা নাৰদ আশীৰ্ব্বাদ দেল। শ্ৰীকৃষ্ণ মাথ চূড়ায়া কহো ঃ কৰযোৰি

বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে জগতক পিতামহ ঃ তোহাক দৰশন দেৱৰ দুৰ্ল্লভ ঃ হামো মানুষ হুয়া ঃ তোহাক দৰশন ভেলু ঃ হামাক ভাগ্যক মহিমা কি কহব ঃ জনম সাম্ফল ঃ আজু দ্বাৰকাপুৰ পৱিত্ৰ ভেল।

**ব্ৰহ্মা বিহসি বোল।।**

হামু তোহাক বিৱাহ শুনিএ ঃ পৰম কৌতুকে আৱলুঃ স্বহস্তে আহুতি কৰিয়ে ঃ বিৱাহ কৰাৱব।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ তাহে শুনি ঃ আসন দেলহ। ব্ৰহ্মা তথি বৈঠল। কুশণ্ডি কৰিএ হোম আৰম্ভল।।

**শ্লোক।।**

ততো নিৰীক্ষ্য ৰুক্মিণ্যাঃ ৰূপলাৱণ্যমদ্ভুতম্।
ৱভূৱ মূৰ্চ্ছিতো ব্ৰহ্মা কাম-মদন পীড়িতঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ মুখ-চন্দ্ৰিকা কৰিতে ঃ ৰুকমিণীক ঃ ভূৱন মোহন ৰূপ নিৰেখিএ ঃ ব্ৰহ্মা মাটি লুটি পৰল। নাৰদ মুনি ধৰি বোধ কৰাৱল।।

**নাৰদ বোল।।**

হে পিতা স্বস্থ হৱ ঃ স্বস্থ হৱ ঃ তোহাৰ ব্যৱহাৰ নোহে।

**শ্লোক।।**

ততশ্চেতনমালভ্য ব্ৰহ্মা মন্ত্ৰমুদীৰয়েৎ।
তদোদ্বাহৱিধৌ তস্মিন্নুৎসৱ সুমহানভূৎ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ব্ৰহ্মা চেতন লভি কহুঁ ঃ বিষ্ণু বিষ্ণু স্মৰিএ ঃ পুনু স্ৰুৱ ধৰি ঃ হোম কয়ে লাগল। সেহি সময়ে ৰাজা ভীষ্মক ঃ কন্যা সম্প্ৰদান কৰিএ ঃ বৰ কন্যাক কেশ এক ঠাম কয়ে কহোঁ ঃ পানী ঢালিতে ঃ তথি যৈচে কৌতুক মিলল ঃ আহে লোক ঃ তাহে দেখহ শুনহ ঃ

নিৰন্তৰে হৰি বোল হৰি বোল।।

**গীত।। ৰাগ সাৰঙ্গ।।[55] পৰিতাল**

**ধ্রুং।।**

কহতু বিধাতা বেদকু বাণী।
হৰি ৰুকমিণীক কেশ এক কৰিএ
ভীষ্মক ঢালে ভৃঙ্গাৰ ধৰি পানী।।

**পদ।।**

যৌতুক ৰতন আঞ্জুলি ভৰি বৰিষে
গাৱে গোৱিন্দ গুণ সুৰৰাই।
বাসুকী উৎসুকি তাল ঠুকি থমকি
নাচে মহেশ হাসে সৰ চাই।।
মুনি সিদ্ধ কুসুম হৰিষে বৰিষে
কৰে কৌতুক সৱ লোই।
দ্বাৰিকাপুৰ ভৰি মিলল মহোৎসৱ
কহ শঙ্কৰ গতি গোৱিন্দ মোই।।

**সূত্র।।**

ঐচন পৰকাৰে ঃ শ্ৰীকৃষ্ণক বিৱাহ ভেল। তদনন্তৰ ঃ ব্ৰহ্মা ৰুদ্ৰ ইন্দ্ৰ আদি যত দেৱতা ঃ পাতালক বাসুকী প্ৰভূতি যত নাগ ঃ পৃথিৱীক যত ৰাজা ঃ সৱাকো সাদৰে শ্ৰীকৃষ্ণ গন্ধ চন্দন, পুষ্প তাম্বূল বস্ত্ৰ অলঙ্কাৰে পৰম সন্তুষ্ট কয়ল। অতঃপৰে পৰম কৌতুকে ত্ৰৈলোক্য লোকে জয় কৃষ্ণ ঘূষিয়ে ঃ সমাজ ভঙ্গিকহু স্বকী স্বকী স্থানে চলিতে অন্যোঅন্যে আশ্চৰ্য গুণ-ৰূপ মহিমা কীৰ্ত্তন কয়কহো দশোদিশে গেল।

**শ্লোক।।**

ততোহতি কৌতুকী কৃষ্ণঃ প্ৰিয়য়া প্ৰেমৰূপয়া।
কুৰ্ব্বন্ কেলিং মহোৎসাহান্ মুমুদে ৰত্নমন্দিৰে।।[56]

---

55। পা. ৰাগ সাৰেং। 56। পা. কুৰ্বন কেলিৰসোৎসাহন মুমুদে ৰত্নমন্দিৰে।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ পৰম উৎসুকে ঃ প্ৰাণপ্ৰিয়া সহিত ঃ ৰত্নমন্দিৰে প্ৰৱেশিএ ঃ যৈচন কৌতুকে ঃ ৰুকমিণীক প্ৰবোধি ঃ কেলি কয় ৰহল ঃ আহে লোক ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ কল্যণ।। খৰমান**

**ধ্ৰুং।।**

করত বিহাৰঃ কৰত বিহাৰ মুৰাৰু।
কামিনীক কমল অমল মুহ লম্বি
চুম্বে জগত আধাৰু।।

**পদ।।**

ঘন ঘন নয়ন পঙ্কজ মুহ হেৰি
হেৰি কৰত কানু কেলি।
আলিঙ্গি অঙ্গ অনঙ্গ ৰঙ্গ ৰসিক
ৰমণীক ভূজ মেলি।।
হাসি হাসি ৰহস্যে হৰযে নখ পৰশে
কুচ কাঞ্চুলি ফোৰে কাণে।
পূৰল পৰম মনোৰ কামিনী
সাধু অধৰ মধু পানে।।
শ্ৰীৰামৰায়া হৰি ৰস পায়া
ভকতি ৰসিক সুজানা।
কেশৱ চৰণ সৰোৰুহ কিঙ্কৰ
শঙ্কৰ হৰিগুণ গানা।।

**সূত্ৰ।।**

ওহি পৰকাৰে ঃ ভকতক কৃপালু শ্ৰীকৃষ্ণ ঃ ৰুক্মিণীক ভকতি বশ্য হুয়া ঃ বিৱিধ বিহাৰ মদন-খেলা-লীলা- কেলি কৌতুকে কৰিয়ে ঃ ৰাজকুমাৰীক পৰম মনোৰথ পূৰল। সে নৃপনন্দিনীক মহা মহোৎসৱ মিলল। জগতক পৰম গুৰু নাৰায়ণ ঃ তনিকৰ পৰশনে পৰম সৌভাগিনী ভেল ঃ নৱ

তৰুণী পদ্মিনী শত সহস্র দাসী পাৱল ঃ ইন্দ্রক যত সম্পত্তি ঃ নিজ মন্দিৰে মিলল ঃ শ্রীকৃষ্ণক চৰণ পঙ্কজ ঃ পৰমানন্দে পৰিচর্যা কয়ে সর্ব্বথা ৰহল।।

**শ্লোক।।**

ৰুক্মিণীহৰণনাটোহয়ং সম্পূর্ণো হৰিণা কৃতঃ।
অস্মিন্নিমিত্তমাত্রোহহং জানন্তীতি মহত্তমাঃ।।

**সূত্র।।**

আহে সভাসদ লোক ঃ কৃষ্ণ চৰণ প্রসাদত ঃ ৰুক্মিণী হৰণ নাট সম্পূর্ণ ভেল ঃ ইহাত যত ন্যুনাধিক দোষ ঃ সে হৰিক স্মৰণে দূৰ হৌক। ওহি কৃষ্ণক চৰিত্র কথা ঃ যে সাধুসৱে শ্রদ্ধায়ে কহে শ্রদ্ধায়ে শুনে ঃ সে সৱক হৰিক কৃপা মিলোক। আহে লোকাই ঃ দেখু দেখু ঃ ভাটক মুখে ৰুক্মিণী কৃষ্ণ গুণ শুনিয়ে ঃ কৃষ্ণ চৰণে ঃ শ্রদ্ধা মাত্র কয়ল ঃ অতয়ে ভকতক পৰম কৃপালু কৃষ্ণ ঃ তনিকৰ বশ্য হুয়াঃ গৃহ গৃহিনী কয়ল। আ ঃ হৰি ভকতিক মহিমা ঃ কি কহব ঃ জানি কৃষ্ণ চৰণে চিত্ত দিয়ে ঃ নিৰন্তৰে হৰি বোল হৰি।।

**অথভটিমা।।**

[মঙ্গলং ৰক্তব্যং।। মুক্তিমঙ্গলম্।।]
জয় জয় জগত জনক যদুদেৱ।
পদ পঙ্কজ ৰজ অজ কৰুসেৱ।।
যোহি হৰল ৰুক্মিণীকেৰি মান।
সোহি কৰতু নিত্য মুকুতি বিধান।।

হৰযে নাচত হৰ যাকেৰি আগ।
গৰুড়ক পেখি পলাৱত নাগ।।
খসল বাঘাম্বৰ বসন উজাৰ।
সোহি কৰতু নিত্য মুকুতি তোহাৰ।।

যোহি জলধি মহ বান্ধল সেতু।
ৰাকস ৰাৱণ মাৰণ হেতু।।
ভীতা ভকতা সীতা কৰু ত্ৰাণ।
সোহি কৰতু নিত্য মুকুতি বিধান।।

অঘ বক কেশী কংস যত আৰ।।
দুষ্ট অৰিষ্টক মোড়ল ঘাৰ।।
পুতনা শোষণ চেতন প্ৰাণ।
সোহি কৰতু নিত্য মুকুতি বিধান।।

ঋজু কুবুজী যো কয়লি একান্ত।
কুৱলয় ভিৰি উপাৰল দান্ত।।
কয়ল ৰঙ্গশালে মাল নিৰযান।
সোহি কৰতু নিত্য মুকুতি বিধান।।

যোহি বিষহ্রদ বাহু আস্ফালি।
কৰত কৌতুক নৃত্য কালি নিকালি।।
গোকুল ৰাখি বহ্নি কৰু পান।
সোহি কৰতু নিত্য মুকুতি বিধান।।

শ্ৰীৰামৰায়া ভকতি সুজান।
কৰাৱত কৃষ্ণ নাট নিৰমাণ।।
ৰুক্মিণী হৰণ নাম পৰধান।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ ভাণ।।
শুন শুন সাধু সভাসদ লোই।
মূৰখক দোষ ধৰবি নাহি সোই।।
হৃদি মাধৱ মতি যোহি মোহি দিলা।

সোহি অনুৰূপ কৰলু হৰি লীলা।।

যাহেৰ যাইতে ইচ্ছা বৈকুণ্ঠক বাট।
শুনা সাৱধানকয়ো কৃষ্ণক নাট।।
পৰম বন্ধু হৰি চৰিত্ৰ বিনাই।
নাহি নাহি গতি কলিত লোকাই।।

অৱহু নাহি বুজি শাস্ত্ৰক মৰ্ম।
নামত শৰণ লেহু সৱ ধৰ্ম্ম।।
কলিমল মথন পৰম হৰি নাম।
জানি সৱহি নৰ বোল ৰাম ৰাম।।

## ।। ইতি ৰুক্মিণীহৰণ নাট সমাপ্তং।।

# কালিয়দমন যাত্ৰা

| **পুৰুষ** | **স্ত্ৰী** |
|---|---|
| সূত্ৰধাৰ | যশোদা |
| শ্ৰীকৃষ্ণ | গোপীসকল |
| গোপবালক সকল | নাগপত্নী সকল |
| কালিনাগ | |
| গোপসকল | |
| বলোৰাম | |
| নন্দ | |

# ।। কালিয়দমন যাত্ৰা।।

## ।। শ্ৰীকৃষ্ণায় নমোনমঃ।।

**শ্লোক।।**

মেঘশ্যামলমূৰ্ত্তিমায়ত মহাবাহুং মহোৰঃস্থল-
মাৰক্তায়ত কঞ্জলোচনযুগং পীতাম্বৰং সুন্দৰম্।
মুক্তা হীৰক-হেমহাৰ-ৱলয়ালঙ্কাৰ-কান্তিদ্যুতিম্
কৃষ্ণং শাৰদ-সান্দ্ৰ-চন্দ্ৰ-সদৃশং[1] হৃদ্ পঙ্কজে'হম্ভজে।।

**অপিচ।।**

যেনাকাৰি মহাহি-দৰ্পদলনং ক্ৰীড়া হ্ৰদিন্যজলে-
যেনাভাজি ভুজঙ্গ ভোগনিখিলং পড্ভ্যাং মুদা মৰ্দ্দিতম্।
যেনামাৰি মহা মহাসুৰ চমুচক্ৰাং পৰং লীলয়া
তস্মৈ শ্ৰীকৰুণাময়ায় মহহে কৃষ্ণায় নিত্যং নমঃ।।
নান্দ্যন্তে সূত্ৰধাৰঃ অলমতি বিস্তৰেণ।

**কথা সূত্ৰ।।**

ওহি পৰকাৰে শ্ৰীকৃষ্ণক পৰণাম কয়ে কহু ঃ
সভাসদ লোকক সম্বোধি বোল।।
ভো ভো সামাজিকাঃ যুয়ং শৃনুধ্বমধুনাৰচঃ[2]¼
কৃষ্ণস্য কালিদমনং যাত্ৰাৰাৰ্ত্তাং নিবোধত[3]।।

**সূত্ৰ।।**

আহে সভাসদলোক ঃ যে পৰমপুৰুষ পুৰুযোত্তম ঃ সনাতন নাৰায়ণ ঃ শ্ৰীশ্ৰীকৃষ্ণ ওহি সভামধ্যে ঃ কালিদমন নাম লীলা যাত্ৰা ঃ পৰম কৌতুকে

---

1¼ পা. শাৰদাচান্দ্ৰচন্দ্ৰ 2। পা. শৃনুদ্ধং শ্ৰদ্ধয়াধুনাৰচ ঃ 3। পা. কালিয়দমন লীলা যাত্ৰাবাৰ্ত্তাং।

কৰব ঃ তাহে সাৱধানে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**অথ ভটিমা।।**

জয় জয় যদুকুল কমল প্ৰকাশক
নাশক কংসক প্ৰাণ।
জয় জয় জগতক ভকতক ভীতি
নিতি কৰু নিৰজান।।
জয় জগনায়ক মুকুতিদায়ক
সায়ক শাৰঙ্গধাৰি।
দুষ্ট অৰিষ্টক মুষ্টিক মোড়ন
চোড়ন বন্ধ মুৰাৰি।।
ধৰু গোৱৰ্দ্ধন বাৰণ বৰিষণ
ভেলি ইন্দ্ৰমদ দূৰ।
ত্ৰিভুৱন কম্পক কালিয় সৰ্পক
দৰ্পক কয়লি চূৰ।।
নন্দকু নন্দন বন্দন দেৱক
সেৱক যাকেৰি সৰ্ব্ব।
গোপ মুখে অন্ন মাগল ভাঙ্গল
দ্বিজ নিজ কৰ্ম্মক গৰ্ব্ব।।
গোকুল জন যত তাড়ক মাৰক
কুৱলয় ধেনুক নাশি।
পূতনিকা তন শোষণ মোষণ
তোষণ মন ব্ৰজবাসী।।
এ দুঃখ দাহক পাৱক ভাৱক
পূৰক পুনু মনকাম।
জগজন যাতেক পাতেক ঘাতেক
যাকেৰি এ গুণ নাম।।
যাহে ভকতি ৰকতি শকতি
তাৰক ওহি সংসাৰ।

কীট পতঙ্গম জঙ্গম সঙ্গম
ভকতক পাই নিস্তাৰ।।
সোহি কৃষ্ণক ওহি নাটক
উৎপাতক পাতক মূল।।
কলিমন অনল জানল মানল
নাহি নাহি ওহি তুল।।
শুন সৱ লোই হোই নুই
দেখহু বচন বিচাৰি।
ইহ সংসাৰে সাৰ নাহি আৰ
চিন্তহু চৰণ মুৰাৰি।।
ব্রহ্মা মহেশ্বৰ যাকৰ চাকৰ
তাকৰ গুণ মুহ লেহু।
বান্ধৱ মাধৱ সাধৱ মুকুতি
তাহে চৰণে চিত্ত দেহু।।
উহি ঈশ্বৰ তাৰক মাৰক
কাৰক সৱে সংসাৰ।
তাহে কৰু সেৱ দেৱ নাহি কেঅ
হৰি বিনে নাহি আৰ।।[4]
যতএ পৰমা ধৰমা কৰমা
সৱকহুঁ ৰাজা নাম।
কৃষ্ণক কিঙ্কৰ কিঙ্কৰ শঙ্কৰ
কহ সৱ বোল ৰাম ৰাম।।[5]

**কথা সূত্র।।**

আহে সভাসদ লোক ঃ যে জগতক পৰমগুৰু ঃ পৰম পুৰুষ পুৰুযোত্তম ঃ সনাতন ঃ ব্রহ্মা মহেশ সেৱিত চৰণ পঙ্কজ নাৰায়ণ ঃ শ্রীশ্রীকৃষ্ণ ঃ ওহি সভামধ্যে কালিদমন নাম লীলা যাত্রা[6] ঃ কৌতুকে কৰব ঃ তাহে

4¼ নাহি নাহি হৰিবিনে আৰ 5। ডাকি বোলহু ৰাম ৰাম

সাৱধানে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।
আকাশক  কৰ্ণ দিয়া ‘সূত্ৰ’ বোল।।
আহে  সঙ্গি ঃ কোন বাদ্য শুনি এ।।
**সঙ্গি।।**
আহে সখি ঃ মৃদঙ্গ বংশীধ্বনী শুনি।।[7]
**সূত্ৰ।।**
আ ঃ দেৱ দুন্দুভি বাজত। সে শ্ৰীকৃষ্ণ গোপবালকসৱ সহিতে এথা মিলল মিলল।।
**শ্লোক।।**
গোৱৎসান্ পুৰতঃ কৃত্বা গোপালঃ পালকাঃ সত্যাম্।
প্ৰৱেশমকৰোৎ গোপৈঃ সহ ৱেণুং নিনাদয়ন্।।[8]
**কথা সূত্ৰ।।**
আহে  সামাজিক লোক। হামু যে কহল সোহি ঈশ্বৰ শ্ৰীগোপাল বৎস বৎসপাল সহিতে এথা প্ৰৱেশ কয়কহো যৈচে লীলা
কৌতুক কৰব তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ সিন্ধুৰা।। একতাল**

**ধ্ৰুং।।**

আৱত এ কানু সুৰভি চৰাই।
ৰঞ্জিত ধেনুৰেণু বেণু বজাই।।

**পদ।।**

---

6।....... শ্ৰীকৃষ্ণ উহি সভামধ্যে দাম শ্ৰীদাম আদি বাহু গোপ বালক সহিতে প্ৰৱেশকয় যৈচন কালিয়দমন লীলা যাত্ৰা কৌতুকে কৰব তাহে... হৰি 7। আকাশে কৰ্ণংদত্বা সূত্ৰ পুছত 8। (ক) গোৱৎসান্ পুৰত কৃত্বা গোপাল গোপপালক ঃ সভাং প্ৰৱিৱেশ গোপৈঃ সহ ৱেণুং নিনাদয়ন্।
(খ) গোৱৎসান্ পুৰত কৃত্বা কৃষ্ণো গোপাল পালক ঃ সদা সভাং নিনাদয়ন্

শিৰে  শিখণ্ড গণ্ড কুণ্ডল ডোলাৰে।
উৰে হেমহাৰ হীৰ মঞ্জিৰ ঝুৰাএ।।
বালক বেঢ়ি খেড়ি খেলাইতে যায়।
কহতু শঙ্কৰ গতি গোৱিন্দ পায়।।

**কথা সূত্ৰ।।**

ঐচন লীলা কৌতুক নৃত্য কৰিতে ঃ গোপাল সহিতে ঃ শিশুসৱ কালিন্দি হ্ৰদক সমীপ পাৱল ঃ সে বিষময় পানী তাহেক নাজানি পৰম পিপাসে পীড়িত হৈয়া ঃ সৱহি ঃ হ্ৰদক জল ঃ উদৰ ভৰি পান কৰল। ততকালে দুৰ্ঘোৰ বিষৰ জ্বালা লাগিয়ে চেতন হৰল। শৰীৰ কম্পি কম্পি বৎস বৎসপালসৱ কালিন্দি তীৰে পড়ল।[9]

**শ্লোক।।**

ৱৎসকান্ ৱালকান্ কৃষ্ণোৱিলোক্য মৃতকান্ তদা।
চকাৰ প্ৰচুৰং খেদমদ্ভুতং ভক্তৱৎসলঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ বৎস বৎসপালসৱক ঃ বিষজল পানে মৃতক পেখি ঃ শ্ৰীকৃষ্ণ ঃ হা হা কি ভেলি বোলি ধৰি কহু ঃ উলট পালট কৰিএ দেখল ঃ নিৰন্তৰে প্ৰাণে মৰল ঃ হা হা হামাৰ ভকতক ঃ ঐচন অৱস্থা ঃ বোলি সে ভকতবৎসল গোপাল ঃ বহুত খেদ কয় কহু ঃ অমৃত দৃষ্টি নিৰেখি ঃ ততকাল সৱাকে জীয়াঅল।

**শ্লোক।।**

কৃষ্ণস্যামৃতদৃষ্ট্যালং লব্ধপ্ৰাণাঃ কুমাৰকাঃ।
প্ৰীতাস্তে চৰণৌ নেমুৰ্যথা[10] স্বপ্নাৎ সমুত্থিতাঃ।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণক অমৃত নিৰিখন পাই ঃ পুনৰ্ব্বাৰ প্ৰাণ আৱল ঃ বৎস বৎসপাল সৱ যৈচে স্বপ্নৰ জাগি উঠি বৈঠল অন্যো অন্যে কহৈছে।।

---

9। বৎস বৎসপাল সৱ প্ৰাণ চাড়ি কালিন্দি তীৰে পৰি ৰহল। 10। প্ৰীতাস্তে চৰণো নেমুৰ্যথা

**বালক সৱ বোল।।**

আহে সখিসৱ ঃ দেখো ওহি বিষজল পানে হামুসৱ প্ৰাণ চাড়ি মৰল ঃ কৃষ্ণক প্ৰসাদে পুনৰ্বাৰ বৰ্ত্তল[11]।।

**সূত্ৰ।।**

ওহি বুলি ঃ পৰম প্ৰীতি হুয়া কৃষ্ণক চৰণে প্ৰণাম কয়ে বোললঃ

**কথা।।**

আহে স্বামি ঃ ওহি বিষপানী পিয়ে ঃ প্ৰাণে মৰলো হামি ঃ তোহাক প্ৰসাদে পুনৰ্ব্বাৰ উপজলঙ্গ তোহাৰি চৰণ সেৱাক মহিমা কি কহব স্বামি।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ সৱাকে আলিঙ্গি আশ্বাস কয়ল ঃ

**শ্ৰীকৃষ্ণ বোল।।**

আহে সখিসৱঙ্গ অ ঃ তোৰা সৱে নাহি জানহ ঃ উঠি কালিয়ক হ্ৰদ ঃ ইহাক বিষপানী খাই তোৰা সৱক বিপত্তি ভেল ঃ আজু তোৰা সৱে কৌতুকে দেখহ-- উহি কালিন্দিক জল স্বস্থ কৰব।।

**শ্লোক।।**

ততঃ কালিয় ভুজগং ভগৱান্ ভৱভাৱন্ঃ।
দূৰীকৰ্ত্তুং মনশ্চক্ৰে হ্ৰদাদ্দৈত্যনিসূদনঃ।।

**সূত্ৰ।।**

দুৰন্ত বিষবীৰ্য প্ৰতাপে ঃ প্ৰচণ্ড কালি সৰ্পক দমিয়া দূৰ কৰিতে ঃ প্ৰৱন্ধ কয় কহু ঃ পীতবস্ত্ৰ কটিত মেহ্লাৱল ঃ কদম্ববৃক্ষে চড়ি কহুঁ ঃ বিষময় কালিহ্ৰদত ঝাম্প কয়ল ঃ সে অনন্ত বীৰ্যক প্ৰচণ্ড প্ৰতাপে ঃ হ্ৰদক উৰ্মি উথলি আন্দোল মিলল ঃ শ্ৰীকৃষ্ণ পৰম কৌতুকে জল মাঝে ঃ যৈচে কেলি কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

---

11। বিষপানী খাই হামুসৱ প্ৰাণ চাৰি মৰল ঃ কৃষ্ণৰ প্ৰসাদে হামুসৱ পুনৰ্বাৰ উপজল

**ধ্রুং।।**

কালিন্দি জলমহ ঃ খেলে যদুৰায়া।
বালকে বেঢ়িয়া ঃ বংশী বজায়া।।
যৈচে নাচে কানু চৰণ চলায়া।।

**পদ।।**

নীল তনু তথি পীত পিচোৰা।।
নৱঘণ জিনি যৈচে বিজুৰি উজাৰা।।
কৌস্তুভ কণ্ঠ ঃ কৌটি নয় সূৰ।
কুণ্ডল জলমল ঃ ঝনকে কেয়ূৰ।।
জল মাঝে দুহু ঃ বাহু আস্ফালি।
ক্রীড়া কৰতু ঃ বাৰি বনমালী।।
উৰ্মি উথলি হ্রদ কৰু ৰোল।।
কৃষ্ণকিঙ্কৰ শঙ্কৰ বোল।।

**কথা সূত্র।।**

শ্রীকৃষ্ণ ঐচন জলকেলি কৰিতে ঃ হ্রদক পৰম আন্দোল মিলল ঃ প্রচণ্ড উৰ্মিক ৰোল বহুত দূৰ গৈল।।

**শ্লোক।।**

নিশম্য হ্রদনির্হ্রাদ-সম্বাদমিমদ্ভুতম্।।
আগত্য তৰিতং কালিঃ ক্রোধেনাদংশদচ্যুতম্।।

**সূত্র।।**

তদনন্তৰ ঃ হ্রদক আন্দোল কল্লোল ৰোল শুনিএ ঃ কোপে কম্পমান ঃ পৰমদৰ্পে সৰ্পৰাজ কালি কোপে জৈছে খেদি আসি কহু ঃ মৰ্মস্থানে শ্রীকৃষ্ণক দংশি লাঞ্জে মেহ্রাৱল ঃ আহে লোক ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল।।47।।[12]

**গীত।। ৰাগ আশোৱাৰী।। পৰিতাল**

---

12। পা. সে সৰ্পৰাজ কালি পৰম দৰ্পে ক্রোধে কম্পমান হুৱা যৈচে খেদি আৱল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

**ধ্রুং।।**

আৰত কাল কালি বলিআৰা।
কৰত তুলি ফেট ফোটকাৰা।।

**পদ।।**

গৰজি দৰপে সৰ্প বিশাল।
পেখি নিৰেখএ ৰূপ গোপাল।।

**সূত্র।।**

ঘনশ্যাম পীতবাস ঃ শ্রীবৎস-কৌস্তুভঃ কিৰীটি-কুণ্ডলঃ কঙ্কণ কেয়ূৰ ৰঞ্জিত গোপালক ঃ পৰম কমনীয় ৰূপ নিৰেখি ঃ খঙ্গে যৈচে মৰ্মস্থানে শ্রীকৃষ্ণক দংশল ঃ তা দেখহ।

**পদ।।**

কৌতুকে কৰত কেলি বনমালি।
মৰ্ম্মথানে আসি দংশল কালি।।
বেঢ়ল লাঞ্জেহি ভুজগ প্ৰৱন্ধে।
ৰহল গোপাল পৰি সৰ্প্পক বন্ধে।।

**সূত্র।।**

পৰম ঈশ্বৰ শ্রীগোপাল ঃ মনুষ্য চেষ্টা দৰশি ঃ বিষলাগি মৃতক স্বভাৱে ঃ সৰ্প্পক বন্ধনে পৰি ৰহল। তাহে পেখি ঃ শিশু-সৱ প্ৰাণ অন্তৰীক্ষ ভেল ঃ হা হা স্বামি ঃ কি ভেল ঃ হামাক প্ৰাণে জিয়াই ঃ তোহো আপুনে মৰল ঃ তোহো বিনে কৈছে হামু জীৱন ৰাখবো বোলি ঃ কৃষ্ণক মুখ নিৰেখি বহুত বিলাপ কৰিএ ঃ হ্ৰদক তীৰে ৰহল।[13]

**শ্লোক।।**

ততো নানাদ্ভুতং দৃষ্ট্বা ব্রজে নন্দাদয়স্তদা।
কৃষ্ণেমৃত ইতি মত্বা তং দ্রষ্টুং যযুৰাকুলাঃ।।

**সূত্র।।**

---

13। পা. ।। সূত্র।। ওহি বুলি মুখ নিৰেখি বহুত বিলাপ কয়ল। ক্রন্দন কৰিয়ে হ্ৰদক তীৰে ৰহল। কোনো কোনো পুথিত ইয়াৰ পিচত এটি বিলাপ গোৱা পোৱা যায়।

তদনন্তৰ ঃ গোকুলত নানা বিনঙ্গল মিলল ঃ ঘন ঘন ভূমিকম্প জাই ঃ নির্ঘাত পড়য় ঃ ঘৰে ঘৰে ফেৰুআ আৰাৱ কৰে ঃ অনাবাৰে বৃক্ষসৱ উভৰি পৰে ঃ স্ত্রীক দক্ষিণ পুৰুষক বাম ফন্দে ঃ তাহে পেখি সৱ লোক মহাভিতি ভেল ঃ যশোদাক হৃদয় কাম্পে ঃ হা হা প্রাণপুত্র গোপালক ঃ মৰণ মিলল বোলি ঃ হৃদয়ে মুষ্টি হানিএ কহোঁ ঃ শ্রীকৃষ্ণক দেখিতে ঃ গোপ-গোপী সহিত ঃ নন্দ যশোদা বৃন্দাবন প্রৱেশি ঃ যৈচে চললি ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

## গীত।। ৰাগ গৌৰী।। পৰিতাল

**ধ্রুং।।**

যশোৱা আৰে আকুলি সোকে ফোকাৰে দুঃখিনী।
সঙ্গে চললি তাপে যতএ গোপিনি।।

**পদ।।**

ধ্বজ বজ্র পঙ্কজ পেখিয়ে দহে আগি।
ডাকয়ে গোপাল প্রাণ গয়ো কাহা লাগি।।
নৰহে সন্তাপে প্রাণ দেখু আন্ধিয়াৰি।
কহতু শঙ্কৰ গতি মুকুতি মুৰাৰি।।

**সূত্র।।**

ঐচন পৰম সন্তাপে বিলাপ কৰি ঃ গোপালক খোজ গুড়ি যাহিতে ঃ গোপ গোপী সহিতে নন্দ-যশোদা হ্রদক তীৰ পাৱল ঃ বিদূৰতে দেখল ঃ গোপশিশু সৱ হ্রদক নিৰেখি ঃ আৰাৰে ক্রন্দন কৰৈছে ঃ তাহে পেখি পৰম আকুল ভাৱে লৰড়ি যাই দেখল ঃ কি ভয়ঙ্কৰ সর্প্পক বন্ধে পৰি শ্রীকৃষ্ণ মৃতক ভাৱে ৰহৈছে ঃ চক্ষুত নিমেষ নাহি ঃ দসন নিস্পান ঃ নাসাত প্রাণ বায়ু খেলয়ে নাহি ঃ তাহেক পেখি ঃ গোপ গোপিক ধাতু অন্তৰীক্ষ ভেল ঃ হা কৃষ্ণ হা কৃষ্ণ বোলি ঃ পৰম উর্মি কএ ঃ ক্রন্দন কৰিতে লাগল ঃ নন্দ-যশোদা মৃতক পুত্রক মুখ নিৰেখিয়ে ঃ দিশদশ আন্ধাৰি পেখিয়ে প্রাণ অন্তৰীক্ষে হুয়া ঃ শোক ঝমকে মূর্চ্ছিত হুৱা ঃ

পৰি ৰহল।

**শ্লোক।।**

ততঃ কৃষ্ণ-মুখং বীক্ষ্য গোপ্যা ৱিৰহ কাতৰাঃ।
ৰুৰোদুঃ সুস্বৰতীৱ্রং শোক শল্যেন ধৰ্ষিতাঃ।।

**কথা সূত্ৰ।।**

তদনন্তৰ গোপিসৰ কৃষ্ণক শোকশল্যে পীড়িত হুৱাঃ প্ৰাণ ধৰএ নপাৰি ঃ প্ৰাণ গোপালক মুখ নিৰেখিয়ে ঃ নয়নক নীৰ ধাৰে বহি যাই ঃ আৰ্ত্তৰাৱে ঃ মাটি লোটি ঃ ক্ৰন্দন কয়ে লাগল।।

**।। গোপীসৰ বোল ।।**

হে প্ৰাণ বন্ধু মাধঅ ঃ হামু কিঙ্কৰি সৱক চোড়ি ঃ কৈছে চলৈছে ঃ হে নাথ ঃ হামাক সঙ্গে নিয়া জাৱ।। তোহো বিনে জীৱন নাহি ধৰব ঃ স্বভাৱে মৰব ঃ কি নিমিত্তে হামাক চাড়হ ঃ

ওহি চান্দ বদন নেদেখিয়ে ঃ কৈছে প্ৰাণ ৰাখব বোলি ঃ কৃষ্ণৰ মুখ নিৰেখি জৈচে বিলাপ কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ-কৌ।। পৰিতাল**

**ধ্ৰুং।।**

দেখুৰে দেখু বন্ধু মাধৱ হে
তুহো বিনে জীৱন নৰহে।
তেৰি শোকানল শৰীৰ বিকল
বন্ধু বিৰহে হৃদি দহে ৰে।।

**পদ।।**

গৃহ মোহ হেৰি সৱ তেজিআ তেৰি
চৰণে শৰণ কৈলো।
কয়ো সৱ নাশ তোহোঁ তেজি জাস
অৱ অনাথিনী ভৈলোৰে।।
বংশী স্বান শুনি আসিয়ে গোপিনি

কাহেৰ পেখব মুখ।
কমল নয়নে নিৰেখিয়ে কোনে
হৰব হামাৰ দুখ।।
কৃষ্ণ শোকানল শৰীৰ বিকল
অধিক দগধে প্ৰাণ।
চেতন হৰল মুৰুচি পৰল
কৃষ্ণ কিঙ্কৰে ৰস ভাণ।।

**সূত্ৰ।।**

ঐচন পৰম সন্তাপে বিলাপ কয় গোপীসৱ কৃষ্ণক শোকে অচেতন হুই মুৰ্চ্ছিত হুৱা পৰল।

**শ্লোক।।**

যশোদা চেতনাং প্ৰাপ্য পতিতা সহ সাভৃশম্।
ৰুৰোদ দুঃখশোকাৰ্ত্তা পুত্ৰস্য পশ্যন্তীমুখম্।।

**কথা সূত্ৰ।।**

তদন্তৰে কিঞ্চিৎ চেতন লভিএ যশোদা পুত্ৰ শোকানলে ঃ শৰীৰ দাহ কৰে ঃ পুত্ৰ মুখ নিৰেখি বোলল।।

**কথা।। যশোদা বোল।।**

আহে প্ৰাণ ৰন্ধাই মধাই ঃ কত তপসায়ি ঃ তোহাক পুত্ৰ পাৰলোঁ ঃ অল্পতে অনাথিনী কয় ঃ কাহে হামাক তেজল ঃ দেখু তোহোৰি সন্তাপে জিৱ ৰহয়ে নাহি। হা হা ওহি চান্দ বদনক ঃ কাহেক নিআ দেলো ঃ হামাৰ প্ৰাণ পুত্ৰক কে নিআ জাই ঃ গোধূলি আজু বাংশী বজাই ঃ কে বজ্ৰক জাৱব ঃ কাহেক ধূলা জাৰি ঃ বুকে বান্ধি কোলে ধৰব ঃ কাহেক গোৰস পান কৰাঅব ঃ কি ভেলি আজ ঐ কৃষ্ণ মোৰ বাপ ঃ কাহা গৈলে এৰাঞঁ তোহাৰি সন্তাপ।।

**সূত্ৰ।।**

ঐচন পুত্ৰশোকে তাপিত হুৱা যশোৱা জৈচন কৰুণ বিলাপ কয়ল ঃ তাহে দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ কৌ।। জতিমান (মানযতি)**

**ধ্ৰুং।।**

এসুত মাধৱ হে কি মেৰি কপাল।
কহিৰ দাৰুণ সৰ্প্প তেৰি ভৈল কাল।।

**পদ।।**

কাহাঁ যাঅ অগনি জ্বালিয়ে মেৰি গাৱ।
কেনা আসি হামাক বোলব অৱ মাৱ।।
ধূলাজাৰি কাহাক ধৰবো বোকে তুলি।
হৃদয় ধাকুৰে জসোমতী এহি বুলি।।
এগৃহ গোধন ধন সাঞ্চে কাৰ তৰে।
কেনা পান কৰব গোৰস মেৰি ঘৰে।।
মধুৰ অধৰে কোনে বজাইবে বেনু।
চাৰব বিহানে কোনে মেলি মেৰি ধেনু।।
কিনা দোষে প্ৰাণ পুত্ৰ তেজলি হামাৰি।
হৰয় চেতন দিশ দেখু আন্ধিআৰি।।
তোহাৰি জননি হেৰ মৰি যাঞঁ তাপে।
কহতু শঙ্কৰ জসোমতীক সন্তাপে।।

**কথা।। যশোদা বোল।।**

ঐচন পৰম বিলাপ কয় ঃ জযোৱা ডাকি বোলল ঃ হা প্ৰাণ পুতাই ঃ শোকে প্ৰাণ যাই ঃ কি ভৈল বিলাই ঃ কহিৰ দাৰুণ সৰ্প্প আসি ভৈল কাল। কত তপসাইলো ঃ তোক পুত্ৰ পাইলো ঃ হাততে হৰাইলোঁ ঃ কোনে মোক মাতিবেক আই বুলি ঃ কাক ধূলা জাৰি ঃ বোকে লৈবো তুলি ঃ পুত্ৰ পুত্ৰ বুলি ঃ জীৱন নযায় কিয়নো ঃ মই অভাগী এ ঃ সুচান্দ বদন পুতাই ঃ নাহি মোৰ ঘৰে ঃ ব্ৰজেৰ জীৱন ঃ কমল নয়ন ঃ গৃহ সুহায়ন এ ঃ প্ৰভাতে কাহাক জগাইবো পুতাই বুলি ঃ কোনে স্তন খাইব ঃ কোনে বংশী বজাইব ঃ কোনে ব্ৰজে আইব এ ঃ পুতাইৰ লগত মৰোঁ হ্ৰদে জাম্প দিয়া।

হ্ৰূদক চাই যশোৱা বোলল ঃ

অয়ে পাপী ক্ৰুৰ সৰ্প্প ঃ পুত্ৰক প্ৰাণ লেলি ঃ আহেক সঙ্গে দংশি হামাক মাৰহ।।

**সূত্ৰ।।**

ওহি বুলি কৃষ্ণক শোকে প্ৰাণ ধৰয়ে নাহি পাৰি ঃ গোপ গোপি সহিত নন্দ যশোদা হা কৃষ্ণ হা কৃষ্ণ বোলি হ্ৰূদত ঝাম্প দিতে যায় ঃ তাহে পেখি বলভদ্ৰ ৰহ ৰহ বোলি আগভেটি নিবাৰণ কয় বোলল ঃ

**কথা।।**

আহে পিতৃ-মাতৃ ঃ আহে গোপগোপি সৱ ঃ কি কৰিতে চাৱ ঃ ৰহ ৰহ কিছু চিন্তা নাহি ঃ তুহো সৱ কিছু জানয়ে নাহি ঃ ওহি দুষ্ট সৰ্পক দণ্ড কৰিয়ে ঃ তোহো সৱ কৌতুক দেখহ ঃ বৈঠি ৰহ ঃ বৈঠি ৰহ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ বলোক বাক্যে ব্ৰজবাসীসৱ ঃ কিচো শান্ত হুয়া ঃ পৰিঅৰ্ত্তি নিঝম পৰিয়ে ঃ কৃষ্ণক মুখ নিৰেখি ৰহল।।

**শ্লোক।।**

দৃষ্ট্ৱা ৱিষাদং গোৱিন্দো ভক্তানাং ভক্তৱৎসলঃ।
আস্ফোট্য সহসোত্তস্থৌ ৱিমুক্ত ঃ সৰ্পবন্ধনাৎ।।

**সূত্ৰ।।**

মনুষ্য চেষ্টা দৰশিএ ঃ শ্ৰীগোপাল দুই দণ্ড সৰ্পক বন্ধনে পড়ি ৰহল ঃ তদনন্তৰে ঃ গোপ-গোপি সৱক ঃ পৰম বিষাদ দুঃখ দেখিএ ঃ শ্ৰীকৃষ্ণ আস্ফোট কয় উৰুফাল দেলহ ঃ কালি-সৰ্প্প পৰম চোট পাই ঃ কৃষ্ণক চাড়ি উফড়ি পড়ল ঃ হাজাৰেক ফণা তুলি ঃ কৃষ্ণক চাই ফোফাই ঃ কোপে চক্ষু আৰকত ঃ জিহ্বাএ কোৰাৰি চেলেকঅ ঃ নাকে মুখে বিষবহ্নি বৰিষয় ঃ পেখি শ্ৰীকৃষ্ণ পৰম আটোপে কালিক হাস্ফোলল তাহেক বেঢ়ি ঃ চক্ৰাকাৰে চমৎকাৰে ঃ পাক ফুৰাইতে লাগল ঃ সে অনন্ত বীৰ কালি ঃ মহাফোৎকাৰ কৰিয়ে ঃ কৃষ্ণক সন্মুখে ভৰময় ঃ তাহে পেখি জগতক নাথে লীলায়ে কালিক মাথে আড়ম্বৰে চড়ল।।

**শ্লোক।।**

ততঃ শিৰাংসি সৰ্পস্য পম্ভ্যামামৰ্দ্য মাধৱ ঃ।
ননৰ্ত্ত লীলয়া সৰ্ব্ব কলাদিগুৰুৰীশ্বৰঃ।।

**কথা সূত্ৰ।।**

তদন্তৰ ঃ কালিক মাথে চড়ি ঃ শ্ৰীকৃষ্ণ দুই পাৱে ফণাক মৰ্দিএ নৃত্য আৰম্ভল ঃ সে সময়ে গন্ধৰ্ব্ব বিদ্যাধৰ সৱ আসি কহোঁ ঃ তাল কৰতাল ঠুকি মৃদঙ্গবজাৱয় ঃ তাহেক চেঅ লৈয়া শ্ৰীকৃষ্ণ যৈচে কৌতুক নৃত্য কয়ল ঃ তা দেখহ শুনহঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ গৌৰী।। দোমানি পৰিতাল।। যতিমান**

**ধ্ৰুং।।**

কালা কানু নাচে চৰণ চলাই।
কৰতু কৌতুক নৃত্য কেশৱ ৰাই।।
অৰুণ চৰণ চলাই ৰে
দেৱ মুনি শিৰে শিৰিষ বৰিষে
হৰিষে হৰিগুণ গায় ৰে।।

**পদ।।**

কাল কালিক মাথে চড়ি ভৰি
পীড়ি ক্ৰীড়ি কানু নাচে ৰে।[14]
মৃদঙ্গ দিমি দিমি নাদে দুন্দুভি
সিদ্ধ সৱ বায় কাচে ৰে।।
পাক ফিৰি ফিৰি ভিড়ি ভিড়ি পাৱে
শিৰে শিৰে পাৱে ডেঅৱে।
অঙ্গ ভঙ্গিম ৰঙ্গ কৌতুকে
নাচত এ আদি দেৱ ৰে।।

**সূত্ৰ।।**

14। কাল কালিক মাথে/চুড়ি ভিড়ি ভিড়ি/ক্ৰীড়ি কাণু নাচেৰে

ঐচন জগতক পৰম গুৰু নাৰায়ণ শ্ৰীগোপালক ভৰ সহিতে নাপাৰি কালি অচেতন ভেল ঃ পৰম পীড়াত ঘাৰ ওলমল[15] ঃ নাকে মুখে ৰুধিৰ চান্দে ঃ মহাদুখে অন্ধকাৰ দেখে ঃ যত মদ গৰ্ব্ব দম্ভ দৰ্পণ সৰ্পক সৱ চুৰ ভেল ঃ বাক্য মুখে হৰল ঃ ঐচন পৰম গুৰুক আপদ ঔষধ পাই[16] কালিক মন নিৰ্ম্মল ভেল ঃ নয়নৰ নীৰ নিঝুৰয় ঃ কৃষ্ণক পৰম ঈশ্বৰ পুৰুষ জানি মনে শৰণ লেলহ।।

**শ্লোক।।**

নাগপত্ন্যঃ পতিং ৱীক্ষ্য মুমূৰ্যুৰ্ঙ্গতচেতনম্।
তুষ্টুবুঃ কৃষ্ণমভ্যেত্য ভৰ্ত্তুৰিৰহ কাতৰাঃ।।

**কথা সূত্ৰ।।**

কালিক ভাৰ্য্যা ঃ যত নাগনাৰিসৱ ঃ স্বামি মৰয় দেখি ঃ পৰম সন্তাপে আকুল মতি হয়া ঃ হৃদয় মুষ্টি হানে ঃ নয়নক নীৰ ঝুড়াৱে ঃ হা স্বামী হা স্বামী বোলি ঃ শিশুসৱ আগ কৰি এ ঃ যৈচে বিলাপ কৰিতে আৱে ঃ তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।।

**গীত।। ৰাগ বেলোৱাৰ।। ৰূপক তাল**

**ধ্ৰুং।।**

নাগনাৰি আৱয়ী অৱনত কায়ী।
তাপিত তনু মন নয়ন ঝুৰায়ী।।

**পদ।।**

পিউক সন্তাপে প্ৰাণ ফুটি জাই।
ফোকাৰয় ঘনে মন চেতন নাই।।
পৰিএ হৰিক আগু কয় পৰণাম।
কহতু শঙ্কৰে গতি গোৱিন্দ নাম।।

**কথা সূত্ৰ।।**

---

15। উলমিল/তলমল 16। ঐচন পৰম আপদ ঔষধ পাই

ঐচন পৰম সন্তাপে ঃ কৃষ্ণক আগু পড়ি পৰণামি ঃ নাগ পত্নীসৱ ঃ কৰ যোৰি স্বামিক দুখ মোক্ষণ মনে তুতি আৰম্ভল।।[17]

**পয়াৰ।।**[18]

ঘোৰ অপৰাধ আচৰল ওহি চণ্ড।
বিহিলা ইহাক হৰি সমুচিত দণ্ড।।
পুৰাণ পুৰুষ তোহো সনাতন হৰি।
আছা দেৱ দুষ্টক দণ্ডিতে অৱতৰি।।
ইটো দণ্ডে স্বামি ওহি এড়াইলা পাতক।
বৰতো অধিক দেখোঁ তোহাৰ ক্ৰোধক।।
ইটো পদ পঙ্কজৰ পাইলা ধূলাচয়।
কি হেতু ইহাৰ হেন ভৈল ভাগ্যোদয়।।
লক্ষ্মী ব্ৰহ্মা মহেশ প্ৰভূতি দেৱগণে।
ইটো পদৰজ খুজি নপাৱে যতনে।।
তামসিক ক্ৰুৰ ক্ৰোধি কালি সৰ্প্পজাতি।
কিমতে পাইলেক ইটো পদধূলা আতি।।
নমো নমো অনন্ত শকতি নাৰায়ণ।
কাৰণৰো কাৰণ তুমিসি অকাৰণ।।
নাহি আদি অন্ত পৰিছিন্ন মধ্য সাৰ।
পূৰ্ণানন্দ দেৱ হেৰা কৰো নমস্কাৰ।।
নমো নমো অতৰ্ক্য মহিমা দেৱ হৰি।
জগতক ব্যাপিয়া আপুনি আছা ধৰি।।
তোহো সৰ্ব্বসাক্ষী ৰাখি আছা প্ৰাণীচয়।
তোহ্মাতে সে হন্তে হোৱে সৃষ্টি স্থিতি লয়।।
যাহাৰ চাৰিও মুখ্য মূৰ্তি অনুপাম।

---

17¼ উহি বুলি নয়নক নীৰ জুৰাই পতিক সন্তাপে নাগিনিসৱ যৈছে বিলাপ কয়ল ঃ

18। 'দশম'ৰ (আদ্য) নাগপত্নীসকলৰ তুতিৰ 641-651 পদ দ্ৰষ্টব্য। মাজে মাজে দুই-এশাৰী এৰা হৈছে আৰু দুই-এটা শব্দ ইফাল-সিফাল কৰা হৈছে।

ৰাম কাম অনিৰুদ্ধ বাসুদেৱ নাম।।
হেন ভগৱন্ত কৃষ্ণ দেৱতাৰ দেৱ।
তোহাৰি চৰণে কৰোঁ শত কোটি সেৱ।।

**সূত্ৰ।।**

ঐচন তুতি কৰি কহু ঃ নাগ নাৰিসৱ সকৰুণভাএ শ্ৰীকৃষ্ণক কাৰ্প্পণ্য কৰিতে লাগল।।

**নাগনাৰিসৱ বোল।।**

হে পৰম ঈশ্বৰ ঃ তোহাৰি পদ প্ৰহাৰে ঃ স্বামি মৰি জাই ঃ ওঁহি দুৰ্যনে ঃ তোহাক নজানি দংসল ঃ ইহাক দোষ বাৰেক মৰস গোসাঞিঁ।। তোহাৰি আগু ওঁহি ক্ষুদ্ৰ পতঙ্গ ঃ আহেক মাৰি কোন জশ সাধব ঃ দেখো স্বামীক ধাতু প্ৰাণ ৰহে নাহি ঃ জত লাগে মানে শাস্তি পাৱল ঃ হে পৰম ঈশ্বৰ ঃ শ্ৰীকৃষ্ণঃ অৱ
কৃপা কৰু ঃ হামাক অনাথ কৰবি নাহি ঃ তোহাৰি আগু আঞ্চোল পাতি ঃ পতিদান মাগোঁ।।

**সূত্ৰ।।**

ওহি বোলিতে নয়নক নীৰ ঝুৰে ঃ পতিক সন্তাপে নাগিনিসৱ যৈচে পুনু ঃ বিলাপ কয়ল ঃ তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ সুহাই।। যতি মান**

**ধ্ৰুং।।**

অবহু কৰুণা কৰু কৃপাল-গোপাল।
তেজৱি জীৱন স্বামিক মিলে কাল।।

**পদ।।**

তোহো নাহি জানিএ দংসল ওঁহি চণ্ড।
সমুচিত অহিক কয়লি দেৱ দণ্ড।।
তুআ পাৰে বিদিত সতিক পতি প্ৰাণ।
আঞ্চোৰ পাতিআ আমি মাগো স্বামিদান।।
তেজয় জিৱন পিউ প্ৰাণ টুটি যাই।

পাপিক দোষ সৱ মৰষ গোসাঞিঁ।।
কৰয় কাতৰি বিলপতি পৰি নাৰি।
কহতু শঙ্কৰ অৱ উদ্ধৱ মুৰাৰি।।

**কথা সূত্ৰ।।**

নাগ-নাৰিসৱ স্বামিক সন্তাপে ঐচন বিলাপ কৰি কহুঁ কৃষ্ণক আগু পৰি ৰহল ঃ নয়নক নীৰ ঝুৰে ঃ হা স্বামি বোলি হৃদএ মুঠি হানি আৰ্তৰাৱ কৰিএ থিক।।

**শ্লোক।।**

নিশম্য নাগনাৰীণাং করুণং কমলেক্ষণঃ।
কালিয়-শিৰসঃ কৃষ্ণ কৃপয়াৱততাৰ সঃ।।

**কথা সূত্ৰ।।**

তদনন্তৰ ঃ নাগবধুসৱক পৰম সন্তাপ পেখিয়ে ঃ শ্ৰীকৃষ্ণক কৃপা উপাজল ঃ নাগনাৰিসৱক সম্বুধি বোলল।।[19]

**শ্ৰীকৃষ্ণ বোল।।**

আহে কালিক ভাৰ্যা নাগিনিসৱ ঃ সন্তাপ চোড়হ ঃ [তোৰাসৱৰ ভক্তিত হামু পৰম সন্তুষ্ট ভৈলোঁ ঃ ইদানিক কালিক প্ৰাণ ৰাখল ঃ হামাৰ পদ পৰশনে উহি কালিক সংসাৰ বন্ধ চোড়ল ঃ ইহা জানি তোৰা সৱ দুঃখ চোৰ।]

**সূত্ৰ।।**

ওহি বুলি ঃ দেঅ দিয়া ঃ নামি ঃ সৰ্প্পক ফণাহন্তে ঃ অন্তৰ হুয়া ৰহল।[20]

**শ্লোক।।**

ততো ৱিমূৰ্চ্ছিতঃ কালিয়ঃশনৈঃ সম্প্ৰাপ্য চেতনাম্।
তুষ্টাৱ তুত্যোেষ শিৰসা নত্বা মত্বা কৃষ্ণং মহেশ্চৰম্।।

**সূত্ৰ।।**

---

19। পৰম সন্তাপ পেখিয়ে ঃ সে ভকতবৎসল ঃ শ্ৰীকৃষ্ণঃ পৰম সন্তুষ্ট হুৱা ঃ নাগপত্নীসৱক বোলল। 20। ওহি বুলি শ্ৰীকৃষ্ণ জাম্প দিয়া কালিক মাথ হন্তে নামল।[-] —ৰ বন্ধীৰ ভিতৰত অংশ সকলো পুথিতে নাই।

তদনন্তৰ নাগপত্নীসৰক পৰম সন্তাপ পেখিয়ে ঃ সে ভকতবৎসল ঃ শ্ৰীকৃষ্ণঃ পৰম সন্তুষ্ট হুৰা ঃ নাগপত্নীসৰক বোলল।।

**কথা সূত্ৰ।।**

যমপুৰ পাই ঃ কালি কথঙ্কথমপি প্ৰাণ নিৰ্ব্বল ঃ মহাপিড়া পাই ঃ ফোফাঅত ঃ আপদ ঔষধি পাই সৰ্প্পক দৰ্প্পচুৰ ভেল ঃ চিত্ত শান্ত হয়া ঃ আখি মেলি ঃ কৃষ্ণক আগু দেখিএ বোলল ঃ ওহি কৌটি ব্ৰহ্মাণ্ড ঈশ্বৰ নাৰায়ণ জানি ঃ ত্ৰাহি ত্ৰাহি স্বামী কৃষ্ণ বোলি ঃ শিৰে চৰণ পৰশিয়ে ঃ পৰণাম কয়ল[21] ঃ পশ্চাৎ জানু পাৰি কৰ যোৰি ঃ তুতি আৰম্ভল।

**পয়াৰ।।**

জয় জয় জগত মহেশ্বৰ। ব্ৰহ্মা শঙ্কৰ জাহে কিঙ্কৰ।।
জয় ভকতক ভয়হাৰি। নমো হৰি চৰণ তোহাৰি।।
তুৰা পাৰে অতয়ে সাধি। মঞিঁ পাপী অপৰাধি।।
দংশলো দেৱ নজানি। মৰষ দোষ পদ্মপাণি।।
ক্ৰুৰ সৰ্প অহঙ্কাৰি। স্ৰজনা তোহাৰি মুৰাৰি।।
মোহল মন তযু মায়া। আজু কয়লি দেৱ দায়া।।
গৰব গুচাঅলি মোৰ। বিসয় আপদ ঘোৰ।।
দূৰ কৰ অৱ মোয়ি। চিন্তো চৰণক তোই।।
দেহু হৰি মোহি ওহি সিক্ষা। মাগিয়ে ভুঞ্জিবো ভিক্ষা।।
ভৰসো তুৰা গুণ গাই। কৰলু অতয়ে কৰুণা গোসাঞিঁ।।

**কথা।।**

হে পৰম পুৰুষ নাৰায়ণ শ্ৰীকৃষ্ণঃ ওহি পৰম আপদ বিসয় জঞ্জাল দূৰ কৰহ ঃ গলে কন্থা বান্ধি ঃ ভিক্ষা মাগি ঃ তোহাৰি চৰণ চিন্তি ঃ গুণ নাম গাই বেড়াঐঁ ঃ বাপ জগন্নাথ ত্ৰাহি ত্ৰাহিঃ বুলি আগু পৰল।।

---

21। কোনো কোনো পুথিত-- 'হে পৰমেশ্বৰ শ্ৰীকৃষ্ণঃ তোহো দেৱক পৰম দেৱতা ঃ তোহাক মহিমা নাহি জানি হামু পাপী দংশলা ঃ সোহি অপৰাধ মৰষ গোসাঞিঃ তোহাৰি চৰণে হামু শৰণ লৈলো ঃ বাৰেক ৰক্ষা কৰহ ঃ বাপ জগন্নাথ ত্ৰাহি ত্ৰাহি ঃ ওহি বুলি আগু পৰল।'

**শ্লোক।।**

ৰীক্ষ্য ভক্তিং ততস্তস্য তুষ্টঃ কৃষ্ণো জগাদ তম্।
মাভৈৰ্ভূ জগতীৰ্ণোঽহসি মম মায়াং দুৰত্যয়াম্।।

**কথা।। শ্ৰীকৃষ্ণ বোল।।**

আহে সৰ্পৰাজ কালি ঃ তোহোঁ ভয় কৰবি নাহি ঃ হামাক প্ৰসাদে ঃ ওঁহি মায়া সংসাৰ তোহোঁ নিস্তৰল ঃ সম্প্ৰতি ওঁহি যমুনাক হ্ৰদ চোড়ি তোহাৰি পূৰ্বস্থান ৰমনক দ্বীপ ঃ তাহেক লাগি সপৰিবাৰ চলহ ঃ এই চলহ ঃ গৰুড়ক কিচো সঙ্কা কৰবি নাহি ঃ হামাৰ চৰণক চিহ্ন ঃ ধ্বজ বজ্ৰ পঙ্কজ ঃ তোহাৰি ফণাত লাগি ৰহল ঃ তাহে পেখি ঃ হামাক ভয়ে ঃ গৰুড়ে কিচো কৰব নাহি ঃ বিলম্ব চোড়ি ঃ এহি চলহ।।[22]

**শ্লোক।।**

নিশম্য নিৰ্ভয়াং ৰাণীঃ কৃষ্ণস্য ভূজগস্তদা।
নত্বা সপৰিৱাৰেণ যযৌ ৰমণকং মুদা।[23]

**কথা সূত্ৰ।।**

---

22। তা দেখি ভকত বৎসল কৃপালু গোপালে কালি সৰ্পক বোলল ঃ শ্ৰীকৃষ্ণ।। আহে সৰ্পৰাজ কালি তোহাৰ অপৰাধ হামু ক্ষমা কয়লোঁ ঃ অৰ ভয় নাহি কৰবি ঃ হামাক প্ৰসাদে তোহাৰি উহি সংসাৰ মায়া নিস্তৰল। কিন্তু হামু এক কথা কহোঁ তা শুনহ-- তোহোঁ উহি হ্ৰদ চাড়ি পুত্ৰ পৰিবাৰ সমন্বিতে তোহাৰ পুৰ্বস্থান ৰমণক দ্বীপ চলহ।

¼¼ সূত্ৰ।। শ্ৰীকৃষ্ণক পৰম নিৰ্ভয় বাণী শুনি মহা হৰিষে কালি সপৰিবাৰে কৃষ্ণক প্ৰণাম কয়ল। চৰণক ধূলি লেলহ। ভয়হীন হুয়া পুনু বোলল ঃ হে প্ৰভোঙ্গ তোহাৰি আজ্ঞা শিৰে ধৰি হামু ৰমণক দ্বীপ এক্ষণে চলিলোঁ। কিন্তু তোহাৰি ভক্ত গৰুড়ক ডৰে হামাৰ ধাতু উৰি যায়। তাহেৰ উপায় হামাক দেহ। ।। সূত্ৰ।। কালিক সকৰুণ বাক্য শুনি শ্ৰীকৃষ্ণ বোলল ঃ

শ্ৰীকৃষ্ণ-- হে কালি সৰ্পৰাজঙ্গ তোহাৰি শিৰমধ্যে হামাৰ পদ-পঙ্কজৰ চিহ্ন জ্বলি আচয়। তাহেক দেখি গৰুড়ে তোহাক কিছু কৰব নাহি। ইহা নিষ্ট জানি তোহোঁ পৰিবাৰ সহিতে সত্বৰে ৰমণৰ দ্বীপ চলহ। ঐ চলহ।

23। কৃষ্ণস্য বচনং শ্ৰুত্বা ত্বৰয়া কালি ভূজঙ্গঃ। সপত্নী সহস্য দ্ৰুতং যযৌ ৰমণকং মুদা।

শ্ৰীকৃষ্ণক পৰম নিৰ্ভয় বাণি শুনিএ ঃ মহা হৰিষে কালি সপৰিআৰে কৃষ্ণক প্ৰণাম কয়ল ঃ চৰণক ধূলি লেলহ ঃ হে স্বামী কৃষ্ণ বিদায় কয়ল বুলি ঃ প্ৰেমে সলোতক নয়নে ঃ যৈচে চলল ঃ তাহে দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।[24]

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্ৰুং।।**

কৃষ্ণৰ চৰণে কৰিয়ে বিদায়।
চললি কালি ৰমনক লাই।।
ফণামণি জিলিমিকি কৰে পৰকাশ।।
নাগ ৰমণীগণ চলে লয়লাস।।
আহিতে হৰিসে হৰিগুণ গাৱে।
কহ শঙ্কৰ গতি গোৱিন্দ পাৱে।।

**কথা সূত্ৰ।।**

ঐচন পৰকাৰে ঃ [কালি ৰমণক দ্বীপ পাই পুত্ৰ পত্নী সহিতে হৰিগুণ গাই আনন্দে ৰহল ঃ ই কথা ৰহোক। তদনন্তৰে শ্ৰীকৃষ্ণ] কালিক দমি ঃ হ্ৰদ হন্তে দূৰ কৰিকহোঁ ঃ শ্ৰীকৃষ্ণ কৌতুকে কালিন্দি তীৰে আৱল ঃ দেখি আনন্দে গোপীসৱ জয় কৃষ্ণ বুলি বেঢ়ল ঃ মুখ পঙ্কজক ঃ যৈচে নয়ন ভ্ৰমৰে পান কৰৈছে ঃ নন্দ-যশোদা বাহু মেলি ঃ গলে বান্ধি ধৰল ঃ ঘনে ঘনে সিৰ সুঙিঘ লোতকে শৰীৰ তিয়াৱল ঃ গদ গদ বাক্যে বোলল।।

**যশোদা বোল।।**

আহে পুতা কি নিমিত্তে ঃ হ্ৰদক মাঝে ঝাম্প দেলহ ঃ অঃ হামাক মাৰিতে চাঅল ঃ তোহাৰি সন্তাপে আজু প্ৰাণ চাড়ল হোই।।[25]

---

24। শ্ৰীকৃষ্ণক বচনে কালি সৰ্প আপোন পুত্ৰ পৰিবাৰ সহিতে সলোতক নয়নে যৈচে ৰমণক দ্বীপে ত্বৰিতে গমন কয়ল (চলল) তা নিৰন্তৰে হৰি বোল হৰি।।

**সূত্ৰ।।**

তদনন্তৰে পুত্ৰক গলে বান্ধি নন্দ বোলল ঃ

**নন্দ বোল।।**

আহে পুতাই ঃ কত তপসাই তোহাক পুত্ৰ পাৱলোঁ ঃ আজু হাততে হাৰাৱলি হন্তে ঃ হামু কাহাকো কিছু হানি নাহি কৰোঁ গুণে ঃ তোহাক গোসাই ৰক্ষা কয়ল ঃ কোনোবা জন্মৰ ভাগ্য ফলে ঃ আজু হাৰাইবাৰ পুত্ৰ পাৱলোঁ।।

**সূত্ৰ।।**

ওহি বুলি ঃ মৃতক পুত্ৰক পাই ঃ পৰমানন্দে নন্দ যশোদা ৰহল ঃ তদন্তৰ ঃ কৃষ্ণক প্ৰভাৱ জানি হাসি হাসি আসি বলভদ্ৰে আলিঙ্গি ধৰল ঃ গোপবালক সৱে কৃষ্ণক পাই মনে উল্লসিত হুয়া শিঙ্গা বংশী নাদ কয়ল ঃ গৰু গাই সৱে কৃষ্ণক জীৱাৰ দেখি পৰম হৰ্ষিত হুয়া তৃণ খাইতে লাগল ঃ ঐচন পৰকাৰে ঃ কৃষ্ণক আৰৱি কৌতুকে হাসিতে মাতিতে দিৱস অৱসান ভৈল ঃ ৰাত্ৰি মিলল ঃ তাহে পেখি শ্ৰীকৃষ্ণ বোলল ঃ

**কথা।।**

হে মাতা ঃ হে পিতা ঃ হে গোপ গোপিসৱ ঃ আজু ৰাত্ৰি ব্ৰজ যাইতে পাৰয়ে নাহি ঃ যৱ সৱহি ভল্ল দেখহ ঃ তৱে এথাতে ৰজনী বঞ্চহ।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণক ঐচন বাক্য অনুমানি যত গোকুলবাসি সৱ যমুনাক তীৰে শুতি ৰহল ঃ ক্ষুধায়ে তৃষ্ণায়ে হাৰাশাস্তি হুৱা নিৰ্ভয়ে নিদ্ৰা গেলহ।।

**শ্লোক।।**

---

25। পা. যশোদা বোল ঃ আহে পুতাই তোহো কি নিমিত্তে হ্ৰদ মাঝে জাম্প দেলহ? অঃ আজু গোসাঁই ভালে ৰক্ষা কয়ল। তোহোঁ যদি নিজিলি হন্তে, তেন্তে উহি হ্ৰদে জাম্প দিয়া হামু মৰোল হন্তে। কোন ভাগ্যোদয়ে তোহাক হৰি ৰক্ষা কয়ল। আবেসে হামাক হৃদয় জৰাৱল।

তেতো লোকাঃ সমুত্তস্থুঃ ৱেষ্টিতা ৱনৱহ্নিনা।
চুক্রুশুঃ কৃষ্ণ কৃষ্ণেতি ত্ৰাহি ত্বং নিজ কিঙ্কৰান্।।[26]

**কথা সূত্ৰ।।**

তদনন্তৰ ঃ নিদ্ৰাতে ব্ৰজবাসিক ঃ বনাগ্নি বেঢ়ল ঃ তাহেক প্ৰচণ্ড সবদ সুনিএ ঃ নিদ্ৰা ভঙ্গ ভেল ঃ বিস্ময় হুয়া জাগল ঃ প্ৰচণ্ড বহ্নি পেখিএ সৰিৰ কাম্পে ঃ পৰম ত্ৰস্ত হুয়া ঃ ত্ৰাহি ত্ৰাহি কৃষ্ণ বোলি ঃ কোলাহল কৰিতে লাগল।।

**গোপীসৱবোল।।**

হে অনাথক নাথ ঃ হে দিনদয়াল স্বামি কৃষ্ণ ঃ হামাক ওঁহি শৰিৰ আৱশ্যক পৰব ঃ ইহাক চিন্তা নাহি নাথ ঃ ওঁহি সংসাৰ তাৰক তোহাৰি অৰুণ চৰণ ঃ তাহে পুনৰ্বাৰ নাহি দেখব ঃ ওঁহি দুখানলে হৃদয় দাহ কৰে।।

**সূত্ৰ।।**

ওঁহি বোলি যৈচে আৰ্ত্তৰাৱে ঃ ক্ৰন্দন কয় লাগল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ শ্ৰীগান্ধাৰ। পৰিতাল**

**ধ্ৰুং।।**

আৰে হৰি হৰি গোপাল ঃ
প্ৰাণ মিলে মৰণ হামাক ৰে ঃ
অৰণ্য অনলে দহে ঃ মধাই উদ্ধাৰু ৰে।।

**পদ।।**

নাহি ওঁহি দুঃখ ঃ মোহি জিৱ জৱ জাই।
নাচিন্তিত হামু ঃ ওহি মৰণক লাই।।
অৰুণ চৰণ আৰ ঃ নেদেখোঁ তোহাৰি।

---

26। পা. 'ৱনাগ্নিনা বৃতা দৃষ্টা ব্ৰজৱাসী সকাতৰাঃ। কৃষ্ণস্য চৰণং বৃণে ভীতি বিহ্বল মানসকঃ।। ততো লোকাঃ সমুত্ৰস্থাঃ .......। .... .... .... কিঙ্কৰান্।' এই দুইশাৰী পোৱা যায়।

ওহি দুঃখ দহে দেহা ঃ মধাই হামাৰি।।
আৰাৰে কাতৰ কৰোঁ ঃ ঐ বন্ধু মধাই।
বাপ চাপ সমিপ খানিক থাকো চাই।।
আজু আশা দূৰ গেল তুৱা দৰসনে।
কহতু শঙ্কৰ গতি গোৱিন্দ চৰণে।।

**কথা সূত্ৰ।।**

ব্ৰজবাসী সৱ বোলল।

**পয়াৰ।।**

ত্ৰাহি ত্ৰাহি কৃষ্ণ হেৰা পৰিলোঁ বিপাকে।
চৰণে শৰণ লৈলোঁ ৰাখিয়ো হামাকে।
বন বহ্নি পুৰি মাৰে যত ব্ৰজবাসী।
কেনে ৰঙ্গ চাই আছা আমাক নাৰাখি।।
তুমি বিনে সুহৃদ বান্ধৱ নাহি আন।
সঙ্কটে পৰিলোঁ হৰি কৰা পৰিত্ৰাণ।।
মৰণক শঙ্কা নাহি  মৃত্যু হৌক সাৰ।
আৰ না দেখিবো মাত্ৰ চৰণ তোহ্মাৰ।।
তযু দৰশন আজিহন্তে ভৈল ছেদ।
হৰি হৰি প্ৰাণকৃষ্ণ ইসে হৃদি খেদ।।
গোকুলৰ জীৱন তুমিসি নিজধন।
ভকতৰ ভয়হাৰী কৰা পৰিত্ৰাণ।।

**সূত্ৰ।।**

ভকত ব্ৰজবাসীসৱ ঐচন প্ৰেম উপজি পুনু যৈচন স্তুতি কয়ল ঃ তা দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ ভাঠিয়ালি।। পৰিতাল**

**ধ্ৰুং।।**

ত্ৰাহি ত্ৰাহি হেৰো  প্ৰাণ নাৰায়ণ
হৰিএ বাপ শৰণে পশিলোঁ।

বন বহ্নি দহে নৰহে জিৱন
আৰেসে নসিলোঁ।।

**পদ।।**

নাহি ওঁহি সোক মৰণ মিলোক
আৰ নাচিন্তিহো হামি।
তোহাৰি অৰুণ চৰণ পঙ্কজ
পুনু নেদেখৱ স্বামি।।
সন্নিহিত চাপ গোপাল এ বাপ
খানিক দেখিএ থাকোঁ।
কমল নয়ন এ ব্ৰজ জিৱন
তোৰে ভৃত্য সৱে ডাকোঁ।।
ৰূপে মদন এ চান্দ বদন
দেখিতে নপাইবো আৰ।
তোহাৰি বিয়োগ আগি পিড়ে প্ৰাণ
অধিকে (অৱ) হামাৰ।।
আপদে মগন গোপ গোপিগণ
আৰাৰে কাতৰ কৰে।
মাধৱ বান্ধৱ উদ্ধাৰ কৰতু
কহয় কৃষ্ণ কিঙ্কৰে।।

**সূত্ৰ।।**

ঐচন ভকতসৱক আৰ্ত্তৰাৱ শুনিএ ঃ শ্ৰীকৃষ্ণক পৰম করুণা উপজল ঃ হৃদয় আকুল ভেল।।

**শ্লোক ।।**

ততোহতিভীতান্ ভগৱান্ গোপানাশ্বাস্য সত্বৰম্।
মুখেন ৱহ্নিমপিৱৎ মহাযোগেশ্বৰো হৰিঃ।।

**কথা সূত্ৰ।।**

ঐচন ভকতক ভীতি পেখিয়ে ঃ শ্ৰীকৃষ্ণ বোলল ঃ আহে গোপগোপিসৱ ঃ হামু বিদ্যামান থাকিতে ঃ কোন চিন্তা থিক ঃ নিৰ্ভয়ে ৰহ।।[27] ওহি বুলি ঈশ্বৰ চেষ্টা দেখাই ঃ ততকালে সে প্ৰচণ্ড বহ্নিক মুখে পান কয়ল ঃ দুৰ্ঘোৰ বহ্নি যৈচে জল পৰিএ ততকালে নিৰ্ব্বাণ গেল ঃ তাহে পেখি গোপ গোপিসৱ জয়কৃষ্ণ জয়কৃষ্ণ বোলি জোকাৰ পাৰল।।[28]

**শ্লোক।।**

শ্ৰীকৃষ্ণস্যাদ্ভুতং কৰ্ম্মং দৃষ্ট্ৰা সৰ্ব্বেঽপি ৱিস্মিতাঃ।
অন্যোন্যমিতি প্ৰত্যুচুৰ্ণ নৰো নন্দ-নন্দনঃ।।

**কথা সূত্ৰ।।**

শ্ৰীকৃষ্ণক আশ্চৰ্য্য মহিমা দেখিয়ে ঃ পৰম বিস্ময় হয়া ঃ অন্যো অন্যে সম্বোধি বোলে ঃ।।

**ব্ৰজবাসী বোল।।**

আহে ভাইসৱ ঃ দেখো দেখো ঃ ওহি নন্দ-নন্দন মানুষ নোহে ঃ প্ৰচণ্ড বহ্নিক ততকালে মুখে পান কয়ল ঃ ওহি মনুষ্যক কাম ঃ অ ঃ জানল ঃ যে পৰম পুৰুষ পুৰুষোত্তম ঃ সনাতন নাৰায়ণ ঃ সে ভূমিক ভাৰ হৰণ নিমিত্তে ঃ অৱতাৰ হয়ে থিক ঃ ইহাত কিছু সঙ্কা নাহি ঃ অ ঃ হামাক ভাগ্যৰ মহিমা কি কহব ঃ ওহি জগতক গুৰু নাৰায়ণ সহিত ঃ হামাক সঙ্গ ভেল ঃ হামু নিস্তৰল।।[29]

**সূত্ৰ।।**

---

27¼ পা. শ্ৰীকৃষ্ণ ঃ আহে ব্ৰজবাসী সৱ ঃ তোহো সৱে ভয় নাহি কৰবি ঃ নিৰ্ভয়ে ৰহ ঃ হামু বনবহ্নি এখনে নিবাৰ কৰব ঃ তোৰা সৱে কৌতুকে ৰহ।। 28। পা. ।। সূত্ৰ।। উহি বুলি শ্ৰীকৃষ্ণে বেণ্ট বাই বনাগ্নিক তত্তকালে পান কয়ল। তা দেখি গোপ গোপিসৱে পৰম বিস্ময় ভেল ঃ শ্ৰীকৃষ্ণক অদ্ভুত কাৰ্য দেখি অন্যোঅন্যে কহে ঃ।

29। পা. ব্ৰজবাসী।। আহে ভাইসৱ ঃ দেখু দেখু ঃ ওহি নন্দ-নন্দন মানুষ নোহয় ঃ কাৰ্য দেখি জানলোঁ উহি লক্ষ্মীক নায়ক শ্ৰীনাৰায়ণ ঃ দেখু ঐচন অদ্ভুত বনাগ্নিক মুখে পান কয়ল। মানুষক কি ঐচন প্ৰভাৱ ঃ হামু জানলোঁ উহি গকুলক প্ৰাণ ঃ ইহাক চৰণ চাৰি হামু সৱৰ গতি নাহি ঃ গতি নাহি।।

।। সূত্ৰ।। ঐচন প্ৰকাৰে ব্ৰজবাসী সৱ কৰ্ণাকৰ্ণি কয়ে ৰহল ঃ সোহি সময়ে ৰজনী প্ৰভাত ভেল।

ওঁহি বুলি শ্ৰীকৃষ্ণক প্ৰশংসিয়ে ঃ আবোৰি গোপ গোপি সব ঃ নয়ন ভ্ৰমৰে ঃ মুখ পঙ্কজক ঃ প্ৰেমে পান কৰিএ ৰহল।।

**শ্লোক।।**

গোৱিন্দো ৱাদয়ন্ ৱেণুং গোকুলং গোপী গোপকৈঃ।
সাৰ্দ্ধং যযৌ জগন্নাথো হৰ্ষয়ন সুহৃদান্ মুদাঃ।।[30]

**কথা সূত্ৰ।।**

তদনন্তৰ ঃ কালিদমন বনবহ্নিপান ঃ পৰম ঈশ্বৰ লীলা দৰশিএ শ্ৰীকৃষ্ণ গোপ গোপি সহিত ঃ ধেনুসৱ আগ কয় চলয় ঃ কৃষ্ণগুণ গাই ঃ বংশী শঙ্খ শিঙ্গা বজাই ঃ গোপসৱ জাই ঃ গোপিসৱ পৰম প্ৰেমভাৱে হৰিগুণ গাই ঃ কৃষ্ণমুখ-পঙ্কজ কটাক্ষে নিৰেখিএ ঃ গোকুলে চললি ঃ তাহে দেখহ ঃ শুনহঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ কল্যাণ।। খৰমান**

**ধ্ৰুং।।**

গোকুলে চলেৰে মুৰাৰু
নীল শৰীৰ ৰঞ্জিত পিত জৌতি
চিৰুহিৰ হেমহাৰু।

**পদ।।**

বাৱত বেণু ধেনু ৰেণু তনু
কানু কৌতুক কয় জাই।
গোপ শিশু সঙ্গ অঙ্গ ত্ৰিভঙ্গম
ৰূপে ভুৱন ভুলাই।।
সঙ্গিনি ৰঙ্গিনি গোপিনি গাৱে

30। পা. গোপৱালকভিঃ সহ স কৃষ্ণো ব্ৰজৱাসিভিঃ।
ৱাদয়ন মোহনং ৱেণু প্ৰহৃষ্টো গোকুলং যযৌ।।

ভাৰে নিৰ ঝুৰাৰে।[31]
কানুক কমল অমল মূহ হেৰি
চললি লহু লহু পাৰে।।

শ্ৰীৰাম ৰায়া হৰি ৰস পায়া
মায়া কৰু নিৰজান।
একু কৃষ্ণক চৰণ পৰায়ণ
সঙ্কৰে হৰি গুণ গান।।

**কথা সূত্ৰ।।**

ঐচন পৰম কৌতুক কেলি কয় ঃ শ্ৰীকৃষ্ণ গোপ গোপী সহিত ঃ গোকুলক পায়ি ঃ পৰম আনন্দে ৰহল।। ওহি গোপালক ঃ কালি দমন ঃ বনাগ্নিপান ঃ লীলা জাত্ৰা ঃ জে সৱ লোকে শুনে ভনে ঃ তাহেক কৃষ্ণ চৰণে ঃ পৰম প্ৰেম-ভকতি বাঢ়ব ঃ ইহা জানি নিৰন্তৰে হৰি বোল।।[32]

**শ্লোক।।**

কৃষ্ণস্য কালিদমনং নাম যাত্ৰা চকাৰিতা।
যৎন্যূনাধিকং দোষং ক্ষম্যতাং ভগৱন্ প্ৰভো।।
নমঃ কৃষ্ণায় ৰামায় কামায় মহতে নমঃ।
নমোহৰৱিন্দনেত্ৰায় সদানন্দায় ভাস্বতে।।

---

31। পা. শ্ৰীকৃষ্ণ গোপবালক সৱ সহিতে পৰম ৰঙ্গে শিঙ্গা বংশী বজাই গো-ধেনু আগ কৰিয়ে ব্ৰজবাসী সৱ সহিতে গোকুলে চলল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

32। পা. কথা সূত্ৰ।। ঐচন পৰম কৌতুকে কেলি কয় ঃ .... আনন্দে বহল ঃ আহে লোক ! উহি কৃষ্ণক লীলা কালিদান যাত্ৰা উহিমানে সমাপত ভেল। ইহাক যাৱা সৱে কৰয়, কৰাৱয় যাৱা সৱে শ্ৰদ্ধাভাৱে শুনয় তাৱা সৱৰ শ্ৰীকৃষ্ণৱ চৰণে সপ্ৰেম ভকতি বাঢ়য়। ইহা জানি কৃষ্ণক চৰণে মনথিৰ কৰি, নিৰন্তৰে হৰি বোল হৰি।।

*[□]ৰ পদ দুজনা সকলো পুথিতে পোৱা নাযায়।

**ভটিমা।। মুক্তি মঙ্গল।।**

দৈৱকী উদৰে উদয় জোহি দেৱা
কয়লি ভকতক ত্ৰান।
অঘ বক ধেনুক কেশী সবংশক
কংসক ধ্বংসল প্ৰাণ।।
বিৰিন্দা বিপিন বিহাৰ বিশাৰদ
শাৰদ চন্দ্ৰ সমান।
সোহি জগত গুৰু তেৰি সততে কৰু
মুকুতি মঙ্গল বিধান।।

যোতি গোপবধূ বিহাৰ বিধৰ্যল
পৰি ৰম্ভল ভূজ মেলি।
যোহি যমুনাজলে জামিনি কামিনি
মিলি কৰয় ৰঙ্গ কেলি।।
দুষ্ট অৰিষ্টক মুষ্টিক মোড়ল
শঙ্খচূড় লেল প্ৰাণ।
সোহি জগত গুৰু তেৰি সততে কৰু
মুকুতি মঙ্গল বিধান।।

জোহি ভূমিকহুঁ ভাৰ উত্তাৰল
নিজ জন পূৰিএ কাম।
পাপি পাপক মূল উপায়ে
উচ্চাৰি জাকেৰি নাম।।
জাহে নাম সুনি নীচ স্বপচ মুনি
দোহো হয় এক সমান।
সোহি জগত গুৰু তেৰি সততে কৰু
মুকুতি মঙ্গল বিধান।।
সোহি বৈকুণ্ঠক কৃষ্ণক নাটক
উৎপাটক এ দুঃখ মূল।
পুণ্যক সঞ্চয় কলি মন ধ্বংসক

নাহি নাহি ওহি তুল।।
সুন সভাসদ দেখু বিচাৰি
ভেলহ লোক একাকাৰ।
ধৰমক কৰমক আশা দূৰ কৰ
হৰি বিনে গতি নাহি আৰ।।
[যাহেৰ চৰণ ৰেণু ব্ৰহ্মা শঙ্কৰ
হৃদয়ে কৰয়ে ধিয়ান
জাহেৰি ভকতি কৰিলে পুনু মিলে
পৰম ঈশ্বৰ জ্ঞান।।*]
শ্ৰীৰাম ৰাই হৰি বিনে নাই
জাহেৰি হৃদয় ধিয়ান।
ভকতিক শকতি যাহেৰ মিলল
পৰম ঈশ্বৰ গিআন।।
[পাষণ্ড দণ্ডন মণ্ডন ভকতক
হৰি ৰস সৱ লোই জান।
কালিদমন উহি বৰ নাটক
শঙ্কৰ হৰি গুণ গান।।*]
পাষণ্ড দণ্ডন মণ্ডন ভকতক
হৰি ৰস ৰসিক সুজান।
কালি দমন কৰাৱত নাটক
কৃষ্ণকিঙ্কৰ ওহি ভাণ।।
সুন সৱ লোই বচনক মোই
সৱ তেজি ভজ হৰি পাৱ।
ওহি ভৱ দুৰ্গম সাগৰ তৰণে
কৃষ্ণ-পাদ-পল্লৱ নাৱ।।
দেৱক উপৰি ৰাজা মাধৱ
ধৰমক উপৰি নাম।
কৌটি কল্মক পাতক নামক
ডাকি বোলহু ৰাম ৰাম।।

**।। ইতি কালিয়দমন যাত্ৰা সমাপ্ত।।**

# কেলি-গোপাল

| পুৰুষ | স্ত্ৰী |
|---|---|
| সূত্ৰধাৰ | |
| শ্ৰীকৃষ্ণ | গোপীসকল |
| শঙ্খচূড় (যক্ষ) | |

# ।। কেলি-গোপাল।।

## ।। শ্ৰীকৃষ্ণায় নমোনমঃ।।

**শ্লোক।।**

শৰচ্ছশাঙ্কদ্যুতীঃ কোমলাসু[1]
নিশাসু শশ্বৎ[2] সহগোপিকাভিঃ।
চকাৰ কেলিং কলগীতকণ্ঠঃ[3]
স গোপসূনুৰ্জয়তীহ[4] কৃষ্ণঃ।।

**অপি চ।।**

ৰীক্ষ্যেন্দুমণ্ডলমখণ্ডমকুণ্ঠবোধো[5]
বৃন্দাৱনে সুকলৱেণুমাৱাদযনায়ঃ।
সম্মোহনায়[6] মধুৰং ব্ৰজসুন্দৰীণাং
তং গোপৱেশমনিশং প্ৰণতোহস্মি কৃষ্ণম্।।

**গীত।। ৰাগ সুহাই।। একতালি**

**ধ্ৰুং।।**

শৰত শশী নিশি ধৱলি[7] অধিক।
লহু লহু মলয় পৱন তহি থিক।।
বিৰিন্দাবিপিন কুসুম পৰকাশ।
পেখি কৰল ৰাস[8] কেলি বিলাস।।[9]

---

1। পা.শৰচ্ছশাঙ্ককৰ..... 2। পা.নিশাসু পশ্যন্.... 3। পা.কলকণ্ঠনৃত্যৈঃ
4। পা.সগোপমূৰ্ত্তিৰ্জ্জয়তীহ.... 5। পা.ৱেণুমৱাদয়ৎমুদা 6। পা.যো মোহনায়...
7। পা. ধাৱালি 8। পা. ৰাষ, হ্লাস 9। কোনো কোনো পুথিত এই চাৰিশাৰীৰ ঠাইত পদৰ প্ৰথম দুশাৰী (জয় জয় গোপীনাথ.... গোপিনীক কাম।।) ধ্ৰুৱগীত হিচাপে দিয়া হৈছে।

**পদ।।**

জয় জয় গোপীনাথ কৰো পৰণাম।
পূৰল[10] কয় কেলি গোপিনীক কাম।।
পঞ্চম পূৰি পুনু গাৱত গীত।
মোহিত হুয়ো ব্ৰজযোষিত চিত।।
হৰিল চেতন মন মনসিজৈ বাণ।
কৃষ্ণকিঙ্কৰ এহু শঙ্কৰ ভাণ।।
নান্দ্যতে সূত্ৰধাৰঃ প্ৰৱিশতি। অলমতি বিস্তৰেণ।
প্ৰথমতঃ মাধৱো মাধৱ ইত্যুক্ত্বা হৰিং প্ৰণম্য
সভাসদো-জনান্ প্ৰত্যাহ।

**শ্লোক।।**

ভো ভোঃ সভাসদো যূয়ং শৃণুত সাৱধানতঃ।
কেলিগোপালং নামেদং নাটকং মুক্তিসাধকম্।।

**ভটিমা।।**

পৰম পুৰুষ ঃ পুৰাতন পাপী ঃ পাৱন ঈশ্বৰ দেৱ।
ব্ৰহ্মা ৰুদ্ৰ আদি ঃ দিকপাল যাকু ঃ[11] কৰত নিত্য সেৱ।।
যক্ষ-ৰক্ষ ঃ বিপক্ষ-লক্ষ ঃ লক্ষ-ক্ষয়ঙ্কাৰী।
দুষ্ট-দৈত্য ঃ দানৱদলন ঃ দীন দৰিদ্ৰ[12] দুখভয়হাৰী।।
অঘ-বক-কুৱলয় ঃ ধেনুক-কেশী ঃ কংসনাশী বনমালী।
গোপী পীন পয়োধৰ ঃ ধৰিযন ঃ চঞ্চল কৰ যুগশালী।।
আনন্দ-সিন্ধু ঃ সাধুজন-বন্ধু ঃ মধুৰ-মূৰুতি মুৰনাশী।
বিৰিন্দা বিপিন ঃ বিহাৰ-বিশাৰদ ঃ শাৰদ-ইন্দু-পৰকাশী।।
কোটি মদন মন ঃ মোহনৰূপী ঃ পৰশনে পৰমানন্দ।
সিদ্ধ মুনিবৃন্দ ঃ সাদৰে বন্দিত ঃ যাকৰ এ পদ দ্বন্দ্ব।।

---

10।পা.পুৰল 11।পা. জাসু 12।পা. দাৰিদ্ৰ

পালন প্ৰলয় ঃ স্ৰজন জগতক ঃ যাহেৰি পৰম বিহাৰ।
যাকু নাম ধৰি ঃ অধম পাপী ঃ পাৰত ভৱনদী পাৰ।।
সোহি গোপালক ঃ কেলি নাটক ঃ ওহি মুকুতি নিদান।
ভো ভো সভাসদ ঃ সাধুজন সৱ ঃ শুনা মন কয়সাৱধান।।
কলিকো[13] পাপহৰ ঃ নাহি অতঃ পৰ ঃ জানি তেজহু[14] আন কাম।
কহ কৃষ্ণ কিঙ্কৰ ঃ আপুনু উদ্ধৱ[15] ঃ ডাকি বোলহু ৰাম ৰাম।।

**সূত্ৰ।।**

ভো ভো সভাসদ ঃ[16] যে সকল সুৰাসৰ বন্দিত পাদপদ্ম ঃ সয়ল সংসাৰ যাকেৰ স্ৰজনা ঃ যাকেৰি নামে ঃ মহাপাপীসৱ সংসাৰ নিস্তৰে ঃ সোহি পৰমেশ্বৰ ঃ শ্ৰীশ্ৰীগোপাল ঃ সকল গোপীজন সহিত ঃ ওহি সভা মধ্যে ঃ পৰম কৌতুকেঃ নৃত্য কৰব। তাহে সাৱধানে দেখহ শুনহ।। (আকাশে কৰ্ণং দত্বা) আহে সঙ্গী কি বাদ্য বাজত।

**সঙ্গী।।**

সখি ঃ দেৱদুন্দুভি বাজত[17]।

**সূত্ৰ।।**

আহে দেৱদুন্দুভি বাজত ঃ আঃ মিলল মিলল।

**শ্লোক।।**

অথ প্ৰৱেশমকৰোৎ কৃষ্ণ কন্দৰ্পদৰ্পহাঃ[18]।
মোহয়ন্ ৱাদয়ন্ ৱেণুং স্ত্ৰীভিঃ সহ সকৌতুকঃ[19]।।

**সূত্ৰ।।**

ভো সভাসদজন ঃ গোপীজন সহিতে শ্ৰীগোপাল ঃ এ আৱত এ আৱত থিক। (সঙ্গী নিষ্ক্ৰান্তঃ)[20]।

---

13।পা. কলিক 14।পা. তেজু 15।পা.আপুন উদ্ধাৰ।
16।‘যে সকল’ৰ আগত ‘সাধুজন সৱ’ কোনো কোনো পুথিত পোৱা যায়।
17।পা. বাজইছে 18।পা. কৌটি কন্দৰ্পজিৎ 19।পা. সহ সকৌতুকী
20। কোনো কোনো পুথিত ‘ইতি সূত্ৰ নিষ্ক্ৰান্ত’ আছে।

**গীত।। ৰাগ শ্যাম।। একতালি**[21]

**ধ্ৰুং।।**

শ্যাম মূৰুতি পীত-অম্বৰু-লাসা।
নয়ন পঙ্কজ জ্যোতি ঈষত হাসা।।[22]

**পদ।।**

আৱত গোৱিন্দ গোপিনী পিউ।
সঙ্গে চলল গোপী ভূলল জীউ।।
অধৰ মধুৰ বেণু পঞ্চম গান।
কৃষ্ণ কিঙ্কৰ এহু শঙ্কৰে ভাণ।।

**শ্লোক।।**

নিৰীক্ষ্য ৰাত্ৰিং শৰদিন্দুশুভ্ৰম্[23]
তদ্ৰোচিষা চাৰুৱনং ৱিকাশম্[24]।
গীতং জগৌ গোকুলকামিনীনাং
মোহ ৱিতন্বন্ নিতৰাং মুৰাৰিঃ।।

**সূত্ৰ।।**

শ্ৰীগোপাল প্ৰৱেশ দিয়েকহু ঃ অধৰে পঞ্চম পূৰি ঃ বেণু বজাইতে লাগল ঃ তাহে শুনিয়ে গোপীসৱ ঃ বিমোহিত হুয়া ঃ শ্ৰীগোপাল সমীপ পাৱল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**ধ্ৰুং।।**

অখণ্ড মণ্ডল শশী শৰত ৰাত্ৰিত।
শশাঙ্ক কোমল বৃন্দাবন বিকশিত।।[25]

---

21। কোনো কোনোৰ মতে "নাটৰাগেন গীতঃ।। মান একাতালি" অথবা 'নাট ৰাগেনে গীয়তাং'।।

22। কোনো কোনোৰ মতে এই দুই শাৰীৰে 'পদ' আৰম্ভ হৈছে। ধ্ৰুৱ-পদ হৈছে-- 'আৱত গোৱিন্দ গোপিনী পিউ। সঙ্গে চললি গোপী ভুলল জীউ।।'

23। পা..... সুন্দৰীং 24। পা..... ৱিকাশিতম্ 25। পা. নৱ পল্লৱে বিকশিত

**পদ।।**

লহু লহু বহে মন্দ মলয় পৱন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।
উচায়া পঞ্চম পূৰি হৰি গাইলা গীত।
শুনি ব্ৰজবালাসৱ ভৈলা বিমোহিত।।
পতিসুত তেজল মজল প্ৰেম সিন্ধু।
হৃদয়ে ধৰল মাধৱক বোলি বন্ধু।।
কৃষ্ণক দেখিতে অলক্ষিতে গোপজায়া।
চলে সচকিতে পতিসুত উপেখিয়া।।[26]
হাঙ্গিতে কুণ্ডল ডোলি ডোলি গণ্ড লোলে।
কৃষ্ণৰ চৰণ চিতে পৰশয় ভোলে।।
সুহৃদ সোদৰে বাধে স্বামী[27] নিষেধয়।
তবহো বিমুখি সখী কৰোঁ নাহি হয়।।
উপেখিয়া বাধাকো[28] গায়োৰে গোপিনী।
ভকতক লঙেঘ নাহি একোৰে[29] বিঘিনি।।
হৰিক ভকতি ওহি পৰম সম্পদ।
দহে দোষসৱ মিলাৱয় মনোৰথ।।
পৰম বান্ধৱ মাধৱৰ গুণনাম।
জানিয়া লোকাই ডাকি বোলা ৰাম ৰাম।।

**শ্লোক।।**

যা গোপ্যঃ পাৰ্শ্বমপ্ৰাপ্তা নিৰুদ্ধাঃ পতিদেৱৰৈঃ।
হৃদি গোৱিন্দচৰণং ৱিচিন্ত্য ৱিজহুস্তনূঃ[30]।।

---

26। পা. কৃষ্ণক দেখিতে অলক্ষিতে গোপজায়া। চলে সচকিতে পতিপুত্ৰ উপেক্ষিয়া
27। পা. স্বোআমি
28। পা. উপেখিয়া বাধা ধায়া
29। পা. কবহো
30। পা. ৱিজৎস তনুং

**সূত্র।।**

আহে সামাজিক লোক ঃ[31] যে গোপীসৱ ঃ কৃষ্ণক দেখয়ে নাহি পাৱল ঃ স্বামী দেৱৰে দ্বাৰ বন্ধ কয় ৰাখল ঃ সে সৱ ঃ বিৰহতাপে তাপিত হুয়া ঃ হৃদয়ে প্রাণ মাধৱক নিবিড় ধ্যান আলিঙ্গি ধৰিকহু ঃ যৈচে প্রিয়তম তনু ছাড়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**গীত।। ৰাগ কেদাৰ। যতিমান**

**ধ্রুং।।**

হৰিকো গোপিনী ঃ দেখয়ে নপাই।
অধিক মিলল মোহ বিৰহ দহনু
দহে তনু ধৰণু নযায়।

**পদ।।**

ঘন ঘন শ্বাস ফোকাৰে বৰবালা
হৰিকো ৰহলি ধিয়াই।
একুমনে প্রেম ভকতি ভাৱই।।
হৃদি পদ পঙ্কজ ধৰয় ঝুৰয় নীৰ
প্রেমে পুলক ভেলি কাই।
ভকতি কৰম বন্ধ কয়ো খীণা
কহু শঙ্কৰ পৰমাণা।
বিৰহে মুদি ৰহু দুই নয়না।
কৃষ্ণ চৰণ চিন্তি পাৱে পৰম গতি
ছোড়ি পৰল গোপী প্রাণা।।

**সূত্র।।**

আহে লোকাই ঃ পেখু পেখু ঃ অজ্ঞানী অনাচাৰী গোপীসৱঃ কাম ভাৱে কেৱল কৃষ্ণচৰণ চিন্তি ঃ তৎকালে পৰম গতি পাৱল। হৰি ভকতিক মহিমা কি কহব ঃ ইহা জানি নিৰন্তৰে হৰি বোল হৰি।

তদনন্তৰ ঃ যে গোপীসৱক ঃ বন্ধুবান্ধৱে ৰাখয়ে নাহি পাৱল ঃ বৃন্দাৱনে

---

31। কোনো কোনো পুথিত নাই।

গৈয়াকহু ঃ সকল-সুৰাসুৰেশ্বৰ-শিৰ-শিখৰ-চূড়ামণি ঃ বিৰাজিত-পাদ-পঙ্কজঃ পৰম ঈশ্বৰ শ্ৰীগোপালক সমীপ পাৱল ঃ তাৰাসৱক বৃত্তান্ত শুনহ। সে সেৱক হৰি ঃ পৰিহাস স্বভাৱে পুচয়ে[32] লাগল। সভয়ে পুছত।[33]

**শ্ৰীকৃষ্ণ ।।**

হে সখীসৱ ঃ কমন উতপাত গোকুলে মিলিলঃ কি নিমিত্তে ৰজনী লৱৰিকহুঃ বন মধ্যে ইহা আৱল।

**গোপীসৱ।।**

হে পৰমেশ্বৰ ঃ নাহি নাহি কিছু শঙ্কা।

**শ্ৰীকৃষ্ণ।।**

বিহসি বোল। হে সখীসৱঃ কুশলে আৱল ঃ হামাত কমন প্ৰয়োজন থিক ঃ সত্বৰে কহ ঃ তা সাধো।[34]

**সূত্ৰ।।**

গোপীসৱঃ পৰম লজ্জিত হুয়াঃ হেঠমাথ কয় ৰহল।

**শ্ৰীকৃষ্ণ।।**

বিহসি বোলল।। [তোৰা সৱৰ পতি পুত্ৰ ঃ পিতা মাতা ঃ ভ্ৰাতা সৱ ঃ তোৰাক ভেট নপাই ঃ পৰম চিন্তিত হুয়াছে ঃ তাসম্বাৰ অতি সত্বৰে ভয় দূৰ কৰ গিয়া ঃ বিলম্বক যোগ্য নহে ঃ ঐ চলহ।।

**সূত্ৰ।।**

গোপীসৱ পৰিহাস নাহি বুঝল ঃ কৃষ্ণক কটাক্ষ কোপে গৰ্জ্জয়ে লাগল।][35]

**শ্লোক।।**

দৃষ্ট্বা ৱনং ৱিকসিতং শীতলং শশিশোভিতম্।
যমুনাজলৱাতেন প্ৰতিযাত ৱনাৎ দ্ৰুতম্।।

32। পা. ‘পৰিহাসে মোহয়ে লাগল’। 33। কোনো কোনো পুথিত নাই। 34। পা. সত্যে কহ ঃ তা সাধো। 35। কোনো কোনো পুথিত বন্ধনীৰ ভিতৰৰ অংশ পোৱা নাযায়।

**শ্ৰীকৃষ্ণ।।**

(গোপীসৱক প্ৰতি) হে সখীসৱ ঃ যদি বৃন্দাৱন দেখিতে আৱল ঃ বিকশিত বৃন্দাৱন দেখল ঃ যদি হামাক দেখিতে আৱল ঃ হামাকু দেখল ঃ অৱসত্বৰে চলহ ঃ ঐ চলহ।

**গীত।। ৰাগ শ্ৰীগৌৰী[36]।। একতালি**

**ধ্ৰুং।।**

এ সখী চলহু বহুৰি গোৰি গকুল গোৱাৰি।[37]
কৰবি না কামিনী ঃ কলঙ্ক হামাৰি ঃ নাহি পৰখো পৰনাৰী।।

**পদ।।**

আকুলমতি পতি ঃ সুত সোদৰহে ঃ চাহে চকিত দিশপাশা।
হোই কুলকামিনী ঃ যামিনী কৈছে ঃ তেজলি নিজ পিউপাশা।।
স্বামী জানয় যৱ ঃ মিলব মৰণ তৱ ঃ চলহু পাতকমতি ছোড়ি।
কৃষ্ণকিঙ্কৰ কহ ঃ শঙ্কৰ হৰিকো ঃ ঐচন বচন চাতুৰী।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণক পৰম বিপ্ৰিয় বাণী শুনিকহু ঃ গোপীসৱ দুৰুন্ত চিন্তা পাৱল ঃ পৰম দুখভৰ পাই ঃহেঠমাথ কয়ল ঃ ঘন ঘন নিশ্বাস ফোকাৰিতে অধৰ শুখাৱল ঃ মুখ মলিন ভেল ঃ যৈচে শিশিৰ পৰি পদ্ম সঙ্কোচিত ভেল ঃ হৃদয়ে মৰম চড়ল।

**গীত।। ৰাগ বোলোৱাৰ[38]।। ৰূপক তাল**

**ধ্ৰুং।।**

চিন্তিত গোপিনী ঃ পেখয়ে নৈৰাশা।
লম্বিত আনন ঃ ফোঁকাৰে নিশ্বাসা।।

**পদ।।**

তনু মন ঝামৰি ঃ নয়নে ঝুৰে বাৰি।
পদ নখ খিতি লেখু ঃ দেখু আন্ধিআৰি।।

---

36। কোনো কোনো পুথিৰ মতে।। ৰাগ-শ্ৰীগান্ধাৰ।।

37। পা. এ সখি চলহু গৌৰীঃ গোকুলে গোৱাৰী। 38। পা. বেলুয়াৰ; বেলুআৰ

কুচ কহু কুঙ্কুম ঃ লেপিত লোলে।
তাপিত ব্ৰজবধু ঃ শঙ্কৰে বোলে।।

**সূত্ৰ।।**

তদনন্তৰ ঃ কথঙ্কথমপি শোকক তন্তাইকহু ঃ আঞ্চোৰে আখি মুচল ঃ আশাছেদ দুখে দীৰ্ঘ নিশ্বাস ছাড়িল ঃ প্ৰেম-কোপে বাক্য গদগদ ঃ কষ্ট কটাক্ষে কৃষ্ণক নিৰেখি ঃ যে বোলল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।

**গীত।। ৰাগ সুহাই।। যতিমান**[39]

**ধ্ৰুং।।**

হৰিহে বুজলো ঃ তোহো বৰ নিৰ্দআ।
নিকৰুণ বাণীবাণ মাৰল হানি
দাৰল হামাকেৰি হৃদয়া।।

**পদ।।**

পতিসুতসৰ অৱ ছোড়ি পৰল নাথ
তৱ পদপঙ্কজ আগ।
ভকত কৃপাল গোপাল তেৰি কৈছে
টুটল নৱ অনুৰাগ।।
তোহো বিনে মাধৱ দেহা নাহি ৰাখব
বিৰহিণী ছোড়ব প্ৰাণ।
নকৰহু নৈৰাশা তুহু জগতবাসা
কৃষ্ণ কিঙ্কৰ এহু ভাণ।।

**গোপীসৱ।।**

হে স্বামি ঃ তোহাৰি গীতে মোহিত হুয়া ঃ পতিসুতসৰ ছোড়ি ঃ তয়ু পদ সমীপ পাৱল ঃ তোহো দাৰণ বাক্য বোলইছ ঃ হে পৰমেশ্বৰ ঃ তয়ু মুখপঙ্কজ ছোড়ি ঃ হামাৰ চক্ষু আন পেখয়ে নাহি ঃ তয়ু কথা ছোড়ি

39। পা. জৌতিমান

ঃ কর্ণে আন কিছু শুনয়ে নাহি ঃ তযু চৰণ ছোড়ি ঃ হামাৰ পাৱ খোজেকো চলয়ে নাহি ঃ ব্রজে গৈয়া কি কৰবো ঃ স্বামি ঃ যে লখিমী গোসানী ঃ হৃদয়ে স্থান লভি কহু ঃ তথাপি ওহি পদ পঙ্গজৰেণু আশা কৰিয়ে ঃ ওহি চৰণ সেৱা কৰিতে ঃ ধৰম অৰথ কাম মোক্ষ ঃ চাৰি পদাৰথ সুখে পাই ঃ ঐচন তোহাৰি পদপঙ্কজ ঃ ইহা ছাড়িতে প্ৰাণ ফুটি যাই ঃ হে পৰমেশ্বৰ স্বামি ঃ তৱ পদপঙ্কজ তেজয়ে নাহি পাৰি।

**শ্লোক।।**

ন পাৰয়ামস্তৱ পাদ-পঙ্কজং
ৱয়ং ৱিহাতুং নৰকঞ্জলোচন।
গীতেন তে মোহিত-মানসা ভৃশং
ত্যজস্ব মা মাধৱ ন ঃ কৃপাং কুৰু।।

**গীত।। ৰাগ শ্ৰীগান্ধাৰ।। যতিমান**

**ধ্রুং।।**

নাহি পাৰঅ ঃ পাৱপঙ্কজ ঃ তেজয় যাদৱৰায় লো।
হৰি হৰি কুসুম-ধনু মনমোহন মুৰুতি
পেখিতে মুকুতি মিলাই লো।।

**পদ।।**

হামু অনুচৰী চৰণ অনুসৰি
পৰম প্ৰেমৰসে আশা।
কঠিন বচনে হৰিষ চেতন
কৈচে কৰসি নৈৰাশা।।
মোহন বংশীক সান শুনিকহু
জীৱন ধাৰণ নযায়।
ৰাখু যে প্ৰাণ বন্ধু মাধৱ
মধুৰ অধৰসুহায়।।
বিৰহদহনু তাৱে তনু মন
দুৰ কৰু তাহে হাসি।

কৃষ্ণকিঙ্কৰ কহয় শঙ্কৰ
চৰণ ৰেণু অভিলাষী।।

**সূত্ৰ।।**

গোপীসৱক ঐচন কাৰুণ্য বিলাপ শুনিকহু ঃ শ্ৰীকৃষ্ণক স্নেহৰসে আকুল কয়ল ঃ কমললোচন দুহু লোতকে পূৰল ঃ ততকালে উঠিকহু ঃ গাৱে গাৱে গোপীক আখি মুখ ঃ আপুন পীত বসনে মুচিকহু ঃ প্ৰবোধ কয়ল।

**কৃষ্ণ।।**

হে সখীসৱ ঃ তোহোসৱ পৰম ভকত ঃ হামাৰ প্ৰাণতো অধিক ঃ হামু পৰিহাস কেলি কৌতুক কয়ল ঃ তাহে নাহি বুঝল ঃ দুখ ছোৰহ ঃ তোৰাসৱক মনোৰথ পূৰি ঃ ক্ৰীড়া কৌতুক কৰব ঃ প্ৰাণ সখীসৱ উঠহ।

**সূত্ৰ।।**

ঐচন আশ্বাস শুনি ঃ গোপীসৱ কৃষ্ণবাক্যামৃতে ঃ বিৰহতাপ ততকালে দূৰ কয়ল ঃ যৈচে বনাগ্নি বৃষ্টিজলে নিৰ্ব্বাণ ভেল ঃ পৰম উৎসুকে উঠিকহু ঃ কৃষ্ণক আৱৰি ক্ৰীড়া কয় লাগল ঃ তদনন্তৰ ঃ শ্ৰীগোপাল ঃ পৰমেশ্বৰ গোপীসৱক কাম বঢ়ায়াকহু কেলি কৰয়ে লাগল। [তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।][40]

**গীত।। ৰাগ শ্ৰীগান্ধাৰ**[41]

**ধ্ৰুং।।**

দেখু সখী ঐচন নিকৰুণ কান।
পয়োধৰ অধৰ দশন নখ হান।।

**পদ।।**

খসল[42] কেশপাশ টুটল[43] হাৰ।
ফোড়ল কাঞ্চুৱা কূচক হামাৰ।।

---

40। পা. কোনো কোনো পুথিত নাই। 41। কোনো কোনো পুথিৰ মতে 'ৰাগ শ্ৰীগৌৰী আৰু তাল পৰিতাল, একতাল' আদি। কোনো কোনোৰমতে গীতজনা প্ৰক্ষিপ্ত। 42। পা. খসাইল 43। পা. টুটলো

কয়ল আলিঙ্গন ঘন ঘন বাহু।
যৈচে চান্দক গৰসি ৰহে ৰাহু।।
হৰিৰ সুৰতি ৰসে নাৰহে গিয়ান।
কৃষ্ণকিঙ্কৰ এহু শঙ্কৰে ভাণ।।

**শ্লোক।।**

অথাপি তাঃ স্বয়া ৰাচা স্বাশ্বাস্য স্নেহযন্ত্রিতঃ।
গোপীনাং বৰ্দ্ধয়ন্ কামং ৰময়ামাস কেশৱঃ।।

**গীত।। ৰাগ সুহাই।। পৰিতাল**

**ধ্রুং।।**

কেশৱ কৰত কেলি[44] ঃ গোপিনী সঙ্গে ৰঙ্গে ঃ গোৱিন্দে কৰত কেলিঃ কাহাকু হেৰয় হাসি[45] আখি ভঙ্গে[46] লো ৰাম।।

**পদ।।**

কাহাকু চুম্বই বনমালী লাগি মুখ।
আলিঙ্গনে গোপিনীক মিলত ৰতিসুখ।।
উচ কুচ কৰো খত নখেৰ পৰশি।
গোপালক কেলি কৃষ্ণ কিঙ্কৰ কহসি।।

**সূত্র।।**

এবম্বিধ নানা খেলা[47] ঃ শ্ৰীগোপালে কয়ল ঃ গোপীসৱ মনোৰথ পূৰি ঃ আনন্দ মগন মন হয়াছে। সে সমএ ঃ কুবেৰক অনুচৰ এক যক্ষ ঃ তনিকৰ নাম শঙ্খচূড় ঃ সে পাপী কামাতুৰ হুয়া গোপীক হৰি নিবাক প্ৰতি প্ৰৱেশ কয়ল। তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**শ্লোক।।**

অথ প্ৰৱেশমকৰোৎ যক্ষো ৰক্ষ ইৱাপৰঃ।
শঙ্খচূড় ইতি খ্যাতো নাম্না গোপী ভয়ঙ্কৰঃ।।

---

44। পা. কেশৱ কৰত ৰে কেলি 45। পা. হৰি হাসি; হাসি হাসি ঃ 46। পা. আখি ভূঙ্গে 47। পা. খেলনা

**গীত।। ৰাগ কানাড়া।। তাল চুটা**[48]

**ধ্রুং।।**

আৰত শঙ্খচূড় উড়ি বাহু।
যৈচে চান্দ গৰসিতে মিলল ৰাহু।।

**পদ।।**

কায়া থুল শূল তুলি হাতে।
কম্পিত মেদিনী চৰণ আঘাতে।।
আৰকত আখি চাহে দিগপাশ।
শঙ্কৰ কহ ওহি কেশৱ দাস।।

**সূত্র।।**

সে শঙ্খচূড় ঃ গোপীসৱক ভয় জনি কহু ঃ বীভৎস[49] ৰস ভাৱনা কয় তথি থিক। ভয়ঙ্কৰ ৰূপ যক্ষক পেখিয়ে ঃ গোপীসৱ ভয়ে কম্পয়ে লাগল। ত্রাহি কৃষ্ণ ত্রাহি কৃষ্ণ বুলি ঃ ঘন ঘন জম্পত। তাহে পেখিএ ঃ ভকতক ভয়হাৰী হৰি ঃ গোপীসৱক আলিঙ্গি আশ্বাস কয়ল । বিক্রম দৰশিয়ে যক্ষক খেদাৱল ।

তত ঃ পুনৰ্ব্বাৰ শ্রীকৃষ্ণ গোপীসৱ সহিত ঃ অনঙ্গকেলি কয় লাগল। তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।

**গীত।। ৰাগ শ্যাম।। যতিমান**[50]

**ধ্রুং।।**

ৰময়া কৰু মদন খেলা।
খেলে সঙ্গে ৰঙ্গ গোপৰমণীমেলা।।

**পদ।।**

কাহাকু হৰি হাসি কৰু মান।
কাহাকু চুম্বন চৰ্ব্বন দান।।

---

48। কোনো কোনো পুথিত নাই। 49। পা. বীভস্য /বিভছ 50। পা. জৌতিমান / পৰিতাল

কাঞ্চুৰি ছোড়ি[51] কুচ পৰকাশ।
হাতে ঘুৰি গোৰী কৰতু হাস।।
কাহাকু লেলা হৰি অম্বৰু ছোড়ি[52]।
ৰহল লাজে গোপী অঙ্গ মোৰি।।
সবহু বেকত গুপুত অঙ্গ।
বচন চৰপণ্টি[53] বঢ়ায়া ঢঙ্গ।।
যাকেৰি সেৱা কয়ো সুৰাসুৰে।
সো হৰি গোপী মনোৰথ পূৰে।।
ভকত বান্ধৱ মাধৱ প্ৰাণ।
কৃষ্ণ কিঙ্কৰ কহয় পৰমাণ।।

**সূত্ৰ।।**

যে পৰমেশ্বৰ শ্ৰীকৃষ্ণ ঃ ব্ৰহ্মা ৰুদ্ৰাদি দেৱতা ঃ যাকৰ পদপঙ্কজ সদায়ে সেৱত ঃ ঐচন জগত গুৰুক ঃ বনচাৰী অনাচাৰী গোপনাৰী ঃ কামভকতিয়ে বশ্য কয়ল। হৰিভকতিক মহিমা কি কহব ঃ আহে লোকাই ঃ পেখু পেখু ঃ হৰিগুণ-নাম-শ্ৰৱণ-কীৰ্ত্তন বিনে কলিত গতি নাহি নাহি। জানি নিৰন্তৰে হৰি বোল।

**শ্লোক।।**

গোপ্যো গোৱিন্দ-সম্মান-মদমোহিত-চেতস ঃ।
গৰ্ব্বেণ খৰ্ব্ব-ৱাক্যেন চক্ৰুস্তা হৰিহেলনম্।।

**সূত্ৰ।।**

তদনন্তৰ স্ত্ৰীক দুৰ্জ্জন ভাৱ শুনহ। যে পূৰ্ণানন্দ শ্ৰীকৃষ্ণ ঃ তনিকৰ কুৎসিত বিষয় সুখ ঃ কোন অভিলাষ থিক ঃ নাহি নাহি ঃ যৈচে কামধেনুবৃন্দাধিকাৰীক ঃ ছাগলীত কি প্ৰয়োজন থিক ঃ গোপীসবে তাহে নাহি জানিয়ে ঃ মাধৱত মহামান্য পাইকহু ঃ বুদ্ধি অন্ধ ভেল। কৃষ্ণক অৱহেলা কয়ে লাগল ঃ অন্যোঅন্যে কহয়।

---

51। পা. ফাৰি 52। পা. অম্বৰু ফাড়ি 53। পা. চৰপতি, চৰ্পণ্টি।

**সখীসৱ।।**

হে সখীসৱ ঃ হামাৰ ৰূপ যৌৱন দেখি ঃ শ্ৰীকৃষ্ণ বোলল ঃ হামাৰ কোল ছাড়য়ে নাহি ঃ বাক্য বাধয়ে নাহি।

**সূত্ৰ।।**

ওহি বোলি গোপীসৱ ঃ বাহু লাড়ি মদগৰ্ব্বে ভৰময়ে লাগল। শ্ৰীকৃষ্ণ তাহে পেখি ঃ পাচু পাচু চাটু বোলি চলইছে।

**শ্ৰীকৃষ্ণ।।**

হে সখীসৱ ঃ হামাক কৈছে প্ৰিয় সম্ভাষণ নাহি কৰত ঃ হামো কনো অপৰাধ কয়ল ঃ প্ৰাণ গোপীসৱ ঃ প্ৰেম কটাক্ষে নিৰেখি হামাক আশ্বাস কৰহ।

**সূত্ৰ।।**

গোপী সৱ ঃ পৰম গৰ্ব্বে কেলিকয়ে পিঠি দিয়েকহু চলয় ঃ কিছু শুনয়ে নাহি ঃ তা দেখিয়ে শ্ৰীকৃষ্ণ ঃ লীলায়ে হাসি হাসি প্ৰেমকয় লাগল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ সুহাই।। পৰিতাল**

**ধ্ৰুং।।**

এ সখী কতনো কয়লো হামো দোখ ৰোখ ছোড়।
দেহু দহে কাম আগি আলিঙ্গন কোৰ।।

**পদ।।**

নৱ প্ৰেমৰস বিচোৰণ কৈচে হোই।
বঙ্কিম নয়নে হেৰহু হাসি মোই।।
ধৰয়ে নপাৰি মন মনমথ ভোলে।
হৰিক চৰিত্ৰ কৃষ্ণ কিঙ্কৰ বোলে।।

**শ্ৰীকৃষ্ণ।।**

হে প্ৰাণ গোপীসৱ ঃ কোন অপৰাধে হামাত প্ৰেম ছোড়াল ঃ তোৰাক নিমিত্ত হামাৰ মন মদনে মৰ্দ্দয় ঃ জানি প্ৰেমে নিৰীখি আলিঙ্গহ।

**সূত্ৰ।।**

কৃষ্ণক বাক্য গোপীক কৰ্ণপথে যাৱে নাহি ঃ অধীন কৃষ্ণ বোলি গণয়ে নাহি ঃ যৈচে সেৰুৱা স্বামীক পেড়াপাত্ৰক ঝীৱ কটাক্ষে গণয়ে নাহি ঃ বাহু লাৰি কহু লীলায়ে ভৰময় লাগল।

**শ্লোক।।**

নিশম্য গৰ্ব্বং গোৱিন্দো গোপীনাং প্ৰেমবৃদ্ধয়ে।
গোপীঃ ৱিধায় হৃদয়ে তত্যাজ ব্ৰজযোষিত ঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ গোপীসৱৰ অতি গৰ্ব্বভাৱ নাহি সহল। হা হা কি ভেল ঃ গোপীসৱ হামাকু গণয়ে নাহিঃ আৰাসৱ হামাকু নপাই ঃ প্ৰেমভকতি হোক বুলি কহু ঃ ৰাধা[54] নাম এক গোপীক হৃদয়ে বান্ধিকহু ঃ তথায়ে অন্তৰ্দ্ধান ভেল।

**শ্লোক।।**

তত্ৰ কৃষ্ণমপশ্যন্ত্যো ৰজন্যাং ব্ৰজযোষিতঃ।
ৰুৰোদঃ সস্বৰং ভীতা হৰেৰ্ব্বিৰহবিহ্বলাঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ গোপীসৱ আগু পাচু চাই ঃ কৃষ্ণক দেখিয়ে নাহিঃ বৃন্দাবনে বিচাৰি নাপাই ঃ তৎকালে গৰব দূৰ ভেল। বিৰহকাতৰ হুয়া ঃ কৃষ্ণদৰ্শন প্ৰাৰ্থনা সৱ।

**গোপীসৱ।।**

হে স্বামি কৃষ্ণ ঃ স্বভাৱে চঞ্চল স্ত্ৰীক দোষ ধৰবি নাহি ঃ
হামু তোহাক কিঙ্কৰী ঃ ইহা জানি দৰশন দেহু ঃ হে নাথ।

**সূত্ৰ।।**

গোপীসৱ অনেক প্ৰবন্ধে ঃ কৃষ্ণক ভেট নপাইঃ পৰম আকুল হুয়া যৈচে ক্ৰন্দন কয়ল ঃ তা শুনহ।

---

54। পা. ৰাধাং

**গীত।। ৰাগ কল্যাণ।। যতিতাল**[55]

**ধ্রুং।।**

কাহে  গয়ো কাহে  গয়ো হামাৰি বন্ধু মধাই।
ফোকাৰে  নিশ্বাস    ঝুৰয় নীৰ নয়না
বয়না হাত ছড়াই।।

**পদ।।**

হা হৰি হা হৰি    কৰয় কামিনী মিলি
বিৰিন্দা-বিপিন বিচাৰি।
ঘন ঘন মূৰুছি    পৰয়ে বৰবালা
দিশ দশ পেখু আন্ধিয়াৰি।।
প্ৰাণ গোপাল    বিনে নাহি ৰহ জিউ
বিৰহ-দহনু দহে প্ৰাণ।
কৰত বিলাপ    গোপাল গুণ গাৱে
কৃষ্ণ কিঙ্কৰ গুণ গান।

**গোপীসৱ।।**

হে কমলোলেচন ঃ দুখ বিমোচন স্বামি ঃ হামু পাপিনীসৱ ঃ তোহাত গৰব কৰল ঃ বৰ অপৰাধ আচৰল ঃ সে দোষসৱ মৰষ স্বামি। হামু কিঙ্কৰীক কৃপা কৰহি ঃ দৰশন দেহু।

**সূত্ৰ।।**

ওহি বোলি আৰ্ত্তৰাৱে ক্ৰন্দন কয় লাগল।

**শ্লোক।।**

তথালপন্ত্যো গোপ্যস্তা অলব্ধা মাধৱং ধৱম।
মত্তাঃ প্ৰৱিশ্য ৱিপিনং পপ্ৰচ্ছুস্তৰুৰাজিযু।।

**সূত্ৰ।।**

ঐচন কৃষ্ণ গুণ গাই কান্দিতে ঃ গোপীক প্ৰেম ভকতি উপজল ঃ শৰীৰ পুলকিত ঃ নেত্ৰক নীৰ ঝুৰয় ঃ মত্ত হুয়া কতিহো ঃ কৃষ্ণ-চেষ্টা

55। পা. জৌতিতাল

কয়ল ঃ কতিহু কৃষ্ণক ক্ৰীড়া সুমৰি ঃ মৰম চড়ল। হা কৃষ্ণ হা কৃষ্ণ বোলিয়ে ঢলি ঢলি পৰল। কতিহো উনমত মনে ঃ বৃন্দাবন পশিএ ঃ পুন কৃষ্ণ কৃষ্ণ বোলি ঃ বিচাৰ কএ লাগল। যে শ্ৰীকৃষ্ণ জগতক বাহিৰে ভিতৰে থিক ঃ সে শ্ৰীকৃষ্ণক বিৰিখক সমীপ চাপিএ ঃ যৈচে কান্দি কান্দি পুচএ লাগল ঃ তা শুনহ।

**গীত।। ৰাগ গৌৰী।। যতিমান**[56]

**ধ্ৰুং।।**

পুচতহু মাধৱ বান্ধৱ মধুসূদন।
কতিনা ৰহলি হৰি গোপিনী-জীৱন।।

**পদ।।**

বকুল বন্দুলি কদম্ব বক তুলসী
তোহোসৱ পৰ-উপকাৰী।
কহ কাহে গেল বন্ধু মধাই হামাৰি
বিৰহিণী জীৱন ধৰএ নপাৰি।।
চম্পক চুত আঞ্চোৰ পাতি মাগো
প্ৰাণ বন্ধু দেহু দেখাই।
পহু বিনে তনু মন ধৰণ নযাই
ৰহইনা প্ৰাণ কৃষ্ণ কিঙ্কৰে গাই।

**সূত্ৰ।।**

ঐচন পৰকাৰে তৰুসৰত কৃষ্ণগুণ গাই পুছিতে পৰম প্ৰেম উপজল। শৰীৰ বিচুড়ল ঃ অবিছেদ-ধাৰায়ে ঃ নয়নক নীৰ নিগৰে ঃ কৃষ্ণক চৰণ হৃদয়ে বান্ধিকহু ঃ আনন্দ মগন মন ঃ কতিহো মৌন হুয়া থিক ঃ ভকতিক মহিমায়ে ঃ কৃষ্ণময় দেখএ ঃ হামু কৃষ্ণ মানি প্ৰেম মত্ত হুয়া ঃ কৃষ্ণ চেষ্টা কৰয়ে লাগল।

---

56। পা. জৌতিমান

**শ্লোক।।**

ভক্ত্যা প্ৰমত্তাস্তা গোপ্যো মত্ত্বাত্মানং হি মাধৱম্।
অন্যোন্যমভিসম্ভাস্য ৱিজগুঃ কৃষ্ণ-চেষ্টিতম্।।

**সূত্ৰ।।**

কৃষ্ণ-ভকতিত মত্ত হুয়া কহু ঃ সৱ শোক বিছোড়ল ঃ অন্যোঅন্যে সম্ভাষিয়া ঃ কৃষ্ণক লীলা আপুন কয় লাগল গোপীসৱ ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্ৰুং।।**

মঞিঃ কৃষ্ণ বুলি কৰে ভাৱনা।
তন পানে শুষি মাৰে পুতনা।।

**পদ।।**

হামু কৃষ্ণ বুলি ঠোকাৰে বুক।
মাৰে অঘ বক বৎস ধেনুক।।
কাহু বোলে হামু গোপিনী নাথ।
মৰ্দ্দয় কালিক চড়িয়া মাথ।।
ওহি হ্ৰদ ছোড় দুৰাচাৰ।
দুষ্ট দণ্ডিতে হামু অৱতাৰ।।
নাহি ভয় কাহু গোপিনী বুলি।
এক হাতে ধৰে মন্দৰ তুলি।।
চাপ গোপীসৱ হামাৰ পাশ।
ইন্দ্ৰক গৰব কৈলো সৰ্ব্বনাশ।।
হামুসে কৃষ্ণ দেখ কেহো বোলে।
গোপিনী দেহ আলিঙ্গন কোলে।।
অৱ নাহি পৰিচয় বালা।
দেখিয়া পীত বস্ত্ৰ বনমালা।।
বোলয় কাহু আইলো হামু হৰি।

বেণু বজাৱত অধৰে ধৰি।।
গোপীক কণ্ঠ কাহ্নু বাহু মেলি।
কৰে লীলা গতি দৰশে কেলি।।
কাহ্নু বোলে বিলাই দধিক মোৰ।
ধৰিল কৃষ্ণক লৱণু-চোৰ।।
তোৰ মাথা খাইবো বোলে বাণী।
গোপীক উৰলে বান্ধয় টানি।।
ভকতি-প্ৰমত্ত গোপ অঙ্গনা।
ঐচন কৰয় কৃষ্ণ ভাৱনা।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে বোল।
সৱে নিৰন্তৰে[57] হৰি হৰি বোল।।

**সূত্ৰ।।**

পৰম ভাগ্যৱতী গোপীসৱ ঃ হৰি-ভকতিক মহোদয় মিলাৱল। ঐচন কৃষ্ণ-ভাৱনা কৰিকহু ঃ মত্ত হুয়া ৰহল। যো গোপী কৃষ্ণ সঙ্গে যাই ঃ তনিকৰ দুৰ্জ্জন ভাৱ শুনহ। শ্ৰীকৃষ্ণ সে গোপীক কতিহু ঃ উৰুত বৈসাই কুসুমে লাস কৰাৱল ঃ কতিহু ক্ৰীয়া কৌতুক কৰিতে যাই। তদনন্তৰ ঃ শ্ৰীকৃষ্ণক সে গোপী বোল।

**গোপী বোল।।**

হে স্বামী কৃষ্ণ ঃ হামাক পদতলে কণ্টকে বেধল ঃ চলয়ে নাহি পাৰি।

**শ্ৰীকৃষ্ণ।।**

প্ৰাণসখিঃ[58] হামাৰ বোকে চৰসিয়া।

**সূত্ৰ।।**

ওহি বুলি গোপীক বোকে তুলি বহয়ে লাগল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

---

57। পা. পৱিত্ৰকৰ 58। পা. হে প্ৰাণৰাধে।

**গীত।। ৰাগ সুহাই।। যতিমান**

**ধ্রুং।।**

গোপীনাথ লীলা জানব কোই।
বিপৰীত কৌতুক তোই।।

**পদ।।**

চৌধয় ভুৱন অধিকাৰী।
সো বুকে বহে গোপনাৰী।।
যো ৰহে গৰুড় আসনে।
সো হৰি গোপিনী বাহনে।।
ভকত বান্ধৱ কিনা ভেলি।
শঙ্কৰ কহ কৃষ্ণ কেলি।।

**সূত্র।।**

ঐচন ক্রীড়াকয় কৃষ্ণে ঃ কামাতুৰ পুৰুষক দুখ দেখাৱল ঃ স্ত্রী ভৈল ৰাজা ঃ কামাতুৰ তনিকৰ দাস ঃ স্ত্রী আজ্ঞা পালি ঃ সৰ্ব্বথা থিক ঃ ইহাক জানব।

**শ্লোক।।**

কৃষ্ণেন সহ সা যাতি গোপী তন্মানদর্পিতা।
কৃষ্ণস্য স্কন্ধমারূঢ়া গত্বা সা দুঃস্বভাৱতঃ।।

**সূত্র।।**

তদনন্তৰ ঃ সে স্ত্রীক দুৰ্জ্জন ভাৱ শুনহ। বোকা হন্তে কৃষ্ণ নমাৱল। গোপী হাণ্ঠিয়ে চলে ঃ কৃষ্ণক সন্মানে গৰ্ব্ব উপজল ঃ বোলে সৱে গোপী তেজি হামাক আনল ঃ অঃ মোহি সম কোন সৌভাগিনী থিক ঃ দৰ্প্পে ঠেস কৰি বৈঠল ঃ তাহে পেখি শ্রীকৃষ্ণ বোলল।

**শ্রীকৃষ্ণ।।**

হে প্রাণ সখি ঃ তুহু কি নিমিত্তে ৰহল?

**শ্রীৰাধা।।**

হে কৃষ্ণ ঃ তুহু দাৰুণ পুৰুষ ঃ হামু ভূমি পাৰে চলৈছে ঃ তুহু দেখয়ে

নাহি ঃ অৱ চলয়ে নাহি পাৰি ঃ যেমন কয়ে নিয়া যাৱ।

**সূত্ৰ।।**

স্বভাৱে চঞ্চল স্ত্ৰী ঃ লাই পাই ঃ ঈশ্বৰ কৃষ্ণক গণয়ে নাহি ঃ শুনি শ্ৰীকৃষ্ণ কটাক্ষে বোল।

**শ্ৰীকৃষ্ণ।।**

হে প্ৰাণ সখি ঃ অতক্ষণে কেনে নাহি কহ ঃ যদি চলয়ে নাহি পাৰ ঃ হামাৰ কান্ধে চড়সিয়া।

**সূত্ৰ।।**

গোপী কটাক্ষে নাহি বুঝল ঃ বস্ত্ৰ কাছি কান্ধে চৰিতে ৰঙ্গে চলল ঃ তাহে পেখি কৃষ্ণ অন্তৰ্দ্ধান ভেল। গোপী কৃষ্ণক নাহি পেখি ঃ ভয়ে বিহ্বল হুয়া ঃ হা কৃষ্ণ হা কৃষ্ণ বোলি ঃ যৈচে দৰ্শন প্ৰাৰ্থলঃ তা শুনহ।

**গীত।। ৰাগ সুহাই।। যতিমান**

**ধ্ৰুং।।**

দৰশন দেহু দয়াল ঃ মেৰি বন্ধু মধাই।
কৈছে কৰস দাসীক ৰোষ ৰে ঃ দোষ মৰষ গোসাঁই।

**পদ।।**

নিশি একেশ্বৰী[59] নাৰী অনাথিনী ঃ কৰু কৰুণা মুৰাৰি।
তুহু বিনে জীৱন ঃ ৰহই নপাৰিঃ দহে হৃদয় হামাৰি।।
কৰল গৰব ঃ নাথ তোই ঃ হামু পাপিনী আন্ধা।
কহ শঙ্কৰ নৰ ঃ হৰি হৰি বোলঃ ছোড় বিষয় ধান্ধা।।

**সূত্ৰ।।**

ঐচন আৰ্ত্তৰাৱে ক্ৰন্দন কয় ৰহল বালা। যে গোপীসৱ কৃষ্ণ ভাৱনা কয় থিক ঃ পুনু প্ৰাণ কৃষ্ণক সুমৰি ঃ তাপিত হুয়া ঃ বিৰিন্দাবন পশি বিচাৰল। তদনন্তৰ ঃ কৃষ্ণক খোজ পেখি কহু ঃ গোপী সখীসৱক যে বোলল ঃ তা দেখহ।

---

59।পা. একেস্বৰি¼

**গীত।। ৰাগ শ্ৰীগান্ধাৰ।। মান একতালি**

**ধ্ৰুং।।**

ওৰে সখী পেখো পেখো ৰে হামাৰ জীৱন কানু
ওহি পথে গেল লীলাই।
ধ্বজ বজ্ৰ পঙ্কজ খোজে হেৰলো ৰে
কমন ৰমণী সঙ্গে যায়।।

**পদ।।**

সতিনীৰ খোজ দেখি হৃদয় নসহে ৰে
অধিক মিলল দুখ মোৰ।
সৱ গোপিনীক ধন বন্ধু অধৰ মধু
পিয়ে একুশ্বৰী কৰি চোৰ।।
দেখ সখী সতিনীক কোলে কৰিয়া ৰে
কুসুমে কৰাৱত বিলাস।
বহে গোপিনীক কানু বোকে তুলিয়া ৰে
কহতু শঙ্কৰ হৰিদাস।।

**সূত্ৰ।।**

ঐচন খোজ গুড়ি যাহন্তে ঃ গোপীসৱ সে সতিনীক ক্ৰন্দন শুনিয়া ঃ বেগে আসিকহু ঃ গোপীক[60] বেঢ়ি বাত পুচত।

**সখীসৱ।।**

হে সখি ঃ কি ভেল কি ভেল ঃ প্ৰাণ কৃষ্ণ কোন ভিতি গেল ঃ সত্বৰে কহ।

**সূত্ৰ।।**

তাহে শুনি গোপী-আখি মুখ মুঞ্চি ঃ নিশ্বাস তেজিকহো কহল।[61]

**শ্ৰীৰাধা।।**

সখীসৱ ঃ কি পুছহ ঃ হামু অভাগিনী ঃ স্বামী কৃষ্ণত কোন মান নাহি

---

60। পা. ৰাধাক 61। কোনো কোনো পুথিত এই বাক্য নাই।

সাধলু[62] ঃ কৃষ্ণে বোকে বান্ধি আমাক ফুৰাৱল ঃ সে গৰ্ব্বে অন্ধ ভৈলো ঃ কৃষ্ণক কান্ধ বগাইতে গেলো ঃ সে অপৰাধে বান্ধৱ শ্ৰীকৃষ্ণ ঃ হামাক চাড়ি কোন ভিতি গেল ঃ ইহা নাহি জানো।

**সূত্ৰ।।**

ওহি বুলি ঃ ক্ৰন্দন কয়ে লাগল বালা।।[63]

**শ্লোক।।**

নিশম্য তদ্বচো গোপ্যো নিৰাশাঃ কৃষ্ণদৰ্শনে।
পুনঃ পুলিনমাগত্য জগুৰ্গোৱিন্দচেষ্টিতম্।।

**সূত্ৰ।।**

তাহে শুনিয়ে ঃ কৃষ্ণ দৰশনে নিৰাশ ভেল ঃ গোপীসৱে তাহাক সঙ্গে লৈয়া ঃ যমুনাক বালি নামিকহু ঃ কৃষ্ণক প্ৰাৰ্থয়ে ক্ৰন্দন কয় ঃ যৈচে হৰিগুণ গাৱলঃ তা শুনহ।

**গীত।। ৰাগ আশোৱাৰী।। একাতালি**

**ধ্ৰুং।।**

গোপিনী কৈছে কেশৱ জীৱ লে।
অৱহু বাহুৰি নাথ দৰশন দে।।

**পদ।।**

তুৱা পদ পঙ্কজ জীৱন আধাৰু।
তাহে নাহেৰি হৰি বহয়ে নপাৰু।।
দৰশ সৰস মুখ কমল মধাই।
কৰহু কৰুণা কৃষ্ণ কিঙ্কৰে গাই।।

**সখীসৱ বোল।।**

হে বন্ধু মাধৱ ঃ তোহাৰি জনম নিমিত্তে ঃ গোকুল অধিকে সম্পূৰ্ণ ভেল ঃ সৱ লোক সুখে ৰহইছি ঃ হামাক কৈছে মদনক হাতে মৰাৱত থিক ঃ হে সখি ঃ তোহো যশোদা নন্দন নহ ঃ

---

62। পা. নাহি নসাধলোঁ; ন সাধলোঁ 63। কোনো কোনো পুথিত নাই

জগত ৰাখিতে ব্ৰহ্মাৰে প্ৰাৰ্থল ঃ সে নিমিত্তে তোহো সৰ্ব্ব অন্তৰ্য্যামী ঃ শ্ৰীকৃষ্ণ বেকত হুয়াছ ঃ আমৰাসৱক ঃ অঘ বক বৎস পূতনা বৃষ্টি বিষ বহ্নি হন্তে ৰক্ষা কৰইছ ঃ অখন কি নিমিত্ত ৰজনিকহু ঃ বন মধ্যে হামাক তেজল স্বামি ঃ যে ঈশ্বৰ নাৰায়ণ ঃ সে তুমি ঐচন ভকতক ত্যাগ ঃ তোহোক উচিত নহে। হে নাথ ঃ যে ভকতক মনোৰথ পূৰে ঃ সে হস্তপদ হামাৰ মাথে থৰসিয়া[64] ঃ স্বামি ঃ যাহেৰ স্মৰণে জগতকে পাপহৰে ঃ সোহি পদ পঙ্কজ হামাৰ তন উপৰে অৰ্প্পহ নাথ ঃ দেখু দেখু ঃ তোহাৰ কিঙ্কৰী মৰিএ যাঞো ঃ অধৰামৃতে জীৱাৱা আসিয়া স্বামি।

**সূত্ৰ।।**

ওহি বুলি পুনুঃ যৈচে ক্ৰন্দনকয়ে প্ৰাৰ্থল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ মাহুৰ।। যতিমান**

**ধ্ৰুং।।**

করুণাসিন্ধু ঃ জীৱন লেহু কতি লাই।
মোহন বংশী স্বানে নিশি বিপিন আনি
কৈছে তেজলি মধাই।।

**পদ।।**

পতিসুত সৱ তেজি তেৰি কিঙ্কৰী ভেলো
হামু মুগুধী গোপনাৰী।
তোহোঁ কপট কয় কৈচে না দেসি হে
দৰশন মেৰি মুৰাৰি।।
তোহোঁ পৰম ধন গোপিনী-জিৱন
জানি কৰলু তয়ু আশা।
তোহো দয়াল দীন জন বান্ধৱ
কহতু শঙ্কৰ হৰিদাসা।।

---

64। পা. থৈয়োসিয়া।

**গোপী।।**

হে স্বামি কৃষ্ণ ঃ তোহাৰি যে চৰণ পঙ্কজ ঃ কঠিন তন উপৰে ঃ হামু লাসে লাসে থএগো গোসাঞিঁ ঃ সে কোমল পাৱে কৈচে কণ্টক বনে বেঢ়াৱ ঃ ইহা সুমৰিতে ঃ প্ৰাণ বন্ধু প্ৰাণ আমাৰ ফুটি যাই।

**সূত্ৰ।।**

ওহি বোলিতে প্ৰেম উপজল ঃ লোতক ঝুৰি মাটি লুণ্টি পৰল ঃ অতিশয় মৰম চড়ল ঃ দীৰ্ঘ নিশ্বাস ফোঁকাৰি ডাকিয়ে বোলল ঃ হে স্বামি ঃ তোহাৰি দাসীসৱ মৰি যাঞোঁ ঃ নাথ দৰশন দেহু। ওহি বুলি ঃ হা কৃষ্ণ হা কৃষ্ণ ঃ ঘন ঘন জপিয়া ঃ আৰ্ত্তৰাৱে ক্ৰন্দন কয় লাগল গোপীসৱ। সে ক্ৰন্দনক উৰ্ম্মি গগণ-মণ্ডল বেঢ়ল।

**শ্লোক।।**

গোপীপ্ৰেমাকুলঃ কৃষ্ণে ৱাৰিপূৰিতলোচনঃ।
আৱিৰ্ব্বভূৱ তন্মধ্যে সাক্ষান্মদনমোহনঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ গোপীক প্ৰেম ভাৱনা পেখিয়ে ঃ শ্ৰীকৃষ্ণ পৰম আকুল ভৈল ঃ হৃদয় দ্ৰৱিল ঃ ততকালে গোপীসৱ মধ্যে ঃ কোটিকন্দৰ্প্পদৰ্প্পদলন ৰূপে ঃ যৈচে বেকত ভেল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**গীত।। ৰাগ ধনশ্ৰী।। একতালি**

**ধ্ৰুং।।**

বেকত ভেল মুৰাৰি।
গোপী ঃ প্ৰেম সুধাৰস আকুল ঃ
কমল নয়নে ঝুৰে বাৰি।।

**পদ।।**

হাৰ মুকুট মণি কুণ্ডল মণ্ডিত
শ্যাম ৰুচিৰ পীত বাসে।
মনমথ কোটি মথন মন মূৰুতি
ইন্দু কোটি পৰকাশে।।

অধৰ মধুৰ বেণু বাৱত আৱত
কণ্ঠে কদম্ব মালা দোলে।[65]
পদ যুগ মঞ্জীৰ ঝুৰয় শঙ্কৰে কয়
এহু ৰূপে ত্রিভুৱন ভোলে।।

**সূত্র।।**

ঐচন কোটি ইন্দু পৰকাশ ঃ কৃষ্ণক ৰূপ পেখিয়ে ঃ গোপীক তাপ তত্তকালে দূৰ গেল। আঃ পাৱল পাৱল বোলি ঃ আতি সত্বৰে উঠিকহু ঃ গোপীসৱে প্রাণ মাধৱক বেঢ়ি ধৰল।

**শ্লোক।।**

ইন্দ্রিয়াণাং যথা প্রাণা আয়ান্তং ৱীক্ষ্য গোপিকাঃ।
জগৃহুঃ সহসোত্থায় কৃষ্ণং প্রেমৰসাকুলম্।।

**সূত্র।।**

গোপীসৱ কাহুঁ কৃষ্ণক আলিঙ্গি ধৰল ঃ কাহুঁ পাদপদ্ম ঃ কাহুঁ হস্তপঙ্কজ ঃ কাহুঁ বাহু কান্ধে লৈয়া শুঙ্গয় ঃ তদনন্তৰ ঃ প্রাণবন্ধু মাধৱক সন্মান কয়ে ঃ আঞ্চোৰ পাতি বৈসায়া ঃ পৰম ভকতি কৰয়ে লাগল ঃ কাহুঁ ধৰি হস্তপাৱ মৰ্দ্দয় ঃ কাহুঁ তাম্বুল যোগাৱয়ঃ কাহুঁ আঞ্চোৰে বিঞ্চিকহু ঃ প্রণয়কোপে যে বোলল ঃ তা শুনহ।

**গীত।। ৰাগ গৌৰী।। একতালি**

**ধ্রুং।।**

জানলুঁ ৰে ঃ প্রাণীপিউৰে ঃ তেৰি যৈচন ৰীত।[66]
নাই একুতিল তেৰি ঃ তিৰীবধ ভীত।।

**পদ।।**

প্রাণ টুটত[67] তেৰি চৰণ নহে্ৰি।
কৈচে না দেখি দৰশন এতি বেৰি।।

---

65। পা. লোলে, লুলে 66। (ক) প্রাণ পিউৰেঃ জীৱন পিউৰেঃ তেৰি যৈচন ৰিত জানলু ৰে। পা.(খ) জানলোৰেঃ প্রাণ পিউৰেঃ তেৰি যৈচন ৰীত ঃ ৰময়া যৈচন ৰীত।। 67। পা. চুটল

অতয়ে কঠিন কৈচন চিত তোই।
শঙ্কৰ কহ হৰি বিনে গতি কোই।।

**গোপী।।**

হে স্বামি ঃ তোহো কপটকয়ল ঃ নিশি বন মধ্যে হামাক তেজল।

**সূত্ৰ।।**

ওহি বুলিতে নয়নক নীৰ ঝুৰই ঃ হেঠ মাথ কয়ল গোপীসৱ।

**শ্লোক।।**

নিৰীক্ষ্য কৰুণং কৃষ্ণো গোপীনাং পীতৱাসসা।
মাৰ্জ্জয়ন্মুখমাশ্বাস্য প্ৰোৱাচ সাশ্ৰুলোচনঃ।।

**সূত্ৰ।।**

গোপীক কৰুণা পেখিয়ে ঃ শ্ৰীকৃষ্ণ সজলনয়ন ভৈলা ঃ ততকাল উঠিকহু ঃ পীত বস্ত্ৰে সখীসৱক মুখ মুচি ঃ প্ৰবোধ কয়ল।

**শ্ৰীকৃষ্ণ।।**

হে সখীসৱ ঃ ঐচন প্ৰেম-ভকতি পেখি ঃ হামি পৰম আকুল ঃ অতয়ে কঠিন বচন[68] নাহি বোলব ঃ হামাক নিমিত্তে বিলাপ ছোড়হ ঃ হামু বচনেক বোলো ঃ তা শুনহ ঃ

**গীত।। ৰাগ কেদাৰ**[69]

**ধ্ৰুং।।**

সখিসৱ ঐচন বচন না বোল।
তোহাৰি পৰম প্ৰেম পেখি ভকতি
সহজে নসহে হৃদি মোৰ।।

**পদ।।**

তোহাৰি[70] ভকতি শুজয়ে নাহি পাৰো
ৰহল ধাৰ মোহে গোপিনী।
শুন সখী স্বৰূপ কহো বাণী।।

---

68। পা. বাক্য 69। পা. ৰাগ কাৰুণ্য কেদাৰ 70। পা. তোহাক; তোহাকেৰি

অৰ যৰ দায় সুন্দৰীসৰ আপুন
ছোড়হ হো তৰ অঋণী।[71]
তোহোসৰ বিনে নাহি বন্ধু হামাৰি
প্ৰাণ অধিক প্ৰিয় ৰমণী।।
সৰ সখী বিলাপ তাপ তেজহু
ভকতবৎসল মোক জানি।
ভকতক দুখ দেখি হৃদি সহয়ে নাহি
শঙ্কৰ কহ হৰিবাণী।।

**শ্ৰীকৃষ্ণ।।**

হে সখীসৰ ঃ বিলাপ ছোড়হ। তোৰাসৰ যে প্ৰেম-ভকতি কয়ল ঃ তাহে সুজয়ে নাহি পাৰোঁ ঃ হামু ঋণী হুয়া ৰহলোঁ ঃ ওহি সত্য বাণী জানি অসূয়া ছোড় ঃ হামাক শপত উঠহ ঃ পৰম উৎসুকে[72] ৰাসকেলি[73] কৰসিয়া।

**সূত্ৰ।।**

ওহি বুলি হাতে ধৰি তুলি কহু ঃ যমুনাক বালি নামি ঃ ৰাসক্ৰীড়া[74] কৰিতে আৰম্ভল। গোপীসৰ বিৰহ তাপ তেজিয়ে ঃ কৃষ্ণ বাক্যামৃতে তৃপিতি হুয়াঃ পৰম উৎসুকে ক্ৰীড়াক প্ৰৱেশল। হৰি কাহুঁক চুম্বইঃ কাহুঁক হাস্যে নিৰীখয় ঃ কাহুঁক নখে তন পৰশয় ঃ কাহুঁক আলিঙ্গয়। এবম্বিধ নানা অনঙ্গ-খেলায়েঃ গোপীক চিত্ত ৰঞ্জিঃ শ্ৰীগোপালে ক্ৰীড়া কয়ল। গোপীসৰো কৃষ্ণক সন্মান পাই ঃ যৈচে পৰম উৎসুকে কেলি কয়ল ঃ তা দেখহ শুনহ।

**গীত।। ৰাগ মাহুৰ[75]।। তাল খৰমান**

**ধ্ৰুং।।**

ব্ৰজৰমণী সঙ্গে খেলত গোপাল
আনন্দে মন মগন।

---

71। পা. অৰিণি 72। পা. উৎসৰে 73। পা. হ্রাস কেলি 74। পা. ৰাস-কৃড়া 75। পা. মাউৰ

হৰিকো মকৰ কুণ্ডল লৈলা কাহুঁ
বিহসি হাসি বদন।।

**পদ।।**

কাহু কৰকঙ্কন কাঢ়ি লেলা কাহুঁ
হাসি বংশী লৈলা গোৰী।
পীত অম্বৰু বৰ মালা লৈলা কাহুঁ
কাহুঁ কৰয় কৰযোৰি।।
কাহুঁ কদম্বমালা বালা লৈলা হাসি
কণ্ঠ কৌস্তুভ কাহু লেলা।
ৰমণীক বিনয়ে ৰময়া মাগে
শঙ্কৰ কহ হৰি খেলা।।

**সূত্ৰ।।**

গোপীসৱে শ্ৰীকৃষ্ণক বেঢ়ি ধৰিকহু ঃ কাহুঁ বসন ঃ কাহুঁ বংশী কাহুঁ কঙ্কন ঃ কাঢ়ি লেলহ। কৃষ্ণে বিনয়ে খোজিতে ঃ হাসি হাসি পুনু পিন্ধাৱল। আহে লোকাইঃ দেখু দেখু[76] ঃ যাহেক চৰণ ঃ ব্ৰহ্মা ৰুদ্ৰে ধ্যানে[77] ধৰয় ঃ সোহি পৰমেশ্বৰ ঃ অজ্ঞানী অনাচাৰী গোপনাৰী ঃ সে সৱ সহিতে ঃ কামকেলি কৰয় থিক ঃ হৰি ভকতিক ঐচন মহিমা। ইহা জানি ঃ নিৰন্তৰে হৰি বোল হৰি।

**শ্লোক।।**

ততোহতি কৌতুকোদ্ৰেকং নিশম্য ব্ৰজযোষিতাম্।
গোপীভিৰ্ভগৱান্ কামক্ৰীড়ামাৰভতাচ্যুতঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ সঙ্গে নিয়া ঃ ৰঙ্গে অনঙ্গ কেলি কৰিতে ঃ যমুনাক বালি নামি ঃ ৰাসমণ্ডল কয়ল। যত গোপী তত মূৰুতি হুয়া ঃ বাহু মেলি গোপীক কণ্ঠে আলিঙ্গিকহু ঃ যৈচন ক্ৰীড়া কয়ল ঃ তা দেখহ শুনহ ঃ

---

76। পা. পেখু; পেখো পেখো 77। পা. সাৱধানে

নিৰন্তৰে হৰি বোল হৰি।।

### গীত।। ৰাগ গৌৰী।। পৰিতাল

**ধ্ৰুং।।**

ভুৱন ভুলায়া আনন্দে গোৱিন্দ নাচে
প্ৰভু নাচত চৰণ চলাই।
সুখে কেলি কৰত কণ্ঠ আলিঙ্গি
ৰঙ্গিনী গোপিনী মিলাই[78]।।

**পদ।।**

যত গোপী তত মূৰুতি মাধৱ
চলয় লয়লাসে হাসে।
যৈচে হেম মণি মাঝে মাঝে
মণি মৰকত পৰকাশে।।
কৰাইতে নৃত্য কঙ্কনে ঝনকিত
মঞ্জীৰ ৰুণ ঝুণ ৰোলে।
কহ শঙ্কৰ কেলি হৰিকো হেৰি
সুৰ ৰমণী পৰ ভোলে।।

**সূত্ৰ।।**

ঐচন কৃষ্ণ সমে ঃ নানা ক্ৰীড়া কৰিতে ঃ গোপীসৱে আনন্দ সমুদ্ৰে মগন হুয়া ঃ সৱহি বোলে ঃ হামাক মাত্ৰ কৃষ্ণে আলিঙ্গি ৰহে ঃ ওহি বুলি কৌতুকে কেলি কয় থিক ঃ সোহি সময়ে পুনু ঃ শঙ্খচূড় যক্ষ ঃ গোপীক ভয় জনিত আৰত। তাহে দেখিয়ে ত্ৰাহি ত্ৰাহি বোলি ঃ গোপীসৱ কৃষ্ণত শৰণ লেল। বিক্ৰম দেখায়া কৃষ্ণে যক্ষক খেদাৱল। তদনন্তৰ পুনু ঃ ক্ৰীড়া কয় লাগল ঃ শ্ৰীকৃষ্ণ গোপীসৱ সহিতে যৈচে ঃ তা দেখহ শুনহ।

---

78। পা. ভুৱন ভুলাইঃ আনন্দে গোৱিন্দঃ নাচে প্ৰভু চৰণ চলাই। ভুজ মেলি কেলিঃ কণ্ঠ আলিঙ্গিঃ ৰঙ্গিনী গোপী মিলাই।।

**গীত।। ৰাগ নাট।। পৰিতাল**

**ধ্ৰুং।।**

খেলে মধুৰ মধাই ৰে ঃ
সঙ্গে গোপিনী নাচে ৰে।
যৈচে তড়িত জড়িত মেঘ ঃ
মণ্ডলী পৰকাশে ৰে।।

**পদ।।**

চলিতে চুম্বই বালা ঃ গাৱে গীত নিক ৰে।
গোপী গোপাল কেলি ঃ মিলল অধিক ৰে।।
ধৰত গোপিনী কণ্ঠে ঃ বাহু মেলি কেলি ৰে।
ভুলি শশধৰ ৰথ ঃ তম্ভিত ভেলি ৰে।।
হেৰয়ে সুৰ ৰমণী ঃ মূৰুচিত ভেল ৰে।
গোৱিন্দে কৰত কেলি ঃ শঙ্কৰ বোলে ৰে।।

**শ্লোক।।**

সুৰসেৱিতশ্ৰীকৃষ্ণক্ৰীড়াপীড়াতুৰা ভৃশম্।
উদ্ধৰ্ত্তুং শৰীৰং নৈৰ[79] শেকুৰ্গোকুলযোষিত ঃ[80]।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ ক্ৰীড়ায়ে পীড়িত হুয়া ঃ সে গোকুলকামিনী-সৰ ঃ আকুল ভেল। কেশ বেশ খসল ঃ কণ্ঠক সাতসৰী ছিড়ি পৰল ঃ কটিক মেখেলা শিথিল ভেল ঃ কুচকাঞ্চুলি টুটি পৰল ঃ সৰ শৰীৰে ঘৰম বহয় ঃ মুখে শ্বাস ফোকাৰয় ঃ কৃষ্ণক ধৰিকহু মহাশ্ৰান্ত হুয়া ৰহল। শ্ৰীকৃষ্ণ গোপীসৰক যৈচে শ্ৰম দূৰ কয়ল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

---

79। পা. শৰীৰং নৈৰ উদ্ধৰ্ত্তুং 80। পা. গোকুল কুল শোষিত ঃ

**গীত।। ৰাগ গৌৰী।। তাল যতি**[81]

**ধ্ৰুং।।**

করত সুৰত কেলি গোপি দুৰবলী ভেলি
ধৰি হৰিকণ্ঠে ৰহত বাহু মেলি।।

**পদ।।**

সুতল কামিনী কাহুঁ হৰিকো কোলে।
কাহুঁ গোপীক পীত অম্বৰ ডোলে।।
শ্ৰমজল বিন্দু ইন্দুবদন বিৰাজে।
হৰি কাহু কৰ পঙ্কজ জল মাজে।।
কাহুঁক কেশ কেশৱ বান্ধে হাতে।
শঙ্কৰ কহ খেলে গোপিনী নাথে।।

**সূত্ৰ।।**

শ্ৰীগোপালে কাহুঁ গোপীক কেশ বান্ধল ঃ কাহুঁক গাৰে অগৰু চন্দন ঘষল ঃ কাহুঁক কৰ্পূৰ তাম্বুল সাজি যোগাৱল। এবম্বিধ নানা খেলা কয়কহু ঃ গোপীসৱক শ্ৰম দূৰ কয়ল।[82] হৰি ভকতিক মহিমা কি কহব? ইহা জানি নিৰন্তৰে হৰি বোল হৰি।

**শ্লোক।।**

তত ঃ আগত্য তৰসা গোপালেকৃতকৌতুকে।[83]
জহাৰ যক্ষো গোপীনামেকাং কামৱিমোহিতঃ।।

**সূত্ৰ।।**

গোপীসৱ সহিত ঃ নানাবিধ কেলি কৌতুকে কয়ে ঃ শ্ৰীগোপাল তথি থিক। তদনন্তৰ ঃ পৰম কামাতুৰ হুয়া ঃ যক্ষ শঙ্খচূড় ঃ কালে গৰসল। ৰাসমণ্ডল হন্তে ঃ এক গোপীক ধৰিকহু ঃ কোলে তুলি বেগে লৰৰ দেল। তাহে পেখি সৱ গোপী তৰাসে কম্পয় ঃ ত্ৰাহি কৃষ্ণ জম্পয়।

---

81। পা. তাল জ্যোতি 82। ইয়াৰ পাছত–"আহে লোকাইঃ পেখো পেখোঃ কৌটি কৌটি ঈশ্বৰ শ্ৰীকৃষ্ণঃ কৈৰে অনাচাৰি গোপিঃ তাহে কৃপাএ শ্ৰম দুৰ কৰল।" কথাখিনি কোনো কোনো পুথিত পোৱা যায়। 83। পা. সকামৰৎসগোৱালে।

যে গোপীক যক্ষে নিয়া যাই ঃ সেহি বালা ত্ৰাহি কৃষ্ণঃ ত্ৰাহি কৃষ্ণ স্বামি ঃ অনাথৰ বন্ধু বুলি ঃ আৰ্ত্তৰাৱ কয় যাই। অনন্তৰে ঃ ভকতক দুখ পেখি কোপে গোপাল ঃ সালবৃক্ষ উভাৰিকহু ঃ[84] দুহু হাতে তোলি ঃ[85] যক্ষক ততকালে ধায়া চলল ঃ অৰে পাপী ঃ কাহা যাৱব ঃ ৰহ ৰহ বুলি ডাক ছাড়ল।।

**পয়াৰ।।**

ছোড় ছোড় পাপী গোপী হামাৰা।
গৰজয় যক্ষক নন্দকুমাৰা।।

**পদ।।**

ত্ৰাহি ত্ৰাহি কৃষ্ণ গোপিনী ৰাৱে।
পাছু পাছু তাকু মাধৱ ধাৱে।।
নাহি নাহি ভয় বোলে গোপাল।
যক্ষক খেদে তুলি তৰু সাল।।
ৰে ৰে শঙ্খচূড় তিৰী চোৰ।
মোড়ব গাড় ছোড় গোপী মোৰ।।
শুনি তৰাসে জীৱ গেল উড়ি।
পাপী পলাৱত গোপীক ছোড়ি।।
বেগাই যাই জনিল তৰাসে।
যক্ষক খেদে দেৱ দিগ পাশে।।
ৰহি কোপে দন্ত কামুড়ি খাই।
খেপল শূল মাধৱক লাই।।
পেখি তাহেক হৰি কৰি আস্ফাল।
ভাঙ্গল শূল হানি তৰুসাল।।
লৰড়ে শঙ্খচূড় ৰাখি পৰাণ।
ধাৱে পাছু পাছু পুৰুষ পুৰাণ।।

---

84। পা. উৎপাতি কহোঁ 85। কোনো কোনো পুথিত নাই।

বাঘক আগু যাই যৈচে ছাগ।
ধৰল গোপাল পাই তছু লাগ।।
মাৰল মুঠি কোপে গোপীনাথ।
পৰল ছিড়ি কন্ধ যক্ষক মাথ।।[86]
তাহেক ৰত্ন চূড়ামণি আনি।
গোপীক অভয় বুলিলা বাণী।।
তাহে পেখি গোপী দন্ত প্ৰকাশি।
সাধু সাধু কয় পূজয়ে হাসি।।
মাৰল শঙ্খচূড় দুৰাচাৰ।
মিলল ৰঙ্গ ঢ়ঙ্গ গোপিকাৰ।।
শিৰত কানুৰ কুসুম সিঞ্চে।
বেঢ়ি কাহু কাহু আঞ্চোৰে বিঞ্চে।।
মোচে শ্ৰমজল কাহু গোপিনী।
কতহু গাৱত গুণ আপুনি।।
কৃষ্ণক ভকতি মোক্ষ নিদান।
শুন সৱ লোই বেদ প্ৰমাণ।।
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে বোলে।
পৱিত্ৰ কৰা হৰি হৰি ৰোলে।।

**শ্লোক।।**

নিহত্য গোপীহৰ্ত্তাৰং যক্ষং স্ত্ৰীভিস্ততো হৰিঃ।
জলক্ৰীড়াং সমাৰেভে প্ৰৱিশ্য যমুনাজলম্।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শঙ্খচূড় যক্ষক মাৰিকহুঃ পৰম প্ৰিয় গোপীসৱ সহিত ঃ যমুনাক জল প্ৰৱেশি ঃ অতি কৌতুকে জলকেলি আৰম্ভলঃ মত্ত মাতঙ্গ যৈচে ঃ হস্তিনীসৱ সহিতে ঃ লীলায়ে খেলাৱত ঃ সৱ গোপী বেঢ়িকহু ঃ শ্ৰীকৃষ্ণ যৈচে জলক্ৰীড়া কৰল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

86। পা. (ক) পড়ল চিণ্ডিকহোঁ যক্ষক মাথ। (খ) পড়ল জক্ষক চিণ্ডিকহোঁ মাথ

## গীত।। ৰাগ গৌৰী।। পৰিতাল

**ধ্রুং।।**

করত গোপাল জলকেলি।
চৌভিতি গোপিনী পানী সিচত হাসি
ৰময়াকে মুহ হেৰি।।[87]

**পদ।।**

কাহুক অম্বৰু ছোড়ি লেলা হৰি
কাহুক আলিঙ্গন দান।
কাহুক ভোৰে কোৰে কৰি চুম্বন
কাহুক কুচ নখে হান।।
মত্ত গজ যৈচন জল মহ খেলত
তৰুণী কৰিণীসৱ সঙ্গে।
লীলা গোপাল পেখি সুৰ সুন্দৰী
দাৰল হৃদয় অনঙ্গে।।
যাহেৰি চৰণ সুৰাসুৰ সেৱত
সো হৰি গোপীক পিউ।
শঙ্কৰ কহ হৰি চৰণ শিৰে ধৰি
তাৰু তাৰু জগজীউ।।

**সূত্র।।**

এবম্বিধ নানা খেলনা কয় ঃ জলকেলি সমাপল। তদনন্তৰ ঃ গোপীসৱ ঃ শ্ৰীকৃষ্ণক সেৱা কয়ে লাগল ঃ কাহু পীতবস্ত্ৰ পৰিধান কৰাৱে ঃ কাহু গন্ধ চন্দন গাৱে চড়ৱে ঃ কাহু কদম্ব মালা গাম্থি গলে পিন্ধাৱয় ঃ কাহু তাম্বুল সাজি যোগাৱয় ঃ কাহু আঞ্চোড়ৰে বিঞ্চে ঃ কাহু সুৰভি কুসুম সিঞ্চেঃ কাহু কৃষ্ণমুখপঙ্কজ নয়নভীঙ্গ ভৰি পিৱত ঃ কাহু কাহু বালা বেঢ়ি গোৱিন্দ গুণ গাৱত ঃ কাহুক প্ৰেমৰসে শৰীৰ পুলিকত ঃ নয়নক নীৰ ধাৰায়ে বাৰীষ[88] ঃ ভাগ্যৱতী গোপীসৱ মহোদয় পাৱল। আহে লোকাই ঃ পেখু পেখু ঃ পৰম আনাচাৰী গোপনাৰী ঃ কামভাৱে হৰিগুণ গাই ঃ পৰম গতি পাৱলঃ হৰি-ভকতিক ঐচন মহিমা ঃ আচাৰী অনাচাৰী

87। পা. মুহ নেহাৰি। 88। পা. নয়নক নীৰ ধাৰায়ে বহইছে

বাচয়ে নাহি ঃ জানি নিৰন্তৰে হৰি বোল হৰি।।

**শ্লোক।।**

এৱং বৃন্দাৱনে তস্মিন্ ব্যতীতা ক্ৰীড়াতোনিশাম্।
নিৰীক্ষ্য ভগৱানাহ ব্ৰজং যান্ত্বলা দ্ৰুতম্।।

**সূত্ৰ।।**

নিৰ্ভয় ক্ৰীড়া কৰিতে সকল নিশা সমাপল ঃ পেখি শ্ৰীকৃষ্ণ বোলল।

**শ্ৰীকৃষ্ণ।।**

হে সখীসৱ ঃ যাৱত প্ৰসন্ন নাহি হয় ঃ তাৱে সত্বৰ আজু ব্ৰজে যাৱ ঃ বিলম্ব পৰিহৰ।

**সূত্ৰ।।**

ঐচন বাণী শুনি ঃ গোপীসৱক মাথে ঃ যৈচে কলস ভাঙ্গল ঃ নিশ্বাস ফোকাৰি মুখে বচন হৰল ঃ তৱধ নয়নে হেঠ মাথ কয়ল।

**শ্ৰীকৃষ্ণ।।**

হে সখীসৱ ঃ যাৱত প্ৰভাত নাহি হয় ঃ লোকে নাহি জানত ঃ তাৱে সত্বৰে গৃহক চল। হামাক যদি ৰাখব ঃ বেগে যাৱ।

**সূত্ৰ।।**

গোপীসৱে শুনি ঃ নিশ্বাস ফোকাৰি ঃ কৃষ্ণৰ চৰণৰেণু ঃ মাথে মাখি ঃ পৰম দুখভাৱে[89] ব্ৰজ চলল ঃ যৈচে ৰজনীক গাৰি দেই ঃ কুকুৰাকু শপয় ঃ তা দেখহ শুনহঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ অহিৰ।। তাল যতি**

**ধ্ৰুং।।**

বহুৰি গৌৰী গোপাল প্ৰাণ নেহাৰি।
ফোকাৰে নিশ্বাস চলয়ে নাহি চৰণা[90]
নয়না[91] পুৰতি বাৰি।।

**পদ।।**

কুকুৰা ৰাৱে জানি ৰজনী[92]শেষ
তাকু শপয় পুতমাথে।

89। পা. পৰম মৌনে 90। পা. ঝুৰয়ে নিৰনয়না 91। পা. বয়না 92। পা. ৰয়নি

আজু বৈৰি নিশি নিমিষে পুহাৱলি
হামাকু তেজল প্ৰাণনাথে।।
ভৰি পাঞ্চ সাত চলিতে তনু তাৰে
হৰি বিনে দেখু আন্ধিয়াৰি।
প্ৰেম পৰশে পুনু পৰয় ধৰণী লুটি
শঙ্কৰ উদ্ধাৰ মুৰাৰি।।

**কথা।।**

শ্ৰীকৃষ্ণক তেজিতে যৈচে প্ৰাণ টুটে ঃ মাটি লুটি ক্ৰন্দন কৰয়ে বালাসৱ ঃ তাহে পেখি শ্ৰীকৃষ্ণ প্ৰবোধি বোলল।।

**শ্ৰীকৃষ্ণ।।**

সখীসৱ ঃ উচিত নহে ঃ আজু গৃহে যাৱ ঃ প্ৰাণ সখীসৱ ঃ হামাকু বচন ৰাখহ ঃ উঠহ উঠহ।

**সূত্ৰ।।**

গোপীসৱ শুনিঃ আখি মুখ মুচি ঃ শ্ৰীকৃষ্ণক প্ৰণামি ঃ পুনু চলল ঃ ভৰি আগকু বাঢ়য়ে নাহি ঃ কথঙ্কথমপি ব্ৰজ যাই ঃ কিছু কৃত্য কৰয়ে নাহি পাৰিএ ঃ কেৱল কৃষ্ণ চৰণ চিন্তি ৰহল ৰহল।
ঃ কৃষ্ণক বিৰহে সৱ দেহা দহয়ে ঃ একথান হুয়া ঃ কৃষ্ণগুণ গাই ঃ যৈচে দিবস বঞ্চলঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ অহিৰ।। একতালি**

**ধ্ৰুং।।**

মাই মাই ঃ হৰিক বিছুৰি কত ৰহবি।
যাহে নেহাৰি সুৰ ৰমণী মূৰচি পৰে
তাহে বিৰহ কত সহবি।।

**পদ।।**

বাম বহুত বাম কপোল মিলায়া
কেলি কদম্ব মূলে মোহন বেণু বাই।
শুনি বেণু ধেনু ধৰত তৃণ দশনু
ৰহি নীৰ নয়ন ঝুৰাই।।
শুনিয়া মোহন ধ্বনি তম্ভিত তৰঙ্গিনী
পুলক কমল কোল দোলে।

হৰিণী হৰীৰত চেতন এ তনু
বিছুৰি ৰহত ৰস ভোলে।।
নীল তনু পীত পট পেখি গগন-ঘন
বোলি সুহৃদ কৰো মান।
ছায়া ছত্ৰ ধৰত কৰত মধুৰ ধ্বনি
কৃষ্ণ কিঙ্কৰে ৰস ভাণ।।

**সূত্ৰ।।**

হে সভাসদ[93] ঃ যখন শ্ৰীকৃষ্ণ ঃ বামবাহু বামকপোলে থাপি ঃ কোমল আঙ্গুলিচয় চালি ঃ বেণু বজাৱয় ঃ তা শুনি সুৰসুন্দৰীসৱ ঃ মূৰুচি পড়য় ঃ ধেনুসৱ তৃণদন্তে নয়নক নীৰ ঝুৰে ঃ হৰিণীসৱ চেতন হৰাৰত ঃ নদীসৱ কামে কম্পয়ে ৰহ ঃ পেখু পেখু ঃ বিৰিখ পশু ঃ সে সৱো কৃষ্ণ গীতে মোহিত হয় ঃ সে প্ৰাণ বন্ধু বিৰহে ঃ গোপীসৱে[94] কৈছে জীৱ ৰাখব। ঐচন ব্যৱহাৰে ঃ কৃষ্ণ-গুণ গাই ঃ বিৰহ বিলাপ কয় ঃ দিন সৱ বঞ্চয় ঃ সন্ধ্যা সময়ে ঃ পূৰ্ব্বৱতে বৃন্দাৱনে গৈয়াকহু ঃ পুনু প্ৰাণ কৃষ্ণ সহিত ঃ সমস্ত শৰত ৰাত্ৰি ঃ ৰাসক্ৰীড়া কয় ৰহ গোপীসৱ। শ্ৰীকৃষ্ণ এবম্বিধ নানা খেলনা কয় ঃ গোপীসৱক মনোৰথ পূৰল। ওহি কামজয় ঃ কেলি গোপাল নাম নাটক ঃ সম্পূৰ্ণ ভেল। আহে লোকাই ঃ এহি ভাৰতবৰিষে ঃ নৰতনু কোটি কলপ অন্তৰো জীৱে নাহি পাই। বিশেষত কলিযুগেঃ কৃষ্ণগুণনাম শ্ৰৱণকীৰ্ত্তন বিনে গতি নাহিঃ ইহা জানি নিৰন্তৰে হৰি বোল হৰি। তদন্তৰঃ চপয় ছন্দেঃ মঙ্গল বোল।

**।। মঙ্গল ভটিমা।।**

মীনৰূপে ঃ প্ৰলয় পয়সি ঃ সত্যব্ৰত যো তাৰিলে।
কূৰুমৰূপে ঃ খীৰ সাগৰ ঃ মাথনে যো ধৰিলে।।[95]
শূকৰৰূপে ঃ হিৰণ্য বিদাৰি ঃ দেৱভয় কয় ত্ৰাণ।
সোহি হৰি তেৰি ঃ কৰতু নিত্য ঃ মুকুতি মঙ্গল বিধান।।

নৰসিংহৰূপ ঃ প্ৰকটি আটোপি ঃ হিৰণ্যকশিপু ডাঁৰিলে।
বামণ মূৰুতি ঃ বলিক ছলিকহু ঃ ইন্দ্ৰ যোহি তাড়িলে।।
পৰশুৰাম ঃ নামে অৱতৰি ঃ ক্ষত্ৰিয় কয় নিৰজান।
সোহি হৰি তেৰি ঃ কৰতু নিত্য ঃ মুকুতি মঙ্গল বিধান।।

---

93। পা. হে সখিসৱ 94। পা. হামু 95। পা. মথনে মন্দৰ ধৰিলে

দাশৰথি ৰাম ঃ ৰূপ ধৰিকহুঁ ঃ জলধি বান্ধল সেতু।
সীতা উদ্ধাৰল ঃ বধল বৈৰি ঃ এ দশকন্ধ ধূমকেতু।।
ৰাম হলধৰ ঃ ৰূপে ধেনুক ঃ দ্বিবিদ কয় নিৰজান।
সোহি হৰি তেৰি ঃ কৰতু নিত্য ঃ মুকুতি মঙ্গল বিধান।।

বোধ মূৰুতি ঃ জগত মোহিয়ে ঃ কয়ল পাষণ্ড ৰীত।
ধৰম দূৰ গেল ঃ ভেল মলমতি ঃ লোকসৱ কলিত।।
কলকিৰূপে ঃ ভকতক তাৰি ঃ কৰবি ম্লেছ উছান।
সোহি হৰি তেৰি ঃ কৰতু নিত্য ঃ মঙ্গল বিধান।।

কৃষ্ণৰূপে ঃ পৰম ঈশ্বৰ ঃ ভেলি লীলা অৱতাৰ।
যাকু নামগুণঃ শ্ৰৱণকীৰ্ত্তন ঃ কৰতু জগত উধাৰ।।
যোহি অঘ বকঃকংস কুৱলয়ঃ কয়ল মাৰি নিৰজান।
সোহি হৰি তেৰি ঃ কৰতু নিত্য ঃ মুকুতি মঙ্গল বিধান।।

যাহে মহিমা ঃ ব্ৰহ্মা শঙ্কৰ ঃ কবহু অন্ত নপাই।
যাকু নাম ধৰি ঃ মুনিবৰ পামৰ ঃ দুহো এক গতি পাই।।
যাহে ভকতিক ঃ শকতিক ঐচন ঃ নিগমসৱ পৰমাণ।
সোহি হৰি তেৰি ঃ কৰতু নিত্য ঃ মুকুতি মঙ্গল বিধান।।

শ্ৰীৰামৰায়া ঃ হৰিকো পৰমা ঃ ভকতি ৰসিক সুজান।
কেলি গোপাল ঃ কৰাৱত নাটক ঃ কৃষ্ণ কিঙ্কৰ ওহি ভাণ।।
শুনহ বুধজন ঃ নাহি নিন্দব ঃ মোহি মোহি দোষ বখান।
যোহি সোহি বাণী ঃ হৰিগুণমিশ্ৰিত ঃ মুকুতি মিলাৱত জান।।

দেৱক দুৰ্ল্লভ ঃ ভাৰতে নৰতনু ঃ হৰি বিনে বিফলহি যাই।
ওহি জনম ঃ চিন্তামণি কৈচে ঃ বেচহু কাচকু লাই।।
ওহি সংসাৰ ঃ সাৰ নাহি হেৰব ঃ হৰিকো বিনে গুণনাম।
নিস্তৰ নিস্তৰ ঃ লোক নিৰন্তৰ ঃ ডাকি বোলহু ৰাম ৰাম।।

**।। ইতি কেলি-গোপালং নাম নাটকং সমাপ্তম্।।**

# পাৰিজাত-হৰণ

| পুৰুষ | স্ত্ৰী |
|---|---|
| সূত্ৰধাৰ | ৰুক্মিণী } শ্ৰীকৃষ্ণৰ পত্নী |
| শ্ৰীকৃষ্ণ | সত্যভামা } শ্ৰীকৃষ্ণৰ পত্নী |
| ইন্দ্ৰ | শচী (ইন্দ্ৰৰ পত্নী) |
| নাৰদ | ইন্দ্ৰমতী (সত্যভামাৰ সখী) |
| গৰুড় | |
| নৰকাসুৰ | বসুমতী (নৰকাসুৰৰ মাতৃ) |
| ভগদত্ত (নৰকাসুৰ শিশুপুত্ৰ) | অদিতি (দেৱমাতা) |
| দেৱতাসকল | |

# ।। পাৰিজাত-হৰণ নাট।।

## ।। শ্ৰীকৃষ্ণায় নমোনমঃ।।

**নান্দী।। শ্লোক।।**

নমঃ কৃষ্ণ বিষ্ণোহচ্যুতানন্ত শক্তে
নমো ৰাম ৰাজীৱনেত্ৰ প্ৰভো তে।
নমো ব্ৰহ্মমূৰ্ত্তে মুৰাৰে পৰেশ
নমো বিশ্বৰাস প্ৰসীদ প্ৰসীদ।।

**অপি চ।।**

খগেন্দ্ৰং সমাৰুহ্য নিৰ্জ্জিত্য শত্ৰুং
মুদা লীলয়া দৈৱকীনন্দনো যঃ।
প্ৰিয়ং পাৰিজাতং জহাৰ প্ৰিয়াৰ্থং
পৰেশায় কৃষ্ণায় তস্মৈ নমো মে।।

**সূত্ৰ।।**

পহিলেহি শ্ৰীকৃষ্ণক প্ৰণাম কয়ে কহুঁ ঃ সভাসদ লোকক সম্বোধি বোল[1]।।

**শ্লোক।।**

ভো ভোঃ সামাজিক ঈশকৃষ্ণস্য জগতীপতেঃ।
শ্ৰীপাৰিজাত হৰণং যাত্ৰাং সম্প্ৰতি পশ্যত।।

**অথ ভটিমা।।**

জয় জয় কৃষ্ণদেৱ নিজ অংশ।
লীলা নাশিত কংস সবংশ।।
যাকেৰি চৰিত্ৰ ভকত অৱতংশ।
কমলা[2] কেলি কমল কলহংস।।

---

1। পা. বোলো /বোলে 2। পা. কমল

তনু ইন্দিবৰ শ্যামল চোৰি।
তথি পৰকাশিত পীত পিচোৰি।।
তড়িত জড়িত যচ নৱ ঘন খণ্ড।
মকৰ কুণ্ডল মণ্ডিত গণ্ড।।
কনক কিৰীটি ৰতন অৱভাস।
কুঞ্চিত চাৰু চিকুৰ পৰকাশ।।
ৰুচিকৰ কৰ্ণ্ণ ভুৱন মনভুল।
নাসা নীল[3] ৰতন তিল ফুল।।
নয়ন কমল মুহ পঙ্কজ জোড়।
একু মিলল যচ চান্দ-চকোৰ।।
মাণিক দশন হাসা তথি থোৰ।
আৰকত অধৰ বন্দূলি ৰুচি চোৰ।।
ৰুচিৰ চিবকু[4] পেখি হৰু তাপ।
ভুৰ-যুগ ৰঞ্জি মদনকেৰি চাপ।।
কুটিল অলক-কুল তিলক কপোল।
হৃদয়ে হেমক হাৰ অমোল।।
ওতিম মোতিম মালা লুলে।
কৌস্তুভ কম্বু-কণ্ঠ মহ ডুলে।।
চাৰু উদৰ দৰ হৃদয় বিশালা।
লম্বিত পঞ্চবৰণ বনমালা।।
সঞ্চৰ চঞ্চৰ[5] মধুকৰ লোহে।
শ্ৰীশ্ৰীবৎস উৰথল সোহে।।
চাৰু চতুৰ্ৰ্ভুজ অঙ্গ ভুঅঙ্গ।
ৰতন কেয়ুৰ উজুৰ তচু সঙ্গ।।
কঙ্কণ কনক ঝনক কৰু মূল।
কৰতল বাতা উতপল ফুল।।

3। পা. নিৰ 4। পা. শ্ৰীমুখ 5। পা. চঞ্চৰ; চাঞ্চৰ

অঙ্গুলি চাৰু হীৰ হেম মোতি।
নখমণি নিন্দিত চান্দক জৌতি।।
অৰি অৰবিন্দ কৌমুদী কম্বুপাণি।
কোকিলক কণ্ঠ অমিয়া ঝুৰে বাণী।।
নাভি কঞ্জ ৰঞ্জ অনুপাম।
বিহিকো জনম ভেলি যোহি ঠাম।।
কটিত কনক কাঞ্চি পৰিৰম্ভ।
উৰু কৰি কৰ বৰ মৰকত তম্ভ।।
লম্বি নিতম্ব পীত ৰুচি চিৰ।
পদ পঙ্কজ ঝুৰে ৰতন মঞ্জিৰ।
নীল অঙ্গুলি যচ চম্পক কোৰ।।
নখচয় চাৰু চান্দ উজোৰ।
কমল[6] পদতল অলকত ভান্তি।
ধ্বজ পঙ্কজ যৱ অঙ্কুশ পান্তি[7]।।
পাশ লাস শ্বেত চামৰ ঢোলে।
সঞ্চৰে ৰাজহংস দুহো কোলে।।
মাথে ছত্ৰ চাৰু শশীকান্ত।
বৰিষে শীকৰ অমিয়া নিতান্ত।।
মধুৰ মূৰুতি ভকত মনভূল[8]।
মনমথ কোটি যাহে নাহি তুল[9]।।
হোই যৱ নীল নৱ ঘন খণ্ড।
উৰৰে ৰহ ৰবিকৰ পৰচণ্ড।।
পূৰ্ণিমাক চান্দ দুহোঁ দুহোঁ পাশা।
তথি কৰু ইন্দ্ৰচাপ পৰকাশা।।
বহে দুহোঁ ধাৰ সুৰেশ্বৰী নিৰ।
উজুৰি বিজুৰি ৰহ তথি থিৰ।।

6। পা. কোমল 7। কান্তি 8। মনপুৰ 9। ওৰ

অভিনৱ সুৰ উগত তচু মাঝে।
তাহে লম্বি বক-পাঙ্কতি[10] বিৰাজে।।
তাৰা ঝিকমিক কৰু বহু ঠামা।
তৱ হোই সোই মূৰুতি উপামা।।
ৰহু হৃদি পঙ্কজ সোহি মুৰাৰি।
অব-সুই[11] লোই দেখু বিচাৰি।।
কোটি কল্পতৰু পূৰণ কামা।
ঐচন ঈশ ৰহয় নিজ ঠামা।।
তাহে চৰণ চিন্ত চিত্ত লাই।
তনু চিন্তামণি বিফলেহি যাই।।
আৰে নিকত নিত অন্তকে গৰজি।
লেহু হৰি চৰণ শৰণ সৱ বৰজি।।
যো মুহে ৰাম নাম নাহি আসে।
কলিযুগ কাল ভুজঙ্গমে দংসে।।
সোহি কৃষ্ণক নাটক উপামা।
পাৰিজাত হৰণ আহে নামা।।
ভকতিক সাধি শুনহ সৱ লোই।
হৰি বিনে বান্ধৱ আন নাহি কোই।।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰে বোল।
কৰ অৱ নৱ সৱ হৰি হৰি বোল।।

**সূত্ৰ।।**

আহে সামাজিক লোক ঃ যে জগতক পৰম গুৰু ঃ যাহেৰি স্ৰজনা সয়ল সংসাৰ ঃ ব্ৰহ্মা মহেসে বন্দিত পাদপদ্ম ঃ পৰম পুৰুষোত্তম শ্ৰীকৃষ্ণঃ ৰুক্মিণী সত্যভামা সহিত, ঃ ওহি সভামধ্যে প্ৰৱেশি কহো ঃ নৰকাসুৰ বধ পাৰিজাত হৰণ ঃ লীলা যাত্ৰা কৌতুকে কৰৱ ঃ তাহে সাৱধানে দেখহ শুনহঃ আত পৰে পুণ্য কলিত নাহি নাহি ঃ জানি নিৰন্তৰে

10। পা. বক-পকতি /পঙতি 11। পা. অৱ সৱ লোই

হৰি বোল, হৰি বোল। তদনন্তৰ সূত্ৰ পুচত। আহে সঙ্গি সখি কি বাদ্য বাজত[12]।।

**সঙ্গী বোল।।**

আহে সঙ্গি সখি[13] আ ঃ দেৱ বাদ্য বাজত।

**সূত্ৰ।।**

আ ঃ মিলল মিলল।

**শ্লোক।।**

প্ৰৱেশমকৰোদ্দেৱো গোৱিন্দো গৰুড়াসনঃ।
ৰুক্মিণীসত্যভামাভ্যাং সহ চাৰশ্চতুৰ্ভুজঃ।।

**সূত্ৰ।।**

আহে লোক ঃ হামু যে কহলু ঃ সোহি পৰম ঈশ্বৰ ঃ শ্ৰীকৃষ্ণ সভাৰ্যে ঃ যাত্ৰা নিমিতে এথা আৱত ঃ পৰম সাৱধান হুয়া দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।

ইতি সূত্ৰো নিষ্ক্ৰান্তঃ।।

**প্ৰৱেশ গীত।। ৰাগ সিন্ধুৰা।। একতালি**

**ধ্ৰুং।।**

আৰে গৰুড়কেতু কয়ো পৰৱেশ।
মদনক লাজ হেৰি ৰূপ লেশ।।

**পদ।।**

শ্যাম মূৰুতি দীপিতি পীতবাসা।
মুকুট কুণ্ডল মণি মুখ পৰকাশা।।
কৰে কঙ্কন বনমালা উৰে লোলে।
চৰণক মাঝে মঞ্জিৰ কৰু ৰোলে।।
কোটি মদন জিনি উজৰ মুৰাৰি।
সঙ্গে সত্যভামা ৰুকমিণী বৰ নাৰী।।

---

12। পা. আহে সঙ্গিঙ্গ কি বাদ্য বাজত 13। পা. আহে সঙ্গি

শৰীৰক জ্যোতি জ্বলয় দিশ পাশা।
কহয় শঙ্কৰ হৰি দাসকু দাসা।।

**সূত্ৰ।।**

আহে সভাসদ লোক ঃ শ্ৰীকৃষ্ণ পত্নীসৱ সহিতেঃ কৌতুকে নৃত্য কয় কহু ঃ ৰুকমিণী সহিত এক মন্দিৰে ৰহল ঃ সত্যভামা নিজ মন্দিৰে ৰহল।

**শ্লোক।।**

পশ্চাৎ পুৰন্দৰো দেৱো নাৰদেন সহাগতঃ।
প্ৰণম্য কেশৱং সৰ্ব্বং প্ৰোৱাচ ভৌমচেষ্টিতম্।।

**সূত্ৰ।।**

তদনন্তৰঃ দেৱতা ইন্দ্ৰ ঃ নাৰদ সহিত আসি হোঁক ঃ শ্ৰীকৃষ্ণক শিৰে পৰণাম কয় কহুঁ ঃ নৰকাসুৰক বিচেষ্টা যৈচে নিবেদল। নাৰদ আশীৰ্বাদ কয় ঃ শ্ৰীকৃষ্ণক হাতে যৈচে পাৰিজাত নিবেদল ঃ ৰুক্মিণীক মাথে জগতক নাথে ঃ যৈচে পিন্ধাঅল ঃ আহে লোক ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ আশোআৰী।। পৰিতাল**

**ধ্ৰুং।।**

ঐৰাৱত কন্ধে বাসৱ আৱে।
আগহি নাৰদ হৰিগুণ গাৱে।।

**পদ।।**

সুন্দৰী ৰমণী শচী একুপাশে।
চলল ভ্ৰূভঙ্গ লয় লাসে।।
মাথে ছত্ৰ বজ্ৰ একু হাতে।
কহ শঙ্কৰ গতি গোপিনী নাথে।।

**সূত্ৰ।।**

তদনন্তৰ ঃ নাৰদক দেখি ঃ শ্ৰীকৃষ্ণ সভাৰ্যে উঠি কহু ঃ সপটে প্ৰণাম কয়ল ঃ নাৰদ হাত তোলি ঃ চিৰঞ্জীৱ বুলি ঃ আশীৰ্বাদ শ্লোক পঢ়ল।।

**শ্লোক।।**

জয় জয় যদুদেৱো দেৱকীনন্দনস্তম্
ভুৱন পতি সমস্তৈৰর্চ্চিতাঙ্ঘ্রি ঃ সদৈৱঃ[14]।
নিজ জনভয়হাৰিন্ সৃষ্টি সংহাৰকাৰিন্
অসুৰ নৰকাততান্ সাম্প্ৰতং পাহি দেৱান্।।

**সূত্ৰ।।**

ওহি আশীৰ্বাদ কয়ে ঃ শ্ৰীকৃষ্ণক হাতে পাৰিজাত দিয়ে ঃ নাৰদ তাহেক মহিমা কহল।।

**নাৰদ বোল।।**

হে কৃষ্ণ ঃ ওহি পাৰিজাতক গন্ধ ঃ তিনি প্ৰহৰেক পথ যাই ঃ ওহি পাৰিজাত ঃ যাহেক গৃহে ৰহে ঃ ধন-জন-বিভৱ তাহেক চাড়য়ে নাহি ঃ ওহি দেৱ-দুৰ্লভ পাৰিজাত ঃ যে নাৰী পৰিধান কৰে ঃ সে পুষ্পক মহিমায়ে স্বামীত[16] পৰম সোভাগিনী হয়। তাহেক বাড়ি চাড়ি ঃ স্বামী কোথাৱে যায়ে নাহি। অঃ ওহি কুসুমক মহিমা কি কহব।

**সূত্ৰ।।**

ওহি বুলি নাৰদ চোৰড়ি পাৰি বৈঠি[17] মৌনে ৰহল।।

**শ্লোক।।**

শ্ৰুত্বা কুসুম মাহাত্ম্যং ৰুক্মিণী কেশৱপ্ৰিয়া।
প্ৰণম্য স্বামীচৰণং পাৰিজাতমযাচত।।

**সূত্ৰ।।**

মুনিক মুখে কুসুমক মহিমা শুনি ৰুকমিণী পৰম কৌতুকে কৃষ্ণক গোৰি লাগি কৰ-যুৰি বোলল।।

**ৰুক্মিণী বোল।।**

হে স্বামী, হামি তোহাৰ প্ৰথম পতনী ঃ জানি ওহি দেৱ-দুৰ্লভ পাৰিজাত ঃ প্ৰাণনাথ হামাক দেহু।।

14। পা. সমস্তৈঃ সৰিতাঙ্ঘ্রি সদেৱ, 15। নৰকতস্তং 16। 'স্বামীত' কোনো কোনো পুথিত নাই 17। চৰড়ি; কোনো কোনো পুথিত নাই।

**সূত্ৰ।।**

ওহি বুলি যৈচে কুসুম মাগল তাহে দেখহ ঃ শুনহঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ শ্ৰীগান্ধাৰ।। জৌতিমান।।**[18]

**ধ্ৰুং।।**

কৌতুকে ৰুকমিণী নমিয়ে স্বামীক পাৰে
মাগে আঞ্জুৰি যোৰি হাত।
অৱ প্ৰাণনাথ মাথে মিলাৱ মোহি
ওহি কুসুম পাৰিজাত।।

**পদ।।**

আহেৰ গুণ শুনি মুনি মুখে মাধৱ
সাধু অতৱে তোয়ী মান।
ভকত কৃপাল লাগু চৰণ তেৰি
কৰতু কুসুম মোহি দান।।
তোহাৰি প্ৰথম পতনী পৰম স্বামী
জানি পূৰহ মোহি আশা।
ধনিক বাণী শুনি হাসে ৰসিক হৰি
কহতু শঙ্কৰ কৃষ্ণ দাসা।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰুক্মিণীক[19] অতি কাতৰ বাণী শুনি ঃ শ্ৰীকৃষ্ণ হাসি হাসি হাতে তুলি ঃ প্ৰিয়াক গৌৰৱে কোলে বৈঠাই ঃ কৌতুকে জগতক নাথে ঃ ৰুক্মিণীক[20] মাথে পাৰিজাত পিন্ধাৱল। ৰমণীক বাঞ্ছা সফল ভেল। তদন্তৰ প্ৰিয়া সহিত শ্ৰীকৃষ্ণ নাৰদক সাদৰে বাৰ্ত্তা পুছত।

**শ্ৰীকৃষ্ণ বোল।।**

হে মুনিৰাজ ঃ তোহোঁ[21] কুশলে আৱল ঃ আঃ তোহাৰি আগমনে ঃ

---

18। পা. জাতিমান /যতি মান /মান যতি 19। ৰুকুণিক, ৰুকমিণিক 20। কোনো কোনো পুথিত নাই 21। তুহু

আজু হামাৰ দ্বাৰকাপুৰী পৱিত্ৰ ভেল ঃ তোহাৰি দৰশনে হামু কৃতাৰ্থ ভেলো।

**শ্লোক।।**

নাৰদ শ্লোক পঢ়ল।
কৃষ্ণস্য ৱচনংশ্ৰুত্বা ৱিহস্যোৱাচ নাৰদঃ।
নিজ ভৃত্যস্তবৈৱাহং ময়ি মায়াং কৰোষি কিম্।।

**নাৰদ বোল।।**

হে স্বামী কৃষ্ণ ঃ মনুষ্য চেষ্টা দেখায়া সৱলোক মোহিছ ঃ তোহাক ঈশ্বৰ বোলি জানয়ে নাহি ঃ হামু তোহাৰি ভকতিক বলে সৱ জানি ঃ হামাকু মোহিতে চাৱ ঃ আঃ স্বামি শুনহ।

**পয়াৰ।।**

হে হে পৰমেশ্বৰ জগত নিৱাসা।
হামু নাৰদ তুৱা চৰণকু[22] দাসা।।
ভৰমো দিশ দশ তুৱা গুণ গায়া।
হামাকু আগু কৰসি ওহি মায়া[23]।।
জগত উদ্ধৰল যাহে চৰিত্ৰ।
তাহেক হামু কয়লু পৱিত্ৰ।।
যাহেৰি নামে মুকুতি পদ পাই।
যো হৰি কৰ তুতি নতি কতিলাই।।
তুহু জগতক গুৰু দেৱক দেৱা।
তোহাৰি চৰণে ৰহোক মেৰি সেৱা।।
মুখে যোনো নোচোড়ো[24] তুৱা গুণ নাম।
মাগো অতয়ে বৰ তোহাকেৰি[25] ঠাম।

**কথা।। নাৰদ বোল।।**

হে কৃষ্ণ ঃ তুহু পৰম পুৰুষ নাৰায়ণ ঃ ভূমিক ভাৰ হৰণ নিমিত্ত

---

22। পা. দাসুক 23। জয় গায়া 24। চাড়হু 25। তোহাৰি

অৱতৰিছ[26]। সাম্প্ৰত পাপী নৰকাসুৰে দেৱতা সৱক বহুত দুখ লগাৱে ঃ তন্নিমিত্ত শচী সহিত ইন্দ্ৰ দেৱতা ঃ তোহাৰি চৰণে শৰণ লেলহ ঃ হে কৃষ্ণ দেখু দেখু।।

**সূত্ৰ।।**

ওহি[27] বুলি নাৰদ মৌনে ৰহল। তদনন্তৰ ঃ কৃষ্ণক আগু পৰি ঃ পুৰন্দৰ প্ৰণাম কয়কহু ঃ সভাৰ্যে কৰযোৰি তুতি বোলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

**পয়াৰ।।**

জয় জয় যাদৱ দেৱ। জয়ধাতা-কৃত সেৱ।।
জয় ভকতক ভয়কাৰী। জয় জয় ঈশ্বৰ মুৰাৰি।।
যাকেৰি নাম উচাৰি। পাই পদাৰথ চাৰি।।
জীৱ নিয়ন্তা তুহুঁ অজ। বন্দো তুৱা পদ-পঙ্কজ।।
অঘ বক ধেনুক কংস। মাৰল অসুৰ সবংশ।।
হৰলি ভূমিকেৰি ভাৰ। ভকতক হেতু অৱতাৰ।।
সাম্প্ৰত গোচৰ হামাৰি। বান্ধৱ শুনহ মুৰাৰি।।
অৱ নৰকাসুৰ পাপ। কৰলি বড়ি উপতাপ[28]।।
আনল স্বৰ্গক মাৰি। দেৱক যতয়ে[29] কুমাৰী।।
সৰ্ব্বস্ব নৰহে হামাৰি। তুৱা পাৰে কয়লো গোহাৰি।।

**কথা।। ইন্দ্ৰ বোল।।**

হে স্বামি শ্ৰীকৃষ্ণ ঃ পাপী নৰকাসুৰে কোন নকৰল ঃ বৰুণক ছত্ৰ ঃ মণিপৰ্ব্বত ঃ এসৱ কাঢ়ি আনল ঃ হে কৃষ্ণ কি কহব ঃ মাতৃ অদিতিক কুণ্ডল দোহো ৰাখয়ে নাহি পাৰল ঃ আৰ হামাৰ হইতে কি ৰহল ঃ হে কৃষ্ণ ঃ কোটি কোটি ব্ৰহ্মাণ্ডেশ্বৰ ঃ তোহাৰি চৰণ চোৰি ঃ হামাৰ গতি নাহি ঃ বাপ জগন্নাথ ঃ ত্ৰাহি ত্ৰাহি।।

---

26। পা. অৱতৰৈছ 27।এতহি 28। উতপাত 29। যতেক /অতৱে

**সূত্ৰ।।**

ওহি বোলি ঃ কৃষ্ণক আগু ঃ কান্দি কান্দি পুৰুন্দৰ পৰল।

**শ্লোক।।**

দৃষ্ট্বাদুঃখং মহেন্দ্ৰস্য শ্ৰুত্বা চ ভৌমচেষ্টিতম্।
আশ্বাস্য ৱাসৱং হস্তে গৃহীত্বোৱাচ কেশৱঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ মহেন্দ্ৰস্য দুখ দেখিয়ে ঃ পৰম কৃপাময় নাৰায়ণ ঃ হাতে ধৰি তোলি ঃ ইন্দ্ৰক আশ্বাসি বোলল।।

**কথা।। শ্ৰীকৃষ্ণ বোল।।**

হে মহেন্দ্ৰ ঃ তোহোঁ তাপ তেজহ ঃ তোহাৰি বৈৰি ঃ পাপী নৰকাসুৰ ঃ সে গতায়ু ভেলি ঃ তাহেক মাৰি ঃ দেৱতাসৱক প্ৰয়োজন সত্বৰে সাধব ঃ ওহি নিষ্ঠে জানি ঃ তুহু আগ হুয়া ঃ সত্বৰে অম্ৰাৱতী চলহ ঃ নৰকাসুৰ বধিতে হামু আজু পয়ান কৰব।।

**সূত্ৰ।।**

সে সময় নাৰদ ইন্দ্ৰক বোল।।

**কথা।। নাৰদ বোল।।**

হে পুৰন্দৰ ঃ শ্ৰীকৃষ্ণ যেখনে অঙ্গীকাৰ কয়ল ঃ তোহাৰি শত্ৰুক তেখনে স্কন্ধ পাত ভেল ঃ ইয়াত শঙ্কা নাহি ঃ তুহু আগু হুয়া চলহ ঃ তোহাক নিমিত্তে ঃ শ্ৰীকৃষ্ণক কাতৰ কয় ঃ হামু পাচু লৈয়া যাৱবঃ চিন্তা নাহি ঃ চলহ ঃ চলহ।।

**সূত্ৰ।।**

ওহি নিৰ্ভয় বাণী শুনি বাসৱ ঃ কৃষ্ণক নাৰদক প্ৰদক্ষিণ কৰি কহুঁ ঃ পৰি পৰণাম কয়ল ঃ বিদায় লৈয়া ঐৰাৱতে চড়ি ঃ ইন্দ্ৰ চলল।।

**শ্লোক।।**

মুনিৰ্মাধৱামাহেদং গন্তুংত্বৰয় কেশৱ।
দ্বাৰৱত্যাঃ শ্ৰিয়ং পশ্যন্নেষ্যামি চান্তিকন্তৱ।।

**কথা।। নাৰদ বোল।।**

হে কৃষ্ণ ঃ তুহুঁ চলিবাক সত্বৰে সাজহ ঃ হামু তোহাৰি দ্বাৰকাপুৰীক ঃ কৌতুকে পেখিয়ে ঃ এখনে আৱব।।

**সূত্ৰ।।**

ওহি বুলি নাৰদ ঃ[30] যৈচে চলল ঃ তাহে দেখহ শুনহঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। শ্ৰীগান্ধাৰ।। পৰিতাল[31]**

**ধ্ৰুং।।**

চললি নাৰদ হৰি গুণ গাই।
ভৰমে দ্বাৰকাপুৰি সম্পত্তি চাই।।

**পদ।।**

ৰতনে ৰচিত যত হৰিক আৱাস।
যৈচন সুৰ পুৰ কৰ পৰকাশ।।
পেখল পাচু ভুৱন অনুপমা।
আসনে থিক বৈঠিয়ে সত্যভামা।।
পূৰ্ণিমাক চান্দ বদন পৰকাশা।
চিৰঞ্জীৱ বোলি নাৰদ কৰু হাসা।।
পেখি মুনিক ধনি অৱনত কায়।
পৰি পৰণাম কয়লি পুনু মাই।।
জীৱতু জীৱতু নাৰদ বোল।
ডাকি কৰহু নৰ হৰি হৰি বোল।।

**সূত্ৰ।।**

তদনন্তৰ ৰাসুয়া চৰড়ি[32] পাৰল।
মুনি আসন ভিড়ি তথি বৈঠল।।

---

30। কোনো কোনো পুথিত--"ওহি বুলি নাৰদ হৰিগুণ গাই" 31। কোনোৰ মতে-- পয়াৰ।। ৰাগশ্ৰী।। 32। পা. বসুৱঅ চয়াড

**শ্লোক।। নাৰদ।।**

সাদৰং দেৱীং সম্বোধ্যাহ হৰিপ্ৰিয়াম্।
কৃষ্ণস্য কৰ্ম্ম ৱিষমং সত্যভামে নিবোধ মে।।

**কথা।। নাৰদ বোল।।**

অ ঃ হে দেৱী সত্যভামা ঃ, তোহাৰি স্বামী শ্ৰীকৃষ্ণক বৰি বিষম চেষ্টা দেখল ঃ হা হা মাৱ তুহুঁ দুৰ্ভাগা ভেলি ঃ হামু আজুসে জানলো।

**সত্যভামা বোল।।**

হে মুনিৰাজ ঃ তোহো কি কহৈছ[33] ঃ হামু কিছু বুজয়ে নাহি।।

**নাৰদ বোল।।**

হা হা তোহোক বিধি বঞ্চল ঃ হে মাৱ ঃ কি কহব ঃ কহিতে বৰি দুখ লাগে।।

**সূত্ৰ।।**

ওহি বুলি হেঠ মাঠে ঠেস কয় ৰহল মুনি।।

**শ্লোক।।**

সত্যভামাভৱদ্ভীতা নিশম্য মুনি ভাষিতম্।
দৃষ্টং কথয় কিং কুত্ৰ তং পৃচ্ছতি পুনঃ পুনঃ।।

**সূত্ৰ।।**

শুনি ভিতি হয়া দেৱী ঃ কৰযুৰি বোলল।।

**সূত্ৰ।। দেৱী বোল।।**

হে মুনিৰাজ ঃ হামু জানু ঃ মোহি সম সৌভাগিনী আৱৰি নাহি। সে স্বামী কৃষ্ণ হামাক চাড়ি ঃ কতিহো যাৱে নাহি। তুহু আজু কোন ঠামে ঃ কি দেখল ঃ কি শুনল ঃ হামাক শপথ ঃ সত্বৰে স্বৰূপ বাট কহ ঃ চিত্ত বৰি উদ্বেগ কৰয়।। মুনি মৌন চাড়হ।।

**শ্লোক।।**

দৃষ্টাব দেৱ্যাঃ সুনিৰ্ব্বন্ধং কথয়ামাস সাদৰম্।
কৃষ্ণস্য চৰিতং সৰ্ব্বং ৰুদন্নিৱ স নাৰদঃ।।

---

33। পা. কহয়ীছ, কহচ

**সূত্ৰ।।**

দেৱীক নিৰ্ব্বন্ধ দেখি মুনি বোলল।।

**নাৰদ বোল।।**

হা হা হে মাৱ ঃ কি কহব ঃ ঐসৱ কথা কহিতে দোষ ঃ হামু দেৱ-দুৰ্লভ পাৰিজাত পুষ্প স্বৰ্গ হন্তে আনি ঃ কৃষ্ণক হাতে দেলো ঃ সে পাৰিজাত যে নাৰী পৰিধান কৰে ঃ সে পুষ্পক মহিমায়ে ঃ পৰম সৌভাগিনী হয় ঃ ইহা জানি হামু বোললু ঃ ওহি পাৰিজাতক যোগ্য দেৱী সত্যভামা ঃ তথি কৃষ্ণে কয়লি কি ঃ তোহাক কটাক্ষ কৰিয়ে ঃ আপুন হাতে প্ৰিয়া ৰুকমিণীক মাথে ঃ পৰম সাদৰে সে দিব্য পাৰিজাত পিন্ধাৱল ঃ আ ঃ তোহাক জীৱন ধিক ধিক ঃ সতিনীক অভ্যুদয় দেখি ঃ কি নিমিত্ত প্ৰাণ ধৰহ ঃ মাৱ ঃ তুহুঁ জীয়ন্তে মৰল ঃ হা হা বিস্তৰ কি কহব!

**শ্লোক।।**

মুনেৰ্ব্বচনমাকৰ্ণ্য শোককোপপৰিপ্লুতা।
মূৰ্চ্ছিতা পতিতা ভূমৌ যথা ৱাতাহতা লতা।।

**সূত্ৰ।।**

তদনন্তৰ ঃ নাৰদ মুখে সতিনীক মহোদয় শুনি কহুঁ ঃ কোপে অপমানে আন্ধাৰি দেখিয়ে ঃ দেৱী সত্যভামা ঃ মূৰ্চ্ছিত হয়া পৰল ঃ যৈছে লৱঙ্গলতাক বাতে উপাৰল ঃ তদ্বত ঃ কেশ মুক্ত ভেল ঃ মুখে বচন হৰল ঃ নাসাত প্ৰাণ-বায়ু নাহি খেলে ঃ পেখি সখী ইন্দুমতী ঃ হা হা প্ৰাণ-সখী মৰল বুলি ঃ বাহু মেলি ধৰি কহুঁ ঃ শিৰে জল সিঞ্চল ঃ আঞ্চোৰে বিঞ্চি ঃ কান্দি কান্দি প্ৰবোধ বোলল।।

**কথা।। ইন্দুমতী বোল।।**

হে প্ৰাণ সখি ঃ সতিনীক অপমানে কি মৰিতে চায় ঃ ওহি কোন ব্যৱহাৰ ঃ আ ঃ সে প্ৰাণ মাধৱ স্বামী তোহাৰি মান সাধৱ নাহি ঃ ওহি দুৰন্ত চিন্তা পৰিহৰ ঃ উঠহ উঠহ।।

**শ্লোক।।**

কথঞ্চিৎ চেতনং সংজ্ঞাং লব্ধা দেৱী পুনঃ পুনঃ।
ৱিনিশ্বস্যাপমানেন ৰুৰোদ সখীসন্নিধৌ।।

**সূত্ৰ।।**

সে দেৱী সত্যভামা ঃ কথঞ্চিত চেতন লভিয়ে ঃ ঘন ঘন নিশ্বাস ফোকাৰি ঃ যৈচে সন্তাপ কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ কল্যাণ।। জতিতাল**

**ধ্ৰুং।।**

মানিনী মাই ঃ নয়ন পঙ্কজ ঝুৰে বাৰি
ফোকাৰৰে শ্বাস হ্ৰাস ভেল দেহা
ঘন ঘন দেখু আন্ধিয়াৰি।।

**পদ।।**

সতিনীক উদয়ে হৃদয়ে দহে আগি
অধিক মিলয়ে মনতাপ।
ধিক অৱ জীৱন যৌৱন মোহে অভাগী
ৰাগিনী কৰত বিলাপ।।[34]
হৰি হৰি পিউ মেৰি বৈৰী অধিক ভেলি
অতৰে কয়লি অপমানা।
ধৰণী লুটি লুটি বিলপতি বালা
কৃষ্ণ কিঙ্কৰ ৰস ভাণা।

**সূত্ৰ।।**

দেৱী সত্যভামা ঃ ওহি সকৰুণ বিলাপ অপমান কয়ে থিক। তদনন্তৰ ঃ কলহ-প্ৰিয় নাৰদ ঃ পুনৰ্ব্বাৰ কৃষ্ণক আগু গিয়া ঃ যে বোলল ঃ তাহে শুনহ।।

**কথা।। নাৰদ বোল।।**

আহে শ্ৰীকৃষ্ণঃ তুহুঁ এথা কোন সুখে ৰহইছ ঃ সে প্ৰিয়া সত্যভামা ঃ

34। পা. ধিক অৱজীৱনঃ যৌৱন মোহেঃ অভাগিনী কৰত বিলাপ।।

পাৰিজাতক নিমিত্তে ঃ অপমানে অন্নপান সৱ চাড়ল ঃ পৰম তাপে মৰয়িছে ঃ হা হা চক্ষুয়ে দেখিতে কি পাৱ কি নাহি পাৱ ঃ দেৱ ঃ সত্বৰে যাৱ।।

**শ্লোক।।**

মুনের্ৱচনমাকর্ণ্য মাধৱো ভক্তবান্ধৱঃ।
দ্রুতং তস্যাঃ গৃহং প্রাগাৎ প্রিয়াযাঃ প্রেমৱিহ্বলঃ।।

**সূত্ৰ।।**

মুনিক মুখে প্ৰিয়াক দুখ শুনি ঃ শ্ৰীকৃষ্ণ প্ৰেম-বিহ্বল হয়া ঃ মুনিক কাতৰ কৰি কহুঁ ঃ বাত পুছি ঃ যৈছে সত্যভামাক সমীপ চলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ তুৰ ভাটিয়ালী।। জতিমান**

**ধ্ৰুং।।**

এ মুনি কহিয়ো কহিয়ো কপট পৰিহৰি।
প্ৰাণে কি জীৱয় মোৰ গুণেৰ সুন্দৰী।।

**পদ।।**

মানিনী নাসহে তিলেকো অপমান।
মেৰি অপৰাধে কৈছে ধৰব পৰাণ।।
প্ৰিয়াক সন্তাপ তাপে দহে শোক আগি।
কুসুম নাদিয়া ভৈলো তিৰী বধ ভাগি।।
ঝুৰাইতে নয়ন প্ৰিয়াৰ পাইয়া কোল।
পেখি আকুল কৃষ্ণ-কিঙ্কৰ বোল।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ প্ৰেমে বিহ্বল হুয়া ঃ প্ৰিয়াক দেখল ঃ লোতকে মুখ মলিন ঃ ঘন ঘন নিশ্বাস ফোকাৰি ঃ মাটি লুটি ৰহত ঃ তাহে পেখি শ্ৰীকৃষ্ণ ঃ হা হা কি ভেলি বোলি ঃ আঙ্কোৱালি ধৰল ঃ নয়নক নীৰ ঝুৰায়ে আশ্বাস বোলল।।

**কথা।। শ্ৰীকৃষ্ণ বোল।।**

হে প্ৰিয়ে ঃ গোট এক ফুল ৰুক্মিণীক দেলোঁ ঃ সে নিমিত্তে যদি অপমান কৰহ ঃ তৱে উঠহ ঃ তোহাক একশত পাৰিজাত দেৱব ঃ ৰুক্মিণী ঃ জাম্বৱতী ঃ তোহাক সম সৌভাগিণী হৱে নাহি ঃ তোহো হামাক প্ৰাণ সম প্ৰিয়ে ঃ জানি তাপ তেজহ ঃ তোহাৰি দুখ দেখি ঃ হামাৰ হৃদয়ে সহয়ে নাহি ঃ প্ৰিয়ে ঃ হামাক শপত ঃ উঠহ উঠহ।।

**শ্লোক।।**

প্ৰিয়ং প্ৰণয়কোপেন নিঃশ্বস্যাহ ততঃ সতী।[35]
ধূৰ্ত্তালাপৈঃ দুৰ্ভগাং মাং কিমৰ্থং ত্বনিকথ সে।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণক বাক্য শুনি দেৱী সতাভামা ঃ স্বামীক পিঠি দিয়ে কহোঁ ঃ হেঠ মাথে ঃ সকৰুণে ক্ৰন্দন কয়ে বোলল।।

**কথা।। সত্যভামা বোল।।**

হে স্বামী ঃ হামি দুৰ্ভাগাক ঃ কপট বাক্যে কত কদৰ্থনা কৰহ ঃ যে তোহাৰ প্ৰিয়তমা ৰুক্মিণী ঃ তাহেক সমীপ চলহ ঃ হামাত কোন প্ৰয়োজন থিক।।

**সূত্ৰ।।**

ওহি বোলি বহুত বিলাপ কয় ঃ কৃষ্ণক যে বোলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ শ্ৰীগান্ধাৰ।। জৌতিতাল**

**ধ্ৰুং।।**

কেশৰহে বুঝলহুঁ তুহুঁঃ জানলোহোঁ তুহুঁ ব্যৱহাৰ।।
অতৱে চাতুৰি চোড়ি চলহু বহুৰি হৰি এ
যাহা প্ৰিয়া ৰমণী তোহাৰা।।

**পদ।।**

তোহাৰি কপট কৃষ্ণ নাবুঝি মানলো হামু এ
নাহি সোভাগিনী-সম মোই।

---

35। পা. মাং নু ধূৰ্ত্তক দুৰ্ভাগ্যং কিমৰ্থং জথসে পুনঃ।।

যৈচন পীৰিতি ৰীতি সৱহি বিদিত ভেলিৰে
আজু জানল মতি তোই।।
ওহি অপমানে প্ৰাণ নাহি ধৰলো হামু ৰে
চোড়ল জীৱনক আশা।
আগু পিউক পৰি বহু বিলপতি বালাৰে
কহতু শঙ্কৰ হৰিদাসা।।

**কথা।। দেৱী বোল।।**

হে স্বামিঃ হামু দুৰ্ভাগা ঃ সতিনীক অধীন তুহোঁ ঃ হামাক কতয়ে বিকৰ্থনা কৰহ ঃ ওহি অপামান হামু প্ৰাণ ৰাখব ঃ অ ঃ তৱ হামাক জীৱন ধিক ধিক।।

**সূত্ৰ।।**

ওহি বুলি দেৱী ঃ কান্দি কান্দি মূৰ্চ্ছিত হয়া পড়ল।।

**শ্লোক।।**

কুৰ্ব্বন হা হাৰৱং ৰামামালিঙ্গ্যাকুল মানসঃ।
প্ৰিয়ৱাক্যৈস্ততঃ শান্ত্যৈ[36] সান্ত্বয়ামাস মাধৱ।।

**সূত্ৰ।।**

তাহে দেখি শ্ৰীকৃষ্ণঃ হা হা বোলি বাহু মেলি ধৰল ঃ
প্ৰিয়াক দুখ দেখিয়ে মৰম চড়ল কমল নয়নক ঃ নীৰ ঝুৰৱে। আলিঙ্গি প্ৰিয়াক চাপি ধৰি ঃ কোৰ কৰিয়া ঃ আশ্বাস বচন বোলল।।

**পয়াৰ।।**

প্ৰিয়াক দুখ দেখি নসহে শৰীৰ।
কমল নয়ন ভৰি ঝুৰি বহে নীৰ।।
আলিঙ্গি প্ৰিয়াক চাপি ধৰি কোল।
কৰিয়া আশ্বাস বচন হৰি বোল।।
হে হে প্ৰাণ প্ৰিয়া শুন বাত।
দেলুহুঁ নাহি তুহি পাৰিজাত।।

36। পা. সাধবীং

অত অপৰাধ সহব অৰ মোই।
তুৱা সম সোভাগিনী নাহি কোই।।
ৰুক্মিণীক দেলো গোটা এক ফুল।
তাহেক লাগি তুহুঁ অতয়ে আকুল।।
পাৰিজাত তৰু সমূলি উপাৰি।
ৰোপন কৰব আনি তুৱা বাড়ি।।
যৱ মোহি বাক্যে নাহি পতিআৱা।
কহলো সত্য সত্য শুন জায়া।।
অৱ তেজহ তাপ কুমাৰি।
নসহে হৃদি দুখ দেখি তোহাৰি।।
হামাকু শপত খেৰ লহু মাথ।
উঠহ উঠহ প্ৰিয়া তেৰি ধৰু হাত।।
কৰ কাকুতি নতি জগতৰ ঈশ।
ৰমণিক মনে কিছো মিলল হৰিষ।।
পৰম ঈশ্বৰ কৰ কাতৰ প্ৰিয়াক।
দেখু অদভূত ভকতি মহিমাক।।
ব্ৰহ্মা মহেশ যাক কৰে সেৱা।
মাথে খেড় ধৰত সোহি দেৱা।।
কৃষ্ণক লীলা বুঝয়ে নাহি পাৰি।
পুৰ্ণ কাম হৰি কি কৰব নাৰী।।
ভকতি কয়লি হৰিকো মন ভোল।
জানি কৰহু নৰ হৰি হৰি বোল।।

**সূত্ৰ।।**

তদনন্তৰ ঃ সখী ইন্দুমতী বোল।

**কথা।। ইন্দুমতী বোল।।**

হে প্ৰাণ সখি ঃ পৰম ঈশ্বৰ তোহাৰ স্বামী ঃ মাথে খেড় ধৰি অতয়ে কাতৰ কৰয়িছে ঃ আৰ কোন মান সাধিতে ৰহল ঃ সখি তাপ তেজহ

ঃ উঠহ, উঠহ।।

**সূত্ৰ।।**

দেৱী স্বামীক অতয়ে বিনয় বাণী শুনি কহু ঃ কিঞ্চিৎ চিত্ত শান্ত ভেল। শ্ৰীকৃষ্ণ তাহে দেখি ঃ আলিঙ্গি তুলি বৈঠাৱল ঃ পীত বস্ত্ৰে শৰীৰৰ ধূলি ঝাড়ল ঃ কেশ বান্ধল ঃ নিজ হস্তে কৰ্পূৰ তাম্বূল ভুঞ্জাৱল।

**শ্লোক।।**

ততো দেৱী সত্যভামা কৃষ্ণ ৱাক্যমৃতেন সা।
প্ৰীতা প্ৰসন্ন ৱদনা প্ৰণম্যাহ প্ৰিয়ং হৰিম্।।

**সূত্ৰ।।**

দেৱী স্বামীত মহামান লভিয়ে ঃ আতি প্ৰসন্নমুখী হুয়া ঃ শ্ৰীকৃষ্ণক প্ৰণামি বোলল।।

**কথা।। দেৱী বোল।।**

হে স্বামি ঃ হামাক পাৰিজাত তৰু দিতে ঃ তুহু সত্য কৰলঃ জানি বিলম্ব চোড়ি ঃ এই ক্ষণে আনিয়া দেৱ ঃ যাৰে পাৰিজাত নাহি দেখু ঃ তাৰে বাড়ি প্ৰৱেশো নাহি ঃ হামু সত্য কৰে বোললু।।

**কথা।। শ্ৰীকৃষ্ণ বোল।।**

হে প্ৰিয়ে ঃ পাপী নৰকাসুৰে ঃ দেৱতা সৱক জিনিয়ে ঃ সৰ্ব্বস্ব আনল ঃ আগু তাহেক মাৰি ঃ দেৱকাৰ্য সাধো ঃ পাচু পাৰিজাত আনো।

**দেৱী বোল।।**

অঃ স্বামী উচিত কহল ঃ আগে দেৱকাৰ্য সাধি ঃ সোহি যাত্ৰায়ে পাৰিজাত আনহ ঃ হামু তোহাৰ সঙ্গে চলব।।

**কৃষ্ণ বোল।।**

হে প্ৰিয়ে ঃ তুহুঁ স্ত্ৰী জাতি ঃ যুদ্ধক সময়ে তোহাৰি গমন উচিত নহে।।

**দেৱী বোল।।**

হে স্বামি ঃ হামাৰ বহুত সতিনী ঃ ইবাৰ পাৰিজাত আনি কোন স্ত্ৰীক দেৱবঃ তাহে বুঝয়ে নাহি ঃ হামু কদাচিতো তোহাৰি সঙ্গ নাহি চাড়ব।

**কৃষ্ণ বোল।।**

হে প্ৰিয়ে ঃ তুহুঁ যদি হামাৰ সঙ্গে চলব ঃ তৱ সত্বৰে সাজহ।।

**শ্লোক।।**

কৃষ্ণমভ্যেত্য ভগৱান্ জগাদ নাৰদস্তদা।
জ্ঞাতঃকিল ভৱান্ ভাৰ্য্যাভক্তিসক্তোহস্তি কেশৱঃ।।[37]।।

**কথা।। নাৰদ সক্ৰোধমাহ।।**

হে কৃষ্ণ ঃ জানলো ঃ তুহুঁ স্ত্ৰীক লাড়িকা ঃ দেৱ-কাৰ্য সব পৰি ৰহল ঃ তোহাৰ ভাৰ্য্যাক চাটু বুলিতে সব দিৱস গেল।।

**কথা।। শ্ৰীকৃষ্ণ বোল।।**

হে মুনিৰাজ ঃ স্ত্ৰী যুজে ঃ সে না বুজে[38] ঃ কি কৰব ঃ কুমাৰীক হাত এড়াইতে পাৰৱে নাহি ঃ হে মুনিৰাজ ঃ এ চলইছো ঃ ক্ৰোধ নাহি কৰবি।।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণ আতি সত্বৰে ঃ যাত্ৰা কয় চলল।।

**শ্লোক।।**

সহৰ্ষমকৰোৎ কৃষ্ণঃ প্ৰয়াণং প্ৰিয়য়া সহ।
ধনুষ্টঙ্কাৰঘোষেণ দশদিশঃ প্ৰকম্পয়ন্।।

**গীত।। ৰাগ মাহুৰ[39] ধনশ্ৰী।। একতালি**

**ধ্ৰুং।।**

কয়লি পয়ান যদুৰাই।
কৰে শাৰঙ্গ সঙ্গে প্ৰিয়া চলি যায়।।

**পদ।।**

শ্যামল অঙ্গ সুৰঙ্গ পীতবাসা।
বিজুৰি উজৰ নৱ ঘন পৰকাশা।।

---

37। পা. ভাৰ্যাভক্তি-সক্তো' সি /ভাৰ্যাভক্তি-সন্তোষী 38। স্ত্রি বুঝৱে সে পা. না জুঝে 39। মাউৰ

অৰুণ চৰণ মঞ্জিৰ কৰু ৰোল।
তাহে মজোক মন শঙ্কৰে বোল।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ ঃ ওহি প্ৰকাৰে প্ৰিয়া সহিত প্ৰয়াণে চলৈছে ঃ[40] সে সময়ে নাৰদ আসি বোলল।।

**কথা।। নাৰদ বোলে।।**

হে হৰে ঃ তোহোঁ সমমস্ত্ৰী-জিত পুৰুষ ঃ কবহো না দেখি ঃ যুদ্ধক সময়ে স্ত্ৰীক চোৰয়ে নাহি পাৰ ঃ তুহুঁ জগত গুৰু ঃ তোহাক যশ গাই ঃ তিনিও লোকক বেড়াঞো ঃ আঃ হামাক লাজ ভেল।।

**কৃষ্ণ বোল।।**

হে মুনিৰাজ ঃ কি কৰব ঃ পাৰিজাত নিমিত্ত ঃ সত্যভামা প্ৰাণ চাড়য় ঃ উনিকৰ নিৰ্বন্ধ কত সহব।।

**নাৰদ বোল।।**

হে কৃষ্ণ ঃ কামাতুৰ পুৰুষক ঐচন অৱস্থা ঃ স্ত্ৰী যে আজ্ঞা কৰে ঃ সে অৱশ্যে কৰিতে লাগে ঃ সে হোক ঃ সে কামৰূপ নৰকাসুৰক পাট ঃ ওহি দ্বাৰিকা হন্তে স্বভাৱে মাস চাৰিক পথ ঃ স্ত্ৰী লৈয়া যাইতে বৎসৰ দুই চাৰি পাৰৱ ঃ অ ঃ দেৱকাৰ্য্য ভল্ল সত্বৰ সাধল ঃ এক কৰ্ম কৰহঃ তোহাক বাহন গৰুড় পক্ষীৰাজ ঃ তাহেক আজ্ঞা কৰহ ঃ তাহেৰ স্কন্ধে চড়িয়ে ঃ সত্বৰ নৰকাসুৰক মাৰহ।

**সূত্ৰ।।**

মুনিক বাণী শুনি ঃ শ্ৰীকৃষ্ণ প্ৰিয়াক বোলল।।

**কথা।। শ্ৰীকৃষ্ণ বোল।।**

হে প্ৰিয়ে ঃ মুনি ভল্ল কহল।।

**দেৱী বোল।।**

হে স্বামি ঃ হামিতো পাৰে হাঠিতে পাৰয়ে নাহি।।

---

40। পা. চলছৈ

**সূত্ৰ।।**

তা শুনি শ্ৰীকৃষ্ণ বাহনক স্মৰল।।

**শ্ৰীকৃষ্ণ বোল।।**

আহে গৰুড় পক্ষীৰাজ ঃ সত্বৰে আৰ সত্বৰে আৰ।

**শ্লোক।।**

আহে আগত্য গৰুড়ো নত্বা কৃষ্ণং কৃতাঞ্জলিঃ।
মম স্কন্ধং সমাৰুহ্য জহি ভৌমং[41] দুৰাশয়ম্।।

**কথা।। গৰুড় বোল।।**

হে স্বামি ঃ হামু থাকিতে তোহোঁ পাৱে বেড়াৱব ঃ অ ঃ হামাৰ কন্ধে চড়ি ঃ পাপী নৰকাসুৰ বধ গিয়া।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ সভাৰ্য্যে গৰুড় কন্ধে চড়ি ঃ পৰম লীলায়ে চললি।।

**শ্লোক।।**

প্ৰাগ্‌জ্যোতিষং সো'তিযৱেন জায়য়া।
সুপৰ্ণমাৰুহ্য যযৌ জনাৰ্দ্দনঃ।।
ক্ষপেন সম্প্ৰাপ্য পুৰং পৰেশো।
মহোৎসৱৈ শঙ্খৰৱং চকাৰ।।

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ গৰুড়বাহনে বায়ুবেগে কামৰূপ পাই ঃ পাঞ্চজন্য ধ্বনি কয়ল ঃ তাহে শুনি নৰকাসুৰ খেদি আৱল ঃ শ্ৰীকৃষ্ণ তাহেক যৈচে বধ কয়ল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

**পয়াৰ[42]।। ৰাগ কানাড়া।।**

চললি গোৱিন্দ গৰুড়ক কন্ধে।
নৰক মাৰিতে কয়লি প্ৰৱন্ধে।।
বায়ুক বেগে চললি পক্ষীৰাজ।
তিলেকে পায়ল কামৰূপ ৰাজ।।

---

41। পা. পাপং 42। পা. গীত

ফুকল শঙ্খ হৰি বাৰে বাৰে।
শুনি শত্ৰুক ভেল হৃদয় বিদাৰে।।
জানলু আৱল মাধৱ ধাই।
গৰজে দানৱ যুদ্ধক লাই।
সমৰক সাজি বজাৱয় ঢোল।
ধৰ ধৰ মাৰ মাৰ কৰে বহু ৰোল।।
ধাৱে সুৰ নৰকাসুৰ ৰাগি।
খাণ্ডা ফিঙ্কাৱয় কৃষ্ণক লাগি।।
হৰি টঙ্কাৰল শাৰঙ্গ ভিড়ি।
বৰিখল বাণ দৈত্যকহোঁ পিড়ি।।
কাটল কাহু কন্ধ কৰ শিৰ।
মাৰল হৰি সব দানৱ বীৰ।।
পেখি পলাৱত অপৰ অসুৰ।
বাণ প্ৰহাৰিয়ে মোৰল মূৰ।।
কোপে চক্ৰ ক্ষেপি জগন্নাথ।
কাটল দাৰুণ নৰক মাথ।।
দেখি দেৱক উছুক বহুল।
বাৱে দুন্দুভি বৰিষয় ফুল।।
জয় জয় যাদৱ কৰে বহু ৰোল।
সামাজিক সব হৰি হৰি বোল।।

**সূত্ৰ।।**
সে সুৰ ঃ নৰকক মাৰিকহুঁ ঃ শ্ৰীকৃষ্ণ যশ সাধল। দেখি দেৱসব আনন্দে দুন্দুভি বজাই ঃ জয় কৃষ্ণ জয় কৃষ্ণ বোলি ঃ শিৰে কুসুম বৰষিল। শ্ৰীকৃষ্ণ সভাৰ্য্যে আনন্দে ৰহল।।

**শ্লোক।।**

ততো ৰসুমতী পৌত্ৰং পুৰঃ সংস্থাপ্য আত্মজং।
ৱিলপন্তী তদা কৃষ্ণং নত্বা প্ৰোৱাচ দুঃখিতা।।

**সূত্ৰ।।**

নৰক পুত্ৰ বধ ভেল ঃ দেখি বসুমতী ঃ পৰম সন্তাপে ঃ তাহেক পুত্ৰ ভগদত্ত শিশুক আগ কৰি কহুঁ ঃ কৃষ্ণ দৰশন নিমিত্ত যৈচে চললি ঃ আহে লোকাইঙ্গ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ মাহুৰ[43] ধনশ্ৰী।। একতালি**

**ধ্ৰুং।।**

পিউক[44] সমীপ চলে মাই ঃ হৰি দৰশনে চলে লাই।।[45]
শিশু সমে বসুমতী ঃ লহু লহু গতি ধাই।।[46]

**পদ।।**

সুতক সন্তাপে তনু ভেলি হ্রাসা।
লোতকে লেপিত মুখ ফোঙ্কাৰে নিশ্বাসা।।
স্বামীক কৰু পাৰে পৰণাম।
কহতু শঙ্কৰ গতি মতি মেৰি ৰাম[47]।।

**সূত্ৰ।।**

ঐচন শিশু সমে বসুমতী আসি কহুঁ ঃ শ্ৰীকৃষ্ণক পৰি পৰণামি ঃ কৰযুড়ি বোলল।।

**বসুমতী বোল।।**

হে স্বামি শ্ৰীকৃষ্ণ ঃ কোটি কোটি ব্ৰহ্মাণ্ডেশ্বৰ ঃ পৰমপুৰুষ পুৰুষোত্তম ঃ তুহুঁ জগতগুৰু ঃ তোহাক দ্ৰোহ কৰি ঃ পাপী পুত্ৰ নৰক ঃ নিজ পাপে নাশ গৈল ঃ তাহাক পুত্ৰ ঃ ওহি ভগদত্ত নাতিক ঃ তোহাৰ পাৱে সমৰ্পল ঃ তাহেক ৰক্ষা কৰহ ঃ হামাৰ সন্ততি ৰহোক ঃ তোহাৰি চৰণ পঙ্কজে কাতৰ কয় ঃ অভয়ে প্ৰসাদ মাগো গোসাঞি।।

---

43। পা. মাউৰ ধনশ্ৰী 44। পা. পিয়ুক 45। পা. মাই 46। পা. যায় 47। পা. গতি মেৰি ৰাম

**সূত্ৰ।।**

ওহি বোলি বসুমতী ঃ বহুত বিলাপ শ্ৰীকৃষ্ণক আগ কয়ল ঃ ঐচন কাৰুণ্য বাণী শুনি ঃ নাৰায়ণ ঃ বসুমতীক আশ্বাস কয় বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

আহে বসুমতী ঃ তোহো তাপ তেজহ ঃ তোহাৰি পুত্ৰ নৰকাসুৰ ভূমিক ভাৰ ভেলি ঃ সে নিমিত্তে ইহাক মাৰি ঃ ভূমিক ভাৰ দূৰ কয়ল ঃ তোহাৰি বচনে ওহি ভগদত্ত শিশুক কামৰূপ পাটে ৰাজা পাতব। তুহোঁ চিন্তা নাহি কৰবি।।

**সূত্ৰ।।**

ওহি বুলি শ্ৰীকৃষ্ণ বুসমতীক আলিঙ্গি আশ্বাসিয়ে অন্তেষপুৰ প্ৰৱেশি কহোঁ ঃ ভগদত্তক ৰাজ্য অভিষেক কয়ল ঃ যোড়শ হাজাৰ কন্যা তাহেৰ বাৰি পাই ঃ দ্বাৰকাপুৰ পঠাৱল ঃ অদিতিক কুণ্ডল ঃ বৰুণক ছত্ৰ ঃ মণি পৰ্বত লৈয়া ঃ গৰুড়ক কন্ধে ঃ সত্যভামা সমে স্বৰ্গক কৌতুকে চলল।।

**শ্লোক।।**

ততঃ স্বৰ্গস্য নিকটং দৃষ্টাবা কৃষ্ণো মুদাযুতঃ।
দধ্মৌ শঙ্খং পাঞ্চজন্যং[48] হৰ্ষয়ন দিৱি দেৱতাঃ।।

**সূত্ৰ।।**

অসুৰ নৰকাসুৰক মাৰি ঃ শ্ৰীকৃষ্ণ স্বৰ্গক সমীপ পাই ঃ পৰমানন্দে শঙ্খধ্বনি কয়ল। ধ্বনি শুনি জানল ঃ দেৱতাসৱ ঃ আঃ হামাৰ স্বৰ্গক লাগি ঃ শ্ৰীকৃষ্ণ আৱল ঃ পৰম হৰিষে ঃ জয় জয় বোলি ঃ দুন্দুভি বজাই ঃ শিৰে কুসুম বৰষিল[49]। তাহে পেখি সত্যভামা পিউত পুছত।।

**সত্যভামা বোল।।**

আহে স্বামি ঃ ওহি কোন স্থান পাৱলো হাম ঃ যে দুন্দুভি বজাই ঃ কুসুম বৰিষে ঃ এসৱ কে ঃ হামাকু পৰিচয় কৰাৱ।।

---

48। পা. পাঞ্চজন্যঃ দধৌ শঙ্খং /দধৌ শঙ্খং পাঞ্চজন্যঃ 49। পা. বৰিষল /বৰিষিল

**শ্লোক।।**

কৃষ্ণঃ প্ৰাহ প্ৰিয়াং পশ্য ইমামম্ৰাৱতীপুৰীম্।
আগতাঃ দেৱতা এস্তাং মাং দেৱি দিদৃক্ষয়া।।

**কথা।। শ্ৰীকৃষ্ণ বোল।।**

হে দেৱি ঃ তুহু নাহি জানহ ঃ ওহি অম্ৰাৱতী পুৰী ঃ ওহি দেৱতাসৱ হামাক দেখিতে আৱল ঃ দেখো ঃ ওহি ঐৰাৱত কন্ধে বাসৱ থিক ঃ উনিকৰ মহাদৈই ওহি শচী ঃ এসৱ দিগপাল ঃ সিদ্ধ বিদ্যাধৰ।।

**দেৱী পুনু পুচল।।**

হে স্বামী ঃ যে বিমানক উপৰে প্ৰকাশ কৰৈছে ঃ ওহি কোন বৃক্ষ।

**শ্ৰীকৃষ্ণ বোল।।**

হে প্ৰিয়ে নাহি জানহ ঃ যাহেৰ নিমিত্ত মানিনী হয়াছঃ সে পাৰিজাত তৰু ওহিঙ্গ

**দেৱী হৰ্ষমাহ।।**

অ ঃ হামাৰ মনোৰথ সাফল ভৈল ঃ ওহি পাৰিজাত পুষ্প ধৰিয়ে ঃ সতিনীসৱক মাজে ঃ লাসবেশ কৰি বেড়াৱব ঃ হে স্বামি ঃ সত্বৰ কৰু।।

**শ্লোক।।**

ততোহতিকৌতুকা দৃষ্ট্বাৱা ইন্দ্ৰ আগত্য সাদৰম্।
দোৰ্ভ্যাং দেৱা পৰিত্যজ্য জগাদ মধুৰং ৱচঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ইন্দ্ৰ আসিকহু ঃ গৌৰৱে কৃষ্ণক ধৰল ঃ শচী সত্যভামাক আলিঙ্গি ঃ সতকাৰ কয়ল।।

**ইন্দ্ৰ বোল।।**

হে শ্ৰীকৃষ্ণ ঃ পাপী নৰকাসুৰক মাৰি ঃ হামাক কৃতাৰ্থ কয়ল ঃ বাৰ বাৰ তুহুঁ উদ্ধাৰ কৰহ ঃ তোহাক গুণ শুজয়ে নাহি পাৰি।।

**সূত্ৰ।।**

ওহি বোলি প্ৰেমে লোতক ঝুৰৱে ঃ ইন্দ্ৰ মৌনে ৰহল।।

**শ্লোক।।**

অদিতিং মাতৰং পশ্চাৎ সভাৰ্য্যো জগদীশ্বৰঃ।
প্ৰণম্য দেৱমাত্ৰেহদাদমৃতস্ৰাৱিকুণ্ডলে।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ ইন্দ্ৰ সহিত ঃ অদিতি মাতৃক প্ৰণাম কয়ে কহুঁ অমৃত কুণ্ডল দোহো নিৱেদল ঃ শচী সহিত সত্যভামা অদিতি শাশুক জানুপাৰি প্ৰণাম কয়ল।।

**শ্লোক।।**

ততঃ সা দেৱজননী কৃষ্ণং মত্বা মহেশ্বৰম্।
বদ্ধাঞ্জলিৰ্জ্জগন্নাথস্তুতৌ দেৱী মনোদধে।।

**সূত্ৰ।।**

অদিতি শ্ৰীকৃষ্ণক পৰম ঈশ্বৰ জানিয়ে ঃ যৈচে তুতি আৰম্ভল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**পয়াৰ।।**

জয় জয় জগত নিৱাসা।
জয় জয় অসুৰ বিনাশা।।
জয় ছেদক ভৱ পাশা।
জয় তাৰক নিজ দাশা।।
জয় জয় ঈশ্বৰ মুৰাৰি।
জয় জয় অসুৰ সংহাৰি।।
জয় জয় শাৰঙ্গধাৰী।
জয় জয় ব্ৰহ্ম[50] অধিকাৰী।
জয় জয় জগতক ধাতা।।
জয় জয় পাতক ঘাতা।
জয় জয় ভৃত্যক ত্ৰাতা।।
জয় জয় মুকুতি দাতা।।

---
50। পা. ব্ৰহ্মা অধিকাৰী /ব্ৰজ অধিকাৰী

জয় জয় যাদৱ ৰামা।
জয় জলধৰ তনু শ্যামা।।
জয় জয় পূৰম মনকাম।
জয় ভৱ তাৰক নাম।।
কৰু কৰুণা যদুৰাই।
লেলোঁ শৰণ তুৰা পাই।।
পৰম পুৰুষ কৰু ত্ৰাণা।
তুৰা বিনে গতি নাহি আনা।।
ভৱ বন্ধন চোড় মেৰি।
কৰু ওহি তুতি কৰ যোড়ি।।
কয়লি পৰি পৰণাম।
সৱহি বোলহু ৰাম ৰাম।।

**শ্লোক।।**

অদিত্যা ঈশ্বৰজ্ঞানং নিশম্য মধূসূদনঃ।
মোহনার্থং নিজমায়াং তত্তান্ জন মোহনীম্।।

**সূত্ৰ।।**

তদনন্তৰ ঃ অদিতিক ঈশ্বৰ জ্ঞান দেখিয়ে ঃ বৈষ্ণৱীমায়া বিস্তাৰি ঃ অদিতিক মন মোহিত কৰিয়ে ঃ শ্ৰীকৃষ্ণ কৰযোৰি ঃ প্ৰণাম কয় বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে মাতা ঃ তুহুঁ হামাৰ পৰম দেৱতা ঃ আমাক সৰ্ব্বথা আশীৰ্ব্বাদ কৰবি।।

**সূত্ৰ।।**

অদিতি শুনি কহুঁ ঃ পৰম সকৰুণ চিত্তে ঃ কৃষ্ণক গলে ধৰি কহুঁ ঃ বুলিতে লাগল।।

**অদিতি বোল।।**

হে পুতা ঃ তুহুঁ চিৰঞ্জীৱ হৱ ঃ হামাক বৰদানে দেৱতা-অসুৰে তোহাক জিনয়ে নাহি পাৰৱ।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ দেৱীত বিদায় কয়ল ঃ বৰুণক ছত্ৰঃমণি পৰ্বত ঃ ইন্দ্ৰক হাতে সমৰ্প্পল। দেৱতা সৱত বিদায় কৰি কহোঁ ঃ নাৰদ সহিতে সভাৰ্য্যে পৰিৱৰ্ত্তি যৈচে চলল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ গৌৰী।। যতি তাল**

**ধ্ৰুং।।**

লীলাগতি যাই ঃ ভুৱন ভুলাই ঃ মধুৰ মূৰুতি মুৰাৰি।
লয়লাসে চলে ৰঙ্গে ঃ সঙ্গেহি বৰনাৰী।

**পদ।।**

উৰে বনমালা মাণিক মণি
বয়ন ইষত হাসা।
নৱ জলধৰ শোভিত তনু
পীত অম্বৰু ভাসা।।
পদ-পঙ্কজ মঞ্জিৰ জল[51]
পল্লৱ পৰকাশা।
ভকতি মুকুতি হেতুভয়ো অৱতাৰ
কহতু কেশৱ দাসা।।

**সূত্ৰ।।**

ঐচন মধুৰ মূৰুতি শ্ৰীকৃষ্ণ ঃ পৰম লীলাগতি ঃ স্বৰ্গবাসীক মন মোহি কৌতুকে চলল। তদনন্তৰ ঃ যে কথা ভেল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**শ্লোক।।**

ধৃত্বা ৱস্ত্ৰে পতিংপ্ৰাহ সতী ৰোষ সমান্বিতা।
ক্ব যাসি পাৰিজাতং ত্বং নানীয় মধুসূদন।।

**সূত্ৰ।।**

তদনন্তৰ ঃ দেৱী সত্যভামা ঃ কৃষ্ণক পীত বস্ত্ৰে ধৰি কহোঁ ঃ মহাক্ৰোধ

51। পা. মঞ্জিৰ ভোলে

হুয়া বোলল।।

**সত্যভামা বোল।।**

হে স্বামি ঃ তুহুঁ ভল্ল সত্য কয়ল ঃ পাৰিজাত নালয়া ঃ তুহুঁ কাহা যাৱ ঃ তোহাক চিত্ত বুঝয়ে নাহি।

**কৃষ্ণ বোল।।**

হে প্ৰিয়েঃ হামু বিচোৰল ঃ দোষ নাহি ধৰবি ঃ (নাৰদক বোল) হে ঋষিৰাজ ঃ তুহুঁ সত্বৰে যাৱ ঃ ইন্দ্ৰত খোজি ঃ পাৰিজাত বৃক্ষ ঃ প্ৰিয়াক নিমিত্ত সত্বৰ আন গিয়া।

**সূত্ৰ।।**

কৃষ্ণক বাণী শুনি নাৰদ চলি গিয়া ঃ ইন্দ্ৰক বোল।।

**নাৰদ বোল।।**

হে দেৱৰাজ ঃ শ্ৰীকৃষ্ণ তোহাত পাৰিজাত খোজল ঃ সত্যভামাক নিমিত্ত ঃ জানি সত্বৰ দিয়া পঠাৱ।

**সূত্ৰ।।**

নাৰদক বাণী শুনি ঃ পৰম ক্ৰোধ হয়া ঃ শচী উত্তৰ দেলহ।।

**শচী বোল।।**

অঃ অভাগ্য কপাল ঃ ইন্দ্ৰানী শচীক পাৰিজাত কথাক মানুষী সত্যভামা ঃ পিন্ধিতে সাধ গেল। ঋষিৰাজ ঃ বোল গিয়া ঃ যৱে অনেক পুণ্য কয় কহুঁ ঃ অস্ৰাৱতীক অধিকাৰিণী হয় ঃ তেৱে পাৰিজাত পৰিধান কৰিতে পাৱে ঃ হামাৰ পাৰিজাত ইন্দ্ৰে দিতে পাৰয়ে নাহি।।

**ইন্দ্ৰ বোল।।**

হে দেৱৰাজ ঃ দেৱস্ত্ৰীক পাৰিজাত কি মতে দিতে পাৰি ঃ স্ত্ৰীক কথা কৃষ্ণতে বিদিত ঃ বোল গিয়া ঋষিৰাজ।।

**শ্লোক।।**

নাৰদস্তু ততোহভ্যেত্য ভগৱানাহ কেশৱম্।
ইন্দ্ৰান্যা বল্গিতং যৎ তৎ সৰ্ব্বমৱৰ্ণয়িৎ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ নাৰদ পৰিৱৰ্ত্তি আসি কহুঁ ঃ শচী যে বোলল ঃ কৃষ্ণ সত্যভামাক আগু সব কহল।।

**নাৰদ বোল।।**

হে কৃষ্ণ ঃ পাৰিজাতক নিমিত্ত তুহুঁ পঠাৱল ঃ হামু বড়ি লাজ ভৈলো ঃ সত্যভামাক বহুত গালি পৰাৱল মাত্ৰ ঃ পাৰিজাতক নাম শুনি শচী ক্ৰোধে বোলল ঃ অঃ কোথাক মানুষী সত্যভামা ঃ শচীক পাৰিজাত পিন্ধিতে ইচ্ছা কয়ল ঃ অভাগ্য কপাল ঃ যব তপ জপ আচৰি জন্মান্তৰে অম্রাৱতীক অধিকাৰিণী হয় ঃ তব পাৰিজাত পাৱব বোল গিয়া। হে কৃষ্ণ ঃ দেৱীক ধিক্কাৰ শুনিয়ে হৃদয় দহে ঃ হা হা কি ভেলিঙ্গ

**সূত্ৰ।।**

তাহে শুনি সত্যভামা ঃ কোপে কম্পমান হুয়া বোলল।।

**সত্যভামা বোল।।**

হে স্বামী ঃ হামাক কদৰ্থিতে তুহুঁ আনল ঃ দানৱক বেটী শচী ঃ তাহেক চাটু কয় ঃ পাৰিজাত নেৱব ঃ অ ঃ ধিক্কাৰ হোক ঃ হে প্ৰাণনাথ কাহেক ভয় থিক ঃ সত্বৰে পাৰিজাত আন গিয়া।

**নাৰদ বোল।।**

আ ঃ দেৱী ভল্ল কহল ঃ শ্ৰীকৃষ্ণ সত্বৰ পাৰিজাত আনহ।।

**শ্লোক।।**

নিশম্য সত্যভামায়াঃ ৱচনং কঞ্জলোচনঃ।<br>
জহাৰ সহসা গত্বা পাৰিজাত তৰুং হৰিঃ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ শ্ৰীকৃষ্ণ প্ৰিয়াক বাক্য শুনিয়ে ঃ তত্তকালে পাৰিজাতক সমীপ চাপি ঃ সমূলি উপাৰি আনল। পেখি ৰখীয়াসৱ কোলাহল কয়ে বোলল।।

**ৰখীয়াসৱ বোল।।**

হে কৃষ্ণ ঃ শচীক পাৰিজাত নিতে তোহাৰি কোন বেৱহাৰ।

**সত্যভামা বোল।।**

অয়ে ৰখীয়াসৱ ঃ তোহাক শচীত কহগিয়া ঃ সত্যভামা পাৰিজাত নিয়া যাই ঃ অৱ যত শকতি থিক ঃ ৰাখোক আসিয়া।

**সূত্ৰ।।**

শুনি ৰখীয়াসৱ ঃ ইন্দ্ৰ শচীক প্ৰণামি কহল।।

**ৰখীয়াসৱ বোল।।**

হে মাতা শচী ঃ তোহাৰি পাৰিজাত তৰু ঃ সত্যভামা বৰাই কৰিয়ে ঃ স্বামীক হাতে হৰি নিয়া যাই। জানি যে যুৱাই তা কৰহ।।

**শ্লোক।।**

পাৰিজাতস্য হৰণং নিশম্য কুপিতা শচী।

পতিং পুৰন্দৰং প্ৰাহ ধিক্ জন্ম তৱ ৱজ্ৰিণঃ[52]।।

**সূত্ৰ।।**

পাৰিজাত হৰণ শুনি ঃ শচী কোপে পুৰন্দৰক বোলল।।

**শচী বোল।।**

হে স্বামী ঃ তুহুঁ বিদ্যামান থাকিতে ঃ হামাক পাৰিজাত মানুষী নিয়া যাই ঃ অঃ তোহাক ধিক্কাৰ থিক ঃ বজ্ৰকো ধিক্কাৰ ৰহোক।।

**সূত্ৰ।।**

ওহি বোলি ইন্দ্ৰক আগে বহুত বিলাপ কয়ল।।

**ইন্দ্ৰ বোল।।**

হে প্ৰিয়ে ঃ দুখ চোড়হ ঃ হামাকু আগু কৃষ্ণ কোন হয় ঃ তাহেক জিনি পাৰিজাত এখনে আনব ঃ চিন্তা নাহি কৰবি।

**সূত্ৰ।।**

ওহি বুলি ঃ ইন্দ্ৰ পৰম প্ৰাৰম্ভে সাজি ঃ ধনু-শৰ ধৰিকহুঁ ঃ দেৱসৱ সহিত ঃ শচী সমন্বিতে ঐৰাৱত কন্ধে ঃ খেদি আৱল।

**শ্লোক।।**

গত্বা সত্ৰাজিত সূতাং প্ৰোবাচ কুপিতা শচী।

---

52। পা. ......প্ৰাহ ধিগস্তু তৱ বিক্ৰমম্

নেষ্যসি ত্বং পাৰিজাতং কিংনু বজ্রধৰে স্থিতে।।

**শচী বোল।।**

অয়ে সত্রাজিতক কুমাৰী ঃ তুহু মানুষী হুয়া ঃ হামাৰ পাৰিজাত নিয়া যাৱ ঃ অঃ তোহাক অভাগ্য মিলল ঃ যৱ বজ্রধৰক হাতে সবংশে নাহি মাৰব ঃ তৱ সত্বৰে পাৰিজাত চোড়হ।।

**সূত্র।।**

ওহি বুলি যৈচন গৰজল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ আশোৱাৰী।। খৰমান**

**ধ্রুং।।**

মানুষী সাহসন ঐচন তোহাৰি
হৰলি কুসুম হামাৰি।।

**পদ।।**

স্বামী পুৰন্দৰ বীৰ বজ্রধৰ
আচন্ত দৈত্য অন্তকাৰী।
পাৰিজাত তৰু চোড়হ মেৰি
ৰাখহো জীৱন কুমাৰী।।
তোহাৰি স্বামী মাধৱ মানুষ
কয়লি গৰব তাহে লাই।
বাসৱ আগে সেহি কোন হোই
কৰু শচী ঐচন বৰাই।।

**শচী বোল।।**

অয়ে সত্যভামা ঃ তোহাৰি স্বামী মাধৱক কথা হামু সৱ জানি ঃ ওহি গোপীবিটাল গোপাল ঃ উনিকৰ আগু গোকুলক স্ত্রী নাহি ৰহল ঃ দেখো কংসক দাসী কুবুজী তাহেক হাত এড়াৱল নাহি ঃ তাহেক আৰ কি কহব ঃ ঐচন অনাচাৰী ঃ কৃষ্ণত গৰ্ব্ব কয়কহোঁ ঃ হামাক পাৰিজাত নিয়া যাৱ ঃ অ ঃ বজ্রধৰত সবংশে নাশ ভেলি ঃ জানব।।

**শ্লোক।।**

নিশম্য গৰ্ব্বৱাক্যং  সা সত্যভামা  হৰিপ্ৰিয়া।
কোপেন  কম্পিতৱতী  শচীমাভাষ্য  বল্লতি।।

**সত্যভামা বোল।।**

আৰে ইন্দ্ৰাণী ঃ জগতক পৰম গুৰু ঃ হামাৰ স্বামী ঃ যাহেৰ নাম সুমৰিতে ঃ মহা মহা পাপীসব় সংসাৰ নিস্তৰে ঃ তাহেক অতৰে নিন্দা কৰহ ঃ অয়ে নিলাজিনীঃ মৰিতে নজানৱ ঃ তোহাৰি স্বামী ইন্দ্ৰক কথা কহিতে ঘৃণাসে উপজে ঃ দেখো অস্ৰাৱতীক যত বেশ্যাঃ তোহাক স্বামীক সে নাহি আণ্টল ঃ তোহাৰি স্বামী কয়লি কি ঃ গৌতম ঋষিক ভাৰ্যা অহল্যা ঃ তাহেক মায়া কৰি কহুঁ ঃ জাতি ভ্ৰষ্ট কয়ল ঃ তন্নিমিত্তে  সৱ শৰীৰ ঢাকি ঃ যোনী দাগ ভেল ঃ অয়ে  পামৰী ঃ ঐচন ইন্দ্ৰক হামাকু আগে বখানহ।।

**সূত্ৰ।।**

ওহি  বুলি সত্যভামা যৈচে  বল্লল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ বেলোৱাৰ[53]।। তাল খৰমান**

**ধ্ৰুং।।**

পামৰী হৰিকো  কৰসি বড়াই
আজু চৰণ পঙ্কজ-ৰজ পৰশি
গাৰ দেসি কতি লাই।।

**পদ।।**

ওহি  জগত গুৰু  ব্ৰহ্মা ৰুদ্ৰ কৰু
পৰি পৰণাম যাহাৰি।
কৈছে  দাসী শচী  ঐচে  স্বামীক কৰু
কন্দল বয়ন নেহাৰি।।
যাহে  নাম গুণ  পাই  পাপী তৰে

53। পা. ৰাগ বেলআল

ভকতি মুকুতি মিলাৱে।
ঐচে গোৱিন্দক নিন্দস পামৰী
শঙ্কৰ কহ হৰি পাৱে।।

**সত্যভামা বোল।।**

ঐয়ে দানৱক বেটী ইন্দ্ৰানী ঃ হামাৰি আগু তোহাৰি অতৱে বড়াই ঃ হামু পৰম দৰ্প্প কয়কহুঁ ঃ তোহাৰি পাৰিজাত আনল ঃ দেখ্ অৱ তোহাক স্বামী পুৰন্দৰক ঃ যত শকতি থিক ঃ যুদ্ধ কয় ঃ হামাৰ হাতক পাৰিজাত নিয়া যাউক ঃ দেখি ঃ তৱে সফল বড়াই কয়লি।।

**সূত্ৰ।।**

দেৱী সত্যভামাক ঃ অতয়ে বিকৰ্থনা বাণী শুনি ঃ শচী ঃ কোপে অপমানে ইন্দ্ৰক বোলল।।

**শচী বোল।।**

হে স্বামী দেৱৰাজ ঃ তোহাক জীৱন ধিক ধিক ঃ মানুষী স্ত্ৰীক অতয়ে কদৰ্থনা শুনি ৰহইছ ঃ ছি ঃ তোহাত পুৰুষ তেজ কিছো নাহি ঃ অঃ দেৱতাক ইন্দ্ৰ মিছা বোলৱসি।।

**শ্লোক।।**

ততো পুৰন্দৰ দেৱ্যাঃ পীড়িতো ৱাক্যসায়কৈঃ।
ক্ৰোধেন ধনুৰাদায় যুদ্ধায় সন্মুখোহভৱৎ।।

**সূত্ৰ।।**

তদন্তৰ ঃ পুৰন্দৰ বাক্য-শৰে পীড়িত হুয়া ঃ শচীক গৰিহা শুনি কহোঁ ঃ পৰম ক্ৰোধে ধনু ধৰি ঃ যুদ্ধ কৰিতে ঃ কৃষ্ণক সন্মুখ ভেলহ। পেখি শাৰঙ্গ টঙ্কাৰি ঃ শ্ৰীকৃষ্ণ গৰুড়ক কন্ধে ঃ ইন্দ্ৰক সন্মুখ হুয়া ৰহল। তাহে পেখি পুৰন্দৰ দৰ্প্পে বোলল।।

**ইন্দ্ৰ বোল।।**

অয়ে যাদৱ ঃ শচীক পাৰিজাত কৈচে নিয়া যাৱ ঃ ওহি তীক্ষ্ণতৰ শৰে ঃ তোহাৰি প্ৰাণ চোড়াৱব ঃ হামুক আগু কাহা যাৱব।

**সূত্ৰ।।**

ঐচন প্ৰকাৰে বহুত বজ্ৰল ঃ দিব্যবাণ হানি ঃ যৈচে দামোদৰ পুৰন্দৰ ঃ দুহোঁ মহাযুদ্ধ কয়ল ঃ আহে লোক ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ তুৰ।। পৰিতাল**

**ধ্ৰুং।।**

গৰজি বাসৱ বাণ প্ৰহাৰে
আজু জীৱন লেহু তোহাৰি।।

**পদ।।**

পেখি তাহে হৰি কৰে সাৰঙ্গ ধৰি
কৰু শৰ সত্বৰ মুৰাৰি।।
চেদি বাণগণ হৰলি চেতন
ইন্দ্ৰক হৃদয়ে বিদাৰি ৰে।।

**সূত্ৰ।।**

কৃষ্ণক বাণ প্ৰহাৰে ঃ মূৰ্চ্ছিত হুই ঃ পুণচেতন পাই ঃ ইন্দ্ৰ বোল।।

**ইন্দ্ৰ বোল।।**

অয়ে শ্ৰীকৃষ্ণ ঃ পাৰিজাত চোৰহ ঃ নুহে ওহি বজ্ৰ সন্ধানে ঃ তোহাৰি প্ৰাণ চোড়াঞো।।

**কৃষ্ণ বোল।।**

অয়ে দুষ্ট দেৱৰাজ ঃ হামাক ভীতি দেখাৱ ঃ যত শকতি থিক ঃ প্ৰহাৰ দেখিঙ্গ

**সূত্ৰ।।**

শুনি ইন্দ্ৰ বজ্ৰ ধৰিয়ে ঃ পুনু স্বস্থ হুয়া ঃ কৃষ্ণক হানল ঃ শ্ৰীকৃষ্ণ হাসি হাসি লুম্ফি ধৰল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**পদ।।**

স্বস্থ কলেৱৰ পুনু পুৰন্দৰ
ধৰল বজ্ৰ বীৰ তোলি।

হানল সন্ধানে প্ৰাণ অৱলেহুঁ
ৰহ ৰহ যাদৱ বোলি।।

**সূত্ৰ।।**

বাণ যুদ্ধে নপাৰি ঃ পুৰন্দৰ পৰম আটোপে কোপে ঃ শ্ৰীকৃষ্ণক বজ্ৰ প্ৰহাৰল ঃ হৰি হাসি হাসি বজ্ৰক লুম্ফি ধৰল।

**শ্লোক।।**

ততঃ কৃষ্ণো ৰুষা চক্ৰং শক্ৰং প্ৰতি গৃহীত্ৱান।
ইন্দ্ৰো ভীত্যাভ্যদ্ৰৱতং পশ্চাদ্ ৱিহসন্ যযৌ।।[54]

**শ্ৰীকৃষ্ণ বোল।।**

অয়ে দুষ্ট দেৱৰাজ ঃ দেখো তোহাৰি প্ৰহাৰ হামো সহলু ঃ অৱ হামাৰ প্ৰহাৰ সম্বৰহ।।

**সূত্ৰ।।**

ওহি বোলি পৰম প্ৰাৰম্ভে ঃ ইন্দ্ৰক লাগি চক্ৰ তুলি ধৰল ঃ তাহে পেখি ইন্দ্ৰক হৃদয়কম্প লাগল ঃ হাত পাৱ থিৰ নোহে ঃ মহাভয়ে হস্তী চাড়ি পলাৱল। তাহে পেখি শ্ৰীকৃষ্ণ হাসি হাসি পাচু পাচু ঃ ইন্দ্ৰক খেদল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্ৰুং।।**

প্ৰাণৰ কাতৰে ইন্দ্ৰ পলাই।
পাচু পাচু হাসি মাধৱে ধাই।।

**পদ।।**

ৰে ৰে পুৰন্দৰ ডাকে মুৰাৰি।
ৰহ ৰহ কাহে পলাৱ বজ্ৰধাৰী।।
লৱৰে বাসৱ পাচু নচাৰে।
কৃষ্ণক কিঙ্কৰ ওহি শঙ্কৰে গাৱে।।

**সূত্ৰ।।**

54। পা. ভীত্বেভাদ্ দ্ৰৱিতং সাতোপাশ্চ দিশং যযৌ।

ৰহ ৰহ ইন্দ্ৰ বোলি ডাকি ডাকি ঃ শ্ৰীকৃষ্ণ পাচু পাচু যায় ঃ তথাপি ইন্দ্ৰ বিভঙ্গে পলাই ঃ ৰহয়ে নাহি ঃ তাহে পেখি দেৱী সত্যভামা ঃ কদৰ্থনা কৰি কহো ঃ হাসি বোলল।।

**সত্যভামা বোল।।**

আহে পুৰন্দৰ ঃ তুহুঁ কি নিমিত্তে পলাৱল ঃ দেৱক ৰাজা হুয়া ঃ মানুষ কৃষ্ণক ভয়ে ভঙ্গ দেলহ ঃ উচিত নহে ঃ তোহাৰি আগু পাৰিজাতক মঞ্জিৰ ঃ পৰিধান কৰিয়ে ঃ শচী লাস-বেশ কৰি বেড়াৱে ঃ তুহুঁ বজ্ৰধৰ বীৰ ঃ অৱ কৈছে পলাৰ লাজক পিঠি দেলহ ঃ অয়ে পামৰী শচী ঃ ওহি ইন্দ্ৰক দেখাই ঃ অতয়ে দৰ্প্প কয়লি ঃ অৱ তোহাৰি ভতাৰক কৈছে নাহি পলটাৱ ঃ হামু মানুষী হুয়া ঃ তোহাৰি পাৰিজাত নিয়া যাঞো ঃ ওহি তাপে মৰিতে নজানৱ।।

**শ্লোক।।**

ততঃ পুৰন্দৰো নিন্দাং দেৱ্যাং শ্ৰুত্বাতিদুঃসহাম্।
নিৱৰ্ত্ত্যোৱাচ ৱচনং সত্যভামে নিবোধমে।।

**সূত্ৰ।।**

তদনন্তৰ ঃ দেৱীক নিন্দা শুনিয়ে ঃ ইন্দ্ৰ পৰৱৰ্ত্তী বোলল।।

**ইন্দ্ৰ বোল।।**

অয়ে সত্যভামা ঃ ওহি শ্ৰীকৃষ্ণক যত পতনী থিক ঃ তাহেক মধ্যে তুহুঁ বৰি প্ৰচণ্ড প্ৰগল্‌ভা ঃ ইহা হামু জানলোঁ ঃ কি নিমিত্তে হামাক অতৱে ককৰ্থনা কৰইছ ঃ দেখু ওহি কোটি কোটি ব্ৰহ্মাণ্ডেশ্বৰ ঃ ব্ৰহ্মা-মহেশসেৱিত পাদ-পঙ্কজ ঃ জগতক পৰম গুৰু নাৰায়ণ ঃ শ্ৰীকৃষ্ণ ঃ তাহেত হামু যুদ্ধে হাৰল ঃ ইহাত কোন লাজ থিক ঃ তুহুঁ স্ত্ৰী জাতি কিছু বুজয়ে. নাহি ঃ হামাক মিছা বল্লহ।।

**সূত্ৰ।।**

ওহি বোলি ইন্দ্ৰ আপুনাক গৰিহা কয়ল।।

**ইন্দ্ৰ বোল।।**

হা হা হামু পাপী ঃ মায়া মোহিত হয়া ঃ পৰম ঈশ্বৰক যুদ্ধ কয়ল ঃ

হামাক ধিক্কাৰ হোক।

**সূত্ৰ।।**

ওহি বোলি ভয়ে কম্পিত তনু ঃ ত্ৰাহি ত্ৰাহি বোলি কৰ যুৰি ঃ কৃষ্ণক আগু দণ্ডৱতে পৰি পৰণামি তুতি বোলল।।

**পয়াৰ।।**

জয় জয় যাদৱ দেৱ মুৰাৰি।
জয় জয় কংস কেশী অন্তকাৰী।।
জয় জয় গিৰি গোৱৰ্দ্ধনধাৰী।
জয় জয় ভকত ভীতি ভয়হাৰী।।
জয় জয় মৰ্দ্দিত বিষধৰ কালী।
জয় জয় বামন বলিক নিকালি।।
জয় জয় নিৰ্জ্জিত কপিবৰ বালি।
জয় জয় বাসুদেৱ বনমালী।।
জয় জয় ত্ৰিভুৱন অনুপাম।
জয় জয় নিজজন পূৰণ কাম।।
জয় জয় অৰিষ্টক মোৰণ ৰাম।
জয় জয় পাতক তাৰক নাম।।
তোহাৰি মায়ামোহিত অন্ধ।
কয়লু যুদ্ধ দেৱ হামু মন্দ।।
আত অপৰাধ সহবি হৰি মোই।
চৰণে শৰণ লেলো অৱ তোই।।
ওহি ইন্দ্ৰপদ আপদ ঘোৰ।
দূৰ কৰ হৰি কুমতি মোৰ।।
মাগঞি ভিক্ষা পৰিধান কয় কন্থা।
ধৰবো তোহাৰি ভকতিক পন্থা।।

**সূত্ৰ।।**

ওহি তুতি কৰিয়ে পুৰন্দৰঃ পৰম বৈৰাগ্যে ঃ কৃষ্ণক আগু পৰি বহুত

বিলাপ কয়ল।।

**শ্লোক।।**

দৃষ্ট্বাবা কৃষ্ণো ৰিহস্যাহ তস্য তন্নির্ম্মলস্মনঃ।
সন্তুষ্যামি যতো দেৱ শ্রেষ্ঠ ভ্ৰাতা ভৱান্মম।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ইন্দ্ৰক ভীতি কাতৰ দেখিয়ে ঃ শ্ৰীকৃষ্ণ হাসি হাসি হাতে ধৰি কহোঁ ঃ তুলি আশ্বাস বোলল।।

**শ্ৰীকৃষ্ণ বোল।।**

হে পুৰন্দৰ ঃ তুহোঁ হামাৰ শ্রেষ্ঠ ভ্ৰাতা ঃ তোহাৰি দোষ হামু কিছু ধৰৱে নাহি ঃ কিছু শঙ্কা নাহি কৰবি ঃ ধৰু তোহাক বজ্ৰ লেহু ঃ ওহি পাৰিজাত যদি সুখে নাহি দেৱ ঃ তৱ ইহাক নিয়া যাৱ।।

**সূত্ৰ।।**

শুনি সত্যভামা কোপ কটাক্ষে নিৰেখি ঃ কৃষ্ণক দশন চৰ্ব্বি মনে গৰিহয়।।

**সত্যভামা।।**

হা হা কি ভেলি স্বামীক মতি ঃ ওহি ইন্দ্ৰক চাটু শুনল ঃ আৰবাৰ নৰকবধ নিমিত্তে ঃ কত কাতৰ কয়ে আনি ঃ কাৰ্য সিদ্ধি ভেল দেখি ঃ হামাক যুদ্ধ ভেজাৱল। উনিকৰ বচনে সঞ্জাত থিক। অঃ হামাৰ পাৰিজাত দিতে অধিকাৰী ৰহে।।

**ইন্দ্ৰ বোল।।**

হে স্বামী কৃষ্ণ ঃ ওহি পাৰিজাত তুহুঁ নিয়া যাৱ ঃ সুধৰ্ম্মা সভা সহিতে ঃ যত সম্পত্তি হামাত থিক ঃ সব দ্বাৰকাক লাগি পঠাঞু ঃ যাৱত তুহোঁ ভূমিত ৰহব ঃ তাৱত উপযোগ হয়া ৰহোক।।

**শ্লোক।।**

ইন্দ্ৰস্য ৰচনং শ্ৰুত্বা পীতঃ পীতাম্বৰো যযৌ।
পাৰিজাতং তদাদায় তমনুজ্ঞাপ্য ভাৰ্য্যায়া।।

**সূত্ৰ।।**

ইন্দ্রক সন্মান শুনি ঃ শ্রীকৃষ্ণ ভাৰ্য্যা সহিত ঃ হৰিষে পুৰন্দৰত ঃ অনুমতি পাই ঃ যৈচে পাৰিজাত লৈয়া ঃ কৌতুকে কেশৱ চললি ঃ আহে লোক ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ বেলোৱাৰ।। পৰিতাল**

**ধ্রুং।।**

পাৰিজাত লৈয়া চলল লয়লাসে
হাসে হৰিষে বৰনাৰী।
মত্ত গজ গামিনী কামিনী কোলে
ভোলে চলয়ি মুৰাৰি।।

**পদ।।**

শ্যাম মূৰুতি ৰতন উৰে মালা
মণি মঞ্জিৰ ঝুৰাৰে।
প্রিয়া সমে চলে ৰঙ্গে তৰুণী কৰণী সঙ্গে
মাতঙ্গ যৈচে লীলাৰে।।
মকৰ কুণ্ডল গণ্ড ডোলি বিৰাজিত
ৰাজীৱ লোচন স্বামী।
কৃষ্ণ কিঙ্কৰ কহয় হৰিকো
চৰণে পৰি পৰণামি।।

**সূত্র।।**

তদনন্তৰ ঃ দেৱী সত্যভামা সহিত ঃ লীলায়ে কৌতুকে কেলি কয় ঃ শ্রীকৃষ্ণ দ্বাৰিকাপুৰ প্রৱেশ ভেল ঃ কৃষ্ণক বিজয় শুনিয়ে ঃ দ্বাৰকাত মহা মহোৎসৱ মিলল ঃ ঠাৱে ঠাৱে জয়-বাজন বজাৱল ঃ স্বামী যুদ্ধ জিনি আৱল শুনি ঃ ৰুকমিণী সখীসৱ সহিত আসি কহুঁ ঃ সপটে পৰণাম কয়লি । কৃষ্ণ আলিঙ্গি
আশ্বাসল ঃ ৰুকমিণী সখী সমে কৃষ্ণক এক পাশে ৰহল। সত্যভামা গৰ্ব কয়ে কহ ঃ ৰুক্মিণীক বোলল।।

**সত্যভামা বোল।।**

হে বিদৰ্ভৰাজ কুমাৰি ঃ তুহুঁ স্বামীক ঠামে গোটা এক পাৰিজাত পুষ্প

পাৱল ঃ দেখো দেখো ঃ যাৱত সোহি পাৰিজাত তৰু ঃ সমূলে উপাৰি ঃ কৃষ্ণক হাতে নাহি আনল ঃ তাৱত চাড়লো নাহি। হামাৰ সৌভাগ্যক মহিমা ঃ পেখো পেখো।

**শ্লোক।।**

নিশম্য সত্যভামায়ার্ভাৱং ভীষ্মকনন্দিনী।
প্ৰোৱাচ ভক্তিমাহাত্ম্যং ৰিহস্য ৰুচিৰাণনী।।

**সূত্ৰ।।**

সত্যভামাক গৰ্ব্ব-ভাৱ[55] শুনি ঃ ৰুক্মিণী হাসি বোলল।।

**ৰুক্মিণী বোল।।**

অয়ে ভগিনী সত্যভামা ঃ কি কহৈছ ঃ জগতক পৰম গুৰু স্বামী কৃষ্ণ ঃ উনিকৰ চৰণ সেৱা কৰিতে ঃ ব্ৰহ্মাণ্ড ভিতৰে কোন দুৰ্ল্লভ থিক ঃ ধৰ্ম্ম অৰ্থ কাম মোক্ষ ঃ চাৰি পদাৰথ[56] হাতে মিলাৱ ঃ তোহাৰি পাৰিজাত কোন কথা ঃ

**সূত্ৰ।।**

ঐচন ভকতিক মহিমা কহিতে ঃ ৰুকমিণিক প্ৰেমে পৰশল ঃ হৰি-চৰণ-সেৱাক মহিমাক যৈচে বৰ্ণ্ণাৱল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ বসন্ত।। পৰিতাল**

**ধ্ৰুং।।**

অতয়ে কৈছে কহসি মাঞি।
হৰিক ভকতি সতী কোন নিমিলাই।।

**পদ।।**

ওহি অৰুণ পদ-পঙ্কজ ধিয়াই।
মিলে মনোৰথ চাৰি পদাৰণ পাই।।
পাপী পাতেক তৰে নাম-গুণ গাই।
কহ শঙ্কৰ হৰি বিনে গতি নাই।।

**সূত্ৰ।।**

ভকতিক মহিমা কহিতে ঃ কুমাৰীক প্ৰেমে পৰশল ঃ নয়ন ঝুৰই ৰহল।

55। পা. ভাৱ-গৰ্ব্ব 56। পা. পদাৰথ (পৰমাৰ্থ)

**শ্লোক।।**

সত্যভামা পতিংপ্রাহপ্রভো ত্বং কিন্নু প্রেক্ষসে।
পাৰিজাততৰুং দ্বাৰি ৰোপণং কুৰু মে হৰে।।

**সত্যভামা বোল।।**

হে স্বামি কৃষ্ণ ঃ কি নিমিত তোহো অপেক্ষা কৰহ ঃ হামাক দ্বাৰি পাৰিজাত ঃ সত্বৰ ৰোপণ কৰহ।।

**সূত্র।।**

প্রিয়াক বাণী শুনি ঃ শ্রীকৃষ্ণ দ্বাৰক বিদূৰে ঃ আপুনহাতে পাৰিজাত ৰোপণ কয়ল ঃ পেখি দেৱী বোলল।।

**সত্যভামা বোল।।**

হে স্বামি ঃ আঃ কি কয়ল ঃ হামাক বহুত সতিনী থিক ঃ পাৰিজাত ফুল চোৰি কৰি নিতে ঃ কত কলহ কৰি বেড়াৱৰ। এথা নহে ঃ হামাৰ দ্বাৰ নিকটে নিয়া ৰোপণ কৰহ।।

**সূত্র।।**

শুনি শ্রীকৃষ্ণ প্রিয়াক মন পূৰি ঃ পাৰিজাত পুনৰ্ব্বাৰ উপাৰি ঃ দেৱীক দ্বাৰ সমীপে ৰোপি থাপল। তদনন্তৰ ঃ সত্যভামা মনোৰথ পূৰি ঃ শ্রীকৃষ্ণ স্বামীক পৰণামি ঃ সখী সমে প্রশংসা বহুত ঃ কৌতুকে কয়লি।।

**শ্লোক।।**

সাধিতাৰ্থোৰ্থিনাথোহসৌ পত্নীভ্যাং সহ কেশৱঃ।
কৌতুকী ক্রিয়য়ামাস হাসসংৰম্ভভাৱকৈঃ।।

**সূত্র।।**

তদনন্তৰ ঃ নৰকাসুৰ মাৰি ঃ দেৱকাৰ্য সাধি ঃ ইন্দ্ৰক জিনিয়ে ঃ পাৰিজাত আনি ঃ প্রিয়াক দ্বাৰে ৰোপি ঃ কৃত্যকৃত্য হয় ঃ শ্রীকৃষ্ণ ভাৰ্যা দুহো সহিত ঃ যৈচন লীলা-কেলি কৌতুকে কয়ল ঃ তাহে দেখহ শুনহঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ-পূৰ্ব্বি।। খৰমান**

**ধ্রুং।।**

জগ জন জীৱন মধাই।
কৰতু কৌতুক কেলি কামিনী মিলাই।।

**পদ।।**

কুঞ্চিত চাৰু চিকৰ চিবুক ধৰু
কৰ চুম্বন বনমালী।
কাঞ্চুৰি ফোৰে ভোৰে ৰসিক-গুৰু
কুচ নখ ঘন ঘন ঘালি।।
ৰময়া-ৰমণী মিলিতে মাণিক
মকৰ কুণ্ডল ডুলে।
হীৰ ৰচিত মণি মোতিম মালা
হেমহাৰ উৰে লুলে।।
চৰণে ৰতন মণি মঞ্জিৰ ঝনকে
কনক কিঙ্কিনী কৰো ৰোলে।
শ্ৰীজগতানন্দ ভকতি ৰসিক
কৃষ্ণ কিঙ্কৰে ওহি বোলে।।

**সূত্ৰ।।**

ঐচন কেলি কলা-কৌতুক কয়ে ঃ শ্ৰীকৃষ্ণ ঃ ভকতাৰমণী সৱক মনোৰথ পুৰি ঃ দ্বাৰিকাপুৰ প্ৰৱেশি ৰহল। ওহি পাৰিজাত হৰণ ঃ হৰিক পৰম লীলা-চৰিত্ৰ ঃ শ্ৰদ্ধায়ে যে সৱলোকে শুনে ভণে ঃ কৃষ্ণক চৰণে তাহেৰি পৰম ভকতি বঢ়াৱই। জানি নিৰন্তৰে হৰি বোল হৰি।।

**শ্লোক।।**

কৃষ্ণপাদ প্ৰসাদেন শঙ্কৰঃ কৃষ্ণ কিঙ্কৰঃ।
চকাৰ শ্ৰীপাৰিজাতহৰণং নাম নাটকম্।।

**ততো মুক্তিমঙ্গল।। চপয়ছন্দে।। ভটিমা**

জয় জয় জগ-জীৱন মুৰাৰি।
কংস-কেশী-বক-অঘ অন্তকাৰী।।
সো ব্যাপক বিভু ব্ৰহ্মা অধিকাৰী।
ভুকুতি মুকুতি নিত্য কৰতু তোহাৰি।।
জয় জয় যাদৱ দনুজ-সংহাৰি।
দণ্ডিত[57] দুষ্টক ভকত নিস্তাৰি।।
সোহি জগত গুৰু গোপিনী পিয়াৰি।
ভুকুতি মুকুতি নিত্য কৰতু তোহাৰি।।

57।পা. দণ্ডিয়ে

জয় জয় পৰমপুৰুষ দেৱকো দেৱা।
ব্ৰহ্মা মহেশ কৰু যো পদ সেৱা।।
সোহি নাৰায়ণ ভুৱন আধাৰি।
ভুকুতি মুকুতি নিত্য কৰতু তোহাৰি।।
জয় জয় মাধৱ ধেণুক মাৰি।
আনন্দ বিৰিন্দা বিপিন-বিহাৰি।।
সোহি গোপাল গোৱৰ্দ্ধনধাৰী।
ভুকুতি মুকুতি নিত্য কৰতু তোহাৰি।।
জয় জয় পীতাম্বৰ বনমালী।
কালিন্দ্ৰী হ্ৰদে যে মৰ্দ্দল কালী।।
সোহি গোৱিন্দ ভকত-ভয়-হাৰী।
ভুকুতি মুকুতি নিত্য কৰতু তোহাৰি।।
জয় জয় দুষ্ট দৈত্য অন্তকাৰী।
কুৱলয় মোড়ন দন্ত উপাৰি।।
শৰত ৰমত যো গোপিনী নাৰী।
ভুকুতি মুকুতি নিত্য কৰতু তোহাৰি।।
শ্ৰীজগতানন্দ দলপতি জান।
হৰিকো পদ-পঙ্কজ ভজনাম।।
কৰাৱত নাট ওহি বহু ছন্দে।
কৃষ্ণক ভকতি কৰিতে প্ৰবেন্ধ।।
পাৰিজাত-হৰণ আহেৰি নাম।
শুন বুধজন হৰিগুণ অনুপাম।।
কলিযুগ মধ্যে ধৰম ওহি সাৰ।
নাহি নাহি গতি হৰি বিনে আৰ।।
কয়লি কলি দেখু একাকাৰ।
পাপ-পুণ্য কিছু নাহি বিচাৰ।।
মলমতি লোক অবহু নাহি জানি।
নাহি নাহি গতি বিনে সাৰঙ্গপাণি।।
ভজ হৰি চৰণে চোড়হু আন আশ।
হৰিনামে কৰু সুদৃঢ় বিছোআস।।
ধৰমক উপৰি ৰাজা নাম।
জানি সবহু নৰে বোল ৰাম ৰাম।।

**।। ইতি শ্ৰীপাৰিজাত-হৰণ নাটকং সমাপ্তমিতি।।**

# শ্ৰীৰামবিজয় নাট

**পুৰুষ**

সূত্ৰধাৰ
শ্ৰীৰামচন্দ্ৰ
লক্ষ্মণ
দশৰথ
জনক
বিশ্বামিত্ৰ (কৌশিক)
মাৰীচ } (তাড়কাৰ দুই পুত্ৰ)
সুবাহু }
মণিমন্ত্ৰ (জনক ৰজাৰ মন্ত্ৰী)
ৰজাসকল
পৰশুৰাম (ভাৰ্গৱ)
গালৱ (বিশ্বামিত্ৰৰ শিষ্য)

**স্ত্ৰী**

সীতা
তাড়কাৰাক্ষসী
কনকাৱতী } সীতাৰ সখী
মদনমন্থৰা }

# ।। শ্ৰীৰামবিজয় নাট।।

## ।। নমো ভগৱতে শ্ৰীকৃষ্ণায়।।

**প্ৰথম শ্লোক।।**

যন্নামাখিল লোকশোকশমনং যন্নাম প্ৰেমাস্পদম্
পাৰাপাৰপয়োধি-তাৰণৱিধৌ যন্নামপীনপ্লৱঃ।
যন্নামশ্ৰৱণাৎ পুনাতি শ্বপচঃ প্ৰাপ্নোতিমোক্ষং ক্ষিতৌ
তং শ্ৰীৰামমহং মহেশবৰদং ৱন্দে সদা সাদৰম্।।

**অপিচ।।**

যেনাভাজি ধনুঃ শিৱস্য সহসা সীতা সমাশ্বাসিতা।
যেনাকাৰি পৰাভৱো ভৃগুপতের্ব্ব্যাসক্ত ৰামস্য[1] চ।
ৱৈদেহ্যা ৱিধিৱদ্বিৱাহমকৰোৎ নিৰ্জ্জিতা যঃ পাৰ্থিৱান।
যুষ্মাকং ৱিতনোতুশং হি ভগৱান্ শ্ৰীৰামচন্দ্ৰশ্চিৰম্[2]।।

**নান্দী।।**

**গীত।। ৰাগ সুহাই।। একতালি**

**ধ্ৰুং।।**

জয় জয় জগজীৱ ৰাম।[3] কয়লো পড়ি পৰণাম।।

**পদ।।**

যাহে গুণ নাম মুহেগাই। পাপী পৰম পদ পাই।।
ওহি ভৱ তাপ অপাৰা। যাহে স্মৰণে কৰু পাৰা।।
অজগৱ ভঞ্জনকাৰী। পাৱল জনক কুমাৰী।।
নৃপসৱ ছেদল বাণে। কৃষ্ণ কিঙ্কৰে এহু ভাণে।।

---

1। পা. ভৃগুপতেৰামস্য ৰামস্য 2। শ্ৰীৰামচন্দ্ৰ চৰণ 3। জয় জগ জীৱন ৰাম

**নান্দ্যন্তে সূত্ৰধাৰঃ।। অলমতি বিস্তৰেণ।।**
প্ৰথমং মাধৱো মাধৱ ইত্যুক্ত্বা শ্ৰীৰামচন্দ্ৰং প্ৰণম্য সভাসদঃ সম্বোধ্যাহ।।

**শ্লোক।।**

ভো ভো ঃ সামাজিকাঃ যুয়ং শৃণুধ্বমধুনা(1) বুধাঃ।
শ্ৰীৰাম বিজয় নাম নাটকং মুক্তিসাধকম্।।3।।

**অথ ভটিমা।।**

জয় জয় ৰঘুকূল কমল প্ৰকাশক
দাসক নাশক ভীতি।
জয় জয় নিজজন যাতন ঘাতন
পাতন পাতক ৰীতি।।
হৰক শৰাসন নাশন শাসন
নৃপসৰ বাণ সন্ধানে।
ছেদল ভেদল খেদল দাপে
তাপে পলাৰত প্ৰাণে।।
ভৃগুবৰ ৰামক ৰামক কামক
কয়লি দৰপ উপান্ত।
ভৱ ভয় ভঞ্জন সজ্জন ৰঞ্জন
জীৱন জানকীকান্ত।।
যোহি বনমালী ঃ বালিক ঘালি
ৰাজা কৰু সুগ্ৰীৱ।
যাহেৰি কোপ কটাক্ষ নিৰেখি
কম্পিত জলধিক জীৱ।।
সমৰক নাগৰ নাগৰ সাগৰ
শিলা সেতু কয় বন্ধ।
ভকতা ভীতা সীতা নীতা
যুদ্ধে বধিয়া দশস্কন্ধ।।

সাফলল বাণী জানি আনি
থাপি বিভীষণ পাট।
যতয়া আতঙ্কা লঙ্কা শঙ্কা
কয়লি পুনু উতপাট।।
জগতক অন্তক সন্তক সন্তক[4]
পূৰল পৰম কাম।
ভূমিক ভাৰ ঃ উতাবল* তাৰল
সুৰনৰ ৰাজা ৰাম।।
ব্রহ্মা মহেশ্বৰ কিঙ্কৰ যাকৰ
পড়ি পড়ি কৰতু সেৱা।
ত্রিভুৱন কাৰণ তাৰণ মাৰণ
যোহি দেৱকু দেৱা।।
সোহি মহেশ্বৰ ৰামক নাটক
শুন মন কয়ো বিস্বোআস।
যাহেৰ কথনে মথনে কৰই
কলিমল সকলে বিনাশ।।
অসাৰত সাৰত কাৰত ভাৰত
নৰতনু বিফলেহি যাই।
পদ অৰৱিন্দ অনিন্দ্য গোৱিন্দ
হৃদি পঙ্কজে ধৰু ভাই।।
ধন জন জীৱন যৌৱন বিজুৰি
উজুৰি দেখা না দেখা।
জানৰ কেশৱ দেৱাসে দেৱা
সোহি শিলা কৰু ৰেখা।।

---

4। অন্তক অন্তক

* - কোনো কোনো সংকলকে উতাবলৰ ঠাইত উদ্ধাৰল শব্দটি সন্নিবিষ্ট কৰিছে।

সৱ অপৰাধক বাধক সাধক
সিদ্ধি ঋদ্ধি হৰিনাম।
কহে কৃষ্ণ কিঙ্কৰ লোক নিৰন্তৰ
ডাকি বোলহু ৰাম ৰাম।।

**সূত্ৰ।।**

ভো ভো সভাসদ সাধুজন ঃ যে জগতক পৰম ঈশ্বৰ নাৰায়ণ ঃ ভূমিক ভাৰ হৰণ নিমিত্ত দশৰথ গৃহে অৱতৰল ঃ সোহি ভগঅন্ত শ্ৰীৰামৰূপে ওহি সভামধ্যে ঃ প্ৰৱেশ কয়কহু ঃ সীতা বিৱাহ বিহাৰ নৃত্য ঃ পৰম কৌতুকে কৰব, তাহে সাৱধানে দেখহ শুনহ।। প্ৰথমে লক্ষ্মণ সহিত ঃ শ্ৰীৰামক প্ৰৱেশ ঃ তদনন্তৰ সখীসৱ সহিত ঃ সীতাক প্ৰৱেশ ঃ ইতি জ্ঞাত্বা সৰ্ব্বে সাৱধানে স্থিয়তাম্।।

**পুনঃ সূত্ৰ বোল।।**

আহে সঙ্গী কি বাদ্য শুনিয়ে।।

**সঙ্গী বোল।।**

সখি, দেৱ-দুন্দুভি বাজত।
আহে দেৱ-দুন্দুভি বাজত।।

**সূত্ৰ।।**

অঃ শ্ৰীৰামচন্দ্ৰ মিলল।

**শ্লোক।।**

প্ৰৱেশমকৰোৎ কামং ৰামো ৰাজীৱলোচনঃ।
সসোদৰো ধনুষ্পাণি ৰূপেণাপ্ৰতিমো ভুৱি।।

**সূত্ৰ।।**

আহে সভাসদ ঃ হামু যাকৰ কথা কহৈছি ঃ সে শ্ৰীৰাম লক্ষ্মণ সহিতে এ আৱত ঃ এ আৱত।।

[ইতি সূত্ৰ নিষ্ক্ৰান্তঃ]

**গীত।। ৰাগ সিন্ধুৰা।। একতালি।।**

**ধ্ৰুং।।**

ভেলি পৰৱেশ পৰমেশ ৰঘুনাথে।
সঙ্গে সোদৰ শৰ ধনু ধৰি হাতে।।

**পদ।।**

শ্যাম ৰুচিৰ চিৰ পীত পৰকাশ।
পঙ্কজ নয়ন বয়ন মন্দ হাস।।
মণিময় মুকুট কুণ্ডল গণ্ড ডোলে।
হেৰি মূৰুতি মন মনমথ ভোলে।
মাণিক মোতি জ্যোতি হেমহাৰা।
গগণ উজোৰ যৈচন ৰুচি তাৰা।।
চৰণক ৰঞ্জি মঞ্জিৰ মণি ৰোল।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ বোল।।

**সূত্ৰ।।**

ওহি পৰকাৰে ঃ শ্ৰীৰামচন্দ্ৰ প্ৰৱেশ কয় ঃ এক পাশ হুয়া ৰহল ঃ তদনন্তৰ সীতাক প্ৰৱেশ শুনহ।। আহে সঙ্গী কি বাদ্য বাজত।।

**সঙ্গী বোল।।**

অয়ে দেৱ বাদ্যবাজে।।

**সূত্ৰ।।**

আ ঃ জনক নন্দিনী সীতা সখীসৱ সহিত মিলল মিলল।।

**শ্লোক।।**

চকাৰ জানকী কামং প্ৰৱেশং সখীসঙ্গতা।
চিন্তয়ন্তী ৰামচন্দ্ৰ চৰণৌ ৰুচিৰাননা।।

**সূত্ৰ।।**

হে সামাজিক ঃ সখি মদনমন্থৰা ঃ কণকাৱতী সহিত ঃ সে জনক-নন্দিনী সীতাৰামক চৰণ চিন্তি প্ৰৱেশ কয় আৱে ঃ তা দেখহ, শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

## গীত।। ৰাগ সুহাই।। একতালি

**ধ্রুং।।**

আৰে জনকসূতা কয় পৰৱেশ।
পেখিয়ে বদন মদন মন ক্লেশ।।

**পদ।।**

মাণিক মুকুট কুণ্ডল কৰু কান্তি।
দশন ওতিম নৱ মোতিম পান্তি।।
ঈষত হাসি চান্দক ৰুচি চোড়।
নীল অলক লোচন চকোৰ।।
কণক কেয়ূৰ ঝণকিত কাই।
ৰামক চৰণ চিন্তিয়ে চিত্ত লাই।।
পদ পঙ্কজ মণি মঞ্জিৰ ৰোল।
ৰূপে ভূৱন ভূলে শঙ্কৰে বোল।।

**সূত্র।।**

হে সামাজিক লোক ঃ সে জনকনন্দিনী সীতা ঃ সখীসৱ সহিত নৃত্য কৰিয়ে ঃ সে জাতিস্মৰ কন্যা ঃ পূর্ব জন্মক কথা চিত্তে পৰল। তাহে সুমৰি ঃ পৰি ক্রন্দন কয় ৰহল। তাহে পেখিঃ সখী মদনমন্থৰা ঃ সখী কণকাঅতী ঃ বাহু মেলি ধৰি পুচত।।

**সখী বোল।।**

আহে সখি ঃ তুহু ৰাজনন্দিনীঃ কোন সম্পত্তি নাহি থিক ঃ কি নিমিত্ত বাৰম্বাৰ বিলাপ কৰহ ঃ প্ৰাণ সখিঃ হামাক শপত ঃ তোহাৰ পাৱৰে লাগু ঃ হামাত সত্তৰ কথা কহ।।

**শ্লোক।।**

ততঃ সীতা ৱিনিঃশ্বস্য চৰিতং পূৰ্ব্বজন্মনঃ।
সখীভ্যাং ৱৰ্ণয়ামাস ৰুদতী সূদতী সতী।।

**সূত্ৰ।।**

সীতা কতি বেৰি স্বস্থ হয়া ঃ আঞ্চোৰে আখি মুখ মুচি ঃ নিশ্বাস ফোকাৰি ঃ সখীসৱক সম্বোধি বচন বোলয়ে লাগল।

**সীতা বোল।।**

আহে সখীসৱ ঃ পৰম অভাগিনীক কি পুচহ ঃ হামু পুৰুষ জনম। ঈশ্বৰ নাৰায়ণক স্বামী ইচ্ছা কয় ঃ অনেক জনম কায় ক্লেশ কৰিয়ে ঃ বহুত বৰিষ তপস্যা কয়লো। তদনন্তৰ আকাশী বাণী শুনল ঃ আহে কন্যা ঃ তোহোঁ ওহি জনমে ঃ স্বামীক ভেট নাহি পাৱব ঃ আৱৰ জনম ঃ শ্ৰীৰামৰূপে ঃ তোহাক বিৱাহ কৰাৱব। ইহা জানি হামু অগণি প্ৰৱেশি ঃ প্ৰাণ চাড়ল ঃ আহে সখিসৱ ঃ সে দৈৱবাণীয়ে বিফল ভেল ঃ সে শ্ৰীৰাম স্বামীক চৰণ ঃ ওহি জনম ভেট নাহি পালো।

**সূত্ৰ।।**

ওহি বুলিতে সীতাক পৰম তাপ উপজল ঃ হা ৰাম স্বামি বোলি ঃ মোহ হুয়া ঃ মাটি লুটি যৈচে বিলাপ কয়ল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। সুহাই।। জৌতিমান।। চুটকলা**

**ধ্ৰুং।।**

বিলপতি মৈথিলী মাইঃ নীৰ নয়ন ঝুৰাই।
ঘন ঘন শ্বাস ফোকাৰতঃ তনু চেতনু নাই।।

**পদ।।**

চিৰ বিৰহে দহে দেহাঃ দিশ দেখু আন্ধিয়াৰি।
ৰময়া বিনে ঃ মন ঝামৰু ঃ পৰু মূৰুচি কুমাৰী।।
হা হৰি হা হৰি জম্পয়ঃ জীৱন যৈচন যায়।
ৰাম চৰণে লাগু ঃ গতি আৱৰি নাই।।

**সূত্ৰ।।**

ঐচন সীতাক বিলাপ দেখিয়ে ঃ সখিসৱ প্ৰবোধ কয় বোলল।।

**সখীসৱ বোল।।**

আহে প্ৰাণসখি ঃ সে ভকতক বান্ধৱ মাধৱ ঃ তোহাক দুখ দূৰ কৰব ঃ পুৰুব জনমক ঃ তোহাক স্বামী ঃ অৱশ্যে পাৱব ঃ হে সখী তাপ চাড়হ।।

**সূত্ৰ।।**

হে সামাজিক লোক ঃ জনকনন্দিনী সীতা ঃ কিঞ্চিত স্বস্থ হুয়া ঃ সখীসৱ সহিত ঃ এক পাশ হুয়া ৰহল। ৰামক চৰণ চিন্তি ঃ বয়নে হাত চৰাই ঃ অধোমুখ হুয়া ৰহল। তদনন্তৰ ৰাজাক প্ৰৱেশ পেখহ।।

**শ্লোক।।**

প্ৰৱেশমকৰোৎ কৃষ্ণদাসো দশৰথস্তদা।
ছত্ৰ চামৰসংযুক্তো ধনুপাণি নৃপোত্তমঃ।।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্ৰুং।।**

আৰে দশৰথ পৃথিৱীনাথ।
ঢুলে চামৰ ছত্ৰ ধৰু মাথ।।

**পদ।।**

দুৰ্জয় বীৰ ধৰিয়ে শৰ ছাপ।
কাম্পে ৰিপুগণ যাহে প্ৰতাপ।।
ত্ৰিভুৱন ঈশ্বৰ ৰামক বাপ।
যাহে নেহাৰি দূৰ হয় তাপ।।[5]

**সূত্ৰ।।**

ঐচন প্ৰৱেশ কয় ৰাজা দশৰথ পৰম হৰষে বৈঠি ৰহল।।

**শ্লোক।।**

শিষ্যেনা সাকমাগত্য ৰিশ্বামিত্ৰো মহামুনিঃ।
আশীৰ্ব্বাদং দদৌ তস্মৈ ৰাজ্ঞে মন্ত্ৰমুদীৰয়ন্।।

---

5। পা. যাহে হেৰি দূৰ হয় পাৰা।

**সূত্ৰ।।**

তদনন্তৰ ঃ ঋষিৰাজ কৌশিক ঃ শিষ্য সহিত আসি কহু ঃ ৰাজা দশৰথক ঃ আশীৰ্বাদ কয় যে কহল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ কানাড়া।। পৰিতাল**

**ধ্ৰুং।।**

আৰে কৌতুকে কৌশিক চণ্ড।
মালা মাথে হাতে ধৰু দণ্ড।।

**পদ।।**

লাড়য় বাহু হৰিগুণ গাই।
সচকিত ভাৱে চৌদিসে চাই।।
শোহে সুললিত তিলক কপাল।
হেৰত কোপে যৈচে যমকাল।।

**সূত্ৰ।।**

ঐচন প্ৰৱেশ দিয়ে ঃ সে ঋষিৰাজ ঃ ৰাজাক যৈচে আশীৰ্বাদ দেলহ ঃ তাহে দেখহ শুনহ।।

**শ্লোক।।**

চিৰঞ্জীব চিৰঞ্জীব চিৰঞ্জীব জনাধিপ।
পুত্ৰপত্নী সমাযুক্তঃ ভক্তিমান্ ভৱ মাধৱে।।

**কৌশিক বোল।।**

হে ৰাজা দশৰথ ঃ তোহো সপৰিৱাৰে ঃ চিৰঞ্জীৱ ভৱ।।

**সূত্ৰ।।**

ৰাজা ঋষিক আসনে বৈঠায়া ঃ পৰি পৰণাম কয় ঃ কৰযোৰে বোল।।

**দশৰথ বোল।।**

হে মুনিৰাজ ঃ তোহাৰি পদ পৰশে ঃ আজু হামাৰ অযোধ্যাপুৰী পৱিত্ৰ ভেল। তৱ দৰশনে হামাৰ জনম সাফল ভেল। মুনি অৱ কোন প্ৰয়োজন সাধো ঃ হামাক আজ্ঞা কৰহ। সভামধ্যে অঙ্গীকাৰ কয়লো[6] আজু যে

6। পা. অঙ্গীকাৰ কয়ে বোললো

দান মাগহ ঃ তাহেক সত্যে সত্যে দেৱব।

**সূত্ৰ।।**

ঋষি ৰাজাক সত্যবাণী শুনি ঃ হাসি হাসি কৌতুকে উঠিকহু ঃ নৃত্য কয়ল। আঃ মনোৰথ সাফল ভেল। ৰাজাক আশীৰ্বাদ কয় বোলল।

**কৌশিক ঋষি বোল।।**

হে নৃপতে ঃ তাহোঁ পৃথিৱীক কল্পতৰু ঃ তোহাৰ ঠাই ঃ প্ৰাৰ্থক কবহু বিমুখ নাহি হয় ঃ ইহাক জানো ঃ কিন্তু হামাৰ প্ৰয়োজন শুনহ ঃ হামু সিদ্ধাশ্ৰমত ঃ যজ্ঞ আৰম্ভল ঃ তাহেক মাৰীচ সুবাহু ঃ দোহো ৰাক্ষস বহুত বিঘিনি আচৰয় ঃ সে যজ্ঞ ৰক্ষা নিমিত্তে ঃ তোহাৰ ৰাম লক্ষ্মণ ঃ দোহো কুমাৰক ঃ হামাৰ সঙ্গে পঠাৱ ঃ তৱে হামাৰ মনোৰথ সিদ্ধি হয়।।

**শ্লোক।।**

তন্নিশম্যাভৱদ্ভীতো পপাত মূৰ্চ্ছিতোভুৱি।
কৰোতি কাতৰং ৰাজা ৱিধৃত্য চৰণো মুনেঃ।।[7]

**সূত্ৰ।।**

ৰাজা ঋষিক ঐচন বাণী শুনিয়ে ঃ দুৰন্ত চিন্তায়ে পীড়ল ঃ মূৰ্চ্চিত হৈয়া পৰল ঃ তদনন্তৰ ঃ স্বস্থ হুয়া ঃ ঋষিক চৰণে ধৰিকহু ঃ কাতৰ কয় বোলল।।

**দশৰথ বোল।।**

আহে মুনিৰাজ ঃ হামাৰ পুত্ৰ ৰাম লক্ষ্মণ ঃ সে বালক ঃ তাহেক ৰাক্ষসক দিতে চাৱ ঃ ওহি কোন ব্যৱহাৰ। হা হা হে ঋষিৰাজ ঃ যজ্ঞ ৰক্ষা নিমিত্ত হামাক নিয়া যাৱ।।

**সূত্ৰ।।**

ৰাজাক বচন শুনিয়ে ঃ কৌশিক পৰম কোপে ভৰছয়*।।

**কৌশিক বোল।।**

ঐয়ে পাপী ঃ অসত্যবাদী ঃ ৰাম লক্ষ্মণক নাহি পঠাৱ।

---

7। নিগৃহ্য চৰণৌ মুনেঃ

* - ভৰ্ৎচয়

**সূত্ৰ।।**

ওহি বুলি ঃ কোপে কম্পমান হুয়া ঃ বেগে চলল। বাহু লাৰিয়ে ঃ কোপে দশন চর্প্পয় ঃ ৰাজা আগু হুয়া ঃ ঋষিক চৰণ ধৰিকহু ঃ যৈচে বিলাপ কয়ল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ সুহাই।। জৌতিমান**[৪]

**ধ্ৰুং।।**

কৰহু কৰুণা ঋষি সুত দান দেহু।
কোন মুখে কহৱ ৰামক তুহু লেহু।।

**পদ।।**

নেহবি ৰাম ৰাক্ষস লাগি মাগি।
আহে অধিক হৃদয়ে দহে আগি।।
বালক ৰাম কিছুৰে নাহি জানে।
তাহে নাহেৰি ৰহবি নাহি প্ৰাণে।।

**দশৰথ।।**

হে ঋষিৰাজ ঃ বালক ৰামক ঃ কৈচে ৰাক্ষসক হাতে দিতে চাৱ ঃ ইহা উচিত নহে ঃ বাপ ৰামক ছাড়ি হামাক নিয়া যাৱ।।

**ঋষি বোল।।**

অয়ে দশৰথ ঃ তুহু ৰামক চৰিত্ৰ কিছু জানয়ে নাহি ঃ যোগবলে হামু সৰে জানো ঃ ওহি ৰামচন্দ্ৰ পৰম ঈশ্বৰ ঃ মহাহৰিক অংশ অৱতাৰঃ অসুৰ ৰাক্ষস ঃ সৱ সংহাৰি ঃ ভূমিক ভাৰ উদ্ধাৰৱ।। ইহা জানি কিছু চিন্তা নাহি কৰবি ঃ সত্য ৰাখি ঃ সত্বৰ ৰাম লক্ষ্মণক ঃ হামাৰ সঙ্গে পঠাৱ।।

**সূত্ৰ।।**

ৰাজা ঋষিক বাণী শুনি কহো ঃ কিঞ্চিত স্বস্থ হুয়া ঃ ঋষিক হাতে ৰাম-লক্ষ্মণক ঃ সমর্পি দেলহ। কৌশিক কৌতুকে ৰাজকুমাৰ দুহোঁ ঃ সঙ্গে লৈয়া চলল যৈচে ঃ তা দেখহ, শুনহ ঃ নিৰন্তৰে হৰি বোল।।

৪। পা. সুহাই ৰাং।। যতিতাল /জতিমান

**পয়াৰ।। ৰাগ কানাড়া।। জৌতিমান**[9]

চলল কৌশিক সাধিয়ে কাম।
পাচু পাচু চলে লক্ষ্মণ ৰাম।
দেলহ ধনুর্ব্বেদ দিব্য বাণ।
লক্ষ্মণ ৰাম পথহি সৱ জান।।
আশ্রম যাইতে ঋষিক উচাট।
পেখিয়ে তাড়কো বেঢ়ল বাট।।
মিলল ভক্ষ্য পিশাচিনী হাসে।
কাম্পে কৌশিক পড়িয়ে তৰাসে।।
ৰাক্ষসী খাই ৰাখ ৰঘুনাথে।
শুনিয়ে ৰাম ধৰল ধনু হাতে।।
বোলি নির্ভয় জোৰল বাণ।
তাড়কা হৃদয়ে কৰু সন্ধান।।
পড়ল পিশাচী তেজি আটাস।
বজ্রপাতে যৈচে লোক তৰাস।।
হৃদয়ে আনন্দ মিলল অধিক।
সাধু সাধু ৰামক বোল কৌশিক।।
হৰিষে শিহৰে দেহক লোম।
আশ্রম পাই আৰম্ভল হোম।।
পেখিয়ে ধুম মাৰীচ সুবাহু।
চান্দ গিলিতে যচ আৱল ৰাহু।।
ত্রাসে কৌশিক কহয় আৰাৱে।
দেখু দেখু দুহুঁ ৰাক্ষস আৱে।।
অৱ ৰঘুনাথ কৰহু মোহে ত্রাণ।
শুনিয়ে ৰাম ধৰল ধনু বাণ।।

---

9। পা. পীত।। ৰাগ কানাড়া।। তাল চুটা।।

বেধল হৃদয় শৰক সন্ধানে।
উৰল ৰাক্ষস ৰামক বাণে।।
ভেলি সুবাহু সাগৰ পাত।
মাৰিচ পড়ল প্ৰাণে লঙ্কাত।।
নাশ গেল অৱ দুহু পিশাচে।
কৌতুকে উঠি কহু কৌশিক নাচে।।
ৰামক ৰঙ্গে সাধু সাধু বোল।
জয় জয় ৰাম কৰয় ঘন ৰোল।।

**সূত্ৰ।।**

পৰম সন্তোষে কৌশিক ঃ ৰামক আশীৰ্ব্বাদ কয়ল।।

**শ্লোক।।**

জয় জয় ৰঘুনাথ[10] প্ৰাৰ্থক ত্ৰাণহেতো।
ৰঘুকূল কমলালী সূৰ্য্য ৱৰ্য্য ত্বমেৱ।।[11]
হৰষি দুৰিতমেষাং[12] নাম সংকীৰ্ত্তনেন।[13]
স্বজন* সুত কলত্ৰৈ জীৱতাৎ ত্বং চিৰায়ু ঃ[14]।।

**ঋষি বোল।।**

ৰঘুকুল কমল প্ৰকাশক সূৰ্য্য ৰামচন্দ্ৰ ঃ হামাৰ আশীৰ্ব্বাদে ঃ পত্নী পুত্ৰ সহিত ঃ চিৰঞ্জীব ভৱ।।

**সূত্ৰ।।**

ওহি বুলি আশীৰ্বাদ তুলসী দেলহঃ শ্ৰীৰাম মাথা পাতি লেলহ।।

**ঋষি।।**

হে বাপ ৰামচন্দ্ৰ ঃ তুহু হামাৰ পৰম উপকাৰী ঃ মাৰীচ সুবাহু ঃ ৰাক্ষস মাৰি ঃ হামাৰ যজ্ঞ সিদ্ধ কয়ল ঃ তোহাক গুণ সুজয়ে নাহি পাৰি ঃ সম্প্ৰতি প্ৰত্যুপকাৰ ঃ তোহাক কা কৰবঙ্গ

---

10। জয়তু জয়তু ৰাম। 11। ক সূৰ্য্যৱংশস্যদেৱ। 12। পা. হৰসি দুৰিতৰাজিং 13। নাম সংকীৰ্ত্তনেন। * কালিৰাম মেধি আৰু অন্যান্য গ্ৰন্থত 'সুহৃদ' শব্দৰ প্ৰয়োগ হৈছে। 14। পা. মাউৰ ৰাং।। মান জতি ; ৰাগ মাহুৰ-যতি মান

**সূত্ৰ।।**

ওহি বুলি ঃ মনে বিমৰিষ কয় ঃ পুনু বোলল।।

**কৌশিক বোল।।**

আঃ সাধু প্ৰয়োজন মিলল ঃ হে ৰঘুনাথ ঃ আজু জানকীক স্বয়ম্বৰ মিলিছে ঃ হামু জানল ঃ মহেশক ধনু ঃ যে গুণ দিতে পাৰয় ঃ সে কন্যা সেহি পাৱে ঃ সে ভুৱনমোহনী ঃ ভাগ্যৱতী ঃ যৱ তৱ গৃহিণী হয় ঃ তৱে হামাৰ পৰম আনন্দ মিলয় ঃ হামু যোগবলে সৱ জানো ঃ সোহি সীতা ঃ পূৰ্ব্ব জনমত ঃ বহুত তপ আচৰি ঃ তোহাক স্বামী না পাৱল ঃ তাহেক স্মৰিয়ে ঃ ওহি জনম ঃ তোহাৰ চৰণ চিন্তি সৰ্ব্বথা থিক ঃ পৰম বিৰহাতুৰ হুয়া ঃ তোহোক লাগি ৰহৈছে ঃ সে সুন্দৰীক ৰূপ-সম্পত্তি কিছু কহব ঃ তাহে শুনহ।।

**ভটিমা।।**

কি কহব ৰূপ কুমাৰীক ৰাম।
কনক পুতলি তুল তনু অনুপাম।।
ৰতন তিলক লোলে অলক কপোল।
হেৰিয়া ভ্ৰূৱভঙ্গ ত্ৰিভূবন ভোল।।
দেখিয়ে বদন চান্দ ভেলি লাজ।
নয়ন নিৰেখি কমল জল মাজ।।
হেৰিয়ে ভুজ যুগ মিলল উচ্ছঙ্ক।
ললিত মৃণাল মজত জল পঙ্ক।।
আৰকত কৰতল মুনি মন মোহে।
কনক শলাকা অঙ্গুলি কৰে শোহে।।
বন্দুলি নিন্দি অধৰ কৰু কান্তি।
দড়িম্ব নিবিড় বীজ দন্তপান্তি।।
ঈষত হাস মদন মোহ যাই।
নাসা তিলফুল কমলিনী মাই।।
নৱ যৌৱন তন বদৰী প্ৰমাণ।
উৰু কৰিকৰ কটি ডম্বৰুক ঠান।।

পদ-পঙ্কজ নৱ পল্লৱ কান্তি।
চম্পক পাকৰি আঙুলিক পান্তি।।
নখ চয় চাৰু চন্দ পৰকাশ।
লহু লহু মত্তগজ গমন বিলাস।।
কত লাৱণ্য বিহি নিৰমিল জানি।
কোকিলনাদ অমিয়া ঝুৰে বাণী।।
তুহুঁ সুকুমাৰ ৰূপে নোহে হীন।
ৰাজ কুমাৰীক বয়স নৱীন।।
সোহি বড় ৰমণী ঘৰিণী যৱ হোই।
অৱ গৃহবাস সফল তৱ হোই।।
কহলু স্বৰূপ বচন শ্ৰীৰাম।
চল অবিলম্ব জনকক ঠাম।।
ভাঙ্গহ অজগৱ ধনুক লীলাৰে।
সীতা ভোলি ভজোক তুৱা পাৰে।।
জানি হামু সত্য বাণী বোল।
ডাকি কৰহু নৱ হৰি হৰি বোল।।

**শ্লোক।।**

সীতায়াঃ   ৰূপলাৱণ্যং শ্ৰুত্বা নিঃশস্য ৰাঘৱঃ।
ঋষিমাভায্য ভগৱান্ জগাম মিথিলাম্প্ৰতি।।

**সূত্ৰ।।**

সীতাক ৰূপ-সম্পত্তি শুনিয়ে ঃ ৰামক মনে কিঞ্চিত মদন-বিকাৰ উপজল ঃ জানকি বিয়োগ নিমিত্ত নিশ্বাস ফোকাৰি ঃ ঋষিক সম্বোধি বোল।

**শ্ৰীৰাম বোল।।**

হে মহামুনিৰাজ ঃ সে মহেশক ধনু ঃ বজ্ৰাধিক কঠিন ঃ হামু বালকঃ তাহেক গুণ দিতে ঃ হামাৰ যোগ্যতা কৈচন হই। তথাপি তোহাৰি আজ্ঞা পালিতে লাগয় ঃ ঋষিৰাজ ঃ জানি সত্বৰ চলহ।।

**সূত্ৰ।।**

ওহি বুলি সোদৰ সহিত ঋষিক পাচু ঃ শ্ৰীৰাম যৈচে মিথিলাক পয়ান কৰল ঃ তাহে দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ মাহুৰ।। জৌতিমান**[15]

**ধ্ৰুং।।**

ৰময়া চলে মিথিলাকু লাই
ৰাজীৱ লোচন শ্যাম সুন্দৰ
সোদৰ সঙ্গতি যাই।।

**পদ।।**

শুনি ৰমণীক নিকলিক কাহিনী
মিলল মোহ মুৰাৰি।
ভাৰ ভিন্নৰীত ভৈল কিঞ্চিত
চিত্ত মদন বিগাৰি।।
বদন ইন্দু মদন ঝামৰ
কাম পহিল প্ৰৱেশ।
চলতু ৰাঘৱ কাম কৌতুক
হৰতু কেশৱ ক্লেশ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ মিথিলাপুৰ পাই ঃ ঋষি সোদৰ সহিত ঃ শ্ৰীৰামচন্দ্ৰঃ ৰাজসভা প্ৰৱেশ কয়ল। জনক কৰযোৰি উঠিকহু ঃ ৰাম-লক্ষ্মণ সহিত বিশ্বামিত্ৰক আসনে বৈঠাই ঃ ঋষিক প্ৰণামি তুতি বোলল।।

**জনক বোল।।**

হে ঋষিৰাজ ঃ তোহাৰ আগমনে ঃ আজু হামাৰ মিথিলাপুৰ পৱিত্ৰ ভেল ঃ মেৰি মহা ভাগ্য মিলল।।

---

15। কোনো কোনোত ‘নিকলিক’ লোপ

**সূত্ৰ।।**

ঋষি আশীৰ্ব্বাদ শ্লোক পঢ়ল।।

**শ্লোক।।**

চিৰঞ্জীৱ চিৰঞ্জীৱ ৰাজন্ সজ্জন-ৰঞ্জন।
গজ-বাজি-মহৈশ্চৰ্য্য-ভাৰ্য্যাত্মজ-যুতঃ সদা।।

**বিশ্বামিত্ৰ বোল।।**

হে মহাৰাজা জনক ঃ পত্নী পুত্ৰ সহিত ঃ তুহু চিৰকালে সুখী ভৱ ঃ তোহাৰি সৎকাৰে পৰম তুষ্ট ভেলোঁ।।

**সূত্ৰ।।**

জনক ৰাজা ঃ ৰাম লক্ষ্মণক ৰূপ নিৰেখি ঃ পৰম আশ্চৰ্য্য হুয়া ঃ মুনিত পুচত।।

**জনক বোল।।**

হে ঋষিৰাজ ঃ ওহি বালক দুহু ঃ অদ্ভুত মধুৰ মূৰুতি ঃ দেখি পৰম আনন্দ ভেলোঁ ঃ কাহেৰ কুমাৰ ঃ কিবা দেৱ ঃ কিবা মনুষ্য ঃ হামু বুজয়ে নাপাৰি। ওহি সুকুমাৰ ঃ কুমাৰ দুহু ঃ দেখিতে হৃদয় সন্তোষ ভেল।

**সূত্ৰ।।**

তাহে শুনি ঋষি শ্লোক পঢ়ল।।

**শ্লোক।।**

সুতৌ দশৰথস্য তাৱাগতৌ[16] ৰামলক্ষ্মণৌ।
দুহিতুস্তৱ সীতায়াঃ স্বয়ম্বৰদিদৃক্ষয়া।।

**কৌশিক ঋষি বোল।।**

হে মহাৰাজ ঃ তোহাৰি পৰিচয় নাহি ঃ যে দশৰথ ৰাজা ঃ তোহাৰি পৰম মিত্ৰ ঃ তাহাৰ কুমাৰ দুহুঃ হামাৰ পৰম শিষ্য ঃ আৱাসৱৰ নাম ৰাম-লক্ষ্মণ ঃ তোহাৰ দুহিতা ঃ সীতাৰ স্বয়ম্বৰ দেখিতে ইহা আৱল থিক ঃ ইহা জানি ঃ সত্বৰে সমাজ পতাই ঃ মহেশক ধনু আনহ।।

---

16। পা. সুতো দশৰথস্যৈতৌ আগতৌ /সুতৌ দশৰথসৈ তাৱাগতৌ

**সূত্ৰ।।**

জনক ৰাজা মহাহৰ্ষে ঃ ৰাম-লক্ষ্মণক আলিঙ্গি বোলল।।

**জনক বোল।।**

আ ঃ ধন্য ধন্য দশৰথ ৰাজা ঃ ঐচন পৰম সুকুমাৰ কুমাৰ যাহেৰ গৃহে ঃ তাহেৰ ভাগ্যক মহিমা কি কহব।

**সূত্ৰ।।**

ওহি বুলি ৰাজা পৰম উৎসৱে ঃ পঞ্চ শবদে[17] সম্বাদ নাদ বহুত বজাৱল ঃ মণিমন্ত্ৰ মন্ত্ৰীক আদেশ কয়ল।।

**জনক বোল।।**

অয়ে মণিমন্ত্ৰঃ যে নৃপতি সৱ বাসা কৰি ৰহিচেঃ তাহেক আনিঃ সত্বৰ সমাজ মিলাৱ।।

[ইতি শ্ৰুত্বা মণিমন্ত্ৰো নিস্ক্ৰান্ত।।]

**শ্লোক।।**

নিশম্য পৰমাৰামা ৰামাগমন কৌতুকম।
সখীং সম্প্ৰেষয়ামাস জানকী কণকাৱতীম।।

**সূত্ৰ।।**

তদনন্তৰে ঃ ঢোল ঢক্কা-শঙ্খ-গোমুখ ঃ মৃদু মৃদঙ্গ ঃ তাল কৰতাল ঃ কাহাল কোলাহাল ঃ মহোৎসৱ ৰৱ শুনিয়ে ঃ জানকী সখিক সম্বুধি বোলল।।

**জানকী বোল।।**

আহে সখি কনকাৱতী ঃ কি নিমিত্ত সভাত ঃ মহা হৰিষ বাজন শুনিয়ে ঃ কোন ৰাজা আৱল ঃ সত্বৰে জানগিয়া ঃ হামাক বাম অঙ্গ ফান্দে ঃ কোন কুশল সাধে ঃ জানয়ে নাহি।।

**শ্লোক।।**

তস্যাঃ কথামাকৰ্ণ্য কৌতুকাৎ কনকাৱতী।
যযৌ ৰাজসভাং সাধ্বী সীতাং নত্বাতিসত্বৰম্।।

---

17। পঞ্চম শবদে

**সূত্ৰ।।**

সীতাক ঐচন আদেশ শুনি কহু; কনকাঅতী ঃ সীতা পাৱে পৰণাম কৰিয়ে ঃ যৈচে চললি ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ ধনশ্ৰী।। একতালি**

**ধ্ৰুং।।**

কৌতুহলে[18] চলে মাই। ৰাম পৰিচয় লাই।।
কামিনী কনকাৰতী। যায় ৰাজহংসগতি।।

**পদ।।**

পাৱে সভাক সতী। দেখল ৰঘুপতি।।
যৈচন গগন মাজ। উদিত নক্ষত্ৰ ৰাজ।।
পেখি ৰূপ লাৱণু। ভেলি পুলকিত তনু।।
ঝুৰে নয়নক নীৰ। তনু মন নোহে থিৰ।।

**সূত্ৰ।।**

সভাক মধ্যে ঃ ৰামক ৰূপ-লাৱণ্য দেখিয়ে ঃ পৰম বিস্মিত হুয়া ঃ সীতাক আগুগিয়া ঃ কনকাৰতী ঃ পৰি পৰণামি বোলল।।

**কনকাৰতী বোল।।**

আহে প্ৰাণ সখিঃ তোহাৰ মহোদয় মিলল।।

**সীতা বোল।।**

হে প্ৰাণ সখিঃ তোহো কি দেখলঃ কি শুনলঃ সত্বৰে কহ।।

**কনকাৰতী বোল।।**

আহে জনকনন্দিনি ঃ তুহু যাহেৰ বিৰহে প্ৰাণ ছাড়হ[19] ঃ সোহি দশৰথ ৰাজাৰ কুমাৰ ঃ কৌটি কন্দৰ্প্প-দৰ্প দলন ৰূপ ঃ শ্ৰীৰামচন্দ্ৰ ঃ তোহাৰি স্বয়ম্বৰ শুনিএ আৱল। তাহে দেখি ৰাজা জনক ঃ আনন্দে দুন্দুভি বজাৱল। হে সখি ঃ ৰামক কি আশ্চৰ্য্য মানুষ ৰূপ ঃ কি কহব ঃ একু অঙ্গক লাৱণ্য শত বৰিষে কহিতে নাহি পাৰি ঃ তথাপি কিছু কহৈছি ঃ তা শুনহ।।

---

18। পা. কতুহলে; কোতুহলে 19। তুহু যাহেৰ নিমিত্ত প্ৰাণ ৰাখহ

**ভটিমা।।**

শুন সখি বচন স্বৰূপ। কি কহব ৰামক ৰূপ।।
শ্যাম মূৰুতি পীতবাস। ঘনে যৈচে বিজুৰি বিকাশ।।
মস্তক ছত্রক বেশ। নীল আকুঞ্চিত কেশ।।
ৰুচিকৰ কৰ্ণ অতুল। নাসা নীল তিল ফুল।।
বদন ইন্দু পৰকাশ। অৰুণ অধৰ মন্দহাস।।
ওতিম দশনক পান্তি। মাণিক ঝিকমিক কান্তি।।
মদনক ধনু ভ্ৰৱভঙ্গ। ভুজ যুগ বলিত ভুজঙ্গ।।
নয়ন পঙ্কজ নৱপাতা। কৰতল উতপল ৰাতা।।
আঙ্গুলি ললিত আমোল। নখচয় চান্দক তুল।।
সুন্দৰ উদৰ কটিবন্ধ। শোহে সিংহবন্ধ কন্ধ।।
উৰু কৰিকৰ নিৰুপম। চৰণ কমল কোষ শ্যাম।।
পদতল ৰাতুল কান্তি। ধ্বজ যৱ পঙ্কজ পান্তি।।
মানুষক ঐচন ৰূপ। নাহি শুনি কহলো স্বৰূপ।।
নবীন বয়স সুকুমাৰ। ভেলি নাৰায়ণ অৱতাৰ।।
কিনো ভৈল ভাগ্য তোহাৰি। তুহু নৱ তৰুণী কুমাৰী।।
বিধি মিলাৱল আনি। তেৰি মনোৰথ জানি।।
অৱ সৱ পূৰব আশ। বিৰহ দুখ গেল নাশ।।
পাৱব স্বামীক কোল। কৰ নৰ হৰি হৰি বোল।।

**কথা।।**

আহে সখি ঃ যৈচন মহাপুৰুষ লক্ষ্মণ দেখল ঃ হামু জানল ঃ ওহি ঈশ্বৰ নাৰায়ণ ঃ শ্ৰীৰামৰূপে তোহাৰ বিৱাহ হেতু আৱল ঃ ইহাত কিছু শঙ্কা নাহি কৰবি। সখি ঃ তোহাৰ মনোৰথ সাফল ভেল।।

**শ্লোক।।**

শ্ৰুত্বা সখীমুখাদ্ৰামচন্দ্ৰস্য চৰিতামৃতম্।
মূৰ্চ্ছিতা পতিতা সীতা সুমহাহৰ্ষ ধৰ্ষিতা।।

**সূত্ৰ।।**

স্বামীক[20] পৰম চৰিত্ৰ শুনিয়ে ঃ সীতা মহা হৰ্যান্বিতা হৈয়া পড়ল ঃ যৈচে প্ৰেমৰসে মহা আকুল কৈলা ঃ তা দেখহ শুনহঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ ধনশ্ৰী।। একতালি**

**ধ্ৰুং।।**

স্বামীক চৰিত্ৰ ঃ শুনিয়ে কুমাৰী ঃ
ভেলি পুলক তনু ঃ চেতন আকুল ঃ
কমল নয়নে ঝুৰে বাৰি।।

**পদ।।**

ৰামক চৰণ চিত্ত চিৰএ[21] চিন্তিএ
নয়না মুদি ৰহু মাই।
প্ৰেম পৰশ ৰস ৰাজনন্দিনী যৈচ
মানস অমিয়া ঝুৰাই।।
যাহে বিৰহে দহে ৰহয় নাহি জীৱ[22]
সো পিউ পাৱল কোল।
আনন্দ সিন্ধু মগন মন কামিনী
কৃষ্ণ কিঙ্কৰ ওহি বোল।।

**সূত্ৰ।।**

সখি কনকাৱতী ঃ মদনমন্থৰা ঃ সীতাক ধৰি কহোঁ ঃ আঞ্চোৰে অঙ্গ মুছি ঃ প্ৰবোধ বোলয়।।

**কনকাৱতী বোল।।**

হে প্ৰাণসখি ঃ তোহো যাহেৰ চৰণ চিন্তি ঃ চিৰকাল ৰৈছে ঃ সে ৰামচন্দ্ৰক বিধি হাতে মিলাৱল।

---

20। পা. .....সীতা মহাহৰিষাৱেশে মূৰ্চ্ছিত হয়া পৰল

21। চিৰ চিন্তিএ, থিৰ চিন্তিয়ে 22। পা. যাহে বিৰহ দহে ৰহেনা জীৱন

**মদনমন্তুৰা বোল।।**

হে সখি ঃ আনন্দ সময়ে তোহো ঃ কি নিমিত্ত আকুল ভেলি।
হে মাঞি ঃ স্বস্থ হুৱ।।

**সূত্ৰ।।**

সখীসৱক বাণী শুনি সীতা আকুল ভাৱ তেজি ঃ ৰামক চৰণ চিন্তিয়ে ঃ এক পাশ হুয়া ৰহল।।

**শ্লোক।।**

ততো নৃপান্ সমানীয় মণিমন্তো নৃপাজ্ঞয়া।
কাৰয়ামাস মহতীং সভামুৎসৱ-শোভিতাম্।।

**সূত্ৰ।।**

তদনন্তৰে ঃ মণিমন্ত্ৰ মন্ত্ৰী ৰাজাসৱক আনিএ ঃ যৈচে মহাসভা মিলাৱল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল।।

**গীত।। ৰাগ কানড়া।। পৰিতাল**

**ধ্ৰুং।।**

আৰে ৰাজাসৱ ধৰ শৰ চাপ।
কাম্পে ধৰণী পৰম প্ৰতাপ।।

**পদ।।**

বাহু কাণ্ডে খাণ্ডা উড়ি হাত।
দশন কামুৰি ঝঙ্কাৰে মাথ।।
দৰপে কৰন্ত মাৰ ধৰ ৰোল।
আৱল ৰাজা সভাকেৰি কোল।।

**সূত্ৰ।।**

সে ৰাজাসৱ ঃ ঐচন বীভৎস ভাৱনা কয় ঃ এক পাশ হুয়া সভাত বৈঠল।।

**শ্লোক।।**

সখীভিঃ সাকমভেদ্যং জানকীং জনকোহনয়ৎ।
মহেশধনুঃ স্কন্ধে নিধায় শোভিতাং সভাম্।।

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰাজা জনক অভ্যন্তৰ প্ৰৱেশিয়ে ঃ মহেশক অজগৱ ধনু কন্ধে কৰিএ ঃ দুহিতা সীতাক বস্ত্ৰ অলঙ্কাৰে মণ্ডিত কৰিএ ঃ সুৱৰ্ণ পঙ্কজমালা হাতে দিএ কহু ঃ সখীসৱ সহিত ঃ যৈচন
উৎসৱ উৎসুকে ঃ সভা প্ৰৱেশ কৰাঅল ঃ তাহে দেখহ ঃ
নিৰন্তৰে হৰি বোল।

**গীত।। ৰাগ সুহাই।। চুটকলা মান**[23]

**ধ্ৰুং।।**

জানকী কামিনী কৌতুকে চললি লাই
সখীসৱ সঙ্গে ৰঙ্গে কৰত কেলি
মেলি আঞ্চোল দুলাই।।

**পদ।।**

নৱ পিউ পৰশ ৰসিক কৰু বালা
মালা কৰতলে লোলে।
চৰণ ৰঞ্জিত মণি মঞ্জিৰ ঝনকিত
কঙ্কণ কিঙ্কিণী ৰোলে।।
মত্ত গজ গামিনী কামিনী মাই
যাই নিজ পিউ পাশা।
হেৰিয়ে নৃপসৱ মদনে দহতু মন
কহতু কৃষ্ণক দাসা।।

**সূত্ৰ।।**

ৰাজ নন্দিনীক নৱ-যৌৱন ৰূপ-লাৱণ্য[24] নিৰেখি ঃ ৰাজাসৱক কাম বাণে পীড়ল ঃ অচেতনে মূৰ্চ্ছিত হুয়া পৰল ঃ পুনু চেতন লভিয়ে উঠি কহু ঃ পৰম আকুল ভাৱে ঃ সীতাক কাতৰ কয় ঃ ৰাজাসৱ বোলয়ে লাগল।।

**ৰাজাসৱ বোল।।**

হে প্ৰাণেশ্বৰী ঃ কামসাগৰে মগন ভেলো ঃ নিস্তাৰ কৰহ।

23। পা. জৌতিতাৰ।।একতালি।। 24।ৰূপ-লায়না

**সূত্ৰ।।**

কাহু মুখে আঙ্গুলি লৈয়া বোলল।।

**অন্য ৰাজা বোল।।**

হে ৰাজনন্দিনি মদন হামাৰ মন মৰ্দয় ঃ প্ৰিয়ে ঃ
হামাক হস্তে পৰখঙ্গ
দশনে খেৰ কামুৰি কাহু বিনয়ে বোল।।
হে সুন্দৰি ঃ মদন বাণে হামাৰ প্ৰাণ ফুটি যাই[25]।
বচন অমিয়া ৰস বৰষি হামাক জীৱাঞো।
কাহু কামে ভুলি বোলয়।।
হামাৰ গৃহে যত মহাদৈ থিক ঃ সৱ তোমাক দাসী কৰি দেৱব ঃ হামু তোহাৰ চৰণক দাস ভেলো ঃ হামাৰ আগে খানিক তিষ্ঠিয়ে ঃ কটাক্ষে নিৰেখি ঃ প্ৰাণ দান দেহ।।

**সূত্ৰ।।**

ঐচন কামে মত্ত হয়া ৰাজাসৱ ঃ নানাবিধ বিভৎস ভাৱনা কৰয় ঃ পেখি সীতাক সখী ঃ কনকাৱতী ঃ মদনমঞ্জুৰা ঃ চন্দ্ৰমতি ঃ
সূৰ্যপ্ৰভা ঃ কাহু ৰাজাক গোৰ মাৰি ভৰচয়ঃ কাহু হাতে পাৱে ঠেঙ্গনা মাৰয় ঃ কাহু গলে বস্ত্ৰ বান্ধিএ ঃ দুই তিনি সখিএ ধৰিয়ে ঘসাৱে ঃ সে সৱ দুখকো নগণয় ঃ তথাপি নৃপকুমাৰীক কাতৰ কয় থিক। অয়ে লোক ঃ হৰি ভকতিহীন ঃ কামাতুৰ পুৰুষৰ দুখ দেখহ । জগতক মাতা জনকনন্দিনী ঃ তাহেক জানএ নাহি। ইহা জানি নিৰন্তৰে হৰি বোল।।

**শ্লোক।।**

জগাদ জনকো ৱাক্যং পশ্যতৈতদ্ধনুৰ্নৃপাঃ।
ইদং সজ্যং কৰোতি যঃ তস্মৈ সীতাং সমৰ্পেয়ম্।।

**সূত্ৰ।।**

জনক ৰাজা ৰাজসভাক স্বস্থ কয় বোলল।।

---

25। মদন বাণে ফুটি হামাৰ প্ৰাণ চুৰি যায়

**জনক ৰাজা বোল।।**

আহে ৰাজাসৱ ঃ হামু সত্যবাণী কহৈছি ঃ তা শুনহ। সীতাক বিৱাহ নিমিত্ত ঃ চিন্তন্তে ঃ ওহি মহেশক ধনু ঃ গগন হন্তে পড়ল। তদনন্তৰ ঃ আকাশী বাণী শুনল ঃ ওহি ধনুত যে গুণ দিতে পাৰয় ঃ তাহেক মাথে ঃ কুসুম মালা দিএ ঃ সীতা স্বামী বৰব। ইহা সত্য জানি যত্ন কৰহ।।

**সূত্ৰ।।**

ওহি বাক্য শুনি এ ঃ শতধনু নাম ৰাজা ঃ পৰম আড়ম্বৰে কাচি গিয়া ঃ পহিলেহি ধনুক ধৰল ঃ দশন কামুৰি ঃ গুণ দিতে ঃ চিত হুয়া পৰল। তদনন্তৰ চন্দ্ৰকেতু ঃ ধনু ধৰি কহোঁঃ কথংকথমপি ঃ উল্লাসি ধনু সহিতে পৰল। তা দেখি ৰাজা পুৰঞ্জয় ঃ পৰম আটোপে ঃ ধনু ধৰি কহোঁ ঃ শৰীৰক বলে লাড়িতে নপাৰি ঃ উফৰি পৰল। তদনন্তৰ ঃ ৰাজা কমুদাক্ষ ঃ কটিত বস্ত্ৰ কাচিকহু ঃ অধৰ কামুৰি ঃ ধনুক দোপ দিয়া ঃ তুলি মহাপ্ৰয়াস পাই ঃ বিখেপ কয়ল[26] ঃ লাজ হুই সমজ্যাত পৰি হাত-পায় আচাৰয়।।

**শ্লোক।।**

ৰামমাহ মুনিৰ্ৱৎস কিন্নিৰিক্ষ্যেহতিষ্ঠসি।
কৌশল্যানন্দনোতিষ্ঠ ত্বং সজ্যং কুৰু কাৰ্ম্মুকম্।।

**সূত্ৰ।।**

হে সামাজিক ঃ ৰাজাসৱক পৰম বিভৎস দেখিএ ঃ
মুনি ৰামক বোল।

**বিশ্বামিত্ৰ বোল।।**

হে কৌশল্যানন্দন ঃ তুহু কি নিমিত্তে পেখি ৰহৈছ ঃ উঠহ ঃ ওহি ধনুত সত্বৰে গুণ লগাৱ।

ৰামচন্দ্ৰ ঋষিক প্ৰণামি বোলল।

আহে মুনিৰাজ ঃ হামু বালক ঃ ওহি ধনু বজ্ৰাধিক কঠিন ঃ
ইহাত গুণ দিতে ঃ হামাৰ সামৰ্থ্য কৈচন হোই ঃ তথাপি তোহাৰ আজ্ঞা

26। পা. [প্ৰকৃততে 'বিক্ষেপ' = পেলাই দিয়া অৰ্থত]

পালি ঃ যত্ন কৰব ঃ যে ধনুক গুণ দিতে মহাৰাজাসৱ নাহি পাৰল ঃ ইহাত হামাৰ কোন লাজ।।

**সূত্র ।।**

ওহি বুলি ৰামচন্দ্র ঃ পীতবস্ত্রে কাচন কাচি ঃ লীলায়ে চলল ঃ পেখি ৰাজাসৱ বিহসি বোলয়।।

**ৰাজাসৱ বোল।।**

ওঁহি কাহেক চৱাল ঃ কি উপালম্ভ ভেলি।।

**সূত্র।।**

শ্রীৰাম ঃ অজগৱ ধনুক বাম হাতে ধৰি কহু ঃ যৈচে কুসুমমালাক উৰ্দ্ধক খেপি ঃ পুনৰ্বাৰ লুম্ফি ধৰল ঃ পেখি ৰাজাসৱক মুখ মলিন ভেল।

**শ্লোক।।**

ধৃতে চাপে শ্রীৰামেণ সীতা শঙ্কিত মানসা।
অনন্তং কচ্ছপং পৃথ্বিং যাচমানা জগাদ সা।।

**সূত্র।।**

হে সামাজিক লোক ঃ যেখন ৰামচন্দ্র অজগৱ ধনু ধৰল ঃ সীতা শঙ্কিত ভাৱে চিন্তিত ভেলি[27]

**সীতা বোল।।**

হাঁ হাঁ হামাৰ স্বামী পৰম সুকুমাৰ ঃ নৱীন বয়স ঃ বজ্রাধিক কঠিন মহেশক ধনু ঃ ইহাত গুণ দিতে স্বামী জানো নাহি পাৰয়[28]। হাঁ হাঁ পিতা, কি দাৰুণ কৰ্ম কয়লি।

**সূত্র।।**

ওহি চিন্তি পৃথিৱীক কাতৰ কয় বোল।।

**সীতা বোল।।**

হে মাৰ বসুমতি ঃ তুহু থিৰ হুয়া ৰহব ঃ হে পিতা অনন্তঃ তুহোঁ ভল্লকয়ে পৃথিৰী ধৰব ঃ হে ঈশ্বৰ কুৰ্ম্মৰাজ ঃ তুহো অনন্তক পৃথিৰীক সন্নদ্ধে ধৰব ঃ তোৰা সৱক প্রসাদে ঃ স্বামী যদি গুণ দিতে পাৰয় ঃ তৱ হামু

27। পা. পৰম শঙ্কিতভাৱে মনে চিত্তিত ভেলি 28। পা. জুনু পাৰয়ে নাহি

অগতিৰ গতি হয়।।

**সূত্ৰ।।**

ওহি বুলি ঃ সীতা স্বামীক মুখ নিৰেখি ৰহল।।

**শ্লোক।।**

ৰামস্তু শঙ্কিতাং সীতাং নিৰীক্ষ্য কৃপয়া প্ৰভুঃ।
প্ৰসজ্য সজ্যমকৰোৎ লীলয়াজগৰং ধনুঃ।।

**সূত্ৰ।।**

সে কৃপাময় ৰামচন্দ্ৰঃ সীতাক সকৰুণ ভাৱ পেখি ঃ তৎকালে লীলায়ে ধনুত গুণ লগাঅল ঃ সে ঈশ্বৰ পুৰুষ ৰামচন্দ্ৰঃ হাসি হাসি অপ্ৰয়াসে ঃ কৰ্ণমানে টানি ঃ ধনুত টঙ্কাৰ কৰল ঃ ঠাৎকাৰ শবদে মধ্যখানে ঃ ধনু ভাগি পচাৰে ছিড়ল ঃ যৈচন বজ্ৰপাত ভেল তদ্বৎ ঃ ৰামক মহামহিমা দেখি ঃ ৰাজাসৱ সচকিত ভেলহঃ সীতা ধনুভঙ্গ পেখি ঃ আনন্দে মগন হুয়াঃ যৈচে শ্ৰীৰামক মাথে ঃ কুসুমক মালা দিএ ঃ স্বামী বুলি বৰল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ মাহুৰ[29]।। পৰিতাল**

**ধ্ৰুং।।**

আনন্দে ৰাজনন্দিনী হাসে।
ৰামক পাশ চললি লয়লাসে।।

**পদ।।**

স্বামীক মাথে মালা পৰিধাই।
কৰু পৰণাম পাৱে পৰি মাই।।
ধৰি কহোঁ ৰমণী ৰাম হাসি তোল।
স্বামীক কামিনী আঞ্চোলে ঢোল।।

**সূত্ৰ।।**

হে সামাজিক ঃ সীতা ৰামক স্বামী ভাৱে বৰিএ ঃ কৰ্পূৰ তাম্বুল যোগাই ঃ আনন্দে ৰহল ঃ তাহে পেখি ৰাজাসৱ ঃ শোকে কোপে মোহিত হুয়া

29। মাউৰ

ঃ ধনুবাণ ধৰিএ ঃ ৰামক পৰম দৰ্প কৰিএ গৰজয়।

**ৰাজাসৱ বোল।।**

অয়ে কাহেক ছৱাল ঃ আ ঃ হামাৰ কন্যা ওহি লিয়া যায় ঃ হামু সৱ ৰাজাক জীৱন ধিক ধিক।।

**সূত্ৰ।।**

ওহি বুলি ঃ ধৰ মাৰ ৰোল আন্দোল বহুত কয়ল।।

**শ্লোক।।**

শ্ৰুত্বা সীতাভয়দ্ভীতা ভূপালবীৰ ৰল্কলম্।
ৰুৰোদ ৰেপথুমতী[30] শোচন্তী চ পতিং প্ৰতি।।[31]

**সূত্ৰ।।**

ৰাজাসৰক পৰম আন্দোল ৰোল শুনিএ ঃ ৰাজনন্দিনী ভয়ে পৰম আকুল ভেলি ঃ জানকী যৈচে ঃ স্বামীক লাগি বিলাপ কয় বোল ঃ তা দেখহ শুনহ। নিৰন্তৰে হৰি বোল হৰি।।

**সীতা বোল।।**

হা হা বিধি ঃ হামাৰ কি কপাল মিলল ঃ হৰি হৰি। ৰাম স্বামী ঃ পৰম সুকুমাৰ ঃ নৱীন বয়স ঃ সঙ্গে সোদৰ মাত্ৰ সহায় ঃ ওহি পৰম নিকৰুণ দাৰুণ ঃ ৰাজাসৰক কৈছে যুদ্ধে জিনব ঃ হা হা দৈৱ ঃ বিধি কোন অপৰাধে ঃ হামাক বঞ্চল।

**সূত্ৰ।।**

ওহি বুলি জানকী ঃ যৈচে স্বামীক লাগি বিলাপ কয়ল ঃ আহে সামাজিক লোক ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ গৌৰী।। বিষম তাল**

**ধ্ৰুং।।**

নাই নাই চেতন তনু নয়নে ঝুৰে বাৰি।[32]
বিলপতি মাই ঃ পিউক লাই ঃ তাপে পৰি কুমাৰী।।

---

30। ৰেপিতৱতী 31। পা. পতিং প্ৰত্যনুশোচতি 32। পা. নাই নাই চেতনু নয়ন ঝুৰাই বাৰি।

**পদ।।**

পূৰব জনম ঃ পূণ্য পৰম ঃ পাৱল পহু ওহি।
বঙ্কিম বিধি ঃ হাতক নিধি ঃ হৰে অভাগীক মোহি।।
দুৰ্লভ বল্লভ ঃ লাগি আকুল ঃ কৰতু এ বৰ নাৰী।
হৰি হৰি স্মৰে ঃ নিশ্বাস ফোকাৰে ঃ পহুক মুখ নেহাৰি।।

**শ্লোক।।**

ভীতাং সীতাং ততো ৰামো নিৰীক্ষ্য কৃপয়্যা প্ৰভুঃ।
প্ৰাহ প্ৰিয়াং সমাশ্বাস্য মাভৈঃ সীতে স্থিতে ময়ি।।

**সূত্ৰ।।**

প্ৰিয়াকপৰম সন্তাপ তাপ নিৰেখি ঃ ৰামচন্দ্ৰ বাহু মেলি প্ৰিয়াক ধৰি কহু ঃ আশ্বাস কয় বোলল।।

**ৰামচন্দ্ৰ বোল।।**

হে প্ৰাণপ্ৰিয়ে ঃ তুহু কাহেক ভয় কৰহ ঃ ওহি ৰাজসৱ ঃ হামাক আগু কোন হয় ঃ যৈচে সিংহক আগু বালেক হৰিণ ঃ হামাক বাণ প্ৰহাৰে ঃ এতিক্ষণে পলাৱব ঃ তুহু আজু কৌতুকে দেখহ।

**সূত্ৰ।।**

ওহি আশ্বাস কৰিএ ৰামচন্দ্ৰ ঃ ধনুক টঙ্কাৰ কৰিএ ঃ ৰাজাসৱক বোলল।।

**ৰাম বোল।।**

অয়ে পাপী ৰাজাসৱ ঃ হামু ধনুভঙ্গ কয় ঃ জানেকী পাৱল ঃ কি নিমিত্ত ইহাত বিপক্ষ আচৰহ ঃ যত শকতি থিক ঃ হামাক সমৰ কৰহ।

**সূত্ৰ।।**

ৰামক বাণী শুনি ঃ নৃপসৱ পৰম আটোপে টঙ্কাৰ কয়ঃ বাণ বৰিখল ঃ ৰামচন্দ্ৰ সোহি শৰ সৱ ছেদিএ ঃ ৰাজাসৱক গাএ গাএ বাণ প্ৰহাৰি ঃ হৃদয় ভেদল ঃ কাহু কাহু ৰাজাক উৰু কৰ কাটি পেলাঅল ঃ কাহুক বাহু কৰ্ণ ছেদল ঃ অপৰ নৃপসৱ পৰম ভএ ঃ সমৰ ছোড়ি পলাঅল।[33]

33। অপৰনৃপসৱ মৰণ ভয়ে পলাৱল।।

**শ্লোক।।**

নিৰীক্ষ্য সাক্ষাদ্ৰামস্য ৱিজয়ং জনকো মুদা।
ৱিৱাহৱিধিনা ধীৰো ৰাঘৱায় সূতামদাৎ।।[34]

**সূত্ৰ।।**

তদনন্তৰ ঃ ৰামচন্দ্ৰক পৰম বিক্ৰম দেখিএ ঃ জনক ৰাজাক মনে পৰম আনন্দ ভেলহ ঃ দূত পঠাই ৰাজা দশৰথক অতি সত্বৰে অনাঅল। ৰাজা দশৰথ ঃ পুত্ৰক বিক্ৰম ঃ সীতাক প্ৰাপ্তি শুনিএ আসি কহু জনকক ঃ পৰম কৌতুকে আলিঙ্গি ধৰল ঃ যৈচে নাচয়ে লাগল। ৰাজা জনক বিৱাহক সম্ভাৰ মিলাঅল ঃ বিশ্বামিত্ৰ কুশণ্ডি কৰিএ হোম আৰম্ভল।।

**শ্লোক।।**

ঋষিঃ নিৰীক্ষ্য সীতায়াঃ ৰূপলাৱণ্যমদ্ভূতম্।
পুলকাঙ্গঃ পপাতোৰ্ৰ্ব্যাং কামাৰ্ত্তো মূৰ্চ্ছিতো যথা।।

**সূত্ৰ।।**

মুখচন্দ্ৰিকা কৰিতে ঃ সীতাক ভুৱন মোহন ৰূপ নিৰেখি ঃ ঋষি কামে আতুৰ ভেলহ ঃ হাতক শ্ৰুৱ শ্ৰচখসি পৰল ঃ শৰীৰ কম্পি মূৰুছি পৰল ঃ তাহে পেখি শিষ্য গালৱে প্ৰবোধ বোলল।।

**গালৱ বোল।।**

হে গুৰো ঃ তোহাৰ কোন ব্যৱহাৰ ঃ স্বস্থ হৱ ঃ স্বস্থ হৱ।

**শ্লোক।।**

ততশ্চেতনমালভ্য মুনিমন্ত্ৰমুদিৰয়েৎ।
তদোদ্বাহবিধৌ তস্মিন্ উৎসৱঃ সুমহানভূৎ।।

**সূত্ৰ।।**

তদনন্তৰ ঃ মুনি চেতন লভিয়ে ঃ বিষ্ণু বিষ্ণু স্মৰি ঃ হাতে শ্ৰুৱ ধৰিএ ঃ বিৱাহক হোম কৰাইতে লাগল ঃ সোহি সমএ ঃ বৰ কন্যাক কেশ এক ঠান কৰিএ ঃ পানী ঢালিতে ঃ ব্ৰহ্মা-ৰুদ্ৰ-ইন্দ্ৰাদি দেৱতাসৱ ঃ যৈচন আনন্দ মিলাঅল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।

---

34। পা. ৱিৱাহে ৱিধিৱৎ ৱীৰো ৰাঘৱায় সূতামদাং

**গীত।। ৰাগ সুহাই।। জৌতিমান**[35]

**ধ্রুং।।**

ৰঘুনাথ কৌতুকে কৰতু বিৱাহ।
সুৰপুৰ মিলল উৎসাহ।।

**পদ।।**

শম্ভু স্বয়ম্ভু গুণ গাৱে।
ইন্দ্র মৃদঙ্গ ৰঙ্গে বাৱে।।
বৰিষে কুসুম সুৰ ৰামা।
পূৰল সব মনকামা।।

**সূত্র।।**

ঐচন পৰম মঙ্গল ঃ আনন্দে ঃ সীতাক বিৱাহ দিএ ঃ ৰাজা জনক যত সৰ্ব্বস্ব পাৱল ঃ সব ৰামক যৌতুক দেলহ ঃ দশৰথ ৰাজাক ঃ বহুত সন্মান কয় ঃ অযোধ্যাক লাগি বৰ কন্যা পঠাৱল।।

**শ্লোক।।**

ততোহতিকৌতুকো ৰামঃ প্ৰিয়য়া সহ সীতয়া।
সসোদৰো মুদাভ্ৰাজদযোধ্যাম্প্ৰৱৌ পুৰিম্।।

**সূত্র।।**

তদনন্তৰ ঃ প্ৰিয়া সীতা সসোদৰ সহিত ঃ শ্ৰীৰামচন্দ্ৰ যৈচে অযোধ্যা চলল ঃ হে লোক ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ তুৰ ভাটিৱালী।। জৌতিমান**[36]

**ধ্রুং।।**

কৰতু কৌতুক ঃ চলতু ৰময়া ঃ ৰমণী সঙ্গহি যাই।
নীল ঘন যচ ঃ বিজুৰি উৰ্জৰ ঃ কুঞ্জৰ গমনী মাই।।

**পদ।।**

কনক কঙ্কণ ঃ ঝণকে ঝমকে ঃ ঠমকে কয় লয়লাসা। পিউক পেখিমুখ

---

35। যতি মান 36। পা. ৰাগ ভাটিয়াসী।। যতিমান।।

ঃ আখি মুদি ৰহু ঃ লজ্জিত ইষৎ হাসা।।
মত্ত মাতঙ্গ ঃ সঙ্গে যৈচন ঃ তৰুণী কৰিণী গাৱে।
জয় জয় ৰৱ ঃ চৌদিশে উৎসৱ ঃ কৃষ্ণ কিঙ্কৰে গাৱে।।

**শ্লোক।।**

ততঃ আগত্য তৰসা ভাৰ্গৱো ভ্ৰূকুটিমুখঃ।
স্কন্ধে নিধায় কঠিনং কুঠাৰং ৰামমব্ৰৱীৎ।।

**সূত্ৰ।।**

ঐচন মহোৎসৱে ঃ ৰামচন্দ্ৰ সীতায় সহিত চলৈচে ঃ তদনন্তৰ ঃ মহেশ গুৰুক ধনুভঙ্গ শব্দ শুনিএ ঃ পৰম ক্ৰোধে ঃ পৰশুৰাম ঃ প্ৰচণ্ড মূৰ্তি হুয়াঃ কন্ধে কুঠাৰ ধৰি কহো ঃ ৰহ ৰহ বোলি ঃ ৰামচন্দ্ৰক আগবেঢ়ল।।

**পৰশুৰাম বোল।।**

অয়ে বেণুসিক[37] পুত্ৰ ঃ মেৰা গুৰুক ধনুভঙ্গ কয় ঃ তোহো কাহে যাৱঃ পৰশুৰামক কথা তোহো জানএ নাহি ঃ হামু একবিংশতিবাৰ ভূমি ভ্ৰমিএ ঃ সৱ ক্ষত্ৰিয়ক মুণ্ড মাৰল ঃ সে শোণিতে কুঠাৰ মলিন ভেল ঃ আঃ আজু তোহাৰ কন্ধ-ৰুধিৰে ঃ পুনু নিকা কৰব।।

**সূত্ৰ।।**

ওহি বুলি বাহু কামুৰি ঃ পৰম চটি চৰ্প্পটি কৰিএ থিক।

**শ্লোক।।**

তন্নিশম্যাভৱদ্ভীতো ভয়াদ্দশৰথো নৃপঃ।
স্বস্কন্ধে বসনং বদ্ধাভাৰ্গৱস্য পদেহপতৎ।।

**সূত্ৰ।।**

পৰশুৰাম ঃ ঐচন ক্ৰোধ ভাৱনা পেখি ঃ ৰাজা দশৰথ ঃ প্ৰাণ অন্তৰীক্ষ ভেল ঃ হা হা সৰ্বনাশ ভেলো বোলি ঃ গলে কাপোৰ বান্ধি ঃ ভাৰ্গৱক পাৱে পৰিএ অনেক কাতৰ কয়ল।

**দশৰথ বোল।।**

হে পৰশুৰাম প্ৰভু ঃ হামাৰ পুত্ৰ ৰামচন্দ্ৰ ঃ বালক মতি ঃ ইহাৰ দোষ

---
37। পা. বেৰটক

মৰষ গোসাঞি ঃ তোহাৰি চৰণক দাস ভেলো ঃ মাথে খেৰ ধৰো ঃ হামাক পুত্র দান দেহু ঃ যৰ নাহি ক্ষমা কৰব ঃ তব পুত্রক ছোড়ি ঃ হামাৰ মাথা লেহু।

**সূত্র।।**

ঐচন অনেক কাতৰ কয়ল ঃ তবহু ভাৰ্গৱে ক্রোধে বহুত বোলয় ঃ তাহে পেখি দশৰথ ৰাজা ঃ হৃদয়ে মুঠি হানি ঃ বাহুৰি ৰামচন্দ্রক গলে বান্ধি ধৰি কহু বোলল।।

**দশৰথ বোল।।**

হা পুত্র ঃ অন্তকক হাতে পৰল ঃ তোহাৰি দৰশন আজু পৰিচ্ছেদ ভেল।

**সূত্র।।**

ওহি বুলি দশৰথ ঃ বহুত বিলাপ কয়ল।।

**শ্লোক।।**

বিলোক্য ভাৰ্গৱং ভীতা সীতা ৱেপিতমানসা।
ৰুৰোদ পতিমালিঙ্গ্য হা হতোস্মীতিৰাদিনী।।

**সূত্র।।**

তদনন্তৰ ঃ কালান্তক প্ৰায় পৰশুৰামক নিৰেখি ঃ সীতাক শৰীৰ কাম্পে।।

**সীতা বোল।।**

হা হা সকল গুণভাজন স্বামী হামাৰ ঃ আজু কাহেক দেলহু। বিধি বিৰম্বন কি ভেলঙ্গ

**সূত্র।।**

ওহি বুলি স্বামীক আলিঙ্গি ধৰি কহু ঃ যৈচে বিলাপ কয়ল ঃ তাহে দেখহ শুনহ।।

**গীত।। ৰাগ গৌৰী।। জ্যোতিমান**[38]

**ধ্রুং।।**

হৰি হৰি ৰমণী কৰয়ে পৰি মাই।
পেখি পৰম পিউ জীৱ যৈচে যাই।।

38। যতি মান /জাতি মান

**পদ।।**

পাৰল কতনু পুণ্যে পহু হামি।
হাতে হৰয় বিধি নৱ নিধি স্বামী।।
নীৰ ঝুৰয়ে ফুকাৰয় ঘন শ্বাসা।
বঙ্ক বিধাতা কয়ল সব নাশা।।

**শ্লোক।।**

সন্তাপং প্রেক্ষ্য সীতায়াঃ ভক্তয়া ভক্তৱৎসলঃ।
প্রিয়াং প্রোৱাচ পৰমাং পাণিনা মাৰ্জ্জয়ন্মুখম্।।

**সূত্ৰ।।**

ভক্তা সীতাক ঃ ঐচন পৰম সন্তাপ পেখিএ ঃ শ্ৰীৰামচন্দ্ৰ ঃ হাতে প্ৰিয়াক মুখ মোচল ঃ সপ্ৰেম বাণী বুলি ঃ আশ্বাস কয়ল।।

**ৰাম বোল।।**

হে প্ৰিয়ে ঃ ওহি বনবাসী ঃ ঋষিক দৰ্প্প দেখিয়ে ঃ তোহাৰি তৰাস মিলল ঃ ওহি হামাকু আগ কোন পতঙ্গঃ দেখু ঃ এহি ক্ষণে দুষ্ট দ্বিজক দৰ্প্প চুৰ্ণ কৰবঃ হে প্ৰাণ প্ৰিয়ে ঃ আজু কৌতুকে দেখহ ঃ ঋষিক মুণ্ড মুণ্ডহো।

**সূত্ৰ।।**

তদনন্তৰ ঃ পুনৰ্ব্বাৰ দশৰথ ঃ দশনে তৃণ ধৰিএ ঃ পৰশুৰামক আগে পৰল।।

**দশৰথ বোল।।**

হে ঋষিৰাজ ঃ হামাক পুত্ৰ-দান দেহ ঃ তোহাৰি পাৱৰে লাগু।।

**সূত্ৰ।।**

তথাপি পৰশুৰামঃ দশন চৰ্প্পিয়ে ৰাজাক তৰ্জ্জয়। আপুন কুঠাৰক ধিক্কাৰ কয় বোলল।।[39]

**পৰশুৰাম বোল।।**

অয়ে কুঠাৰ ঃ ৰেণুকা মাৰক কন্ধ ছেদিতে তুহু পাৰল ঃ আজু দশৰথ

39। পা. কোনো কোনো পুথিত নাই।

কুমাৰক প্ৰতিঃ তুহু অতি শান্ত ভেলি ঃ আ ঃ আজু তৱ তোহাৰ ধিক্কাৰ ঃ হামাৰ ধিক্কাৰ থিক।।

**সূত্ৰ।।**

ওহি বুলি কুঠাৰ তুলি শ্ৰীৰামক নিৰেখি ঃ বাহুত কামোৰ দেলহ ঃ মাথা ঝঙ্কাৰি ঃ কুঠাৰ উৰ্দ্ধক খেপিএ ঃ পুনু লুম্ফি ধৰি ধৰি কহু ঃ কুঠাৰক নিৰেখি ঃ বাহুত কামোৰ দেলহ ঃ শৰীৰ কাম্পে।

**শ্লোক।।**

ৱিশ্বামিত্ৰস্তদাগত্য ভাৰ্গৱং প্ৰাহ কোপতঃ।
অৰে দ্বিজ কুলাঙ্গাৰ মৎশিষ্যং হন্তুমিচ্ছসি।।

**বিশ্বামিত্ৰ বোল।।**

অয়ে দুষ্ট দ্বিজাধম ঃ হামাৰ পৰম শিষ্য ঃ ৰামচন্দ্ৰ ঃ আহেক তুহু বধোদ্যম ভেলি ঃ অয়ে যত শকতি থিকঃ আজু হামাক যুদ্ধ দেহু ঃ তোহাৰ দৰ্প্প চূৰ কৰব।

**সূত্ৰ।।**

পৰশুৰাম মহা কোপে দণ্ড ধৰল ঃ বিশ্বামিত্ৰো দণ্ড ধৰি ধাৱল ঃ দুহু দণ্ড প্ৰহাৰক চোটে চুৰ ভেল ঃ তদনন্তৰ ঃ চয়ড়ি ধৰিএ
যুদ্ধ কয়ল ঃ প্ৰহাৰ চোটে দুহু চয়ড়ি চিড়ি পৰল ঃ তদনন্তৰ ঃ বাহু যুদ্ধ কয়ল ঃ দুহু দোহাক ধৰিএ ঃ পৰি বাগৰয় ঃ দুহু ঋষিক পৰিধান চৰ্ম্ম খসি পৰল ঃ বিষ্ণুক অংশ অজয় বীৰ্য্য পৰশুৰাম ঃ তাহেৰ পৰাক্ৰম ঃ সহিতে নাপাৰি ঃ বিশ্বামিত্ৰ ভঙ্গ মানি ঃ প্ৰাণৰক্ষা কৰি পলাৱল ঃ পৰশুৰাম পুনৰ্ব্বাৰ কুঠাৰ তুলি শ্ৰীৰামক গৰ্জ্জয়।।

**শ্লোক।।**

লক্ষ্মণঃ প্ৰেক্ষ্য তংদৰ্প্পং ৰামমাহ সকোপতঃ।
আজ্ঞাপয় ৱধে চাস্য দুৰ্জ্জনস্যাততায়িনঃ।।

**সূত্ৰ।।**

ঋষিক পৰম দৰ্প্প দেখিয়ে ঃ লক্ষ্মণ কোপে বস্ত্ৰ কাচি কহু ঃ ৰামক প্ৰণাম কয় বোলল।।

**লক্ষ্মণ বোল।।**

হে ৰঘুনাথ ঃ ওহি আততায়ি দুষ্ট দ্বিজক বধে কোন দোষ থিক ঃ হামাক আজ্ঞা কৰহ ঃ আহেক প্ৰাণ চোড়াএঁগ।

**সূত্ৰ।।**

ওহি বুলি ধনুক টঙ্কাৰি ঃ ঋষিক সন্মুখ হোই ঃ লক্ষ্মণ দশৰথক বোলল।।

**লক্ষ্মণ বোল।।**

হে পিতা ঃ ওহি ক্ষত্ৰিয় ঘাতকী ঃ পৰম পাতকীকক ঃ কত কাতৰ কৰৈচ ঃ সত্বৰ অন্তৰ হৰ ঃ আহেৰ মুণ্ড মাৰো।।

**সূত্ৰ।।**

তাহে পেখি ঃ ৰামচন্দ্ৰ হাসি হাসি লক্ষ্মণক ঃ পাচু কয় বোলল।।

**ৰাম বোল।।**

অয়ে ভয়াই ঃ তুহু বালক ঃ ৰহ ৰহ ঃ ওহি দুষ্ট দ্বিজক হামু দণ্ড কৰবো ঃ তুহু সুখে যুদ্ধ দেখহ।।

**শ্লোক।।**

ধনুঃ টঙ্কাৰমকৰোত্তাৰ্গৰং ভীষয়ম্প্ৰভুঃ।
তিষ্ঠ তিষ্ঠেতি তম্প্ৰাহ নেষ্যমাদ্য যমালয়ম্।।

**সূত্ৰ।।**

শাৰঙ্গ টঙ্কাৰ কয়কহু ঃ শ্ৰীৰামচন্দ্ৰ ঃ পৰশুৰামক সন্মুখ হুয়া বোলল।।

**ৰামচন্দ্ৰ বোল।।**

অএ দুষ্ট দ্বিজাধম ঃ ক্ষত্ৰিয় সৱ মাৰি তুহু গৰৱ কৰৈচ ঃ তোহাৰ মাতা ৰেণুকাক কাটি ঃ পাপ আচৰল ঃ সোহি কথা কহিয়া ঃ কি হামাক ভিতি দেখাঅ ঃ ৰহ ৰহ ঃ আজু তুহু যমপুৰ দেখব ঃ যত শকতি থিক ঃ হামাৰ সমুখ হুয়া ৰহু।।

**সূত্ৰ।।**

আহে সামাজিক ঃ শ্ৰীৰামক ধনুক টঙ্কাৰে ঃ পৰশুৰামক ঃ হৃদয় বিদাৰল ঃ পৰম তৰাসে সৱ শৰীৰ কাম্পে ঃ হাতক পৰশু খসি পড়ল ঃ প্ৰাণক কাতৰে যৈচে পলাৱল ঃ আহে লোক তা দেখহ।

**গীত।। ৰাগ কানাড়া।। জ্যোতিমান**[40]

**ধ্ৰুং।।**

ধাৰে ধৰি শাৰঙ্গ ৰঘুনাথ। তৰাসে ঋষিক কম্পয় পাৰ হাত।।

**পদ।।**

পৰশু খসল দূৰ ভেল ৰাগ। পৰল দণ্ডৱতে ৰামক আগ।।
ৰাখহু তোহাৰি অংশ হামু ৰাম। দশন খেৰ ধৰু পৰণাম।।[41]

**সূত্ৰ।।**

পৰশুৰাম ঃ শ্ৰীৰামক আগে পৰিএ ঃ বহুত কাতৰ কয় বোলল।।

**পৰশুৰাম বোল।।**

হে প্ৰভু শ্ৰীৰাম ঃ তুহু পৰম ঈশ্বৰ ঃ হামু তোহাৰি অংশ ঃ ইহা নজানি দৰ্প্প কয়লো ঃ হামাৰ দোষ মৰষ গোসাঞি।।

**সূত্ৰ।।**

ভাৰ্গৱক কাতৰ পেখি ঃ লক্ষ্মণ-সীতা দুহু বহুত হাস্য কয়ল ঃ শ্ৰীৰাম বিহসি বোল।।

**শ্ৰীৰাম বোল।।**

হে ভৃগুপতি ৰাম ঃ হামাৰ পৰম অমোঘ বাণ ঃ তোহাৰি বধ নিমিত্ত উদ্যত ভেল ইহাক সম্বৰণ কৰিতে নপাৰি।

**সূত্ৰ।।**

ওহি বুলি বাণ আকৰ্ণ্ণ পূৰল ঃ পৰশুৰাম দশনে খেৰ লৈয়া ঃ তৰাসে[42] পৰি কাম্পে।

**পৰশুৰাম বোল।।**

হে স্বামি ঃ তোহাৰ ধৰ্ম্মক পুত্ৰ ভেলো ঃ হামাক প্ৰাণ দান দেহু।।

**শ্ৰীৰাম বিহসি বোল।।**

অএ ভাৰ্গৱ ঃ তুহু নিৰ্ভয়ে ৰহ ঃ তোহাৰি জীৱ ৰাখল ঃ কিন্তু হামাৰ বাণ ব্যৰ্থ নোহে ঃ তোহাৰি স্বৰ্গপথ চেদ কৰহোঁ।

---

40। পা. কুঠাৰ 41। পৰিতাল /ৰূপকতাল /জতিমান
42। পা. দশনে ধৰো খেৰ কৰো পৰণাম।।

**সূত্র।।**

ওহি বুলি শ্রীৰাম গগনক লাগি বাণ ক্ষেপল।।

পৰশুৰাম শ্রীৰামক আলিঙ্গি বোলল।।

**পৰশুৰাম বোল।।**

হে বাপ ঃ তোহাৰি প্রসাদে আজু প্রাণ ৰহল ঃ আঃ পুনৰ্ব্বাৰ উপজল।।

**সূত্র।।**

ওহি বুলি পৰশুৰাম তপোবনে প্রৱেশল।

**শ্লোক।।**

নিৰ্জ্জিত্য ভাৰ্গৱং ৰামং প্রিয়য়া সহ ৰাঘৱ ঃ।

পুৰীং অযোধ্যামাৱিশৎ মাতৃভিঃ সম্প্ৰৱেশিত ঃ।

**সূত্র।।**

হে সামাজিক ঃ ভাৰ্গৱক জিনিয়ে ঃ শ্রীৰামচন্দ্ৰ ঃ প্রিয়ায়ে সহিতে অযোধ্যাপুৰ প্রৱেশল। ৰামক মাতা কৌশল্যা ঃ শ্রীৰামক বিজয় বাত শুনিএ ঃ অনেক স্ত্রীসৱ সহিত ঃ পৰম মঙ্গল গীত আনন্দে বাজনা বজাই ঃ বৰ কন্যাক হাত এক ঠাম ধৰি কহু ঃ মহোৎসৱে ঃ গৃহ প্রৱেশ কৰাৱল ঃ আসনে বৈঠাই ৰামক সীতাক মাথে দুৰ্বাক্ষত সিঞ্চাৰি ঃ আশীৰ্বাদ কয় কহো ঃ পৰম উৎসুকে কৌশল্যা আনন্দে নৃত্য কয়ল ঃ ৰামক ঐচন বিৱাহঃ মহোৎসৱ সম্পূৰ্ণ ভেল।।

**শ্লোক।।**

ভৃশং হৃষ্টমনা ৰামঃ সম্প্রাপ্য পৰমাংপ্রিয়াম্।

তয়া কুৰ্ব্বন কামকেলিং ৰেমে মণিময়ে গৃহে।।

**সূত্র।।**

ত্রিভুৱন মোহনী ঃ পদুমিনী ঃ জানকী সীতাক লভি কহু ঃ শ্রীৰামচন্দ্ৰক আনন্দে মগন হয়া ঃ মণিময় ৰত্ন মন্দিৰে প্রৱেশিএ ঃ সীতায়ে সহিত ঃ যৈচন পৰম কামকেলি কয় ৰহল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

**গীত।। ৰাগ কল্যাণ।। খৰমান**

**ধ্ৰুং।।**

এ কৰু ৰময়া ঃ কৰু[43] ৰময়া ৰস কেলি।
কাঞ্চুৰ চোৰ ফোৰ কুচ চুম্বক
ৰতি কৌতুক কৰাঅলি।।

**পদ।।**

নৱ বধু ধৰিয়ে[44] অধৰ মধু ধঞ্চল
লোচন মুদি ৰহু মাই।
কৰত সুৰত মত্ত মাতঙ্গ গামিনী
কামিনী যামিনী যাই।।
চঞ্চল চিকুৰ নিকৰ কৰ কঙ্কণ
ঝণকিত ৰতনকু মালা।
শ্ৰমজল বিন্দু ইন্দু মুহ শোহে
মোহে পৰল বড়বালা।।
পৰম ৰসিক গুৰু শ্ৰী শুক্লধ্বজ
ৰাজা নৃপতি প্ৰধানা।
জয়তু জয়তু নিত্য ঈশ্বৰ কৃষ্ণক
কেলি লীলা ৰস জানা।।

**সূত্ৰ।।**

ঐচন পৰম কামৰস কেলি কয় ঃ সীতাক মনোৰথ পূৰি ঃ ৰামচন্দ্ৰ অনুদিনে ঃ আনন্দ মন্দিৰে ৰহল।।

**শ্লোক।।**

শ্ৰীৰাম বিজয়ন্নাম নাটকং পূৰ্ণতাঙ্গতম্।
শ্ৰীকৃষ্ণপাদপদ্মস্য প্ৰসাদেন সুনিশ্চিতম্।।

---

43। দশ নখ মুখে লৈয়া তৰাসে ⁕ প্ৰসঙ্গীয়া টোকা দ্ৰষ্টব্য
44। পা. 'কৰু ৰময়া'---এবাৰ

**সূত্ৰ।।**

শ্ৰীকৃষ্ণ পাদপদ্ম প্ৰসাদত ঃ ৰামবিজয় নাম নাটক সম্পূৰ্ণ ভেল।।

**মুক্তিমঙ্গল ৰক্তব্যং।।**

**(মুক্তিমঙ্গল) ভটিমা।।**

জয় জয় ঈশ্বৰ ৰাঘৱ ৰাম।
পূৰল যো জানকী মনকাম।।
জগ জন জীৱন সোহি মুৰাৰি।
মুকুতি মঙ্গল কৰতু তোহাৰি।।

যোহি পালি পিতাকেৰি আশ।
সীতা সহিতে খপল বনবাস।।
সাধল যজ্ঞ যো ৰাকচ মাৰি।
সোহি কৰতু নিত্য মুকুতি তোহাৰি।।

বালী ঘালি যো সুগ্ৰীৱক পাট।
দেলহ, যো লৈয়া বানৰক ঠাট।।
বান্ধল সেতু পয়োধিক বাৰি।
সোহি কৰতু নিত্য মুকুতি তোহাৰি।।

ঠাটে চৌদিশ বেঢ়ল লঙ্কা।
ৰাকচ লোক মিলাঅলি শঙ্কা।।
ছেদল যো ৰাকচ ৰাৱণ কেৰি মাথ।
মুকুতি কৰতু সোহি ৰঘুনাথ।।

আৱল সঙ্গে বানৰক ঠাট।
ৰাজা ভেলি অযোধ্যাক পাট।।

যো জানেকী মন পূৰল মূৰাৰি।
মুকুতি মঙ্গল কৰতু তোহাৰি।।

ৰামক পৰম ভকতি ৰস জানা।
শ্ৰীশুক্লধ্বজ নৃপতি প্ৰধানা।।
ৰামবিজয় যো কৰাৱত নাট।
মিলহু তাহেক বৈকুণ্ঠক বাট।।

ৰামক চৰণ শৰণ লেহু জানি।
সৱ অপৰাধক মৰষ তুহু স্বামি।।
কৃষ্ণক কিঙ্কৰ শঙ্কৰ বোল।
কৰ নৰ অৱ সৱ হৰি হৰি বোল।।

**শ্লোক।।**
শ্ৰীগোপালপদচ্ছত্ৰচ্ছায়ালালসমানসঃ।
শ্ৰীশুক্লধজো নৃপশ্ৰেষ্ঠঃ কাৰয়ামাস নাটকম্।।
ৱিন্দুৰন্ধ্ৰ ৱেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞকে।
শ্ৰীৰামৱিজয়ং নাম নাটকং ৱিদধেহধুনা।।
ৰাম বিজয় নাম নাটোহয়ং সম্পূৰ্ণম শ্ৰীকৃষ্ণ পাদ-প্ৰসাদতঃ।।

**।। ইতি শ্ৰীৰামবিজয় নাট সমাপ্তম।।**

**শব্দাৰ্থ ঃ**

## পত্নীপ্ৰসাদ

সংস্কৃতত পত্নীবাচক শব্দ কেইটামান হ'ল পত্নী, দাৰা, ভাৰ্যা, জায়া, জানী, পতি শব্দৰ স্ত্ৰীলিঙ্গ (ঈ-প্ৰত্যয়) পত্নী। আচলতে হ'ব লাগে 'পতি'। 'ন' কাৰ আৰ্য প্ৰয়োগ। "পত্যাসহ যজ্ঞ বিবাহ সম্বন্ধৱতী পত্নী।" পতিৰ সৈতে যজ্ঞ বিবাহৰ সম্বন্ধ হৈছে যাৰ এই অৰ্থত পত্নী শব্দৰ ব্যৱহাৰ।

ঋকবেদত 'পত্নী' বুজোৱা তিনিটা শব্দ ওচৰা-ওচৰিকৈ ব্যৱহাৰ কৰা হৈছে জায়া, জানী, পত্নী। জায়া পতিৰ প্ৰেমৰ পাত্ৰী, জানী সন্তানৰ জননী। পত্নীৰ অৰ্থ যজ্ঞকাৰ্যত অংশ গ্ৰহণকাৰিণী। এই নাটত উল্লেখ আছে যে ভগৱান শ্ৰীকৃষ্ণই দ্বিজ পত্নীসকলক উভতি গৈ যজ্ঞকাৰ্যত সম্পন্ন কৰাত ভাগ ল'বলৈ কৈছে। দাৰা-তিৰোতাই স্বামীৰ ভাই-ককাইৰ মাজত বিভেদৰ সৃষ্টি কৰা কাৰণে- 'দাৰা'। পত্নীসকলে ভগৱানৰ কৃপা লাভ কৰাৰ যোগেদি পতিসকলেও এই কৃপা লাভ কৰিছে। সেই অৰ্থত নাটৰ নাম "পত্নীপ্ৰসাদ"।

লক্ষ্ম্যাওকঃ — লক্ষ্মীৰ বাসস্থান ; ভৱভৱাভাঞ্জকে— ভয়দূৰ কৰা (ভীতভঞ্জকে— ভয় দূৰ কৰা) ; শ্ৰীকচ্ছিদাগৰ্বিত— দানৱসকলৰ শ্ৰীগৰ্ব ধ্বংস কৰা ; পদ্মামোদন— লক্ষ্মীক আনন্দ দিয়া ; সুন্দৰেন্দু দলিত প্ৰায় প্ৰকাশ— সুন্দৰ চন্দ্ৰকো (চন্দ্ৰৰ পোহৰকো ম্লান কৰি যাৰ প্ৰকাশ); ভোগব্যালবলাৱলেপ— সৰ্পৰ ফণাৰ বলৰ গৰ্ব ; দৈত্যপৰাভকাৰী— অসুৰ বিনাশকাৰী ; মুকুতি— মুক্তি ; নিধান— নিধন; সংহাৰু— সংহাৰ কৰি (বধ কৰি); বিমৰ্দ্দিয়ে— মৰ্দ্দন কৰি ; উতাৰ— উদ্ধাৰ; নিৰজান— নিৰ্যান (মুক্তি) ; পুৰাণপুৰুষ— আদি দেৱতা ; অজ যাৰ জন্ম নাই; হংস— বিষ্ণুৰ এটা নাম ; অঘ, বক, কেশী (কংসই কৃষ্ণক বধ কৰিবৰ বাবে পঠোৱা অসুৰ); বিপিন— বন ; মদ— অহঙ্কাৰ ; মদ ইন্দ্ৰক— দেৱৰাজ ইন্দ্ৰৰ অহঙ্কাৰ— চূৰ্ণ কৰা; ৰমণীক .......অনঙ্গ— ৰাসক্ৰীড়াত গোপৰমণীৰ যি কামনা পূৰ্ণ কৰিছে ; অনঙ্গ— কামদেৱ (ইয়াত কাম-কেলি বুজাইছে)। ৰজক— ধোৱা (কংসৰ ধোৱাক চৰ মাৰি কৃষ্ণই মুৰ চিঙে); ঋজু— পোণ ; কুবুজী— কংসক চন্দন যোগান ধৰা কুঁজীক শ্ৰীকৃষ্ণই হাতেৰে টানি পোন কৰে ; জয় শ্ৰী ৰাম— ৰামচন্দ্ৰ যদিও নাৰায়ণৰ প্ৰধান দহ অৱতাৰৰ এক অৱতাৰ ; তথাপি ভাগৱতত ৰাম-কৃষ্ণক অভেদ দেখুৱা হৈছে অৰ্থাৎ ব্যৱহাৰ কৰা হৈছে। সুদামৰ কাহিনী

কৃষ্ণ অৱতাৰৰ লগতহে জড়িত। জয় শ্ৰীৰাম ভকত সুদাম তনিকৰ থান গয়ৰত দানে পূৰল কাম— ভকত সুদামৰ ঘৰলৈ গৈ তেওঁক বৰদি মনৰ কামনা পূৰ্ণ কৰিলে; ভাঙ্গল চাপ— কংসৰ ধনুভঙ্গ কৰাৰ কথা উল্লেখ কৰিছে; প্ৰমত্ত মাতঙ্গ— উন্মত্ত হাতী ; ৰঙ্গ— ৰঙ্গশাল ; পিতাকেৰি বন্ধ-বসুদেৱ (দৈৱকীকো) কংসৰ বন্দী শালৰ পৰা মুক্ত কৰে; পিতাকেৰি— পিতা ; লোই— লোক, সভাসদ; মোই— মোৰ; কোই— কোনো ; নিগম কুমাৰ— বেদৰ কুমাৰ ; উতাৰ— পাৰ; তেজু— ত্যাগ কঁৰা; তথি— তাত ; প্ৰসাদ— অনুগ্ৰহ, কৃপা ; আৱত— আহিছে ; পৰৱেশ— প্ৰৱেশ; চৰাচৰ— ছৰছৰ— পথলীয়া; অশোক মূলে— অশোক গছৰ গুৰিত (তলত অৰ্থত); গোচৰ— অভিযোগ ; চন্দ্ৰভাৰতী— পঠান্তৰত থকা চণ্ডভাৰতী নামটোহে এই ক্ষেত্ৰত খাপ খোৱা হ'ব যেন লাগে; চণ্ড— খঙাল ; এওঁ এজন খঙাল ব্ৰাহ্মণ ; ভূ-দেৱতা— পৃথিৱীৰ দেৱতা; মূল ভাগৱতত এই শব্দটো গোপ বালকসকলেহে ব্যৱহাৰ কৰিছিল।

"হে ভূমিদেৱা ঃ শৃণ্তু কৃষ্ণস্যাদেশ কাৰিণ ঃ
প্ৰাপ্তাঞ্জানীতঃ ভদ্ৰং ৱৌ গোপান্নো ৰামচোদিতান্"।

নাটত 'গুৰুসৱ' সম্বোধনটো নাট্য নাট্যকাৰৰ সৃষ্টি। সমাজত ব্ৰাহ্মণসকলক 'গুৱো' সম্বোধন কৰাৰ নিয়ম প্ৰচলিত আছিল। মূলত 'গুৰুসৱ'ৰ ঠাইত 'হে ধৰ্মবিত্ত দ্বিজ সকল' বুলি দ্বিতীয়বাৰত সম্বোধন কৰিছে। প্ৰথমবাৰত 'হে ভূমিদেৱতাসকল' বুলি সম্বোধন কৰে। তাৰ উপৰি চন্দ্ৰভাৰতীৰ এই প্ৰত্যুত্তৰ মূল ভাগৱত আৰু দশমৰ পদভাঙনিতো নাই। তেওঁলোকে বালকসকলৰ প্ৰাৰ্থনা 'দিবো বা নিদিবো একো নেদন্ত সিদ্ধান্ত' (দশম)। হেন অবৈষ্ণৱ থানে— মূল ভাগৱতত 'অবৈষ্ণৱ' শব্দটো গোপবালকে ব্যৱহাৰ কৰা নাছিল। তাৰ ঠাইত দ্বিজসকলক 'ৱালিশা বৃদ্ধমানিন' (মুৰ্খ, জ্ঞান বৃদ্ধ বুলি অভিমানী) বুলি কৈছে। নাটত আৰাসৱ 'পৰম মূৰুখ' বুলি বালকসকলে কোৱাকুই কৰিছে। কৰ্ম গৰ্বে পৰম দাম্ভিক— মূলৰ 'জ্ঞান বৃদ্ধ বুলি অভিমানী' ভাৱৰ প্ৰকাশক। কোননো প্ৰাৰ্থকে ....পৰাভৱ— প্ৰাৰ্থকৰ পৰাভৱ থাকেই, অৰ্থাৎ (সকলো ঠাইতে) প্ৰাৰ্থকে প্ৰাৰ্থিলেই বস্তু নাপায়। কৰ যোৰি নমস্কাৰ কয়— হাতযোৰ কৰি নমস্কাৰ কৰি; পয়াৰত, 'জানু পাৰি' (আঁঠু কাঢ়ি) 'দশমত' জানুপাৰি নমস্কাৰ' কৰি। (আঁঠু কাঢ়ি নমস্কাৰ কৰি) হে মাতাসৱ— মূলত 'মাতাসৱ' সম্বোধন নাই, আঁঠু কঢ়াও নাই। 'নমো ৱো বিপ্ৰপত্নীভ্যো (নমো বিপ্ৰপত্নী সৱ শুনা অভিপ্ৰায়'— দশম।)

পৰম সুগন্ধি অন্ন ব্যঞ্জন— মূলত 'বহুগুণম্ অন্নম্' (বিভিন্ন ৰস আৰু গন্ধযুক্ত খাদ্য)। বহুবিধ ষড়ৰস— মূলত 'চতুৰ্বিধম্'— (চৰ্ব, চোষ্য, লেহ্য, পেয়) পন্না— পনা (পিঠা-পনা)। পনস— অভিধানত আৰু মেধি ডাঙৰীয়া দ্বাৰা সম্পাদিত 'অঙ্কাৱলী'ত কঁঠাল বুলি দিয়া আছে; শুক্ল-চেনি (চেনি অসমৰ বাহিৰৰ পৰা তীৰ্থযাত্ৰীসকলেহে আনে। শঙ্কৰদেৱেও প্ৰথম তীৰ্থ যাত্ৰা কৰি আহোঁতে চেনি আনিছিল)। [এই খাদ্য-তালিকা দশমৰ পদ-ভাঙণিত আৰু দীঘলীয়া। এই সকলো নাট্যকাৰৰ নিজা মূলত নাই। সেই সময়ত সমাজত প্ৰচলিত জা-জলপানৰ তালিকাখনৰেই এয়া প্ৰতিনিধি।]

সতী— বিপ্ৰপত্নীসকল কৃষ্ণক চাবলৈ সুখাদ্য সম্ভাৰ লৈ যোৱাৰ বৰ্ণনা থকা এই গীতত বিপ্ৰপত্নীসকলক নাট্যকাৰে দুঠাইত 'সতী' বিশেষণেৰে বিভূষিত কৰিছে। কিন্তু ইয়াৰ ঠিক পিছতে ব্ৰাহ্মণসকলে তেওঁলোক নিষেধ কৰা বাক্যত তেওঁলোকক 'ভ্ৰষ্টা' (নষ্ট) আখ্যা দিছে। পাঠান্তৰৰ 'নষ্ট' শব্দও 'ভ্ৰষ্ট' শব্দৰ লগত একাৰ্থবোধক। আগি— অগ্নি, জুই; বন্ধু বিয়োগ আগি— প্ৰাণবন্ধু ভগৱন্তক দেখিবলৈ নোপোৱা অৰ্থতে 'বিয়োগ' শব্দৰ ব্যৱহাৰ হৈছে; গতি— মুক্তি; ভগৱন্তক দেখিবলৈ নাপায় যি গৰাকী ব্ৰাহ্মণীয়ে প্ৰাণ ত্যজিলে সেই গৰাকী সতীয়ে মুক্তি লাভ কৰিলে বুলি নাট্যকাৰে গীতত কৈছে।

ভটিমা।। অশোক বন মহ— অশোক মনৰ মাজত। কিন্তু আগতে অশোক মনৰ কথা কোৱা নাছিল, অশোক গছৰ তলত বুলিহে কৈছিল। মহ— মাজত, মধ্যত ; দ্বিজ কুমাৰী— প্ৰকৃততে দ্বিজপত্নী ; কুমাৰী বুলিলে দহৰ পৰা যোল্ল বছৰীয়া অবিবাহিতা ছোৱালী বুজায়; তথি— তাত ; নৱঘন— নতুন ডাৱৰ; ইন্দু— চন্দ্ৰ ; [কোটি ইন্দুক নিন্দা কৰা মুখৰ বিকাশ।] বন্দুলি— এবিধ ৰঙা সৰু ফুল ; অধৰ— তল ওঁঠ ; ভান্তি— উজ্জ্বল হৈ থকা; পাঠান্তৰৰ 'ভ্ৰান্তি'ৰ অৰ্থ হ'ব 'ভ্ৰম' ; 'নাকটোক তিল-ফুল বুলি ভ্ৰম হয়' ; ওতিম— উত্তম; মোত্তিম— মোতিম— মুকুতা ; দশনকু— দশনৰ, দাঁতৰ ; অৰুণ নয়ন — ৰঙচুৱা চকু; [হাতৰ তলুৱা, নখ, ভৰিৰ তলুৱা, চকু আৰু অধৰ,— শ্ৰীকৃষ্ণৰ এই পাঁচ অঙ্গ ৰঙচুৱা। মহাপুৰুষৰ লক্ষণ। পঙ্কজ পাতা— পদুমৰ পাহিৰ (দৰে)]। পাহিবিলাকৰ দুই মূৰ চিয়াঁ, মাজ অংশ বহল ; ৰুচিকৰ কৰ দুহুঁ— ৰুচিকৰ— শোভন, সুন্দৰ; কৰ— হাত (ইয়াত হাতৰ তলুৱা বুজাইছে)। দুহুঁ— দুইটা উতপল ৰাতা— ৰঙা (ৰাতা) পদমু; ময়ূৰ পুচ্ছ— ম'ৰাৰ পাখি, শিখণ্ডক ; অলক—

গালৰ ওপৰেদি বাগৰি অহা কেকোৰা চুলি ; কপোল— কপাল ; অলক কপোল— কপালত পৰি থকা অলক ; কপালৰ ওপৰেদি বাগৰি অহা কেঁকোৰা চুলিক 'ভ্ৰমৰক' আৰু গালৰ ওপৰেদি বাগৰি অহা কেঁকোৰা চুলিক 'অলক' বোলে। কাণৰ ওচৰেদি ওলোমাই দিয়া চুলিক 'কাকপুচ্ছ' বা 'কাকপক্ষ' বোলা হয়। উতপল্ল— উৎপল ; ডোল— দোল— দুলি থকা, ওলমি থকা ; মোলান— মৃণাল, পদুমৰ ঠাৰি ; ৰতন মোলান— ৰত্নেৰে গঢ়া পদুমৰ ঠাৰি (যেন)। গেৰু— মালা; মেখলা — কঁকালত পিন্ধা অলঙ্কাৰ ; পুৰুষ আৰু তিৰোতা উভয়ে পিন্ধা; সোহে— শোভে ; মাটিলোটে— মাটিত লেটি লৈ যোৰা, গেৰোৰা লেটা; পাত— পাট ; ধুতি— চুৰিয়া ; পীত— হালধীয়া ; কোষ— কোহ; মঞ্জিৰ— নূপুৰ ; ঘোষ— শব্দ ; মাণিক উঝন্তি— মাণিকৰ দৰে জেউতি ; নখচয় চান্দ— নখবিলাকত চন্দ্ৰ; আৰকত— আৰক্ত, ৰঙা ; পেখি— দেখি ; যৱ, পঙ্কজ, ধ্বজ অংকুশ— যৱধান, পদমু ফুল, পতাকা (বজ্ৰ) আৰু অংকুশ, এই পাঁচ চিহ্ন কৃষ্ণৰ ভৰিৰ তলুৱাত আছে। নটবৰ— শ্ৰেষ্ঠ নট; নিশেষ— সকলোবিলাক ; লীলাপদ্ম— হাতত খেলিবলৈ লোৰা পদ্ম, হাতেৰে ঘূৰাই থকা পদ্ম, নীলপদ্ম— নীলৰঙৰ পদ্ম; দণ্ড পৰণাম— দণ্ডৱতে (মাটিত পৰি) প্ৰণাম ; অষ্টাঙ্গে সেৱা; উপাম— উপমা [ইয়াত অনুপম অৰ্থ বুজাইছে]।

শ্যমং হিৰণ্য পৰিধিং .....অব্জ হাসং।। 'পত্নীপ্ৰসাদ' নাটৰ এইটোৱে দ্বিতীয় আৰু শেষ শ্লোক। শঙ্কৰদেৱৰ নাটসমূহৰ সকলো শ্লোকৰ ভিতৰত এইটোৱে ভাগৱতৰ পৰা অনা একমাত্ৰ শ্লোক। বাকী নিজৰ ৰচনা। (শ্ৰীমদ্ভাগৱত 10¼23¼22) হিৰণ্য পৰিধি— সোণালী জেউতি; বনমাল্যৱহ— বনমালা পিন্ধা; ধাতু প্ৰৱাল— প্ৰৱাল ধাতু (প্ৰৱাল আদি ধাতুৰে সজ্জিত) অংশ— কান্ধ ; অনুব্ৰত— বিশ্বস্ত, ভক্ত ; ইতৰণে— আন হাতেৰে ; বিনস্ত হস্তং— হস্ত স্থাপন কৰি; ধুনান— লৰাই থকা ; অব্জং— পদুম; কহু— স্বাৰ্থিক প্ৰত্যয়; 'ও' অৰ্থত (নগনি কহু— নগনিও) ব্যৱহাৰ কৰা হৈছে ; কতিনা— কতনো ; চন্ন—ছদ্ম, আঁৰবেৰ ; নাইবা আচন্ন কৰা অৰ্থত বুজাব পাৰে। গৃহ, পতি আদিৰ প্ৰতি মন বিষম কৰি তেওঁলোকক ত্যাগ কৰি অহাৰ পিছত আকৌ উভতি যাবলৈ কৈ তেওঁলোকৰ প্ৰতি আমাৰ মন মায়াৰে আবৰি নেপেলাবা— এনে অৰ্থত।

বেদত শাস্ত্ৰত— বেদত আৰু অন্যান্য ধৰ্মশাস্ত্ৰত। শুনৈছি— শুনিছোঁ; [যিহেতু তিৰোতাৰ বেদত অধিকাৰ নাই, গুৰুগৃহত থাকি শাস্ত্ৰ অধ্যয়ন নকৰে

গতিকে স্বামী, পুত্ৰসকলৰ পৰাহে দ্বিজ পত্নীসকলে শুনিছে।] দেৱতাসৱক বাক্যে প্ৰমাণ লৱ— (শ্ৰীকৃষ্ণৰ বাক্যত প্ৰত্যয় নোযোৱাত দেৱতাসৱক— প্ৰত্যক্ষ কৰাই শ্ৰীকৃষ্ণৰ বাক্যকে দোহৰাই প্ৰমাণ দিলে। কিন্তু দেৱতাৰ বচনত তেওঁলোক প্ৰত্যয় নগ'ল। মানি লোৱা হ'লে দেৱতাক শ্ৰীকৃষ্ণতকৈ ডাঙৰ দেখুওৱা হ'লহেতেন। তেওঁলোক শ্ৰীকৃষ্ণৰ পৰীক্ষাত উত্তীৰ্ণ হ'ল, শ্ৰীকৃষ্ণই তেতিয়া হাঁহি মাৰি (বিহসি) তেওঁলোকক শ্ৰৱণ-কীৰ্ত্তন ভক্তিৰ মহিমা বুজালে।) মোহে— মোক, (আমাক) আগিয়া— জুই ; লহু লহু— লাহে, লাহে (যাওঁ-নাযাওঁকৈ) নয়ন ঝুৰাই — চকুৰ লোতক পৰে; বহুৰি— ঘূৰাই, উভতি; বহুৰি নয়ন— চকু ঘূৰাই; কঞ্জলোচন— পদ্মলোচন (কৃষ্ণ); কতিহু— ক'ত, কোনোবা ফালে ; [মাজে মাজে ৰৈ আকৌ খোজ দিয়া অৰ্থত ইয়াত ব্যৱহৃত হৈছে।]

হে মিশ্ৰ...... হে আচাৰ্য— সেই সময়ৰ অসমৰ ব্ৰাহ্মণসকলৰ উপাধি, মূলত নাই; শৌচাচাৰহীন— শুদ্ধতা নথকা ; গুৰু সেৱা পৰম ধৰ্ম বৰ্জিত— মূলত 'ন নিৱাসো গুৰাৱপি'— [গুৰুগৃহত থাকি গুৰু সেৱাৰূপী শ্ৰেষ্ঠ ধৰ্ম পালন কৰি বেদাদি শাস্ত্ৰ অধ্যয়ন কৰা নাই। পত্নীসকলৰ ওপৰত দিয়া বিপ্ৰসকলৰ মন্তব্যৰ প্ৰায়খিনিয়ে মূলৰ লগত মিলে। ] [মূল শ্লোকত তেওঁলোকৰ দ্বিজাত সংস্কাৰ (উপনয়ন) নাই, গুৰুগৃহত নিৱাস নাই, শৌচ (শুদ্ধতা) নাই, শুভক্ৰিয়া (সন্ধ্যা উপাসনাদি) নাই।] হামুসৰ ....ভেলো— মূলত নিজক তিৰোতাতকৈও অধম বুলি কোৱা নাই। তাৰ ঠাইত, 'তেওঁলোকৰ দৰে ভাৰ্যা পাই আমি অতিশয় ধন্য হৈছো' বুলিছে। পৰ উপদেশত পণ্ডিত বোলাইছি— পৰৰ উপদেশত মাত্ৰ পণ্ডিত হৈছো। এই উক্তিও মূলত নাই। তাৰ ঠাইত "দ্বিজ জন্ম লৈ, মনুষ্য কুলৰ গুৰু হৈও স্বাৰ্থত মুগ্ধ হৈছো"— বুলি কৈছে। ভিতি হয়— ভীতি হয়া— ভয় খাই; লাই— লাগি ; সিখণ্ডক— মৈৰা পাখি ; গুঞ্জৰহাৰ— গুঞ্জমণি— লাতুমণি; গাৱে— গায়, পাঠ কৰে ; [কোনো উদ্দেশ্য লৈ কোনো নাট গোৱাবৰ বাবে মানস কৰিলে, সেই ভাওনা নকৰি সমাজপাতি পাঠ কৰা হয়। তাকে নাট গোৱা বোলে। কিন্তু আজিকালি তেনেদৰে পাঠ কৰাৰ নিয়ম প্ৰায় নাইকিয়া হোৱাত 'গোৱা' অৰ্থই ভাওনা কৰাও বুজোৱা হৈছে।] ভাৱনা কৰয়— ভাওনা কৰে, অভিনয় কৰে; ভাৱনা— ধ্যান ; "ভগৱানক ধ্যান কৰি তেখেতৰ মানৱ-লীলাৰ আচৰণৰ কথা একান্ত মনেৰে ধ্যান কৰি, সেই ভাৱতে বিভোৰ হৈ তেখেতৰ স্বৰূপ উপলব্ধি কৰাই হৈছে ভকতৰ প্ৰধান উদ্দেশ্য।" পৰম ভকতি বাঢ়য়— ভাওনা গোৱা বা কৰাসকলৰ ভক্তি বাঢ়িব।

## ৰুক্মিণীহৰণ নাট

যৎপাদপঙ্কজৰজঃ— যাৰ পদ পঙ্কজৰ ধূলি, ৰেণু (চৰণৰ ধূলি); শিৰসা সুৰেশাঃ— শ্ৰেষ্ঠ দেৱতা সকলেও শিৰত (লয়); শৰ্ব্বাদয়ো— শিৱ আদিয়েও, (শৰ্ব্ব-শিৱ); দিৱিষদ— স্বৰ্গত থকা সকলেও; অতি মুদুদ্বহন্তি— অতি আনন্দেৰে গ্ৰহণ কৰে, কলিমলং— কলিৰ মল; মনুজাঃ— মানুহবিলাকে (মনুৰ পুত্ৰবিলাকে); শৰণং ব্ৰজেমঃ— শৰণ গ্ৰহণ কৰোঁ।

চৈদ্যাদীন— চেদি আদি; নৃপতীন্— ৰজাসকলক; তৰসা— দ্ৰুতভাবে; য়েনাহৃতা ৰুক্মিণী— যাৰ দ্বাৰা ৰুক্মিণীক হৰণ কৰা হ'ল ; যেনাজৌ— (যেন + আজৌ) যাৰ দ্বাৰা যুদ্ধত (আজ— যুদ্ধ); বিনিৰ্জ্জিত্য— জয় কৰি দুৰ্জয়ৰিপু— পৰাক্ৰমী শত্ৰু; ৰুক্মী বিৰূপীকৃতঃ— ৰুক্মীক বিৰূপ কৰিছিল; বৈদৰ্ভ্যাং— বৈদৰ্ভ্যৰ কন্যাক (ৰুক্মিণীক); বিধিবৎ— বিধিসন্মতভাবে; বিবাহমকৰোৎ— বিবাহ কৰিলে; যো দ্বাৰাৱত্যাং মুদা— যি দ্বাৰকালৈ আহি, আনন্দিত হৈছিল, তস্মৈ— সেই গৰাকীলৈ; শ্ৰী পৰমাত্মনে....... কুৰ্ম্মোনমঃ— পৰমাত্মা ভগৱান শ্ৰীকৃষ্ণক নমস্কাৰ কৰোঁ।

জগজীৱন— জগতৰ প্ৰাণ পৰমেশ্বৰ; মুৰাৰু— মুৰাৰি (মুৰ নামৰ দৈত্যক বধকৰোতা কৃষ্ণ) পঞ্চমুখে— পাঁচ মুখে (ব্ৰহ্মা); সুৰাসুৰ— সুৰ + অসুৰ—(দেৱতা আৰু অসুৰ) অসুৰ— ন + সুৰ-অসুৰ; নান্দ্যন্তে সূত্ৰধাৰঃ— নান্দীৰ পিছত সূত্ৰধাৰৰ প্ৰৱেশ। সংস্কৃত নাটকত নেপথ্যত নান্দী পাঠ হয় আৰু তাৰ পাছত সূত্ৰধাৰে প্ৰৱেশ কৰে; ইত্যুক্তা— ইতি উক্তা— ইয়াকে কৈ; নত্বা— শিৰ নত কৰি প্ৰণাম জনায়; সম্বোধ্যায়— সম্বোধি আহ; সম্বোধন কৰি কয়।

ভোঃ ভোঃ সভাসদঃ— হে সভাসদ সকলঙ্গ শৃণুধ্বং অধুনা— এতিয়া শুনক ; ৰুক্মিণীহৰণং নাম নাটকং মুক্তি সাধকম্— চতুৰ্বৰ্গৰ ভিতৰত ভিতৰত শ্ৰেষ্ঠ মোক্ষ বা মুক্তি সাধন কৰিব পৰা এই ৰুক্মিণীহৰণ নাটক। [ভগৱান নামল'লে জীৱই যেনেকৈ মুক্তি পায় তেনেদৰে ভগৱানৰ লীলা আদিৰ অভিনয় চালে বা শুনিলেও মুক্তিলাভ কৰিব পাৰে। তাৰ বাৰে লাগিব শ্ৰদ্ধা।]

ভটিমা— কোনো কোনো পুথিত 'ভট্টিমা' পোৱা যায়। ভটিমা— স্তুতি, প্ৰশস্তি; [অঙ্কীয়া নাটৰ প্ৰথম ভটিমাটোক দেৱভটিমা বোলা হয়। ইয়াত নায়কৰ (ভগৱানৰ) গুণ গৰিমা কীৰ্ত্তন কৰা হয়। অতীতৰ মহৎ কাৰ্যাৱলীৰ (লীলাৰ)

উল্লেখ কৰি বৰ্ত্তমান নাটকৰ ঐশ্বৰিক কাৰ্যৰ প্ৰতি সভাসদসকলৰ মনক সাজু কৰি লোৱা হয়] জয় জয়— ভগৱানৰ দুখ জয়কাৰী ভগৱান শ্ৰীকৃষ্ণৰ জয় হওক। যাদৱ দেৱ— যদুবংশীয় দেৱতা; সৰোৰুহ— পদুম; ভয়ো— হয়; অৱতাৰ-অৱতীৰ্ণ হোৱা; নামিঅহা; ভগৱানৰ জন্ম নহয়, অৱতাৰ হয়, জীৱৰ জন্ম হয়, পুনৰ্জন্ম হয়, ভূমিকেহি— ভূমিৰ; ভাৰ— বোজা; ধয়লি— ধৰিলে; দাৰুণ— ভয়ঙ্কৰ, কঠোৰ নিৰমিএ— নিৰ্মাণ কৰি; সয়ল— সকল; বিহাৰ— ক্ৰীড়া; (লীলা অৰ্থত ব্যৱহৃত); যো ব্ৰহ্মাণ্ড ভাণ্ড; যি ব্ৰহ্মাণ্ডৰ ভাণ্ড (পাত্ৰ) ভেদল— ভেদ কৰিলে; পদ নখ পৰশ প্ৰহাৰ— ভৰিৰ নখৰ স্পৰ্শ আৰু আঘাতৰ দ্বাৰা; (বামণ অৱতাৰত বিষ্ণুৱে বলিৰজাৰ পৰা তিনিপদ ভূমি লৈ প্ৰথম পদেৰে পৃথিৱীক আবৰিলে; দ্বিতীয় পদেৰে ব্ৰহ্মাণ্ডক ভেদ কৰি আকাশীগঙ্গাৰ জলধাৰা পৃথিৱীলৈ নমাই আনিলে। ব্ৰহ্মাৰ অন্তৰূপী বিশ্বৰ আৱৰণ বামণৰ ভৰিৰ নখে ভেদ কৰিলে। তৃতীয় পদ বলিৰজাৰ মুৰতথৈ তেওঁক সেইদৰে বন্দী কৰি সুতললৈ পঠালে। বায়ুপুৰাণ- 36¼ 104, ভাগৱত-1¼ 3¼ 3, 10¼ 2¼ 40, বামণ পুৰাণ- 28¼ 10, 29¼ 48, 30¼ 13, 31¼ 16, 70, 71 ভাগৱত- 8¼ 22¼ 2) পৰশিনী গঙ্গা— স্বৰ্গ গঙ্গাক স্পৰ্শ কৰি; অৰ্থাৎ পৰশ কৰি অহা স্বৰ্গৰ গঙ্গাই; সুৰ নৰ— দেৱতা আৰু মানুহ; (সুৰলোক আৰু নৰলোক অৰ্থত। গঙ্গাই— স্বৰ্গত মন্দাকিনী, পৃথিৱীত গঙ্গা আৰু পাতালত ভোগৱতী নাম লৈ এই সকলো স্থান পৱিত্ৰ কৰিছে। বামনৰূপী বিষ্ণুৰ ভৰি চুই অহাৰ কাৰণে গঙ্গা পৱিত্ৰা।) মধু— মধু আৰু কৈটভ নামৰ দুজন দৈত্যক ভগৱান বিষ্ণুৱে বধ কৰিছিল; নিৱাৰণ বাৰণ— দমন, প্ৰশমন; কুৱলয়— কুবলয়পীড়— কংসৰ হাতীটোৰ নাম (কৃষ্ণই বধ কৰিছিল); চুৰ— ভঙ্গ; ব্ৰজজন— ব্ৰজবাসীসকল; ইন্দ্ৰ দৰপ কৰৰু চুৰ— গোৱৰ্দ্ধন গোৱৰ্দ্ধন ধাৰণ কৰি ইন্দ্ৰৰ দৰ্প ভঙ্গ কৰিলে; হ্ৰাস বিলাস— ৰাস কেলি ; বিষধৰ কালি— বিষধৰ কালি নাগ; কুবুজা— কংসৰ চন্দন যোগানধৰোঁতা কুঁজী। এওঁ সুন্দৰী আছিল কিন্তু কুঁজা আছিল, কংসলৈ নিয়া চন্দন কৃষ্ণ-বলোৰামক দি অৰ্চনা কৰাত শ্ৰীকৃষ্ণই তেওঁক হাতেৰে টানি পোণ কৰি দিয়ে। কুঁজীয়ে তেতিয়া কৃষ্ণৰ লগত মিলন সুখ কামনা কৰে। শ্ৰীকৃষ্ণই কংস বধৰ পিছত কুঁজীৰ মনোবাঞ্ছা পূৰ্ণ কৰে; বৰদ বৰদ— বৰদাদাতাৰো বৰদাতা অৰ্থাৎ কৃষ্ণ; যাকেৰি— যাৰ; জগজন পূৰল কাম— জগতৰ লোকৰ কামনা পূৰ্ণকৰে; লেহি— লৈ; ভণিতে— ৰচনা কৰিলে; কাৰক— কৰোতা; যাকেৰি অংশ অৱতৰি— শ্ৰীকৃষ্ণৰ পৃথিৱীত হোৱা

সকলো অৱতাৰ অংশ অৱতাৰ, কেৱল শ্ৰীকৃষ্ণ পূৰ্ণ অৱতাৰ; যাহেৰি— যাৰ (শ্ৰীকৃষ্ণৰ), সাক্ষাতে— দৃষ্টিগোচৰ হৈ; উদ্ধৱ— শ্ৰীকৃষ্ণৰ বন্ধু সখা। বৈকুণ্ঠ প্ৰয়াণৰ সময়ত শ্ৰীকৃষ্ণই এইজন ভক্তক বৈষ্ণৱ ভক্তি তত্ত্বৰ জ্ঞান দিয়ে। কংসবধৰ পিছত শ্ৰীকৃষ্ণ বজ্ৰধামলৈ উভতি নগ'ল। কিন্তু বিৰহ কাতৰা গোপিনীসকলক সান্ত্না দিবলৈ এওঁকে শ্ৰীকৃষ্ণই দূতকৰি পঠিয়াইছিল।

প্ৰবেশমকৰোৎ— প্ৰবেশ কৰিলে ; স্বকান্ত্যা— নিজৰ দেহৰ কান্তিৰে; কামকৌটিজিত্— কোটি মদনক জয় কৰিব পৰা; জগতাং জনকো ধাতা— জগতৰ জনক বিধাতা; সোদ্ধৱঃ— উদ্ধৱৰে সহিতে ; সাধুবান্ধৱ— সাধুসকলৰ যি বন্ধু। ইতি সূত্ৰ নিষ্ক্ৰান্তঃ— "এতিয়া সূত্ৰধাৰ গুচি যায়; (সংস্কৃত নাটকত সূত্ৰধাৰে নাটকখন দৰ্শকৰ আগত উপস্থাপন কৰি গুচি যায়। অঙ্কীয়া নাট সংস্কৃত নাটকৰ আৰ্হিত ৰচনা কৰিলেও সূত্ৰধাৰ গুচি নাযায়। নাটৰ শেষলৈকে পৰিচালনাৰ পূৰ্ণদায়িত্ব থাকে। কোনো কোনো নাটত 'সূত্ৰ' শব্দৰ ঠাইত "সঙ্গী নিষ্ক্ৰান্ত" বোলা হৈছে।) অম্বৰু— অম্বৰ, কাপোৰ ; ভূজ লম্বিত জানু— আঠুলৈকে পৰা হাত— আজানুলম্বিত ; কৌস্তভ— নাৰায়ণৰ কণ্ঠৰ বিশেষ মণিটোৰ নাম। শ্ৰীকৃষ্ণই নাৰায়ণ, গতিকে শ্ৰীকৃষ্ণৰ কণ্ঠতো এইমণি বিদ্যমান। সাগৰ মন্থনত এইমণি পোৱা গৈছিল; মহ— মাজত; বোলে— শব্দ কৰে; পৰকাশা— প্ৰকাশ কৰে।

কাৰয়ামাস— কৰোৱালে; সখীসংযুক্তাম্— সখীসকলেৰে সৈতে; মোহয়ন্— মোহ নিয়ালে; হৰ্ষয়ণ্— আনন্দৰ সৃষ্টি কৰিলে; চাৰু—সুন্দৰ, মনোৰম; লাৱণ্য কান্তিভিঃ— সৌন্দৰ্য্য, জেউতি (দীপ্তি); পৰসাৰ— অগ্ৰসৰ (জাকজমক আৰু গাম্ভীৰ্যপূৰ্ণ ভাবে আগ বাঢ়ি অহা অৰ্থত); উজোৰ— উজ্জ্বল; চকোৰ— চকোৰ চৰাই (এইবিধ চৰায়ে জোনপোহৰ পান কৰে বুলি 'কবিসময়' (□□□□□□ □□□□□□□□□□) আছে। নয়ন ৰূপী চকোৰ দুটাই যেন ৰুক্মিণীৰ মুখচন্দ্ৰৰ জোনাক পান কৰিছে।) কনক— সোন; নিচোল— বস্ত্ৰ, ঝনকাৰ— ঝংকাৰ; কাণ্ঠি— হাৰ; সুৰভি —কুণ্ডিন নগৰীৰ পৰা দ্বাৰকালৈ যোৱা ভাট জনৰ নাম। (এইনাম শঙ্কৰদেৱে ৰুক্মিণী-হৰণ কাব্যতো ব্যৱহাৰ কৰিছে।)

কস্তং কস্মাদিহায়াতঃ—তুমি কোন? কি কাৰণে ইয়ালৈ আহিছা? পৃষ্টঃ কৃষ্ণেন ভিক্ষুকঃ —কৃষ্ণই ভিক্ষুকক সুধিলে; প্ৰাহাহং—প্ৰাহ (ক'লে) + অহং(মই); দিদৃক্ষু— চাবলৈ অতি হেঁপাহ হোৱাত।

**ভটিমা** ঃ ৰুক্মিণী-হৰণ নাটত এইটো হৰিদাস ভাটে ৰুক্মিণীৰ আগত

গাইছিল। ইয়াক ভাটৰ ভটিমা বোলা হয়। চপয়— এবিধ ছন্দ; কৰহু— কৰোঁ; হামাকু ......... অনুপাম— কুণ্ডিন নগৰী উপমাবিহীন। ভাটৰ মুখত নিজৰ দেশৰ গৌৰৱ প্ৰকাশ কৰা হৈছে। পৰচুৰ— প্ৰচুৰ (কবিতাত ছন্দ মিলাবৰ কাৰণে 'পৰচুৰ' ৰূপ দিয়া হৈছে। বয়নক পেখি ........ কয়ল ঝম্প কমল জলমাজ— ৰুক্মিণীৰ মুখ দেখি চন্দ্ৰ লাজতে পলাল, কাৰণ ৰুক্মিণীৰ মুখৰ জেউতিয়ে চন্দ্ৰৰ কান্তি ম্লান কৰিছে। সেইদৰে, ৰুক্মিণীৰ চকুৱে পদুমৰ সৌন্দৰ্যক চেৰ পেলোৱাত লাজ পাই পদুমে পানীত বুৰ দিয়ে; মোলান— মৃণাল; পদুমৰ ঠাৰি, উমৰুক ঠান— ককাল ডম্বৰুৰ নিচিনা (ডম্বৰুৰ মাজ ভাগ সৰু, খামুচীয়া অৰ্থাৎ অতিসৰু ককাল) 'উমৰুক' শব্দই ডম্বৰুক বুজাইছে। হেঠমাথ — ধৈৰ্য্য ধৰি;

শ্ৰুত্বা ভিক্ষুমুখাত— ভিক্ষুৰ মুখৰ পৰা শুনি ; কৃষ্ণো ৰুক্মিণ্যাঃ ৰূপমদ্ভুতম্— কৃষ্ণই ৰুক্মিণীৰ অদ্ভুতৰূপৰ কথা শুনি; ত্বামেৱ সততং ....... ব্যাকুল মানসঃ— তেওঁ কেই (ৰুক্মিণীক সকলোসময়তে ধ্যান কৰি ব্যাকুল হৈ থাকিল।)

প্ৰিয়াকেৰি— প্ৰিয়াৰ; দহনু— দহি থকা তাপিত হৈ থকা; মানস মদন বিগাৰি— মন মদনে পীড়িত; কামিনী— নাৰী (ইয়াত ৰুক্মিণীক বুজাইছে।); কৃষ্ণক দুখ কি কহব— [জগতৰ ঈশ্বৰৰ আকৌ দুখ। তেওঁ সুখ-দুখ ৰহিত পৰমানন্দ স্বৰূপ। তথাপি তেওঁ ভকতৰ দুখত দুখী। মহাপুৰুষে অতি কৌতুকেৰে সূত্ৰধাৰৰ মুখত এই বচনফাঁকি দিছে। তাৰোপৰি মনুষ্যলীলা দেখুৱাই সৰ্বসাধাৰণ মানুহৰ এনে অৱস্থাত হ'ব পৰা বিৰহৰ দুখৰ বৰ্ণনা দিছে। এয়ে প্ৰেমৰ প্ৰথম অৱস্থা বা পূৰ্বৰাগ।]; হৰিদাস— দ্বাৰকাৰ পৰা অহা এজন ভাটৰ নাম। এই নাম নাট্যকাৰৰ নিজা; এথাৱলি— এথা + আৱলি— ইয়ালৈ আহিলা; কো ভৱান— আপুনি কোন? ইহসম্প্ৰাপ্ত — ইয়ালৈ (ক'ৰ পৰা) আহিল ; ভিক্ষুৰভাষত— ভিক্ষুৱে ক'লে ; প্ৰাৰ্থকোহহং নৃপাত্মজে— হে ৰাজকন্যাঙ্গ মই প্ৰাৰ্থক (ভিক্ষুক); মন্দহাস— মৃদু হাঁহি ; কৰতল— হাতৰ তলুৱা; ভ্ৰূৰ ভঙ্গ— চেলাউৰিৰ ভাঁজ; ত্ৰিবলি— তিনিটা ৰেখা (পুৰুষ আৰু তিৰোতাৰ ডিঙি আৰু পেটত থকা তিনিডাল বলিত ৰেখা, অৰ্থাৎ সৌন্দৰ্য্য চিহ্ন, অৱভাস— জিলিঙনি, মৃদুপদ— কোমল ভৰি, পান্তি— শাৰী, আৰকত— আৰক্ত (ৰঙা); ভান্তি — প্ৰকাশ; মৃগৰাজ— পশুৰ ৰজা— সিংহ ('মৃগ' মানে সকলো পশুকে বুজায়; হেৰি— দেখি; ধনি— সুন্দৰী ; তেজু— ত্যাগ কৰা ; এৰা; উনিকৰ— এওঁৰ;

মদনমঞ্জৰী— ৰুক্মিণীৰ সখী। (শঙ্কৰদেৱৰ নিজা সৃষ্টি।) গ্ৰাহ— ঘঁৰিয়াল। কৃষ্ণস্য— কৃষ্ণৰ, শ্ৰৱণেন— শুনি ; বিমোহিতা — মোহ হৈ ; তচ্চৰণাম্ভোজং— তেওঁৰ (কৃষ্ণৰ) চৰণ, অম্ভোজ— চৰণ পদ্ম, সতী সকলৰ ভিতৰতেই সতী, দধৌ (দধ্যো)— ধ্যানকৰা; ভজনীয়ং— ভজন কৰিবলগীয়া, বিমৰিষ কয়— আলোচনা কৰি, ভল্ল— ভাল। সখীমুখাত্— সখীৰ মুখৰ পৰা শুনি ; সাক্ষাদ্বাৰ্ত্তামানন্দিতা সতী — প্ৰত্যক্ষ্য বাৰ্ত্তা শুনি সতী (ৰুক্মিণী) আনন্দিতা হ'ল ; স্মৃত্বা— সুৱঁৰি; লীলাৱতী ৰুক্মিণীৰ আন এগৰাকী সখী— ভায়োৰি— হ'ল ; গৌৰী— পাৰ্বতী (ৰুক্মিণীক বুজাইছে); পৰম পুৰুষ— ভগৱান শ্ৰীকৃষ্ণ। পিউ — প্ৰিয় ; অবহু— এতিয়াহে ; মোহি— মোৰ; সই— সখী ; ততো ৰুক্মী সভাংগত্বা— তেতিয়া ৰুক্মী সভালৈ গৈ, ন্যৱাৰয়ৎ— নিবাৰণ কৰিলে; গৰ্হয়িত্বাথ মাধৱম্— মাধৱক গৰিহণা দিলে; খৰ্ব্বাক্যেন — গালি, অপমানজনক বাক্য, কঢ়া বচন; ৰুক্মী— ভীষ্মকৰ পাচজন পুত্ৰৰ ভিতৰত ৰুক্মী ডাঙৰ পুত্ৰ কেইজন হৈছে [1] ৰুক্মী [2] ৰুক্মৰথ [3] ৰুক্মবাহু [4] ৰুক্মকেশ [5] ৰুক্মমালী। খৰ্ব্বাক্যই গালিপৰা অৰ্থ বুজাইছে। গো-বধ, মাতুলবধ, ইত্যাদি শ্ৰীকৃষ্ণৰ শত্ৰুৰজাবিলাকে প্ৰায়ে শ্ৰীকৃষ্ণৰ বিৰুদ্ধে এনে অপযশ ৰটনা কৰিছিল। তাৰ উদ্দেশ্য হৈছে ধাৰ্মিক সকলৰ, অৰ্থাৎ সমাজৰ নৈতিক সমৰ্থন লাভ কৰা। কংসই কৃষ্ণক গোকুলত বধ কৰিবলৈ পঠোৱা অসুৰে ছদ্মৰূপ ধৰিছিল। তাৰে দুজনে বৃষ (গৰু) আৰু বৎসৰ (পোৱালি) ৰূপ ধাৰণ কৰিছিল। গতিকে গো-বধ কলঙ্ক। পুতনা বধত স্ত্ৰী-বধৰ আৰু কংস বধত মাতুলবধৰ কলঙ্ক। 'অনাচাৰী' শব্দৰে হয়তো কৃষ্ণই গোপীসকলৰ লগত কৰা ৰাসলীলাৰেই ইঙ্গিত দিছে। পাঞ্চিক কহোঁঃ— পঠিয়াই মতালে।

নিশম্য— শুনি, ৰুক্মিণ্যাদ্বাহং— ৰুক্মিণীৰ বিবাহৰ কথা শুনি, শিশুপালদয়ো নৃপাঃ— শিশুপাল আদি ৰজাসকল, গৃহীত্বা— লৈ; ধাৰণ কৰি, চ শৰংচাপমায়ুযঃ— হাতত ধনু, শৰ আৰু অস্ত্ৰ লৈ, কুণ্ডিনং প্ৰতি— কুণ্ডিনলৈ যাত্ৰা কৰিছিল।

নিশম্য বিপ্ৰিয়ং— অপ্ৰিয় কথা শুনি, বালা— কন্যা (ৰুক্মিণী); ভীতা ভূমৌ পপাত সা— ভয় খাই মাটিত বাগৰি পৰিল। ৰুৰোদ হৃদয়ে ধ্যায়ণ— 'ৰুদ' ধাতু কন্দা অৰ্থত, কান্দি কান্দি হৃদয়ত ধ্যান কৰিলে, শ্ৰীকৃষ্ণস্য চৰণং চিৰম— শ্ৰীকৃষ্ণৰ চৰণক চিৰদিনলৈ। আন্ধিৰাৰি— আন্ধাৰ; ঝুৰে— বৈ আহে; বাৰী— পানী; নৱ নেহা— প্ৰথম প্ৰেম। আঞ্চোৰে— আচলেৰে; লপন্তীকৃষ্ণ

কৃষ্ণেতি— কৃষ্ণকৃষ্ণ বুলি বিলাপ কৰিবলৈ ধৰিলে। হৰের্বিৰহ কাতৰা— হৰিৰ (শ্ৰীকৃষ্ণৰ) বিৰহত কাতৰ হৈ, ৰুৰোদ ৰাজদুহিতা— ৰাজকুমাৰীয়ে কান্দিবলৈ ধৰিলে; সখীভিঃ সহিতা সতী— সখী সকলৰ আগত। গাৰি— গালি, কৰম— কৰ্মফল, ভাগ্য, দুৰ্লভ— কষ্টেৰে যাক লাভ কৰা যায় অৰ্থাৎ সহজলভ্য নোহোৱা; বল্লভ—স্বামী; কয়লি— কৰিলি; কয়োকাম— কামনা কৰিলো; সোহি সেই; মোহি— মোৰ, বিহি— বিধি, বিধাতা; ভেল— হ'ল, বাম— বিপৰীত; ধৰবহু— সোৎসাহে— উৎসাহেৰে। বেদনিধি— বেদনিধি এজন ব্ৰাহ্মণ। শঙ্কৰদেৱে এই চৰিত্ৰটো নিজে সৃষ্টি কৰিছে। সংস্কৃত ভাগৱতত এজন বিশিষ্ট ব্ৰাহ্মণ বুলি দিয়া হৈছে। তত্তকালে— তেতিয়াই।

নিশম্য— শুনি, ত্বৰিতং— তৎক্ষণাৎ, প্ৰাগাদ্বাক্যং— আগতে কোৱা বাক্যখিনি (কথাখিনি) দেৱ্যাঃ— দেৱীৰ (ৰুক্মিণীৰ); দ্বিজোত্তমাঃ— উত্তম ব্ৰাহ্মণ; নাম্না বেদনিধিখ্যাতো— বেদনিধি নামেৰে জনাজাত, ৰুক্মিণ্যাঃ।

নিশম্য তদ্বচো বালা— তেওঁৰ কথাশুনি কন্যাই (ৰুক্মিণীয়ে) বিনিঃশ্বস্য পুনঃ পুনঃ— পুনঃ পুনঃ নিঃশ্বাস ত্যাগ কৰি, বিপ্ৰস্য চৰণৌ শিৰ্ষা স্পৃষ্টা— ব্ৰাহ্মণৰ চৰণ (ভৰি) শিৰেৰে স্পৰ্শ কৰি, শোকাকুলাব্ৰৱীৎ— শোকাকুল হৈ ক'লে। জানু পাৰি— আঠুকাঢ়ি।

নিশম্য তদ্বচো বিপ্ৰো— সেই কথাশুনি ব্ৰাহ্মণে; বিহস্যোবাচ ৰুক্মিণীম্— হাঁহি হাঁহি ৰুক্মিণীক ক'লে, কুমাৰী কুৰু মা শোকং— কুমাৰী শোক নকৰিবা, কা চিন্তা তে স্থিতে ময়ি— মই থাকোঁতে তোমাৰ চিন্তা কিহৰ? কেশৱ— সংস্কৃত-কেশৱ, "কেশী" অসুৰক মাৰোঁতা— বিষ্ণু [□ □□□□ □□ □□□□□□, □□□□□□□□]। শ্ৰীকৃষ্ণক মাৰিবলৈ কংসই পঠিওৱা ঘোঁৰাৰ মুখৰ এটা অসুৰ।

ক ই শ পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ প্ৰতি প্ৰতি তিনিৰো অন্বয়।
'ৱ' পদে নাৰায়ণ তিনিকে আছয় ছান্দি এহি হেতু কেশৱ বোলয়।

ব্ৰহ্মা, বিষ্ণু মহেশ্বৰৰ আত্মা স্বৰূপ নাৰায়ণেই কেশৱ (শ্ৰীকৃষ্ণ) হামা কৰি— মোৰ; তুৱা— তোমাৰ; জগবাস— জগত যি জনত বাস কৰে। পয়োনিধি— সাগৰ। পয়লো— পৰিলোঁ। দীন— দুখীয়া। দেহা— ৰুক্মিণীয়ে মাত্ৰ নিজৰ দেহটো শিশুপালৰ হাতৰ পৰা উদ্ধাৰ কৰিবলৈ কৈছে। মনপ্ৰাণ শ্ৰীকৃষ্ণৰ চৰণতে সমৰ্পিত। কাল— যম। শিশুপালৰ লগত বিয়া হোৱাৰ আগতে তেওঁ আত্মহত্যা কৰিব। ভেলো— হ'ল।

পতিয়া— পত্ৰ, চিঠি। মহ— মাজত। সুৰপুৰীক—স্বৰ্গপুৰীক। বিভূতি— ঐশ্বৰ্য। একুথান— একে ঠাই। থিক— আছে। হৰিপুৰী— কৃষ্ণৰ নগৰ। কনক নিৰমাণ— সোণেৰে গঢ়া। দ্বাৰী— দুৱৰী। দ্বাৰপাল— দুৱাৰৰখীয়া। গোপ্য— গোপনীয়।

পঞ্চামৃত = পঞ্চ + অমৃত [দৈ, এৱা, ঘিউ, মৌ, চেনি।]

বিপ্রেন্দ্র = বিপ্র + ইন্দ্র = বিপ্রশ্ৰেষ্ঠ। কিমৰ্থমিহাগত = কি অৰ্থে ইয়ালৈ আহিল। কৃতমস্মাকং = কৃতম = কৰিলে, অস্মাকং = আমাৰ। তৎপাদৰজসা = আপোনাৰ চৰণৰ ধূলিৰে। গৃহম = ঘৰ।

হে গুৰো = ব্ৰাহ্মণসকলক 'গুৰু' সম্বোধন কৰা হৈছিল। [গু = অন্ধকাৰ, ৰু = হৰণ কৰা।] সম্বোধন পদত 'গুৰো'।

এবং = এইদৰে। সভাজিতো = সভাজিৎ সভাজয়কাৰী। নিশম্যেশ্বৰভাষিতম্ = নিশম্য ঈশ্বৰৰ বাক্য শুনি। প্রীত্যা = প্ৰীত হৈ। প্ৰত্যাহ = প্ৰত্যুত্তৰ দিলে। প্ৰহসন = হাঁহি হাঁহি। মাধৱং = মাধৱক (মা = লক্ষ্মী। ধৱ = স্বামী, লক্ষ্মী পতি। আন প্ৰকাৰে, মা, = নাই, ধৱ = স্বামী, যাৰ ওপৰত কোনো গৰাকী নাই, বিষ্ণু, কৃষ্ণ।

বিহসি = হাঁহি হাঁহি ক'লে। [স্বয়ং ভগৱানে বেদনিধিৰ পৰা আজ্ঞা বা আদেশ বিচাৰিছে ঙ ভগৱানৰ এই লীলা দেখি বেদনিধিৰ হাঁহি উঠিছে।]

'হে গুৰু তোহোঁ পাঠ কৰহ ........' মহাপুৰুষৰ অপূৰ্ব নাট্য-কৌশলৰ পৰিচয় এই উক্তিৰ যোগেদি প্ৰকাশ পাইছেঙ্গ ৰুক্মিণী দেৱীৰ এই অনুপম প্ৰেমপত্ৰখনৰ বিষয়বস্তু দৰ্শকে জনাৰ আন এজনে পঢ়ি শুনোৱা কাৰ্যই স্বাভাৱিকতা আৰু গাম্ভীৰ্য হ্ৰাস কৰিলেহেঁতেন। কিন্তু বেদনিধি বিশ্বস্ত ব্ৰাহ্মণ, সাধাৰণ এজন পত্ৰবাহক নহয়। তাৰ উপৰি ৰুক্মিণীৰ ভিতৰুৱা কথাখিনি বেদনিধিয়ে মুখেৰেই শ্ৰীকৃষ্ণক জনোৱাৰ পিছতহে পত্ৰখন উলিয়াই দিছে। মূল ভাগৱতত ব্ৰাহ্মণজনে ৰুক্মিণীৰ প্ৰাৰ্থনাখিনি মুখেৰেই শ্ৰীকৃষ্ণক জনায়।

[পত্ৰপাঠ] স্বস্তি-মঙ্গলবাচক শব্দ, শুভ, মঙ্গল। প্ৰপন্নজন = শৰণাগতজন, আতুৰজন। প্ৰপন্ন = শৰণাগত, আতুৰ। শিৱম মঙ্গল। চৰণ সৰোৰুহ = চৰণ সৰোজত = চৰণ পদ্মত। দণ্ডে = এক দণ্ড সময় এক মিনিট। যৱ = যদি। তথি = তাতে। পাপী শিশুপাল— শিশুপাল চেদি ৰাজ্যৰ মহাপৰাক্ৰমী ৰজা। পিতা দমঘোষ। ওপজোতে চাৰিখন হাত। আকাশীবাণী মতে যাৰ কোলাত শিশুৰ

দুখন হাত নাইকিয়া হ'ব তেওঁৰ হাততে শিশুপালৰ মৃত্যু হ'ব। মাতৃৰ ফালৰ সম্পৰ্কীয় শ্ৰীকৃষ্ণৰ কোলাত শিশুপালৰ দুখন হাত লুকাই যায়। মাকে কৃষ্ণক কাকুতি কৰে যাতে ভৱিষ্যতে ল'ৰাৰ-সকলো দোষ ক্ষমা কৰে। শ্ৰীকৃষ্ণই শিশুপালৰ এশ দোষ ক্ষমা কৰিব বুলি কথা দিলে। যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত এশ দোষ পূৰ্ণ হোৱাৰ পিছত সুদৰ্শন চক্ৰেৰে শ্ৰীকৃষ্ণই শিশুপালক বধ কৰে। তেওঁৰ দেহৰ পৰা জ্যোতি আহি শ্ৰীকৃষ্ণৰ দেহত লীন হয়। বহুতো দুষ্কাৰ্য কৰাৰ কাৰণে শিশুপালক পাপী বুলি কোৱা হৈছে যদিও নাটকীয় কাহিনীত শিশুপালৰ পাপ নাই। ৰুক্মিণীক বিয়া দিবৰ কাৰণে তেওঁক নিমন্ত্ৰণ দিয়াতহে তেওঁ আহিছে। ৰুক্মিণীৰ মনৰ কথা তেওঁ নাজানে। যব = যদি। ভেট = সাক্ষাত। 'হামু প্ৰাণ ছাড়ব' = মূল ভাগৱতৰ মতে ৰুক্মিণীয়ে কৈছিল যে তেওঁ শতজন্ম কৃচ্ছ্ৰব্ৰতৰ অনুষ্ঠান কৰি জীৱন ত্যাগ কৰিব, তথাপি শ্ৰীকৃষ্ণৰ আশা (স্বামী হিচাপে পোৱাৰ আশা) কেতিয়াও নেৰিব। সৰোৰুহ = পদুম।

নিৰীক্ষ্য = দেখি। তস্থৌ = থাকিল। কৰুণংপত্ৰ = কাতৰভাবে লিখা পত্ৰ। ম্লান = মলিন। নম্ৰমুখাম্বুজঃ = দোঁ থোৱা মুখপদ্ম। অম্বুজ = পদ্ম।

পূৰি = পূৰ্ণহৈ, ভৰি। বাৰি = পানী। কৰত = কৰিছে। কতনু = কতনো, কিমান। তাৱে = তাপিত হয়। দাৰুক = শ্ৰীকৃষ্ণৰ ৰথৰ সাৰথিৰ নাম। অথ— ইয়াৰ পাছত। সপদি — তৎক্ষণাৎ। ৰথমধিৰুহ্য— ৰথত আৰোহন কৰি। ওজস্বান যযৌ— বীৰ দৰ্পে গ'ল। কৰকৃতধনু— হাতত ধেনু লৈ। শাৰঙ্গ— শাঙ্গ, কৃষ্ণৰ ধনুখনৰ নাম। ধাৰু— ধৰি। অম্বুদ— মেঘ। তড়িত জড়িত— বিজুলীযুক্ত; যৈচ— যেনেদৰে; শোহে— শোভে ; অঙ্গুৰি— আঙুঠি ; ৰথৰ বেগত বেদনিধি মূৰ্চ্ছা যোৱা শঙ্কৰদেৱৰ উদ্ভাৱন। হাস্যৰসৰ সৃষ্টি কৰাৰ উপৰিও শ্ৰীকৃষ্ণৰ অতি তাকৰীয়া সময় খৰচ কৰি দৰ্শকৰ কাৰণে নাটকীয় উৎকণ্ঠাৰো সৃষ্টি কৰিছে। এই ঘটনাটো নেদেখুওৱাহ'লে শ্ৰীকৃষ্ণৰ কুণ্ডিল-যাত্ৰাৰ বৰ্ণনাৰ কোনো নাটকীয় বৈশিষ্ট্য নাথাকিলহেঁতেন। আখ্যামি— ক'বগৈ; আসাদ্য— পাই (চিন্তাতপৰি); মেৰি— মোক; বিচুৰি— বিস্মৰণ কৰি, পাহৰি; অব— এতিয়াও ; নাৱল— নাহিল; গৰি— গিলি পোলোৱা ; চেতন গৰি— চেতনা নাইকিয়া কৰিলে; হেৰি— দেখি; হৰত— হৰণ কৰে ; বঙ্কিম— বেঁকা, বাম ; হামাৰি— মোৰ মাই— [সখীকেই মাই সম্বোধন কৰিছে] ; মাতৃ— মাই ; অৱহি— এতিয়া; মহ— মাজত; ৰজনী মহ থিক— মাজত ৰাতিটো মাত্ৰ আছে; হেৰব— দেখিব;

আৰৰি— আৰু।

'ৰুক্মিণীক বাম উৰু কৰ আখি ফন্দি গেল'— জ্যোতিষৰ মতে তিৰোতাৰ বাম অঙ্গ ফন্দা শুভ। ভাগৱতৰ কাহিনীতো এই ঘটনাৰ উল্লেখ আছেঃ

'বাম উৰুর্ভুজো নেত্ৰমস্ফুৰন্ প্ৰিয়ভাষিণঃ।'

সাধিতাৰ্থো— উদ্দেশ্য সাধন কৰা (দ্বিজেই) ; প্ৰীত্যুৎফুল্ল বিলোচনঃ— প্ৰতিতী উৎফুল্ল লোচনেৰে ; নাপতৎ— নপৰিছিল; চৰণৌতস্য— তেওঁৰ ভৰিহাল ; ধৰণ্যাং— পৃথিৱীত; হৰ্ষবেগতঃ— আনন্দৰ বেগত; বিপ্ৰমুখ পেখি জানল— বিপ্ৰৰ মুখ দেখিয়ে জানিলে— (কাৰ্য সিদ্ধি হৈছে।) [মুখ দেখি মনৰ কথা বুজিব পৰা সকলক লক্ষণজ্ঞ বোলে। ৰুক্মিণীক 'লক্ষণাভিজ্ঞা' এই বিশেষণ ভাগৱতৰ মূল শ্লোকত দিয়া হৈছে।] অন্ন— আহাৰ ; পান— পানীয় ; 'দৃঢ় হুয়া ৰহ'— 'বেদনিধিয়ে প্ৰয়োজন সব সাধলো' বুলি ৰুক্মিণীৰ আগত কৈছে। লগতে, 'তোহো সত্বৰে দৃঢ় হুয়া ৰহ' বুলিও কৈছে। ৰুক্মিণীৰ পত্ৰত উল্লেখিত নিৰ্দেশ মতেই শ্ৰীকৃষ্ণই তেওঁক হৰণ কৰিব এই কথাক বেদনিধিয়ে ইঙ্গিতেৰে জনাইছে। এই সময়ত ৰুক্মিণীয়ে যুদ্ধ, হত্যা, আত্মীয় বধ আদিৰ আশঙ্কাত যদি কেনেবাকৈ পিছ হোঁহকা মাৰে তেনেহ'লে সকলো বৃথাশ্ৰম হ'ব— এই আশঙ্কাতে 'দৃঢ় হুয়া ৰহ' বুলি ক'ব লগা হৈছে।

মূল ভাগৱতত শ্ৰীকৃষ্ণ, বলোৰাম সহ কুণ্ডিন-পুৰত প্ৰৱেশ কৰিছে দ্বিজই ৰুক্মিণীক জানিবলৈ দিছিল। প্ৰকৃততে ভাগৱতৰ মতেও কৃষ্ণ অকলে ৰুক্মিণীক হৰণ কৰিবলৈ যোৱা শুনি ভ্ৰাতৃ স্নেহবশতঃ ভ্ৰাতৃস্নেহ পৰিপ্লুতঃ আৰু 'কলহশঙ্কিতঃ' হৈ সৈন্যসহ বলোৰামে কুণ্ডিন-যাত্ৰা কৰিছিল।

'অয়ে ভগিনী ..... চলহ।' — মূল ভাগৱতত ৰুক্মীয়ে ভৱানী মন্দিৰলৈ যাবলৈ ৰুক্মিণীক কোৱা নাই। এয়া নাট্যকাৰৰ উদ্ভাৱন। ৰুক্মীয়ে বুজিব পৰা নাই যে তেৱেঁই এই উক্তিৰ দ্বাৰা ৰুক্মিণীক হৰণ কৰাৰ বাট মুকলি কৰি দিছেঙ্গ এয়া 'নাটকীয় শ্লেষ'ৰ উদাহৰণ।

নিশম্য বচনং ভ্ৰাতু— ককায়েকৰ কথা শুনি; ভূষয়িত্বাথ ভূষণৈঃ— অলঙ্কাৰাদিৰে বিভূষিতা হৈ; জগাম— গৈছিল; সাকম্— সৈতে, লগত; আত্মানম্— নিজে নিজে; 'ৰঙ্গিণী সখী সঙ্গিণী'— ৰঙীয়াল সখীসকলক লগৰীয়া কৰি; চান্দকেৰি— চন্দ্ৰৰ; পহিৰয়ে— পিন্ধি; পট্টাম্বৰ— পাটৰ কাপোৰ ; লহু লহু— লঘু খোজেৰে, ধাই— ধাবমান হয়, গতি কৰে ; [ধাই ক্ৰিয়াপদে গতিত

খৰখেদাৰ ভাবো প্ৰকাশ কৰিছে, আনহাতে মৃদু খোজেৰে বাহিৰৰ চঞ্চলতা ঢাকি ৰুক্মিণী আগবাঢ়িছে। আসন্ন মুহূৰ্তৰ উদ্বিগ্নতা-অস্থিৰতা 'ধাই' পদে প্ৰকাশ কৰিছে। 'যায়' ক্ৰিয়াপদ দিয়া হ'লে সাধাৰণভাৱে যোৱাটোকে অৰ্থ কৰিলেহেঁতেন।] লুলে— ওলমে ; হেৰিতে— দেখিলে ; 'হৰিকহো চৰণ চিন্তিয়ে চলি যায়'— যদিও দেৱীৰ (অম্বিকা) মন্দিৰলৈ গৈছে, যোৱাৰ বাটত দেৱীৰ ধ্যান কৰি যোৱা নাই, কৃষ্ণৰ চৰণহে চিন্তি গৈছে। 'সাচ্যনুধ্যায়তী সম্যক মুকুন্দ চৰণাম্বুজম্'— ভাগৱত।

কুণ্ডিণমাগত্য— কুণ্ডিনলৈ আহি ; দাৰুকোদ্ধৱ সংযুক্তং— দাৰুক আৰু উদ্ধৱক লগত লৈ ; প্ৰৱিৱেশ বিভুঃসভাম— ঈশ্বৰে সভাত প্ৰৱেশ কৰিলে; বিভুঃ— ঈশ্বৰ ; প্ৰস্থাপ্য— প্ৰস্থান কৰোৱাই (বিদায় দি); পৌৰজনে— নগৰবাসীয়ে ; "পেখি ভুল ...." — শ্ৰীকৃষ্ণৰ ৰূপ দেখি নগৰীয়া লোকসকল মোহিত হ'ল; [কাব্যত শঙ্কৰদেৱে এই বিষয়ে বহলাই বৰ্ণনা কৰিছে; নাটত অকল এই গীতটোত সেই কথাৰ উল্লেখ কৰিছে।] বয়ন— বদন, মুখ ; [শ্ৰীকৃষ্ণৰ পদুমৰদৰে মুখৰ মৌ পৌৰবাসীয়ে নিজ নিজ চকুৰূপী ভোমোৱাৰে পান কৰিছে। ভোমোৱা পদুমৰ কাষৰ পৰা আঁতৰি নহাৰ দৰে তেওঁলোকৰ চকুও কৃষ্ণৰ মুখ-পঙ্কজৰ পৰা আঁতৰি নহা হ'ল।] নবীন নীৰদ— নতুন ডাৱৰ (ত)।

জৰাসন্ধ— শিশুপাল, জৰাসন্ধ, ৰুক্ম, দন্তবক্ৰ আদি কৃষ্ণৰ বিৰোধী দল। কংস জৰাসন্ধৰ জোঁৱায়েক। কংসক মৰাৰ কাৰণে তেওঁ কৃষ্ণৰ শত্ৰু হৈ ওঠৰবাৰ কৃষ্ণ আৰু যাদবসকলৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰে। সোতৰবাৰ হাৰে কিন্তু শেষৰবাৰ ৰাম-কৃষ্ণ পলাই পৰ্ব্বতত উঠি অলক্ষিতে জাঁপ মাৰি সাগৰত পৰি আত্মৰক্ষা কৰে। জৰাসন্ধৰ সৈন্যই পৰ্বতৰ চাৰিওফালে জুই লগাই দি ৰাম-কৃষ্ণ পুৰি মৰিল বুলি আনন্দেৰে গুচি যায়।

মগধৰ বৃহদ্ৰথ ৰজাই কাশীৰজাৰ দুগৰাকী যঁজা কন্যা বিয়া কৰাইছিল। নিঃসন্তান ৰজাক কৌশিক মুনিয়ে তপৰ বলত সৃষ্টি কৰা পকা আম এটা দিলে ঃ যিটো আম খালে ৰাণীৰ পুত্ৰ হ'ব। বৃহদ্ৰথে দুই পত্নীক সমানে আমটো ভগাই দিয়াত এটা পুত্ৰ সন্তানেই সমানে দুফালহৈ দুয়োৰাণীৰ গৰ্ভত স্থান ললে আৰু যথাসময়ত প্ৰতি গৰাকীয়ে একে সময়তে এফাল দেহৰ জন্ম দিয়াত, লাজ পাই দুয়ো সন্তানৰ অংশ দুটা ধাইৰ হতুৱাই পেলাই দিয়ালে। জৰা নামৰ ৰাক্ষসী এজনীয়ে সন্তানটোৰ দুইটা ফাল খাবলৈ হাতত লওঁতে দুয়োটা অংশ লগ লাগি

এটা ধুনীয়া জীৱন্ত সন্তান হৈ পৰাত ল'ৰাটি নাখাই ৰজা বৃহদ্রথক দিলেগৈ। ৰজাই নিজৰ পুত্র বুলি জানি জৰা ৰাক্ষসীয়ে যোৰা লগোৱাৰ কাৰণে জৰাসন্ধ নাম দিলে।

যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ আৰম্ভণিত কৃষ্ণৰ কৌশলত ভীমৰ হাতত জৰাসন্ধ দুফাল হয় আৰু মৃত্যুৰ মুখত পৰে।

অন্তৰ্গত ভয়ে— ভয় বুকুৰ ভিতৰত ৰাখি [বাহিৰত ভয়ৰ ভাব প্ৰকাশ নকৰি] ; ললিতা লীলয়া— সুন্দৰ লীলা ভঙ্গীৰে; নক্ষত্ৰ মেলে— নক্ষত্ৰৰ মেলাত, নক্ষত্ৰৰ সমাজত ; শোহে— শোভে; কামবাণ— কামদেৱৰ পাঁচপাট ফুলৰ শৰ— সন্মোহন, উন্মাদন, শোষণ, তাপন, স্তম্ভন ; [ফুল— পদুম, অশোক, আম, নৱমল্লিকা, ৰঙাউৎপল।] কৃষ্ণোহ— কৃষ্ণৰো ; ক্ষোভিতং চিত্তং— চিত্ত ক্ষোভিত হ'ল; [ৰুক্মিণীৰ ৰূপত কৃষ্ণৰো চিত্ত ব্যাকুল হ'ল।] স্থিৰং কৃত্বা — স্থিৰ কৰিলে ; জহাৰ তাম্— তেওঁক হৰণ কৰিবলৈ ; দ্বিযতং— শত্ৰুসকলৰ; মৃগানাং— মৃগবিলাকৰ কেশৰী— সিংহ; মৃগ যুথ— মৃগজাক; তদ্বৎ— তেনেকুৱা ; ৰামা— সুন্দৰী ; মধ্যক্ষীণি— মাজ অংশ ক্ষীণ, সৰু কঁকাল; লজ্জিত নয়নে হেৰি— লাজুক চকুৰে চাই। আৱ— আৰু; কতি— ক'লৈ।

ৰাজ্ঞাম্— ৰজাসকলৰ; কল্লোলং— কোঢ়াল ; আটোপে— অহংকাৰ, হুঙ্কাৰ ; বেপিতা — কম্পিতা ; ভীতা— ভয়াৰ্তা ; মনস্যেৱমচিন্তয়ৎ— মনে মনে এনেদৰে চিন্তা কৰিলে। [মনসি + এবং + অচিন্তয়ৎ]; মৌনে বোলল— মনতে ক'লে; ৰঙ্ক— ভাগ্যহীন (ভাগ্যহীনা) হাতে হৰল— হাততে হেৰাল, হাতৰ পৰাই হৰি নিলে; নিধি— ৰত্ন ; 'কাচক .... হৰাই'— ৰুক্মিণীয়ে নিজক কাচৰ লগত তুলনা কৰিছে ; এই কাচডোখৰ নিবলৈ আহি কৃষ্ণ হেন মাণিক যদি হেৰায়— অৰ্থাৎ ৰজাসকলৰ হাতত মৰে; বিৰম্বন— বিৰম্বনা, ছলনা; কিনু— কিনো; পৰশ আশ— স্পৰ্শৰ আশা, সঙ্গ মুখ; হেঠ বয়নে— তললৈ কৰা মুখৰ; জুৰে— বৈ আছে।

ভয় বেপিত চিত্তয়া— ভয় কম্পিত চিত্তা; দ্রুতম— লৰালৰিকৈ ; দৃঢ়ামালিঙ্গ্য— দৃঢ়ভাৱে আলিঙ্গি (সাৱটি); তেজহু— ত্যজা, ত্যাগ কৰাঁ ; জায়া— পত্নী, ভাৰ্যা, দাৰা, জানী; [স্বামীয়ে পত্নীৰ গৰ্ভত নিজে পুত্ৰৰূপে জন্ম গ্ৰহণ কৰে, সেই কাৰণে পত্নীৰ এটা নাম 'জায়া'।] পত্নীয়ে স্বামীৰ ভাই-ককাইৰ মাজত বিভেদৰ সৃষ্টি কৰে সেই কাৰণে পত্নীৰ এটা নাম 'দাৰা'। স্বামীয়ে ভৰণ-পোষণৰ

ভাৰ গ্ৰহণ কৰে, সেই কাৰণে ‘ভাৰ্যা’। ‘পতি’ৰ স্ত্ৰীলিঙ্গ ‘পতী’— ‘পত্নী’।[‘ন’ আৰ্য প্ৰয়োগ।] পতিৰ সুখ-দুখৰ সমান ভাগী কাৰণে পত্নী। যজ্ঞকাৰ্যত সমভাগিনী। জানী— সন্তানৰ জননী।

ভাগৱতৰ মতে শ্ৰীকৃষ্ণ অকলেই ৰুক্মিণীহৰণৰ কাৰণে যোৱা শুনি আৰু তাত বিপক্ষ ৰজাসকল গোট খোৱা শুনি বলোৰামে শ্ৰীকৃষ্ণৰ ৰথৰ পিছে পিছে চতুৰঙ্গ দল লৈ যাত্ৰা কৰে। তেওঁ শ্ৰীকৃষ্ণৰ প্ৰতি স্নেহবশতঃ নিজেই গৈছিল, দৈৱকীমাতৃৰ আদেশত নহয়। মূল ভাগৱতত বলোৰাম সসৈন্যে অহাৰ কথা ৰুক্মিণীৰ দূত বিপ্ৰজনে ৰুক্মিণীকো জনাইছিল আৰু ভীষ্মক ৰজাই ৰাম-কৃষ্ণক যথাযোগ্য সন্মান জনাই বাস-গৃহৰ ব্যৱস্থা কৰি দিছিল। বিৱাহসভাত ৰাম-কৃষ্ণ একেলগে প্ৰৱেশ কৰিছিল। নাটত ৰা ৰুক্মিণীহৰণ কাব্যত দৈৱকীৰ চিন্তা দূৰ কৰিবলৈ বলোৰামে বিখ্যাত বীৰসকলক লৈ ৰুক্মিণীহৰণৰ পিছত যুদ্ধক্ষেত্ৰত কৃষ্ণৰ ৰথৰ কাষ চাপেহি। ইয়াৰ যোগেদি নাটকীয় উৎকণ্ঠাৰ সৃষ্টি কৰা হৈছে। লগতে শ্ৰীকৃষ্ণৰ বিক্ৰম বীৰত্বও প্ৰকাশ কৰা হৈছে। বলদেৱো— বলদেৱ, বলৰাম, হলীৰাম, বলোভদ্ৰ সঙ্কৰ্ষণ, আন আন নাম। বলোভদ্ৰ শ্ৰীকৃষ্ণতকৈ বয়সত ডাঙৰ। তেওঁ বসুদেৱৰ দ্বিতীয় পত্নী, নন্দৰ ভনী ৰোহিনীৰ গৰ্ভত উপজিছিল যদিও প্ৰকৃততে তেওঁ দৈৱকীৰ গৰ্ভতহে প্ৰথমে স্থিত লৈছিল। বিষ্ণুৰ আদেশত যোগমায়াই তেওঁক আকৰ্ষণ কৰি ৰোহিনীৰ গৰ্ভত থয় আৰু যোগমায়া নিজে যশোদাৰ গৰ্ভত স্থিত হয় আৰু বিষ্ণুৱে নিজে দৈৱকীৰ গৰ্ভত কৃষ্ণৰূপত অৱতাৰ হয়। আকৰ্ষণ কৰি নিয়াৰ বাবে বলোভদ্ৰ এটা নাম সঙ্কৰ্ষণ। নাঙল তেওঁৰ প্ৰতীক অস্ত্ৰ। তেওঁক অনন্তনাগৰ অৱতাৰ বুলি ধৰা হয়।

ধনুদ্ধৃতা— ধনুধৰি ; টঙ্কাৰমকৰোদ্ধৰি— হৰিয়ে টঙ্কাৰ কৰিলে; তচ্ছবদমতুলং— তাৰ (ধনুৰ) অতুলনীয় শব্দ ; চকম্পিৰে — কঁপিবলৈ ধৰিলে; মৃতকল্প— মৰাৰ নিচিনা; সখীসৱ সহিতে— নাটত ৰুক্মিণীৰ লগত সখী দুগৰাকীও ৰথত উঠা দেখুৱাইছে। মূল ভাগৱতত এই কথা নাই।

ততোহতি কৌতুকং— তেতিয়া অতি কৌতুকেৰে; সানন্দলীলা গতিভিঃ— আনন্দলীলা গতিৰে; ব্ৰজন— গৈ; কেলিমকাৰয়ৎ— [প্ৰিয়াৰ লগত] ধেমালি কৰিলে।

বিহস্যাহ— হাঁহি হাঁহি ক'লে ; শৃণুৰে— শুন হেৰ; কুলকণ্টক— কুলৰ কাঁইট ; ত্বামদ্য— তোক আজি; নিশিতৈঃ বাণেঃ নয়ামি— চোকা বাণেৰে নিম;

যমমন্দিৰম্— যমৰ ঘৰলৈ ; নন্দক খড়গ— বিষ্ণুৰ (কৃষ্ণৰ) সেই নামৰ অতি তক্ষীধাৰ খড়্গ।

শান্তয়িত্বা— শান্ত কৰি; পশ্চাৎতয়াসহ— পিছত তেওঁৰে সৈতে ; সমৰিৰমৎ — কেলি কৰিলে [সম্ (ধাতু)ৰম্ + লংদ]। ভ্ৰুৰ ভঙ্গিয়া— ভুৰুৰ ভঙ্গিৰে [চকুৰ দৃষ্টিৰে]। মত্ত মাতঙ্গ ..... লাস— বেশয়া— মত্ত হাতীৰ লগত তৰুণী হাতীয়ে (যেনেকৈ) লাস বেশ কৰে— (তেনেকৈ ৰুক্মিণীও কৃষ্ণৰ লগত ৰং-ধেমালী কৰি গৈছিল)। এক ঠাম— একে ঠাই ; বহুতৰ উৎসৱে— বহু + তৰ বহু— বিচিত্ৰ প্ৰকাৰৰ অৰ্থ বুজোৱা হৈছে; দুৰ্বাক্ষত— দুৰ্বা (দুৱৰি) + অক্ষত (আৰৈ চাউল) মাঙ্গলিক কাৰ্য। আজগাম— আহিল ;কৃষ্ণস্যোদ্বাহকাৰণাৎ— কৃষ্ণৰ উদ্বাহৰ (বিৱাহৰ) কাৰণে ; সনাৰদো— নাৰদ সহ; মুদাযুস্ত — আনন্দিত; শ্ৰুৱ— হোমবাৰী ; ধাতা— বিধাতা, ব্ৰহ্মা ; চতুৰ বয়নে— চাৰিখন মুখেৰে।[ব্ৰহ্মাৰ চাৰিখন মুখ]। গৌৰাঙ্গ — গৌৰ বৰ্ণৰ অঙ্গ; [2য় অঙ্গই একে অৰ্থকে বুজোৱাত এই শব্দ অতিৰিক্ত হৈছে।] নাৰদ— ব্ৰহ্মাৰ মানস পুত্ৰ; আগৰ জন্মত দাসীপুত্ৰ ; বিষ্ণুৰ মহাভক্ত ; বাহন ঢেঁকী। হাতত বীণা। 'অসমীয়া' বৈষ্ণৱ সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰিছে বিশেষকৈ টুটকীয়া স্বভাৱৰ বাবে। চিৰকুমাৰ।

শ্ৰীকৃষ্ণ মাথা চুড়ায়া কহু কৰযোৰি— ব্ৰহ্মা নাৰদক দেখি শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীয়ে বহাৰ পৰা উঠি প্ৰণাম জনাইছিল। প্ৰণাম জনাওঁতে মুৰ দোঁ খাই আছিল। প্ৰণামৰ অন্তত মুৰ দাঙি হাত যোৰ কৰি ক'লে। গতিকে 'মাথা চুড়ায়া'। জগতক পিতামহ— [ভগৱানৰ নাভিকমলত প্ৰথম ব্ৰহ্মাৰ জন্ম হয়। ব্ৰহ্মাই ভগৱন্তৰ আদেশত জীৱৰ সৃষ্টি কৰে। তেওঁৰ মানস-পুত্ৰ মনু আৰু কন্যা শতৰূপাৰ পৰা মানুহৰ জন্ম। গতিকে ব্ৰহ্মা মানৱজাতিৰ আৰু জগতৰো পিতামহ]। কুশণ্ডি— কুশেৰে জুখি হোমৰ স্থান নিৰূপণ কৰা কাৰ্য; ৰূপলাৱণ্যসদ্ভুতম্— অদ্ভুত ৰূপলাৱণ্য ; ৰভুৱ— হ'ল ; কামমদন পীড়িতঃ— কাম আৰু মদনৰ অৰ্থ একে হ'লেও ইয়াত কাম শব্দই ভাৱক আৰু মদন্ শব্দই কামৰ অধিষ্ঠাতা দেৱতা বুজাইছে। মুখচন্দ্ৰিকা— কইনাৰ মুখৰ ওৰণি গুচাই দৰা আৰু সমজুৱাই চোৱাৰ ব্যৱস্থা। ৰুক্মিণীয়ে ওৰণি লৈ আছিল। মুখচন্দ্ৰিকা কৰোঁতে অদ্ভুত ৰূপ-লাৱণ্য দেখি ব্ৰহ্মা লুটি খাই পৰিল। [ইয়াৰ দ্বাৰা বিৱাহ কাৰ্যত নতুনত্ব সৃষ্টি কৰি হাঁহিৰ সমল দিয়াৰ উপৰিও 'পিতামহো' ৰুক্মিণীৰ ৰূপত অস্থিৰ হোৱা

দেখুৱাই ৰুক্মিণীৰ অপৰূপ ৰূপ-লাৱণ্যৰ তীব্ৰতা বৃদ্ধি কৰা হৈছে। তাৰ উপৰিও ব্ৰহ্মাৰ চৰিত্ৰৰ দুৰ্বলতাৰ সুযোগো নাট্যকাৰে গ্ৰহণ কৰি ব্ৰহ্মাণ্ডৰে ঈশ্বৰৰ মায়াত মোহিত তাকো দেখুৱাইছে।]

নাৰদ— নাৰদৰ উক্তিয়ে দৰ্শকৰ মাজত নিৰ্দোষ হাঁহিৰ খলকনি তুলিছে। চেতনমালভ্য— চেতন লাভ কৰি; মন্ত্ৰমুদীৰয়েৎ— মন্ত্ৰ উচ্চাৰণ কৰিলে; তদোদ্বাহ বিধৌ— তেতিয়া বিৱাহ কাৰ্য বিধিমতে ; তস্মিন্নুৎসৱঃ— সেই উৎসৱ ; সুমহানভূৎ— সুমহান ভাৱে হ'ল, মহোৎসৱ হ'ল। আঞ্জুলি ভৰি— অঞ্জলি ভৰি, দুহাত ভৰি; সুৰ ৰাই— সুৰ সকলৰ ৰজা [ইয়াত 'সুৰ শ্ৰেষ্ঠ' সকলে। নাইবা 'ৰাই' — ৰমণী অৰ্থও বুজাব পাৰে— সুৰ ৰমণীসকলে।] বাসুকী উৎসুকি .... — পাতালৰ নাগ বাসুকীও গীতৰ সুৰত কৌতূহলী হৈ 'তাল ঠুকি' লে। থমকি নাচে মহেশে— তালে তালে থমকি মহাদেৱে নাচিলে। হাসে সব চাই— (মহাদেৱৰ নাচ চাই) সকলোৱে হাঁহিলে। সিদ্ধ— ত্ৰিকালজ্ঞমুনি, উপদেৱতা বিশেষ; ততোহতি কৌতুকী কৃষ্ণ— তাৰ পিছত অতি কৌতুকী কৃষ্ণই; প্ৰিয়য়া প্ৰেমৰূপয়া— প্ৰিয়াৰ প্ৰেমত আৰু ৰূপত; কুৰ্ব্বন কেলিং মহোৎসাহান— মহা উৎসাহেৰে কেলি কৰিলে ; ৰত্ন মন্দিৰে— ৰত্নখচিত গৃহত প্ৰৱেশ কৰি ; মুমুদে— উপভোগ (আনন্দ) কৰিছিল। অমল— বিমল; লম্বি— ওলোমাই। [সমগ্ৰ মুখমণ্ডলক ধৰি চুমা খাইছে— এনে অৰ্থত।] হেৰি হেৰি— চাই চাই; কুচ কাঞ্চুৰি— স্তনৰ আচঁল ; ফোৰে— ফাৰে, ফালে; কানে— কানুৱে, কৃষ্ণই; অনঙ্গ— কামদেৱ; অনঙ্গ-ৰস-ৰসিক— কামকলা কৌশলী; সাধু — সৎ, পৱিত্ৰ; অধৰ মধু— ওঁঠৰ মৌ। মহা মহোদয়— মহাভাগ্য; পদুমিনী— পদ্মিনী (উত্তম শ্ৰেণীৰ কন্যা)। [চিত্ৰিনী, শঙ্খিনী, হস্তিনী বাকী তিনিশ্ৰেণীৰ কন্যা।] হৰিণা কৃতম— হৰিৰ দ্বাৰা কৰা হ'ল। [ভগৱানৰ কৃপাত]। অস্মিন্নিমিত্তমাত্ৰোহহং— মই ইয়াৰ নিমিত্ত মাত্ৰ; জানন্তীতি মহত্তমাঃ— মহানসকলে এই কথা জানে। ন্যূনাধিক— কম-বেছি— টুটা-বঢ়া। শ্ৰদ্ধায়ে কহে— (নাট গোৱা, অৰ্থাৎ আন পুথিৰ দৰে নাটকো পাঠ কৰাৰ নিয়ম সমাজত আছে। সেই অৰ্থত 'কহে'।) জয় জয়— যাৰ নামে জগতৰ দুখ-যন্ত্ৰণা জয় কৰে, [জন্ম-মৃত্যুৰ দুখ আঁতৰায়] সেই জগত-পিতাৰ কৃষ্ণৰ জয় হওক। অজ— যাৰ জন্ম নাই, [ইয়াত ব্ৰহ্মা আৰু শিৱক বুজাইছে।] মান— ইয়াত দুখ, অসন্তোষ আদি বুজাইছে। হৰযে নাচত হৰ— মহাদেৱেও যাৰ সন্তুষ্টিৰ কাৰণে নাচে ; গৰুড়ক দেখি ..... নাগ— যাৰ

বাহন গৰুড়ক দেখিলেই মহাদেৱৰ দেহৰ নাগবিলাক পলাই যায়।[পলাই গ'ল।] খসল বাঘাম্বৰ ....উজাৰ— নাগৰ বান্ধ নাইকিয়া হোৱাত যাৰ বাঘ-কাপোৰ খহি পৰি দেহা নগ্ন হৈ গ'ল। [হৰতকৈ বিষ্ণু যে শ্ৰেষ্ঠ তাকে মাত্ৰ বুজোৱা হৈছে। আনকি বিষ্ণুৰ বাহনলৈও মহাদেৱৰ সাপে ভয় কৰে। গৰুড় নাগৰ স্বভাৱ শত্ৰু।] 'যোহি জলধি মহ'— বিষ্ণুৰ (কৃষ্ণৰ) ৰাম অৱতাৰৰ কাহিনী। সাগৰত সেতুবন্ধন কৰি যি ৰাক্ষস ৰাৱণক বধ কৰি ভীতা ভক্তা সীতাক উদ্ধাৰ কৰিলে। জলধি— সাগৰ; বহ্নি কৰু পান— বনাগ্নিপানৰ কাহিনী (কালিয়দমনৰ ৰাতিৰ ঘটনা।) পৰধান— প্ৰধান। (শ্ৰীৰামৰায়ে ৰুক্মিণীহৰণ নামৰ প্ৰধান কৃষ্ণ-নাট নিৰ্মাণ কৰাইছে।) 'নামত শৰণ .... ধৰ্ম'— সকলো ধৰ্মই নামধৰ্মত শৰণলয়, নাম ধৰ্ম সকলো ধৰ্মৰ ৰজা। [নাম ধৰ্ম প্ৰচাৰ নাটৰ শেষ উদ্দেশ্য।]

## কালিয়দমন নাট

মেঘশ্যামল মূৰ্ত্তিম্— মেঘৰ নিচিনা শ্যামবৰণীয়া মূৰ্তি; আয়ত মহাবাহু— সবল আৰু বিশাল বাহুযুক্ত; মহোৰঃস্থলম্—মহা + উৰঃ + স্থলম্ = বহল আৰু ওখ বুকুযুক্ত; আয়ত— বিস্তৃত; আৰক্তায়ত— আৰক্ত + আয়ত অলপ ৰঙচুৱা আৰু বিস্তৃত (বৈ পৰা) ; কঞ্জলোচন যুগং— পদুমৰ নিচিনা নয়ন যুগল বিশিষ্ট; কঞ্জ— পদুম; যুগং— যুগল, দুটা; হেম— সোণ; হাৰবলয়ালঙ্কাৰ— হাৰ, খাৰু আৰু অলঙ্কাৰৰ; কান্তি — শোভা (ৰ); দ্যুতিমান— দীপ্তিমান; শাৰদ চন্দ্ৰ সদৃশং— শৰৎ কালৰ পূৰ্ণচন্দ্ৰৰ নিচিনা; হৃদয় পদ্মত; (ক) মহাহিদৰ্পদলন ক্ৰীড়া— মহা সৰ্পক (অহি) দমন কৰা খেলা; অকাৰি— কৰিছিল; যেন— যি জনে; পড্ভাং— ভৰিৰে; মৃদিতম্— মোহাৰি, পাঠান্তৰ / মুদামৰ্দ্দয়ন— আনন্দেৰে মোহাৰি; ভুজঙ্গ ভোগ নিখিলং— সাপৰ আটাইবিলাক ফণা; ভোগ— ফণা; নিখিলং— আটাইবিলাক; পৰংলীলয়া— পৰম ধেমালিভাৱেৰে; অভাজি— ভাঙিছিল; মহা মহা শূৰ চমূ চক্ৰং— মহা মহা বীৰসকলৰ সৈন্যবাহিনীক। অমাৰি— বধ কৰিছিল; মহতে— মহান; তস্মৈ— সেই; নিত্যং নমঃ— সহায় সেৱা কৰোঁ; কালিদমন যাত্ৰা বাৰ্ত্তাং— কালিয়ক দমন কৰা কাহিনী; শ্ৰদ্ধয়া শৃণুধ্বং— শ্ৰদ্ধাৰে শুনাহঁক; নিবোধত— ভালদৰে বুজাহঁক।

যদুকুল কমল প্ৰকাশক— যদুবংশৰূপ পদুমৰ প্ৰকাশক (সুৰ্য);

নিৰজান— নিৰ্যান— নিৰ্গমন, মুক্তি; সায়ক— শৰ; সাৰঙ্গধাৰীঃ— সাৰঙ্গ নামৰ ধনুখন ধাৰণ কৰোতা— শ্ৰীকৃষ্ণ; অৰিষ্ট— কংসই পঠোৱা অসুৰ, যি বৃষ ৰূপ ধৰি গোকুলৰ গোপ-গোপী, গৰু-গাইক ভয় খুৱাইছিল; শ্ৰীকৃষ্ণই তাৰ শিং দুটাত ধৰি মাটিত পেলাই কাপোৰ চেপাদি মুৰ-ডিঙি মুচৰিলে আৰু শিং দুটা তুলি লৈ শিঙেৰেও খুচি খুচি মাৰিলে। মুষ্টিক— কংসৰ বিখ্যাত মল্লযোদ্ধা মুষ্টিকক বলোভদ্ৰইহে মাৰিছিল; কৃষ্ণই লগৰ মল্লবীৰ চাণুৰক মাৰিছিল। মুষ্টিক যদি লিপিকাৰৰ প্ৰমাদ তেনেহ'লে 'মস্তক মোড়ল' হ'লে অৰিষ্ট ঘাৰমূৰ মোচাৰি দিয়া বুজাব। পাঠান্তৰত 'চিৰল কন্ধ মুৰাৰি' শুদ্ধ হ'লে অৰিষ্টক মৰাটোৱে বুজাব। ইন্দ্ৰমদ দূৰ— ইন্দ্ৰৰ অহঙ্কাৰ দূৰ কৰা; গোৱৰ্দ্ধন ধাৰণৰ ঘটনাৰ উল্লেখ; বন্দন দেৱক— দেৱতাৰো বন্দনীয়; সেৱক যাকেৰি সৰ্ব— সকলোৱেই যাৰ সেৱক; গোপমুখে ....গৰ্ব— বিপ্ৰপত্নী প্ৰসাদৰ কাহিনীৰ উল্লেখ; গোপবালক-সকলৰ যোগেদি অন্ন-প্ৰাৰ্থনা কৰি দ্বিজসকলৰ কৰ্ম গৰ্ব ভাঙিলে; গোকুল জন যত তাড়ক মাৰক— গোকুলবাসী সকলোকে অত্যাচাৰ কৰাসকলৰ মাৰক বা মাৰোতা; কুবলয়— কুবলয়পীড় নামৰ কংসৰ বিখ্যাত হাতী, যাৰ মাউতৰ নাম আছিল অম্বষ্ঠ। কংসৰ আদেশত এই হাতীটোৱে কৃষ্ণ-বলোৰামক বধ কৰিবৰ চেষ্টা কৰে। কৃষ্ণৰ হাতত কুবলয়পীড় মৰে।

ধেনুক— ধেনুক নামৰ অসুৰক বলোৰামেহে তালবনত বধ কৰিছিল, কৃষ্ণই নহয়; তাল ফল পাৰি খাওঁতে ধেনুক অসুৰে গাধৰ ৰূপ ধৰি আক্ৰমণ কৰাত বলোৰামে ঠেঙত ধৰি ঘূৰাই মাৰিছিল। (বলোৰামৰ কাৰ্য কৃষ্ণৰ কাৰ্যৰ লগত অভেদ কৰি দেখুৱা অৰ্থত ওপৰত পাই অহা মুষ্টিকৰ কাহিনী লিপিকাৰৰ প্ৰমাদ নহ'ব।) পুতনিকা— পুতনা ৰাক্ষসী; শ্ৰীকৃষ্ণই স্তনত শোহা মাৰি তাইক বধ কৰে। পুতনাই স্তনত বিষ সানি নন্দৰ ঘৰলৈ গৈ শিশুকৃষ্ণক মৰম কৰি স্তনপান কৰাইছিল। এয়া কংসৰে চক্ৰান্ত আছিল। এ দুখ দাহক পাৱক— এই দুখ (সংসাৰৰ দুখ) দহন কৰা অগ্নি; পাৱক— অগ্নি, শোধনকাৰী, শোধক; ভাৱক পুৰক পুনঃমনকাম—ভাবোঁতাসকলৰ পুনৰ মনকামনা পুৰণ কৰোঁতা; যাতক পাতক ঘাতক— যাতনা দিওঁতা পাতকৰ ঘাতক; ৰকতি— অনুৰক্তি, ৰতি; কীট্— পোক-পৰুৱা; পতঙ্গম— ছগা, চৰাই আদি পাখিযুক্ত জীৱ; জঙ্গম— যিবোৰ প্ৰাণীৰ গতি আছে। সঙ্গম ভকতক— ভকতৰ সঙ্গত (ভকতৰ সঙ্গত এই সকলোৱে নিস্তাৰ পায়) কলিমল— কলিকালৰ মল বা পাপ; অনল—

জুই; জানল মানল— জানিলে আৰু মানিলে (সেইমতে বিশ্বাস কৰিলে।); লোই— লোক; মুহ— মুখ; সয়ল— সকল যতয়ে পৰমা .....নাম— যতবিলাক পৰম ধৰ্ম-কৰ্ম আছে সকলোৰে ৰজা নাম (ভগৱানৰ নাম কীৰ্ত্তন শ্ৰৱণ স্মৰণ আদি)। বান্ধৱ মাধৱ— ভগৱানৰ লগত সেৱ্য-সেধকৰ সম্বন্ধৰ উপৰিও সম্পৰ্কত মুক্তি দিব; (দাস্য, সখিত্ব আদিও নৱবিধ ভক্তিৰ ভিতৰুৱা); কৃষ্ণক কিঙ্কৰ কিঙ্কৰ শংকৰ— কৃষ্ণৰ কিঙ্কৰৰো কিঙ্কৰ শঙ্কৰ; 'দাসৰোদাস'— পাঠান্তৰৰ শ্ৰীদাম আদি বাহ্র গোপাল— শ্ৰীকৃষ্ণৰ বাৰজন প্ৰিয় সখাঃ শ্ৰীদাম, সুদাম, পুণ্ডৰীক, দাম, বসুদাম, অংশু, কিঙ্কিনী, কলবিঙ্ক, বিটঙ্ক, স্তোককৃষ্ণ, বিলাসী আৰু ভদ্ৰসেন।

গোবৎসান .....নিনাদয়ন— গোবৎসান— গৰু আৰু গৰুৰ পোৱালিবোৰ; পুৰতঃকৃত্বা— আগতলৈ; গোপাল— শ্ৰীকৃষ্ণ; গোপবালক— গোপসকলৰ পালন কৰোঁতা; গোপৈঃসহ— গোপবালক সকলক লগতলৈ / সৈতে; বেণুনিনাদয়ন— বেণু বজাই; সভাৎ— সভাত; প্ৰবিৱেশ— প্ৰৱেশ কৰিছিল; ধেনু বেণু— গৰুৰ খোজৰ ধূলি; শিখণ্ডক— ম'ৰাৰ পাখি; গণ্ড— গাল; উৰে— পিন্ধে; হেমহাৰ— সোণৰ হাৰ; মঞ্জিৰ— নূপুৰ; ঝুৰাৰে— ঝুৰ ঝুৰ (জুন্ জুন্?) শব্দ কৰে; বৎস বৎসপাল— গৰু-পোৱালি আৰু পোৱালি ৰখীয়াবোৰ; ৱৎসকান্— পোৱালিবোৰক; পালকান্— ৰখীয়াবোৰক; মৃতকান্— মৰিযোৱা সকলক; বিলোক্য— দেখি; অদ্ভুতং খেদং— অতি অদ্ভুতভাৱে খেদ; চকাৰ— কৰিছিল; তদা— তেতিয়া; কৃষ্ণস্য ...সমুত্থিতাঃ।। — অমৃত দৃষ্টিৰে— অমৃত দৃষ্টিৰে; লব্ধপ্ৰাণা— প্ৰাণ লাভ কৰা; কুমাৰকাঃ — গোপবালকসকল; যথা স্বপ্নাৎ সমুত্থিতাঃ— যেন স্বপ্নৰ পৰা সাৰ পাই; নেমু— ফুৰিবলৈ ধৰিলে, ধেমালি কৰিবলৈ ধৰিলে; বিচৰণ কৰিলে। ততঃ কালিয়ভুজগং .....নিসূদনঃ।। ততঃ— তাৰ পিছত; ভৱভাৱন— জগতৰ যি ভাৱক (স্ৰষ্টা); দৈত্য নিসূদনঃ— দৈত্য বধকাৰী; মনশ্চক্ৰে— মন কৰিলে; দূৰীকৰ্ত্তুং— দূৰ কৰিবলৈ; হ্ৰদাৎ— হ্ৰদৰ পৰা; দূৰত বিষ-বীৰ্য— দূৰন্ত বিষশক্তিসম্পন্ন; অনন্তবীৰ্য— অনন্ত শক্তি (ভগৱান); যৈচে নাচে ....চলায়া— যেন চৰণ চৰাই নাচিছেহে; (মাটিত নচাৰ দৰে); তথি— তাত; পীত পিচোৰা— হালধীয়া বৰণৰ কাপোৰ; নৱ— নতুন; ঘন— ডাৱৰ; কৌস্তুভ— শ্ৰীকৃষ্ণই কণ্ঠত পিন্ধা বিশেষ মণিটোৰ নাম; (সাগৰ মন্থনৰ পোৱা এই মণিটো নাৰায়ণে কণ্ঠত ধাৰণ কৰে) নয় সুৰ— নতুন সূৰ্য— পুৱাৰ বেলি; ক্ৰীড়াকৰতু বাৰি— বাৰিক্ৰীড়া— জলক্ৰীড়া কৰিলে; নিশম্য .....অচ্যুতম।।

নিশম্য— শুনি; হ্রদ নিহ্রাদং— হ্রদৰ ঢোৰ শব্দ; সম্বাদং— সম্বাদ, বাতৰি; ত্বৰিতং আগত্য— লৰি আহি; অদংশদচ্যুতম্ অদশৎ— দংশন কৰিলে; (অদৃশ্য ভাবে) অচ্যুতম— কেশৰম; মৰ্মস্থানে— অন্তঃকৰণত, জীৱথকা ঠাইত, হৃদয়ত।

কাল— যম, মৃত্যু; কাল কালি— যমস্বৰূপ কালি নাগ; শ্ৰীবৎস— শ্ৰীকৃষ্ণৰ বুকুত থকা নোমৰ এটা আৱৰ্ত বা গাঁত। এই লাঞ্ছন বা চিহ্ন থকাৰ কাৰণে শ্ৰীকৃষ্ণৰ (বিষ্ণুৰ) এটা নাম শ্ৰীবৎস লাঞ্ছন। অন্তৰীক্ষ, অন্তৰিক্ষ— আকাশ (জীৱ যেন আকাশলৈ উৰি গ'ল।) ; ততো .....যযূৰাকুলাঃ।। তদা— তেতিয়া; নন্দাদয়— নন্দ আদি সকলোৱে; নানাদ্ভুতং দৃষ্টা— নানা ধৰণৰ অমঙ্গলৰ চিন দেখি; মত্বা— ভাবি; দ্ৰষ্টুং— চাবলৈ; যযুঃ— গৈছিল; যযুঃ আকুলাঃ— আকুলহৈ গৈছিল; খোজ গুৰি— খোজৰ গুৰি ধৰি, খোজ চাই চাই; (শ্ৰীকৃষ্ণৰ ভৰিৰ তলুৱাত ধ্বজ, বজ্ৰ, অঙ্কুশৰ চিহ্ন আছিল; গতিকে সেই চিহ্ন বিলাকৰ দ্বাৰা তেওঁলোকে শ্ৰীকৃষ্ণৰ খোজ চিনি পাইছিল; দশন নিষ্পান —দশন নিস্পন্দ— দাঁতে দাঁতে লাগি যোৱা; শোক শল্যেন ধৰ্ষিতা— শোক-শালেৰে আহত বা বিদ্ধ হৈ; সুস্বৰ তীৱং —তীব্ৰ সুৰেৰে, ডাঙৰকৈ চিঞৰি, হুৱাওৱাৰে কান্দি; ৰুৰোদঃ — কান্দিবলৈ ধৰিলে; পতিতা সহসা ভূশম্— হঠাৎ ডাঙৰকৈ (ঠেকেছা খাই) পৰি গ'ল (ভূশম্— ডাঙৰকৈ)। গোৰস— গাখীৰ; আস্ফোট্য — আস্ফালন কৰি; সহসা উত্তীষ্ঠন— হঠাতে উঠি; আচোট— আস্ফোট— আস্ফালন; উৰুফাল দেলহ— উফাল মাৰি দিলে; আটোপ— অহঙ্কাৰ; হাস্ফোলল— আস্ফানল— খুন্দিয়ালে; তাহাক বেঢ়ি— তাৰ চাৰিওফালে; ফোৎকাৰ— ফোঁচ ফোচনি; ততঃ — তেতিয়া ; শিৰাংসি— শিৰ (মুৰ) বিলাকত; পদ্ভ্যামাৰ্দ্য — ভৰিৰে মোহাৰি; সৰ্ব্বকলাদি গুৰুৰীশ্বৰ— সকলো সুকুমাৰ কলাৰ গুৰু ঈশ্বৰ; (ক) গন্ধৰ্ব— স্বৰ্গৰ গায়ক শ্ৰেণী; বিদ্যাধৰ-স্বৰ্গৰ নৃত্য-গীত বিশাৰদ এটি শ্ৰেণী; চেৰলৈয়া— ছেৱে ছেৱে; সিদ্ধসৰ— সিদ্ধ সকল— ত্ৰিকালজ্ঞ ঋষি মুনিসকল; কৌতুক— ধেমালি (কালিৰ মূৰত ভৰি দি নচাটো শ্ৰীকৃষ্ণৰ কাৰণে ধেমালি মাত্ৰ, এই অৰ্থত কৌতুক নৃত্য।); সিৰিষ—শিৰিষ ফুল; পীড়ি— পীড়াদি, যন্ত্ৰণাদি; নাদ— শব্দ; দুন্দুভি— বাদ্যযন্ত্ৰ, প্ৰাচীন ভাৰতীয় ৰণবাদ্য বিশেষ; পৰমগুৰুক— ভগৱানৰ; আপদঔষধ— আপদৰূপ ঔষধ; (গৰ্ব, অহঙ্কাৰ, দম্ভ, অত্যাচাৰ আদি ৰোগৰ নিচিনা সেই ৰোগৰ ঔষধ হ'ল বিপদ-আপদ, যাৰ যোগেদি ভগৱানে সংসাৰীৰ মন ঈশ্বৰমুখী কৰে।); ৰীক্ষ্য— দেখি; মুমুৰ্ষং— মৰোমৰো; গতচেতনম্— চেতনা নাইকিয়া; ভৰ্ত্তুঃ—

ভৰ্তাৰ, স্বামীৰ; কৃষ্ণমভ্যেত্য— কৃষ্ণৰ ওচৰলৈ আহি; তুষ্টুবুঃ— তুতি কৰিছিল; পিউক— প্ৰিয়ক; পৰিয়ে হৰিক আগু— শ্ৰীকৃষ্ণৰ আগত পৰি (সম্ভৱ পাৰত বা পানীৰ তলত)।

পুৰাণ পুৰুষ— প্ৰাচীন পুৰুষ— আদিপুৰুষ (ভগৱান শ্ৰীকৃষ্ণ) কাৰণ— হেতু; কাৰণৰো কাৰণ— সকলো কাৰণৰ মূল কাৰণ; অকাৰণ— কাৰণশূণ্য; (কাৰ্য কাৰণৰ দ্বাৰা সৃষ্টিৰ সকলো বস্তু সৃষ্ট; এই সকলো কাৰণৰ মূল কাৰণ ভগৱান; তেওঁ কিন্তু কোনো কাৰণৰ যোগেদি সৃষ্ট নহয়।) অতৰ্ক্য— যুক্তি-তৰ্কেৰে ঢুকি নোপোৱা; ৰাম কাম অনিৰুদ্ধ বাসুদেৱ— বলোৰাম, কামদেৱ (প্ৰদ্যুম্ন) অনিৰুদ্ধ, বাসুদেৱ; "ভগৱন্তৰ চাৰি বিধ মূৰ্তিৰ কল্পনা কৰা হয়; প্ৰথমবিধ, বাক্য-মনৰ অগোচৰ; দ্বিতীয়বিধ চতুৰ্ব্যুহ; তৃতীয়— বিভূতি মূতি, মৎস্য কুৰ্মাদি; চতুৰ্থবিধ অৰ্চনা মূৰ্তি, শ্ৰীৰঙ্গনাথ, ৱেঙ্কটনাথ।" চাৰিমূৰ্তিৰ বাসুদেৱৰ পুত্ৰ; প্ৰদ্যুম্ন— ৰুক্মিণী-শ্ৰীকৃষ্ণৰ পুত্ৰ, আন নাম কামদেৱ; অনিৰুদ্ধ প্ৰদ্যুম্নৰ পুত্ৰ। "বিষ্ণুমূৰ্তিৰ চাৰি হাতৰ সোঁফালৰ তল আৰু ওপৰৰ হাতত আৰু বাওঁফালৰ তল আৰু ওপৰৰ হাতত শঙ্খ, চক্ৰ, গদা, পদ্ম থকাৰ পাৰ্থক্যৰ দ্বাৰা মূৰ্তিৰ বিভিন্নতা বুজায়; বাসুদেৱৰ হাতত যথাক্ৰমে গদা, শঙ্খ, চক্ৰ, পদ্ম অথবা পদ্ম, চক্ৰ, শঙ্খ, গদা থাকে; সঙ্কৰ্ষণৰ (বলোৰাম) হাতত যথাক্ৰমে গদা, শঙ্খ, চক্ৰ, পদ্ম, অথবা শঙ্খ, পদ্ম, গদা, লাঙ্গল (দ্বিভুজ হ'লে গদা লাঙ্গল); অনিৰুদ্ধৰ হাতত চক্ৰ, গদা, শঙ্খ, পদ্ম, প্ৰদ্যুম্নৰ হাতত গদা, চক্ৰ, শঙ্খ, পদ্ম অথবা পদ্ম, শঙ্খ, চক্ৰ, গদা থাকে।" (ৰাজমোহন নাথঃ কালিয়দমন নাটৰ টোকা); ধাতুপ্ৰাণ— ধাতুত প্ৰাণ; ৰস, তেজ, মাংস, মেদ, অস্থি, মজ্জা, আৰু শুক্ৰক ধাতু বোলে। অহি— নাগ; থিক— হয়; চণ্ড— খঙাল; নিশম্য নাগনাৰীণাং ...সঃ। নিশম্য— শুনি; কমলেক্ষণঃ— পদ্মলোচন; অৱততাৰ— নামি আহিছিল।।

ততো ....মহেশ্বৰম্। শনৈঃ— লাহে লাহে; মত্বা— জানি; নত্বা— নত কৰি দোঁ খুৱাই; তুষ্টাৱ— স্তুতি কৰিছিল; (ক) সন্ধুক্ষণ— অলপ অলপ চেতন পোৱা, নুমাই নুমাই জ্বলি উঠা; ৰীক্ষ্য ...দুৰত্যয়াম্। বীক্ষ্য— দেখি; ততঃ— তেতিয়া; তস্য— তাৰ; জগাদ— ক'লে; তীৰ্ণোহসি— তুমি পাৰ হ'লা; দুৰত্যয়া— সহজে পাৰ হ'ব নোৱাৰা; মাভৈঃ— ভয় নাই; ভুজগ— হে ভুজগ (সম্বোধন); নিশম্য ...মুদা। নিশম্য— শুনি; নত্বা— সেৱা কৰি; মুদা— ৰংমনেৰে; ৰমণকং— ৰমণক নামৰ দ্বীপলৈ; তদা তেতিয়া; যযৌ— গ'ল; কালিন্দি; কালিন্দী— যমুনা

নৈৰ নাম; (কলন্দ পৰ্বতৰ পৰা ওলোৱা নৈ) সমুত্তস্থুঃ— সমানে সাৰ পালে; চুক্রুশুঃ— অনুশোচনা কৰিছিল; সন্নিহিত— ওচৰ; ততোহতিভীতান — তাৰ পিছত আতিকৈ ভয় খোৱা; মুখেনবহ্নিমপিৱৎ— মুখেৰে বহ্নিপান কৰিলে; শ্ৰীকৃষ্ণস্যাদ্ভুতং— শ্ৰীকৃষ্ণৰ অদ্ভুত; সৰ্ব্বেহপি বিস্মিতাঃ— সকলোৱেই বিস্মিত হৈ; অন্যোন্যমিতি— ইজনে সিজনক এইদৰে; প্ৰত্যুচুৰ্ণ— প্ৰতি + উচুঃ = কোৱামেলা কৰিলে।

ৰাদয়ন বেণুং— বেণুবাদ্য কৰি; সাৰ্দ্ধং— লগত; মুদাঃ— আনন্দেৰে; শিঙ্গা— শিঙেৰে সজা বাদ্যযন্ত্ৰ বিশেষ (ম'হৰ শিঙৰ পেপাঁ); ধেনু-ৰেণু তনু— গৰুৰ ধূলিৰে (ৰঞ্জিত) তনু; ত্ৰিভঙ্গিম— তিনি ভাঁজ যুক্ত; ভাৱে— ভাৱত (প্ৰেম ভাৱত); কাণুক— কৃষ্ণৰ; অমল— নিৰ্মল, মলহীন; মুহ— মুখ; হেৰি — চাই, দেখি; লহু লহু— লঘু লঘু, লাহে লাহে।

শ্ৰীৰামৰায়া— শ্ৰীৰামৰায়া বা শ্ৰীজগতানন্দ, শঙ্কৰদেৱৰ ভ্ৰাতৃ আৰু চিলাৰায়ৰ মুখ্য পটেশ্বৰী কমলাপ্ৰিয়া বা ভুবনেশ্বৰীৰ পিতৃ। ধুৱাঁহাটাত ভূএগুসকল থাকোঁতে আহোম স্বৰ্গদেৱ তেওঁৰ কাৰ্যত বিশেষ সন্তুষ্ট হৈ তেওঁক 'ৰামৰায়' নাম বা খিতাপ দিয়ে।* কোনো পণ্ডিতৰ মতে 'দলপতি' খিতাপহে আহোম ৰজাই দিয়ে। ধুৱাঁহাটাত থাকোতে তেওঁ ভূএগুসকলৰ 'দলপতি' আছিল কাৰণে পিছলৈ তেওঁৰ নামৰ আগত 'দলপতি' খিতাপ ব্যৱহাৰ কৰা হৈছিল। আহোম ৰাজ্যৰ পৰা ভূএগুসকল ভটিয়াই আহি পাটবাউসীত (কোঁচ ৰাজ্যত) বসতি কৰাৰ পিছত 'দলপতি' জগতানন্দ, "ৰামৰায়" নাম বা উপাধিৰে জনাজাত হৈছিল। 'কালিয়দমন নাটৰ' কল্যাণ গীতৰ উপৰিও মুক্তিমঙ্গল ভটিমাত তেওঁৰ নাম দ্বিতীয়বাৰ বিশেষভাৱে উল্লেখিত হৈছে ঃ "পাষণ্ড দণ্ডন, মণ্ডন ভকতক, হৰিৰস-ৰসিক সুজান"। ইয়াত তেওঁৰ (সম্ভৱ ৰাজকীয়) ক্ষমতাৰ বিষয়েও ইঙ্গিত দিয়া হৈছে। পাৰিজাত-হৰণ, কালিয়দমন, কেলি-গোপাল, ৰুক্মিণীহৰণ, এই চাৰিখন নাট তেওঁৰ আগ্ৰহ, উৎসাহ আৰু প্ৰেৰণাত ৰচিত আৰু অভিনীতও হৈছিল। পাৰিজাতহৰণত তেওঁৰ নাম শ্ৰীজগতানন্দ আৰু দলপতি জগতানন্দ নামে যথাক্ৰমে কল্যাণ গীত আৰু মুক্তিমঙ্গল ভটিমাত উল্লেখিত হৈছে। বাকী তিনিখন নাটত তেওঁৰ নাম ৰামৰায় বা শ্ৰীৰামৰায় নামে উল্লেখ কৰা হৈছে। গতিকে বাকী তিনিখন নাট বৰপেটা অঞ্চলত থাকোঁতে ৰচনা কৰা বুলি ধৰিব পাৰি।

ভূমিকহুঁ— পৃথিৱীৰ; উত্তাৰল— পাতলালে; নিজ জন— ভক্ত সকলৰ;

শ্বপচ— চণ্ডাল; পাষণ্ড দণ্ডন— পাষণ্ডক দণ্ড দিওঁতা; মণ্ডন— অলঙ্কৃত কৰা; সুজান— সজ্জন; (এই বিশেষসমূহ শ্ৰীৰামৰায়ক দিয়া হৈছে।) ওহি ভৱ— এই সংসাৰ; দুৰ্গম— কষ্টেৰে যাব পৰা, সহজে যাব নোৱাৰা; কৃষ্ণপাদ-পল্লব নাৱ— (এই দুৰ্গম সাগৰ তৰিবৰ একমাত্ৰ নাও হ'ল কৃষ্ণপাদপল্লব।) দেৱক উপৰি ৰাজা মাধৱ— কৃষ্ণ সকলো দেৱতাৰ ৰজা; ধৰমক উপৰি নাম— নাম ধৰ্ম সকলো ধৰ্মৰ ৰজা; কল্পক— কল্পৰ (ব্ৰহ্মাৰ এদিন এৰাতিক এক কল্প বোলা হয়। এক কল্পত 864 কোটি বছৰ।)

## কেলি-গোপাল নাট

শশাঙ্ক— চন্দ্ৰ; স গোপসুনু— তেওঁ গোপ পুত্ৰ (কৃষ্ণ); অকুণ্ঠ বোধা— কুণ্ঠাহীনভাৱে যাৰ বোধ শক্তি আছে; কৰ— কিৰণ; শস্বৎ— নিৰন্তৰ ; কল— মধুৰ, সুন্দৰ; বীক্ষ্যেন্দুমণ্ডলমখণ্ডম— অখণ্ডমণ্ডলচন্দ্ৰ দেখি; অনিশং— অবিৰাম। (নান্দীগীত।)।। ধৱলি— বগা, শুক্ল বৰ্ণৰ; থিক— আছে ; বিপিন— বন; পৰকাশ— প্ৰকাশ (ইয়াত কুসুম ফুলি থকা অৰ্থত) বিলাস— লীলা; পূৰি— পূৰ্ণ কৰি; পঞ্চম— পঞ্চম সুৰত [পা] ব্ৰজ যোষিত— ব্ৰজ ৰমণী; মনসিজ— মদন, কামদেৱ। নান্দী শেষ হোৱাৰ পিছত সূত্ৰধাৰৰ প্ৰৱেশ; সংস্কৃত নাটকত এই ব্যৱস্থা থাকিলেও অঙ্কীয়া নাটত সূত্ৰধাৰেই নান্দী শ্লোক মাতে, নান্দীগীত গায়, [গায়ন-বায়নৰ সহযোগত] আৰু নাট পৰিচালনা কৰে; অলং— পৰ্যাপ্ত, যথেষ্ট, [ইমানেই হ'ব আৰু নালাগে অৰ্থত]।

নাটকং মুক্তি সাধকম— ভগৱানৰ লীলাযুক্ত এই নাটক শুনিলেও মুক্তি লাভ কৰিব পাৰে; পাপী পাৱন— পাপীপাপ শোধন কৰোঁতা, পাপীক ত্ৰাণ কৰোঁতা; যক্ষ— কুবেৰাদি দেৱতা শ্ৰেণী বিশেষ; ৰক্ষ— ৰাক্ষস; কুবলয়— কুবলয়; পীড় নামৰ কংসৰ অতি শক্তিশালী হাতীটোৰ নাম; কংসই এই হাতীৰ দ্বাৰা কৃষ্ণ বলোৰামক বধ কৰিবলৈ নিৰ্দেশ দিছিল। যজ্ঞশালালৈ সোমোৱাৰ বাটৰ মুখত শ্ৰীকৃষ্ণ বলোৰামে এই হাতীক [মাউতকো] বধ কৰে। ধেনুক— ধেনুকাসুৰ; কেশী— কংসই পঠোৱা কেশী নামৰ দৈত্য; ঘোঁৰাৰ ৰূপ ধৰি গোকুলত ত্ৰাসৰ সৃষ্টি কৰাত কৃষ্ণই নিজৰ হাত তাৰ মুখত সুমুৱাই দি বঢ়াবলৈ ধৰে; ফলত দৈত্যই তেজ বমি কৰে আৰু নিজৰ দেহটো দুফাল হৈ যায়। পীন—

কঠিন; পয়োধৰ— স্তন; কৰ-যুগ-শালী— কৰ যুগ যুক্ত; শালী— যুক্ত (প্ৰভাৱশালী, ক্ষমতাশালী আদি শব্দ উদাহৰণ।) আনন্দ-সিন্ধু— আনন্দৰ সাগৰ; সিদ্ধ— ত্ৰিকালজ্ঞ মুনি; যাকৰ— যাৰ; পদদ্বন্দ— পদ দুই। পিউ— প্ৰিয়; এহু— এয়া; তদ্ৰোচিতা— তৎ + ৰোচিতা = মনত লগা; চাৰু— সুন্দৰ; নিতৰাং— অনবৰত; জগৌ — গ'ল ; পা / বিতম্বন— ধ্বনি বিস্তৃতি। অনবৰত মোহ বিস্তৃত কৰি থকা।

অলক্ষিতে— আনে নেদেখাকৈ; [গোপন বাটেৰে]। হাণ্ঠি তে—খোজ কাঢ়োতে; গণ্ড— গাল; লোলে— ওলমে; ধায়া— খৰকৈ, লৰি; গয়োৰে— যায়; কবহি— কেতিয়াও; লোকাই— লোকসকল; পাৰ্শ্বম প্ৰাপ্তা— পাৰ্শ্বম + অপ্ৰাপ্তা = ওচৰ নাপালে; নিৰুদ্ধা— বাধা পাই, আবদ্ধ হৈ; বিজহু— ত্যাগ কৰিছিল। দহনু— দাহিলে; পৰম গতি— মুক্তি; ৰহু— ৰ'ল; শিৰ-শিখৰ-চূড়ামণি— মূৰৰ মুকুটৰ থকা চূড়ামণি; পৰমেশ্বৰ— সকলো ঈশ্বৰ ঈশ্বৰ ; সকল .....পৰমেশ্বৰ— সকলো দেৱতা আৰু অসুৰৰ ঈশ্বৰ বা শ্ৰেষ্ঠসকল মূৰৰ ওপৰৰ চূড়ামণি পাদ-পদ্মত শোভা কৰা পৰমেশ্বৰ (কৃষ্ণ) [সকলোৱে যাৰ ভৰিত পৰি সেৱা কৰে।] সত্বৰে— সোনকালে; পৰিহাস— চাতুৰী বাণী; কটাক্ষে— কেৰাহি চাৱনিৰে; নিৰেধিয়ে— দেখি; উনিকৰ— তেখেতৰ (শ্ৰীকৃষ্ণৰ); দৃষ্টা— দেখিলা; বিকশিতং— ফুলি থকা; প্ৰতিযাতং— উভতি যোৱাঁ; বনাৎ— বনৰ পৰা; দ্ৰুতম্— লৰালৰিকৈ।

গোৰি— নাৰী, ৰমণী; গোৱাৰি— গোৱালী ; কৰবিনা— নকৰিবা; কামিনী— ৰমণী; পৰখো— পৰশো; দিশ পাশা— দিশত আৰু পাশত (ওচৰত)— চাৰিওফালে; হোই— হৈ ; কুল কামিনী— কুল ৰমণী — পৰিয়ালৰ নাৰী; যামিণী— ৰাতি; নিজ পিউ— নিজৰ প্ৰিয়জনৰ; পাশা ওচৰ; পাতক-মতি-ছোড়ি— পাপমতি এৰি; বিপ্ৰিয়— অপ্ৰিয়; পেখয়ে— দেখিও— দেখি; লম্বিত— ওলমি পৰা; ঝামৰি— শুকাই; পদ-নখ-খিতি লেখু— ভৰিৰ নখেৰে মাটিত আঁকি; দেখু— দেখে; আন্ধিয়াৰি— আন্ধাৰ, অন্ধকাৰ; কুঙ্কুম— এবিধ ৰঙা, মূল্যবান, সুগন্ধি লেপন প্ৰসাধন; লোলে— বৈ অহা অৰ্থত (চকুৰ পানীয়ে স্তনৰ কুঙ্কুম বোৱাই নিলে।) তাপিত— সন্তাপিত, বেজাৰ পোৱা; কথংকথমপি— কোনোমতে; তম্ভাই— হেঁচি; কহোঁ— স্বাৰ্থিক প্ৰত্যয় হিচাপে অঙ্কীয়া নাটৰ গদ্যত প্ৰায়ে ব্যৱহৃত প্ৰত্যয়। আঞ্চোৰে— আঁচলেৰে; প্ৰেম-কোপে— প্ৰণয়জনিত

খণ্ডত; কষ্ট-কটাক্ষে— কষ্টেৰে কেৰাহিকৈ চাই।

বুজলোঁ— বুজি পালেঁ; নিকৰুণ বাণী বাণ মাৰল হানি—নিষ্ঠুৰ বাক্যৰ বাণ (আমালৈ) হানিলা; দাৰল— বিন্ধিলে; নকৰহু— নকৰা; জগতবাসা— জগত যাৰ আশ্ৰয়ত (দেহত) বাস কৰিছে; নৱ অনুৰাগ— নৱ প্ৰণয় ; ছোড়ি— এৰি; খোজেক— খোজ + এক পদ-পঙ্কজ-ৰেণু— চৰণ ৰূপী পদুমৰ ৰেণু পদধূলি; ধৰ্ম অৰ্থ চাৰি পদাৰথ— ধৰ্ম, অৰ্থ, কাম, মোক্ষ চাৰি পদাৰ্থ (চাৰি পুৰুষাৰ্থ)। সুখে পাই— যজ্ঞ, ব্ৰত, দেহকষ্ট নকৰাকৈ লাভ কৰে; ৱয়ং— আমি; বিহাতুং— এৰিবলৈ; মোহিত মানসা— মোহিত মনেৰে; ভৃশম্— বাৰুকৈ; ত্যজস্ব মা— ত্যাগ নকৰিবা (মা— নিষেধ) মাধৱ —মা—লক্ষ্মী, ধৱ— স্বামী = লক্ষ্মীপতি = বিষ্ণু = নাৰায়ণ = কৃষ্ণ; আন অৰ্থত মা— নাই, ধৱ— স্বামী— যাৰ ওপৰত কোনো স্বামী নাই; নঃ— আমাক; গীতেন— গীতৰ ধ্বনিৰে (বাঁহীৰ)। যাদৱৰায়— যাদৱৰাজ— যাদৱ শ্ৰেষ্ঠ— কৃষ্ণ [শ্ৰীকৃষ্ণ যদুবংশজ বুলি গোকুলবাসীয়ে নাজানে ; গতিকে ইয়াত কৃষ্ণ অৰ্থতে সাধাৰণভাৱে গোপীসকলে সম্বোধন কৰিছে।] লো— হেৰা; কুসুম-ধনু-মন মোহন-মোহন-মূৰুতি— কুসুম ধনুৰ (ফুলৰ ধেনুশৰ লোৱা কামদেৱৰ) মনকো মোহ নিয়াব পৰা মূৰ্তিযাৰ; অনুচৰী— অনুচৰত স্ত্ৰী লিঙ্গ— আজ্ঞাৱাহী হৈ লগত ফুৰা নাৰী; অনুসৰি— অনুসৰণ কৰি; পৰম প্ৰেম ৰসে আশ— স্বৰ্গীয় বা অপাৰ্থিৱ প্ৰেমৰসৰ (ভগৱৎ প্ৰেমৰ) কাৰণে আশা; [লৌকিক প্ৰেম তেওঁলোকে পাইছেই, এই অৰ্থত।] হৰিষ— হৰিছা, হৰণ কৰিছা; কৈছে— কিয়; কৰসি— কৰিছা; অধৰ সুধায় — ওঁঠৰ অমৃতেৰে; তাৰে— তাপিত হয়; তনুমনু—তনুমন; [তনুৰ লগত মিলাই উকাৰ দিয়া হৈছে] তাহে— তাক [বিৰহৰ দহনক]।

গাৱে গাৱে— প্ৰতি গৰাকীয়ে ; কেলি-কৌতুক— ধেমালি-ৰং (ৰং-ধেমালি) তাহে নাহি বুঝল— তাকে বুজিব নোৱাৰিলা; ক্ৰীড়া-কৌতুক— কেলি-কৌতুক। কাণ— কানাই, কৃষ্ণ; খসল— খহিল; টুটল— চিগিল; ফোড়ল— ফালিলে; কাঞ্চুৱা—কাচলি; চান্দক— চান্দ্ৰক; গৰসি— গ্ৰাস কৰি; সুৰতি ৰসে— প্ৰেম-ৰসে; আখিভঙ্গে— চকুৰ ভঙ্গিৰে ; [শঙ্খচূড় বধৰ ঘটনা মূল ভাগৱতৰ মতে ৰাস-ক্ৰীড়া স্থলিত হোৱা নাছিল ; ৰাস-ক্ৰীড়াৰ পিছত কৃষ্ণ-বলোৰাম যমুনাৰ পাৰত গোপীৰ লগত ৰং-ধেমালি কৰি থাকোতে শঙ্খচূড়ে কেইগৰাকীমান গোপীক হৰণ কৰে। শ্ৰীকৃষ্ণই শঙ্খচূড়ক বধ কৰি গোপীক উদ্ধাৰ কৰে আৰু

শঙ্খচূড়ৰ মূৰৰ মণিটো বলোৰামক উপহাৰ দিয়ে। কেলিগোপাল নাটত শঙ্খচূড়ৰ ঘটনাটো সুমুৱাই দিয়াত নাটকীয় গুণ বৃদ্ধি পাইছে— বিশেষকৈ দৰ্শকৰ মনত উৎকণ্ঠাৰ সৃষ্টি কৰি ঘটনা-বৈচিত্ৰ্য সম্পাদন কৰিছে। অথ + অপি = অথাপি = তাৰ পিচতো; তাস্বয়া ব্যচা— স্বাশাস্য— ভালদৰে আশ্বাস দি (সু + আশ্বাস্য); স্নেহযন্ত্ৰিতঃ— স্নেহযিক্ত হৈ।]

প্ৰৱেশমকৰোৎ— প্ৰৱেশ কৰিলে; ইবাপৰঃ— আন এজন ৰাক্ষসৰ দৰে [শঙ্খচূড় যক্ষ যদিও ৰাক্ষসৰ দৰে গোপীৰ ভয় জন্মাই প্ৰৱেশ কৰিলে।] গোপীভয়ঙ্কৰ— গোপীৰ মনত ভয় ওপজোৱা। উড়ি বাহু— বাহু উড়াই— বাহুমেলি; কায়া— দেহ; থুল— স্থুল— ডাঙৰ; মেদিনী— পৃথিৱী; বীভৎস— কদৰ্য ; বীভৎস ৰস ভাৱনা— ঘৃণনীয় বা কুৎসিৎ ৰস সৃষ্টিকৰা কাৰ্য; অনঙ্গ— কামদেৱ। ৰময়া— আনন্দ দিওঁতাজনে [শ্ৰীকৃষ্ণই] নাইবা, ক্ৰিয়া বিশেষণ ৰূপে ব্যৱহাৰ হ'লে অৰ্থ হ'ব 'আনন্দেৰে'। ৰময়া কৰু— আনন্দেৰে কৰে; কৰ্তা শ্ৰীকৃষ্ণ উহ্য। মেলা— সম্ভৱ সংখ্যাত সৰহীয়া অৰ্থ বুজাইছে। খেলে সঙ্গে.....মেলা— গোপৰমণী সকলেও লগতে ৰঙ্গেৰে খেলিছে; মান— সন্মান চৰ্চন— চৰ্চন শব্দই আলোচনা বুজায়; ইয়াত সেই অৰ্থ বুজোৱা নাই ; মূল শব্দ 'চৰ্বন' হোৱাও অসম্ভৱ নহয়; 'চৰ্চন দান' বোলোতে চোবোৱা (তামোল) দিয়া অৰ্থকে ধৰি ল'ব পাৰি; ঘেৰি— ঘেৰ দি, আবৰি; গৌৰী— ৰমণী; লেসা— লৈলা, ললে; মোৰি— ভাঁজ কৰি; বেকত— ব্যক্ত, প্ৰকাশিত; চৰপটি— চুপতি; ঢঙ্গ— ঢং, ভাঁজ-ভুঁজ। চুপতি মৰা বচনেৰে দেহৰ ভাঁজ-ভুঁজ বঢ়াই তোলে। [কাৰণ কৃষ্ণই কাপোৰ লৈ যোৱাত উদং দেহাৰ গোপীয়ে গা-ভাঁজ কৰি থাকিব লগা হয়। সেই অৱস্থাত কৃষ্ণৰ চুপতি বচনে তেওঁলোকৰ লাজ দুগুণে বঢ়ায়।]

পৰমাণ— প্ৰমাণ; বনচাৰীঃ গোপসকলৰ একমাত্ৰ জীৱিকা গো-পালন হোৱাত উপযুক্ত চৰণীয়া পথাৰ বিচাৰি এঠাইৰ পৰা আন ঠাইলৈ যায়। অনাচাৰী— শুদ্ধ নিয়ম নীতি পালন নকৰা, শুদ্ধ স্বভাৱ-চৰিত্ৰ নথকা [স্ত্ৰীলিঙ্গত] কাম-ভকতিয়ে— সকাম ভক্তিৰে। [গোপনাৰীসকলৰ কৃষ্ণভক্তি কামনাযুক্ত।] 'পত্নীপ্ৰসাদ'ৰ দ্বিজপত্নীসকলৰ ভক্তি নিষ্কাম। নিষ্কাম ভক্তি উত্তম হ'লেও ভগৱানক সকামভাৱে ভক্তি কৰিও ভগৱানৰ কৃপা পাব পাৰে। গোপীসকলেই তাৰ 'পৰমাণ'। গোপ্য— গোপীৰ দ্বাৰা; গোৱিন্দ সন্মান— গোৱিন্দৰ সন্মান; মদমোহিতঃ— অহংকাৰত মোহিত হৈ; চেতসঃ— অন্তৰবিলাক [গোৱিন্দৰ দ্বাৰা

সন্মানিত হৈ অহঙ্কাত মত্ত অন্তৰৰ গোপীসকলে।] হৰিহেলনম্— হৰিক অৱহেলা খৰ্ব্ব বাক্য— অহঙ্কাৰসূচক বাক্য; চক্ৰুস্তা— তেওঁলোকে কৰিছিল। দুৰ্জন ভাৱ— দুষ্ট জনৰ দৰে ভাব [তিৰোতাৰ মাজতো যে দুৰ্জনৰ ভাৱ থাকে গতিকে স্ত্ৰীসঙ্গ যে আদৰণীয় নহয় এনে ইঙ্গিত।] কামধেনু — যি জনী গাই গৰুৱে কামনা কৰা বস্তু দিব পাৰে; পুৰাণ আদিত কামধেনুৰ কথা পোৱা যায় ; চাটু — তোষামোদ। [শ্ৰীকৃষ্ণই গোপীসকলৰ পিছে পিছে চাটু বচন কৈ ঘূৰি ফুৰা কথা মূলত নাই।] 'এ সখি কতনো কয়ালো হামু'। কয়াল— ক'লো; দোখ—দোষ; ৰোখ— ৰোষ, অভিমান; ছোড়— এৰি দিয়া; দেহু— দেখু , দেখা; বিচোৰণ— বিস্মৰণ, পাহৰণ ; হেৰহু— চোৰাঁ; মন মথ— মন্মথ— মদন। সেৰুৱা স্বামীক— আজ্ঞাধীন স্বামীক; পেৰাপাত্ৰক ঝীৱ— বজাঘৰীয়া কাকতপত্ৰৰ গৰাকী বিষয়াৰ জীয়েক। [ডাঙৰ বিষয়াৰ ঘৰৰ ছোৱালীয়ে সেৰুৱা স্বামীক যেনেকৈ গণাগণ নকৰে। সেই সময়তো তেনে 'ঘটনা' চলিছিল নিশ্চয়।] প্ৰেম-ভকতি— গোপীসকলৰ কাম-ভকতি প্ৰেম-ভকতিত পৰিণত কৰাৰ উদ্দেশ্যৰে আৰু তেওঁলোকৰ মনত ঈৰ্ষাৰ অগনি জ্বলাবৰ কাৰণে এগৰাকী গোপীক লৈ শ্ৰীকৃষ্ণ অন্তৰ্দ্ধান হ'ল। গৰ্ব্বং— গৰ্ব্ব (বচন)— বঢ়াবচন; ব্ৰজযোষিতঃ— ব্ৰজৰমণীসকলে; তত্যাজ— ত্যাগ কৰিছিল; ৰোৰুদ— কান্দিবলৈ ধৰিলে, ভীতা— ভয়খাই; হৰেৰ্বিৰহ বিহ্বলা— হৰিৰ বিৰহত কাতৰ হৈ; সস্বৰং— ডাঙৰকৈ; হুৰাওৰাৱে; ৰজন্যাং — ৰাতিখনত; কাহে গয়ো— ক'লৈ গ'লা; হামাৰি— আমাৰ; মধাই— মাধৱ।

"তথালপন্ত্যো....."। লপ্যন্তো— বিলাপ কৰি; অলবন্ধা— লাভ নকৰা, নাপাই। ধৱম্— স্বামী; বিপিনং— জোপোহাক; পপ্ৰচ্ছুস্তৰুৰাজিযু— তৰু বিলাকক সুধিলে; পপ্ৰচ্ছুঃ— সুধিলে। মাধৱী— পাঠান্তৰত 'মাধৱ'। মাধৱ বান্ধৱ মধুসূদন। 'মাধৱী' হ'লে মাধৱীলতাক সম্বোধন কৰি গোপীসকলে কৃষ্ণৰ বাতৰি সোধা বুজাব। 'মাধৱ'ৰ নাম সোঁৱৰোৱাৰ কাৰণে 'মাধৱী'ক এই গুৰুত্ব দিয়া বুলি ধৰিব লাগিব। মধুসূদন— শ্ৰীকৃষ্ণ, (মধুনামৰ দৈত্যক বধকৰোঁতা বিষ্ণু।) চুত— আম গছ; প্ৰকৃততে লতাজাতীয় আমগছকহে চুত বোলা হয়। গছ জাতীয়ক আম্ৰ (আম) বোলে। 'ভকতিক মহিমায়ে কৃষ্ণ ময় দেখল' ঃ কামভকতিৰ ঠাইত প্ৰেম-ভকতিৰ জন্ম হ'ল। এই ভকতিয়ে অহংভাৱ দূৰ কৰাত তদাত্ম্য বোধ হোৱাত প্ৰতি গৰাকীয়ে নিজকে কৃষ্ণ বুলি ভাবিলে। 'কৃষ্ণ চেষ্টা' ঃ নিজকে কৃষ্ণ বুলি

ভাৱ হোৱাৰ পিছত কৃষ্ণই কৰা কামবোৰ নিজেই কৰাৰ চেষ্টা কৰিলে। মত্বাত্মানংহি— মত্ত্ব হৈ নিজকে ; বিজগুঃ— কৰিবলৈ গৈছিল। ভাৱনাঃ— কৃষ্ণৰ ধ্যানত নিমগ্না, তদগতপ্ৰাণা গোপীসকলে কৃষ্ণৰ লীলা বা কাৰ্যাৱলীক নিজেই কৰিবলৈ চেষ্টা কৰাকে ভাৱনা বুলি কৈছে। ভাৱনা বুলিলে ধ্যান বুজায়। এই ভাৱনাই ভাওনা। মন্দৰ — এই নামৰ পৰ্বত। সাগৰ-মন্থন কৰোঁতে মন্দৰ পৰ্বত নাৰায়ণে অনায়াসে আনি সাগৰত মথনি কৰি থাপিছিল। কৃষ্ণৰূপত গোৱৰ্দ্ধন পৰ্বত বাওঁহাতৰ কেঞা আঙুলিৰ ওপৰত সাদিন সাত ৰাতি ছাতিৰ দৰে ধৰি ব্ৰজৰ গোপ-গোপী, জীৱ-জন্তুসকলক বৰষুণ-শিল-ধুমুহাৰ পৰা ৰক্ষা কৰিছিল। শ্ৰীকৃষ্ণই 'ব্ৰহ্মৰূপীসনাতন' সাকাৰ ব্ৰহ্ম, অৰ্থাৎ নাৰায়ণ। কীৰ্তনৰ আৰম্ভনিতেই এই কথা কোৱা হৈছে। গোৱৰ্দ্ধন পৰ্বত ধাৰণ মন্দৰ পৰ্বত দাঙি অনাৰ দৰেই কাৰ্য, সেই কথা আকৌ এবাৰ সোঁৱৰাই দিয়াৰ উদ্দেশ্যৰেই ইয়াত মন্দৰ পৰ্বতৰ নাম উল্লেখ কৰিছে। ইন্দ্ৰক গৰ্বঃ গোৱৰ্দ্ধন ধাৰণ কৰি ইন্দ্ৰৰ অহঙ্কাৰ নাশ কৰিলে। ইন্দ্ৰই শ্ৰীকৃষ্ণই সেৱা কৰিলেহি। গোপীক উৰলে বান্ধয় টানি — এগৰাকী গোপী যশোদা হৈ আন এগৰাকীক কৃষ্ণ বুলি ভাবি উড়লত বান্ধিবলৈ চেষ্টা কৰিলে। উৰুখল — উৰল। পৰম ভাগ্যৱতী গোপীসৱ — অনাচাৰী, বনচাৰী, গোপীসকল ভগৱানক ধ্যান কৰি ভকতি প্ৰমত্তা হৈ পৰিল। এই মহাদয় বা মহৎ সৌভাগ্যৰ অধিকাৰিণী হ'ব পাৰিলে হৰি ভকতিৰ দ্বাৰা। সেইবাবে তেওঁলোকক পৰম ভাগ্যৱতী বুলিছে। কণ্টকে বেধল — কাঁইটে বিন্ধিলে। বোকে — বোকোচাত; চৰসিয়া — উঠাহি।

"গোপীনাথ লীলা জানব....."। চৌধয়ভুৱন। সাতখন স্বৰ্গ — ভূঃ, ভুবঃ, স্বঃ, বিষ্ণুৰ বাহন। কৃষ্ণ অৱতাৰত গৰুড়ৰ মূৰ্তি শ্ৰীকৃষ্ণৰ ৰথদণ্ডত লগোৱা থাকে। শ্ৰীকৃষ্ণই বিষ্ণু বা নাৰায়ণ, গতিকে গড়ুৰ পক্ষী তেওঁৰ বাহন। সো হৰি গোপিনী বাহনে — সেইজন (গৰুড়ত উঠি ফুৰা জন হৰিয়ে গোপিনীক বহন কৰিছে। বাহনে — বহন কৰিছে, বৈছে। কিনা ভেলি — কিনো হ'লাঃ ভকত-বান্ধৱ হ'বলৈ গৈ কি কামযে কৰিছা, এনে বিস্ময়ৰ ভাব। কিন্তু এয়া যে কামাতুৰ পুৰুষৰ অৱস্থা তাকে দেখুৱাবলৈহে ভগৱানে গোপীক বোকোচাত বান্ধি নিছে ; এই কথা ঠিক পিছতে সূত্ৰধাৰৰ কথাত প্ৰকাশ কৰিছে। তন্মান দৰ্পিতা — তেওঁৰ মান পাই অহঙ্কাৰী হৈ উঠি। কৃষ্ণস্য স্কন্ধমাৰুঢ়ং — কৃষ্ণৰ কান্ধত

* **কথা-গুৰু** চৰিতৰ মতে বঁটা-বাহন দি 'ৰামৰায়' নাম দি থৱালেনি।

আৰোহণ কৰিবলৈ। গত্বা — গৈছিল ; দুঃস্বভাবতঃ — দুষ্ট স্বভাবৰ কাৰণে। (দুৰ্জন ভাবৰ কাৰণে)।

একুশ্বৰী — অকলশৰীয়া [গোপী সংখ্যাত বহুত হ'লেওশ্ৰীকৃষ্ণৰ লগত নথকাত 'অনাথিনী', গতিকে একেশ্বৰী।] আন্ধা — অন্ধ; দুই চকুহীনা; ধান্ধা — ধান্দা, একান্ত হেঁপাহ; মোৰঃ — সকলো গোপীৰ অন্তৰৰ দুখ অধিক হ'লেও, এই দুখৰ বেদনা প্ৰত্যেকৰে সুকীয়া; গতিকে 'আমাৰ' নুবুলি 'মোৰ' এই একবচন ব্যৱহাৰ ; একুশ্বৰী — অকলে ; [আগৰ গীতত এই শব্দই সকলো গোপীকে বুজাইছিল। ইয়াত প্ৰকৃত অৰ্থত ব্যৱহাৰ কৰা হৈছে।]

[তেওঁৰ বচন শুনি গোপীসকল কৃষ্ণ-দৰ্শনত নিৰাশ হৈ আকৌ যমুনা পুলিনলৈ উভতি গোৱিন্দৰ গীত গাই কৃষ্ণক পোৱাৰ চেষ্টা কৰিবলৈ ধৰিলে।] পুলিন — নদীৰ মাজৰ পৰা ওলোৱা মাটিখণ্ডক পুলিন বোলা হয়। বালিচাৰ। জগু — গৈছিল। তাহাক — কৃষ্ণৰ লগত যোৱা পিছত অকলশৰীয়া হোৱা সেই গোপী গৰাকীক। শ্লোকত বা গোপীৰ সম্বোধনত সেই গোপীৰ নামযে 'ৰাধা', তাৰ ক'তো উল্লেখিত হোৱা নাই। লে — লৈছা, লোৱা; দে — দিয়া; আধাৰু — আধাৰ, ভেটি ; দৰশ — দেখুওৱাঁ ; সৰস — ৰসাল। সম্পূৰ্ণ [সৰ্বগুণসম্পন্ন] ; অখন — এতিয়া ; বৃষ্টি — বৰষুণ ; গোৱৰ্দ্ধন ধাৰণৰ কথাৰ ইঙ্গিত দিয়া হৈছে; বহ্নি — বনাগ্নিৰ পৰা গোপ-গোপী সকলক শ্ৰীকৃষ্ণই উদ্ধাৰ কৰাৰ কাহিনী, বনাগ্নিপানৰ ইঙ্গিত ; পুৰে — পূৰণ কৰে ; অধৰামৃতে — ওঁঠৰ অমৃতেৰে ; [অধৰ — তল ওঁঠ] জীৱাৰাসিন্ন — জীৱাৰ আসিয়া — জীউৱা আহি।

কৰুণা-সিন্ধু — কৰুণাৰ সাগৰ ; লেহুঁ — লোৱাঁ ; কতিলাই — কি লাগি, কি কাৰণে ; তেজলি — ত্যাগ কৰিলা; দেসি — দেহি — দিয়াঁ; মুগুধা — মুগ্ধা — মোহিতা, বিহ্বলা, মূৰ্খ সৰলা; [কাব্যত মুগ্ধা নায়িকা — নায়কৰ প্ৰতি একান্ত বিশ্বাসপৰায়ণ নায়িকা; লাসে লাসে — লাহে লাহে, আলসুৱা ভাৱে, আলফুলকৈ ; মৰম চড়ল — হৃদয়ৰ আঘাত বেছি হ'ল; মৰম — মৰ্ম, অন্তৰৰো অন্তৰৰ কোমলতম স্থান।] উৰ্মি — ঢৌ; গোপী প্ৰেমাকুলঃ — গোপীৰ প্ৰেমত আকুল (হৈ); বাৰি পূৰিতলোচনঃ — চকুপানীৰ ওপচায় ; আৱিৰ্ভূত হ'ল, দেখা দিলে ; সাক্ষাৎ — স্বয়ং ; মদন মোহন — মদনকো মোহনিয়া (ৰূপ লৈ); দ্ৰৱিল — গলি গ'ল ; কোটি-কন্দৰ্প — কোটিজন

(অসংখ্য) মদন ; দলনু — দলন কৰা; [কোটিজন মদনৰ ৰূপৰ দৰ্প দলন কৰিব পৰা সৌন্দৰ্যেৰে।] প্ৰেম-সুধা — প্ৰেম অমৃত; বেকত — ব্যক্ত — [প্ৰকাশিত গোপীৰ পৰা কাষে কাষে কৃষ্ণ আঁতৰি যোৱা নাছিল। গোপীৰ কাষে কাষে অদৃশ্য ৰূপত আছিল। গতিকে আঁতৰৰ পৰা আহি ওলোৱা নাই, গোপীৰ চকুত দৃশ্যমান হ'ল। ইয়াত গোপীয়ে অন্তদৃষ্টি লাভ কৰা ভাবো প্ৰকাশিত হৈছে। তেওঁলোকৰ অন্তৰতো শ্ৰীকৃষ্ণ ব্যক্ত হৈছে।] মণ্ডিত — শোভিত; ৰুচিৰ — ৰুচিকৰ, সুন্দৰ ; জগৃহুঃ — গ্ৰহণ কৰিছিল; সহসা + উত্থায় = তৎক্ষণাৎ উঠি। [মদন বা কামেদেৱে এজন কিয়, অসংখ্য জনেও শ্ৰীকৃষ্ণৰ অন্তৰত কামভাৱ জগাব নোৱাৰে — যেনেকৈ এজন মদনেই ব্ৰহ্মাৰ অন্তৰত আৰু শিৱৰ অন্তৰত [আন প্ৰাণীবাদেই] জগাব পাৰিছিল। গতিকে কামভাৱত শ্ৰীকৃষ্ণই গোপীৰ লগত কাম-কেলি কৰা নাছিল।] বেণু বাৱত আৱত — বেণু বজায় আহে ; মঞ্জীৰ ঝৰয়ে — (ভৰিত) নূপুৰ ওলমে; [খোজত নূপুৰৰ ধ্বনি উঠে।] ত্ৰিভুৱন — স্বৰ্গ, মৰ্ত্য, পাতাল।

তেৰি যৈচন ৰীত — তোমাৰ যেনেকুৱা ৰীতি; একু তিল — এক ভিলো, তিলমানো ; ভীত — ভয়; [ভয়খোৱা অৰ্থত ভীত হোৱা বুজালেও ইয়াত ভয় অৰ্থত ব্যৱহৃত।] না দেসি — নি দিলা; এতি বেৰি — অত বেলি — ইমান সময়লৈকে; 'হে স্বামী, তোহোঁ কপট কয় নিশি হামাক বন মধ্যে তেজল' — কৃষ্ণক ইমান সময় বিচাৰি, কৃষ্ণ-প্ৰাৰ্থনা, কৃষ্ণ ভাৱনা কৰাৰ পিছত হঠাৎ কৃষ্ণক পাই গোপীসকলৰ বাকৰুদ্ধ হৈছে। মাত্ৰ এবাৰ উক্তি তেওঁলোকৰ মুখত দিয়াতো স্বাভাৱিক হোৱাৰ উপৰিও গোপীসকলৰ মনৰ সকলো দুখ-বেদনাৰ প্ৰকাশক হৈছে। পীতবাসসা — পীতবসনৰ আগেৰে ; মাৰ্জয়ম — মচিলে ; আশ্বাস্য — আশ্বাস দি [গোপীৰ কাৰুণ্য দেখি কৃষ্ণই লোতক ভৰা চকুৰে পীতবসনেৰে (তেওঁলোকৰ) মুখ মছি আশ্বাস দি ক'লে।]

ঐচন বচন — এনে ধৰণৰ (নিঠুৰ) বচন ; সহজে নাসহে হৃদি মোৰঃ সহজে — স্বভাৱেঃ স্বভাৱতেই মোৰ হৃদয়ৰ নসহে; ভকতি শুজয়ে নাহি পাৰি — ভক্তিৰ বিনিময়ে দিবলৈ একো নাই; এই ধাৰ শুজিব নোৱাৰোঁ ; ভকতক দুখ দেখি হৃদি সহয়ে নাহি — ভক্তবৎসল ভগৱানৰ অন্তৰ ভকতৰ দুখত দুখী হয়। এয়ে ভগৱানৰ স্বভাৱ। আগৰ শাৰীত পাই অহা, সহজে নামহে হৃদি মোৰ'ৰ এয়ে মৰ্ম। অসূয়া — ঈৰ্ষা, পৰশ্ৰীকাতৰতা, গুণত দোষ আৰোপ কৰা; [ইয়াত

গুণত দোষ আৰোপ কৰা বা খং-অভিমান কৰা বুলি অৰ্থ কৰিব লাগিব।] ক্ৰীড়াক প্ৰৱেশল — ৰাস-মণ্ডলত প্ৰৱেশ কৰিলে; বিহসি হাসি বদনে — হাঁহি থকা (প্ৰসন্ন) মুখত সুস্পষ্টভাৱে হাঁহিটো প্ৰকাশ কৰি; কঙ্কন — খাৰু ; কাহুঁ — কোনোৱে ; কাকু — কাকুতি, মিনতি [হাত যোৰ কৰি কাকুতি কৰে] ; অতি — বেছি ; কৌতুকোদ্ৰেকং — কৌতুক উদ্ৰেক কৰি, কৌতুকজগায়; নিশাম্য — প্ৰশমন কৰি ; কামক্ৰীড়ামাৰভত — কামক্ৰীড়া আৰম্ভ কৰিলে; অচ্যুত — সকলো ঠাইতে স্বৰূপৰ পৰা চ্যুত নহয় যি — ভগৱান শ্ৰীকৃষ্ণ; ভগৱান — ভগ — ঐশ্বৰ্য, বান — যুক্ত; ঐশ্বৰ্য, বীৰ্য, যশ, শ্ৰীজ্ঞান আৰু বৈৰাগ্য এই ছয় শক্তিৰ পূৰ্ণ বিকাশ যি জনৰ হৈছে তেৱেঁ ভগৱান। শ্ৰীকৃষ্ণ।

যত গোপী তত মুৰুতি হৈয়া — প্ৰত্যক গোপীয়ে শ্ৰীকৃষ্ণক সুকীয়াকৈ লৈ খেলিছিল। শ্ৰীকৃষ্ণই যত গোপী তত মূৰ্তি ধৰিছিল একেসময়তে। যোল্ল হেজাৰ গোপীক বিধিমতে বিৱাহ কৰোতেওঁ একে সময়তে বিৱাহ-কাৰ্য কম্পন্ন কৰিছিল একে মূৰ্তিৰেই। 'কীৰ্ত্তন'ৰ নাৰদৰ কৃষ্ণ-দৰ্শনত নাৰদ মুনিয়ে কম সময়ৰ ব্যৱধানত একে কৃষ্ণক বিভিন্ন পত্নীৰ ঘৰত কেঁচুৱা ওমলোৱা, ছোৱালী বিয়া দিয়া আদি বিভিন্ন কাৰ্যত ৰত হৈ থকা দেখিছিল। এয়া ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন অৱতাৰ নহয়, নাইবা যোগৰ বলত যোগীসকলে একে সময়তে বিভিন্ন ঠাইত থাকিব পৰা ক্ষমতাও নহয়। শাস্ত্ৰমতে এয়ে ভগৱান শ্ৰীকৃষ্ণৰ প্ৰকাশ মূৰ্তি। যোগীসকলে ধৰা বিভিন্ন মূৰ্তিক কায়ব্যূহ বোলা হয়। [শ্ৰীমদ্ভাগৱত দশমস্কন্ধঃ ৰাসলীলা খণ্ডঃ পণ্ডিত প্ৰৱৰ শ্ৰীমৎ কৃষ্ণ চন্দ্ৰ স্মৃতিতীৰ্থৰ দ্বাৰা সম্পাদিত]। 'ভুৱন ভুলায়া .....'। যৈচে হেম মণি ..... — যেনেকৈ সোণৰ মাজে মাজে মৰকত মণি প্ৰকাশ কৰে। [তেনেকৈ গোপীসকলৰ মাজত কৃষ্ণই প্ৰকাশ কৰিছিল।]* সুৰ ৰমণী পৰ তোলে — দেৱতাৰ নাৰীসকলৰ ভোল হৈ পৰিল। পনু শঙ্খচূড় যক্ষঃ — দ্বিতীয়বাৰ শঙ্খচূড় আহি গোপীৰ মাজত ভয়ৰ সৃষ্টি কৰিলে।

মেহু — মেঘ ; কৃষ্ণৰ অসংখ্য মূৰ্তি মেঘৰ দৰে। গোপীসকল যেন তাত বিজুলী। 'প্ৰকাশৈ বিজুলী যেন তাতে গোপীচয়' — কীৰ্ত্তন। নিকৰে — সমূহে, সকলোৱে। [নৃত্যৰতা গোপী সকলোৱে একেলগে গীত গাই থাকিল।] ভূলি — ভোলগৈ ; শশধৰ — শহাৰ চিহ্ন ধাৰণ কৰা — চন্দ্ৰ; তম্ভিত — স্তম্ভিত খুঁটাৰ দৰে হোৱা — বৈ যোৱা চন্দ্ৰই ভোল গৈ একে ঠাইতে ৰথ

ৰখাই দিলে। 'ক্ৰীড়া দেখি চন্দ্ৰ কামে বিমোহিত আতি। স্তম্ভাইলন্ত ৰথ নুপুহাই সিটো ৰাতি।।' — কীৰ্ত্তন। চন্দ্ৰ পুৰুষ যদিও সেই মুহূৰ্তত নিজে গোপী হৈ ভগৱানৰ লগত ৰাস-কেলি কৰিব ; এনে ভাৱত কাম বিমোহিত হৈছিল। 'দশম'ৰ পদত 'কাম বিমোহিত'ৰ ঠাইত 'ভৈলা বিমোহিত'। একমাত্ৰ ভগৱন্তই পুৰুষ, বাকী সকলো সৃষ্ট বস্তুৱেই প্ৰকৃতি। সেইফালৰ পৰাও চন্দ্ৰও এনে কামনাৰ ব্যাখ্যা দিব পাৰি। 'সুৰ-সেৱিত শ্ৰীকৃষ্ণ....'। সুৰ সেৱিত — দেৱতাই সেৱা কৰা [ৰাস ক্ৰীড়াৰ সময়ত আকাশত দেৱতাসকল সপত্নীক উপস্থিত আছিল। দেৱতা সকলে পৰম বিস্মিত হৈ ভগৱান শ্ৰীকৃষ্ণক দূৰৰ পৰাই সেৱা জনাইছিল। ভগৱান শ্ৰীকৃষ্ণ সুৰাসুৰ সেৱিত হ'লেও বৰ্তমান পাঠত সেই কাৰণেই 'সুৰ সেৱিত' বুলি কোৱা হৈছে।] ক্ৰীড়া-পীড়াতুৰা — ক্ৰীড়া-পীড়িত, ধেমালী কৰি কৰি ভাগৰি পৰা। গোকুল যোষিত — গোপাঙ্গনা; সেকু — সমৰ্থ হোৱা ; নৈৰ — নোৱাৰিলে (সমৰ্থ নহ'ল) উৰ্দ্ধতুং — তুলি আনিবলৈ, উদ্ধাৰ কৰিবলৈ ; মেখলা — কটিবন্ধনী। (পুৰুষ আৰু স্ত্ৰী উভয়ে কঁকালত বেষ্টানি স্বৰূপে ব্যৱহাৰ কৰা ৰত্নখচিত অলঙ্কাৰ; শিথিল — ঢিলা ; টুটি — খহি। 'কৰত সুৰত কেলি ....'। সুৰত-কেলি — কাম-ক্ৰীড়া; ডোলে — বিছে; বিন্দু — টোপাল; কৰ পঙ্কজ জল মাজে — পদুমৰ নিচিনা (গোপীৰ) হাত শ্ৰীকৃষ্ণই নিজৰ দুই হাতৰ মাজত ল'লে; কেশ কেশৱ বান্ধে হাতে — কেশৱে নিজ হাতে কেশ বান্ধে।[ব্ৰহ্মা, বিষ্ণু, শিৱ তিনিওকে সামৰাজন হ'ল নাৰায়ণ বা কেশৱ। (কৃষ্ণ) সেই কৃষ্ণই নিজ হাতে সাধাৰণ গোপীৰ চুলি বান্ধেঃ ভক্ত বৎসলতাৰ প্ৰমাণ।] তৰসা — দ্ৰুতভাৱে, হঠাতে; জহাৰ — হৰণ কৰিলে ; কাম বিমোহিতং — কামমোহিত হৈ ; কৃত কৌতুকে — কৌতুক কৰি থাকোতে।

গীত।। (পয়াৰ) — মোড়ব ঘাড় — ঘাড় মুচৰিম। তৰাসে — ত্ৰাসে; জনিল — জন্মিল। পুৰুষ পুৰাণ — পুৰাণ পুৰুষ, আদি দেৱ, (শ্ৰীকৃষ্ণ) ; তসু — তাক ; তাহেক ৰত্ন চূড়ামণি — শঙ্খচূড়ৰ মূৰৰ মণি; [এই সম্পৰ্কীয় কাহিনী আগতে দিয়া হৈছে। নাট্যকাৰে স্বাধীনতা লৈ এই মণি গোপীক উপহাৰ দিয়া দেখুৱাইছে।] নিহত্য— হত্যাকৰি ; গোপী হৰ্ত্তাৰং যক্ষং — গোপী এগৰাকীক হৰণ কৰি নিয়া যক্ষক ; স্ত্ৰীভিস্ততো হৰিঃ — হৰিয়ে তেতিয়া স্ত্ৰীসকলেৰে সৈতে ; জল-ক্ৰীড়া — পানীত নামি কৰা ধেমালি, জল-কেলি ; সমাৰেভে — আৰম্ভ কৰিলে ; ৰময়াকে মুহ — কৃষ্ণৰ মুখ ; দাৰল —

বিন্ধিলে ; তাৰু — ত্ৰাণ কৰাঁ ; তাৰু তাৰু — তীব্ৰতা বুজাবলৈ দুবাৰ ব্যৱহাৰ।

নয়নভৃঙ্গ — নয়ন ভোমোৰা ; ভৰি — পূৰ্ণ কৰি ; [কৃষ্ণৰ মুখৰূপী পদুমৰ অমৃত চকুৰূপী ভোমোৰাই হেঁপাহ পলুৱাই পান কৰিলে।] সুৰভি কুসুম — সুগন্ধি ফুল ; এবং — এই প্ৰকাৰে ; ভগবান্নাহ — ভগবান্ + আহ = ভগৱানে ক'লে ; ব্ৰজযাতা অৱলাদ্ৰুতম — ৰমণীসকল ব্ৰজলৈ সোনকালে যোৱাঁ ; ব্যতিতা — পাৰ হ'ল ; যাৱত প্ৰসন্ন নাহি হয় — মুকলি নৌহওঁতেই — পোহৰ নৌহওঁতেই ; যাৱত — যেতিয়ালৈ ; প্ৰসন্ন — মুকলি (পোহৰ) ; গৌৰী — মহিলা ; পুৰতি — পূৰ্ণ হয় (চলচলীয়া) ; পুত মাথে — পুতেকৰ মূৰে [শপত দি] ; বৈৰি নিশি — ৰাতি শত্ৰু, কিয়নো সোনকালে শেষ হ'ল; আন্ধিয়াৰি — আন্ধাৰ ; মাই মাই — [ইয়াত 'মাই' বুলি যশোদা বা আন মাতৃস্থানীয় গোপীক সম্বোধন কৰিছে।] বিছুৰি — বিছোড়ি — এৰি, আঁতৰহৈ ; কেলি-কদম্বক মূলে — কেলি-কদম্বৰ গুৰিত; কেলি-কদম্ব — নীপ; [যি কদম্বৰ ফুল সৰু তাক কেলি-কদম্ব বা নীপ বোলে।] ; ধৰত তৃণ দসনু — দাঁতত তৃণ ধৰি থাকে ; (খাবলৈ পাহৰি যায় ; তম্ভিত তৰঙ্গিনী —নৈ ব'বলৈ এৰি বৈ যায় ; (তৰঙ্গিনী — নৈ) ইয়াত যমুনাকে লক্ষ্য কৰা হৈছে।) পুলক কমল-কোল দোলে — পুলকিত হৈ পদুম আদি পানীৰ ফুল বিলাক দুলিবলৈ ধৰে ; ৰস-ভোলে — প্ৰেমৰসত মুগ্ধা হৈ। [বেণুৰৱশুনি হৰিণীয়ে নিজৰ দেহাকো পাহৰি ৰসত মজি থাকে।]

ওহি কামজয় কেলি-গোপাল নাম নাটক — এই কামজয়কাৰী কেলি-গোপাল নামৰ নাটক।

কামজয়— 'অৱৰুদ্ধ সৌৰতঃ চৰম ধাতুঃ নতু
স্খলিতো যস্যেতি কামজয়োক্তিঃ' - শ্ৰীধৰস্বামী

ৰাস-ক্ৰীড়াত শ্ৰীকৃষ্ণৰ চৰম ধাতু স্খলিত হোৱা নাছিল। গতিকে শ্ৰীকৃষ্ণই কামদেৱক জয় কৰিলে। তাৰ উপৰি 'যি সকলে শ্ৰদ্ধাৰে ব্ৰজাঙ্গনাসকলৰ লগত শ্ৰীকৃষ্ণৰ এই ৰাসলীলাৰ কাহিনী আৰু তেওঁৰ আন লীলা-কাহিনী সদায়ে শ্ৰৱণ-কীৰ্তন কৰে [শুনে আৰু বৰ্ণনা কৰে], তেওঁ সোনকালে বীৰত্ব লাভ কৰি [সকলো চঞ্চলতা দূৰ কৰি] ভগৱান শ্ৰীকৃষ্ণত পৰাভক্তি (শ্ৰেষ্ঠা ভক্তি) লাভ কৰি হৃদয়ৰোগৰূপ কামাদি দুৰ্বাসনা অচিৰেই পৰিত্যাগ কৰিব পাৰে [ভাগৱতৰ মূল শ্লোকৰ সৰল ভাঙনি।] শ্ৰীধৰ স্বামীয়ে টীকাত ভগৱানৰ 'কামবিজয়ৰূপ

ৰাসক্ৰীড়া' বুলি কৈছে।

'দশমৰ' পদত ঃ 'ইটো কামজয় নাম কৃষ্ণকেলি অনুপাম
আক শুনৈ ভণৈ যিটোজনে।
হেলায়ে জিনিবে কাম দুখ হুইব উপশাম
তাক পীড়া এৰিব মদনে'।।

আকৌ ঃ গোপী গোপালৰ কাম কেলি ইটো
শুনে ভণৈ যিটো জনে।
কামকো জিনিবে অল্পতে বাঢ়িবে
ভকতি কৃষ্ণ চৰণে।।

'কীৰ্ত্তন'ত ঃ ইটো ৰাস-ক্ৰীড়া কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।।
আক শুনৈ ভণৈ যিটোজনে অবিশ্ৰাম।
বাঢ়িবে ভকতি অতি জিনিবেক কাম।।

শ্ৰীমন্ত শঙ্কৰদেৱে মূল শ্লোকৰ এনে ভাঙনি কৰি গৈছে। 'কীৰ্ত্তন'ৰ আন এঠাইত কৈছে ঃ

শৃঙ্গাৰ-ৰসে যাৰ আছে ৰতি
আকে শুনি হৌক নিৰ্মল মতি।।

ইয়াৰ দ্বাৰা অলঙ্কাৰ শাস্ত্ৰৰ ৰসোত্তীৰ্ণ অৱস্থাৰ কথাই বুজাইছে। কাব্যৰ ৰসে মনক নিৰ্মল কৰি [পাঠক-শ্ৰোতা দৰ্শকৰ] মনলৈ বিমলানন্দ — ব্ৰহ্মস্বাদ সহোদৰ আনি দিয়ে।

আনহাতে সাৱধান বাণীও শুনাইছেঃ ঈশ্বৰসকলে কৰা কামক সাধাৰণ লোকে মনেৰেও ভাবিব নাপায় — মনেয়ো তাক নকৰি। অৰ্থাৎ পৰদাৰাগমণ ৰূপী পাপ মনেৰেও নকৰিব। ৰুদ্ৰক দেখি আনে বিষ খাবলৈ গ'লে মৃত্যু নিশ্চয়। অসমৰ সমাজ-মন আৰু সামাজিক ৰুচি কিমান উন্নত আৰু পূৰঠ হোৱাৰ অৱস্থাত কেলি-গোপাল নাটকৰ ভাওনা সম্ভৱ হৈছিল, কল্পনা কৰিব পাৰি।

মীনৰূপে — মৎস ৰূপে। সত্যযুগত সত্যব্ৰত ৰজাক প্ৰলয়জলত মৎস্যৰূপী ভগৱন্তই ৰক্ষা কৰিলে। কূৰুম — কূৰ্ম। কাছৰূপলৈ ভগৱন্তই মন্দৰ পৰ্বত ৰূপ মথনিত ক্ষীৰ সাগৰত বুৰ যাব নোৱাৰাকৈ পিঠিত তুলি ধৰিলে। সেই বাবেই মন্দৰ পৰ্বতৰ দ্বাৰা সাগৰ মন্থন কৰা কাৰ্য দেৱাসুৰৰ দ্বাৰা সম্ভৱ

হ'ল। শূকৰ — বৰাহ। বিষ্ণুৰ (কৃষ্ণৰ) তৃতীয় অৱতাৰ যজ্ঞ বৰাহ। এই অৱতাৰত হিৰণ্যাক্ষক বধ কৰি ৰসাতলৰ পৰা উদ্ধাৰ কৰে। হিৰণ্যাক্ষ দৈত্যৰাজ হিৰণ্যাকশিপুৰ ভায়েক। আগৰ জন্মত বিষ্ণুৰ দুৱৰী বিজয়। নৰসিংহ / হিৰণ্যকশিপু — মুখৰফালে সিংহ আৰু ভৰিৰফালে মানুহৰ আকৃতি লৈ ভগৱানে হিৰণ্যকশিপুক নখেৰে বুকু ফালি মাৰিবৰ কাৰণে এক বিশেষ অৱতাৰ গ্ৰহণ কৰিলে। ব্ৰহ্মাৰ বৰত ব্ৰহ্মাৰ সৃষ্ট প্ৰাণীৰ দ্বাৰা আৰু অস্ত্ৰ-শস্ত্ৰ দ্বাৰা অবধ্য হোৱাৰ কাৰণে এই ৰূপ গ্ৰহণ আৰু নখৰদ্বাৰা মৃত্যু ঘটোৱাৰ ব্যৱস্থা। আগৰ জন্মত হিৰণ্যকশিপু বিষ্ণুৰ দুৱৰী হয়। ব্ৰহ্মাৰ মানস-পুত্ৰ চাৰিজন সিদ্ধৰ শাপত অসুৰ জন্ম লয়। (বামন, বলি) — ভগৱানৰ পঞ্চম অৱতাৰত বাওনাহৈ দেৱমাতা অদিতিৰ গৰ্ভত জন্মলৈ দৈত্যৰাজ বলিৰ পৰা তিনি পদ মাটি দান লৈ বলিক বন্ধন কৰি সুতললৈ পঠিয়াই আৰু দেৱতাৰ স্বৰ্গৰাজ্য নিৰাপদ কৰে। পৰশুৰাম — জমদগ্নি আৰু ৰেণুকাৰ পুত্ৰ পৰশুৰামে পিতৃ হত্যাৰ প্ৰতিশোধ লবলৈ গৈ সমস্ত ক্ষত্ৰিয় হত্যা কৰে। [ৰামচন্দ্ৰৰ হাতত পৰাস্ত হয়।]* দাশৰথি ৰাম — দশৰথৰ পুত্ৰ ৰামচন্দ্ৰ; সাগৰত সেতু বান্ধি বানৰ ভালুক সৈন্যৰ সহায়ত লঙ্কা ধ্বংস কৰি দহমূৰীয়া ৰাৱণক মাৰি সীতাক উদ্ধাৰ কৰে। হলধৰ ৰাম — বলোৰাম। শ্ৰীকৃষ্ণৰ জ্যেষ্ঠ ভ্ৰাতৃ আৰু কৃষ্ণৰ অৱতাৰ। প্ৰথমে দৈৱকীৰ গৰ্ভত স্থিত লয়। পিছত বিষ্ণুৰ আদেশত বিষ্ণুৰ বিশেষ শক্তি যোগমায়াই দৈৱকীৰ গৰ্ভৰ পৰা নন্দৰ ভনী ৰোহিনীৰ গৰ্ভলৈ আকৰ্ষণ কৰি নিয়ে আৰু নন্দৰ পত্নী যশোদাৰ গৰ্ভত নিজে স্থান লয়। বিষ্ণুৱে কৃষ্ণৰূপত বন্দীশালত দৈৱকীৰ গৰ্ভত জন্ম লয়। শ্ৰীকৃষ্ণৰ কথামতেই পিতৃ বসুদেৱে ৰাতিৰ ভিতৰতে কৃষ্ণক থৈ যশোদাৰ গৰ্ভত জন্ম লোৱা যোগমায়াক আনি দৈৱকীৰ কন্যা বুলি কংসক দেখুৱায়। ধেনুক — ধেনুকাসুৰ। তালবন ৰক্ষাকাৰী গৰ্দভ ৰূপী ধেনুকাসুৰক বলোভদ্ৰই তালফল পাৰি গোপবালকসকলক খুৱাবলৈ যাওঁতে বধ কৰে। দ্বিবিদ— দ্বিবিদ নামৰ বানৰটোকো বলভদ্ৰই ৰেবতক পৰ্বতত যুদ্ধ কৰি বধ কৰে। দ্বিবিদ নৰক অসুৰৰ সখা আৰু মহা শক্তিশালী। বোধ মূৰতি — বুদ্ধদেৱ, ভগৱানৰ নৱম অৱতাৰ। পাষণ্ড ৰীত — পাষণ্ড পন্থ, ৱেদ বিৰোধী পন্থ। কল্‌কি — কৃষ্ণৰ দশম অৱতাৰ, কলিৰ শেষত হ'ব। কৃষ্ণৰূপে পৰম ঈশ্বৰ — স্বয়ং ভগৱানৰ পূৰ্ণ অৱতাৰ কৃষ্ণ। বাকী সকলোবিলাক তেওঁৰ অংশ অৱতাৰ। অঘ বক, কংস, কুবলয়ঃ এই অসুৰ বিলাকৰ বাহিৰেও কৃষ্ণই তৃণাৱৰ্ত, বৎস, অৰিষ্ট, কেশী, শঙ্খচূড়, চাণুৰ, কুবলয়পীড় হস্তী আদি

অসংখ্য শত্ৰু বধ কৰে। মুনিবৰ পামৰ — পবিত্ৰ ঋষি-মুনি আৰু পাপী। এক গতি পায় — একে মুক্তি পায়।

**ভটিমা** ঃ — সংস্কৃত শ্লোক, গীত, কথা, সূত্ৰধাৰ, নৃত্য আৰু ভটিমা — অঙ্কীয়া নাটৰ এই ছটা প্ৰধান অঙ্গ। ভটিমাৰ অৰ্থ হ'ল স্তুতি, প্ৰশস্তি। অঙ্কীয়া নাটৰ নায়কৰ [শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ] বন্দনামূলক প্ৰথম ভটিমাক দেৱ-ভটিমা, আৰু শেষৰ ভটিমাক মুক্তিমঙ্গল ভটিমা বোলা হয়। ইয়াৰ উপৰি ভাটৰ মুখত নায়ক-নায়িকাৰ ৰূপ-গুণৰ বৰ্ণনা থকা দুটি ভটিমাক [ৰুক্মিণী হৰণ নাট] ভাটৰ ভটিমা বোলা হয়। নৰ নাৰায়ণৰ গুণ বৰ্ণনা কৰা ভটিমাও শঙ্কৰদেৱে ৰচনা কৰে। ইয়াক ৰাজ-ভটিমা বোলে। মাধৱদেৱে গুৰুৰ প্ৰশস্তি কীৰ্তন কৰা বিখ্যাত ভটিমাটোৰ নাম [জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ] গুৰু-ভটিমা।

## পাৰিজাত-হৰণ নাট

কৃষ্ণ বিষ্ণোঽচ্যুতনন্ত শক্তে — হে কৃষ্ণ বিষ্ণু— অচ্যুত-অনন্ত শক্তিধাৰী; ৰাজীৱ নেত্ৰ — পদ্মনেত্ৰ; ব্ৰহ্মমূৰ্ত্তে — হে ব্ৰহ্মমূৰ্তি [সাকাৰ ব্ৰহ্ম] ; প্ৰসীদ — প্ৰসন্ন হওক; বিশ্ববাস — বিশ্ব যাৰ অন্তৰত বাস কৰে ; পৰেশ — পৰা + ঈশ = পৰা বিদ্যাৰ ঈশ্বৰ। (ক) খগেন্দ্ৰং — চৰাইৰ ৰজা = গৰুড় ; সমাৰুহ্য — উঠি ; মুদা — আনন্দ মনে; নিৰ্জিত্য — জয়কৰি ; চক্ৰম — ইন্দ্ৰম ; জহাৰ — হৰণ কৰিলে ; প্ৰিয়াৰ্থ — প্ৰিয়াৰ কাৰণে ; নমো মে — মোৰ নমস্কাৰ; নিজ অংশ — কোনো পাঠত 'নিজ' নাই। 'বিষ্ণুৰ অংশ' এই অৰ্থত 'নিজ অংশ'ৰ প্ৰয়োগ কৰা হৈছে বুলি ধৰিব পাৰি। কিন্তু বৈষ্ণৱ সকলৰ মানত কৃষ্ণই বিষ্ণু পূৰ্ণব্ৰহ্ম। সেই অৰ্থত 'অংশ' শব্দৰ ব্যৱহাৰ খাপ খোৱা নহয়। মন কৰিব লগীয়া যে ভগৱানৰ সকলো অৱতাৰকেই কৃষ্ণৰ অংশাৱতাৰ বুলি গণ্য কৰা হয়। সেই কাৰণেও নিজৰ অংশ বুলি দিয়া হ'ব পাৰে। অৱতংস — অলঙ্কাৰ, ভূষণ; কমলা —লক্ষ্মী; কেলি-কমল — লীলা পদ্ম ; হাতত লৈ খেণাই থকা পদ্ম ; কলহংস— ৰাজহাঁহ ; [কল — অস্ফুট মধুৰ ধ্বনি]; লক্ষ্মীদেৱীয়ে হাতত লৈ খেলাই থকা পদুমৰ ৰাজহাঁহ স্বৰূপ। ইয়াত কৃষ্ণ চৰিত্ৰ বা লীলাক লক্ষ্মীদেৱীয়ে হাতত লৈ ফুৰা পদুম পাহৰ লগত (গতিকে অতি পৱিত্ৰ আৰু সুন্দৰ) তুলনা কৰা হৈছে। সেই চৰিত্ৰ ভকতৰ ভূষণ হোৱাৰ উপৰিও সেই চৰিত্ৰ

ৰূপী পদুমৰ ভকতসকল ৰাজহংস স্বৰূপ বুলি বৰ্ণনা কৰা হৈছে। ইন্দিবৰ — লীলা পদুম; চোৰি — চেৰ পেলোৱা; পৰকাশিত — প্ৰকাশিত, উজ্জ্বল; পীত — হালধীয়া ; পিচোৰি — পিন্ধা কাপোৰ; তড়িত জড়িত — বিজুলীযুক্ত; যচ — যেন + খণ্ড = অংশ, ডোখৰ ; অৱভাস — প্ৰকাশ; চাৰু — সুন্দৰ, ধুনীয়া ; চিকুৰ — চুলি; নীল ৰতন — নীলা ৰত্ন [নাক নীলা ৰত্নেৰে গঢ়া তিল ফুলৰ নিচিনা] ; মুহ — মুখ; পঙ্কজ জোড় — পঙ্কজৰ লগত ফেৰ মৰা; একু — একে ঠাইত; মিলল — লগ হ'ল; যচ — যেন ; চান্দ-চকোৰ — চন্দ্ৰ আৰু চকোৰ চৰাই; নয়ন কমল .....জোৰ — চকু পদুমৰ নিচিনা মুখো পদুমৰ নিচিনা ; একু মিলল .....চকোৰ — চকু চকোৰ চৰাই আৰু মুখ চন্দ্ৰ; দুয়ো একে ঠাই হৈছে; [চকোৰ চৰায়ে জোনাক পান কৰে। 'জোৰ' যদি 'যোৰ' বুলি ধৰা হয় তেতিয়া 'এহাল বা 'দুটা' অৰ্থ কৰিব পাৰি। দুইটা চকু এপাহ পদুম আৰু মুখ মণ্ডলক এপাহ পদুম। পিছৰ শাৰীত চকুক চকোৰ চৰাই আৰু মুখক চন্দ্ৰৰ লগত তুলনা কৰা হৈছে। ] হাসা— হাঁহি; থোৰ — অলপ; চোৰ — চেৰ পেলোৱা; পেখি — দেখি; মদনকেৰি — মদনৰ, কামদেৱৰ; চাপ — ধনু ; কুটিল — কেঁকোৰা; অলক-কুল — অলক বিলাক, গালত ওলমি থকা চুলিবিলাক; অমোল — অমূল্য, বহুমূলীয়া; ওতিম —উত্তম; কম্বু-কণ্ঠ — শংখৰ নিচিনা (ত্ৰিবলিযুক্ত) কুণ্ঠ ; দৰ — দ, গভীৰ; সঞ্চৰ — সঞ্চাৰে, ঘূৰি ফুৰে; চঞ্চৰ — চঞ্চল, অস্থিৰ; লোহে — লোভে; উৰস্থল — বুকু; অঙ্গ — ভুজঙ্গ — সাপ; তচু — তাৰ; কৰমূল — হাতৰ ঠাৰিত; কৰতল — হাতৰ তলুৱা; ৰাতা — ৰঙা; অৰি — চক্ৰ; অৰবিন্দ — পদ্ম; কৌমুদী — কৌমুদকী নামৰ গদা; কম্বু — শঙ্খ; পাণি — হাত; নাভি কঞ্জ — নাভি পদ্ম; বিহিক — বিধিক, ব্ৰহ্মাৰ; কটিত — কটি স্থানত, ককালত; কণক কাঞ্চি — সোণৰ হাৰ; পৰিৰম্ভ — পৰিৰম্ভন, আলিঙ্গন; কৰি-কৰ — হাতীৰ শুঁৰ; লম্বি —ওলমি ; চিৰ — কপোৰ; কোৰ — ক'লি (চম্পা ক'লি); অলকত — ৰঙা; পাশ — কাষত; ঢোলে — দোলে; শশীকান্ত — বিষ্ণুৰ মূৰত ধৰা বিশেষ ছত্ৰ য'ৰ পৰা নিয়ৰৰ দৰে টোপাল সৰি শীতলাই ৰাখে। (শশিকান্ত — চন্দ্ৰকান্ত মণি)

শীকৰ — নিয়ৰৰ টোপাল বা পানীৰ কণিকা; (ইয়াত 'অমৃত-কণা') অমিয়া — অমৃত; উৰৰে — ওপৰে; ইন্দ্ৰচাপ — ইন্দ্ৰধনু; সুৰেশ্বৰী — আকাশী-

গঙ্গা; অভিনৱ সূৰ — অভিনৱ সূৰ্য, নতুন সুৰ্য। উগত — উদিত; তচু মাঝে — তাৰ মাজত; লম্বি — ওলমি; বক পঙ্‌তি — বগলীৰ শাৰী; ঠামা — ঠাইত; সোই — সেই সোহি — সেইজন; সুই — পাঠান্তৰ ; সৱ — সকলো; লোই — লোকে; হোইযৱ নীল ....বিচাৰি (এই চিত্ৰটিত প্ৰথমে একখণ্ড নতুন নীলবৰণীয়া মেঘৰ কল্পনা কৰা হৈছে। সেই মেঘ চপৰাৰ ওপৰত সূৰ্যৰ কিৰণ তীব্ৰভাৱে পৰি আছে। মেঘৰ দুই কাষে দুটা পূৰ্ণিমাৰ চন্দ্ৰ জ্বলি আছে। মেঘৰ মাজত ইন্দ্ৰ ধনুৱে প্ৰকাশ কৰিছে। (দুফালে) আকাশীগঙ্গাৰ দুই ধাৰা বৈ আহিছে। (মেঘত) বিজুলী এটা স্থিৰ হৈ ৰৈ আছে। সেই মেঘৰ মাজত এক অভিনৱ সূৰ্যৰ উদয় হৈছে। সেই মেঘত বগলীৰ শাৰী ওলমি আছে। বহুত ঠাইত তৰাবোৰ জিকমিক কৰিছে। এনে এটা চিত্ৰ কল্পনালৈ আনিব পাৰিলেহে শ্ৰীকৃষ্ণৰ সেই বৰ্ণিত ৰূপৰ মহিমাৰ লগত তুলনা কৰিব পৰা যাব। সেইজন ভগৱান সকলোৰে হৃদয়-পদ্মত বিৰাজ কৰিছে। এতিয়া সকলো লোকে বিচাৰি লওক) এইটো সম্ভাব্যমানাতিশয়োক্তি অলঙ্কাৰৰ উদাহৰণ। ইয়াৰ লগত মহাকবি মাঘৰ এটি শ্লোকৰ দুটা শাৰীৰ সম্পূৰ্ণ মিল দেখা যায় ঃ

"উভৌ যদি ব্যোম্নি পৃথক প্ৰৱাহ।
ৰাকাশ গঙ্গা পয়সঃ পতেতাম্।
তেনোপমীয়েত তমালনীলম্
তপমুক্তমুক্তালতমস্য বক্ষঃ।।"

"আকাশত যদি আকাশগঙ্গাৰ স্ৰোতধাৰা যুগল ধাৰাৰে বৈ যায় তেনেহ'লে তাৰ লগত মুক্তামালা শোভিত তেওঁৰ (কৃষ্ণৰ) তমাল-নীল বুকুৰ তুলনা হ'ব।"

(— সাহিত্য-বিদ্যা পৰিক্ৰমা ঃ তীৰ্থনাথ শৰ্মা)

চিন্তামণি — এক কাল্পনিক মণি। এই মণিৰ স্পৰ্শত লোহাও সোণ হয়। ইয়াত মানৱী দেহাকেই চিন্তামণি বুলি কোৱা হৈছে। মানুহেই ভগৱন্তৰ কৃপালৈ মুক্তি পাব পাৰে। আৰে — আহে; নিত — নিতৌ; অন্তক — মৃত্যু; সব বৰজি — সকলো বৰ্জন কৰি; (সংসাৰৰ সকলো বস্তুৱে অনিত্য, অসত্য গতিকে নিত্য, সত্য ভগৱন্তত শৰণ ল'ব লাগে।) সয়ল — সকলো ; গৰুড়াসনঃ — গৰুড়পক্ষীত উঠি; চাৰুশ্চতুৰ্ভুজ — সুন্দৰ চতুৰ্ভুজ (মূৰ্তিৰে); হেৰি — দেখি; ৰূপলেশ — লেশমান ৰূপো; উৰে — পিন্ধে; লোলে — ওলমে; প্ৰোৱাচ — ক'লে; ভৌম

চেষ্টিতম — ভূমিৰ পুত্ৰৰ (নৰকৰ) ; ক্ৰিয়া — কলাপৰ; বাসৱ — ইন্দ্ৰ, পুৰুন্দৰ; নতি — সেৱা; সপটে — সবস্ত্ৰে; সমস্তৈৰৰ্চ্চিতাঙ্ঘ্ৰি — সকলোৱে দ্বাৰা অৰ্চিত চৰণ ; অঙ্ঘ্ৰি — চৰণ; পাহি — ত্ৰাণ কৰক; তিনি প্ৰহৰেক পথ — (এক প্ৰহৰ —তিনিঘণ্টা। গতিকে ন ঘণ্টাত যাব পৰা বাট) 'ওহি বুলি নাৰদ চৰৱি পাৰি .....ৰহল' (কোনো পাঠত লোপ। নিজে চোঁৰৰ পাৰি নাৰদ বহাতকৈ মৌন হৈ থকাটোৱে বেছি স্বাভাৱিক হয়। শ্ৰুত্বা — শুনি; পাৰিজাতমযাচত — পাৰিজাত পাহ বিচাৰিলে; কৌতুকে — কৌতুহলী হৈ; আঞ্জুৰি — অঞ্জলি, আঁজলি (পাতি) মোহি — মোৰ; মাথে মিলাৱ — মূৰত দিয়ক (খোপাত); আহেৰ — ইয়াৰ (পাৰিজাতৰ); সাধোঁ — সাধনা কৰোঁ, আৰাধনা কৰোঁ; অতয়ে — ইমানকৈ ; তোয়ী — তোমাৰ, আপোনাৰ; মান — (ইয়াত প্ৰাৰ্থনা অৰ্থত ব্যৱহাৰ হৈছে), সন্মান; সাধু .....মান — ইমানকৈ আপোনাক আৰাধনা কৰি প্ৰাৰ্থনা জনাইছোঁ; লাগু — লাগোঁ, ধৰো (তোমাৰ চৰণত ধৰোঁ) ; ধনিক — সুন্দৰী; বিহস্যোৱাচ — হাঁহি ক'লে; কতি লাই — কিহৰ কাৰণে? তুহু — তুমি; যোনো — যেন; নোচোড়ো — নেৰোঁ; মুৰাৰি — মুৰ + অৰি। (নৰকৰ সেনাপতি মুৰক বধ কৰাৰ কাৰণে মুৰাৰি; গতিকে নৰকাসুৰক বধ কৰাৰ পিছতহে এই নাম এই নাটত খাপ খোৱা হয়) পদাৰথ — পাঠান্তৰ ; পদাৰস — পুৰুষাৰ্থ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ —জীৱনৰ এই চাৰিটা প্ৰধান কাৰ্যকে চাৰি পুৰুষাৰ্থ বোলা হয়। অজ — যাৰ জন্ম নাই; অঘ-বক-ধেনুক-কংস — অঘাসুৰ, বকাসুৰ, ধেনুকাসুৰ কংস; নৰকাসুৰ পাপ — নৰকাসুৰ স্বয়ং পাপ, মূৰ্তিমান পাপ; মাৰি — জয় কৰি (স্বৰ্গজয় কৰি); বৰুণক ছত্ৰ — বৰুণৰ বগা ছাতি — ৰাজচক্ৰৱৰ্তীৰ চিহ্ন। এই ছত্ৰই শীতল ছাঁ দিয়ে। মণি-পৰ্বত — নৰকাসুৰৰ ৰাজ্যৰ এটা পৰ্বত। এই পৰ্বতটোৰ শৃঙ্গ নানা মণি মুক্তা ৰত্ন খচিত। এই পৰ্বতৰ বিভিন্ন গুহাত নৰকাসুৰে যোল্ল হেজাৰ কুমাৰীক বিয়া কৰাবলৈ বন্দী কৰি ৰাখিছিল। শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি কন্যাসকলক মুকলি কৰি দ্বাৰকালৈ পঠিয়াই দিয়ে। মণি-পৰ্বতৰ শৃঙ্গটো উভাৰি গৰুড়ৰ পিঠিত তুলি দ্বাৰকালৈ লৈ যায়।

দৃষ্ট্বা — দেখি ; শ্ৰুত্বা — শুনি ; গন্তুং — যাওক; ত্বৰয় — খৰখেদা কৰি ; অন্তিকং — ওচৰ (তোমাৰ ওচৰলৈ, তোমাৰ পিছে পিছে); ভৰমে — ভ্ৰমে, ফুৰে; ৰতন — ৰত্ন, মূল্যবান পাথৰ; বাসুয়া — বহিবৰ কাৰণে আসন পতা যাৰ কাম, বহুৱা; (অঙ্কীয়া ভাওনাত এই বসুৱাজনেই 'বহুৱা' হৈ দৰ্শকক হাঁহিৰ খোৰাক দিছে। 'কথা-গুৰু চৰিত'ত 'বসুৱা'ৰ ঠাইত 'কমলি ধৰা' পাওঁ।)

কৰ্ম্ম বিষমং — বিষম কাম; নিবোধমে — মোৰ কথা শুনা; ঠেস কয় বহল — থপক কৰে বহিল; অভৰত্তীতা — ভয় খাইছিল ; নিশম্য — শুনি; কিং — কি; কুত্ৰ — ক'ত; মুনিৰ্ব্বৰ্দ্ধং — কাওবাও কৰি কোৱা (কথা); বান্ধ লগাই কোৱা; ৰুদন্নিৱ — ৰুদন + ইব = কান্দো কান্দোকৈ, কন্দনামুৰা হৈ; মুনেৰ্ব্বচনমাকৰ্ণ্য — মুণিৰ বচন শুনি বাতাহতা বতাহে পেলোৱা; পতিতা — পৰি গ'ল — পৰিছিল; কথঞ্চিৎ — কোনোমতে; লব্ধা — লাভ কৰি; বিনিশ্বম্যাপমানেন — অভিমানেৰে নিশ্বাস পেলাই ; ৰুৰোদ — কান্দিবলৈ ধৰিলে; সখী সন্নিধৌ — সখীসকলৰ ওচৰত ; হ্রাস — ক্ষীণ; আগি — জুই ; উদয়ে — প্ৰকাশত (ভাগ্য উদয়ত); ৰাগিনী — খঙাল (স্ত্ৰী); পিউ — প্ৰিয়; অতৰে — ইমানবিলাক; বিলপতি — বিলাপ কৰিলে; কলহপ্ৰিয় — কন্দল-প্ৰিয়; (বৈষ্ণৱ যুগত নাৰদক কন্দল-প্ৰিয় দেৱতাৰূপে চিত্ৰিত কৰাৰ ফলত বৰ্তমান সমাজতো নাৰদক তেনে ৰূপতে চোৱা হয়; বৈষ্ণৱ যুগৰ আগৰ সাহিত্যত কন্দলৰ মূলত সৰস্বতী দেৱীকহে ধৰা হৈছিল।) প্ৰাগাৎ — গৈছিল; ভাগী — অংশীদাৰ (ইয়াত 'মূলকাৰণ' অৰ্থত ব্যৱহাৰ কৰা হৈছে। 'তিৰি বধ ভাগী' — তিৰী বধৰ কাৰণ হ'লো।) কোল — কাষ, ওচৰ; 'প্ৰিয়াৰ পাইলা কোল' — প্ৰিয়াৰ কাষ পালে; জাম্বৱতী — শ্ৰীকৃষ্ণৰ প্ৰধানা মহিষীসকলৰ এগৰাকী। ঋক্ষৰাজ জাম্বৱানৰ জীয়াৰী। স্যমন্তক মণি সম্পৰ্কত শ্ৰীকৃষ্ণলৈ বিয়া দিয়ে। প্ৰণয়কোপন — প্ৰেমজনিত কোপৰ দ্বাৰা; ধূৰ্ত্তালাপৈঃ — ছল-চাতুৰি জনক কথাৰে; চাটুকাৰী কথাৰে; মাং — মোক ; কিমৰ্থং — কি কাৰণে; ত্বনিকথসে — ককৰ্থনা কৰিছা; মানলো — মানি ললোঁ, বিশ্বাস কৰিলো; বিদিত — প্ৰকাশ; মতি — মন; তোই — তোমাৰ; হা হা ৰৱ — হা হা ধ্বনি; ৰামামালিঙ্গ্যাকুল — সুন্দৰীক আলিঙ্গি আকুল; পতিআৰা — পতিঅৰা — পতিয়ন যোৱা, সঁচা বুলি মানি লোৱা; বাৰী — ঘৰৰ লগ লগা উদ্যান য'ত বিভিন্ন সুস্বাদু ফল-মূলৰ গছ, ফুল আদি যত্নেৰে ৰোৱা হয়। ইয়াত সত্যভামাৰ নিজা ফুলনি বাৰীৰ কথা কোৱা হৈছে; অঙ্কীয়া নাটত 'বাড়ি' শব্দই ঘৰ বুজাইছে। জায়া —পত্নীৰ আন এটা নাম; (স্বামীয়ে পত্নী গৰ্ভত পুত্ৰ ৰূপত জন্ম লয়, সেউ কাৰণে পত্নীৰ এটা নাম জায়া। বাড়ি — ঘৰ; কৃষ্ণমভ্যেত্য — কৃষ্ণৰ ওচৰ চাপি; জগাদ — কৈছিল; কিল — যথাৰ্থতে (□□□□□□); স্ত্ৰী যুজে সেনা বুজে — পাঠান্তৰ স্ত্ৰী বুঝে

* মৰকত — ইন্দ্ৰনীল মণি — 'মধ্যেমনীনাং হৈমানাং মহামৰকতো যথা'।

সে নাবুঝে — 'তিৰোতাই যুঁজ কৰে, বুজিবলৈ চেষ্টা নকৰে' অৰ্থ প্ৰকাশ কৰিছে। পাঠান্তৰ মতে — 'তিৰোতাই বুজিও নুবুজে'। সহৰ্যমকৰোৎ — আনন্দেৰে কৰিলে; প্ৰয়াণং — যাত্ৰা; ধনুষ্টঙ্কাৰ-ঘোষেণ ধনুৰ টঙ্কাৰৰ শব্দেৰে; শাৰঙ্গ — শাৰ্ঙ্গ — শিঙেৰে সজা ধনু কাৰণে এই নাম; শ্ৰীকৃষ্ণৰ (বিষ্ণুৰ) ধনু। 'সাৰঙ্গ' হ'লে পদুমক বুজাব। সুৰঙ্গ — সুন্দৰ ৰংযুক্ত ; পীতবাসা — পীত (হালধীয়া) ৰঙৰ কাপোৰ পিন্ধোতা; উজৰ — উজ্জ্বল; অৰুণ — ৰঙা; কৰু — কৰে; ৰোল — শব্দ; তাহে — তাতে; স্ত্ৰী-জিতং — তিৰোতাই যাক জয় কৰে; গৰুড় — কশ্যপ পিতা, মাতৃ বিনতাৰ সন্তান গৰুড় চৰাইক বিষ্ণুৱে নিজৰ বাহন কৰি ল'লে। সেয়েহে স্মৰণ কৰা মাত্ৰকে গৰুড় কৃষ্ণৰ বাহন হ'বলৈ আহিল। কৃষ্ণৰ ৰথৰ ধ্বজাতো গৰুড় মূৰ্তি আছিল। সেই কাৰণে শ্ৰীকৃষ্ণক গৰুড়কেতু বোলা হয়। সুপৰ্ণম্ আৰুহ্য — চৰাইত (গড়ুৰত) আৰোহণ কৰি; যযৌ — গ'ল; জনাৰ্দ্দন — কৃষ্ণ (মায়াক কি মৰ্দন কৰিছে — মায়াৰ অধিকাৰী); ক্ষণেন — তৎক্ষণাৎ; পুৰং — নগৰং (প্ৰাগজ্যোতিষপুৰ নগৰ।); চকাৰ — কৰিছিল; পাঞ্চজন্য — শ্ৰীকৃষ্ণৰ শঙ্খটোৰ নাম; (পঞ্চজন নামৰ সাগৰত থকা অসুৰ এটাক বধ কৰি পোৱা শঙ্খ); মুৰ — নৰকাসুৰৰ প্ৰধান সেনাপতি; মুৰক বধ কৰাৰ কাৰণে শ্ৰীকৃষ্ণৰ এটা নাম মুৰাৰি ; মোৰল মুৰ — মুৰক মাৰিলে; বসুমতী — নৰকাসুৰৰ মাতৃ; পৌত্ৰং — নাতিক (ভগদত্তক); পুৰঃ — সন্মুখত; সংস্থাপ্য — লৈ (স্থাপন কৰি); আত্মজং — নিজৰ (নাতিয়েকক); পিউক সমীপে — প্ৰিয়ৰ ওচৰলৈ (বৰাহ অৱতাৰত ভগৱান শ্ৰীকৃষ্ণৰ পত্নী বসুমতী) লাই — লাগি (কাৰণ)- হৰি দৰশন কাৰণে — লহু লহু — লঘু লঘু ; লাহে লাহে; সুতক — পুত্ৰৰ; প্ৰসাদ — কৃপা; ভগদত্ত — নৰকাসুৰৰ পুত্ৰ ভগদত্ত তেতিয়া শিশু যদিও শ্ৰীকৃষ্ণই বমুমতীৰ অনুৰোধ ক্ৰমে তেওঁক কামৰূপৰ ৰজাপাতে। বৃদ্ধ বয়সত ভগদত্তই কুৰুক্ষেত্ৰৰ যুদ্ধত দুৰ্যোধনৰ ফলীয়া হৈ যুদ্ধ কৰে। তেওঁ সুপ্ৰশিক্ষিত হস্তীবাহিনী আৰু অসংখ্য সৈন্য লগত নিছিল। অৰ্জুনৰ হাতত তেওঁৰ মৃত্যু হয়। যিটো অতি সুদক্ষ হাতীৰ ওপৰত উঠি তেওঁ যুদ্ধ কৰিছিল অৰ্জুনৰ শৰত সেই হাতীটোৰো মৃত্যু হয়। তাৰ নাম সুপ্ৰতীপ।

নৈকট্যং — ওচৰত; ততঃ — তাৰ পিছত; মুদাযুতঃ — আনন্দযুক্ত ; দধ্মৌ — বজাইছিল; দিবি — স্বৰ্গত; প্ৰাহ — ক'লে; পশ্য — চোৱাঁ; তাং — তোমাক; মাং — মোক; দিদৃক্ষয়া — চাবলৈ; এস্তাঃ — এই; দিগপাল

— দিক্‌পাল— ইন্দ্ৰ, অগ্নি, যম, নৈৰ্ঋতি, বৰুণ, বায়ু, কুবেৰ, ঈশান (শিৱ), ব্ৰহ্মা, অনন্ত (বা নাৰায়ণ)— দহ দিশৰ দহ দেৱতা; সিদ্ধ — ত্ৰিকালজ্ঞ মুনি, উপদেৱতা বিশেষ; বিদ্যাধৰ — স্বৰ্গীয় গায়ক; পাৰিজাত — যাক কেন্দ্ৰ কৰি এই নাটখনৰ ৰচনা হৈছে সেই পাৰিজাত ফুল দেৱাসুৰে সমুদ্ৰমন্থন কৰোঁতে সমুদ্ৰ-গৰ্ভৰ পৰা বাহিৰ হৈছিল। দেৱতাসকল এই ফুলৰ অধিকাৰী হয়। দোৰ্ভ্যাং — দুহাতেৰে আঁকোৱালি; জগাদ — ক'লে; পৰিষ্বজ্য— আলিঙ্গন কৰি; ততঃ — তাৰ পিছত; অতি কৌতুকেৎ — অতি কৌতুকেৰে; দেৱমাত্ৰেঃ — দেৱমাতাক (অদিতিক); অদাৎ — দিলে (দেৱমাত্ৰে + অদাৎ + অমৃতস্ৰাৱী কুণ্ডলে।) অমৃতস্ৰাৱীকুণ্ডলে — অমৃত-টোপাল ওলাই থকা কুণ্ডলযোৰ। মত্বা — মনত কৰি, জানি; ততঃ সা দেৱজননী — তেতিয়া সেই দেৱজননীয়ে; মহেশ্বৰম — শ্ৰেষ্ঠ দেৱ; বদ্ধাঞ্জলি — অঞ্জলিবদ্ধ হৈ; স্তুতৌ — স্তুতিত; মনোদধে — মন দিলে, মনোনিৱেশ কৰিলে; নিশম্য — শুনি; মধূসুদনঃ — কৃষ্ণ (মধূনামৰ দৈত্যক বধ কৰোঁতো); মোহনাৰ্থং — মুহিবলৈ; ততান — বিস্তাৰ কৰিছিল; জন মোহিনীম— জনতাক মুহিব পৰা; হে পুতা —হে পুত্ৰ (শ্ৰীকৃষ্ণই বামন অৱতাৰত অদিতিৰ গৰ্ভত জন্ম লৈছিল।) উৰে — পিন্ধে; বয়ন — মুখ; ঈষত হাসা — মিচকিয়া হাঁহি যুক্ত; জলধৰ — মেঘ। পদ-পঙ্কজ মঞ্জিৰ জলা পল্লৱ পৰকাশা — পদ-পঙ্কজত পিন্ধা নূপুৰ পানীৰ মাজত পাতৰ (পল্লৱ) দৰে জিলিকিছে। পাঠান্তৰত 'জল'ৰ ঠাইত 'ভোলে' শব্দ পোৱা গ'লেও ইয়াত অৰ্থ প্ৰকাশ নহয়। ভাসা —উজ্জ্বল; ভকতি মুকুতি হেতু — ভক্তি আৰু মুক্তি দিৱৰ কাৰণে। ধৃত্বা — ধৰি; প্ৰাহ — ক'লে; ৰোষ-সমন্বিতা — ৰোষযুক্তা; ক্ক যাসি — ক'লৈ যায়; নানীয় — নিনিয়াকৈ; বিচোৰল — পাহৰিলোঁ; নাৰদস্তু — নাৰদেও; ততোহভ্যেত্য — তাৰ পিছত ওচৰ চাপি আহি ; সৰ্ব্বমৰৰ্ণয়ৎ — সকলোখিনি বৰ্ণনা কৰিলে; দানৱক — কন্যা শচীক — শচী দানৱ ৰাজ পুলুমনৰ জীয়াৰী; শচীৰ আন নাম (পুলুমা, পুলুমী, পুলুমাজা।) চাটু — তোষামোদ ; কঞ্জলোচন — পদ্মলোচন (কৃষ্ণ), নিশম্য — শুনি, সহসা — হঠাৎ; জহাৰ — হৰণ কৰিলে ; হৰিঃ — কৃষ্ণ; বজ্ৰিণঃ — বজ্ৰধাৰী; সত্ৰাজিত সূতাং — সত্ৰাজিতৰ কন্যা — (সত্যভামা যাদৱসকলৰ এজন মুখীয়াল সত্ৰাজিতৰ একমাত্ৰ কন্যা সত্যভামা; স্যমন্তক মণি যৌতুক স্বৰূপে দি সত্যভামাক কৃষ্ণলৈ বিয়া দিব লগা হয় নিজৰ অপমান ঢাকিবৰ কাৰণে। কাৰণ তেওঁ, ভায়েক

প্ৰসেনক মাৰি শ্ৰীকৃষ্ণই স্যমন্তক মণি লৈ যোৱা বুলি মিছা অপবাদ দিছিল। প্ৰকৃততে সিংহই প্ৰসেনক, জাম্বৱতক যুদ্ধত পৰাস্ত কৰি মণি আৰু জাম্বৱতীক লাভ কৰে)। কংসক দাসী কুবুজী — কংসৰ চন্দন যোগোৱা কুঁজী এগৰাকী; কংসলৈ অনা চন্দনেৰে বাটত কৃষ্ণ-বলোৰামক ভক্তিৰে চৰ্চিত কৰাত কৃষ্ণই হাতেৰে দাঙি তেওঁৰ কুঁজ পোন কৰে আৰু তেওঁ অপৰূপা গাভৰু হৈ পৰে। শ্ৰীকৃষ্ণৰ লগত মিলনৰ কাৰণে কাকুতি কৰাত, কংসবধৰ পিছত কুঁজীৰ কামনা পূৰ্ণ কৰে। কোপেন — খঙত ; কম্পিতৰতী — কঁপি কঁপি; বল্লভি — ক'লে; বলকিলে; আভাষ্য — কোৱা; অহল্যা — ব্ৰহ্মাৰ দ্বাৰা বিশেষভাৱে সৃষ্ট অতি সুন্দৰী অহল্যাক গৌতম ঋষিৰ আশ্ৰমত ঋষিৰ তত্বাৱধানত ব্ৰহ্মাই থৈছিল। পিছত গৌতম ঋষিৰ অপূৰ্ব সংযমত সন্তুষ্ট হৈ অহল্যাক ঋষিলৈকে বিয়া দিয়ে। ঋষিৰ ছাত্ৰ ইন্দ্ৰই ঋষি নথকাৰ সুযোগত তেওঁৰ বেশ ধৰি অহল্যাৰ সতীত্ব হৰণ কৰে। ঋষিয়ে ধ্যানত সকলো কথা জানি অহল্যাক আনৰ অদৃশ্যা হৈ থাকিবলৈ আৰু ইন্দ্ৰৰ সৰ্বদেহত সহস্ৰ যোনি-চিহ্ন বিলাক চকুলৈ ৰূপান্তৰিত হয়, যাৰ বাবে ইন্দ্ৰৰ এটা নাম সহস্ৰলোচন। ত্ৰেতাযুগত শ্ৰীৰামচন্দ্ৰৰ পাদ-স্পৰ্শত অহল্যা শাপমুক্তা হৈ লোকদৃশ্যা হয়। অহল্যাৰ পুত্ৰ শতানন্দ। বয়ল — বকিলে; বকলা মেলিলে; বলকিলে। কৰসি — কৰিছ ; বড়াই — অহঙ্কাৰ; আজু — আজি; ৰজ — ধুলি; কতিলাই কি কাৰণে। গাৰি — গালি; দেসি — দিছ; কন্দল বয়নে নেহাৰি — মুখলৈ চাই কন্দল (কৰ); নেহাৰি — চাই; দেৱতাক ইন্দ্ৰ — দেৱতাৰ ৰজা; ইন্দ্ৰ — ৰজা (উপাধি মাত্ৰ); বাক্যসায়কৈ — বাক্য-বাণেৰে; সন্মুখোহভৱৎ — সন্মুখ হ'ল; শক্ৰ — ইন্দ্ৰ; (শক্ + ৰ); ভতাৰক — সংস্কৃত ভৰ্ত্তা— স্বামী; মানুষী হয়া — (সত্যভামাক মানুষী বুলি শচীয়ে হাঁহিছিল এতিয়া সত্যভামাই 'মানুষী' শব্দটোৰ ওপৰত জোৰ দিছে।) ; নিবোধ — শুনা ; গোৱৰ্দ্ধন — এটা পৰ্বতৰ নাম; সাত দিন সাত ৰাতি শ্ৰীকৃষ্ণই এই পৰ্বত হাতেৰে দাঙি ধৰি তাৰ আশ্ৰয়ত গোকুলৰ নৰ-নাৰী-গো-বৎসক ইন্দ্ৰৰ আদেশত হোৱা প্ৰৱল বৰষুণৰ পৰা ৰক্ষা কৰিছিল। বামন — অদিতিৰ গৰ্ভত বামন অৱতাৰ হৈ দৈত্যৰাজ বলিক তিনিপদ ভুমি খোজাৰ ছলেৰে বন্দী কৰিছিল; কপিবৰ বালি — কপি বা বান্দৰৰ ৰজা বালি, কিষ্কিন্ধাৰ ৰজা; ৰাম অৱতাৰত শ্ৰীকৃষ্ণই বালিক বধ কৰে।

বিহস্যাহ — হাঁহি ক'লে; তন্নিৰ্ম্মলমমনঃ — তৎনিৰ্ম্মলং মনঃ —

তেতিয়া নির্মল মনা (কৃষ্ণ); আৰবাৰ নৰক বধ .... ভেজাৱল-ইন্দ্ৰৰ বিৰুদ্ধে সত্যভামাই এনেকৈ ভাবিছে; উনিকৰ — এওঁৰ (ইন্দ্ৰৰ); সধুৰ্মাসভা — দ্বাৰকা ৰাজ্যলৈ এই সুধৰ্মা সভা ইন্দ্ৰই দান কৰে। দেৱৰাজ ইন্দ্ৰই ৰাজসভাত থকা ধাৰ্মিক ঋষিমুনিসকলৰ ধৰ্মালোচনী সভা। সপটে — সবস্ত্রে; হে বিদৰ্ভৰাজ কুমাৰি — বিদৰ্ভৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণী। (সত্যভামা নিজে ৰাজকন্যা নহয় কাৰণে এই ঈর্ষা। ৰাজকুমাৰী নহৈও তেওঁ যে মহানসৌভাগ্যৰ অধিকাৰিণী হৈছে সেই ইঙ্গিত এই সম্বোধনত প্রচ্ছন্ন।) ; অয়ে ভগিনী সত্যভামা — (ৰুক্মিণী শ্ৰীকৃষ্ণৰ প্ৰথমা পত্নী। সেয়ে পিছৰ সতিনী সকলক ভনীৰ দৰে ব্যৱহাৰ কৰিছে। এই সম্বোধনৰ যোগেদি ৰুক্মিণী-চৰিত্ৰৰ সম্পূৰ্ণ ৰূপ নাট্যকাৰে উজলাই তুলিছে।) সাধিতাৰ্থোৰ্থিনাৰ্থোহসৌ — সাধিতাৰ্থো — যাৰ উদ্দেশ্য সাধন হ'ল; অৰ্থিনাথো — উদ্দেশ্যযুক্তসকলৰ স্বামী; হাসসংৰম্ভভাৱকে — হাঁহি ধেমালিৰ ভাৱেৰে চিকৰ — চুলি ; চিবুক — থুঁতৰি; কৰ — কৰে; কাঞ্চুৰি — কাঁচলি; ফোৰে — ফালে; ভোৰে — ভোলহৈ; ৰসিক-গুৰু — ৰসিকসকলৰ ভিতৰত শ্ৰেষ্ঠ, সকলে ৰস আৰু কলাৰ গুৰু (শ্ৰীকৃষ্ণ); (ৰামবিজয় নাটত চিলাৰায় দেৱানক 'পৰম-ৰসিক গুৰু' বিশেষণ দিয়া হৈছে। সেই উক্তিত অৱশ্যে চিলাৰায়ৰ ভক্তি-ৰস-প্ৰীতিৰ আধিক্যৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে।) ৰময়া — 'ৰম্' ধাতু আনন্দ দিয়া, সন্তোষ দিয়া ; ৰময়াৰ অৰ্থ সন্তোষবিধান কৰোঁতা যা আনন্দ দিব পাৰোতাজন। ইয়াত শ্ৰীকৃষ্ণক বুজাইছে। ৰমণী —সুন্দৰী নাৰী ; ইয়াত 'ৰময়া'ৰ স্ত্রীলিঙ্গ ৰূপে ব্যৱহৃত; ৰময়া .... দোলে— সন্তোষ বিধানকাৰীজনৰ লগত সন্তোষ দিব পৰা নাৰীৰ মিলনত মাণিক (আদি ৰত্নখচিত) মকৰ-কুণ্ডল (শ্ৰীকৃষ্ণৰ) দুলিবলৈ ধৰে। (ইয়াৰ পিছৰ শাৰীত ৰমণীসকলৰ হীৰাখচিত মণি-মুকুতাৰ মালা, হেমহাৰ আদি ওলমি পৰা (দুলি থকা অৰ্থত) বুলি বৰ্ণনা কৰা হৈছে। হীৰ ৰচিত —হীৰাৰে সজা (হীৰাখচিত অৰ্থত); মণি — মহামূল্যবান ৰত্ন; হেমহাৰ — সোণৰ হাৰ; উৰে — পিন্ধে (ইয়াত 'পিন্ধা' অৰ্থত মুকুতামালা, সোণৰ হাৰ আদিৰ বিশেষণ ৰূপে ব্যৱহাৰ কৰা হৈছে।); দনুজ — দনুৰ পুত্ৰসকল — দানৱ; কশ্যপ মুনিৰ এগৰাকী পত্নীৰ নাম দনু; শ্ৰীজগতানন্দ — শঙ্কৰদেৱৰ ককাক সূৰ্যবৰৰ মাজু ভায়েক জয়ন্তা ভূঞা; এওঁ শঙ্কৰদেৱৰ অনুৰাগী ভক্ত।

'শ্ৰীৰামৰাই' শ্ৰীজগতানন্দৰে আন এটা নাম বা উপাধি। 'কথা-গুৰু-

* পৰশুৰামৰ বিষয়ে ৰামবিজয় নাটৰ পৰিশিষ্ট চাওক।

চৰিত'ৰ মতে ভূএগ্রাসকল বেলগুৰিত থকাৰ সময়ত জগতানন্দ ভূএগ্রাসকলৰ দলপতি আছিল। চিলাৰায়ে আহোম ৰাজ্য আক্রমণ কৰোঁতে এওঁৰ বুদ্ধিমতে আহোম ৰজাই গৰুৰ ওপৰত মানুহ তুলি কৃত্রিম লগুণ পিন্ধাই যুদ্ধলৈ পঠোৱাত চিলাৰায় পিছ হুঁহকি গ'ল। আহোম সৈন্যই পিছে পিছে গৈ কলিয়াবৰত চামধৰা গড় বান্ধি ৰাজ্যৰ সীমা কৰিলেগৈ। ৰজাই জগতানন্দক বঁটা-বাহন দি ৰামৰায় নাম দিলে। গতিকে ৰামৰায় উপাধি নহৈ নামো হ'ব পাৰে। যাক পিছলৈ নাম হিচাপেই ব্যৱহাৰ কৰা হ'ল। 'কথাগুৰু চৰিত'ত শঙ্কৰদেৱৰ খেলৰ লগৰীয়া বাৰভূএগ্রাৰ ল'ৰাসকলৰ ভিতৰত ৰামৰাইৰ নামো আছে। ৰামৰাই শঙ্কৰদেৱতকৈ বয়সত সৰু, গতিকে বংশৰ ভায়েক। শঙ্কৰদেৱৰ সহোদৰ ভ্রাতৃৰ নাম বনগঞাগিৰি।

শ্রীমন্ত শঙ্কৰে প্রথমবাৰ তীৰ্থৰ পৰা উভতি আহি বৰদোৱাত প্রথম দৌলযাত্রা বা ফল্গুৎসৱৰ প্ৰৱৰ্তন কৰে এই ৰামৰায়ৰ অনুৰোধতে দ্বিতীয় বাৰৰ তীৰ্থ যাত্রাত ৰামৰায়ো লগত গৈছিল। বাটত যাওঁতে শঙ্কৰদেৱক ৰামৰ চৰিত্র কৈ যাবলৈ অনুৰোধ কৰে ঃ—

ৰামৰায় বুলিলন্ত দাদা কহিয়োক।।  
ৰামৰ চৰিত্র শ্রদ্ধামনে শুনিবাক  
শুনিয়া শঙ্কৰদেৱে লৈলা কহিবাক।। -(দৈত্যাৰি ঠাকুৰ)

কিন্তু ৰামৰ কথা কৈ যাওঁতে ক'ব নোৱাৰাকৈয়ে কৃষ্ণ-কথা আৰম্ভ কৰি দিয়াত, "ৰামৰায় কতোক্ষণ বুলিলন্ত তেবে কৃষ্ণৰ চৰিত্র দেখো দাদা কোৱা এবে।"

সেইবাৰ গুৰুজন যাতে বৃন্দাবনলৈ নাযায়, আই গোসাঁনীয়ে মাধৱদেৱক টানি কৈ পঠাইছিল। গুৰুজনাই বৃন্দাবনলৈ যোৱাৰ ইচ্ছা প্রকাশ কৰিলত ৰামৰামগুৰু, ৰামৰায় আদি ভক্তসকল উল্লসিত হৈ উঠে। কিন্তু মাধৱদেৱৰ নিৰুৎসাহ দেখি শঙ্কৰদেৱেও যাত্রা স্থগিত ৰাখিলে। ৰামৰায়ে তেতিয়া মাধৱদেৱক অভিযোগ কৰি ক'লে—

"দদাৰ বচন মাধৱ এখন  
কিসক বাধিয় তুমি"। — কিন্তু মাধৱদেৱৰ যুক্তিত ৰামৰায়ে, নপাইলে খুজি উত্তৰ" -(দৈত্যাৰি ঠাকুৰ)

শঙ্কৰদেৱৰ ব্রাহ্মণ ভক্ত ব্যাসকলাইৰ কাহিনী সকলোৱে জানে। তেওঁৰ তিনি পুত্র নৰীয়া পৰি ঢুকোৱাত, চতুৰ্থ পুত্রও নৰীয়া পৰাত, ইষ্ট-কুটুম্বেৰে আলচ

কৰি আন দেৱতাৰ পূজা কৰিলে যদিও চতুৰ্থ পুত্ৰৰো দেহান্তৰ ঘটিল। ইয়াৰ পিছত তেওঁ শঙ্কৰদেৱৰ ওচৰলৈ যোৱাত গুৰুয়ে তেওঁক বৰ্জন কৰিলে। তেতিয়া ব্যাসকলাই ৰামৰায়ৰ ওচৰলৈ গৈ টকা তিনিকুৰি দি তেওঁক ঠাই দিবলৈ শঙ্কৰদেৱত জনাবলৈ অনুৰোধ কৰাত গুৰুজনাই এমাহলৈ ৰামৰায়ক নামাতিলে আৰু মুখো নাচালে। ভকতসকলৰ লগতো ঠাই নিদিলে। এমাহৰ পিছত ভকতসকলে বৰকৈ কাবৌ-কোকালি কৰাত শঙ্কৰদেৱে তেওঁক 'দুগুণ' অৰ্থাৎ ছকুৰি টকা দণ্ড কৰি সেই টকা ভকতৰ মাজত ভগাই দি তাৰে পাঁচ টকাৰে সাত দিন সাত ৰাতি একেৰাহে কীৰ্তন কৰালে।

নৰনাৰায়ণ ৰজাৰ শনিৰ দশা পৰাত জ্যোতিষীৰ পৰামৰ্শ মতে তেওঁ 'দেশান্তৰ ফুৰিব' লগা হ'ল। সেইবাৰ বৰনগৰত আঢ়ৈ বছৰ থাকিল। তাতে শঙ্কৰদেৱে কলামাহ দুচৰু ভেটি নিৰ্মালি দিয়ে। চিলাৰায়ে সেইবাৰ গুৰুজনাক দেখি গুৰুমানিবৰ ইচ্ছা কৰিছিল। কিন্তু দাদাকৰ ভয়ত আগনাবাঢ়িল। ইয়াৰ পিছত তেওঁলোক ডিঙ্গা নগৰলৈ গ'ল। তাতে শ্ৰীদাম নামৰ চিলাৰায়ৰ লিগিৰা এটাই ৰামৰাই আতাৰ প্ৰিয়া কমলাপ্ৰিয়াক এদিন দেখিলে, 'দিব্যৰূপ' ত্ৰৈলোক্য মোহিনী। চুলি মেলাইছে, দুকাচি ঢৰাত তিনিপাক দি পৰিছে। পাছে সি গৈয়ে চিলাৰাইত ক'লে ৰূপ, চুলি, লক্ষণৰ কথা। (কথাগুৰুচৰিত) চিলাৰায়ে শুনি ধৰাই নিয়ালে। ৰামৰায়ক মাতি পঠিওৱাত নগ'ল। পিছত শঙ্কৰদেৱে বুজাই পঠিওৱাত গৈ বিৰাহ দিলে।

চিলাৰায়ে শহুৰেকক তিনিখন গাওঁ দি কুঠি কৰি দিয়ালে।

কমলাপ্ৰিয়াই চিলাৰায়ৰ এশপত্নীৰ ভিতৰত মুখ্য পটেশ্বৰীৰ আসন পালে। এদিন চাৰেঙিত সুৰ তুলি এই বৰগীতটি গাইছিল ঃ

পামৰ মন ৰাম চৰণে চিত্ত দেহু।
অথিৰ জীৱন বাস, মাধৱ কেৰি নাম,
মৰল সমল লেহু।। .....।

হঠাৎ চিলাৰায়ৰ আহি এই গীত শুনি পিছত আকৌ এবাৰ গোৱালে। "মহাপণ্ডিত শুক্লধ্বজ অৰ্থে মজি গ'ল" আৰু শঙ্কৰদেৱত শৰণ ল'লে। এই ঘটনাই অসমৰ সমাজ-সাহিত্য-সংস্কৃতি আৰু ধৰ্মৰ ক্ষেত্ৰত, তথা জাতীয় জীৱনত নতুন অধ্যায়ৰ সৃষ্টি কৰিলে। কমলাপ্ৰিয়াৰে আন নাম ভুৱনেশ্বৰী। শঙ্কৰদেৱে অকল "পাৰিজাত-হৰণ'ত শ্ৰীজগতানন্দৰ নাম উল্লেখ কৰি আন তিনিখনত ৰামৰাই

নামেৰেহে তেওঁক উল্লেখিত কৰিছে। সম্ভৱ পিছলৈ তেওঁ আহোমৰাজই দিয়া ৰাজ-সন্মানযুক্ত নামেৰেই বেছি জনাজাত হৈ পৰিল। পিছৰ কালৰ চৰিতকাৰসকলেও তেওঁক ৰামৰায় নামেৰেই বেছিকৈ উল্লেখিত কৰিলে। ৰামৰায়ৰ উৎসাহ, উদগনি, অনুৰোধ নোহোৱা হ'লে মহাপুৰুষে এই চাৰিখন নাট (পাৰিজাত-হৰণ, কালিদমন, ৰুক্মিণী-হৰণ, কেলি-গোপাল) ৰচনা কৰিবলৈ প্ৰেৰণা নাপালেহেঁতেন আৰু সম্ভৱ ৰচিত নহ'লেইহেঁতেন।

**শ্ৰীৰামবিজয় নাট**

যন্নামাখিল — যৎনাম ; অখিল — যাৰ নাম অখিলৰ; লোক শোক শমনং — লোকৰ শোকৰ যম; যন্নাম প্ৰেমাস্পদম্ — যাৰ নাম প্ৰেমাস্পদ; পাৰাপাৰ — পয়োধি — পাপৰ অপাৰ সাগৰত; তাৰণ — ত্ৰাণৰ, বিধৌ — বিধান কৰোঁতা; যন্নাম পীনপ্লৱ — যাৰ নাম কঠিন (শক্তিশালী) ভুৰ বনাও; শ্ৰৱণাৎ — শুনিলে ; পুনাতি শ্বপচঃ — চণ্ডালকো পৱিত্ৰ কৰে; শ্বপচঃ — চণ্ডাল ; মহেশ বৰদং — মহেশক বৰদান কৰা; বন্দে সদা সাদৰম্ — সদায় সাদৰেৰে বন্দনা কৰোঁ ; যেনাভাজি — যাৰদ্বাৰা ভঙ্গ কৰা হ'ল ; সহসা — হঠাৎ ; সমাশ্বামিতা — আশ্বাসিত (কৰা হ'ল); যেনাকাৰি পৰাভৱো — যাৰদ্বাৰা পৰাভৱ কৰা হ'ল; বৈদেহ্যা বিধিৱদ্বিৱাহমকৰোৎ — বৈদেহীক বিধিমতে কৰা হ'ল ; নিৰ্জিত্য যঃ পাৰ্থিৱান — পৃথিৱীপতি (ৰজা) সকলক যি জয় কৰি; যুষ্মাকং — তোমালোকৰ ; বিতনতুশং — বিতনতু — বিতৰণ কাৰক, শং — সুখ ; ভগৱান্ শ্ৰীৰামচন্দ্ৰশ্চিৰম্ — ভগৱান শ্ৰীৰামচন্দ্ৰই সদায়ে [চিৰম্ — সদায়]; ভৃগুপতে ৰামস্য — ভৃগুপতি ৰামৰ; ৰামসঃ চ — তেৱেঁই ৰাম।

নান্দীগীত নাটকৰ আৰম্ভৰ সংস্কৃত শ্লোক দুটাক নান্দী শ্লোক বুলি কোৱা হয় যদিও প্ৰথম শ্লোক মঙ্গলাচৰণ শ্লোকহে। দ্বিতীয় শ্লোকটোক নান্দী আখ্যা দিব পাৰি। সংস্কৃত নাটকৰ অভিনয়ৰ আগতে 'পূৰ্বৰঙ্গ' অনুষ্ঠানৰ ব্যৱস্থা আহে। পূৰ্বৰঙ্গৰ বত্ৰিছটা অঙ্গৰ ভিতৰত নান্দী শেষ অঙ্গ। অঙ্কীয়া নাটত সংস্কৃত নাট্যানুষ্ঠানৰ নিয়ম মানি পূৰ্বৰঙ্গ বা ধেমালি অনুষ্ঠানৰ ভাগ হ'লঃ নাট ধেমালি, সৰু ধেমালি, বৰ ধেমালি, দেৱ ধেমালি, মৃদং ধেমালি, ঘোষা ধেমালি অনুষ্ঠান। [কোনো ঠাইত — জোৰাই, যোৰণি চাহিনি, গুৰুঘাট, সৰু ধেমালি, বৰ ধেমালি, ঘোষা ধেমালি বোলা হয়।] নান্দীক ভাওনাত ধেমালিৰ অঙ্গ বুলি ধৰা নহয়;

ভাওনাৰ মূল অভিনয় অংশৰ অঙ্গ বুলি ধৰা হয়। ধেমালিৰ পিছত সূত্ৰধাৰৰ প্ৰৱেশ আৰু নৃত্য। তাৰ পিছত সূত্ৰধাৰ নান্দী শ্লোক গায়। সংস্কৃত নাটকত এসময়ত নান্দীকাৰজন সুকীয়া লোক আছিল। 'নন্দ' ধাতুৰ অৰ্থ আনন্দ কৰা। নান্দীৰ অৰ্থ মঙ্গলবাচক শব্দযুক্ত স্তুতি। চন্দ্ৰ বুজোৱা শব্দ, পদুম, কুমুদ, চকোৰ আদি মঙ্গলবাচক শব্দ নান্দীত থাকে। দ্বিতীয় শ্লোকত নাটকৰ বিষয়-বস্তু উল্লেখ থাকে। শ্ৰীশঙ্কৰদেৱৰ 'পত্নীপ্ৰসাদ'ত নান্দী শ্লোক নাই। নান্দীৰ দ্বিতীয় শ্লোকৰ নাটকীয় বিষয়-বস্তুৰ আভাস দি নান্দী গীত ৰচনা কৰা হয়। সকলো নাটতে নান্দী গীত নাই। নান্দী শ্লোকৰ পিছতে 'ভটিমা' আৰম্ভ হয়। পৰমপদ — মুক্তি; ভৱ তাপ অপাৰা — সংসাৰ সন্তাপ পাৰহীন; যাহে স্মৰণে — যাৰ নাম স্মৰণ কৰিলেই ; [শ্ৰৱণ-কীৰ্তনাদি ন বিধ ভক্তিৰ ভিতৰত স্মৰণ অন্যতম।] কৰু পাৰা — পাৰ কৰে; [যাৰ নাম স্মৰণে অপাৰ ভৱ তাপৰ পাৰ পোৱায়।] অজগৱ — শিৱৰ ধনুখনৰ নাম; ভঞ্জনকাৰী — ভঙ্গ কৰোঁতা ; জনক কুমাৰী — জনককন্যা (সীতা)।

নান্দ্যন্তে সূত্ৰধাৰ ঃ সংস্কৃত নাটকৰ আৰ্হিত এইদৰে লিখা থাকিলেও সূত্ৰধাৰই নান্দী গায়। গতিকে ইয়াৰ অৰ্থ হয়, নান্দী গোৱাৰ পিছত সূত্ৰধাৰে এই শ্লোক গাইছে। প্ৰথমং ..... সম্বোধ্যাহ — প্ৰথমে মাধৱ মাধৱ নাম লৈ শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰি সভাসদক সম্বোধি কয়। ভো ... সামাজিকা — হে সমজুৱাসকল ; শ্বণুদ্ধং — শুনক; যূয়ং — আপোনালোকে ; বুধাঃ — জ্ঞানী, সজ্জন (সমজুৱাৰ বিশেষণ ৰূপত); ৰঘুকুল — ৰঘুবংশৰ ; কমল প্ৰকাশক — পদুমক প্ৰকাশ কৰা (সূৰ্য); জয় জয় — [সংসাৰৰ দুখ বিজয়কাৰী যি জন তেওঁৰ জয় হওঁক — এই অৰ্থত দুবাৰ 'জয়' শব্দৰ ব্যৱহাৰ।] নিজজন — ভকত সকল; যাতন ঘাতন — যাতনা ঘাতক ; পাতন — উৎপাতন কৰোঁতা, উভাৰি পেলাওঁতা; পাতক ৰীতি — পাপৰ ধাৰা; শৰাসন — ধনু ; নাশন — নাশ (ভঙ্গ) কৰোঁতা ; ছেদল — কাটিলে; ভেদল — ভেদিলে, খেদল দাপে — প্ৰতাপৰে খেদিলে; তাপে — তাপত ; ভৃগুবৰ ৰামক — ভৃগুপতি ৰামক, পৰশুৰামক। ৰামক কামক — (ৰঘুপতি) ৰামক কামনা (যুদ্ধলৈ) কৰা [ৰামক আহ্বান জনোৱা পৰশুৰামক।] ভৱ ভয় — সংসাৰৰ ভয় [জন্ম-মৃত্যুৰ ভয়] জীৱন জানকী কান্ত — জানকীৰ জীৱন স্বৰূপ স্বামী বালি ঘালি ....সুগ্ৰীৱ — বালিক বধ কৰি সুগ্ৰীৱক ৰজা কৰিলে। [বালি-সুগ্ৰীৱ ককাই-ভাই। সুগ্ৰীৱক

খেদাই বালিয়ে সিংহাসন লোৱাত বনবাসী সীতাহাৰা ৰামক প্ৰাৰ্থনা কৰাত ছল কৰি আঁৰৰ পৰা বাণ মাৰি বালিক বধ কৰে আৰু সুগ্ৰীৱক কিষ্কিন্ধ্যাৰ ৰাজপাট দিয়ে। পিছত সুগ্ৰীৱৰ সহায়ত সীতাক উদ্ধাৰ কৰে।] কোপ কটাক্ষ — খঙৰ বেঁকা চাৱনি। নিৰেখি — দেখি ; জলধিক জীৱ — সাগৰৰ প্ৰাণীসমূহ ; সমৰক নাগৰ — সমৰত চতুৰ (শ্ৰেষ্ঠ); নাগৰ সাগৰ — সাগৰৰ স্বামী [সাগৰক বন্ধন কৰোঁতা।] শিলা সেতু কয় বন্ধ — শিলৰ সেতুৰে বন্ধন কৰোঁতা ; ভকতক ভীতা সীতা নীতা — ভীতা ভক্তা সীতাক নিওঁতা (হৰণ কৰোঁতা) ; দশস্কন্ধ — দহ মূৰ (যাৰ) — ৰাৱণ(ক); সাফলল বাণী ...পাট — বাণী সফল হ'ল .... [প্ৰতিজ্ঞা পালন হ'ল জানি সীতাক উদ্ধাৰ কৰি গ্ৰহণ কৰি বিভীষণক লঙ্কাৰ সিংহাসনত থাপনা কৰি....।] যতয়া আতঙ্কা — যিমানবিলাক আতঙ্ক; যতয়া ...উৎপাট — (লঙ্কাৰ যিমানবিলাক আতঙ্ক আৰু শঙ্কাৰ কাৰণ আছিল সেইবিলাকক পুনৰ উভালি পেলালে।) জগতক অন্তক অন্তক — জগতৰ অন্তকৰো (যমৰো) অন্তক (যম)। সন্তক পূৰল পৰম কাম — সন্তসকলৰ পৰম কামনা পূৰ্ণ কৰিলে ; ভূমিক ...ৰাম — ভূমিৰ ভাৰ উদ্ধাৰ কৰি দেৱতা আৰু মানুহক ৰজা ৰামে ('দেৱতা মানুহ সকলোৰে ৰজা' — এই ভাৱৰ ব্যঞ্জনা।) ; ত্ৰাণ কৰিলে (তাৰল); ত্ৰিভুৱন ...মাৰণ — ত্ৰিভুৱনৰ কাৰণ স্বৰূপ, ত্ৰাণকৰ্তা স্বৰূপ আৰু লয়কৰ্তা স্বৰূপ; [সৃষ্টি, পালন আৰু ধ্বংসৰ কাৰণ] দেৱকুদেৱা — দেৱতাৰো দেৱতা ; মহেশ্বৰ — শ্ৰেষ্ঠ ঈশ্বৰ; অসাৰত সাৰত কাৰত ভাৰত নৰতনু — [জীৱনৰ কোনো সাৰ বা স্থায়ী মূল্য নাই, অৰ্থাৎ জীৱন অসাৰ তথাপি ভাৰতত নৰজন্ম লাভ কৰা কাৰ্যৰ সাৰ বা স্থায়ী মূল্য আছে ; বিফলেহি যায় — সেই ফলদায়ক নৰজন্মও বিফলে যায়; অনিন্দ্য — যি পঙ্কজৰ সৌন্দৰ্যক কোনো সৌন্দৰ্যই ম্লান কৰিব নোৱাৰে — অতুলনীয়।] হৃদি পঙ্কজে — হৃদয়ৰ পঙ্কজত; [গোবিন্দৰ অনিন্দ্য পদ-পঙ্কজক নিজৰ হৃদি পঙ্কজত ধাৰণ কৰা — (হে ভাই)]; বিজুৰি — বিজুলী ; উজুৰি — উজ্বলি ; সাধক সিদ্ধি কৰু হৰিনাম — হৰিনামে সিদ্ধি সাধন কৰে; পাঠান্তৰ / ঋদ্ধি — সমৃদ্ধি, সৌভাগ্য; যে জগতক ....নাৰায়ণ — শ্ৰীৰাম স্বয়ং নাৰায়ণ, অৰ্থাৎ ৰাম-কৃষ্ণ-নাৰায়ণ অভেদ; সীতা-বিৱাহ-বিহাৰ নৃত্য— (ঐকাধিক নাটত নৃত্য শব্দৰ ওপৰত সূত্ৰধাৰে প্ৰাধান্য দিছে। তাল-লয়ৰ লগত মিলাই অঙ্গ-সঞ্চালন, মুদ্ৰাৰ ব্যৱহাৰ নৃত্যত কৰা হয়। আঙ্গিক অভিনয়ৰ প্ৰভাৱ নৃত্যত বেছি। কোনো কোনো সমালোচকে আঙ্গিক অভিনয়ৰ

প্ৰাধান্যৰ পৰাই অঙ্কীয়া। অঙ্কীয়া শব্দৰ উৎপত্তি বুলিও এসময়ত 'অঙ্কীয়া' শব্দৰ উৎপত্তি বিচাৰ কৰাৰ চেষ্টা কৰিছিল : প্ৰকৃততে আঙ্গিকৰ পৰা 'অঙ্কীয়া' শব্দ হোৱা নাই। বাচিক, আহাৰ্য অভিনয়ৰ স্থানো অঙ্কীয়া নাটত যথেষ্ট। তথাপি নৃত্যৰ ওপৰত যথেষ্ট গুৰুত্ব পৰিছে।) ৰূপেন অপ্ৰতিমঃ ভূৰি — পৃথিৱীত যাৰ প্ৰতিমা (উপমা নাই); পৰবেশ — 'প্ৰৱেশ'ৰ কাব্যৰূপ। পৰমেশ — পৰম + ঈশ = পৰমেশ্বৰ; শ্যাম ৰুচিৰ — শ্যামবৰণৰ সুন্দৰ (দেহ); চিৰ পীত — কাপোৰ বা বস্ত্ৰ পীতবৰণৰ হালধীয়া ; বয়ন — মুখ ; মণিময় মুকুট বা শিৰস্ত্ৰাণ ; কুণ্ডল গণ্ড দোলে — কুণ্ডল (কাণত পিন্ধা অলঙ্কাৰ) গালত দোলে ; মনমথ — কামদেৱৰ এটা নাম— মন্মথ ; মোতি — মুক্তা; হেমহাৰা — সোণৰ হাৰ; উজোৰ — উজ্জ্বল; চকাৰ — কৰিছিল ; ৰুচি ৰাণনা — শুৱনি মুখৰ; মদন মন ক্লেশ — মদনৰ মনতো দুখ (মদনৰ ৰূপো ম্লান কৰাত) ; ওতিম — উত্তম; চান্দক ৰুচি চোড় — চন্দ্ৰৰ সৌন্দৰ্যও চেৰ পেলায় ; অলক কাণৰ কাষেদি গালৰ ফালে ওলমি থকা চুলি; কাই — দেহ; লাই — লাগি, লগাই ; জাতিস্মৰ — পূৰ্বজন্মৰ কথা যাৰ মনত থাকে; [বাল্মীকি ৰামায়ণত সীতা জাতিস্মৰ কন্যা নহয়।]

বিনিঃশ্বস্য — নিশ্বাস ত্যাগ কৰি (হুমুনিয়াহ পাৰি) ; বৰ্ণয়ামাস — বৰ্ণনা কৰিলে; সূদতী — আঘাত কৰি। বৰ দুখ কৰি। কতি বেৰি — কিছু বেলি; বিলপতি — বিলাপ কৰিলে; মৈথিলী — মিথিলাৰ কন্যা ; চেতনু — চেতন ; চিৰ বিৰহে — চিৰন্তন বিৰহত (জন্মান্তৰৰ বিৰহত) ; ৰময়া — ৰাম ; ঝামৰু — ঝামৰি পৰে; পৰু — পৰে; ভকতক বান্ধৱ মাধৱ — ৰামচন্দ্ৰ নাৰায়ণৰ অৱতাৰ কাৰণে 'মাধৱ' অৰ্থত ৰামক বুজায়; ধনুষ্পাণি — হাতত ধণু লৈ ; কৃষ্ণাৱতাৰ ৰামাৱতাৰৰ আগৰ, কৃষ্ণই সকলো অৱতাৰৰ কাৰণ নাৰায়ণ আৰু ৰাম-কৃষ্ণ অভেদ কাৰণে দশৰথক 'কৃষ্ণদাস' বুলিছে। যাহে — যাক ; নেহাৰি — চাই, দেখি; ৰিপুগণ — শত্ৰুসকল; সাকমাগত্য — সাকম— সৈতে, লগত; আগত্য — আহি ; মন্ত্ৰমুদীৰয়ন্ — ডাঙৰকৈ মন্ত্ৰ পাঠ কৰি [মন্ত্ৰম্ উদীৰয়ন্]; কৌশিক — বিশ্বামিত্ৰ ; কুশৰ পুত্ৰ কুশনাভ, তেওঁৰ পুত্ৰ গাধি, গাধিৰ পুত্ৰ বিশ্বামিত্ৰ ; [কুশিক বংশজ, সেই অৰ্থত কৌশিক।] চণ্ড — উগ্ৰস খঙাল; লাড়য় বাহু — বাহু লৰায়; শোহে — শোভে ; সুললিত — সুন্দৰ, হেৰত — চাই ; তন্নিশম্যাভৱদ্ভীতো — তৎনিশম্য অৱভৎ ভীতো — সেই

কথা শুনি ভীত হৈ ; বিধৃত্য — ধৰি; দশন চৰ্পয়— দাঁত কামোৰে ; নেহবি — নিবা ; আহে — ইয়েহে, এই কথাত ; নাহেৰি — নেদেখি ; লক্ষ্মণ ৰাম পথহি সৱ জান — লক্ষণ আৰু ৰামে বাটত গৈ থাকোঁতেই সকলো শিকিলে ; [ধনুৰ্বেদ আৰু স্বৰ্গীয় অস্ত্ৰ-শস্ত্ৰ জ্ঞান।] দিব্যবাণ — কৃশাশ্বৰ ঔৰষৰ দক্ষকন্যা জয়া আৰু সুপ্ৰভাব গৰ্ভত এই দিব্যবাণ সমূহৰ জন্ম। মহাদেৱে বিশ্বামিত্ৰৰ ৰাজত্বকালত এই দিব্য অস্ত্ৰসমূহ বিশ্বামিত্ৰক দিছিল। এই আচৰিত অস্ত্ৰসমূহৰ বিষয়ে স্বৰ্গ-মৰ্ত্য-পাতালৰ কাৰো জ্ঞান নাছিল।

ৰঘুকুল কমলালি ৰঘুকুল কমলৰ ভোমোৰা ; সূৰ্য্যবৰ্য্য — মহান সূৰ্য অৰ্থত ‘বৰ্য্য’ দিয়া হৈছে ; স্বজন সুত কলত্ৰে — সুহৃদ, পুত্ৰ, ভাৰ্যাৰে ; ৰামৰ বিৱাহ হোৱাই নাছিল যদিও আহিব ধৰা বিৱাহ আৰু ভৱিষ্যতৰ ইঙ্গিত দিছে। দুৰিতম্ — অশুৰম্ — বেয়াখিনি; এষাং — এওঁলোকৰ ৰামচন্দ্ৰ আৰু ৰঘুবংশৰ। হৰষি — হৰণ কৰিছোঁ; বিমৰিষ কয় — বিৱেচনা কৰি ; ‘সোহি সীতা পূৰ্ব জনমত বহুত তপ আচৰি, তোহাক স্বামী পাৱল’ — সীতাই নিজে কোৱা মতে ৰামক আগৰ জন্মত স্বামী পোৱা নাছিল, পিছৰ জন্মত ৰামক স্বামী পাব বুলি আকাশী বাণী শুনি অগ্নিত জাহ দি প্ৰাণ ত্যাগ কৰিছিল। ঋষিয়ে ‘পাৱল’ অৰ্থত পূৰ্বজন্মত পোৱা বুলি কোৱা নাই; এই জন্মত পাব বুলি বৰ লাভ কৰাহে বুজাইছে। ৰামচন্দ্ৰৰ অৱতাৰ এই জন্মতহে হৈছে। কনক পুতলি — সোণৰ পুতলা; তুল — তুলনীয়, যেন ; লোলে — ওলমে ; ভ্ৰূৱভঙ্গ — চেলাউৰিৰ ভাঁজ; উচ্ছঙ্ক — (সং উচ্ছণ্ড) — খৰখেদা, ততাতৈয়া ; মৃণাল — পদুমৰ ঠাৰি; মজত — সোমাল ; জলপঙ্ক — পানীৰ বোকাত ; হেৰিয়ে ভুজ যুগ .....পঙ্ক — বাহু দুটা দেখি সুন্দৰ মৃণালৰ পানীৰ তলৰ বোকাত সোমাবলৈ খৰখেদা লাগিল। (নিন্দাপোমা)। (অৰ্থাৎ মৃণালেও লাজ পালে।) শলাকা — শলা ; দাড়িম্ব নিবিড় বীজ — দালিমৰ সুৰুঙা বা ফাঁক নথকা দাঁত দুপাৰি। কমলিনী মাই — পদ্মিনী মাই (পদ্মিনী, চিত্ৰিণী, শংখিনী, হস্তিনী — এই চাৰি শ্ৰেণীৰ নাৰীৰ মাজত শ্ৰেষ্ঠা, পদ্মিনী নাৰী। বদৰী প্ৰমাণ — বগৰীৰ নিচিনা নৱ যৌৱনা ডম্বৰুক ঠান — ডম্বৰুৰ নিচিনা (মাজ অংশ চিয়াঁ — কঁকাল সৰু।) চম্পক পাকৰি — চম্পাকলি ; নিৰমিল — নিৰ্মাণ কৰিলে; ঠাম — স্থান ; ভোলি — ভোলগৈ; নিশম্য — নিশ্বাস কাঢ়ি ; জগাম — গ’ল; মিথিলাম্প্ৰতি — মিথিলালৈ ; আভাষ্য — সম্ভাষণ কৰি; ৰাজীৱ লোচন — পদ্মলোচন ; নিকলিক

— নিষ্কলঙ্ক — নিকা ; মুৰাৰি — ৰাম কৃষ্ণ অভেদ কাৰণে মহাপুৰুষে ৰামক মুৰাৰি আখ্যা দিছে ; ভাৱ ভিন্ন ৰীত — ভাৱধাৰা বেলেগ ধৰণৰ ; মদন ঝামৰ — মদনৰ দ্বাৰা জামৰি গৈছে, ম্লান হৈছে; পহিল — প্ৰথম ; কাম....প্ৰৱেশ — কাম ভাৱৰ প্ৰথম প্ৰবেশ ; হৰতু — হৰণ কৰক ; কেশৱ — ব্ৰহ্মা, বিষ্ণু , শিৱ তিনিওকে সামৰি থকা নাৰায়ণ — কৃষ্ণ, ৰাম ; — সেই ৰামে সকলোৰে ক্লেশ (সংসাৰ যাতনা) হৰণ কৰক; গজ বাজি মহৈশ্চৰ্য্য — গজ বাজি মহা ঐশ্বৰ্য; বাজি — ঘোঁৰা ; ভাৰ্য্যাত্মজযুতঃ সদা — ভাৰ্যা + আত্মজ যুতঃ সদা — ভাৰ্যা-পুত্ৰেৰে সৈতে সদায় যুক্ত হৈ ; দুহিতুস্তৱ — তোমাৰ দুহিতাৰ ; দিদৃক্ষয়া — চাবৰ ইচ্ছাৰে ; তাৱাগতৌ — তৌ + আগতৌ (দুজন আহিছে।) পঞ্চ শবদে — পাঁচ প্ৰকাৰ বাদ্য-যন্ত্ৰৰ দ্বাৰা শব্দ কৰি ; [ঢাক, ঢোল, মৃদঙ্গ, গোমুখ, তাল] সম্বাদ নাদ — সংবাদ ধ্বনি, জাননী দিয়া শব্দ; ৰামা সুন্দৰী (সীতা); সম্প্ৰেষয়ামাস — পঠিয়ালে ; তস্যাঃ — তেওঁৰ (সীতাৰ) কথামথাকৰ্ণ্য — কথাম + অথ + আকৰ্ণ্য = শুনাৰ পিছতেই [আগ্ৰহ বা কৌতুক বেছি বুজাইছে] যযৌ গ'ল ; নত্বাতি সত্বৰম্ — নত্বা + অতি + সত্বৰম্ = সেৱা জনাই অতি সত্বৰে। ছত্ৰক বেশ — ছাতিৰ দৰে আকৃতি ; [ছত্ৰাকৃতি মূৰ ৰাজ লক্ষ্মণ।] **কটিবন্ধ — কঁকালত মৰা বান্ধণী ; সিংহ বন্ধ সিংহৰ দৰে আটিল; কমল কো**ষ — পদুমৰ কোঁহ ; পদতল — ভৰিৰ তলুৱা; সুমহাহৰ্য ধৰ্ষিতা — অতি বেছি আনন্দত আকুলিত ; পতিতা — পৰি গ'ল ; মানস অমিয়া ঝুৰাই — মানসত (যেন) অমৃত নিগৰে; আনন্দ-সিন্ধু — আনন্দ সাগৰ (ত); মগন — বুৰ যোৱা; নৃপান — ৰজাসকলক ; মহতীং — মহৎ, বিৰাট ; সভাম — সভা ; উৎসৱ শোভিতাম্ — উৎসৱ শোভিত ; কাৰয়ামাস — কৰিলে ; নৃপাজ্ঞয়া — নৃপতিৰ (জনকৰ) আদেশেৰে; শৰচাপ — শৰ ধনুৰে ; বাহু কাণ্ডে — বাহুত কাঁড় (শৰৰ তূণ বাহুত ওলোমাই বা আঁৰি) ; খাণ্ডা উড়ি হাতে — হাতত তৰোৱাল লৈ ; উড়ি — ওপৰলৈ দাঙি, উৰাই ; সখীভিঃ — সখিসকলৰ ; সাকম্ — সৈতে ; সাকমভেদ্যং— শুদ্ধ পাঠ সাকমভেদ্যং — সাকম্ অভেদ্যং [অভেদ্যং ধনুৰ বিশেষণ] স্কন্ধে নিধায় — কান্ধত লৈ ['স্ব স্কন্ধে'ৰৰ ঠাই 'স্কন্ধে' ৰাখিলেহে ছন্দ পতন নহ'ব। □. □. □□□□□□□ৰ শুদ্ধ পাঠ।]

জগাদ — ক'লে; পশ্যতৈতৎ — পশ্যতৈনং — পশ্যতি + এতৎ

= এই (ধনুখন) চোৱাঁ ; ইদং — এই খনত ; সজ্যং — গুণ, জ্যা; কৰোতি — কৰিব, লগাব; ৰামম্ — ৰামক ; আহ — ক'লে; মুনিঃ — মুনিয়ে ; বৎস — বাছা ; কিন্নিৰিক্ষেহতিষ্ঠসি — কিংনিৰিক্ষ্য ইহ তিষ্ঠাসি — ইয়াত কি চাই আছা ; কৌশল্যানন্দনোতিষ্ঠ — কৌশল্যানন্দন উঠা; কাৰ্ম্মুকম্ — ধনু ; কুৰু — কৰা, লগোৱাঁ; উপালম্ভ — অসন্মান; ধৃতে চাপে শ্ৰীৰামেন — শ্ৰীৰামৰ দ্বাৰা ধনু ধৰোঁতে ; শঙ্কিত মানসা — শঙ্কিত মনেৰে ; অনন্তং — অনন্ত নাগক ; কচ্ছপং — কাছক ; যাচমানা — প্ৰাৰ্থনা কৰিলে; সন্নদ্ধে — টানকৈ ; শঙ্কিতাং সীতাং — সীতাক শঙ্কিতা; প্ৰসজ্য — জোৰ কৰি সজ্যমকৰোৎ — গুণ টানিলে ; পচাৰে — পচাৰতে ; পৰিধাই — পৰিধান কৰি; আঞ্চোলে ঢোল — আঁচলেৰে বিচে; অভৱদ্ভীতা — ভীতা হ'ল ; ভূপাল বীৰ — ভূপালক (ৰজা) বীৰ ; বল্কলম — বলকনি ; বেপথুমতী — কঁপি কঁপি ; শোচন্তি — অনুশোচনা কৰি; বিলপতি — বিলাপ কৰিলে ; পিউক লাই — প্ৰিয়ক লাগি — প্ৰিয়তমৰ কাৰণে তাপে পৰি — সন্তপ্ত কৰি ; পূৰব জনম — পূৰ্ব জনমৰ ; বল্লভ — স্বামী ; সমাশ্বাস্য — আশ্বাসিত কৰি, আশ্বাস দি; মাভৈঃ — ভয় নাই ; স্থিতেময়ি — মই থাকোঁতে ; মুদা — আনন্দেৰে ; কুশণ্ডি — হোমৰ স্থান কুশেৰে জোধা কাৰ্য ; উৰ্ব্ব্যাং— পৃথিৱীত ; মুনিৰ্মন্ত্ৰমুদীৰয়েৎ — মুনিয়ে মন্ত্ৰ পাঠ কৰিলে ; ৰুদ্ৰ — মহাদেৱ ; মুদ্ৰাভ্ৰাজদযোধ্যাস্প্ৰযযৌ — আনন্দেৰে পোহৰাই অযোধ্যালৈ গৈছিল ; অভ্ৰাজৎ — পোহৰাই ; ভাৰ্গবো — ভৃগুপুত্ৰ — পৰশুৰাম ; স্কন্ধে — কান্ধত ; নিধায় — তুলি ; ৰামমব্ৰবীৎ — ৰামক ক'লে ; বেণ্ডসিক — মগনীয়া, ভিখাৰী ; মেৰা — মোৰ; একবিংশতিবাৰ — একৈশবাৰ ; পৰশুৰাম — ঋষি জমদগ্নিৰামৰ পুত্ৰ, মাতৃ ৰেণুকা , ক্ষত্ৰিয়ই তেওঁৰ পিতাকক হত্যা কৰাৰ অপৰাধত হাতত কুঠাৰ লৈ একৈশবাৰ পৃথিৱী ভ্ৰমি সকলো ক্ষত্ৰিয় হত্যা কৰে। বিষ্ণুৰ প্ৰধান দহটা অৱতাৰৰ ভিতৰত এটা। ৰাম অৱতাৰত বিষ্ণুৱে পৰশুৰামৰ সেই শক্তি নিজৰ দেহলৈ ঘূৰাই আনে; তেওঁৰ স্বৰ্গপথ ছেদ কৰে। [পৰশুৰামৰ কাহিনী শেষৰ ফালে দিয়া হৈছে।]

চটি — চটচটনি ; চৰ্প্পটি — গৰ্ব বাক্য ; থিক — থাকিল ; বসনং বধ্বা — বস্ত্ৰ বান্ধি ; পদেহ পতৎ — ভৰিত পৰিল ; পৰিচ্ছেদ — শেষ ; বেপিতমানসা — কম্পিত মনে ; পতিমালিঙ্গ্য — স্বামীক আঁকোৱালি ;

হাহতোস্মীতি — হাহতোস্মি হতি — 'হায় মই মৰিলো' বুলি ; বাদিনী — যি (তেনেকৈ) কৈছিল — সীতা ; পেখি পৰম পিউ জীৱ যৈচ যায় — পৰম প্ৰিয়ক চাই জীৱ যেন যায়— [ৰামচন্দ্ৰৰ মুখলৈ চাই, — তেওঁৰ কাৰণেই আজি পৰশুৰামৰ হাতত সেই ৰামচন্দ্ৰ নিহত হ'ব, — এই চিন্তাত জীৱ যেন উৰি যায়।]

মাৰ্জ্জয়ন্মুখম্ — মুখ মচিলে।

মৎশিষ্যং — মোৰ শিষ্যক ; হন্তুমিচ্ছসি — হত্যা কৰিবলৈ ইচ্ছা কৰিছা; চয়ড়ি — চোঁৱৰ — চুঁৱৰি পহুৰ নেজ ; পৰিধান চৰ্ম — পিন্ধা চাল — (পহুৰ চাল); কুলাঙ্গাৰ — কুলৰ এঙাৰ ; [কুল দাহ কৰি বা কলঙ্ক] ; সকোপে — খঙেৰে ; আজ্ঞা কৰহ — আজ্ঞা দিয়ক ; বধে — বধিবলৈ ; আততায়িনঃ — শত্ৰুক ; [যি ঘৰত জুই দিয়ে, খাদ্যত বিহ দিয়ে, ভাৰ্যা হৰণ কৰে, মাটি-সম্পত্তি নিয়ে, ধন হৰণ কৰে আৰু অস্ত্ৰলৈ বধ কৰিবলৈ আহে — আততায়ী] ; তম্প্ৰাহ — তেওঁক ক'লে ; নেয্যমাদ্য — আজি নিওঁ; ৰেণুকা — পৰশুৰামৰ মাতৃ। পানী আনিবলৈ গৈ বেলি কৰাত জমদগ্নিৰ সন্ধ্যা কৰাৰ সময় পাৰ হৈ যায়। সেই খঙত পুত্ৰ পৰশুৰামক মাতৃক হত্যা কৰিবলৈ আদেশ দিয়াত পৰশুৰামে পিতৃবাক্য পালন কৰে। পিছত বৰ প্ৰাৰ্থনা মতে মাতৃক জীয়াই তোলে যদিও মাতৃহত্যা পাপৰ পৰা উদ্ধাৰ পাবলৈ তীৰ্থ পৰ্যটন কৰিব লগা হয়। শদিয়াৰ পৰশুৰামকুণ্ড বুলি পিছত জনাজাত কুণ্ডত স্নান কৰাত হাতৰ কুঠাৰ খহি পৰে আৰু পাপযুক্ত হয় বুলি কিংবদন্তি আছে। [পৰশুৰামৰ কাহিনী শেহৰফালে দিয়া হৈছে।] শাৰঙ্গ — বিষ্ণুৰ ধনু 'শাৰ্ঙ্গ' ; শিঙৰ পৰা সজা ধনু কাৰণে এই নাম। বিষ্ণুৰ চতুৰ্ভুজ মূৰ্তিত সাধাৰণতে শঙ্খ, চক্ৰ, গদা, পদ্ম ধাৰণ কৰাৰ মূৰ্তিয়ে জনাজাত যদিও বিষ্ণুৰ আন চতুৰ্ভুজ মূৰ্তিত ধনু, খড়গ, পাশ, অঙ্কুশ আদিও থাকে। [সাৰঙ্গ শব্দৰ আন অৰ্থ — পদুম, কুলি চৰাই, কামদেৱ, ভোমোৰা, পহু সাৰঙ্গপাণি — পদ্মপাণি।] [মূল ৰামায়ণ মতে পৰশুৰামৰ হাতত হৰধনুৰ সমান শক্তিবিশিষ্ট বৈষ্ণৱ ধনু আছিল। পৰশুৰামে সেই ধনুত গুণ দিবলৈ আহ্বান কৰাত ৰামে তাত শৰযোজনা কৰি সেই শৰেৰে তেওঁৰ তপস্যাৰ দ্বাৰা আৰ্জিত দিব্যলোকসমূহ ধবংস কৰে।]

ৰেমে — ৰমন কৰিছিল ; ভৃশং — বাৰুকৈ ; কৰু ৰময়া ৰস কেলি — ('ৰময়া' শব্দৰদ্বাৰা আনন্দ দিয়া বুজাইছে বুলি ধৰিব পাৰি। ৰম্ ধাতুৰ অৰ্থ

আনন্দ দিয়া। বিশেষকৈ মিলনৰ আনন্দ বা সম্ভোগৰ আনন্দকে বুজোৱা হৈছে। ৰসকেলি — ৰসক্রিয়া — সম্ভোগ কাৰ্য।) কুচ চুম্বুক — কুচৰ অগ্ৰভাগ; যামিনী যাই — ৰাতি পাৰ হয়; ইন্দু মুহ শোহে — চন্দ্ৰমুখত শোভাকৰে (সীতাৰ); পৰম ৰসিক গুৰু — পৰম ৰসিক গুৰু — পৰম (ভক্তি) ৰসিকসকলৰ ভিতৰত শ্ৰেষ্ঠ। শ্ৰীশুক্লধ্বজ —মহাৰাজ নৰনাৰায়ণৰ ভায়েক চিলাৰায়, প্ৰধান সেনাপতি। নৰনাৰায়ণ পাটৰ ৰজা, চিলাৰায় 'ঠাট'ৰ (সৈন্যৰ) ৰজা। দুয়ো ৰাজভ্ৰাতৃ সংস্কৃত ভাষাত আৰু শাস্ত্ৰত পণ্ডিত। শ্ৰীমন্ত শঙ্কৰদেৱৰ ভ্ৰাতৃ ৰামৰায়ৰ কন্যাক বিয়া কৰাই মুখ্য পটেশ্বৰী পাতিছিল। ভুৱনেশ্বৰীৰ মুখত বৰগীত শুনি শঙ্কৰদেৱৰ প্ৰতি আকৃষ্ট হয় আৰু শৰণ লয়। অকল ৰসিক বিশেষণ দিয়াহ'লে কাব্য ৰসিকসকলৰ ভিতৰত শ্ৰেষ্ঠ এনে অৰ্থ বুজালেহেঁতেন। 'পৰম' বিশেষণৰ যোগেদি পৰম ৰসৰ ৰসিকসকলৰ ভিতৰত [কৃষ্ণ ভক্তিৰসত ৰসিক] শ্ৰেষ্ঠ — এই অৰ্থ বুজোৱা হৈছে বুলি ধৰিব পাৰোঁ। পিছৰ শাৰীত সেই অৰ্থ পৰিষ্কাৰ হৈছে — 'ঈশ্বৰ কৃষ্ণক কেলি লীলা ৰস জানা।' চিকুৰ — চুলি [আন অৰ্থ বিজুলী।] নিকৰ — সমূহ ; চঞ্চল চিকুৰ নিকৰ — চুলিবিলাক চঞ্চল (আউল-বাউল); কৰকঙ্কণ ঝনকিত — হাতৰ খাৰুৱে ঝনক ঝনক শব্দ তোলে। (ঝনকিত) ৰতনকু মালা — ৰত্নখচিত মালাই (ঝনক্ ঝনক্ শব্দ কৰে)। 'ঝনকিত ক্ৰিয়া পদটো 'কৰ কঙ্কন' আৰু 'ৰতনকু মালা' উভয়ৰে ক্ষেত্ৰত উমৈহতীয়াকৈ ব্যৱহাৰ হৈছে।

পিতাকেৰি আশ — পিতাকৰ আশা ; বালি ঘালি — বালিক বধি ; সুগ্ৰীৱক পাট দেলহ — সুগ্ৰীৱক কিষ্কিন্ধাৰ ৰজা পাতিলে ; বানৰক ঠাট — বান্দৰ সৈন্য ; পয়োধি — সাগৰ [পয়োনিধি] । [এই মুক্তি মঙ্গল ভটিমাত ৰামৰ বিৱাহৰ পিছৰ ঘটনাৱলী চমুকৈ দিয়া হৈছে। কিন্তু ৰজা হোৱাৰ পিছত আকৌ সীতাক বনবাস দিয়া আদি ঘটনাৰ উল্লেখ বা ইঙ্গিত নাই।]

**পৰশুৰাম**— ঋষি জমদগ্নিৰামৰ আশ্ৰমত আতিথ্য গ্ৰহণ কৰিবলৈ সসৈন্যে আহি ৰজা সহস্ৰাৰ্জুনে ঋষিৰ কামধেনু নামৰ গাইজনীৰ ক্ষমতা দেখি পিছত সৈন্য পঠাই গাইজনীক জোৰ কৰি ৰাজধানীলৈ লৈ গ'ল। পুত্ৰ ৰামে (পৰশুৰাম) তপস্যা পৰা আহি খণ্ডত গৈ সহস্ৰাৰ্জুন আৰু সৈন্যসকলক বধ কৰি কামধেনুক লৈ আহিল। ঋষিয়ে পুতেকৰ কাৰ্যক নিন্দা কৰি এবছৰ তীৰ্থসেৱা কৰিবলৈ বিধান দিয়ে। ৰামে পিতৃবাক্য পালন কৰিলে। এদিন ঋষিপত্নী ৰেণুকাই গঙ্গাৰ পানী আনিবলৈ গৈ চিত্ৰসেন গন্ধৰ্ব আৰু অপ্সৰাসকলৰ জলক্ৰিয়া দেখি কামমোহিতা

হয়। এই ক্ৰীড়া চাই থাকোতে বেলি হোৱাত লৰালৰিকৈ পানী লৈ যায় যদিও ঋষিয়ে ৰেণুকাই পৰপুৰুষক কামনা কৰা বুলি জানি পুতেকসকলক মাকৰ শিৰ কাটিবলৈ আদেশ দিয়ে। অৱশেষত পৰশুৰামেহে সেই আদেশ পালন কৰে আৰু পিতৃৰ আদেশত ককায়েকহঁতৰো মুৰ কাটে। জমদগ্নি আনন্দিত হৈ ৰামক বৰ দিব খোজাত ৰামে মাক আৰু ককায়েকহঁতৰ জীৱন ঘূৰাই লয়। সহস্ৰাৰ্জুনৰ পুতেকহঁতে পৰশুৰামৰ অনুপস্থিতিৰ সুযোগ লৈ পিতৃহত্যাৰ প্ৰতিশোধ লবলৈ আশ্ৰমলৈ আহি জমদগ্নি মূৰ কাটি লৈ যায়। ৰামে পিছত হাতত কুঠাৰ লৈ সহস্ৰাৰ্জুনৰ সকলো পুত্ৰক কাটি পিতৃৰ শিৰ উদ্ধাৰ কৰি পিতৃৰ দেহৰ লগত সংযুক্ত কৰি প্ৰাণ দান দিলে।

এই খণ্ডতে তেওঁ একৈছবাৰ পৃথিৱী ভ্ৰমি ক্ষত্ৰিয় নিধন কৰিছিল। ভৃগুবংশজ কাৰণে তেওঁক ভাৰ্গৱ বুলিও জনা যায়।

**তাড়কা** — তাড়কা সুন্দ নামৰ এক দৈত্যৰ পত্নী। পিতাক সুকেতু নামৰ এজন যক্ষ। তপস্যাত ব্ৰহ্মাক সন্তুষ্ট কৰি সুকেতুৱে এই কন্যা লাভ কৰে। গতিকে তাড়কা ৰাক্ষসী নাছিল, যক্ষিণীহে। অগস্ত্য মুনিয়ে শাপ দি সুন্দক ধ্বংস কৰাত তাড়কা আৰু তেওঁৰ একমাত্ৰ পুত্ৰ মাৰীচে ঋষিক ভক্ষণ কৰিবলৈ অহাত ঋষিয়ে দুয়োকো শাপ দিয়াৰ ফলত তাড়কা ৰাক্ষসী আৰু মাৰীচ ৰাক্ষসত পৰিণত হয়। তাড়কাই নানা মায়া ধৰি আঁৰৰপৰা শিলাবৰ্ষণ কৰি ৰাম-লক্ষ্মণ-বিশ্বামিত্ৰক আবৃত কৰি পেলাইছিল। শেষত ৰামে তাড়কাক বধ কৰিবলৈ বাধ্য হ'ল।

**দিব্যবাণ** — বিশ্বামিত্ৰই এই অতি আচৰিত অস্ত্ৰসমূহ ৰামচন্দ্ৰক তাড়কা বধৰ আগত আৰু পাছতো দান কৰিলে। সেই অস্ত্ৰসমূহৰ কিছুমানৰ নাম হ'ল — দণ্ডচক্ৰ, কালচক্ৰ, ধৰ্মচক্ৰ, বিষ্ণুচক্ৰ, ইন্দ্ৰচক্ৰ, ঐষীক অস্ত্ৰ, মানৱ নামৰ গান্ধৰ্ব অস্ত্ৰ, মোহন নামৰ গান্ধৰ্ব অস্ত্ৰ ইত্যাদি। বিশেষ বিশেষ মন্ত্ৰ জপৰদ্বাৰা এই অস্ত্ৰসমূহক সোঁশৰীৰে সন্মুখীন কৰিব পৰা হয়। ৰামচন্দ্ৰই তেনেদৰে তেওঁৰ সন্মুখত মূৰ্তিমান হোৱা অস্ত্ৰসমূহক হাতেৰে স্পৰ্শ কৰে আৰু অস্ত্ৰসমূহেও আনুগত্য প্ৰকাশ কৰি অন্তৰ্দ্ধান হয়। প্ৰয়োজনৰ সময়ত সেই সেই অস্ত্ৰসমূহ স্মৰণ মাত্ৰেই ৰামৰ হাতত পৰিব। এয়ে দিব্য অস্ত্ৰৰ বিশেষত্ব ; এনে অস্ত্ৰ লাভ কৰোঁতা বীৰসকলে অস্ত্ৰসমূহ লগত লৈ নুফুৰে। এনে অস্ত্ৰৰ প্ৰয়োগ মন্ত্ৰ জানিলেই নহ'ব, উপসংহাৰৰ মন্ত্ৰও জানিব লাগিব। ৰামে সেই মন্ত্ৰও শিকি লৈছিল।

**অগজৰ ধনু** — মহেশ-ধনু বা হৰধনুখনৰ নাম। মূল ৰামায়ণত এই ধনুৰ নাম

'সুনাভ'। মহাদেৱৰ এই ধনু দেৱতাসকলে জনক ৰজাক দান কৰিছিল। স্বৰ্গ-মৰ্ত্য—পাতালৰ কোনো বীৰেই এই ধনুক গুণ দিবলৈ সমৰ্থ হোৱা নাছিল। পাঁচ হেজাৰ অতি বলবান লোকে এই ধনু ৰাজসভালৈ আনিব পাৰিছিল। আঠ চকাযুক্ত লোহাৰ পেৰাত এই ধনু থোৱা হৈছিল।

**বিশ্বামিত্ৰ** —কুশৰ পুত্ৰ কুশনাভৰ পুত্ৰ গাধি, গাধিৰ পুত্ৰ বিশ্বামিত্ৰ। কুশিক বংশজ কাৰণে তেওঁ কৌশিক নামেও জনাজাত। এওঁ প্ৰৱল পৰাক্ৰমী ক্ষত্ৰিয় ৰজা আছিল। এবাৰ সৈন্য-সামন্ত সহ পৃথিৱী ভ্ৰমণ কৰিবলৈ গৈ ব্ৰহ্মৰ্ষি বশিষ্ঠৰ আশ্ৰমত ৰাতি থাকোতে বশিষ্ঠই তেওঁৰ কামধেনু 'শবল' নামৰ গাইজনীৰ সহায়ত ৰজা আৰু সৈন্যসকলক উৎকৃষ্ট খাদ্য-দ্ৰব্যৰ যোগান ধৰে। এই গাইজনী ৰজাই নিজৰ কৰিব খোজাত বশিষ্ঠৰ সন্মতি ক্ৰমে গাইজনীয়ে বিভিন্ন জাতৰ সৈন্যৰ সৃষ্টি কৰে যদিও বিশ্বামিত্ৰৰ হাতত সকলো পৰাজিত হয়। বিশ্বামিত্ৰৰ শত পুত্ৰ বশিষ্ঠৰ ক্ৰোধত ভস্ম হয়। বিশ্বামিত্ৰৰ দৈৱ অস্ত্ৰসমূহো বশিষ্ঠৰ ব্ৰহ্মদণ্ডই ধ্বংস কৰে। এই দৈৱঅস্ত্ৰসমূহ তেওঁ তপস্যাৰদ্বাৰা মহাদেৱক তুষ্ট কৰি লাভ কৰিছিল। পৰাজিত বিশ্বামিত্ৰই অস্ত্ৰবলতকৈ তপস্যাৰ বল শ্ৰেষ্ঠ ভাবি কঠোৰ তপস্যাৰে ব্ৰহ্ম-শক্তি লাভ কৰে। শেষত তেৰোঁ বশিষ্ঠৰ দৰে ব্ৰহ্মৰ্ষি ৰূপে স্বীকৃতি হয়। পিছত তেওঁ অধিক তপস্যাৰ দ্বাৰা কাম আৰু ক্ৰোধক জয় কৰে। মাৰীচ সুবাহু-তাড়কা আদিক তেওঁ শাপ দিয়ে ধ্বংস কৰিব পাৰিলেহেঁতেন, কিন্তু তেতিয়াহ'লে তেওঁৰ যজ্ঞ কৰ্ম নিষ্পন্ন নহ'লহেঁতেন। তপস্যাৰ বলত তেওঁ সুকীয়া স্বৰ্গ নিৰ্মাণ কৰি মহাৰাজ ত্ৰিশঙ্কুক সোঁশৰীৰে তাত স্থান দিছিল। □

## মহাপুৰুষ শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ শ্লোকসমূহৰ সৰল ভাঙণি ঃ

### পত্নীপ্ৰসাদ

লক্ষ্ম্যা ওক নতো নতস্তৱ পদে ভৱভৱাঞ্জকে
ৱন্দে নন্দনিৱাসৱাস দনুজশ্ৰীকচ্ছিদা-গৰ্ব্বিত।
পদ্মামোদন সুন্দৰেন্দু-দলিত-প্ৰায় প্ৰকাশ প্ৰভো
ভোগব্যালৱলাৱলেপ পৰমাকেনামৃতং দেহি।। ভোঃ

**অৰ্থ** ঃ লক্ষ্মীৰ বাসস্থান, সংসাৰৰ ভয় দূৰ কৰোঁতা, দানৱসকলৰ শ্ৰীগৰ্বধ্বংস কৰোঁতা, লক্ষ্মীক আনন্দদান কৰা, সুন্দৰ চন্দ্ৰৰ কান্তিকো ম্লান কৰি প্ৰকাশিত হোৱা, সৰ্পৰ ফনাৰ গৰ্বকো নাশ কৰি অন্নস্বৰূপ পৰম অমৃত দান কৰোঁতা ভগৱান কৃষ্ণক নমস্কাৰ (প্ৰণাম) জনালো।

শ্যামং হিৰণ্যপৰিধিং নৱমাল্যৱৰ্হ-
ধাতু প্ৰৱাল নটৱেষমনুব্ৰতাংসে।
ৱিন্যস্তহস্তমিতৰেণ ধুনানমজ্জং।
কৰ্ণোৎপলালককপোলামুখাব্জহাসম্।

**অৰ্থ** ঃ শ্যামবৰণীয়া শৰীৰত সোণবৰণৰ হালধীয়া বস্ত্ৰ পৰিধান কৰা, ডিঙিত বনমালা, ৰত্নময় হাৰ, ত্ৰিভুবন মোহন নটবৰবেশ, লম্বিত বাহু, কাণত ডোলি থকা পদুম পৰিধান কৰা, হাঁহি থকা কৃষ্ণৰ মুখ কমল ব্ৰাহ্মণপত্নী সকলে দেখা পাইছিল।

### ৰুক্মিণীহৰণ নাট

যৎপাদপঙ্কজৰজঃ শিৰসা সুৰেশাঃ
শৰ্ব্বাদয়ো দিৱিষদোহতি-মুদোদ্বহন্তি।

যৎ কীৰ্ত্তনাৎ কলিমলং মনুজাস্ত্যজন্তি
কৃষ্ণস্য তস্য চৰণং শৰণং ব্ৰজেম।। 1।।

**অৰ্থ** ঃ যিজনৰ (কৃষ্ণৰ) চৰণৰ ধূলি (বিষপাণ কৰা শিৱ) শিৱ প্ৰমুখ্যে শ্ৰেষ্ঠ দেৱতাসকলেও শিৰত (মুৰত) লয়, যাৰ কীৰ্ত্তনত সকলো জীৱৰ উদ্ধাৰ হয়, কলিৰ দোষ নাইকিয়া হয়, সেইজন পৰমেশ্বৰ কৃষ্ণৰ চৰণত প্ৰণাম জনাইছো (শৰণ লৈছো)।

অপি চ ঃ আৰু আছে —

চৈদ্যাদীন্নৃপতীন্ ৱিজিত্য তৰসা যেনাহৃতাৰুক্মিণী
যেনাজৌ ৱিনিৰ্জ্জীত্য দুৰ্জ্জয়াৰিপুঃ ৰুক্মী ৱিৰূপীকৃতঃ।
ৱৈদৰ্ভীং ৱিধিৱদ্বিৱাহমকৰোদ্ যো দ্বাৰৱত্যাং মুদা
তস্মৈ শ্ৰীপৰমাত্মনে ভগৱতে কৃষ্ণায় কুৰ্ম্মো নমঃ।। 2।।

**অৰ্থ** ঃ যিজনে (যিজন কৃষ্ণই) চেদী নৃপতি প্ৰমুখ্যে আন ৰজাসকলকো পৰাভূত কৰি ৰুক্মিণীক হৰণ কৰিছিল, যিজনে দুৰ্জ্জয় (শক্তিশালী) শত্ৰু ৰুক্মীক বিৰূপীকৃত কৰিছিল, যি জনে বিদৰ্ভলৈ গৈ বিধিমতে বিবাহ কৰিছিল, যিজনে দ্বাৰকাবাসীক আনন্দিত কৰিছিল (আনন্দদান কৰিছিল) সেই পৰমাত্মা ভগৱান কৃষ্ণক নমস্কাৰ (প্ৰণাম) জনাইছো।

ভো ভোঃ সভাসদঃ যুয়ং শৃণুধ্বং শ্ৰদ্ধয়াধুনা।
ৰুক্মিণীহৰণং নাম নাটকং মুক্তি সাধকম্।। 3।।

**অৰ্থ** ঃ হে সভাসদসকল! আপোনালোকে শ্ৰদ্ধাসহকাৰে শুনক। ৰুক্মিণীহৰণ নামৰ নাটক মুক্তিসাধনকাৰী অৰ্থাৎ মঙ্গলকাৰক।

প্ৰৱেশমকৰোৎ কৃষ্ণঃ স্বকান্ত্যা কামকৌটিজিৎ।
জগতাং জনকো ধাতা সোদ্ধৱঃ সাধুবান্ধৱঃ।। 4।।

**অৰ্থ** ঃ নিজৰ কান্তিৰে কোটি মদনৰ (কামদেৱৰ) সৌন্দৰ্য্যকো পৰাভূত কৰিব পৰা, জগতৰ জনক, ধাতা অৰ্থাৎ বিধাতা সেইজন ভগৱান কৃষ্ণ তেওঁৰ পৰম বান্ধৱ উদ্ধৱৰ সৈতে প্ৰবেশ কৰিছে।

ৰুক্মিণীং কাৰয়ামাস প্ৰৱেশং সখী সংযুতাম্।
মোহয়ন্ হৰ্ষয়ন্ চাৰু ৰূপলাৱণ্যকান্তিভিঃ।। 5।।

**অৰ্থ** ঃ সুন্দৰ মোহময়ী, ৰূপ-লাৱণ্য কান্তিৰে যুক্তা ৰুক্মিণীয়ে আনন্দমনেৰে সখীসকলৰ সৈতে প্ৰবেশ কৰিছে।

কস্তং কস্মাদিহায়াতঃ পৃষ্টঃ কৃষ্ণেন ভিক্ষুকঃ।
প্ৰাহাহং কুণ্ডিনান্নাথ ত্বাং দিদৃক্ষুৰিহাগতঃ।। 6।।

**অৰ্থ** ঃ কৃষ্ণই ভিক্ষুকক সুধিলে - "তুমি কোন? কি কাৰণে ইয়ালৈ আহিছা?" কুণ্ডিননাথে ক'লে- "মই কুণ্ডিনৰ পৰা আপোনাক দৰ্শন কৰিবৰ বাবে আহিছো।"

শ্ৰুত্বা ভিক্ষুমুখাৎ কৃষ্ণো ৰুক্মীণ্যাঃ ৰূপমদ্ভুতম্।
ত্বামেৱ সততং ধ্যায়ান্ তস্থো ব্যাকুলমানস ঃ।। 7।।

**অৰ্থ** ঃ কৃষ্ণই ভিক্ষুকৰ (সুৰভি ভাটৰ) মুখৰ পৰা ৰুক্মিণীৰ অদ্ভুতৰূপৰ কথা শুনি তেওঁকেই মনত (ধ্যান কৰি) ভাবি তেওঁৰ বাবে ব্যাকুল হৈ পৰিল।

কো ভৱানিহ সম্প্ৰাপ্তঃ পৃষ্টো ভিক্ষুৰভাষত।
দ্বাৰকানগৰাৎ প্ৰাপ্তঃ প্ৰাৰ্থকোহহং নৃপাত্মজে।। 8।।

**অৰ্থ** ঃ মই দ্বাৰকা নিবাসী হৰিদাস নামৰ ভিক্ষুক ভাট। ৰুক্মিণীক (ৰাজকুমাৰীক) দৰ্শন কৰিবৰ বাবে ইয়ালৈ আহিছো।

কৃষ্ণস্য ৰূপলাৱণ্যশ্ৰৱণেন ৱিমোহিতা।
দধৌ তচ্চৰণাম্ভোজং ভজনীয়ং সতাং সতী।। 9।।

**অৰ্থ** ঃ ৰুক্মিণীয়ে (হৰিদাস ভাটৰ) ভিক্ষুকৰ মুখেৰে শ্ৰীকৃষ্ণৰ ৰূপ-গুণৰ কথা শুনি বিমোহিতা হ'ল, কৃষ্ণক হৃদয়ত স্থান দি আন চিন্তা বাদ দি কৃষ্ণৰ চৰণ ভজনা কৰিলে।

শ্ৰুত্বা সখীমুখাৎ সাক্ষাদ্বাৰ্ত্তামানন্দিতা সতী।
ৰুক্মিণী ক্ৰীড়য়ামাস স্পৃষ্ট্বা হৰিপদং হৃদি।। 10।।

**অৰ্থ** ঃ সখীসকলৰ মুখৰ পৰা সকলো কথা শুনি সতী (ৰুক্মিণী) আনন্দিতা হৈ পৰিল, হৰিক হৃদয়ত ধ্যান কৰি সখীৰ সৈতে ক্ৰীড়া (খেলিবলৈ) কৰিবলৈ ধৰিলে।

ততো ৰুক্মী সভাং গত্বা গৰ্হয়িত্বাথ মাধৱম্।

গৰ্ব্বেন খৰ্ব্বৱাক্যেন কন্যাং দাতুং ন্যৱাৰয়ৎ।। 11।।

**অৰ্থ** ঃ তাৰ পিছত (ৰুক্মিণীৰ জ্যেষ্ঠ ভ্ৰাতা) ৰুক্মী সভা গৃহত প্ৰবেশ কৰি মাধৱক (কৃষ্ণক) গৰ্বেৰে অশুভ বাক্যৰে গৰিহণা দি কন্যাদান কৰিবলৈ বাধা দিলে।

নিশম্য ৰুক্মিণ্যুদ্বাহং শিশুপালদয়ো নৃপাঃ।
গৃহীত্বা চ শৰং চাপমায়যুঃ কুণ্ডিনং প্ৰতি।। 12।।

**অৰ্থ** ঃ ৰুক্মিণীৰ বিবাহৰ কথা শুনি শিশুপাল প্ৰমুখ্যে ৰজা সকলে হাতত শৰ-ধনু আৰু বিবিধ অস্ত্ৰ লৈ কুণ্ডিনলৈ যাত্ৰা কৰিলে।

নিশম্য ৱিপ্ৰিয়ং ৱালা ভীতা ভূমৌ পপাত সা।
ৰুৰোদ হৃদয়ে ধ্যায়ন্ শ্ৰীকৃষ্ণস্য চৰণং চিৰম্।। 13।।

**অৰ্থ** ঃ অপ্ৰিয় বাক্য শুনি ভয় খাই (ৱালা) ৰুক্মিণীয়ে কান্দি কান্দি শ্ৰীকৃষ্ণক হৃদয়ত স্থাপন কৰি মাটিত লুটি খাই পৰিল।

লপন্তী কৃষ্ণ কৃষ্ণেতি হৰেৰ্ব্বিৰহ কাতৰা।
ৰুৰোদ ৰাজদুহিতা সখীভিঃ সহিতা সতী।। 14।।

**অৰ্থ** ঃ ৰাজদুহিতা ৰুক্মিণীয়ে জ্ঞান ঘূৰাই পাই হৰিৰ (কৃষ্ণৰ) বিৰহত কাতৰ হৈ সখীসকলৰ ওচৰত কৃষ্ণ কৃষ্ণ বুলি কান্দিবলৈ ধৰিলে।

নিশম্য ত্বৰিতং প্ৰাগাদ্বাক্যং দেৱ্যাঃ দ্বিজোত্তমঃ।
নাম্না ৱেদনিধিঃ খ্যাতো ৰুক্মিণ্যাঃ প্ৰিয়কৃতদা।।15।।

**অৰ্থ** ঃ তাৰপাছত ৰুক্মিণীৰ কথা শুনি উত্তম ব্ৰাহ্মণ ৰূপে খ্যাত বেদনিধি ৰুক্মিণীৰ প্ৰিয়কৰ্ম সাধন কৰিবলৈ উপস্থিত হ'ল।

নিশম্য তদ্বচো ৱালা ৱিনিঃশ্বস্য পুনঃ পুনঃ।
ৱিপ্ৰস্য চৰণৌ শিৰ্ষা স্পৃষ্ট্বা শোকাকুলাব্ৰৱীৎ।। 16।।

**অৰ্থ** ঃ তেওঁৰ (বেদনিধিৰ) কথা শুনি ৰুক্মিণী নিঃশ্বাসত্যাগ কৰি সুস্থ হৈ ব্ৰাহ্মণৰ চৰণ শিৰেৰে স্পৰ্শ কৰি শোকাভিভূত হৈ ক'বলৈ ধৰিলে।

নিশম্য তদ্বচো ৱিপ্ৰো ৱিহস্যোৱাচ ৰুক্মিণীম্।
কুমাৰী কুৰু মা শোকং কা চিন্তাতে স্থিতে ময়ি।। 17।।

**অৰ্থ** ঃ ৰুক্মিণীৰ কথা শুনি বিপ্ৰই (বেদনিধিয়ে) হাঁহি হাঁহি ক'লে - "হে ৰাজকুমাৰীঙ্গ শোক ত্যাগ কৰা, মই থাকোঁতে তোমাৰ চিন্তা কিহৰ?"

কুশলং তৱ ৱিপ্ৰেন্দ্ৰ কিমৰ্থমিহামাগতঃ।
পৱিত্ৰং কৃতমস্মাকং তৎপাদৰজসা গৃহম্।। 18।।

**অৰ্থ** ঃ কৃষ্ণই ক'লে - "হে বিপ্ৰেন্দ্ৰ! হে ব্ৰাহ্মণশ্ৰেষ্ঠঙ্গ আপুনি কি কাৰণত ইয়ালৈ আহিল। আপোনাৰ চৰণৰ ধূলিৰে মোৰ গৃহ পৱিত্ৰ কৰিলে।

এৱং সভাজিতো ৱিপ্ৰো নিশম্যেশ্বৰভাষিতম্।
প্ৰীত্যা প্ৰত্যাহ প্ৰহসন্ মাধৱং সাধুৱান্ধৱম্।। 19।।

**অৰ্থ** ঃ সভাত প্ৰৱেশ কৰি কৃষ্ণৰ কথা শুনি বিপ্ৰই ক'লে যে - "হে মাধৱঙ্গ আপুনি সাধুসকলৰ বান্ধৱ, আপোনাৰ কথা শুনি মই আনন্দিত হ'লো।

নিৰীক্ষ্য কৰুণং পত্ৰং পত্ন্যাঃ পৰমপুৰুষঃ।
প্ৰেমাশ্ৰুলোচনস্তস্থৌ ম্লাননেত্ৰমুখাম্বুজঃ।। 20।।

**অৰ্থ** ঃ ৰুক্মিণীৰ সকৰুণ পত্ৰ দেখি শ্ৰীকৃষ্ণৰ হৃদয়ত সন্তাপ হ'ল আৰু প্ৰেমাশ্ৰু (প্ৰেমভাৱবশতঃ চকুৰ পানী) বৈ আহিল আৰু পদুম সদৃশ মুখখনি ম্লান পৰি গ'ল।

অথ ৰথমধিৰুহ্য কেশবোঽসৌ
সপদি সাৰথিমোদ্ধৱেন যুক্তঃ।
কৰকৃত ধনুৰীশ্বৰঃ প্ৰিয়ায়া
প্ৰেমাকুলঃ কুণ্ডিনমোজস্বান্ যযৌ।। 21।।

**অৰ্থ** ঃ তাৰপাছত দাৰুকে চলোৱা ৰথত উদ্ধৱ আৰু ব্ৰাহ্মণক (বেদনিধি) লৈ হাতত ধনুশৰ ধাৰণ কৰি প্ৰিয়াৰ (ৰুক্মিণীৰ) বাবে আকুলিত হৈ কুণ্ডিনলৈ যাত্ৰা কৰিলে।

ততো ৱিপ্ৰং প্ৰভুঃ প্ৰাহ গচ্ছ ত্বং সত্বৰং গুৰো।
মদাগমনমাখ্যাসি প্ৰিয়ায়াঃ প্ৰীতিমাৱহন্।। 22।।

**অৰ্থ** ঃ তেতিয়া কৃষ্ণই বিপ্ৰ বেদনিধিক ক'লে- "আপুনি এই গুৰু কাৰ্যৰ বাবে সোনকালে গৈ মই যোৱাৰ শুভ বাতৰিটো প্ৰিয়াক জনাওকগৈ।"

ৱিলম্বং ৱীক্ষ্য ৱিপ্রস্য ৰুক্মিণী ৰাজনন্দিনী।
চিন্তাং দুৰন্তামাসাদ্য ৰুৰোদ সখীসন্নিধৌ।। 23।।

**অৰ্থ** ঃ বিপ্র (বেদনিধি) গৈ পোৱাত পলম হোৱা দেখি ৰাজকুমাৰী ৰুক্মিণী চিন্তিত হৈ পৰে আৰু সখীসকলৰ আগত কান্দিবলৈ ধৰিলে।

ততঃ উত্থায় সা ৱালা ৱিনিঃস্বস্য পুনঃ পুনঃ।
ৰুৰোদ করুণং ৱালা স্মৃত্বা কৃষ্ণপদাম্বুজম্।। 24।।

**অৰ্থ** ঃ তেতিয়া ৰুক্মিণীয়ে উঠি বাৰে বাৰে নিঃশ্বাস ত্যাগ কৰে আৰু কৃষ্ণৰ পাদকমল চিন্তা কৰি দুঃখিত হৈ কান্দিবলৈ ধৰিলে।

সাধিতাৰ্থো দ্বিজং প্রাগাৎ প্রীত্যুৎফুল্লৱিলোচনঃ।
নাপতৎ চৰণৌ তস্য ধৰণ্যাং হৰ্ষৱেগতঃ।। 25।।

**অৰ্থ** ঃ ব্ৰাহ্মণ বেদনিধিয়ে ৰুক্মিণীৰ কাৰ্যসাধন কৰি অহাত ৰুক্মিণীয়ে তেওঁক দেখি অতি আনন্দিত হৈ মাটিত ভৰি নপৰাকৈ যেন দৌৰি গৈ বিপ্রৰ চৰণত প্ৰণাম জনালে।

নিশম্য ৱচনং ভ্রাতুৰ্ভূষয়িত্বাথ ভূষণৈঃ।
জগাম সখিভিঃ সাকমাত্মানমাম্বিকালয়ম্।। 26।।

**অৰ্থ** ঃ ভাতৃৰ (ৰুক্মী) কথা শুনি ৰুক্মিণী সালঙ্কৃতা হৈ সখিসকলৰ সৈতে নিজ কাৰ্য সাধনৰ বাবে অম্বিকা মন্দিৰলৈ গ'ল।

কৃষ্ণঃ কুণ্ডিনমাগত্য ৱিপ্রং প্রস্থাপ্য সাদৰম্।
দাৰুকোদ্ধৱ সংযুক্তঃ প্ৰৱিৱেশ ৱিভুঃ সভাম্।। 27।।

**অৰ্থ** ঃ কুণ্ডিনৰ পৰা অহা বিপ্রক সাদৰেৰে পঠাই দি দাৰুক আৰু উদ্ধৱক লগত লৈ অহা ভগৱান কৃষ্ণ সভাগৃহত প্ৰবেশ কৰিলে।

সখীভিঃ সহ ৱৈদৰ্ভী কৃষ্ণদৰ্শন লালসা।
ললিতা লীলয়া গত্যা জগামাথাম্বিকালয়াৎ।। 28।।

**অৰ্থ** ঃ ৰাজনন্দিনী ৰুক্মিণীয়ে কৃষ্ণক দৰ্শন কৰিবৰ বাবে পৰম আকুলিত হৈ লীলা গতিৰে সখীসখীসকলৰ সৈতে অম্বিকালয়ৰ পৰা আহিল।

কৃষ্ণোহপি ক্ষুভিতং চিত্তং স্থিৰংকৃত্বা জহাৰ তাম্।
ইক্ষতাং দ্বিষতাং মধ্যাৎ মৃগাণাং কেশৰী যথা।। 29।।

**অৰ্থ** ঃ কৃষ্ণয়ো ৰুক্মিণীৰ ৰূপ-লাৱণ্য দেখি মোহিত হৈ কোনোমতে চিত্তক শান্ত কৰিলে আৰু শত্ৰুৰজাসকলৰ ওচৰৰ পৰা ৰুক্মিণীক হৰণ কৰি লৈ গ'ল, যি দৰে সিংহই মৃগদলৰ পৰা নিজৰ ভাগ (মৃগ) লৈ যায়।

ৰাজ্ঞামাটোপ টঙ্কাৰ কল্লোলং ৰুক্মিণী সতী।
নিশম্য বেপিতা ভীতা মনস্যেৱমচিন্তয়ৎ।। 30।।

**অৰ্থ** ঃ ৰজাসকলৰ কোলাহল, হুঙ্কাৰ আৰু ধনুষ্টকাৰ শুনি ভয়তে ৰুক্মিণীৰ হৃদয় কঁপি উঠিল আৰু মনে মনে এনেদৰে চিন্তা কৰিবলৈ ধৰিলে।

ভয়ৱেপিতচিত্তয়াঃ ৰুক্মিণ্যাং ৰোদনং দ্ৰুতম্।
নিৰীক্ষ্য দৃঢ়মালিঙ্গ্য সান্ত্বয়ামাস কেশৱঃ।। 31।।

**অৰ্থ** ঃ ভয়তে কঁপি কঁপি ৰুক্মিণীয়ে কান্দিবলৈ ধৰিলে, তাকে দেখি কৃষ্ণই ৰুক্মিণীক দৃঢ়ভাৱে আলিঙ্গন কৰি আশ্বাস দিলে।

ততঃ শাৰ্ঙ্গধনুৰ্দ্ধৃতা টঙ্কাৰমকৰোদ্ধৰিঃ।
শ্ৰুত্বা তচ্ছব্দমতুলং ৰাজানোহি চকম্পিৰে।। 32।।

**অৰ্থ** ঃ কৃষ্ণই ধনু ধাৰণ কৰি টঙ্কাৰ কৰিলে আৰু ধনুৰ অতিশয় অতুলনীয় শব্দ শুনি ৰজাসকলে ভয়ত কঁপিবলৈ ধৰিলে।

ততোহতি কৌতুকেং দৃষ্টা প্ৰিয়ায়াঃ পৰমেশ্বৰঃ।
সানন্দ লীলাগতিভিৰ্ব্ৰজন্ কেলিমকাৰয়ৎ।। 33।।

**অৰ্থ** ঃ ৰজাসকলক পৰাভূত কৰি কৃষ্ণই পৰম কৌতুকেৰে প্ৰিয়া ৰুক্মিণীৰ সৈতে (দ্বাৰকা পুৰীলৈ) গ'ল আৰু প্ৰিয়াৰ লগত (কেলি) ক্ৰীড়া কৰিলে।

শ্ৰুত্বা কৃষ্ণো ৱিহস্যাহ শৃণুৰে কুলকণ্টক।
ত্বামদ্য নিশিতৈৰ্ব্বাণৈৰ্নয়ামি যমমন্দিৰম্।। 34।।

**অৰ্থ** ঃ ৰুক্মীৰ কথা শুনি কৃষ্ণই হাঁহি হাঁহি ক'লে- "হে কুলকণ্টক (কুলৰ কাঁইট) তোক আজি চোকা বাণেৰে নিশ্চয়কৈ যমপুৰলৈ পঠাম।

দৃষ্টৱা ভ্ৰাতৃবধোদ্যোগং গোৱিন্দস্য সুদুঃখিতা।
কৰাভ্যাং গৃহ্য চৰণৌ চকাৰ কাতৰংসতী।। 35।।

**অৰ্থ** ঃ তাৰপিছত ভাতৃক (ৰুক্মীক) বধ কৰিবলৈ উদ্যত হোৱা কৃষ্ণক (গোৱিন্দক) দেখি ৰুক্মিণীয়ে দুহাতে কৃষ্ণৰ চৰণত ধৰি কাতৰভাৱেৰে

ক'বলৈ ধৰিলে।

প্ৰীতঃ প্ৰিয়ায়াঃ সম্প্ৰেক্ষ্য ৱিলাপং পৰমেশ্বৰঃ।
ৰক্ষিত্বা ৰুক্মিণঃ প্ৰাণান্ কাৰয়ামাস মুণ্ডনম্।। 36।।

**অৰ্থ** ঃ তাৰপিছত প্ৰিয়াৰ (ৰুক্মিণীৰ) কৰুণবিলাপ শুনি পৰমেশ্বৰ কৃষ্ণই ৰুক্মীক প্ৰাণে নামাৰি মুণ্ডন (মুৰৰ চুলি খুৰাই দিলে) কৰি এৰি দিলে।

শান্ত্বয়িত্বা প্ৰিয়াং পশ্চাত্তয়া সহ মহাহৰিঃ।
দ্বাৰিকাপুৰমাৰিশ্য তাং প্ৰিয়াং সমৰিৰমৎ।। 37।।

**অৰ্থ** ঃ প্ৰিয়াক (ৰুক্মিণীক) শান্ত কৰি পিছত প্ৰিয়াৰ সৈতে মহাহৰি কৃষ্ণই দ্বাৰকা পুৰীত প্ৰবেশ কৰি আনন্দ কৰিলে।

আজগাম ততো ব্ৰহ্মা কৃষ্ণস্যোদ্বাহহেতৱে।
স-নাৰদো মুদাযুক্তঃ স্ৰুৱহস্তোহতিকৌতুকী।। 38।।

**অৰ্থ** ঃ কৃষ্ণৰ বিবাহৰ কথা শুনি পুত্ৰ নাৰদৰ সৈতে ব্ৰহ্মা আহি উপস্থিত হ'ল আৰু হাতত শ্ৰুৱ লৈ আনন্দেৰে হোম আৰম্ভ কৰিলে।

ততো নিৰীক্ষ্য ৰুক্মিণ্যাঃ ৰূপলাৱণ্যমদ্ভূতম্।
ৱভূৱ মূৰ্চ্ছিতো ব্ৰহ্মা কাম-মদন পীড়িতঃ।। 39।।

**অৰ্থ** ঃ তাৰপিছত ৰুক্মিণীৰ (ভুৱন-মোহন ৰূপ দেখি) অদ্ভুতৰূপলাৱণ্য দেখি ব্ৰহ্মা কাম মদনত পীড়িত হৈ মূৰ্চ্ছিত হৈ পৰিল।

ততশ্চেতনমালভ্য ব্ৰহ্মা মন্ত্ৰমুদীৰয়েৎ।
তদোদ্বাহৱিধৌ তস্মিন্নুৎসৱ সুমহানভূৎ।। 40।।

**অৰ্থ** ঃ নাৰদে সুস্থিৰ কৰাত জ্ঞান লাভ কৰি ব্ৰহ্মাই পুনৰ মন্ত্ৰ মাতি হোম কৰিবলৈ ধৰিলে। এনেদৰে কৃষ্ণ-ৰুক্মিণীৰ বিবাহোৎসৱ আনন্দেৰে সম্পাদন কৰিলে।

ততোহতি কৌতুকী কৃষ্ণঃ প্ৰিয়য়া প্ৰেমৰূপয়া।
কুৰ্ব্বন্ কেলিং মহোৎসাহান্ মুমুদে ৰত্নমন্দিৰে।। 41।।
(কালিৰাম মেধিৰ পাঠত —
"কুৰ্ব্বন্ কেলিৰসোৎসাহান্ মুমুদে ৰত্নমন্দিৰে"।।)

**অৰ্থ ঃ** তাৰপিছত কৃষ্ণ পৰম উৎসুকে প্ৰাণপ্ৰিয়াৰ (ৰুক্মিণীৰ) সৈতে পৰমআনন্দেৰে ৰত্ন মন্দিৰত (গৃহত) প্ৰবেশ কৰি আনন্দতে কেলি কৰিবলৈ ধৰে।

ৰুক্মিণীহৰণনাটোহয়ং সম্পূৰ্ণো হৰিণা কৃতঃ।
অস্মিন্নিমিত্তমাত্ৰোহহং জানন্তীতি মহত্তমাঃ।। 42।।

**অৰ্থ ঃ** কৃষ্ণৰ চৰণ প্ৰসাদত হৰিৰ (কৃষ্ণৰ) বাবে কৰা ৰুক্মিণীহৰণ নাট ইয়াতে সমাপ্ত হ'ল। কৃষ্ণ চৰিত্ৰৰ মহত্ব বৰ্ণনা কৰিবলৈ আমি নিমিত্তমাত্ৰ।

## কালিয়দমন যাত্ৰা

মেঘশ্যামলমূৰ্ত্তিমায়তমহাবাহুং মহোৰঃস্থল-
মাৰক্তায়ত কঞ্জলোচন যুগং পীতাম্বৰং সুন্দৰম্।
মুক্তাহীৰকহেমহাৰৱলয়ালঙ্কাৰকান্তিদ্যুতিম্
কৃষ্ণং শাৰদ-সান্দ্ৰ-চন্দ্ৰ-সদৃশং হৃদ্‌পঙ্কজেহহুম্ভজে।। 1।।

**অৰ্থ ঃ** যিজন মেঘবৰণৰ শ্যামলশৰীৰৰ, বলিষ্ঠ বাহুযুক্ত, বহল আৰু ওখ বুকুযুক্ত, অলপ ৰঙচুৱা পদুমৰ দৰে চকুযুৰি, হালধীয়া বস্ত্ৰেৰে শোভিত মুক্তা, হীৰা আৰু সোণৰ অলঙ্কাৰৰ পোহৰেৰে দীপ্তিমান, যিজন শৰৎকালৰ পূৰ্ণচন্দ্ৰ সদৃশ সেইজন ঈশ্বৰৰ চৰণ কমল হৃদয়ত ধ্যান কৰো।

**অপি চ ঃ** আৰু আছে—

যেনাকাৰি মহাহিদৰ্পদলনং ক্ৰীড়া হ্ৰদিন্যজলে-
যেনাভাজি ভুজঙ্গ ভোগনিখিলং পদ্ভ্যাং মুদা মৰ্দ্দিতম্।
যেনামাৰি মহামহাসুৰচমুচক্ৰং পৰং লীলয়া
তস্মৈ শ্ৰীকৰুণাময়ায় মহহে কৃষ্ণায় নিত্যং নমঃ।। 2।।

**অৰ্থ ঃ** যিজনে হ্ৰদত ক্ৰীড়াকৰি মহাসৰ্পক দমন কৰিছিল, যিজনে সৰ্পৰ আটাইবোৰ ফণাক ভৰিৰে মৰ্দনকৰি বধ কৰিছিল, বিবিধ লীলাৰে যি জনে মহান যোদ্ধা আৰু সৈন্যসমূহক বধ কৰিছিল, সেইজন কৰুণাময় কৃষ্ণক সদায়ে সেৱা কৰোঁ।

ভো ভো সামাজিক যুয়ং শৃনুধ্বমধুনা ৰচঃ।
কৃষ্ণস্য কালিদমনং যাত্ৰাবাৰ্ত্তাং নিবোধত।। 3।।

**অৰ্থ** ঃ হে সামাজিক সকলঙ্গ শ্ৰীকৃষ্ণৰ কালিদমন যাত্ৰা (নাটক) পৰম কৌতুকেৰে (পৰম আনন্দেৰে) কৰা হ'ব আপোনালোকে শ্ৰদ্ধাৰে শুনক।

গোৱৎসান্ পুৰতঃ কৃত্বা গোপালঃ পালকাঃ সত্যাম্।
প্ৰৱেশমকৰোৎ গোপৈঃ সহ ৱেণুং নিনাদয়ন্।। 4।।

**অৰ্থ** ঃ সন্মুখত গাই-দামুৰি সমূহ লৈ গোপবালক সকলৰ সৈতে বংশী (বাঁহী) বাদন কৰি শ্ৰীকৃষ্ণই প্ৰবেশ কৰিলে।

ৱৎসকান্ ৱালকান্ কৃষ্ণো ৱিলোক্য মৃতকান্ তদা।
চকাৰ প্ৰচুৰং খেদমদ্ভূতং ভক্তৱৎসলঃ।। 5।।

**অৰ্থ** ঃ গাই-দামুৰি (পোৱালি) আৰু ভক্ত গোপবালক সকলক (মৰাৰ দৰে) অচেতন হৈ পৰি থকা দেখি শ্ৰীকৃষ্ণৰ মন দুঃখিত হৈ পৰিল।

কৃষ্ণস্যামৃতদৃষ্ট্যালং লব্ধপ্ৰাণাঃ কুমাৰকাঃ।
প্ৰীতাস্তে চৰণৌ নেমুৰ্যথা স্বপ্নাৎ সমুত্থিতাঃ।। 6।।

**অৰ্থ** ঃ শ্ৰীকৃষ্ণৰ অমৃত দৃষ্টি লাভ কৰি পুণৰ্বাৰ প্ৰাণ ঘূৰাই পাই গো-বৎস আৰু গোপবালক সকল সপোনৰ পৰা জাগৰিত হোৱাৰ দৰে উঠি বহিল।

তত্ৰ কালিয় ভুজগং ভগৱান্ ভৱভাৱনঃ।
দূৰীকৰ্ত্তুং মনশ্চক্ৰে হ্ৰদাদ্দৈত্যনিসূদনঃ।। 7।।

**অৰ্থ** ঃ তাৰ পিছত অনন্ত শক্তি সম্পন্ন দৈত্য বধকাৰী ভগৱান কৃষ্ণই দুৰন্ত বিষশক্তি সম্পন্ন কালি সৰ্পক দমন কৰি আতৰ কৰিবৰ বাবে মনতে স্থিৰ কৰি কালিয় হ্ৰদত (জপিয়াই পৰিল)।

নিশম্য হ্ৰদনিৰ্হ্ৰাদ-সম্বাদমিমদ্ভূতম্।।
আগত্য ত্বৰিতং কালিঃ ক্ৰোধেনাদংশদচ্যুতম্।। 8।।

**অৰ্থ** ঃ তাৰপাছত হ্ৰদৰ ঢৌৰ অদ্ভুত শব্দ শুনি ক্ৰোধত বেগাই আহি কালিয়ে কেশৱক(কৃষ্ণক) দংশন কৰিলে।

ততো নানাদ্ভুতং দৃষ্টা ব্রজে নন্দাদয়স্তদা।
কৃষ্ণো মৃত ইতি মত্বা তং দ্রষ্টুং যযুৰাকুলাঃ।। 9।।

**অৰ্থ** ঃ ব্ৰজত (গোকুলত) নানা অমঙ্গল চিন দেখি নন্দ আদি গোপ-গোপীসকলোৱে প্ৰাণপুত্ৰ কৃষ্ণৰ মৃত্যু হ'ল বুলি আকুল হৈ (হ্ৰদৰ পাৰলৈ) গ'ল।

ততঃ কৃষ্ণ-মুখং বীক্ষ্য গোপ্য ৰিৰহ কাতৰাঃ।
ৰুৰোদঃ সুস্বৰন্তীব্ৰং শোকশল্যেন ধৰ্ষিতাঃ।। 10।।

**অৰ্থ** ঃ তাৰপাছত কৃষ্ণৰ মুখলৈ চাই গোপ-গোপীসকলোৱে বিৰহত কাতৰ হৈ ডাঙৰকৈ চিঞৰি চিঞৰি (আৰ্ত্তৰাৱে মাটিত বাগৰি বাগৰি) কান্দিবলৈ ধৰিলে।

যশোদা চেতনাং প্ৰাপ্য পতিতা সহ সা ভৃশম্।
ৰুৰোদ দুঃখশোকাৰ্ত্তা পুত্ৰস্য পশ্যন্তীমুখম্।। 11।।

**অৰ্থ** ঃ যশোদাই কিঞ্চিৎ জ্ঞান ঘূৰাই পাই আকৌ পৰি যায় আৰু পুত্ৰৰ মুখ চাই চাই শোকাৰ্ত্ত হৈ পুনৰ বিলাপ কৰিলে।

দৃষ্টা ৰিষাদং গোৰিন্দো ভক্তানাং ভক্তৱৎসলঃ।
আস্ফোট্য সহসোত্তস্থৌ ৰিমুক্ত ঃ সৰ্পবন্ধনাৎ।। 12।।

**অৰ্থ** ঃ ভক্ত গোপ-গোপীসকলৰ অতিশয় বিষাদ দেখি ভকতবৎসল কৃষ্ণই হঠাতে সৰ্পৰ বন্ধনৰ পৰা উঠি অতি অহঙ্কাৰে (বীৰদৰ্পে) কালিক দূৰলৈ দলিয়াই দিলে।

ততঃ শিৰাংসি সৰ্পস্য পদ্ভ্যামাৰ্মৰ্দ্য মাধৱ ঃ।
ননৰ্ত্ত লীলয়া সৰ্ব্বকলাদিগুৰুৰীশ্বৰঃ।। 13।।

**অৰ্থ** ঃ তেতিয়া সকলো সুকুমাৰ কলাৰ গুৰু ঈশ্বৰ কৃষ্ণই কালিয় সৰ্পৰ মুৰত উঠি নৃত্য কৰিবলৈ ধৰিলে।

নাগপত্ন্যঃ পতিং ৰীক্ষ্য মুমূৰ্যূঙ্গতচেতনম্।
তুষ্টুবুঃ কৃষ্ণমভ্যেত্য ভৰ্ত্তুৰিৰহ কাতৰাঃ।। 14।।

**অৰ্থ** ঃ নাগপত্নীসকলে স্বামীৰ মৃতপ্ৰায় অৱস্থা দেখি বিৰহত কাতৰ হৈ (মুমুৰ্ষ হৈ) অচেতন হৈ পৰে আৰু স্বামীক তেনে অৱস্থাৰ পৰা ৰক্ষা

কৰিবলৈ তুতি-মিনতি কৰে।

নিশম্য নাগনাৰীণাং কৰুণং কমলেক্ষণঃ।
কালিয়-শিৰসঃ কৃষ্ণ কৃপয়াৱততাৰ সঃ।। 15।।

**অৰ্থ** ঃ তেতিয়া কমললোচন কৃষ্ণই নাগনাৰীসকলৰ প্ৰাৰ্থনা আৰু কৰুণ অৱস্থা দেখি কালিয়ৰ (নাগৰ) মুৰৰ পৰা কৃপাবশতঃ অৱতৰণ কৰিলে।

ততো ৱিমূৰ্চ্ছিতঃ কালিয়ঃশনৈঃ সম্প্ৰাপ্য চেতনাম্।
তুষ্টাব শিৰসা নত্বা মত্বা কৃষ্ণং মহেশ্চৰম্।। 16।।

**অৰ্থ** ঃ তাৰপাছত মূৰ্চ্ছিত হৈ পৰা কালিয়নাগে লাহে লাহে জ্ঞানঘূৰাই পালে আৰু পৰমপুৰুষ ব্ৰহ্মাণ্ডৰ ঈশ্বৰ কৃষ্ণৰ চৰণত শিৰেৰে স্পৰ্শ কৰি প্ৰণাম জনাই তুতি (প্ৰাৰ্থনা) কৰিলে।

ৱীক্ষ্য ভক্তিং ততস্তস্য তুষ্টঃ কৃষ্ণো জগাদ তম্।
মাভৈৰ্ভূজগতীৰ্ণোহসি মম মায়াং দুৰত্যয়াম্।। 17।।

**অৰ্থ** ঃ কালিৰ ভক্তি দেখি ভগৱান কৃষ্ণ সন্তুষ্ট হৈ ক'লে- “হে সৰ্পৰাজ কালি! তুমি ভয় নকৰিবা, মোৰ মায়াৰ দ্বাৰা তুমি সংসাৰ সমুদ্ৰৰ পৰা উদ্ধাৰ হ'লা।”

নিশম্য নিৰ্ভয়াং ৱাণীঃ কৃষ্ণস্য ভূজগস্তদা।
নত্বা সপৰিৱাৰেণ যযৌ ৰমণকং মুদা।। 18।।

**অৰ্থ** ঃ তেতিয়া কালিসৰ্পই কৃষ্ণৰ নিৰ্ভয় বাণী শুনি প্ৰণাম জনাই সপৰিয়ালেৰে আনন্দমনেৰে ৰমণক দ্বীপলৈ যাত্ৰা কৰিলে।

ততো লোকাঃ সমুত্তস্থুঃ ৱেষ্টিতা ৱনৱহ্নিনা।
চুক্ৰুশুঃ কৃষ্ণ কৃষ্ণেতি ত্ৰাহি ত্বং নিজকিঙ্কৰান্।। 19।।

**অৰ্থ** ঃ তাৰ পাছত (শুই থকা) গোকুলবাসী আৰু গোপশিশু সকলক বনাগ্নিয়ে আগুৰি ধৰিলে। প্ৰচণ্ড শব্দশুনি সকলোৰে নিদ্ৰা ভঙ্গ হ'ল। অগ্নি দেখি সকলোৱে ভয় খাই ৰক্ষা কৰিবৰ বাবে কৃষ্ণ কৃষ্ণ বুলি চিঞৰিবলৈ ধৰে।

ততোহতিভীতান্ ভগৱান্ গোপানাশ্বাস্য সত্বৰম্।
মুখেন ৱহ্নিমপিৱৎ মহাযোগেশ্বৰো হৰিঃ।। 20।।

**অৰ্থ** ঃ তেতিয়া গোপশিশুসকলক নিৰ্ভয় দি তৎক্ষণাতে মুখেৰে সেই বহ্নিক ভগৱান মহাযোগেশ্বৰ হৰিয়ে পান কৰিলে (যিদৰে পানী পৰিলে অগ্নি নিৰ্বাপিত হয়।), তেনেদৰে সেই অগ্নিকো নিৰ্বাপিত কৰিলে।

শ্ৰীকৃষ্ণস্যাদ্ভুতং কৰ্ম্মং দৃষ্ট্বা সৰ্ব্বেঽপি ৱিস্মিতাঃ।
অন্যোন্যমিতি প্ৰত্যুচুৰ্ণ নৰো নন্দনন্দনঃ।। 21।।

**অৰ্থ** ঃ শ্ৰীকৃষ্ণৰ তেনে অদ্ভুতকৰ্মদেখি সকলোৱে বিস্মিত হ'ল আনন্দতে নন্দৰ পুত্ৰৰ কাৰ্যত সন্তুষ্ট হৈ ইজনে-সিজনলৈ চালে।

গোৱিন্দো ৱাদয়ন্ ৱেণুং গোকুলং গোপীগোপকৈঃ।
সাৰ্দ্ধং যযৌ জগন্নাথো হৰ্ষয়ন সুহৃদান্ মুদাঃ।। 22।।

**অৰ্থ** ঃ তাৰপাছত (কালিদমন আৰু বনবহ্নি পান কৰি) বাঁহী বজাই গোপ-গোপীসকলৰ সৈতে আনন্দেৰে জগন্নাথেগোকুললৈ যাত্ৰা কৰিলে।

কৃষ্ণস্য কালিদমনং নাম যাত্ৰা চকাৰিতা।
যন ন্যূনাধিকং দোষং ক্ষম্যতাং ভগৱন্ প্ৰভো।। 23।।

**অৰ্থ** ঃ এইদৰে শ্ৰীকৃষ্ণৰ 'কালিদমন' নামৰ যাত্ৰা কৰা হ'ল। ইয়াত যি দোযা-দোষ হৈছে ভগৱান প্ৰভুৱে ক্ষমা কৰিব।

নমঃ কৃষ্ণায় ৰামায় কামায় মহতে নমঃ।
নমোঽৰৱিন্দনেত্ৰায় সদানন্দায় ভাস্বতে।। 24।।

**অৰ্থ** ঃ যিজন কমললোচন, যিজন আনন্দমনৰ, প্ৰকাশমান সেই-ভগৱান কৃষ্ণ যিজনে গোপীক আনন্দিত কৰে, তেওঁক প্ৰণাম জনাইছো।

## কেলি-গোপাল নাট

শৰচ্ছশাঙ্কদ্যুতীঃ কোমলাসু
নিশাসু শশ্বৎ সহগোপিকাভিঃ।
চকাৰ কেলিং কলগীতকণ্ঠঃ
স গোপসূনুৰ্জয়তীহ কৃষ্ণঃ।। 1।।

**অৰ্থ** ঃ শৰৎকালৰ চন্দ্ৰৰ শীতল পোহৰত ৰাতি যি জনে গোপীসকলৰ

সৈতে মধুৰ গীত গাই কেলি কৰিছিল, সেইজন গোপপুত্ৰ কৃষ্ণৰ জয় হওঁক (তেওঁক প্ৰণাম জনাইছো)।

**অপি চঃ**

ৱীক্ষ্যেন্দুমণ্ডলমখণ্ডমকুণ্ঠবোধা
বৃন্দাৱনে সুকলৱেণুমৱাদয়ৎ যঃ।
সম্মোহনায় মধুৰং ব্ৰজসুন্দৰীণাং
তং গোপৱেশমনিশং প্ৰণতোহস্মি কৃষ্ণম্।। 2।।

**অৰ্থ** ঃ যিজনৰ অকুণ্ঠ বোধ শক্তি আছে, অখণ্ডমণ্ডল আকাশৰ চন্দ্ৰমা দেখি বৃন্দাবনত সুমধুৰ বেণুৰ মাতেৰে ব্ৰজসুন্দৰী-সকলক যিজনে সন্মোহিত কৰিছিল, যিজন গোপসকলৰ ঈশ্বৰ বা জগতৰ ঈশ্বৰ (গোপ + ইৱ + ঈশ) (বা অনবৰতে গোপবেশত থাকে) সেই ভগৱান শ্ৰীকৃষ্ণক প্ৰণাম জনাইছো।

ভো ভোঃ সভাসদো যূয়ং শৃণুত সাৱধানতঃ।
কেলিগোপালং নামেদং নাটকং মুক্তিসাধকম্।। 3।।

**অৰ্থ** ঃ হে সভাসদসকলঙ্গ আপোনালোকে সাৱধানে শুনক, এই কেলিগোপাল নামৰ নাটক মুক্তিসাধক। (কলিৰ পাপ হৰণ কৰোঁতা আৰু মঙ্গলকাৰক)। ভগৱানৰ লীলাযুক্ত এই নাটক শুনিলেও মুক্তি লাভ কৰিব পাৰে।

অথ প্ৰৱেশমকৰোৎ কৃষ্ণ কন্দৰ্পদৰ্পহা।
মোহয়ন্ ৱাদয়ন্ ৱেণু স্ত্ৰীভিঃ সহ সকৌতুকঃ।। 4।।

**অৰ্থ** ঃ তাৰ পাছত কামদেৱৰো দৰ্পহৰণ কৰা কৃষ্ণই মোহনীয় বেণু বজাই গোপ স্ত্ৰীসকলৰসৈতে আনন্দেৰে প্ৰবেশ কৰিলে।

নিৰীক্ষ্য ৰাত্ৰিং শৰদিন্দুশুভ্ৰাম্
তদ্ৰোচিষা চাৰুৱনং ৱিকাশম্।
গীতং জগৌ গোকুলকামিনীনাং
মোহং ৱিতন্বন্ নিতৰাং মুৰাৰিঃ।। 5।।

**অৰ্থ** ঃ শৰৎকালৰ ৰাতি শুভ্ৰ চন্দ্ৰৰ পোহৰ দেখি বিকশিত হৈ থকা চাৰুবন

অৰ্থাৎ ৰমণীয় বৃন্দাবনত গোকুলৰ কামিনীসকলক কৃষ্ণই গীতেৰে অনবৰতে মোহিত কৰি ৰাখিছিল।

যা গোপ্যঃ পাৰ্শ্বমপ্ৰাপ্তা নিৰুদ্ধাঃ পতিদেৱৈঃ।
হৃদি গোৱিন্দচৰণং ৱিচিন্ত্য ৱিজহুস্তনুঃ।। 6।।

**অৰ্থ** ঃ যি সকল গোপীক স্বামীসকলে নিষেধ কৰা বাবে কৃষ্ণক কাষত নাপালে, তেওঁলোকেও বিৰহ তাপেৰে তাপিত হৈ হৃদয়ত গোৱিন্দক নিবিড় ধ্যান কৰি (বিচিন্ত্য) আলিঙ্গন কৰিলে যেন প্ৰিয়তম দেহহে ত্যাগ কৰিলে।

দৃষ্টং ৱনং ৱিকশিতং শীতলং শশিশোভিতম্।
যমুনা-জল-ৱাতেন প্ৰতিযাত ৱনাৎ দ্ৰুতম্।। 7।।

**অৰ্থ** ঃ যমুনাৰ শীতল বতাহ আৰু চন্দ্ৰৰ পোহৰত বিকশিত হোৱা বৃন্দাবন দেখিলা, এতিয়া বনৰ পৰা বেগাই উভটি যোৱাগৈ।

ন পাৰয়ামস্তৱ পাদ-পঙ্কজং
ৱয়ং ৱিহাতুং নৱকঞ্জলোচন।
স্বনেন তে মোহিত-মানসা ভৃশং
ত্যজস্ব মা মাধৱ ন ঃ কৃপাং কুৰু।। 8।।

**অৰ্থ** ঃ হে পৰমেশ্বৰ ! আপোনাৰ মুখপঙ্কজ আৰু চৰণ কমল আমি ত্যাগ কৰিব নোৱাৰো। আপোনাৰ গীতেৰে আমাৰ মন অতিশয় মোহিত হৈছে। হে মাধৱ! আমাক ত্যাগ নকৰিবা, কৃপা কৰা।

অথাপি তাঃ স্বয়া ৱাচা স্বাশ্বাস্য স্নেহযন্ত্ৰিতঃ।
গোপীনাং বৰ্দ্ধয়ন্ কামং ৰময়ামাস কেশৱঃ।। 9।।

**অৰ্থ** ঃ তাৰপিছত গোপীসকলক বিভিন্ন কথাৰে ভালদৰে আশ্বাসদি, স্নেহাসিক্ত কৰি কামভাৱ বঢ়াই কেশৱে (কৃষ্ণই) গোপীসকলৰ সৈতে কেলি কৰিবলৈ ধৰিলে।

অথ প্ৰৱেশমকৰোৎ যক্ষো ৰক্ষ ইৱাপৰঃ।
শঙ্খচূড় ইতিখ্যাতো নাম্না গোপীভয়ঙ্কৰঃ।। 10।।

**অৰ্থ** ঃ তাৰপাছত গোপীসকলৰ বাবে ভয়ঙ্কৰ কুবেৰৰ অনুচৰ শঙ্খচূড়

নামেৰে এক যক্ষই প্ৰবেশ কৰিলে।

গোপ্যো গোৱিন্দ-সন্মান-মদমোহিত-চেতস ঃ।
গৰ্ব্বেন খৰ্ব্ব-বাক্যেন চক্ৰুস্তা হৰিহেলনম্।। 11।।

**অৰ্থ** ঃ গোৱিন্দৰ দ্বাৰা সন্মানিত হৈ অহঙ্কাৰত মোহিত হৈ কৃষ্ণক খৰ্ববাক্য (নক'বলগীয়া কথা) কৈ হৰিক অৱহেলা কৰিলে।

নিশম্য গৰ্ব্বং গোৱিন্দো গোপীনাং প্ৰেমবৃদ্ধয়ে।
গোপীং ৱিধায় হৃদয়ে তত্যাজ ব্ৰজযোষিত ঃ।। 12।।

**অৰ্থ** ঃ গোপীৰ গৰ্ববাক্যশুনি গোপীসকলৰ প্ৰতি কৰা প্ৰেমৰ বাবে গোপীৰ গৰ্বভাব হোৱা দেখি কৃষ্ণই ব্ৰজৰ গোপীক ত্যাগ কৰাৰ কথা মনত (হৃদয়ত) স্থিৰ কৰিলে।

তত্ৰ কৃষ্ণমপশ্যয়ন্ত্যো ৰজন্যাং ব্ৰজযোষিতঃ।
ৰুৰোদঃ সস্বৰং ভীতা হৰেৰ্ৱিৰহৱিহ্বলাঃ।। 13।।

**অৰ্থ** ঃ তাৰপাছত গোপীসকলে ৰাতি কৃষ্ণক দেখা নাপাই তৎক্ষণাতে গৰ্ব আতৰাই হৰিৰ বিৰহত বিহ্বল হৈ চিঞৰি চিঞৰি 'কৃষ্ণ কৃষ্ণ' বুলি কান্দিবলৈ ধৰিলে।

তথালপন্ত্যো গোপ্যস্তা অলব্ধা মাধৱং ধৱম্।
মত্তাঃ প্ৰৱিশ্য ৱিপিনং পপ্ৰচ্ছুস্তৰুৰাজিষু।। 14।।

**অৰ্থ** ঃ তেতিয়া গোপীসকলে স্বামী (ধৱম্) মাধৱক দেখা নাপাই শোকাৰ্ত্ত হৈ বিলাপ কৰি কৰি বৃন্দাবনৰ গছ-গছনি সমূহক সুধি সুধি বিচাৰিবলৈ ধৰিলে।

ভক্ত্যা প্ৰমত্তাস্তা গোপ্যো মত্ত্বাত্মানং হি মাধৱম্।
অন্যোন্যমভিসম্ভাস্য ৱিজগুঃ কৃষ্ণ-চেষ্টিতম্।। 15।।

**অৰ্থ** ঃ কৃষ্ণ ভক্তিভাৱত মত্তহৈ গোপনাৰীসকলে শোক পাহৰি ইজনে-সিজনক সম্ভাষণ কৰি কৃষ্ণৰ লীলাসমূহ ক'বলৈ ধৰিলে।

কৃষ্ণেন সহ সা যাতি গোপী তন্মানদৰ্পিতা।
কৃষ্ণস্য স্কন্ধমাৰূঢ়া গত্বা সা দুঃস্বভাৱতঃ।। 16।।

**অৰ্থ** ঃ কৃষ্ণৰ সৈতে গোপীসকলে লীলাকৰিবলৈ ধৰিলে, কোনোৱে কৃষ্ণৰ কোলাত বহিল, কোনোৱে কান্ধত উঠিল, এনেদৰে তেওঁলোকৰ

দুঃস্বভাৱৰ বাবে স্বভাৱ চঞ্চল গোপীসকলে নিজকে দৰ্পবশতঃ সৌভাগিনী বুলি ভাবি অহঙ্কাৰ কৰিলে।

নিশম্য তদ্বচো গোপ্যো নিৰাশাঃ কৃষ্ণ দৰ্শনে।
পুনঃ পুলিনমাগত্য জগুৰ্গোবিন্দচেষ্টিতম্।। 17।।

**অৰ্থ** ঃ তেতিয়া শ্ৰীকৃষ্ণই গোপীসকলৰ কথা শুনি নিজকে অন্তৰ্দ্ধান কৰি কৃষ্ণ দৰ্শনৰ পৰা গোপীসকলক নিৰাশা কৰিলে। পুনৰ যমুনাৰ পাৰলৈ আহি গোপীসকলে জগতৰ ঈশ্বৰ গোৱিন্দক বিচাৰিবলৈ ধৰিলে।

গোপীপ্ৰেমাকুলঃ কৃষ্ণে ৱাৰিপূৰিতলোচনঃ।
আৱিৰ্বভূৱ তন্মধ্যে সাক্ষান্মদনমোহনঃ।। 18।।

**অৰ্থ** ঃ গোপীসকলৰ প্ৰেমভাৱ দেখি শ্ৰীকৃষ্ণ অতিশয় আকুল হৈ পৰিল, চকু পানীৰে উপচি পৰিল আৰু ক্ষন্তেক পাছতে সাক্ষাৎ মোহনীয় কামদেৱৰ দৰে ভগৱান কৃষ্ণ তেওঁলোকৰ মাজত আৱিৰ্ভাৱ হ'ল।

ইন্দ্ৰিয়াণাং যথা প্ৰাণা আয়ান্তং ৱীক্ষ্য গোপিকাঃ।
জগৃহুঃ সহসোত্থায় কৃষ্ণং প্ৰেমৰসাকুলম্।। 19।।

**অৰ্থ** ঃ যিদৰে প্ৰাণ পালে ইন্দ্ৰিয় কৰ্মক্ষম হয় তেনেদৰে কৃষ্ণক দেখা পোৱাৰ লগে লগে গোপীসকল হঠাতে উঠি কৃষ্ণ প্ৰেমত আকুলিত হৈ পৰে।

নিৰীক্ষ্য কৰুণং কৃষ্ণো গোপীনাং পীতৱাসসা।
মাৰ্জ্জয়ন্মুখমাশ্বাস্য প্ৰোৱাচ সাশ্ৰুলোচনঃ।। 20।।

**অৰ্থ** ঃ গোপীসকলৰ কাৰুণ্য দেখি কৃষ্ণই লোতক ভৰা চকুৰে নিজৰ পীতবসনেৰে গোপীসকলৰ মুখ মচি আশ্বাস দি ক'লে।

ততোহতি কৌতুকোদ্ৰেকং নিশম্য ব্ৰজযোষিতাম্।
গোপীভিৰ্ভগৱান্ কামক্ৰীড়ামাৰভতাচ্যুতঃ।। 21।।

**অৰ্থ** ঃ তাৰপিছত ব্ৰজগোপীসকলে কৃষ্ণৰ সৈতে নানা কৌতুক কৰি ভগৱান অচ্যুতৰ লগত যমুনাৰ বালিত কেলিক্ৰীড়া আৰম্ভ কৰিলে।

সুৰ সেৱিতশ্ৰীকৃষ্ণ-ক্ৰীড়া-পীড়াতুৰা ভৃশম্।
শৰীৰং নৈৱ উদ্ধৰ্ত্তুং শেকুৰ্গোকুলযোষিত ঃ।। 22।।

**অৰ্থ** ঃ দেৱতাসকলেও যাক সেৱা কৰে সেই ভগৱান কৃষ্ণ গোপাঙ্গনাসকলৰ লগত কেলি কৰি কৰি ভাগৰি পৰিছিল, গোকুলৰ ৰমণী সকলৰো কৃষ্ণৰ লগত কামকেলি কৰি শৰীৰ অৱশ হৈ পৰিল।

তত ঃ আগত্য তৰসা গোপালেকৃতকৌতুকে।
জহাৰ যক্ষো গোপীনামেকাং কামৱিমোহিতঃ।। 23।।

**অৰ্থ** ঃ গোপীসৱৰ সৈতে নানাবিধ কেলি-কৌতুক কৰি থাকোতে কামাতুৰ যক্ষই (শঙ্খচূড়) কামবিমোহিত হৈ থকা এগৰাকী গোপীক দ্ৰুতভাৱে আহি হৰণ কৰি নিয়ে।

নিহত্য গোপীহৰ্ত্তাৰং যক্ষং স্ত্ৰীভিস্ততো হৰিঃ।
জল-ক্ৰীড়াং সমাৰেভে প্ৰৱিশ্য যমুনাজলম্।। 24।।

**অৰ্থ** ঃ গোপীহৰণ কৰা যক্ষক বধ কৰি হৰিয়ে (কৃষ্ণই) গোপীসকলৰ সৈতে জলক্ৰীড়া কৰিবৰ নিমিত্তে যমুনাৰ পানীত নামি পৰে।

এৱং বৃন্দাৱনে তস্মিন্ ব্যতীতা ক্ৰীড়তোনিশাম্।
নিৰীক্ষ্য ভগৱান্নাহ ব্ৰজং যান্ত্বাৱলা দ্ৰুতম্।। 25।।

**অৰ্থ** ঃ এনেদৰে গোপীসকলে বৃন্দাবনত কৃষ্ণৰ সৈতে ক্ৰীড়া কৰি ৰাতিটো পাৰ কৰিলে। তাকে চাই ভগৱানে গোপীসকলক সোনকালে ব্ৰজলৈ উভতি যাবলৈ ক'লে।

## পাৰিজাত-হৰণ নাট

নমঃ কৃষ্ণ বিষ্ণোহচ্যুতানন্ত শক্তে
নমো ৰাম ৰাজীৱনেত্ৰ প্ৰভো তে।
নমো ব্ৰহ্মমূৰ্ত্তে মুৰাৰে পৰেশ
নামো বিশ্বৱাস প্ৰসীদ প্ৰসীদ।। 1।।

**অৰ্থ** ঃ হে কৃষ্ণঙ্গ বিষ্ণু, অচ্যুত, অনন্তশক্তিৰ অধিকাৰী তোমাক নমস্কাৰ। হে কমললোচন ৰাম, হে প্ৰভু, তোমাক নমস্কাৰ। হে ব্ৰহ্মমূৰ্ত্তি, মুৰাৰি, পৰাবিদ্যাৰ ঈশ্বৰ তোমাক নমস্কাৰ, হে বিশ্ববাস অৰ্থাৎ বিশ্ব যাৰ অন্তৰত বাস কৰে প্ৰসন্ন হওক, প্ৰসন্ন হওক আপোনাক নমস্কাৰ জনাইছো।

**অপি চ** ঃ আৰু আছে—

খগেন্দ্ৰং নমাৰুহ্য নিৰ্জ্জিত্য শক্ৰং
মুদা লীলয়া দৈৱকীনন্দনো যঃ।
প্ৰিয়ং পাৰিজাতং জহাৰ প্ৰিয়াৰ্থং
পৰেশায় কৃষ্ণায় তস্মৈ নমো মে।। 2।।

**অৰ্থ** ঃ যি গৰাকীয়ে গৰুড়ত আৰোহন কৰি শত্ৰুক পৰাভূত কৰি বিজয়ী হয়, যিজনে লীলাৰ দ্বাৰা মাতৃ দৈৱকীক আনন্দ দান কৰে, প্ৰিয়াৰ বাবে প্ৰিয় পাৰিজাত যিজনে হৰণ কৰিলে, সেই পৰা বিদ্যাৰ ঈশ্বৰ কৃষ্ণক নমস্কাৰ জনাইছো।

ভো ভোঃ সামাজিক ঈশকৃষ্ণস্য জগতীপতেঃ।
শ্ৰীপাৰিজাত হৰণং যাত্ৰাং সম্প্ৰতি পশ্যত।। 3।।

**অৰ্থ** ঃ হে সামাজিক সকল! জগতৰ গৰাকী (পতি) ঈশ কৃষ্ণস্য পাৰিজাত হৰণ যাত্ৰা নাটক বৰ্ত্তমানে চাওঁক।

প্ৰৱেশমকৰোদ্দেৱো গোৱিন্দো গৰুড়াসনঃ।
ৰুক্মিণীসত্যভামাভ্যাং সহ চাৰশ্চতুৰ্ভুজঃ।। 4।।

**অৰ্থ** ঃ গৰুড়ত আৰোহন কৰি চতুৰ্ভূজমূৰ্ত্তি দেৱ গোৱিন্দ (শ্ৰীকৃষ্ণ) ৰুক্মিণী-সত্যভামাৰ সৈতে প্ৰবেশ কৰিলে।

পশ্চাৎ পুৰন্দৰো দেৱো নাৰদেন সহাগতঃ।
প্ৰণম্য কেশৱং সৰ্ব্বং প্ৰোৱাচ ভৌমচেষ্টিতম্।। 5।।

**অৰ্থ** ঃ পিছত পুৰন্দৰৰ (ইন্দ্ৰৰ) সৈতে দেৱৰ্ষি নাৰদে প্ৰবেশ কৰি ভূমিৰ পুত্ৰ (নৰকৰ) সকলো ক্ৰিয়া কলাপৰ বিষয়ে ক'লে।

জয় জয় যদুদেৱো দেৱকীনন্দনস্তম্
ভুৱন পতি সমস্তৈৰৰ্চ্চিতাঙিঘ্ৰঃ সদৈৱঃ।
নিজ জনভয়হাৰিন্ সৃষ্টি সংহাৰকাৰিন্
অসুৰ নৰকাৎতান্ সাম্প্ৰতং পাহি দেৱান্।। 6।।

**অৰ্থ** ঃ হে যদুপতি, দৈৱকীনন্দন, পৃথিৱী পতি, সকলো দেৱতাই যাৰ চৰণ যুগল শিৰেৰে প্ৰণাম জনায়, যিজনে সকলোৰে ভয় নাশ কৰে,

সৃষ্টি সংহাৰকাৰী, আপুনিয়েই বৰ্ত্তমান নৰকৰ পৰা সকলো দেৱতাৰ ত্ৰাণ কৰ্ত্তা। (এনেদৰে আশীৰ্ব্বাদ দি নাৰদে কৃষ্ণক পাৰিজাত ফুল দিলে।)

শ্ৰুত্বা কুসুম মাহাত্ম্যং ৰুক্মিণী কেশৱপ্ৰিয়া।
প্ৰণম্য স্বামীচৰণং পাৰিজাতমযাচত।। 7।।

**অৰ্থ** ঃ কুসুমৰ (পাৰিজাত ফুলৰ) মহিমা শুনি কেশৱৰ পত্নী ৰুক্মিণীয়ে স্বামীৰ চৰণত প্ৰণাম জনাই পাৰিজাত ফুল-পাহ বিচাৰিলে।

কৃষ্ণস্য ৱচনংশ্ৰুত্বা ৱিহস্যোৱাচ নাৰদঃ।
নিজ ভৃত্যস্তৱৈৱাহং ময়ি মায়াং কৰোষি কিম্।। 8।।

**অৰ্থ** ঃ কৃষ্ণৰ কথাশুনি নাৰদে হাঁহি হাঁহি ক'লে -"মই আপোনাৰ ভৃত্য বুলি হে কৈছো, আপুনি মায়াৰ দ্বাৰা (মনুষ্য চেষ্টাৰে) জগত মোহিত কৰিছে।" (মই ভকতি বলত আপোনাৰ মায়াৰ কথা জানো।)

দৃষ্ট্বাদুঃখং মহেন্দ্ৰস্য শ্ৰুত্বা চ ভৌমচেষ্টিতম্।
আশ্বাস্য ৱাসৱং হস্তে গৃহিতোৱাচ কেশৱঃ।। 9।।

**অৰ্থ** ঃ— ভূমিপুত্ৰ নৰকাসুৰৰ বাবে ইন্দ্ৰৰ দুখৰ কথা শুনি কেশৱে (কৃষ্ণই) ইন্দ্ৰৰ হাতত ধৰি আশ্বাস দি ক'লে।

মুনিৰ্মাধৱামাহেদং গন্তুং ত্বৰয় কেশৱ।
দ্বাৰৱত্যাঃ শ্ৰিয়ং পশ্যন্নেষ্যামি চান্তিকন্তৱ।। 10।।

**অৰ্থ** ঃ এনে নিৰ্ভয় বাণী শুনি বাসৱ (ইন্দ্ৰ) গুচি যোৱাৰ পাছত নাৰদে কৃষ্ণক যাবৰ বাবে সোনকালে সাজু হ'বলৈ কৈ নাৰদে শ্ৰীযুক্ত (সমৃদ্ধিশালী) দ্বাৰকাপুৰী খন্তেকৰ বাবে চাই আহো বুলি কৈ ওলাই যায়।

সাদৰং দেৱীং সম্বোধ্যাহ হৰিপ্ৰিয়াম্।
কৃষ্ণস্য কৰ্ম্মৱিষমং সত্যভামে নিবোধ মে।। 11।।

**অৰ্থ** ঃ নাৰদে সাদৰেৰে হৰিৰ প্ৰিয়া সত্যভামাক ক'লে যে- "হে দেৱী সত্যভামা! তুমি নিৰ্বোধ, অৰ্থাৎ তুমি একো নাজানা তোমাৰ স্বামী কৃষ্ণৰ বিষম কৰ্ম দেখা পালো।"

সত্যভামাভৱদ্ভীতা নিশম্য মুনি ভাষিতম্।
দৃষ্টং কথয় কিং কুত্ৰ তং পৃচ্ছতি পুনঃ পুনঃ।। 12।।

**অৰ্থ** ঃ নাৰদমুনিৰ কথা শুনি সত্যভামাই মুনিক হাতজোৰ কৰি ক'বলৈ ধৰিলে -"হে মুনিবৰ! আপুনি ক'ত কি দেখিলে আৰু কি ক'বলৈ বিচাৰিছে পুনৰ কওক।"

দৃষ্ট্বা দেৱ্যাঃ সুন্নিৰ্ব্বন্ধং কথয়ামাস সাদৰম্।
কৃষ্ণস্য চৰিতং সৰ্ব্বং ৰুদন্নিৱ স নাৰদঃ।। 13।।

**অৰ্থ** ঃ দেৱীসত্যভামাই নিৰ্বন্ধকৈ (নেৰা-নেপেৰাকৈ) ধৰা বাবে মুনিয়ে সাদৰেৰে কন্দনামুৱা (কান্দো কান্দো কৈ) হৈ কৃষ্ণৰ চৰিত্ৰৰ সকলো কথা ক'লে।

মুনেৰ্ব্বচনমাকৰ্ণ্য শোককোপপৰিপ্লুতা।
মূৰ্চ্ছিতা পতিতা ভূমৌ যথা ৱাতাহতা লতা।। 14।।

**অৰ্থ** ঃ মুনিৰ কথা শুনি শোক আৰু কোপত (খঙত) বিষাদগ্ৰস্তহৈ বতাহে পেলোৱা লতাৰ দৰে মূৰ্চ্ছিত হৈ মাটিত পৰি গ'ল।

কথঞ্চিৎ চেতনং সংজ্ঞাং লব্ধা দেৱী পুনঃ পুনঃ।
ৱিনিশ্বস্যাপমানেন ৰুৰোদ সখীসন্নিধৌ।। 15।।

**অৰ্থ** ঃ কিঞ্চিৎ চেতনা লাভ কৰি (জ্ঞান ঘূৰাই পাই) ঘন ঘন নিশ্বাস লৈ কৃষ্ণই কৰা এনে অপমানৰ বাবে সখীসকলৰ ওচৰত কান্দিবলৈ ধৰে।

মুনেৰ্ৱচনমাকৰ্ণ্য মাধৱো ভক্তবান্ধৱঃ।
দ্ৰুতং তস্যাঃ গৃহং প্ৰাগাৎ প্ৰিয়ায়াঃ প্ৰেমৱিহ্বলঃ।। 16।।

**অৰ্থ** ঃ মুনিৰ কথা শুনি ভকতৰ বান্ধৱ মাধৱে বেগাই তেওঁৰ গৃহত প্ৰবেশ কৰাৰ আগতে প্ৰথমে প্ৰেমবিহ্বলা প্ৰিয়া সত্যভামাৰ গৃহলৈ গ'ল।

প্ৰিয়ং প্ৰণয়কোপেন নিঃশ্বস্যাহ ততঃ সতী।
ধূৰ্ত্তালাপৈঃ দুৰ্ভগাং মাং কিমৰ্থং ত্বন্বিকথ সে।। 17।।

**অৰ্থ** ঃ তেতিয়া সতী সত্যভামাই প্ৰিয়তমৰ প্ৰতি প্ৰণয়কোপ দেখুৱাই নিঃশ্বাস ত্যাগ কৰি কয় যে কপট বাক্য কৈ মই দুৰ্ভগীয়াক কিয় কদৰ্থনা কৰিছে। (এনেদৰে কৈ সত্যভামাই কান্দিবলৈ ধৰিলে।)

কুৰ্ব্বন হাহাৰৱং ৰামামালিঙ্গ্যাকুল মানসঃ।
প্ৰিয়ৱাক্যৈস্ততঃ শান্ত্যৈ সান্ত্বয়ামাস মাধৱ।। 18।।

**অৰ্থ** ঃ সত্যভামাই কান্দি কান্দি মূৰ্ছিত হৈ পৰা দেখি মাধৱে (কৃষ্ণই) ‘ৰামা’ অৰ্থাৎ সত্যভামাক (‘ৰামা’ শব্দই ‘ৰমণী’ বুজায়) আকোৱালি ধৰি প্ৰিয়াৰ কথা শান্ত কৰি সান্ত্বনা দিয়ে অৰ্থাৎ আশ্বাস বাণী কয়।

ততো দেৱী সত্যভামা কৃষ্ণবাক্যামৃতেন সা।
প্ৰীতা প্ৰসন্নৱদনা প্ৰণম্যাহ প্ৰিয়ং হৰিম্।। 19।।

**অৰ্থ** ঃ তেতিয়া দেৱী সত্যভামাই কৃষ্ণৰ অমৃতময় বাক্য শুনি প্ৰসন্ন মনেৰে আনন্দিতা হৈ প্ৰিয়তম হৰিক প্ৰণাম জনালে।

কৃষ্ণমভ্যেত্য ভগৱান্ জগাদ নাৰদস্তদা।
জ্ঞাতংকিল ভৱান্ ভাৰ্য্যাভক্তিসক্তোঽহস্তিকেশৰঃ।। 20।।

**অৰ্থ** ঃ নৰকাসুৰক বধ কৰিবলৈ অৰ্থাৎ দেৱকাৰ্য সাধন কৰিবলৈ ওলোৱা কৃষ্ণই সত্যভামাক বাধা দিব নোৱাৰি লগত ওলাবলৈ কোৱাত নাৰদে কৃষ্ণক ক্ৰোধেৰে কয় যে “জানো আপুনি ভাৰ্য্যাৰ প্ৰতি আসক্তা” (স্ত্ৰিক লাড়িকা)। (দেৱকাৰ্য বাদ দি পত্নীক সন্তুষ্ট কৰাতহে ব্যস্ত।)

সহৰ্ষমকৰোৎ কৃষ্ণঃ প্ৰয়াণং প্ৰিয়য়া সহ।
ধনুষ্টঙ্কাৰঘোষেণ দশদিশঃ প্ৰকম্পয়ন্।। 21।।

**অৰ্থ** ঃ কৃষ্ণই প্ৰিয়াক (সত্যভামাক) লৈ আনন্দমনেৰে যাত্ৰা কৰিলে আৰু ধনুষ্টঙ্কাৰৰ শব্দৰে দশোদিশ কঁপাই তুলিলে।

আহে  চাগত্য গৰুড়ো নত্বা কৃষ্ণং কৃতাঞ্জলিঃ।
মম স্কন্ধং সমাৰুহ্য জহি ভৌমং দুৰাশয়ম্।। 22।।

**অৰ্থ** ঃ গৰুড়ে আহি কৃষ্ণৰ সন্মুখত উপস্থিত হৈ কৃষ্ণক প্ৰণাম জনাই ক’লে- “মোৰ স্কন্ধত আৰোহন কৰি দুৰাশয় ভৌম নৰকাসুৰক বধ কৰক।”

প্ৰাগ্‌জ্যোতিষং  সোহতিযৱেন  জায়য়া।
সুপৰ্ণমাৰুহ্য যযৌ জনাৰ্দ্দনঃ।।
ক্ষপেন সম্প্ৰাপ্য পুৰং পৰেশো।
মহোৎসৱৈঃ শঙ্খৰৱং চকাৰ।। 23।।

**অৰ্থ** ঃ শ্ৰীকৃষ্ণ পত্নীৰে সৈতে গৰুড়বাহনত উঠি বায়ুবেগে প্ৰাগজ্যোতিষত উপস্থিতহৈ পুৰীত প্ৰৱেশ কৰি পৰমঈশ্বৰ কৃষ্ণই নৰকাসুৰক বধ কৰিলে।

লগে লগে শঙ্খধ্বনি বাজি উঠিল আৰু মহোৎসৱ হ'ল।

ততো ৱসুমতী পৌত্ৰং পুৰঃ সংস্থাপ্য আত্মজম্।
ৱিলপন্তী তদা কৃষ্ণং নত্বা প্ৰোৱাচ দুঃখিতা।। 24।।

**অৰ্থ** ঃ তেতিয়া বসুমতী নাতিক (পৌত্ৰ) সন্মুখত লৈ মৃত পুত্ৰৰ বাবে দুঃখিত হৈ বিলাপ কৰি কৃষ্ণক প্ৰণাম জনাই ক'বলৈ ধৰিলে।

ততঃ স্বৰ্গস্য নিকটং দৃষ্ট্বা কৃষ্ণো মুদাযুতঃ।
দধ্মৌ শঙ্খং পাঞ্চজন্যং হৰ্ষয়ন্ দিৱি দেৱতাঃ।। 25।।

**অৰ্থ** ঃ তাৰপাছত কৃষ্ণ স্বৰ্গ ওচৰ পোৱাৰ লগে লগে পাঞ্চজন্য নামৰ শঙ্খ বজালে। কৃষ্ণৰ শঙ্খ ধ্বনি শুনি দেৱতাসকল আনন্দিত হ'ল।

কৃষ্ণঃ প্ৰাহ প্ৰিয়াং পশ্য ইমামম্ৰাৱতীপুৰীম্।
আগতাঃ দেৱতা এস্তাং মাং দেৱি দিদৃক্ষয়া।। 26।।

**অৰ্থ** ঃ কৃষ্ণই প্ৰিয়া সত্যভামাক ক'লে- "হে দেৱী! চোৱা! এয়ে হৈছে স্বৰ্গপুৰী অম্ৰাৱতী। সেয়া দেৱতাসকলে আমাক চাবলৈ আহিছে।"

ততোহতিকৌতুকা দৃষ্ট্বা ইন্দ্ৰ আগত্য সাদৰম্।
দোৰ্ভ্যাং দেৱং পৰিষ্বজ্য জগাদ মধুৰং ৱচঃ।। 27।।

**অৰ্থ** ঃ তাৰপাছত দেৱৰাজ ইন্দ্ৰই অতি আনন্দেৰে আহি দুহাতেৰে কৃষ্ণক আলিঙ্গন কৰি সাদৰেৰে মধুৰ বাক্যৰে সম্ভাষণ জনালে।

অদিতিং মাতৰং পশ্চাৎ সভাৰ্য্যো জগদীশ্বৰঃ।
প্ৰণম্য দেৱমাত্ৰেহদাদমৃতস্ৰাৱিকুণ্ডলে।। 28।।

**অৰ্থ** ঃ পাছত জগদীশ্বৰ (জগতৰ ঈশ্বৰ) কৃষ্ণই ভাৰ্যাৰে সৈতে দেৱমাতা অদিতিক দৰ্শন কৰিলে আৰু প্ৰণাম জনাই অমৃত কুণ্ডল যোৰা প্ৰদান কৰিলে।

ততঃ সা দেৱজননী কৃষ্ণং মত্বা মহেশ্বৰম্।
বদ্ধাঞ্জলিৰ্জ্জগন্নাথস্তুতৌ দেৱী মনোদধে।। 29।।

**অৰ্থ** ঃ তেতিয়া দেৱজননী অদিতিয়ে কৃষ্ণক পৰম ঈশ্বৰ বুলি জানি অঞ্জবিদ্ধহৈ মনেৰে জগন্নাথক স্তুতি কৰিলে।

অদিত্যা ঈশ্বৰজ্ঞানং নিশম্য মধূসূদনঃ।

মোহনাৰ্থং নিজমায়াং ততান্ জনমোহনীম্।। 30।।

**অৰ্থ** ঃ অদিতিৰ ঈশ্বৰ জ্ঞান জানিব পাৰি মধুসূদন কৃষ্ণই নিজমায়া (বৈষ্ণৱীমায়া) বিস্তাৰ-কৰি-অদিতিৰ মন মোহিত কৰিলে।

ধৃত্বা ৱস্ত্ৰে পতিংপ্ৰাহ সতী ৰোষ সমান্বিতা।
ক্ক যাসি পাৰিজাতং ত্বং নানীয় মধুসূদন।। 31।।

**অৰ্থ** ঃ কৃষ্ণৰ পীতবস্ত্ৰত ধৰি সতী সত্যভামাই স্বামীক ক্ৰোধ কৰি ক'লে- 'হে মধুসূদন পাৰিজাত-নোলোৱাকৈ তুমি ক'লৈ যোৱা?"

নাৰদস্ত তত্যেহভ্যেত্য ভগৱানাহ কেশৱম্।
ইন্দ্ৰান্যা বৰ্ণিতং যৎ তৎ সৰ্ব্বমৱৰ্ণয়ৎ।। 32।।

**অৰ্থ** ঃ তেতিয়া নাৰদে কৃষ্ণৰ ওচৰ চাপি ইন্দ্ৰই যি কৈছিল সেই সকলোবোৰ কথা বৰ্ণনা কৰিলে।

নিশম্য সত্যভামায়াঃ ৱচনং কঞ্জলোচনঃ।
জহাৰ সহসা গত্বা পাৰিজাতং তৰুং হৰিঃ।। 33।।

**অৰ্থ** ঃ সত্যভামাৰ কথা শুনি পদ্মলোচন কৃষ্ণই হঠাতে উঠি গৈ পাৰিজাত- উভালি আনিলে (বা পাৰিজাত হৰণ কৰিলে)।

পাৰিজাতস্য হৰণং নিশম্য কুপিতা শচী।
পতিং পুৰন্দৰং প্ৰাহ ধিক্ জন্ম তৱ ৱজ্ৰিণঃ।। 34।।

**অৰ্থ** ঃ কৃষ্ণই পাৰিজাত হৰণ কৰাৰ হৰণ কথা শুনি শচী ক্ৰোধিত হৈ পৰিল। স্বামী পুৰন্দৰক (ইন্দ্ৰক) আৰু তেওঁৰ বজ্ৰক ধিক্কাৰ দিলে।

গত্বা সত্ৰাজিত সূতাং প্ৰোৱাচ কুপিতা শচী।
নেষ্যসি ত্বং পাৰিজাত কিংনু বজ্ৰধৰে স্থিতে।। 35।।

**অৰ্থ** ঃ শচীয়ে কুপিতা হৈ সত্ৰাজিতৰ কন্যা সত্যভামাক ক'লে- "বজ্ৰধৰ (ইন্দ্ৰ) থাকোতে তুমি কেনেকৈ পাৰিজাত নিবা?"

নিশম্য গৰ্ব্বৱাক্যং সা সত্যভামা হৰিপ্ৰিয়া।
কোপেন কম্পিতৱতী শচীমাভাষ্য বল্গতি।। 36।।

**অৰ্থ** ঃ শচীৰ-গৰ্ববাক্য শুনি হৰিৰ প্ৰিয়পত্নী সত্যভামা ক্ৰোধত কঁপি কঁপি শচীক বকিবলৈ ধৰিলে।

ততো পুৰন্দৰো দেৱ্যাঃ পীড়িতো ৰাক্যসায়কৈঃ।
ক্রোধেন ধনুৰাৰ্দায় যুদ্ধায় সন্মুখোহভৱৎ।। 37।।

**অৰ্থ** ঃ তেতিয়া পুৰন্দৰ (ইন্দ্ৰ) দেৱী শচীৰ বাক্য বাণত পীড়িত হৈ ক্ৰোধত ধনুধাৰণ কৰি যুদ্ধৰ বাবে কৃষ্ণৰ সন্মুখত উপস্থিত হ'ল।

ততঃ কৃষ্ণো ৰুষা চক্ৰং শক্ৰং প্ৰতি গৃহীত্বান।
ইন্দ্ৰো ভীত্যাভ্যদ্ৰৱতং পশ্চাদ্ ৰিহসন্ যযৌ।। 38।।

**অৰ্থ** ঃ কৃষ্ণই খঙত শক্ৰৰ প্ৰতি (ইন্দ্ৰৰ প্ৰতি) চক্ৰ তুলি প্ৰহাৰ কৰিবলৈ উদ্যত হোৱা দেখি ইন্দ্ৰই ভয়তে  হাতী ত্যাগ কৰি পলাল। তাকেদেখি কৃষ্ণই হাঁহিবলৈ ধৰিলে।

ততঃ পুৰন্দৰো নিন্দাং দেৱ্যাঃ শ্ৰুত্বাতিদুঃসহাম্।
নিৰৰ্ত্ত্যোৰাচ ৰচনং সত্যভামে নিবোধমে।। 39।।

**অৰ্থ** ঃ তেতিয়া পুৰন্দৰে (ইন্দ্ৰই) দেৱীৰ (শচীৰ) প্ৰতি কৰা নিন্দাবাণী সহ্য কৰিব নোৱাৰি সত্যভামাক ক'লে যে কৃষ্ণৰ পত্নীসকলৰ মাজত তুমি অতি প্ৰগল্‌ভা (বেছিকৈ কথা কোৱা) বুলি জানিব পাৰিলো, কি কাৰণে তুমি আমাক ককৰ্থনা কৰিছা?

দৃষ্ট্বা কৃষ্ণো ৰিহস্যাহ তস্য তন্নিৰ্ম্মলম্মনঃ।
সন্তুষ্যামি যতো দেৱ শ্ৰেষ্ঠ ভ্ৰাতা ভৱান্মম।। 40।।

**অৰ্থ** ঃ ইন্দ্ৰৰ তেনে অৱস্থা দেখি আৰু নিৰ্মল মনৰ কথা জানিব পাৰি কৃষ্ণই হাঁহি হাঁহি ক'লে- "মই সন্তুষ্ট হৈছো, দেৱতাসকলৰ ভিতৰতে আপুনি মোৰ শ্ৰেষ্ঠ ভ্ৰাতা।"

ইন্দ্ৰস্য ৰচনং শ্ৰুত্বা প্ৰীতঃ পীতাম্বৰো যযৌ।
পাৰিজাতং তদাদায় তমনুজ্ঞাপ্য ভাৰ্য্যায়া।। 41।।

**অৰ্থ** ঃ ইন্দ্ৰৰ কথা শুনি পীতাম্বৰ কৃষ্ণ সন্তুষ্ট হৈ তেওঁৰ পৰা (ইন্দ্ৰৰ পৰা) পাৰিজাত গ্ৰহণ কৰি অনুমতি লৈ ভাৰ্যাৰ সত্যভামাৰ সৈতে দ্বাৰকাপুৰীলৈ যাত্ৰা কৰে।

নিশম্য সত্যভামায়াৰ্ভাৰং ভীষ্মকনন্দিনী।
প্ৰোৱাচ ভক্তিমাহাত্ম্যং ৰিহস্য ৰুচিৰাণনী।। 42।।

**অৰ্থ** ঃ ভীষ্মকনন্দিনীয়ে (ৰুক্মিণীয়ে) সত্যভামাৰ গৰ্বভাৱ শুনি হাঁহি হাঁহি ভক্তিমাহাত্ম্যৰ তত্ত্ববোৰ ক'লে।

সত্যভামা পতিং প্ৰাহ প্ৰভো ত্বং কিন্নু প্ৰেক্ষসে।
পাৰিজাততৰুং দ্বাৰি ৰোপণং কুৰু মে হৰে।। 43।।

**অৰ্থ** ঃ সত্যভামাই পতিক ক'লে- "তুমি কি চাই আছা? (অৰ্থাৎ কিয় পলম কৰিছা?) পাৰিজাত পুষ্প কোনেও যাতে অপহৰণ কৰিব নোৱাৰে সেইবাবে মোৰ দ্বাৰৰ (দুৱাৰৰ) কাযতে ৰোপণ কৰা।

সাধিতাৰ্থোৰ্থিনাথোহসৌ পত্নীভ্যাং সহ কেশৱঃ।
কৌতুকী ক্ৰিয়য়ামাস হাসসংৰম্ভ ভাৱকৈঃ।। 44।।

**অৰ্থ** ঃ দেৱতাৰ কাৰ্য সমাপ্ত কৰি ইন্দ্ৰক জয় কৰি কেশৱে (কৃষ্ণই) দুয়ো প্ৰিয়তমাৰ সৈতে কৌতুক ক্ৰিয়া আৰম্ভ কৰিলে।

কৃষ্ণপাদ প্ৰসাদেন শঙ্কৰঃ কৃষ্ণ কিঙ্কৰঃ।
চকাৰ শ্ৰীপাৰিজাতহৰণং নাম নাটকম্।। 45।।

**অৰ্থ** ঃ কৃষ্ণৰ কৃপা লাভ কৰিবলৈ কৃষ্ণৰ দাস শঙ্কৰৰ দ্বাৰা পাৰিজাতহৰণ নামৰ নাটক ৰচনা কৰা হ'ল। এই পাৰিজাতহৰণ হৰিৰ পৰম লীলা চৰিত্ৰ শ্ৰদ্ধায়ে সকলোৱে শুনক, কৃষ্ণৰ চৰণত ভকতি বাঢ়ক।

## শ্ৰীৰামবিজয় নাট

যন্নামাখিল লোকশোকশমনং যন্নাম প্ৰেমাস্পদম্
পাৰাপাৰপয়োধিতাৰণৱিধৌ যন্নামপীনপ্লৱঃ।
যন্নামশ্ৰৱণাৎ পুনাতি শ্বপচঃ প্ৰাপ্নোতিমোক্ষং ক্ষিতৌ
তং শ্ৰীৰামমহং মহেশবৰদং ৱন্দে সদা সাদৰম্।। 1।।

**অৰ্থ** ঃ যাৰ নাম ল'লে অখিল জগতৰ লোকৰ শোক নাইকিয়া হয়, যাৰ নাম প্ৰেমানন্দ, যাৰ নাম ল'লে পাপৰ অপাৰ সমুদ্ৰৰ পৰা উদ্ধাৰ হ'ব পাৰি, যাৰ নাম ল'লে বিপদসাগৰ পাৰ হ'ব পাৰি, যাৰ নাম শুনিলে চণ্ডালো পৱিত্ৰ হয়, যাৰ নাম ল'লে এই জগতৰ পৰা মোক্ষ লাভ কৰিব পাৰে, মহেশক বৰদান কৰা সেইজন ৰামচন্দ্ৰক মই সাদৰেৰে (শ্ৰদ্ধাৰে)

বন্দনা কৰো।

**অপি চ ঃ** আৰু আছে —

যেনাভাজি ধনুঃ শিৱস্য সহসা সীতা সমাশ্বাসিতা।
যেনাকাৰি পৰাভৱো ভৃগুপতের্ব্যাসক্ত ৰামস্য চ।
ৱৈদেহ্যা ৱিধিৱদ্বিৱাহমকৰোৎ নির্জ্জিত্য যঃ পার্থিৱান।
যুষ্মাকং ৱিতনোতু শং হি ভগৱান্ শ্ৰীৰামচন্দ্ৰশ্চিৰম্।। 2।।

**অর্থ** ঃ যিজনে শিৱৰ ধনু ভঙ্গ কৰি, সীতাক আশ্বস্ত কৰিছিল, যিজনে ভৃগুপতি (জমদগ্নিৰ পুত্ৰ) পৰশুৰামক নিজ পৰাক্ৰমেৰে পৰাভূত কৰিছিল, যিজনে পৃথিৱীপতি ৰজাসকলক জয় কৰি বিধিপূর্বকভাবে বৈদেহী সীতাক বিবাহ কৰিছিল, সেইজনেই শ্ৰীৰামচন্দ্ৰ যিজন সুখ বিতৰণকাৰক তেওঁৰ চৰণত প্ৰণাম জনাইছো।

ভো ভো ঃ সামাজিকাঃ যুয়ং শৃণুধ্বমধুনা বুধাঃ।
শ্ৰীৰাম বিজয় নাম নাটকং মুক্তিসাধক্ম।। 3।।

**অর্থ** ঃ হে সামাজিক সকলঙ্গ আপোনালোক জ্ঞানীসকলে শুনক, শ্ৰীৰামবিজয় নাটক মুক্তিসাধক অর্থাৎ মঙ্গলকাৰক।

প্ৰৱেশমকৰোৎ কামং ৰামো ৰাজীৱলোচনঃ।
সসোদৰো ধনুষ্পাণি ৰূপেনাপ্ৰতিমো ভুৱি।। 4।।

**অর্থ** ঃ পৃথিৱীত যাৰ ৰূপৰ তুলনা নাই, সেইপদ্মলোচন ৰাম ভাতৃৰে সৈতে হাতত ধনুলৈ (সভাত) প্ৰবেশ কৰিছে।

চকাৰ জানকী কামং প্ৰৱেশং সখীসঙ্গতা।
চিন্তয়ন্তী ৰামচন্দ্ৰ চৰণৌ ৰুচিৰাননা।। 5।।

**অর্থ** ঃ ৰূপৱতী (শুৱনিমুখৰ) জনক নন্দিনী জানকীয়ে সখীসকলৰ সৈতে ৰামচন্দ্ৰৰ চৰণ চিন্তি প্ৰবেশ কৰিলে।

ততঃ সীতা ৱিনিঃশ্বস্য চৰিতং পূৰ্ব্বজন্মনঃ।
সখীভ্যাং ৱৰ্ণয়ামাস ৰুদতী সুদতী সতী।। 6।।

**অর্থ** ঃ তাৰপাছত সীতাই নিশ্বাস ত্যাগ কৰি সুস্থিৰ হৈ সখীসকলৰ আগত পূৰ্বজন্মৰ কথা কৈ কান্দিবলৈ ধৰিলে।

প্ৰৱেশমকৰোৎ কৃষ্ণদাসো দশৰথস্তদা।
ছত্ৰ চামৰসংযুক্তো ধনুপাণি নৃপোত্তমঃ।। 7।।

**অৰ্থ** ঃ তাৰপাছত হাতত ছত্ৰ-চামৰ সংযুক্ত হৈ হাতত ধনু-ধাৰণ কৰি নৃপোত্তম (ৰজাসকলৰ ভিতৰত শ্ৰেষ্ঠ) কৃষ্ণদাস ৰজা দশৰথে প্ৰৱেশ কৰিলে।

শিষ্যেন সাকমাগত্য ৱিশ্বামিত্ৰো মহামুনিঃ।
আশীৰ্ব্বাদং দদৌ তস্মৈ ৰাজ্ঞে মন্ত্ৰমুদীৰয়ন্।। 8।।

**অৰ্থ** ঃ মহামুনি বিশ্বামিত্ৰ শিষ্যসকলৰ সৈতে উপস্থিত হৈ মন্ত্ৰ উচ্চাৰণ কৰি সেই ৰজাক (দশৰথক) আশীৰ্ব্বাদ দিলে।

চিৰঞ্জীৱ চিৰঞ্জীৱ চিৰঞ্জীৱ জনাধিপ।
পুত্ৰপত্নী সমাযুক্তঃ ভক্তিমান্ ভৱ মাধৱে।। 9।।

**অৰ্থ** ঃ হে জনাধিপ অৰ্থাৎ প্ৰজাসকলৰ অধিপতি, চিৰজীৱি হোৱা হোৱা, চিৰজীৱি হোৱা, চিৰজীৱি হোৱা, পুত্ৰ-পত্নী সকলোৰে সৈতে মাধৱৰ ওচৰত ভক্তিমান হোৱা।

তন্নিশম্যাভৱদ্ভীতো পপাত মূৰ্চ্ছিতোভুৱি।
কৰোতি কাতৰং ৰাজা ৱিধৃত্য চৰণো মুনেঃ।। 10।।

**অৰ্থ** ঃ ৰজাই ঋষিৰ পৰা তেনে বাণী শুনি ভয় খাই মূৰ্চ্ছিত হৈ মাটিত পৰিল আৰু জ্ঞান লাভ কৰি ঋষিৰ চৰণত ধৰি কাতৰেৰে ক'লে।

জয় জয় ৰঘুনাথ প্ৰাৰ্থক ত্ৰাণহেতো।
ৰঘুকূল কমলালী সূৰ্য্য ৰ্ৱৰ্য্য ত্বমেৱ।।
হৰষি দুৰিতমেষাং নাম সংকীৰ্ত্তনেন।
স্বজন সুত কলত্ৰৈ জীৱতাৎ ত্বং চিৰায়ুঃ।। 11।।

**অৰ্থ** ঃ ৰঘুনাথৰ জয় হওক, যিজন প্ৰাৰ্থকৰ ত্ৰাণ কৰ্ত্তা, ৰঘুকুলৰ কমল, সূৰ্যবংশৰ প্ৰকাশক, যাৰ নাম উচ্চাৰণ কৰিলে মনত আনন্দ জন্মে, দুঃখ দূৰ হয়, পুত্ৰ-পত্নী আৰু আত্মীয়সকলৰ সৈতে তেওঁ চিৰকাল জীয়াই থাকক।

সীতায়াঃ ৰূপলাৱণ্যং শ্ৰুত্বা নিঃশ্বস্য ৰাঘৱঃ।
ঋষিমাভাষ্য ভগৱান্ জগাম মিথিলাম্প্ৰতি।। 12।।

**অৰ্থ ঃ** সীতাৰ ৰূপ-লাৱণ্য কথা শুনি ৰামচন্দ্ৰৰ মনত কিঞ্চিত মদনবিকাৰ উপজিল আৰু নিশ্বাস ত্যাগ কৰি ঋষিক (বিশ্বামিত্ৰক) মিথিলালৈ যোৱাৰ কথা ক'লে।

চিৰঞ্জীৱ চিৰঞ্জীৱ ৰাজন্ সজ্জন-ৰঞ্জন।
গজ-বাজি-মহৈশ্চৰ্য্য-ভাৰ্য্যাত্মজ-যুতঃ সদা।। 13।।

**অৰ্থ ঃ** হে ৰাজন্ জনকঙ্গ আপোনাৰ সৎকাৰত আমি সন্তুষ্ট হ'লো। হাতী, ঘোঁৰা আৰু মহাঐশ্বৰ্য্য যুক্ত হৈ পত্নী-পুত্ৰ, আত্মীয়সকলৰ সৈতে চিৰকাল সুখেৰে থাকক।

সুতৌ দশৰথস্যতাৱাগতৌ ৰামলক্ষ্মণৌ।
দুহিতুস্তৱ সীতায়াঃ স্বয়ম্বৰদিদৃক্ষয়া।। 14।।

**অৰ্থ ঃ** ৰজা দশৰথৰ পুত্ৰ ৰাম-লক্ষ্মণ। তোমাৰ কন্যা সীতাৰ স্বয়ম্বৰ চাবলৈ ইয়ালৈ আহিছে।

নিশম্য পৰমাৰামা ৰামাগমন কৌতুকম।
সখীং সম্প্ৰেষয়ামাস জানকী কণকাৱতীম।। 15।।

**অৰ্থ ঃ** ৰামৰ আগমনৰ কথা জানিব পাৰি সীতাই (ৰামা) পৰম আনন্দিত হৈ সখি কনকাৱতীক পঠিয়ালে।

তস্যাঃ কথামাকৰ্ণ্য কৌতুকাৎ কনকাৱতী।
যযৌ ৰাজসভাং সাধ্বী সীতাং নত্বাতিসত্বৰম্।। 16।।

**অৰ্থ ঃ** সীতাৰ আদেশ শুনি কনকাৱতীয়ে আনন্দতে সাধ্বী সীতাক প্ৰণাম জনাই সোনকালে ৰাজসভালৈ গ'ল।

শ্ৰুত্বা সখীমুখাদ্ৰামচন্দ্ৰস্য চৰিতামৃতম্।
মুৰ্চ্ছিতা পতিতা সীতা সুমহাহৰ্ষ ধৰ্ষিতা।। 17।।

**অৰ্থ ঃ** সখীৰ (কনকাৱতীৰ) মুখৰ পৰা ৰামচন্দ্ৰৰ অমৃতময় চৰিত্ৰৰ কথা শুনি সীতা মহাহৰ্ষান্বিতা হৈ মূৰ্চ্ছিত হৈ পৰিল।

ততো নৃপান্ সমানীয় মণিমন্তো নৃপাজ্ঞয়া।
কাৰয়ামাস মহতীং সভামুৎসৱ-শোভিতাম্।। 18।।

**অৰ্থ ঃ** তেতিয়া মন্ত্ৰী মণিমন্ত্ৰই ৰজাসকলক সন্মান জনাই নিজ নিজ স্থানত

বহুৱালে  লগে লগে মহাসভা শোভিত হৈ পৰিল।

সখীভিঃ সাকমভেদ্যং জানকীং জনকোহনয়ৎ।

মহেশধনুঃ স্কন্ধে নিধায় শোভিতাং সভাম্।। 19।।

**অৰ্থ** ঃ ৰজা জনকে অভ্যন্তৰত প্ৰবেশ কৰি মহেশৰ (শিৱৰ) ধনু স্কন্ধত (কান্ধত) লৈ আৰু সখীসকলৰ সৈতে জানকীয়ে (সীতাই) প্ৰবেশ কৰি সভা শোভিত কৰিলে।

জগাদ জনকো ৰাক্যং পশ্যতৈতদ্ধনুৰ্নৃপাঃ।

ইদং সজ্যং কৰোতি যঃ তস্মৈ সীতাং সমৰ্পেয়ম্।। 20।।

**অৰ্থ** ঃ ৰজাজনকে উপস্থিত ৰজাসকলক ধনুখন দেখুৱাই এনেদৰে ক'লে- "এইখন মহেশৰ (শিৱৰ ধনু), ইয়াতে স্থাপন কৰিছো। যেয়ে ইয়াত গুণ দিব পাৰে তেওঁকেই সীতাক সমৰ্পণ কৰা হ'ব।"

ৰামমাহ মুনিৰ্ব্বৎস কিন্নিৰিক্ষ্যেহতিষ্ঠসি।

কৌশল্যানন্দনোত্তিষ্ঠ ত্বং সজ্যং কুৰু কাৰ্ম্মুকম্।। 21।।

**অৰ্থ** ঃ ৰজাসকলৰ এনে অৱস্থা দেখি মুনিয়ে (বিশ্বামিত্ৰই) ৰামক ক'লে- 'হে বৎস! কৌশল্যানন্দন ৰাম! তুমি কি কাৰণে বৈ চাই আছা? উঠা সোনকালে ধনুত গুণ লগোৱা।"

ধৃতে চাপে শ্ৰীৰামেন সীতা শঙ্কিত মানসা।

অনন্তং কচ্ছপং পৃথ্বিং যাচমানা জগাদ সা।। 22।।

**অৰ্থ** ঃ (ঋষিৰ আজ্ঞা পালি) ৰামচন্দ্ৰই ধনু ধাৰণ কৰা দেখি সীতাৰ মন শঙ্কিত হৈ পৰিল। সীতাই কাতৰ ভাবে মাতৃ বসুমতীক স্থিৰ হৈ ৰ'বলৈ কৈছে, আনকি কুৰ্মৰাজ আৰু অনন্তক (সৰ্পৰাজক) পৃথিৱীক স্থিৰ কৰি ৰাখিবলৈ অনুৰোধ জনাইছে।

ৰামস্তু শঙ্কিতাং সীতাং নিৰীক্ষ্য কৃপয়া প্ৰভুঃ।

প্ৰসজ্য সজ্যমকৰোৎ লীলয়াজগৱং ধনুঃ।। 23।।

**অৰ্থ** ঃ সেই কৃপাময় ৰামচন্দ্ৰই সীতাৰ সকৰুণ মুখ দেখি তৎক্ষণাতে সুন্দৰ ভঙ্গীৰে অজগৱ ধনুধাৰণ কৰি গুণ লগালে।

শ্ৰুত্বা সীতাভৱদ্ভীতা ভূপালবীৰ ৰক্ষলম্।

ৰুৰোদ ৱেপথুমতী শোচন্তী চ পতিং প্ৰতি।। 24।।

**অৰ্থ** ঃ ৰজাসকলৰ দৰ্প বাক্য শুনি ৰাজনন্দিনী সীতাৰ ভয়তে শৰীৰ কঁপিবলৈ ধৰে আৰু স্বামী (ৰামৰ) বাবে চিন্তা কৰি কান্দিবলৈ ধৰিলে।

ভীতাং সীতাং ততো ৰামো নিৰীক্ষ্য কৃপয়া প্ৰভুঃ।
প্ৰাহ প্ৰিয়াং সমাশ্বাস্য মাভৈঃ সীতে স্থিতে ময়ি।। 25।।

**অৰ্থ** ঃ তেতিয়া ৰামচন্দ্ৰই সীতাক ভয় খোৱা দেখি প্ৰিয়াক আশ্বাস দি ক'লে- "মই থাকোতে তুমি ভয় কৰা উচিত নহয়।"

নিৰীক্ষ্য সাক্ষাদ্ৰামস্য ৱিজয়ং জনকো মুদা।
ৱিৱাহৱিধিনা ধীৰো ৰাঘৱায় সূতামদাৎ।। 26।।

**অৰ্থ** ঃ ৰামচন্দ্ৰৰ বিজয় দেখি ৰজাজনক আনন্দিত হ'ল আৰু বিধিপূৰ্বক ভাবে বিবাহ কৰি বীৰ ৰাঘৱলৈ কন্যা (সীতাক) সম্প্ৰদান কৰে।

ঋষিঃ নিৰীক্ষ্য সীতায়াঃ ৰূপলাৱণ্যমদ্ভূতম্।
পুলকাঙ্গঃ পপাতোৰ্ব্ব্যাং কামাৰ্ত্তো মূৰ্চ্ছিতো যথা।। 27।।

**অৰ্থ** ঃ সীতাৰ অদ্ভুত ৰূপ-লাৱণ্য দেখি ঋষি বিশ্বামিত্ৰৰ শৰীৰ পুলকিত হয় কামভাৱ জাগৃত হৈ মূৰ্চ্ছিত হৈ মাটিত বাগৰি পৰে।

ততশ্চেতনমালভ্য মুনিৰ্মন্ত্ৰমুদিৰয়েৎ।
তদোদ্বাহৱিধৌ তস্মিন্ উৎসৱঃ সুমহানভূৎ।। 28।।

**অৰ্থ** ঃ তাৰপাছত মুনিয়ে জ্ঞান ঘূৰাই পায় পুনৰ মন্ত্ৰপাঠ কৰি সেই বিবাহকাৰ্য সমাপ্ত কৰে। সেই বিবাহত (ব্ৰহ্মা, ৰুদ্ৰ ইন্দ্ৰাদি দেৱতাসকল উপস্থিত হৈ) সকলোৱে মহান উৎসৱ কৰে।

ততোহতিকৌতুকো ৰামঃ প্ৰিয়য়া সহ সীতায়া।
সসোদৰো মুদাভ্ৰাজদযোধ্যাম্প্ৰযযৌ পুৰিম্।। 29।।

**অৰ্থ** ঃ তেতিয়া ৰামচন্দ্ৰই অতিশয় আনন্দিত হৈ পত্নী সীতা আৰু ভাতৃৰে (লক্ষ্মণৰ) সৈতে অযোধ্যালৈ যাত্ৰা কৰিলে।

ততঃ আগত্য তৰসা ভাৰ্গৱো ভ্ৰুকুটিমুখঃ।
স্কন্ধে নিধায় কঠিনং কুঠাৰং ৰামমব্ৰৱীৎ।। 30।।

**অৰ্থ** ঃ তাৰপাছত মহেশ্বৰ (শিৱৰ) ধনুভঙ্গ কৰা বাবে ক্ৰোধিত হৈ ভাৰ্গৱ

পৰশুৰামে (ভৃগুৰ পুত্ৰ) ভ্ৰূকুটি কৰি প্ৰচণ্ড মূৰ্ত্তি ধৰি, কান্ধত কুঠাৰলৈ ৰামচন্দ্ৰৰ সন্মুখত উপস্থিত হৈ ক'বলৈ ধৰিলে।

তন্নিশম্যাভৱদ্ভীতো ভয়াদ্দশৰথো নৃপঃ।
স্বস্কন্ধে বসনং বধ্বাভাৰ্গৱস্য পদেহপতৎ।। 31।।

**অৰ্থ** ঃ পৰশুৰামৰ (ভাৰ্গৱৰ) কথা শুনি ৰজা দশৰথে অতিশয় ভয় খাই নিজৰ ডিঙিত কাপোৰ বান্ধি ভাৰ্গৱৰ চৰণত পৰি অনুনয় কৰিবলৈ ধৰিলে।

বিলোক্য ভাৰ্গৱং ভীতা সীতা ৱেপিতমানসা।
ৰুৰোদ পতিমালিঙ্গ্য হা হতোস্মীতিৱাদিনী।। 32।।

**অৰ্থ** ঃ ভাৰ্গৱক (পৰশুৰামক) দেখি সীতাই ভয় খাই কঁপিবলৈ ধৰিলে। স্বামীক আলিঙ্গ্যন কৰি 'মই মৰিলো' বুলি কৈ কান্দিবলৈ ধৰিলে।

সন্তাপং প্ৰেক্ষ্য সীতায়াঃ ভক্তয়া ভক্তৱৎসলঃ।
প্ৰিয়াং প্ৰোৱাচ পৰমাং পাণিনা মাৰ্জ্জয়ন্মুখম্।। 33।।

**অৰ্থ** ঃ ভক্তা সীতাৰ এনে সন্তাপ হোৱা দেখি ভকতবৎসল ৰামচন্দ্ৰই প্ৰিয়াৰ মুখ মচি দি প্ৰেমময় বাক্যেৰে আশ্বাস দিলে।

ৱিশ্বামিত্ৰস্তদাগত্য ভাৰ্গৱং প্ৰাহ কোপতঃ।
অৰে দ্বিজ কুলাঙ্গাৰ মৎশিষ্যং হন্তুমিচ্ছসি।। 34।।

**অৰ্থ** ঃ তাৰপাছত ঋষি বিশ্বামিত্ৰ ভাৰ্গৱৰ (পৰশুৰামৰ) সন্মুখত উপস্থিত হৈ ক্ৰোধান্বিত হৈ ক'লে- "হে ব্ৰাহ্মণঙ্গ কুলকলঙ্ক, মোৰ শিষ্যক (ৰামচন্দ্ৰক) তুমি বধ কৰিবলৈ উদ্যত হৈছা?"

লক্ষ্মণঃ প্ৰেক্ষ্য তংদৰ্প্পং ৰামমাহ সকোপতঃ।
আজ্ঞাপয় ৱধে চাস্য দুৰ্জ্জনস্যাততায়িনঃ।। 35।।

**অৰ্থ** ঃ পৰশুৰামৰ দৰ্প (অহঙ্কাৰ) দেখি লক্ষ্মণে ৰামক ক্ৰোধিত হৈ ক'লে- "মোক এই আততায়ি দুৰ্জ্জন দ্বিজক বধ কৰিবলৈ আজ্ঞা (আদেশ) দিয়ক।"

ধনুঃ টঙ্কাৰমকৰোদ্ভাৰ্গৱং ভীষয়ন্প্ৰভুঃ।
তিষ্ঠ তিষ্ঠেতি তম্প্ৰাহ নেষ্যামাদ্য যমালয়ম্।। 36।।

**অৰ্থ** ঃ তাৰপাছত ৰামচন্দ্ৰই (শাৰঙ্গ) ধনু টঙ্কাৰ কৰি ভাৰ্গৱৰ সন্মুখত থিয় হৈ ক'লে- "ৰোৱা, ৰোৱাঙ্গ আজি তোমাক যমালয়লৈ পঠাম।"

নিৰ্জ্জিত্য ভাৰ্গৱং ৰামং প্ৰিয়য়া সহ ৰাঘৱ ঃ।
পুৰীং অযোধ্যামাৱিশৎ মাতৃভিঃ সম্প্ৰৱেশিত ঃ।। 37।।

**অৰ্থ** ঃ ভাৰ্গৱক (পৰশুৰামক) জয় কৰি ৰামচন্দ্ৰই প্ৰিয়াৰ সৈতে অযোধ্যাপুৰীত উপস্থিত হোৱা মাতৃসকলে (মাঙ্গলিক প্ৰথাৰে) প্ৰবেশ কৰোৱালে।

ভৃশং হৃষ্টমনা ৰামঃ সম্প্ৰাপ্য পৰমাংপ্ৰিয়াম্।
তয়া কুৰ্ব্বন কামকেলিং ৰেমে মণিময়ে গৃহে।। 38।।

**অৰ্থ** ঃ পৰম (গুণৱতী) প্ৰিয়াক লাভ কৰি ৰামচন্দ্ৰ সন্তুষ্ট হ'ল আৰু মণিময় গৃহত সীতাৰ সৈতে প্ৰবেশ কৰি কামকেলি কৰি আনন্দিত হ'ল।

শ্ৰীৰাম বিজয়ন্নাম নাটকং পূৰ্ণতাঙ্গতম্।
শ্ৰীকৃষ্ণপাদপদ্মস্য প্ৰসাদেন সুনিশ্চিতম্।। 39।।

**অৰ্থ** ঃ শ্ৰীকৃষ্ণৰ পাদপদ্ম প্ৰসাদত সুনিশ্চিভাবে শ্ৰীৰামবিজয় নাটক পূৰ্ণতাপ্ৰাপ্ত হ'ল অৰ্থাৎ সম্পূৰ্ণ হ'ল।

শ্ৰীগোপালপদচ্ছত্ৰচ্ছায়ালালসমানসঃ।
শ্ৰীশুক্লধজো নৃপশ্ৰেষ্ঠঃ কাৰয়ামাস নাটকম্।। 40।।
ৱিন্দুৰন্ধ্ৰ ৱেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞকে।
শ্ৰীৰামৱিজয়ং নাম নাটকং ৱিদধেহধুনা।।
ৰাম বিজয় নাম নাটোহয়ং সম্পূৰ্ণম শ্ৰীকৃষ্ণ পাদপ্ৰসাদতঃ।। 41।।

**অৰ্থ** ঃ শ্ৰীগোপালৰ (কৃষ্ণৰ / ৰামৰ) চৰণত ভক্তিৰখাৰ মানসেৰে নৃপশ্ৰেষ্ঠ শ্ৰীশুক্লধ্বজে 1490 শকত শঙ্কৰদেৱৰ দ্বাৰা শ্ৰীৰামবিজয় নামৰ নাটকখন ৰচনা কৰাইছিল। শ্ৰীকৃষ্ণৰ পাদপ্ৰসাদত (অনুগ্ৰহত) শ্ৰীৰামবিজয় নামৰ নাট ইমানতে সম্পূৰ্ণ হ'ল। ৷

## শঙ্কৰদেৱৰ নাটকৰ শ্লোক সমূহৰ ছন্দ ঃ

**ছন্দ** : বৈদিক তথা লৌকিক সংস্কৃত কাব্য সাহিত্যত ছন্দৰ এক বিশেষ বৈশিষ্ট্য আছে। বৈদিক সাহিত্যৰ আৰম্ভণিৰ পৰা ছন্দৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি বেদৰ মন্ত্ৰৰ বিশুদ্ধতা আৰু লয়বদ্ধ গতিৰ বাবে ছন্দৰ সৃষ্টি কৰা হয়। কাৰণ, মন্ত্ৰৰ ছন্দহীন উচ্চাৰণৰ পৰা অভীষ্ট ফল পোৱা নাযায়। সেয়ে বেদৰ ছয় অঙ্গৰ ভিতৰত ছন্দও এটা অঙ্গ। মহৰ্ষি পিঙ্গল ছন্দ শাস্ত্ৰৰ বাটকটীয়া আছিল বুলি পণ্ডিতসকলে কয়। পিঙ্গলৰ পূৰ্বত যে ছন্দশাস্ত্ৰকাৰ নাছিল এনে নহয়। পিঙ্গলৰ পূৰ্বসুৰী সাতগৰাকী হ'ল- ক্ৰৌষ্টুকি, যাস্ক, তাণ্ডী, সৈতৱ, কাশ্যপ, ৰাত আৰু মাণ্ডব্য। মহৰ্ষি পিঙ্গলৰ ছন্দ শাস্ত্ৰখন আঠটা খণ্ডত বিভক্ত এখন সৰ্বাঙ্গপূৰ্ণ গ্ৰন্থ। সূত্ৰৰ আধাৰত ৰচিত এই পুথিখনৰ কেবাগৰাকী টীকাকাৰৰ ভিতৰত হলায়ুধ (মৃতসঞ্জীৱনী) আৰু ভাস্কৰাচাৰ্য্য (ছন্দকৌস্তুভ) প্ৰধান। ইয়াৰ উপৰিও কালিদাসৰ (?) শ্ৰুতবোধ, ক্ষেমেন্দ্ৰৰ সুবৃত্ততিলক, হেমচন্দ্ৰৰ ছন্দোহনুশাসন, কেদাৰ ভট্টৰ 'বৃত্তৰত্নাকৰ' , দামোদৰ মিশ্ৰ 'বাণীভূষণ', দুখভঞ্জনৰ 'বাগ্বল্লভ' আৰু গঙ্গাদাসৰ বহুল প্ৰচাৰিত, অত্যন্ত সৰবৰহী 'ছন্দোমঞ্জৰী' আদিও উল্লেখযোগ্য ছন্দ গ্ৰন্থ। আমি ইয়াত ছন্দোমঞ্জৰীকেই অনুসৰণ কৰিছোঁ।

মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে তাৰাৰ ৰচিত অঙ্কীয়া নাট সমূহত বিভিন্ন ছন্দ প্ৰয়োগ কৰিছিল। তাৰে ভিতৰত শাৰ্দূলৱিক্ৰীড়িত, বসন্ততিলক, অনুষ্টুভ, পুষ্পিতাগ্ৰা, উপেন্দ্ৰবজ্ৰা, উপজাতি, মালিনী আৰু ভুজঙ্গপ্ৰয়াত আদিয়েই প্ৰধান। প্ৰতিখন নাটকৰ শ্লোক সমূহত কি কি ছন্দ আছে তাক দেখুৱাৰ লগতে তাৰ সংজ্ঞা দিয়া হ'ল।

### (ক) পত্নী-প্ৰসাদ নাট-

প্ৰথম শ্লোক ...। —শাৰ্দূ লৱিক্ৰীড়িত।

দ্বিতীয় শ্লোক ... ভাগৱত 10¼ 23¼ 22 —বসন্ততিলক।

**(খ) ৰুক্মিণী-হৰণ নাট।**

প্ৰথম শ্লোক ...। —বসন্ততিলক।

দ্বিতীয় শ্লোক ...। — শাৰ্দূ লৱিক্ৰীড়িত।

তৃতীয় শ্লোকৰ পৰা একবিংশ শ্লোকলৈ। — অনুষ্টুপ্।

দ্বাৰিংশ শ্লোক ...। —পুষ্পিতাগ্ৰা।

ত্ৰয়োৰিংশ শ্লোকৰ পৰা দ্বিচত্বাৰিংশ শ্লোকলৈ। — অনুষ্টুপ্।

**(গ) কালিয়দমন যাত্ৰা।**

প্ৰথম শ্লোক ...। শাৰ্দূ লৱিক্ৰীড়িত।

দ্বিতীয় শ্লোক ...। তথা

তৃতীয় শ্লোকৰ পৰা চতুৰ্ৰিংশ শ্লোকলৈ ....। — অনুষ্টুপ্।

**(ঘ) কেলিগোপাল নাটক।**

প্ৰথম শ্লোক ...। উপেন্দ্ৰবজ্ৰা।

দ্বিতীয় শ্লোক ...। —বসন্ততিলক।

তৃতীয় আৰু চতুৰ্থ শ্লোক ...। —অনুষ্টুপ্ ।

পঞ্চম শ্লোক ...। —উপজাতি।

ষষ্ঠ আৰু সপ্তম শ্লোক ...। —অনুষ্টুপ্।

অষ্টম শ্লোক ...। —উপজাতি।

নবম শ্লোকৰ পৰা পঞ্চৰিংশ শ্লোকলৈ ...। — অনুষ্টুপ্।

**(ঙ) পাৰিজাত-হৰণ নাট।**

প্ৰথম আৰু দ্বিতীয় শ্লোক ...। — ভুজঙ্গপ্ৰয়াত।

তৃতীয়ৰ পৰা পঞ্চম শ্লোকলৈ ...। —অনুষ্টুপ্ ।

ষষ্ঠ শ্লোক ...। —মালিনী।

সপ্তম শ্লোকৰ পৰা দ্বাৰিংশ শ্লোকলৈ ...। —অনুষ্টুপ্ ।

ত্ৰয়োৰিংশ শ্লোক ...। —উপজাতি।

চতুৰ্ৰিংশ শ্লোকৰ পৰা পঞ্চচত্বাৰিংশ শ্লোকলৈ। — অনুষ্টুপ্ ।

**(চ) শ্ৰীৰামবিজয় নাট।**

প্ৰথম আৰু দ্বিতীয় শ্লোক ...। শাৰ্দূ লৱিক্ৰীড়িত।

তৃতীয় শ্লোকৰ পৰা দশম শ্লোকলৈ ...। —অনুষ্টুপ্।

একাদশ শ্লোক ...। —মালিনী।

দ্বাদশ শ্লোকৰ পৰা একচত্বাৰিংশ শ্লোকলৈ ...। —অনুষ্টুপ্।

**উক্ত ছন্দ সমূহৰ সংজ্ঞা যেনে—**

**শাৰ্দূলৱিক্ৰীড়িতম্ : সূৰ্যাশ্বৈৰ্যদি মঃ সজৌ সততগাঃ শাৰ্দূলৱিক্ৰীড়িতম।। (ম স জ স ত ত গ)**

— এটা পাদত একৈশটা বৰ্ণৰ বৃত্ত।

**বসন্ততিলক : জ্ঞেয়ং ৱসন্ততিলকং তভজা জগৌ গঃ (ত ভ জ জ গ গ)।**

— এটা পাদত পোন্ধৰতা বৰ্ণৰ বৃত্ত।

**অনুষ্টুভ :** ইয়াৰ আন এটা নাম ‘শ্লোক’। সংস্কৃত কাব্য সাহিত্যৰ যি কোনা পদ্যকে সাধাৰণতে ‘শ্লোক’ বুলি কোৱা হয়। লৌকিক সংস্কৃত সাহিত্যৰ পুৰাণাদি অসংখ্য গ্ৰন্থ, কাব্য, মহাকাব্যসমূহত কবিসকলে এই ছন্দ বহুল পৰিমাণে ব্যৱহাৰ কৰিছে। ক্ৰৌঞ্চ মিথুনৰ এটাক বধ কৰা ব্যাধজনৰ প্ৰতি বাল্মীকিৰ আৱেগপূৰ্ণ (শোকৰ) উক্তি এই শ্লোকছন্দতে স্বস্তঃস্ফুৰ্তভাৱে মুখৰপৰা ওলাই পৰিছিল আৰু সেয়ে আছিল লৌকিক সংস্কৃতৰ আদিমতম শ্লোক। ‘শ্লোক’ অৰ্থাৎ ‘অনুষ্টুভ’ ছন্দৰ এটা পাদত আঠটাকৈ আখৰ থাকে।

**শ্লোকে ষষ্ঠং গুৰু জ্ঞেজং সৰ্বত্ৰ লঘু পঞ্চমম্।**
**দ্বিচতুঃ পাদয়োৰ্হ্ৰস্বং সপ্তমং দীৰ্ঘমন্যয়োঃ।।**

— এটা পাদত নটা বৰ্ণৰ বৃত্ত।

**পুষ্পিতাগ্ৰা : অযুজি নযুগৰেফতো ফকাৰো, যুজি চ নজৌ জৰগাশ্চ পুষ্পিতাগ্ৰা। (ন ন ৰ য, ন জ জ ৰ গ)** — এটা পাদত পঁচিশটা বৰ্ণ থাকে।

**উপেন্দ্ৰবজ্ৰা : উপেন্দ্ৰৱজ্ৰা প্ৰথমে লঘৌ সা।** জ, ত, জ, গ, গ।

— এটা পাদত বাইশটা বৰ্ণ থাকে।

**উপজাতি :** উপজাতি দুটা ছন্দৰ (ইন্দ্ৰবজ্ৰা আৰু উপেন্দ্ৰবজ্ৰাৰ।) মিশ্ৰণ—

— এটা পাদত সোতৰতা বৰ্ণৰ বৃত্ত।

**মালিনী : ননমযযযুতেয়ং মালিনী ভোগিলোকৈঃ।** (ন ন ম য য)

**ভুজঙ্গপ্ৰয়াত : ভুজঙ্গপ্ৰয়াতং চতুৰ্ভিৰ্যকাৰৈঃ ।।**

— যি ছন্দত ক্ৰমে চাৰিটা য গণ থাকে (য য য য) তাকে ভুজঙ্গপ্ৰয়াত ছন্দ বোলে। এটা পাদত চব্বিশটা বৰ্ণ থাকে। ৷

**অঙ্কীয়া নাটৰ গীত সমূহত থকা ৰাগ আৰু তাল ঃ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচিত অঙ্কীয়া নাটসমূহত থকা গীতসমূহ বিভিন্ন ৰাগ আৰু তালত সন্নিৱিষ্ট হৈছে। 'পত্নীপ্ৰসাদ'ত 8(আঠ), 'ৰুক্মিণীহৰণ'ত 31(একত্ৰিশ), 'কালিয়দমন'ত 14(চৈধ্য), 'কেলি-গোপাল'ত 30(ত্ৰিশ), 'পাৰিজাত-হৰণ'ত 18(ওঠৰ) আৰু 'শ্ৰীৰামবিজয় নাট'ত 19টা(উনৈশ) গীত পোৱা যায়। তলত গীতসমূহত সন্নিবিষ্ট হোৱা ৰাগ আৰু তালৰ নাম উল্লেখ কৰা হ'ল—

**।। পত্নীপ্ৰসাদ।।**

1) ৰাগ কানাড়া।। পৰিতাল
2] ৰাগ আশোৱাৰি।। একতাল
3] পয়াৰ।। ৰাগশ্ৰী।। পৰিতাল
4] ৰাগ ধনশ্ৰী ।। একতাল
5] ৰাগ বেলোৱাৰ।। ৰূপক তাল
6] ৰাগ আশোৱাৰী।। মান একতালি
7] ৰাগ গৌৰী।। জৌতি মান
8] ৰাগ শ্যাম।। পৰিতাল

**।। ৰুক্মিণীহৰণ নাট।।**

1] নান্দী গীত।। ৰাগ সুহাই।। মান একতালি
2] ৰাগ সিন্ধুৰা।। একতালি
3] ৰাগ সুহাই ।। মান একতালি
4] ৰাগ ধনশ্ৰী।। একতালি
5] ৰাগ আশোৱাৰী।। জৌতিমান
6] ৰাগ শ্ৰীগান্ধাৰ।। পৰিতাল
7] ৰাগ কানাড়া।। পৰিতাল
8] ৰাগ গৌৰী।। জৌতিমান
9] ৰাগ শ্ৰীগান্ধাৰ।। জৌতিমান
10] ৰাগ কানাড়া।। পৰিতাল
11] ৰাগ অহিৰ।। জৌতিমান
12] ৰাগশ্ৰী।। পৰিতাল
13] ৰাগ গৌৰী।। ৰূপক তাল
14] ৰাগ মাহুৰ।। পৰিতাল
15] ৰাগ গৌৰী। বিষম তাল
16] ৰাগ গৌৰী।। জৌতিমান
17] ৰাগ মাহুৰ।। পৰিতাল
18] ৰাগ গৌৰী।। একতালি
19] ৰাগ মাহুৰ ধনশ্ৰী।। দোমানি জৌতিতাল
20] ৰাগ মাহুৰ ধনশ্ৰী।। একতালি
21] কানাড়া।। পৰিতাল
22] ৰাগ শ্ৰীগান্ধাৰ। জৌতিতাল
23) ৰাগ বেলোৱাৰ।। পৰিতাল
24] নাট মল্লাৰ।। পৰিতাল
25] ৰাগ সুহাই।। চুটকলামন
26] ৰাগ কানাড়া।। পৰিতাল (তালচুটা)
27] ৰাগ শ্ৰীগান্ধাৰ।। জৌতিমান
28] ৰাগ তুড় ভটিয়ালী।। জৌতিমান
29] ৰাগ কানাড়া।। পৰিতাল
30] ৰাগ সাৰঙ্গ।। পৰিতাল

31] ৰাগ কল্যাণ।। খৰমান

**।। কালিয়দমন নাট।।**

1] ৰাগ সিন্ধুৰা।। একতাল
2] ৰাগ কানাড়া।। পৰিতাল
3] ৰাগ আশোৱাৰী।। পৰিতাল
4] ৰাগ গৌৰী।। পৰিতাল
5] ৰাগ-কৌ।। পৰিতাল
6] ৰাগ কৌ।। জতিমান (মানযতি)
7] ৰাগ গৌৰী।। দোমানি পৰিতাল।। জতিমান
8] ৰাগ বেলোৱাৰ।। ৰূপক তাল
9] ৰাগ বেলোৱাৰ।। ৰূপক তাল
10] ৰাগ সুহাই।। যতি মান
11] ৰাগ কানাড়া।। পৰিতাল
12] ৰাগ শ্ৰীগান্ধাৰ। পৰিতাল
13] ৰাগ ভাঠিয়ালি।। পৰিতাল
14] ৰাগ কল্যাণ।। খৰমান

**।। কেলি-গোপাল নাট।।**

1] ৰাগ সুহাই।। একতালি
2] ৰাগ শ্যাম।। একতালি
3] ৰাগ কেদাৰ। যতিমান
4] ৰাগ শ্ৰীগৌৰী।। একতালি
5] ৰাগ বোলোৱাৰ।। ৰূপক তাল
6] ৰাগ সুহাই।। যতিমান
7] ৰাগ শ্ৰীগান্ধাৰ।। যতিমান
8] ৰাগ শ্ৰীগান্ধাৰ
9] ৰাগ সুহাই।। পৰিতাল
10] ৰাগ কানাড়া।। তাল চুটা
11] ৰাগ শ্যাম।। যতিমান
12] ৰাগ সুহাই।। পৰিতাল
13] ৰাগ কল্যাণ।। যতিতাল
14] ৰাগ গৌৰী।। যতিমান
15] ৰাগ কানাড়া।। পৰিতাল
16] ৰাগ সুহাই।। যতিমান
17] ৰাগ সুহাই।। যতিমান
18] ৰাগ শ্ৰীগান্ধাৰ।। মান একতালি
19] ৰাগ আশোৱাৰী।। একাতালি
20] ৰাগ মাহুৰ।। যতিমান
21] ৰাগ ধনশ্ৰী।। একতালি
22] ৰাগ গৌৰী।। একতালি
23] ৰাগ কেদাৰ
24] ৰাগ মাহুৰ।। তাল খৰমান
25] ৰাগ গৌৰী।। পৰিতাল
26] ৰাগ নাট।। পৰিতাল
27] ৰাগ গৌৰী।। তাল যতি
28] ৰাগ গৌৰী।। পৰিতাল
29] ৰাগ অহিৰ।। তাল যতি
30] ৰাগ অহিৰ।। একতালি

**।। পাৰিজাত-হৰণ নাট।।**

1] প্ৰৱেশ গীত।। ৰাগ সিন্ধুৰা।। একতালি
2] ৰাগ আশোআৰী।। পৰিতাল
3] ৰাগ শ্ৰীগান্ধাৰ।। জৌতিমান।।
4] শ্ৰীগান্ধাৰ।। পৰিতাল
5] ৰাগ কল্যাণ।। জতিতাল
6] ৰাগ তুৰ ভাটিয়ালী।। জতিমান

7] ৰাগ শ্ৰীগান্ধাৰ।। জৌতিতাল
8] ৰাগ মাহুৰ ধনশ্ৰী।। একতালি
9] ৰাগ মাহুৰ ধনশ্ৰী।। একতালি
10] ৰাগ গৌৰী।। যতি তাল
11] ৰাগ আশোৱাৰী।। খৰমান
12] ৰাগ বেলোৱাৰ।। তাল খৰমান
13] ৰাগ তুৰ।। পৰিতাল
14] ৰাগ কানাড়া।। পৰিতাল
15] ৰাগ কানাড়া।। পৰিতাল
16] ৰাগ বেলোৱাৰ।। পৰিতাল
17] ৰাগ বসন্ত।। পৰিতাল
18] ৰাগ-পূৰ্ব্বি।। খৰমান

**।। শ্ৰীৰামবিজয় নাট।।**

1] ৰাগ সুহাই।। একতালি
2] ৰাগ সিন্ধুৰা।। একতালি।।
3] ৰাগ সুহাই।। একতালি
4] সুহাই।। জৌতিমান।। চুটকলা
5] ৰাগ কানাড়া।। পৰিতাল
6] ৰাগ কানাড়া।। পৰিতাল
7] ৰাগ সুহাই।। জৌতিমান
8] ৰাগ মাহুৰ।। জৌতিমান
9] ৰাগ ধনশ্ৰী।। একতালি
10] ৰাগ ধনশ্ৰী।। একতালি
11] ৰাগ কানড়া।। পৰিতাল
12] ৰাগ সুহাই।। চুটকলা মান
13] ৰাগ মাহুৰ।। পৰিতাল
14] ৰাগ গৌৰী।। বিষম তাল
15] ৰাগ সুহাই।। জৌতিমান
16] ৰাগ তুৰ ভাটিৱালী।। জৌতিমান
17] ৰাগ গৌৰী।। জ্যোতিমান
18] ৰাগ কানাড়া।। জ্যোতিমান
19] ৰাগ কল্যাণ।। খৰমান